বিবাহ আৰু নৈতিকতা

(Bertrand Russel-ৰ "Marriage and Morals"ৰ ভাবানুবাদ)

ভাবানুবাদ ঃ ড° যোগেন্দ্ৰ নাথ

বনলতা
গুৱাহাটী-১ ডিব্ৰুগড়-১

Bibah Aru Naitikata : An Assamese Translation of Bertrand Russel's "Marriage and Morals" by Dr. Jogendra Nath and Published by Sri Madhumita Hazarika on behalf of Banalata, Guwahati-1, 1st edition, December, 2004 Price Rs. Sixty only.

প্ৰকাশক ঃ মাধুমিতা হাজৰিকা
বনলতা
পাণবজাৰ, গুৱাহাটী - ১

মুখ্য কাৰ্যালয় ঃ নতুন বজাৰ, ডিব্ৰুগড়-১

বেটুপাত ঃ ৰবীন বৰুৱা

মূল্য ঃ ৬০.০০ টকা

প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০০৪

ডি.টি.পি. ঃ টাইটলিং লেজাৰ এণ্ড অফচেট্ প্ৰিণ্ট
ৰাজগড় ৰোড (ৰেল গেটৰ ওচৰত)
চানমাৰি, গুৱাহাটী - ৩
ফোন ঃ ২৪৫৯২২০

মুদ্ৰক ঃ হৰাইজ'ন প্ৰিণ্টাৰ্চ
দৰিয়াগঞ্জ, নতুন দিল্লী— ১১০০০২

আদৰণি

বিশ্ববিশ্ৰুত গণিতজ্ঞ, দাৰ্শনিক আৰু সৃষ্টিশীল বুদ্ধিজীৱী বাৰ্ট্ৰাণ্ড ৰাচেলৰ আত্মজীৱনীৰ প্ৰথম খণ্ড অসমীয়ালৈ অনুবাদ কৰি অসমীয়া পঢ়ুৱৈক উপহাৰ দিয়া ড° যোগেন্দ্ৰ নাথ ডাঙৰীয়াই ৰাছেলৰ Marriage and Morals নামৰ গ্ৰন্থখনৰ অনুবাদ অসমীয়া পঢ়ুৱৈৰ হাতত তুলি দিছে। ৰাছেলৰ আত্মজীৱনীখনে প্ৰকাশৰ লগে লগে তোলা আলোড়ন ৰসগ্ৰাহী পাঠকৰ বাবে এতিয়াও স্তিমিত হোৱা নাই। ইমান মুকলিভাৱে অথচ ৰুচিসন্মতভাৱে নিজক দাঙি ধৰা আত্মজীৱনী যথাৰ্থতে বিৰল।

ঊনবিংশ শতিকাৰ সত্তৰৰ দশকৰ আৰম্ভতে জন্ম গ্ৰহণ কৰা লৰ্ড ৰাছেলে প্ৰায় এশ বছৰৰ আয়ুস লাভ কৰি ১৯৭০ খ্ৰীষ্টাব্দত শেষ নিশ্বাস ত্যাগ কৰে। এই দাৰ্শনিক পণ্ডিত গৰাকীয়ে পাশ্চাত্য দৰ্শনকো দান কৰি গৈছে নতুন মাত্ৰা। এই গৰাকী বিৰল প্ৰতিভাধৰ দাৰ্শনিক পণ্ডিতৰ ৰচনাৰ লগত অসমীয়া পঢ়ুৱৈক পৰিচয় কৰাই দিয়াৰ বাবে ড° নাথ নিঃসন্দেহে ধন্যবাদাৰ্হ।

ৰাছেলৰ Marriage and Morals নামৰ গ্ৰন্থখনৰ বাবে তেওঁ লাভ কৰিছিল ন'বেল বঁটা। গ্ৰন্থখনিৰ নামটোৱে এনে এটা ধাৰণা দিব পাৰে যে গ্ৰন্থখনত নিশ্চয় বিবাহ-বিষয়ক আৰু স্বামী-স্ত্ৰীৰ সম্পৰ্কৰ আঁৰত ঘটা বা ঘটিব পৰা অনৈতিক সম্পৰ্কৰ আলোচনা থাকিব পাৰে। অনুবাদকে অনুমান কৰাৰ দৰে এনেও ধাৰণা নামটোৱে দিব পাৰে যে গ্ৰন্থখন নিশ্চয় বৈবাহিক জীৱন সম্পৰ্কীয় নীতিশাস্ত্ৰ। এৰৈকছটা অধ্যায় সামৰি লোৱা গ্ৰন্থখনৰ ঘাই লক্ষ্যই হ'ল দাম্পত্য জীৱনত সুখ আৰু শান্তিৰ সন্ধান কেনেকৈ পাব পাৰি তাৰ পথ নিৰ্দেশ কৰা। প্ৰস্তাৱনা অধ্যায়ত সেই সংকেত পাঠকসকলে পাব। মাতৃ-তান্ত্ৰিক সমাজ, পিতৃ-তান্ত্ৰিক প্ৰথা, লিংগ পূজা, খ্ৰীষ্টধৰ্মীয় নীতিশাস্ত্ৰ, ৰোমান্টিক প্ৰেম, নাৰীমুক্তি, যৌনজ্ঞান লাভ কৰাত থকা বাধা-নিষেধ, প্ৰেমৰ স্থান, বিবাহ, বেশ্যাবৃত্তি, পৰীক্ষামূলক বিবাহ, পৰিয়ালৰ আধুনিক ৰূপ, ব্যক্তিগত মনস্তত্বত পৰিয়ালৰ স্থান, পৰিয়াল আৰু ৰাষ্ট্ৰ, বিবাহ-বিচ্ছেদ, জনসংখ্যা, উন্নত শিশু জন্ম, যৌনক্ৰিয়া আৰু ব্যক্তিগত কল্যাণ, জীৱনৰ মূল্যায়নত যৌন সম্ভোগৰ স্থান— এই কেইটা অধ্যায়ত বিভক্ত গ্ৰন্থখনৰ অধ্যায়ৰ নামেই বিষয়বস্তুৰ ইংগিত দান কৰিছে।

গ্ৰন্থখনিৰ কোনোটো অধ্যায়কে পঢ়িবলৈ লৈ এৰিব নোৱাৰি। ড° নাথে যথাসম্ভৱ প্ৰাঞ্জল আৰু নিৰ্ভৰযোগ্য অনুবাদ এটি প্ৰস্তুত কৰিছে।

যদিও পাশ্চাত্য জীৱন পদ্ধতিৰ আধাৰতে গ্ৰন্থখন লিখা যেন লাগিব পাৰে, দৰাচলতে গ্ৰন্থখন পঢ়িলেহে অনুভৱ হ'ব কেনেকৈ পণ্ডিত লেখকগৰাকীয়ে সাৰ্বজনীন মানৱীয় মনস্তত্বৰ অন্তৰ্দেশলৈ সোমাই গৈছে আৰু মানুহক বাঞ্ছিত আনন্দ আৰু শান্তি লাভৰ বাট দেখুৱাইছে। মহামতি ৰাছেলৰ জীৱন দৃষ্টিৰ বিশালতাই, মংগলবোধে আৰু তেওঁৰ শিল্পসন্মত উপস্থাপন পদ্ধতিয়ে গ্ৰন্থখনিক দান কৰিছে এক মানৱীয় আবেদনৰ আধাৰ। মই আশা কৰিছোঁ অসমীয়া পঢ়ুৱৈয়ে গ্ৰন্থখনি আদৰি ল'ব আৰু ৰাছেলৰ দৃষ্টিৰে জীৱনক চোৱাৰ আৰু জীৱন যাপন কৰাৰ প্ৰেৰণা লাভ কৰিব। আধুনিক জীৱন যাত্ৰাৰ পদ্ধতিয়ে আমাৰ ভাৰতীয় তথা অসমীয়া জীৱনলৈ কঢ়িয়াই অনা সমস্যাৰ পটভূমিতো গ্ৰন্থখনিৰ গুৰুত্ব পাঠকসকলে অনুভৱ নকৰাকৈ নাথাকিব। মই এই অনূদিত ৰূপটিক আদৰণি জনাইছোঁ।

৬ ডিচেম্বৰ ২০০৪ — নগেন শইকীয়া

গুৱাহাটী

আগকথা

১৯৭০ চনৰ কথা। সেই সময়ত মই নেফাৰ (বৰ্তমান অৰুণাচল প্ৰদেশ) পাচিঘাটৰ জৱাহৰলাল নেহৰু কলেজত অধ্যাপনা কৰি আছিলোঁ। তেনে সময়তে ৰেডিঅ', বাতৰি কাকত আদি বিভিন্ন মাধ্যমৰে প্ৰচাৰ কৰা বাৰ্ট্ৰাণ্ড ৰাচেলৰ মৃত্যুৰ খবৰৰ লগতে ৰাচেলৰ বিষয়ে বহু কথাই শুনো আৰু পঢ়িবলৈ পাওঁ। ইমান দিনে, এনে বিশ্ববিখ্যাত গণিতজ্ঞ, দাৰ্শনিক, সাহিত্যিক, বৌদ্ধিক ব্যক্তি এগৰাকীৰ বিষয়ে নজনাকৈ থকাঁটোত মই বৰ লজ্জিত অনুভৱ কৰিলো। লগে লগে ৰাচেলৰ কিবা কিতাপ আছে নেকি বুলি কলেজৰ পুথিভঁড়ালত বিচাৰিলো। আছে। তিনিটা খণ্ডত প্ৰকাশিত বাৰ্ট্ৰাণ্ড ৰাচেলৰ Autobiography ৰ লগতে আন দুখনমান কিতাপো আছে। Autobiography খন আনি গোগ্ৰাসে পঢ়িলো। যিমানেই পঢ়িছিলো সিমানেই পঢ়াৰ উন্মাদনা বাঢ়িছিল— নতুন এক মানসিক জগতৰ সন্ধান পাই। পঢ়ি শেষ কৰি ভাবিছিলো তেওঁৰ Autobiography খন অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশ কৰিব পাৰিলে অসমীয়া পাঠক সমাজ এক নতুন জ্ঞান ভাণ্ডাৰৰ গৰাকী হ'ব পাৰিব। উন্মাদৰ দৰে অনুবাদৰ কামত লাগি অতি কম সময়ৰ ভিতৰতে অনুবাদ কৰি উলিয়াও। তাৰেই প্ৰথম খণ্ডটো প্ৰকাশ কৰি উলিয়াওতে কেনেকৈ তিনি দশকৰো অধিক কাল লাগিল; চন্দ্ৰপ্ৰসাদ শইকীয়াৰ পৰা, সতীশ ভট্টাচাৰ্য্য, সুশীল গোস্বামীলৈ অসম প্ৰকাশন পৰিষদৰ হৰ্তাকৰ্তাসকলে অসমীয়া সাহিত্যক কি ধৰণে পৰিচালনা কৰিছে, অৱশেষত ২০০৩ চনত বাণী মন্দিৰে প্ৰকাশ কৰি উলিওৱা প্ৰথম খণ্ডটোৰ 'আগকথা'ত সবিস্তাৰে লেখা হৈছে। সেই অসমীয়া অনুবাদে যে অসমীয়া পাঠকৰ মৰম-চেনেহ পোৱা নাই ক'ব নোৱাৰি। তাৰ প্ৰমাণ গুৱাহাটী-ডিব্ৰুগড়ৰ 'বনলতা' প্ৰকাশন। স্বত্বাধিকাৰে গুৱাহাটীস্থ কাৰ্যালয়ত এদিন মোক পাই কৈছিল— ৰাচেলৰ Autobiography ৰ আপুনি কৰা অসমীয়া অনুবাদ পঢ়ি বৰ ভাল লাগিল। পাৰিলে ৰাচেলৰ আন ভাল কিতাপ এখন অসমীয়ালৈ অনুবাদ কৰি মোক দিয়কচোন। আমিয়েই প্ৰকাশ কৰিম।

ভাবি ঠিৰাং কৰিলো, বাৰ্ট্ৰাণ্ড ৰাচেললৈ ১৯৫০ চনৰ ন'বেল বঁটা আনি দিয়া Marriage and Morals অসমীয়ালৈ অনুবাদ কৰি দিওঁ। সেয়েহে এই অনুবাদ। শিক্ষিত সমাজখনে ৰাচেলৰ কথা নাজানে বুলি মই নাভাবো। তথাপি তেওঁৰ বিষয়ে

আৰু উক্ত কিতাপখনৰ বিষয়ে দুষাৰ নিলিখিলে মোৰ বক্তব্য আধৰুৱা হ'ব বুলি মোৰ ভয়।

Marriage and Morals খন মানৱ সমাজক সুখ-শান্তিৰ সন্ধান দিয়াৰ বাবে লেখা এখন অমৰ গ্ৰন্থ। নামটো শুনি এনেহে লাগে যেন কিতাপখন এখন বিবাহ শাস্ত্ৰ। ই কিন্তু বিবাহ শাস্ত্ৰ নহয়— এই গ্ৰন্থত মানৱ সমাজত, বিশেষকৈ পাশ্চাত্যত থকা বিয়াৰ লগত সন্নিৱিষ্ট ৰীতি-নীতিবোৰৰ জন্ম-বৃত্তান্তৰ কথা আলোচনা কৰি, প্ৰয়োজন সাপেক্ষে সেইবোৰক খুৰধাৰ সমালোচনা কৰি, আদৰ্শ ছবি এখন দাঙি ধৰা হৈছে। তেওঁ যুক্তিসহ প্ৰমাণ কৰিছে কেনেকৈ বিভিন্ন ধৰ্মীয় কাৰণত আৰু সভ্যতাৰ আদিম স্তৰত নাৰীৰ ওপৰত পুৰুষৰ আধিপত্যৰ কাৰণত আসোঁৱাহপূৰ্ণ বিবাহ পদ্ধতিৰ সৃষ্টি হৈছে। ধৰ্মগুৰু সকলে কেনেকৈ নিজে যৌন ব্যভিচাৰত লিপ্ত হৈ বৈবাহিক সম্বন্ধত সভ্যতাৰ পৰিপন্থী নীতিৰ সৃষ্টি কৰিছে, বিয়াৰ পূৰ্বে যুৱক-যুৱতীক যৌন জ্ঞান নিদিয়াৰ লগতে যৌন অভিজ্ঞতাৰ পৰা বঞ্চিত কৰি বৈবাহিক জীৱন বিষময় কৰি তোলা হৈছে, ধৰ্মৰ ধাৰাই নাৰীৰ যৌন জীৱন কেনেকৈ বিষময় কৰি গোটেই বৈবাহিক জীৱনটোকে মানৱ জীৱনৰ সুখ-শান্তিৰ অন্তৰায় কৰি পেলাইছে এই সকলো দিশৰ পুংখানুপুংখ বিচাৰ কৰি দেখুৱাইছে বৈবাহিক জীৱন ভুল-ত্ৰুটিৰ এক সমষ্টি। তাৰ কুফল প্ৰজন্ম প্ৰজন্ম ধৰি মানৱ সমাজে ভোগ কৰি আহিছে। গতিকে ক'ব পৰা যায় যে এই গ্ৰন্থই বিবাহৰ নীতিশাস্ত্ৰৰ পৰ্যায় চেৰাই এক মানৱ দৰদী সাহিত্যলৈ ৰূপান্তৰিত হৈছে।

Marriage and Morals-ৰ প্ৰতিটো অধ্যায়ত প্ৰতিগৰাকী পুৰুষ-নাৰীৰ যৌন আৰু বৈবাহিক জীৱন এনেদৰে সাঙোৰ খাই আছে যে কিতাপখন নপঢ়া লোকক সেই কথা বুজাব নোৱাৰি। প্ৰতিগৰাকী যুৱক-যুৱতী, বিবাহিত নাৰী-পুৰুষে বিশেষকৈ নৱ-বিবাহিত দম্পতিৰ বাবে এই গ্ৰন্থ হৈছে এক সু-সাহিত্য।

বাৰ্ট্ৰাণ্ড ৰাছেলৰ এই গ্ৰন্থখন অসমীয়ালৈ অনুবাদ কৰিবলৈ অনুপ্ৰেৰণা দিয়াৰ বাবে বনলতা প্ৰকাশনৰ মধুমিতা হাজৰিকালৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল। পাণ্ডুলিপি যুগুতোৱাত চিলাপথাৰৰ শ্ৰীসূৰ্য্য শইকীয়াই যথেষ্ট সহায় কৰিছিল। তাৰোপৰি ইটো-সিটো আগবঢ়াই দি সহায় কৰিছিল মোৰ সহধৰ্মিণী মাধবী, একমাত্ৰ ল'ৰা চিংকপ আৰু কনিষ্ঠা কন্যা সঙ্গীতাই। সিহঁতলৈও মোৰ মৰম সনা কৃতজ্ঞতা থাকিল।

যোগেন্দ্ৰ নাথ

চিলাপথাৰ
২/১২/০৪

সূচীপত্র

প্ৰথম অধ্যায়	ঃ	প্ৰস্তাৱনা	১
দ্বিতীয় অধ্যায়	ঃ	মাতৃ-গোত্ৰী সমাজ	৭
তৃতীয় অধ্যায়	ঃ	পিতৃ-প্ৰধান প্ৰথা	১৩
চতুৰ্থ অধ্যায়	ঃ	লিঙ্গ পূজা, কেৱলীয়া ধৰ্ম আৰু পাপ	১৮
পঞ্চম অধ্যায়	ঃ	খ্ৰীষ্ট ধৰ্মীয় নীতিশাস্ত্ৰ	২৪
ষষ্ঠ অধ্যায়	ঃ	ৰমন্যাসিক প্ৰেম (ৰোমান্টিক লাভ)	৩৫
সপ্তম অধ্যায়	ঃ	নাৰী মুক্তি	৪৩
অষ্টম অধ্যায়	ঃ	যৌন জ্ঞানত নিষেধাজ্ঞা	৫১
নৱম অধ্যায়	ঃ	মানৱ জীৱনত প্ৰেমৰ স্থান	৬৪
দশম অধ্যায়	ঃ	বিবাহ	৭০
একাদশ অধ্যায়	ঃ	বেশ্যাবৃত্তি	৭৮
দ্বাদশ অধ্যায়	ঃ	পৰীক্ষামূলক বিয়া	৮৪
ত্ৰয়োদশ অধ্যায়	ঃ	বৰ্তমান যুগত পৰিয়াল	৯০
চতুৰ্দশ অধ্যায়	ঃ	ব্যক্তিগত মনস্তত্বত পৰিয়াল	১০১
পঞ্চদশ অধ্যায়	ঃ	পৰিয়াল আৰু ৰাষ্ট্ৰ	১০৯
ষষ্ঠদশ অধ্যায়	ঃ	বিবাহ বিচ্ছেদ	১১৮
সপ্তদশ অধ্যায়	ঃ	জনসংখ্যা	১২৮
অষ্টদশ অধ্যায়	ঃ	উন্নত শিশু উৎপাদন পদ্ধতি	১৩৫
নবদশ অধ্যায়	ঃ	যৌন ক্ৰিয়া আৰু ব্যক্তিগত কল্যাণ	১৪৫
বিংশতম অধ্যায়	ঃ	জীৱনৰ মূল্যায়নত যৌন সম্ভোগৰ স্থান	১৫৩
একবিংশ অধ্যায়	ঃ	সামৰণি	১৬১

প্ৰথম অধ্যায়

প্ৰস্তাৱনা

এখন সমাজ আধুনিক নে পুৰণি নিৰ্ণয় কৰিবলৈ হ'লে দুটা সম্পূৰ্ণৰূপে পাৰস্পৰিক সম্পৰ্ক থকা বিষয় জনাটো নিতান্তই প্ৰয়োজন। এটা হ'ল সমাজখনৰ অৰ্থনৈতিক ব্যৱস্থা আৰু আনটো বিবাহ পদ্ধতি। বৰ্তমানে এই বিষয়ত পণ্ডিতসকল দুটা ভাগত বিভক্ত হোৱা দেখা যায় ; এটা হৈছে মাৰ্ক্সপন্থী আৰু আনটো ফ্ৰয়দপন্থী। মাৰ্ক্সপন্থীসকলে ক'ব খোজে যে অৰ্থনৈতিক উৎসই সকলো নিৰ্ণয় কৰে। আনহাতে ফ্ৰয়দপন্থীসকলে ক'ব বিচাৰে যে পাৰিবাৰিক বা যৌন দিশটোৱে সকলো নিৰ্ণয় কৰে। মই কিন্তু ইয়াৰ কোনো এটাকে মানি চলিব নোখোজো ; কিয়নো, অৰ্থনৈতিক আৰু যৌন বিষয় দুটাই ইটোৰ ওপৰত সিটোৱে ইমান প্ৰভাৱ বিস্তাৰ নকৰে যে এটাই আনটোৰ ওপৰত প্ৰাধান্য বিস্তাৰ কৰিব পাৰে। উদাহৰণস্বৰূপে ক'ব পাৰো যে শিল্প বিপ্লৱে যৌন নৈতিকতাৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে, আৰু ভৱিষ্যতেও পেলাব। হলেও, আনহাতে ক'ব পৰা যায় যে শিল্প বিপ্লৱ সংঘটিত হোৱা পিউৰীটানসকলৰ বাবে যৌন সম্পৰ্কীয় নৈতিকতাৰ আৱশ্যক হৈছিল। অৰ্থনৈতিক বা যৌন সম্পৰ্কীয় বিষয় দুটাৰ কোনোটোৰ ওপৰতে মই প্ৰাধান্য দিব নোখোজো ; আনহাতে বিষয় দুটা স্পষ্টভাৱে পৃথককৈও দেখুৱাব নোৱাৰি। অৰ্থনীতি মুখ্যতঃ খাদ্য আহৰণতেই ন্যস্ত থাকে। কিন্তু আহৰণ কৰা খাদ্যখিনি অকল আহৰণ কৰোতাজনেই যে খায় তেনে নহয়— পৰিয়ালৰ আটাইবোৰে তাক খায়। গতিকে পৰিয়াল পদ্ধতি সলনি হ'লে অৰ্থনৈতিক ব্যৱস্থাৰো পৰিৱৰ্তন হ'ব পাৰে। প্লেটোৰ ৰিপাব্লিকত কোৱাৰ দৰে ৰাষ্ট্ৰই যদি ল'ৰা-ছোৱালীৰ ভৰণ-পোষণৰ দায়িত্ব বহন কৰে, তেতিয়াহ'লে জীৱন বীমাৰ লগতে সকলো ধৰণৰ ব্যক্তিগত সঞ্চয় বন্ধ হৈ যোৱাটো নিশ্চিত। আন কথাত ক'বলৈ হ'লে ৰাষ্ট্ৰই পিতৃৰ দায়িত্ব পালন কৰিলে ৰাষ্ট্ৰ নিজেই একচেতীয়াভাৱে পুঁজিবাদী হৈ পৰিব। আনহাতে কিন্তু প্ৰকৃতাৰ্থত কমিউনিষ্টবোৰে ইয়াৰ বিপৰীত মত পোষণ কৰিব বিচাৰে যে যদি ৰাষ্ট্ৰ এখন একচেতীয়া পুঁজিবাদী হৈ পৰে, তেতিয়াহ'লে আমি অদ্যাপি বুজি পোৱা অৰ্থত পৰিয়াল বৰ্তি নাথাকিব। আনকি,

আমি যদি তাক সুদূৰপ্ৰসাৰী বুলিও ধৰি লওঁ তেতিয়াও ব্যক্তিগত সম্পত্তি আৰু পৰিয়ালৰ মাজত এক এৰাব নোৱাৰা সম্পৰ্ক থাকিবই। কিয়নো, সেই সম্বন্ধ হৈছে পৰস্পৰভাৱে যোগাত্মক। তেতিয়াহ'লে আমি ক'ব নোৱাৰো যে এটা আনটোৰ কাৰক আৰু আনটো তাৰ ফলশ্ৰুতি।

এখন সমাজৰ যৌন সম্পৰ্কীয় নীতি বিভিন্ন স্তৰত দেখা যায়। কিছুমান নীতি আইনত সন্নিবিষ্ট কৰা স্পষ্ট নীতি ; যেনে, কোনো এখন দেশত আছে এক-স্ত্ৰী বিবাহ নীতি আৰু আন কিছুমান দেশত আছে বহু-স্ত্ৰী বিবাহ নীতি। আন এটি স্তৰত এটা নীতিৰ ক্ষেত্ৰত আইনে হস্তক্ষেপ নকৰিলেও সামাজিক মত বেছ শক্তিশালী। শেষ স্তৰত দেখা যায় যে কিছু কথা নীতিগত নহ'লেও ব্যৱহাৰিক ক্ষেত্ৰত ব্যক্তিগত বিচাৰ বুদ্ধিয়েহে নিৰ্ণায়ক হৈ পৰে। ছোভিয়েট ৰাছিয়াক বাদ দি বিশ্বত এনে এখন দেশ নাই, বিশ্ব ইতিহাসত এনে এটি যুগ নাই, য'ত যৌন সম্পৰ্কীয় নীতি বিচাৰ বুদ্ধিৰ ওপৰত প্ৰতিষ্ঠিত হৈছে। ইয়াৰ দ্বাৰা মই ক'ব বিচৰা নাই যে ছোভিয়েট ৰাছিয়াৰ নীতিবোৰ নিৰ্ভুল। মই মাত্ৰ ইয়াকে ক'ব বিচাৰিছো যে আন আন দেশত সকলো যুগতে অন্ধবিশ্বাস আৰু পৰম্পৰাৰ ওপৰত ভিত্তি কৰি নীতিবোৰ গঢ়ি উঠাৰ দৰে ছোভিয়েট ৰাছিয়াৰ নীতি গঢ় লৈ উঠা নাই। সকলোৰে সুখ আৰু মঙ্গলৰ বাবে কি ধৰণৰ যৌন নীতি আটাইতকৈ ভাল হ'ব, সেইটো নিৰ্ণয় কৰাটো বৰ জটিল কথা আৰু পৰিস্থিতি ভেদে তাৰ সমাধানো পৃথক হ'ব পাৰে। কৃষিজীৱী সমাজৰ বাবে যিটো সমাধান প্ৰযোজ্য হ'ব, শিল্পপ্ৰধান সমাজত সি বেলেগ হ'ব। ডাক্তৰী চিকিৎসাৰে মৃত্যুৰ হাৰ হ্ৰাস কৰা সমাজখনৰ বাবে যি সমাধান ভাল হ'ব, প্লেগ আদি মহামাৰীয়ে প্ৰাপ্তবয়স্ক হোৱাৰ আগেয়ে জনসংখ্যা কমাই অনা সমাজখনৰ সমাধান পৃথক হ'ব। আমি আৰু কিছু কথা জানিব পাৰিলে বোধহয় এক বিশেষ জলবায়ুত বাস কৰা সমাজখনৰ বাবে লোৱা সমাধান এটা অন্য এক জলবায়ুত বাস কৰা সমাজখনৰ বাবে সমাধান নহ'বও পাৰে। ঠিক তেনেদৰে পৃথক পৃথক খাদ্য খোৱা সমাজবোৰৰ বাবেও পৃথক সমাধান হ'ব পাৰে।

যৌন নীতিৰ ফলশ্ৰুতিও সম্পূৰ্ণ পৃথক পৃথক হ'ব। ব্যক্তিগত, দাম্পত্য, পাৰিবাৰিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত ফল কাৰোবাৰ বাবে ভাল হ'লেও আন কাৰোবাৰ বাবে বেয়াও হ'ব পাৰে। গতিকে কোনো এটা নীতি নিৰ্ধাৰণ কৰাৰ আগেয়ে এই সকলোবোৰ দিশ ভালকৈ চালিজাৰি চোৱা দৰকাৰ। সম্পূৰ্ণ ব্যক্তিগত কথাৰে আৰম্ভ কৰো। এইবোৰ মনোবিশ্লেষণৰ দ্বাৰা বিচাৰ কৰি চোৱা কথা। ইয়াত

আমি নীতিয়ে নির্ধাৰণ কৰা প্ৰাপ্তবয়স্কৰ ব্যৱহাৰৰ কথা মাত্ৰ নলও ; লগতে এই নীতি মানি চলাৰ বাবে দিয়া বাল্যকালৰ শিক্ষাকো সামৰি লম। এই ক্ষেত্ৰত দেখা যায় যে বাল্যকালত দিয়া নিষেধাজ্ঞাই সৃষ্টি কৰা ব্যৱহাৰবোৰ বৰ আচহুৱা ধৰণৰ আৰু পৰোক্ষ। বিষয়টোৰ এই সম্পৰ্কত আমি ব্যক্তিগত সুখ স্বাচ্ছন্দ্যৰ কথা ইয়াত আলোচনা কৰিম। আমি যেতিয়া স্ত্ৰী-পুৰুষৰ সম্বন্ধৰ কথা ভাবোঁ, তেতিয়া আমাৰ সমস্যাৰ দ্বিতীয় স্তৰটো আহি পৰে। এটা কথা সত্য যে কিছুমান যৌন সম্পৰ্ক আন কিছুমানতকৈ বেছি গুণসম্পন্ন। প্ৰায়ভাগ মানুহেই ঐকমত্যলৈ আহিব যে আন্তৰিক অনুভূতি জড়িত যৌন সম্পৰ্ক কেৱল দৈহিক যৌন সম্পৰ্কতকৈ বহুগুণে শ্ৰেয়। কবিৰ কল্পনাৰ পৰা নিৰ্গত হৈ সভ্য জগতৰ সাধাৰণ পুৰুষ-নাৰীৰ চেতনালৈ বাগৰি অহা মন্ত্ৰ এয়েই যে এখন সমাজৰ যিমানেই ব্যক্তি প্ৰেম সম্পৰ্কত জড়িত হয়, সেই অনুপাতে প্ৰেমৰ মূল্য বাঢ়ি যায়। প্ৰেমৰ গভীৰতা বঢ়াই যোৱাত কবিয়ে অনেকক অনুপ্ৰাণিত কৰে। আধুনিক জগতৰ প্ৰায় সকলোৱে মানি লয় যে প্ৰেমিক-প্ৰেমিকা সমভাবাপন্ন হোৱা উচিত। সেয়েই যদি হয় আন কাৰণ নাথাকিলেও কেৱল সেইটো কাৰণতেই বহুগামী বিবাহ প্ৰথা আদৰ্শ প্ৰথা হ'ব নোৱাৰে। প্ৰেম বিষয়ক এই বিভাগটো বিয়া আৰু বিবাহ বন্ধনৰ বাহিৰত হোৱা যৌন সম্বন্ধ এটি আলোচ্য বিষয়। বিবাহ পদ্ধতি অনুসৰি বিবাহ বন্ধনৰ বাহিৰৰ যৌন সম্পৰ্ক ভিন্ন ভিন্ন হয়।

এতিয়া আমি পৰিয়ালৰ কথালৈ আহো। বিভিন্ন যুগ আৰু বিভিন্ন সমাজত ভিন ভিন পৰিয়াল পদ্ধতি পোৱা যায়। হ'লেও পিতৃ-প্ৰধান পৰিয়ালেই বেছি দেখা যায়। তাৰোপৰি বহু-স্ত্ৰী বিবাহতকৈ এক-স্ত্ৰী বিবাহৰ পিতৃ-প্ৰধান পৰিয়াল লাহে লাহে বৃদ্ধি পাই আহিছে। পাশ্চাত্যৰ সভ্যতাত প্ৰাক্-খ্ৰীষ্টীয় যুগৰ পৰা চলি অহা যৌন সম্পৰ্কীয় নীতিয়ে তিৰোতাৰ পৰা সেইখিনি গুণহে দাবী কৰে, যিখিনি নহ'লে পিতৃ-প্ৰধান পৰিয়াল সম্ভৱ নহয়। কিয়নো, তিৰোতাগৰাকীৰ সেই গুণ নাথাকিলে পিতৃত্বত অনিশ্চয়তা আহি পৰে। খ্ৰীষ্ট ধৰ্মৰ সেই গুণৰ লগতে পুৰুষৰ ক্ষেত্ৰত যিখিনি গুণ দাবী কৰা হয় তাতেই নিহিত আছে সন্ন্যাসবাদৰ মনস্তাত্ত্বিক উৎস। অৱশ্যে অতি সাম্প্ৰতিক কালত নাৰী-মুক্তিয়ে সৃষ্টি কৰা নাৰীৰ ঈৰ্ষাহি এই দাবীটো জোৰদাৰ কৰি তুলিছে, বা নাৰীৰ এই দাবী অৱশ্যে ক্ষণস্থায়ী হ'ব পাৰে। কিয়নো, ঘটনা প্ৰবাহৰ পৰা যদি বিচাৰ কৰা যায়— ইমান দিনে নাৰীয়ে ভুগি অহা বান্ধোনবোৰ পুৰুষৰ ক্ষেত্ৰত দাবী নকৰি নাৰী-পুৰুষে দুয়ো সমানে স্বাধীন হ'ব বিচাৰে।

এক-স্ত্ৰী বিবাহ প্ৰথাৰ পৰিয়ালৰো বহুতটা ভাগ আছে। বিয়া দৰা-কইনাই নিজে

বন্দবস্ত কৰিব পাৰে বা পিতৃ-মাতৃয়েও বন্দবস্ত কৰি দিব পাৰে। কিছুমান দেশত কইনাক কিনি লোৱা হয় ; ফ্ৰান্স আদি আন কিছুমান দেশত দৰাক কিনি লোৱা হয়। তাৰোপৰি বিবাহ বিচ্ছেদ সম্পৰ্কেও ভিন ভিন নীতি দেখা যায়। এটা মূৰত কেথ'লিকসকলে বিবাহ বিচ্ছেদত অনুমোদন নিদিয়াৰ পৰা আনটো মূৰত পুৰণি চীনত বৰ কথকী তিৰোতাক স্বামীয়ে এৰি দিয়া প্ৰথাও আছে। যৌন সম্পৰ্কৰ স্থায়িত্ব বা সাময়িক স্থায়িত্ব কিছুমান পশুৰ ভিতৰত দেখাৰ দৰে মানুহৰ মাজতো আছে। কিয়নো, নিজ প্ৰজাতিক বচাই ৰখাৰ বাবে পোৱালিবোৰৰ তত্বাৱধান লোৱাৰ ক্ষেত্ৰত মতা চৰাইটোৰ সহযোগিতা অত্যন্ত প্ৰয়োজনীয়। উদাহৰণস্বৰূপে উল্লেখ কৰিব পৰা যায় যে চৰায়ে কণী উমনি লোৱাৰ বাবে বহুত সময় কণীৰ ওপৰত বহি থকাৰ ওপৰি কেইবাঘণ্টা ধৰি আহাৰ বিচাৰি খাবলগীয়া হয়। কিছুমান চৰাইৰ ক্ষেত্ৰত একেটা চৰায়ে তাকে কৰাটো অসম্ভৱ হৈ পৰে। গতিকেই মতা চৰাইটোৰ সহযোগিতাৰ প্ৰয়োজন। ফলস্বৰূপে বহুতো চৰাই মানুহৰ ধৰ্মীয় আদৰ্শৰ আৰ্হি। মানুহৰ পুৰুষজনৰ এনে সহযোগিতা সতি-সন্ততিসকলৰ দৈহিকভাৱে সহায়ক হয় ; বিশেষকৈ তেতিয়া, যেতিয়া মানুহৰ স্থায়ী বসতি নাথাকে বা যেতিয়া জনসংখ্যা বৃদ্ধিৰ ফলত প্ৰতিযোগিতা বাঢ়ি যায়। কিন্তু আধুনিক সভ্যতাৰ লগে লগে ৰাষ্ট্ৰই যেতিয়া পিতৃৰ কৰ্তব্য পালন কৰিব, তেতিয়া বাপেকৰ দৈহিক প্ৰয়োজনীয়তা, বিশেষকৈ দিন মজুৰি কৰা শ্ৰেণীটোৰ ক্ষেত্ৰত, নোহোৱা হৈ যাব। তেনে পৰিস্থিতিৰ উদ্ভৱ হ'বলৈ হ'লে এটা কথা নিশ্চিত যে আমাৰ পৰম্পৰাগত নীতিবোৰৰ পতন ঘটিব। কিয়নো, তেতিয়া কোনো মাতৃয়ে তেওঁৰ ল'ৰা-ছোৱালীৰ সন্দেহাতীত পিতৃ কোন তাক বিচাৰিবলগীয়া নহ'ব। প্লেটোৱে আমাক আৰু এঢাপ আগুৱাই নি ক'ব— অকল পিতৃৰ ক্ষেত্ৰতেই কিয় মাতৃৰ ক্ষেত্ৰতো ৰাষ্ট্ৰই সকলো দায়িত্ব বহন কৰিব । মই নিজেই ৰাষ্ট্ৰক প্ৰশংসা কৰা বিধৰ নহয় ; বা ৰাষ্ট্ৰই পৰিচালনা কৰা অনাথ শিশুৰ আশ্ৰমবোৰ প্ৰশংসা কৰিব লগাকৈ মোৰ মনত দ সাঁচ বহুৱাব পৰা নাই যে তেনে এক পৰিকল্পনা উৎসাহেৰে মানি লম। সেয়ে হ'লেও অৰ্থনৈতিক হেঁচাই তেনে এক পৰিস্থিতি মানি ল'বলৈ বাধ্য কৰিবও পাৰে।

যৌন ক্ষেত্ৰত আইন দুই ধৰণে ন্যস্ত হয়। এহাতে সমাজে গ্ৰহণ কৰা পৰম্পৰাগত নীতি প্ৰয়োগ কৰা আৰু আনহাতে যৌন সম্পৰ্কত এজন ব্যক্তিৰ স্বাধীনতাক সুৰক্ষা দিয়া। দ্বিতীয়টো বিষয়ত দুটা মুখ্য বিভাগ আছে। এহাতে নাৰী আৰু নাবালকক যাতে কোনেও অপব্যৱহাৰ কৰিব নোৱাৰে তাক সুনিশ্চিত কৰাটো

আৰু আনহাতে যৌন ব্যাধি ৰোধ কৰাটো। ইয়াৰ কোনো এটাকেই প্ৰকৃতৰূপে প্ৰয়োগ কৰা নহয়। ফলত কৰণীয়ভাৱে ইয়াৰ এটাৰো কাৰ্যকৰী ব্যৱস্থা লোৱা নহয়। প্ৰথমটোৰ ক্ষেত্ৰত বেশ্যাবৃত্তিৰ বাবে ছোৱালী ৰপ্তানিৰ বিৰুদ্ধে চলোৱা যি উত্তাল অভিযানে আইন প্ৰণয়ন কৰিবলৈ বাধ্য কৰালে পেচাদাৰী কুচক্ৰই সেই আইন সহজে এৰাই ফুৰাৰ সুবিধা বাচি ল'লে। কাৰণ আইনৰ সুৰুঙাই শত শত মানুহক ভীতি প্ৰদৰ্শন কৰাৰ সুযোগ দিছিল। দ্বিতীয়টোৰ ক্ষেত্ৰত, যৌন ৰোগ পাপৰ প্ৰায়শ্চিত্ত বুলি থকা বিশ্বাসে মানুহক আৰোগ্যৰ প্ৰকৃত উপায় ডাক্তৰী চিকিৎসা লোৱাৰ পৰা বিৰত ৰাখে। যিটো ৰোগ প্ৰকৃততে ডাক্তৰী চিকিৎসাৰ দ্বাৰাহে নিৰাময় কৰিব পাৰি, মানুহৰ অন্ধবিশ্বাসে সেই চিকিৎসা কৰাৰ পৰা আঁতৰত ৰাখে। এহাতে আটাইতকৈ ফলৱতী হ'ব পৰা চিকিৎসাৰ পৰা মানুহক বিৰত ৰাখে, আনহাতে ৰোগটো লজ্জাকৰ বুলি থকা সামাজিক ধাৰণাই তাক চিকিৎসা নকৰি লুকুৱাই ৰাখিবলৈ উদ্‌গনি দিয়ে।

এতিয়া জনসংখ্যাৰ প্ৰশ্নলৈ আহো। ই এক বিশাল সমস্যা, গতিকে বিষয়টো বিভিন্ন দিশৰ পৰা চালিজাৰি চোৱাৰ প্ৰয়োজন। ইয়াৰ লগত মাতৃৰ স্বাস্থ্যৰ প্ৰশ্ন, ডাঙৰ আৰু সৰু পৰিয়ালৰ প্ৰশ্ন আৰু ল'ৰা-ছোৱালীৰ চৰিত্ৰৰ ওপৰত পৰিব পৰা মনস্তাত্ত্বিক প্ৰতিক্ৰিয়াৰ প্ৰশ্ন জড়িত আছে। এইবোৰ হ'ল সমস্যাটোৰ স্বাস্থ্য সম্পৰ্কীয় দিশ। তাৰ পিছত আহিল ব্যক্তি আৰু সমাজৰ ক্ষেত্ৰত অৰ্থনৈতিক দিশটো। পৰিয়ালৰ আকৃতি অনুযায়ী বা উপজাতি এটাৰ জন্মৰ হাৰ অনুপাতে ব্যক্তিৰ সম্পত্তিৰ প্ৰশ্ন। ইয়াৰ লগত নিকট সম্বন্ধ থকা দিশটো হ'ল আন্তৰ্জাতিক ৰাজনীতি, বিশেষকৈ বিশ্বশান্তিৰ ওপৰত থাকিব পৰা প্ৰশ্নটো, শেষত আহিল উন্নত মানৰ ল'ৰা-ছোৱালী জন্ম দিয়া বিষয়টো— এটা জাতিৰ শাখা-প্ৰশাখাত জন্ম-মৃত্যুৰ হাৰলৈ চাই ইচ্ছানুসৰি সেই জাতিটোৰ উন্নত বা অৱনত মানৰ সতি-সন্ততি জন্ম দিয়াৰ প্ৰশ্নটো। ওপৰত উল্লেখ কৰা দিশবোৰ চালিজাৰি নোচোৱাকৈ কোনো যৌন নীতিকেই ভাল বা বেয়া বুলি ক'ব নোৱাৰি। সংস্কাৰক আৰু প্ৰতিক্ৰিয়াশীল লোকে সমস্যাটোৰ এই দিশবোৰৰ এটা বা বৰ বেছি দুটা দিশ পৰীক্ষা কৰিয়েই ক্ষান্ত থকা দেখা যায়। ব্যক্তিগত আৰু ৰাজনৈতিক মতামতৰ সংমিশ্ৰণ কাচিৎহে দেখা যায়। হ'লেও এটাতকৈ আনটো বেছি গুৰুত্বপূৰ্ণ বুলি ক'ব পৰাটো অসম্ভৱ, আৰু আমি নিশ্চিত হ'ব নোৱাৰো যে ব্যক্তিগত ক্ষেত্ৰত লোৱা দৃষ্টিভঙ্গী ৰাজনৈতিক ক্ষেত্ৰতো ইতিবাচক হ'ব বা তাৰ বিপৰীতটো ভাল হ'ব। মোৰ দৃষ্টিভঙ্গী এই যে বিভিন্ন দেশত আৰু বিভিন্ন যুগত এক অস্পষ্ট মনস্তাত্ত্বিক হেঁচাই কিছুমান অদৰকাৰীভাৱে নিষ্ঠুৰ প্ৰথাৰ অৱতাৰণা কৰিবলৈ বাধ্য

কৰিছিল। সেই ৰীতিটো আজিও অনেক দেশ আৰু জাতিৰ মাজত প্ৰচলিত। মোৰ বিশ্বাসত— স্বাস্থ্য আৰু চিকিৎসাৰ ক্ষেত্ৰত লাভ কৰা অগ্ৰগতিয়ে ব্যক্তিগত আৰু সামাজিক যৌন নৈতিকতাই সুফলদায়ক পৰিবৰ্তন আনিছে। আগেয়ে উল্লেখ কৰাৰ দৰে শিক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ দায়িত্ব বাঢ়ি যোৱাৰ লগে লগে ইতিহাসে ঢুকি পোৱা যুগৰে পৰা চলি অহা পিতৃৰ গুৰুত্ব কমি আহিব। গতিকে এতিয়ালৈ চলি থকা নীতিবোৰক দুফালৰ পৰা সমালোচনা কৰা প্ৰয়োজন হৈছে। প্ৰথমে আমাৰ অৱচেতন মনত ক্ৰিয়া কৰি থকা অন্ধবিশ্বাসবোৰ আঁতৰাব লাগিব। দ্বিতীয়তে, অতীতৰ প্ৰজ্ঞা কিছুমান আজিও আমাৰ সমাজত প্ৰজ্ঞা ৰূপেই চলি আছে; সেইবোৰ যে মূৰ্খামিৰ বাহিৰে একো নহয় তাক আমি প্ৰতিপন্ন কৰিব লাগিব ; কিন্তু তাকে প্ৰতিপন্ন কৰিবলৈ যাওঁতে আমি যি আহিলাৰ সহায় লম, সেই আহিলাবোৰ ভালকৈ বিশ্লেষণ কৰি চোৱাৰ দৰকাৰ।

প্ৰচলিত ৰীতি সম্পৰ্কে সম্যক জ্ঞান পাবৰ বাবে অতীতৰ পৰা চলি অহা বা কম সভ্য সমাজত আজিও চলি থকা সেই ৰীতিবোৰৰ বিষয়ে আলোচনা কৰিম। তাৰ পিছত বৰ্তমানে পাশ্চাত্য দেশবোৰত প্ৰচলিত ৰীতিবোৰৰ গুণাগুণ ফঁহিয়াই চাম। শেষত সেই সংস্কাৰবোৰ কি কাৰণে আৰু কিদৰে সংশোধন কৰিব পাৰি, সেই বিষয়ে আলোচনা কৰিম ; আশা ৰাখিম যে সেইবোৰৰ সংশোধন সহজে কৰিব পৰা যাব।

দ্বিতীয় অধ্যায়
মাতৃ-গোত্ৰী সমাজ

বিবাহৰ ৰীতিবোৰত সদায় তিনিটা কাৰণ সন্নিৱিষ্ট থাকে। সহজ ভাষাত তাক কোৱা হয় আনুভূতিক, অৰ্থনৈতিক আৰু ধৰ্মীয়। অৱশ্যে আন বিষয়ত কৰাৰ দৰে এই কাৰণবোৰক সম্পূৰ্ণৰূপে পৃথক কৰিব নোৱাৰি। পাতনিতে দেওবাৰে দোকানবোৰ বন্ধ ৰখাৰ মূলতে আছিল ধৰ্মীয় কাৰণ। এতিয়া কিন্তু অৰ্থনৈতিক কাৰণতেই বন্ধ ৰখা হয়। যৌন বিষয়ক নীতি আৰু আইনবোৰৰ ক্ষেত্ৰতো একেই কথা ; ধৰ্মীয় কাৰণত গঢ়ি উঠা অনেক উপযোগী নীতি পিছলৈ ধৰ্মীয় কাৰণতো দুৰ্বল হৈ যোৱাৰ পিছতো নীতিটো সক্ৰিয় হৈয়েই থাকে। কোনো এক নীতিৰ ক্ষেত্ৰত ধৰ্মীয় আৰু আনুভূতিক কাৰণৰ প্ৰভেদ বাছি উলিওৱা টান। মানুহৰ কৰ্মক্ষেত্ৰত, য'ত সবল ধৰ্মীয় কাৰণ থাকে তাত সাধাৰণতে আনুভূতিক ভেটিও সুদৃঢ়। অৱশ্যে তাৰ পাৰ্থক্য সেই ৰীতিৰ গুৰুত্ব আৰু বিভিন্ন আনুভূতিক কাৰ্যৰ পৰা বাছি উলিয়াব পৰা যায়। উদাহৰণ, প্ৰেম আৰু ঈৰ্ষা দুয়োটাই আনুভূতিক আৱেগ, কিন্তু ধৰ্মই নিৰূপণ কৰি দিয়ে যে ঈৰ্ষা এক সৎগুণী আৱেগ যাক সমাজে সমৰ্থন কৰাটো প্ৰয়োজনীয় ; অন্যহাতে প্ৰেম হৈছে ক্ষমণীয়।

যৌন সম্পৰ্কৰ ক্ষেত্ৰত আনুভূতিক গুণ মানুহে সচৰাচৰ ভবাতকৈ বহুত কম। এই গ্ৰন্থত মই সমাজ বিজ্ঞানত সোমাই পৰিব খোজা নাই। মাত্ৰ বৰ্তমানৰ সমস্যাটো ফঁহিয়াই দেখুওৱাৰ জোখাৰেহে সমাজ বিজ্ঞান বিষয়টো ব্যৱহাৰ কৰিম। কিন্তু এটা ক্ষেত্ৰত, আমাৰ উদ্দেশ্য সাধনৰ বাবে এই বিষয়টো প্ৰয়োজনীয় ; আৰু সেইটো হ'ল যে আমি যাক অনুভূতিৰ লগত সম্পৰ্কহীন বুলি ভাবো কাৰ্যক্ষেত্ৰত সঁচাকৈয়ে অনুভূতিৰ লগত দ্বন্দ্ব নোহোৱাকৈ বহুদিন ধৰি তেনে কাৰ্য চলি থাকে। উদাহৰণস্বৰূপে ক'ব পাৰি, অনেক বৰ্বৰ সমাজৰ লগতে বহুতো তুলনামূলকভাৱে সভ্য সমাজতো এটা ৰীতি আছে যে এজনী পুষ্পিতা ছোৱালীৰ পুষ্পভঙ্গ আনুষ্ঠানিকভাৱে (অনেক ক্ষেত্ৰত সমাজৰ চকুৰ আগত) পুৰোহিতে কৰিব লাগে। খ্ৰীষ্টীয় সমাজৰ পুৰুষে ভাবে যে ছোৱালী এজনীৰ পুষ্পভঙ্গ কৰাটো স্বামীৰহে স্বকীয় অধিকাৰ ; আৰু সৌ সিদিনালৈকে ধৰ্মীয় আনুষ্ঠানিকতাৰে এজনী ছোৱালীৰ পুষ্পভঙ্গ কৰা ৰীতিক প্ৰায়ভাগ

খ্ৰীষ্টধৰ্মী লোকে ঘিণ কৰাটোক আনুভূতিক কাৰ্য বুলি ধৰি লৈছিল। আলহীৰ আমোদৰ বাবে আতিথ্য আগবঢ়োৱাৰ নামত নিজৰ পত্নীক এৰি দিয়াটো আজিৰ ইউৰোপৰ মানুহে ঘৃণাৰে বিৰোধিতা কৰে ; তাকো আনুভূতিক বুলি ধৰি লোৱা হয়। হ'লেও এই ৰীতি আজিও বহুলভাৱে প্ৰচলিত। বহু-স্বামী বিবাহ প্ৰথাটোকো আজিৰ যিকোনো অশিক্ষিত শ্বেতকায় লোকে মানুহৰ স্বভাৱবিৰোধী বুলি ভাৱে। শিশুহত্যা ৰীতিটোও তেনে এক ৰীতি। কিন্তু য'ত অৰ্থনৈতিক লাভৰ কথা সন্নিৱিষ্ট আছে, তাত এই ৰীতি বৰ উদ্যমেৰে মনা হয়। আচল কথা হ'ল য'ত মানুহ জড়িত আছে, তাত প্ৰবৃত্তি বৰ অস্পষ্ট আৰু ইয়াক জীৱনৰ সাধাৰণ সুঁতিৰ পৰা এফলীয়া কৰি ৰখা হয়। ই বৰ্বৰ আৰু সভ্য সমাজত একেই ধৰণে ব্যৱহৃত হয়, যৌন বিষয়ত মানুহৰ সাধাৰণ ব্যৱহাৰৰ দৰে এৰা-ধৰা কৰাৰ ক্ষেত্ৰত 'প্ৰবৃত্তি' বোলা শব্দটো আচলতে প্ৰয়োগ কৰিব নোৱাৰি। এই ক্ষেত্ৰত মনস্তাত্ত্বিক অৰ্থত ব্যৱহৃত এই শব্দটো কেৱল কেঁচুৱাই মাকৰ স্তন চোহা কাৰ্যতহে ব্যৱহাৰ কৰিব পাৰি। বৰ্বৰ সমাজত যৌন কাৰ্য কিদৰে সম্পন্ন হয় নাজানো, কিন্তু সভ্য সমাজত মানুহে এতিয়াও যৌন সঙ্গম সম্পৰ্কে জানিবলৈ অনেক বাকী আছে। অনেক সময়ত বিয়াৰ বহুদিন পিছতো দম্পতী হালে সন্তান জন্ম দিয়া পদ্ধতি সম্পৰ্কে ডাক্তৰৰ উপদেশ বিচাৰিবলগীয়া হয় আৰু ডাক্তৰৰ প্ৰশ্নৰ পৰা ওলাই পৰে যে বহুতো দম্পতীয়ে যৌন সঙ্গম কৰিব নাজানে। সেই কাৰণে সঙ্গমৰ বাবে স্বাভাৱিক কামনা থাকিলেও আৰু সঙ্গম অবিহনে সেই কামনা পূৰাব নোৱাৰিলেও যৌন সঙ্গমক প্ৰকৃতাৰ্থত প্ৰবৃত্তি বুলি ক'ব নোৱাৰি। আচলতে আন জীৱ-জন্তুৰ এক ব্যৱহাৰিক আৰ্হি থকাৰ দৰে যৌন সঙ্গমৰ ক্ষেত্ৰত মানুহৰ এক সাৰ্বজনীন আৰ্হি নাই। তাৰ পৰা বুজা যায় মানুহৰ ক্ষেত্ৰত আন কিবা এটাই প্ৰবৃত্তিৰ স্থান দখল কৰি আছে। আমি যি দেখিছো, মানুহৰ ক্ষেত্ৰত প্ৰথমেই আহে এক অসন্তুষ্টি, যিয়ে মানুহক এক অসম্পূৰ্ণ আৰু আসোঁৱাহপূৰ্ণ যৌন কাৰ্যত লিপ্ত কৰায় ; আৰু লাহে লাহে বেছিভাগ ক্ষেত্ৰতেই যৌন কাৰ্যত আকস্মিকভাৱে অতীৱ এক আনন্দ পায় ; আৰু বাৰে বাৰে তেনে কাৰ্য কৰাত প্ৰবৃত্ত হয়। গতিকে দেখা যায় যে সম্পূৰ্ণ জনাৰ পিছত কৰা সঙ্গমতকৈ সঙ্গম সম্পৰ্কে শিকাৰ ক্ষেত্ৰত প্ৰবৃত্তিৰ স্থান আছে। আৰু প্ৰায় এনেকুৱাই ঘটে যে যিটো কাৰ্যৰ পৰা অতীৱ আনন্দ পোৱা যায়, সি কোনোপধ্যেই পূৰ্বকল্পিত নহয়। অৱশ্যে নিয়ম অনুসৰি জৈৱিকভাৱে আটাইতকৈ প্ৰয়োজনীয় কাৰ্য সম্পন্ন কৰিলে শ্ৰেষ্ঠ সন্তুষ্টি পোৱা যায়, যদিহে সেই প্ৰকৃত কৰ্ম পদ্ধতিটো ভালকৈ জনাৰ আগেয়ে সেই কৰ্মৰ আসোঁৱাহপূৰ্ণ পদ্ধতি এটা শিকি লোৱা নহয়।

যিহেতু আজিৰ সকলো সভ্য সমাজত পুৰুষ-প্ৰধান পৰিয়াল প্ৰতিষ্ঠিত আৰু পুৰুষ-প্ৰধান পৰিয়াল এটা প্ৰতিষ্ঠা কৰিব পৰাৰ জোখাৰে নাৰীৰ স্বভাৱ-চৰিত্ৰ নিৰ্ধাৰণ কৰা হয়, গতিকে আমি অনুসন্ধান কৰাৰ প্ৰয়োজন হৈছে— কি স্বভাৱজাত অভিমানে পিতৃত্ববোধৰ সৃষ্টি কৰে, অমননশীল মানুহে ভবাৰ দৰে প্ৰশ্নটো ইমান সহজ নহয়। সন্তানৰ প্ৰতি মাতৃৰ কি অনুভূতি তাক বুজি পোৱাটো সহজ, যিহেতু মাতৃ আৰু সন্তানৰ মাজত, অন্ততঃ কেঁচুৱাই মাতৃদুগ্ধ এৰালৈকে, এক নিকট দৈহিক সম্বন্ধ আছে। কিন্তু পিতৃৰ লগত সন্তানৰ সম্পৰ্ক পৰোক্ষ, আনুমানিক আৰু জেৰ টনা বিধৰ : পত্নীৰ চৰিত্ৰৰ ওপৰত থকা বিশ্বাসৰ লগত ই সাঙোৰ খাই থকা বিধৰ, আৰু ই এনে এক গভীৰ বৌদ্ধিক স্তৰলৈ গতি কৰে যে ইয়াক আনুভূতিক বুলি ক'ব পৰা নাযায়। অন্ততঃ কথাটো তেনে যেনেই অনুমান হয় যদি আমি ধৰি লওঁ যে পিতৃত্বৰ অনুভৱ কেৱল নিজ সন্তানৰ লগতহে জড়িত। কিন্তু বিষয়টো অনিবাৰ্যভাৱে তেনে নহয়। মানুহৰ যে বাপেক আছে সেই কথা মেলেনেছীয়সকলে নাজানে। হ'লেওঁ যিসকল পিতৃয়ে ল'ৰা-ছোৱালীকেইটাক নিজৰ বুলি জানে, সেই ল'ৰা-ছোৱালীক বেছ মৰম কৰে। ট্ৰব্ৰীয়াণ্ড দ্বীপবাসী সম্বন্ধে লিখা কিতাপত মেলিনৱস্কীয়ে পিতৃত্বৰ মনস্তত্ত্বক স্পষ্টভাৱে দেখুৱাইছে। পিতৃত্বৰ জটিল আৱেগ-অনুভূতি বুজিবলৈ হ'লে তেওঁৰ ***ছেক্স এণ্ড ৰিপ্ৰেশ্বন ইন ছেৱেজ ছ'চাইটী, দ্যা ফাদাৰ ইন প্ৰিমিটিৱ ছাইক'ল'জী আৰু দ্যা ছেক্সুৱেল লাইফ অব ছেৱেজেজ ইন নৰ্থ-ৱেষ্ট মেলেনেছীয়া***— এই তিনিখন গ্ৰন্থ অপৰিহাৰ্য। এজন মানুহৰ সন্তানৰ প্ৰতি আকৃষ্ট হোৱাৰ দুটা স্পষ্ট কাৰণ আছে : সন্তানৰ প্ৰতি তেওঁৰ আকৰ্ষণ থাকে, কাৰণ তেওঁ জানে যে সেই সন্তানটো তেওঁৰ নিজৰ ; আৰু এজন মানুহ কোনো এটা শিশুৰ প্ৰতি আকৃষ্ট, কাৰণ তেওঁ জানে যে শিশুটো তেওঁৰ ঘৈণীয়েকৰ। যি সমাজত সন্তানৰ পিতৃত্বৰ কথা জনা নাযায়, তাত দ্বিতীয় কাৰণটোৱে ক্ৰিয়া কৰে।

ট্ৰব্ৰীয়াণ্ড দ্বীপবাসীসকলে যে ল'ৰা-ছোৱালীৰ পিতৃ থকা কথাটো নাজানে মেলিনৱস্কীয়ে সন্দেহাতীতভাৱে তাক প্ৰমাণ কৰি দেখুৱাইছে। উদাহৰণস্বৰূপে ক'ব পাৰি যে তেওঁ অধ্যয়ন কৰি পাইছে এজন মানুহ এবছৰতকৈ বেছি কাল বাহিৰত থকাৰ পিছত ঘূৰি আহি যেতিয়া দেখে তেওঁৰ পত্নীৰ কোলাত এটি নৱজাত শিশু, তেতিয়া তেওঁ আনন্দিত হয় ; আৰু কোনো ইউৰোপীয় লোকে যদি তেওঁৰ পত্নীৰ চৰিত্ৰলৈ আঙুলি টোঁৱাই তেওঁ একো বুজিয়েই নাপায়। তাতকৈও বিশ্বাসযোগ্য আন এটি উদাহৰণ : কোনো মানুহৰ যদি উন্নত জাতৰ গাহৰি আছে, মতা গাহৰিবোৰ খাহী কৰি দিয়া হয়। ফলত যে তেওঁৰ গাহৰিৰ জাতটো লাহে লাহে নিম্ন মানৰ

হ'ব সেই কথা তেওঁ বুজি নাপায়। তেওঁলোকে বিশ্বাস কৰে যে কোনোবা ভূতে কাৰোবাৰ পৰা ল'ৰা-ছোৱালী আনি মাতৃৰ গৰ্ভত স্থাপন কৰে। তেওঁলোকে জানে যে অবিবাহিতা ছোৱালীয়ে গৰ্ভধাৰণ কৰিব নোৱাৰে। তেওঁলোকে জানে যে কুমাৰী যোনিত এক শাৰীৰিক প্ৰতিবন্ধক আছে যাৰ ফলত ভূতে কোনো ল'ৰা-ছোৱালী সোমাই দিব নোৱাৰে। আনহাতে অবিবাহিত যুৱক-যুৱতীয়ে মুক্তভাৱে প্ৰেম কৰে ; কিন্তু বুজিব নোৱৰা কিবা কাৰণত গাভৰুবোৰে কাচিৎহে গৰ্ভধাৰণ কৰে। আচহুৱা হ'লেওঁ কথাটো সত্য যে অবিবাহিতা গাভৰুৱে গৰ্ভধাৰণ কৰাটো বৰ দুৰ্নামৰ কথা, যদিও স্থানীয় দৰ্শন অনুসৰি কোনো গাভৰুৱে গৰ্ভধাৰণ কৰাৰ বাবে তেওঁলোকৰ কাৰ্য কোনোপধ্যেই দায়ী হ'ব নোৱাৰে। ছোৱালীবোৰে এই কাৰণেই বিয়া কৰে যে বহুতো ডেকাৰ লগত সঙ্গম কৰি ভাগৰি পৰে ; আৰু তেতিয়া সময়ৰ হীনদেড়ি কৰি বিয়াত সোমায়। বিয়াৰ পিছত ছোৱালীজনী স্বামীৰ গাঁৱত বসতি কৰে ; হ'লেওঁ তাইক আৰু তাইৰ ল'ৰা-ছোৱালীবোৰ তাইৰ আপোন গাঁওখনৰ মানুহ বুলিহে গণ্য কৰে। তাইৰ ল'ৰা-ছোৱালীৰ লগত তাই গিৰীয়েকৰ তেজৰ কোনো সম্বন্ধ আছে বুলি কোনেও নাভাৱে আৰু ল'ৰা-ছোৱালীৰ গোত্ৰ সদায় মাকৰ ফালৰ পৰা আহে। ল'ৰা-ছোৱালীৰ ওপৰত কৰ্তৃত্ব আন ঠাইত থকাৰ দৰে বাপেকৰ ওপৰত ন্যস্ত নাথাকি মোমায়েকৰ ওপৰতহে থাকে। ইয়াতেই এক আচহুৱা ধৰণৰ জটিলতা আহি পৰে। ভাই-ভনীৰ মাজৰ প্ৰতিবন্ধকতা ইমান কঠোৰ যে সিহঁত ডাঙৰ হৈ অহাৰ লগে লগে ভাই-ভনীৰ মাজত যৌন সম্পৰ্কীয় কোনো কথা হ'ব নোৱাৰে। ফলস্বৰূপে ল'ৰা-ছোৱালীৰ ওপৰত মোমায়েকৰ কৰ্তৃত্ব থাকিলেও সিহঁত মাকৰ গাঁৱলৈ অহাৰ বাহিৰে কেতিয়াবাহে তেওঁ সিহঁতক লগ পায়। প্ৰশংসনীয় এই প্ৰথাটোত ল'ৰা-ছোৱালীৰ ওপৰত কোনো শাসন নাথাকে অথচ মৰম-চেনেহ পায় পৰ্যাপ্ত পৰিমাণে। এনে প্ৰথা আন কোনো ঠাইতেই নাই। সিহঁতৰ পিতৃয়ে সিহঁতক মৰম-চেনেহ কৰে ; সিহঁতৰ লগত খেলা-ধুলা কৰে ; অথচ কোনো হুকুম দিব নোৱাৰে। আনহাতে সিহঁতৰ ওপৰত মোমায়েকৰ নিয়ন্ত্ৰণৰ অধিকাৰ থাকিলেও তেওঁ সিহঁত থকা ঠাইত থকাৰ অধিকাৰ নাই। বৰ আচৰিত কথা যে ল'ৰা-ছোৱালীৰ লগত সিহঁতৰ মাকৰ গিৰীয়েকৰ তেজৰ কোনো সম্বন্ধ নাই বুলি বিশ্বাস থকা সত্বেও ধৰি লোৱা হয় যে সিহঁতৰ চেহেৰাৰ মিল মাকৰ গিৰীয়েকৰ লগতহে বেছি— মাক বা নিজৰ ভাই-ভনীৰ চেহেৰাৰ লগত নগ'ল। ভায়েক-ভনীয়েকৰ চেহেৰাৰ মিল বা মাক আৰু ল'ৰা-ছোৱালীৰ চেহেৰাৰ মিল থকা বুলি কোৱাটো এক অভদ্ৰ আচৰণ আৰু সিহঁতৰ মাজৰ চেহেৰা সাইলাখ একে হ'লেও জোৰ কৰি তাক প্ৰত্যাখ্যান কৰে। মেলিনবস্কীয়ে

মত পোষণ কৰে যে ল'ৰা-ছোৱালীৰ প্ৰতি থকা পিতৃৰ মৰম-চেনেহ পিতৃৰ লগত ল'ৰা-ছোৱালীৰ সাদৃশ্য আছে বুলি থকা বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁ লক্ষ্য কৰিছিল যে আন সভ্য সমাজত থকাতকৈ তেওঁলোকৰ সমাজত পিতা-পুত্ৰৰ সম্বন্ধটো প্ৰত্যাশিতভাৱে মিঠাসুৰীয়া আৰু মৰম লগা। আনহাতে সেই সম্বন্ধত অ'ডিপাচ জটিলতাৰো কোনো লেশ নাই।

অনেক তৰ্কমূলক প্ৰচেষ্টাৰেও মেলিনৱস্কীয়ে এই দ্বীপবাসী বান্ধুসকলক পতিয়ন নিয়াব নোৱাৰিলে যে পিতৃ বুলি সত্য এটা আছে। তেওঁলোকে বিশ্বাস কৰে যে মিছনেৰীসকলৰ তেনেবোৰ কথা বৰ টুলুঙা। খ্ৰীষ্ট ধৰ্ম পুৰুষ-প্ৰধান ধৰ্ম, গতিকে পিতৃত্ব বুজি নোপোৱা মানুহক সেই ধৰ্মটো আৱেগিক বা বৌদ্ধিকভাৱে বুজাব নোৱাৰি। তেওঁলোকক 'ভগৱান পিতা' বুলি কোৱাতকৈ 'ভগৱান মোমাই' বুলিহে ক'ব লাগিব। তেতিয়াও কিন্তু ই প্ৰকৃত অৰ্থ বহন নকৰে ; কিয়নো, পিতৃত্বই মৰম-চেনেহ আৰু কৰ্তৃত্ব উভয়কে বুজায়। মেলেনেছীয়াত আছে মোমায়েকৰ কৰ্তৃত্ব আৰু বাপেকৰ মৰম-চেনেহ। সেই একে কাৰণতেই ট্ৰব্ৰীয়াণ্ড দ্বীপবাসীক 'মানুহ ভগৱানৰ সন্তান' বোলা কথাটো পতিয়ন নিয়াব নোৱাৰে, কিয়নো তেওঁলোকে ভাবিবই নোৱাৰে মানুহ পুৰুষৰ সন্তান। গতিকে মিছনেৰীসকলে ধৰ্মৰ কথা কোৱাৰ আগেয়ে বুজাবলগীয়া হৈছিল দেহ গঠন সম্পৰ্কীয় বিজ্ঞানৰ কথা ; আৰু মেলিনৱস্কীৰ তথ্য মতে মিছনেৰীসকল যিহেতু প্ৰথমটো উদ্দেশ্যত সফল হ'ব নোৱাৰিলে, বাইবেলৰ গোস্পেল শিকোৱা কামত আগবাঢ়িব নোৱাৰিলে।

মই ভবাত মেলিনৱস্কীয়ে সঁচাকৈয়ে বুজিছে যে কোনো এজন মানুহ যদি তেওঁৰ পত্নীয়ে গৰ্ভধাৰণ কৰাৰ পৰা সন্তান জন্ম দিয়ালৈকে পত্নীৰ লগত থাকে, তেনেহ'লে সদ্যজাত কেঁচুৱাটিলৈ তেওঁৰ আনুভূতিক মৰম-চেনেহ থাকিব ; আৰু এইটোৱেই হৈছে পিতৃত্ব বোধৰ ভেটি। তেওঁ লিখিছে, 'মানৱ পিতৃত্ব পোনতে দৈহিক ভেটিত সুদৃঢ় নহয় যেন লাগিলেও তাক স্বাভাৱিক প্ৰবৃত্তি আৰু জৈৱিক প্ৰয়োজনে গভীৰতালৈ লৈ যোৱা বুলি দেখুৱাব পাৰি। তেওঁ অৱশ্যে ভাৱে যদি এজন ব্যক্তি তেওঁৰ পত্নীৰ গৰ্ভৱতী অৱস্থাত তেওঁৰ লগত নাথাকে, তেনেহ'লে সেই কেঁচুৱাটিৰ প্ৰতি তেওঁৰ প্ৰবৃত্তিগত মৰম-চেনেহ নাথাকে। হ'লেও পৰম্পৰা আৰু জনজাতীয় নৈতিকতাই তেওঁৰ পত্নী আৰু সন্তানটোৰ লগত জড়িত হ'বলৈ শিকায়। তেনেহ'লে গৰ্ভাৱস্থাত তেওঁ পত্নীৰ ওচৰত থকাৰ দৰেই সন্তানটোৰ প্ৰতি মৰম-চেনেহ জাগি উঠে। সকলো মানৱ সম্পৰ্ক সমাজৰ আদৰণীয় কাৰ্য, যাৰ লগত এক সৱল অনুভূতি জড়িত থাকে, কিন্তু সেই অনুভূতিয়ে ক্ৰিয়া কৰিবলৈ বাধ্য নকৰায় ; তেনেবোৰ কাৰ্য সম্পন্ন কৰাত

সামাজিক নীতিয়ে উদগনি যোগায়। এই বৰ্বৰসকলৰ ক্ষেত্ৰতো একে সূত্ৰই কাম কৰে। ৰীতি অনুসৰি এজন পুৰুষে তেওঁৰ পত্নীৰ ল'ৰা-ছোৱালীৰ তত্ত্বাৱধান ল'ব লাগে। এনে ৰীতি কাৰ্যকৰী কৰাত অসুবিধা নাথাকে, কিয়নো নীতিগতভাৱে ই অনুভূতিৰ পৰ্যায়ত পৰে। মেলেনেছীয়সকলৰ ক্ষেত্ৰত ল'ৰা-ছোৱালীৰ প্ৰতি বাপেকৰ যি মনোভাব তাক বুজাবলৈ মেলিনৱস্কীয়ে যি প্ৰবৃত্তিৰ কথা টানি আনিছে ই তেওঁ কিতাপত দেখুৱাব খোজাতকৈ সৰু যেন লাগে। মই ভাবো প্ৰতিগৰাকী পুৰুষ আৰু নাৰীৰ মনত তেওঁলোকে তুলি-তালি ডাঙৰ কৰিবলগীয়া ল'ৰা-ছোৱালীৰ প্ৰতি এক মৰমৰ টাননি আছে। এটা শিশুৰ তত্ত্বাৱধান লোৱাৰ মনোভাব প্ৰথম অৱস্থাত জাগি উঠে আৰু পিছলৈ সিয়েই মৰম-চেনেহলৈ ৰূপান্তৰিত হয়। নিসন্দেহ যে শিশুটোৰ প্ৰতি সেই স্নেহ বেছি হয় যদি শিশুটো তেওঁ ভাল পোৱা কোনো তিৰোতাৰ হয়। গতিকে বুজা যায় কিয় এই বৰ্বৰবোৰে নিজ পত্নীৰ ল'ৰা-ছোৱালীৰ প্ৰতি স্নেহাসক্ত হয়। ইয়াৰ পৰাই নিশ্চিত হ'ব পাৰি যে সভ্য সমাজৰ মানুহে নিজৰ ল'ৰা-ছোৱালীক মৰম-চেনেহ কৰাত এই গুণটোৱেই কাম কৰে। মেলিনৱস্কীয়ে কয় যে সকলো লোকে ট্ৰব্ৰীয়াণ্ড দ্বীপবাসীৰ এই পৰ্যায় অতিক্ৰম কৰি আহিছে, যিটো পৰ্যায়ত মানুহে পিতৃত্বৰ কথাটো বুজি পোৱা নাছিল। তেওঁৰ যুক্তিক বিতৰ্কৰ আৱৰ্তলৈ টানি অনাটোও কঠিন। পিতৃ সন্নিৱিষ্ট পশু পৰিয়ালবো ভেটি একেটাই। কিয়নো তাত বাহিৰে আন একো থাকিব নোৱাৰে। পিতৃত্বৰ কথা জনাৰ পিছত কেৱল মানুহ সমাজত পিতৃত্বৰ অনুভূতি বৰ্তমানৰ পৰ্যায়ত উপনীত হৈছে।

তৃতীয় অধ্যায়
পিতৃ-প্ৰধান প্ৰথা

পিতৃত্বৰ দৈহিক দিশটো জনাৰ লগে লগে পৈতৃক প্ৰবৃত্তিত এক নতুন গুণ সংযোজিত হয়। এই গুণটোৱেই প্ৰায় সকলো ঠাইতেই পিতৃ-প্ৰধান সমাজৰ সৃষ্টি কৰিছে। যেতিয়াই বাপেকে জানিলে যে বাইবেলত কোৱাৰ দৰে শিশুটো তেওঁৰেই বীজ, তেতিয়াই শিশুটোৰ প্ৰতি তেওঁৰ আৱেগ-অনুভূতি দুটা কাৰণত বৃদ্ধি পাই আহিল ঃ ক্ষমতাৰ প্ৰতি হেঁপাহ আৰু মৃত্যুৰ পিছতো বাছি থকাৰ ইচ্ছা। ভৱিষ্য পুৰুষৰ কৃতকাৰ্যতাই তেওঁৰ কৃতকাৰ্যতা আৰু সতি-সন্ততিসকল বাছি থকা মানেই তেওঁ বাছি থকা। কোনো মানুহৰেই উচ্চাকাংক্ষাৰ সীমা নাই ; ভৱিষ্যতৰ নাতি-পুতিসকলৰ কৃতকাৰ্যতাৰ দ্বাৰা সেই উচ্চাকাংক্ষা বহু দূৰলৈ উধাই যাব পাৰে। আব্ৰাহামৰ আনন্দৰ কথাকেই উদাহৰণস্বৰূপে ল'ব পাৰি। তেওঁ যেতিয়া শুনিছিল যে তেওঁৰ পুতেকে কাননত মাটি পাব, তেতিয়া তেওঁ আনন্দত নাচি উঠিছিল। মাতৃগোত্ৰী সমাজত পৰিয়ালৰ উচ্চাকাংক্ষা তিৰোতাৰ মাজতে সীমিত থাকে ; যিহেতু তিৰোতাই যুদ্ধ কৰিব নোৱাৰে তেনে পৰিস্থিতিত পুৰুষ-প্ৰধান পৰিয়ালতকৈ তেনে পৰিয়ালত পৰিয়ালজাত গৌৰৱ অনেক কম। ইয়াৰ পৰাই নিশ্চিত হ'ব পৰা যায় যে পিতৃত্ব আবিষ্কাৰে মানৱ সমাজক বেছি প্ৰতিযোগী, সতেজ, প্ৰখৰ আৰু খৰতকীয়া কৰিলে। কিছু পৰিমাণে আনুমানিক এই ফলশ্ৰুতিৰ উপৰি পিতৃ-প্ৰধান সমাজে নাৰীৰ সৎ চৰিত্ৰ দাবী কৰাৰ আন এটি কাৰণো আছে। আধুনিক সমাজৰ বহুতে কল্পনা কৰাৰ দৰে ঈৰ্ষা সন্নিৱিষ্ট থকা প্ৰবৃত্তিমূলক গুণ ইমান শক্তিশালী নহয়। পুৰুষ-প্ৰধান সমাজত ঈৰ্ষাৰ কাৰণ হ'ল নাতি-পুতিসকল নিম্ন স্তৰলৈ গতি কৰাৰ ভয়। উদাহৰণস্বৰূপে দেখুৱাব পাৰি যে যেতিয়া এজন পুৰুষৰ নিজ পত্নীৰ লগত থকা সম্পৰ্ক আমনিদায়ক হয়, তেতিয়া তেওঁ আন উপপত্নী এগৰাকীৰ প্ৰতি মনে প্ৰাণে আসক্ত হৈ পৰে ; সেয়ে হ'লেও তেওঁৰ উপপত্নীয়ে আন কাৰোবাক ভাল পালে তেওঁ যিমান ঈৰ্ষান্বিত হ'ব তেওঁৰ নিজ পত্নীৰ প্ৰেমিকজনৰ প্ৰতি বেছি ঈৰ্ষান্বিত হ'ব। এটি বৈধ সন্তানে তেওঁৰ গৌৰৱৰ ধাৰাবাহিকতা নিশ্চিত কৰে ; আৰু সন্তানৰ

প্ৰতি থকা তেওঁৰ মোহ, অহংকাৰ সেই প্ৰকৃতিৰেই পৰিচায়ক। আনহাতে শিশুটো বৈধ নহ'লে তেওঁৰ তেজৰ লগত সম্বন্ধ নথকা শিশুটোৰ ওপৰত মৰম-চেনেহৰ মৌ বৰষাবলৈ তাৰ দৈহিক পিতৃক কৌশলেৰে কাষ চপাই আনে। গতিকে পিতৃত্ব আবিষ্কাৰ হোৱাৰ পিছৰ পৰাই নাৰীক বশলৈ অনা হয়, যাতে নাৰীৰ সৎ চৰিত্ৰ অক্ষুণ্ণ ৰাখিব পৰা যায়। নাৰীৰ ওপৰত জাপি দিয়া বশ্যতা প্ৰথমে আছিল শাৰীৰিক, ই পিছলৈ হয়গৈ মানসিক। ভিক্টোৰীয় যুগত ই চৰম সীমাত উপনীত হৈছিল। নাৰীক বশলৈ অনাৰ ফলস্বৰূপে স্বামী-স্ত্ৰীৰ মাজৰ সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক সভ্য সমাজবোৰৰ পৰা লোপ পাবলৈ ধৰে। পূৰ্বৰ সেই নিষ্ঠাৰ সম্বন্ধ এতিয়া এনে এক সম্বন্ধত পৰিণত হ'ল, যি সম্বন্ধত এজনে ভাবে নিজৰ কৰ্তব্য কৰি যোৱা বুলি আৰু আনজনে ভাবে অৱনমিত হোৱা বুলি। পুৰুষে সকলো ধৰণৰ গভীৰ চিন্তা আৰু উদ্দেশ্য নিজৰ অন্তৰতে ৰাখিবলৈ ধৰিলে, কিয়নো তেওঁৰ মহৎ চিন্তাই তেওঁৰ প্ৰতি বিশ্বাসঘাটকতা কৰিবলৈ তেওঁৰ পত্নীক উৎসাহিত কৰিব পাৰে। প্ৰায় সকলো সভ্য সমাজত নাৰীক সকলো সাংসাৰিক অভিজ্ঞতাৰ পৰা দূৰত ৰখা হয় আৰু কেলেঙ্কাৰিবোৰ জানিবলৈ দিয়া নহয়। তেওঁলোকক কৃত্ৰিমভাৱে বুৰ্বক কৰি ৰখা হয় ; যাৰ ফলত তেওঁলোক হৈ পৰে এলাগী। প্লেটোৰ 'ডাইলগ'ৰ পৰা এটা কথা ধাৰণা কৰিব পৰা যায় যে তেওঁ আৰু তেওঁৰ বন্ধুবোৰে বিশ্বাস কৰিছিল কেৱল পুৰুষবোৰেহে গভীৰ প্ৰেমৰ বাবে যোগ্য ; যিবোৰ বিষয়ত তেওঁলোকে গুৰুত্বপূৰ্ণ আলোচনা কৰিছিল সেইবোৰ এথেন্সৰ উচ্চ স্তৰৰ মহিলাসকলক জানিব দিয়া নাছিল বুলি যদি কোনোবাই ভাবে, তাত ভাবিবলগীয়া একো নাই। সৌ সিদিনালৈ একেই পৰিস্থিতি আছিল চীনত, পাৰ্চিয়ানসকলৰ কাব্যিক যুগলৈ আৰু আন অনেক দেশত বিভিন্ন যুগত। ল'ৰা-ছোৱালীক বৈধ কৰাৰ প্ৰবল ইচ্ছাই নাৰী আৰু পুৰুষৰ মাজৰ প্ৰেমৰ সম্বন্ধক নিঃশেষ কৰি পেলাইছে। অকল প্ৰেমেই যে ধৰাশায়ী হৈছে তেনে নহয়, সেই একেটা কাৰণে সভ্যতাৰ উৎকৰ্ষ সাধনৰ বাবে নাৰীৰ অৱদানো নিঃশেষ কৰিছে।

বংশানুক্ৰম গণনাৰ আমূল পৰিবৰ্তনৰ লগে লগে অৰ্থনৈতিক পদ্ধতিৰো পৰিবৰ্তন ঘটে। মাতৃগোত্ৰী সমাজত এজন মানুহে মোমায়েকৰহে উত্তৰাধিকাৰী হ'ব পাৰে ; আনহাতে পিতৃগোত্ৰী সমাজত বাপেকৰহে উত্তৰাধিকাৰী হয়। পিতৃগোত্ৰী সমাজত পিতা-পুত্ৰৰ সম্বন্ধ মাতৃগোত্ৰী সমাজতকৈ বেছি সৌহাৰ্দ্যপূৰ্ণ। কিয়নো আগেয়ে পাই অহাৰ দৰে মাতৃগোত্ৰী সমাজত ক্ৰিয়া-কৰ্মবোৰ বাপেক আৰু মোমায়েকৰ মাজত বিভক্ত হৈ থাকে— মৰম-চেনেহ আৰু তত্ত্বাৱধান আহে বাপেকৰ

পৰা, আৰু শাসন আৰু সম্পত্তি আহে মোমায়েকৰ ফালৰ পৰা। ইয়াৰ পৰা স্পষ্ট দেখা যায় যে পিতৃ-প্ৰধান সমাজখন আদিম সমাজতকৈ নিকট সম্বন্ধৰে গঠিত।

অনুমান কৰিব পৰা যায় যে সমাজ পিতৃ-প্ৰধান হোৱাৰ পিছৰ পৰাহে পুৰুষে তিৰোতাৰ পৰা সতীত্ব দাবী কৰিবলৈ লয়। মাতৃ-প্ৰধান সমাজত ডেকা ল'ৰাবোৰৰ দৰে ছোৱালীবোৰেও বিবাহ বন্ধনৰ বাহিৰত যৌন সঙ্গমক অসৎ বুলি ভাবিবলৈ তিৰোতাক পতিয়ন নিওৱাৰ গুৰুত্ব কাঢ়ি আহিল ; তেতিয়াৰ পৰাই নাৰীৰ মুক্ত সঙ্গম পুৰুষৰ বাবে অসহনীয় হৈ আহিল।

বাপেকসকলে যেতিয়াই নিজৰ অস্তিত্ব আবিষ্কাৰ কৰিলে, সকলো ক্ষেত্ৰতে ইয়াক প্ৰয়োগ কৰাত লাগি গ'ল। সভ্যতাৰ ইতিহাস পিতৃৰ ক্ষমতাৰ ক্ৰমশঃ অৱনতিৰ বৰ্ণনা মাত্ৰ ; এই অৱনতিৰ শীৰ্ষ বিন্দু প্ৰায় সকলোবোৰ সভ্য দেশত পায় ঐতিহাসিক লিখনিৰ আৰম্ভণিতে। পূৰ্বপুৰুষক পূজা কৰা প্ৰথা প্ৰাচীন সভ্যতাৰ বিশ্বজনীন বৈশিষ্ট্য ; জাপান আৰু চীনত সেই পৰম্পৰা সৌ সিদিনালৈ চলি আহিছিল। ল'ৰা-ছোৱালীৰ ওপৰত পিতৃৰ কৰ্তৃত্ব আছিল সৰ্বাত্মক ; আৰু ৰোম আদি ঠাইত পিতৃৰ কৰ্তৃত্ব জন্মৰ পৰা মৃত্যুলৈ ব্যাপ্ত আছিল। সকলো সভ্যতাত ছোৱালীয়ে পিতৃৰ সম্মতিবিনে আৰু অনেক দেশত ল'ৰাইও পিতৃৰ বিনানুমতিত বিয়া কৰাব নোৱাৰিছিল আৰু ল'ৰা-ছোৱালীয়ে কাক বিয়া কৰাব সেই সিদ্ধান্ত বাপেকেহে ল'ব পাৰিছিল। এগৰাকী নাৰীৰ জীৱনৰ কোনো ছোৱাতে স্বকীয় অস্তিত্ব নাথাকে ; বিয়াৰ আগলৈ পিতৃৰ অধীনত আৰু বিয়াৰ পিছত স্বামীৰ বশ হৈ জীৱন কটাবলগীয়া হয়। হ'লেও বৃদ্ধ বয়সত এগৰাকী নাৰীয়ে ঘৰৰ চাৰিবেৰৰ মাজত স্বেচ্ছাচাৰী ক্ষমতা প্ৰয়োগ কৰে। তেওঁৰ ল'ৰা আৰু বোৱাৰীয়েকহঁত একেটা ঘৰতে বাস কৰে আৰু বোৱাৰীয়েকহঁতে তেওঁৰ বশ হৈ জীৱন কটায়। অনেকেই জানে যে চীনত আজিলৈকে বহুত বিবাহিতা গাভৰুৱে শাহুৱেকৰ অত্যাচাৰত ৰ'ব নোৱাৰি আত্মহত্যা কৰিবলৈ বাধ্যত পৰে আৰু আজিও চীনত যিটো চলি আছে, তেনে ঘটনা সৌ সিদিনালৈকে ইউৰোপ আৰু এছিয়াৰ সভ্য সমাজত ঘটি আছিল। যীশু খ্ৰীষ্টই যেতিয়া কৈছিল যে তেওঁ পুতেকক বাপেকৰ বিৰুদ্ধে আৰু বোৱাৰীয়েকক শাহুৱেকৰ বিৰুদ্ধে লগাবলৈ আহিছে, তেতিয়া সুদূৰ প্ৰাচ্যত আজিও ঘটি থকা তেনে ঘটনাৰ কথাকেই ভাবি আছিল। যি শ্ৰেয় শাৰীৰিক শক্তিৰ জৰিয়তে পুৰুষে প্ৰথমে ক্ষমতা আহৰণ কৰিছিল তাক আৰু শক্তিশালী কৰি তুলিলে ধৰ্ম বিশ্বাসে। সেই বিশ্বাসক এনেদৰে ব্যৱহাৰ কৰা হ'ল যে দেৱতাসকল সৰ্বত্ৰে শাসকৰ পক্ষত থাকে। পূৰ্ব-পুৰুষক পূজা কৰা

বা তেনে ধৰণৰ প্ৰথা বিস্তৰভাৱে প্ৰসাৰিত আছিল। আমি লক্ষ্য কৰিছো খ্ৰীষ্ট ধৰ্মৰ ভাবধাৰা পিতৃত্বৰ গৌৰৱেৰে পুষ্ট। ৰাজকীয় আৰু অভিজাত্যৰ অনুষ্ঠানবোৰ আৰু উত্তৰাধিকাৰ প্ৰথা, এই সকলোবোৰ পিতৃৰ ক্ষমতাৰ ওপৰত প্ৰতিষ্ঠিত। প্ৰাচীন কালত অৰ্থনৈতিক উদ্দেশ্যই এই প্ৰথাক সমৰ্থন জনাইছিল। *জেনেছিছ*ত লক্ষ্য কৰা যায় মানুহে বহুত সতি-সন্ততিৰ কামনা কৰিছিল। যিসকলে আশানুযায়ী ফল পাইছিল, তেওঁলোকে কেনে লাভজনক পৰিস্থিতি উপভোগ কৰিছিল তাকো আমি দেখিছো। সতি-সন্ততি বেছি হোৱাটো ভেৰাৰ জাক আৰু গৰুৰ জাক ডাঙৰ হোৱাৰ দৰেই লাভজনক। সেই কাৰণেই *য়াবেহে* গাণিতিক সংখ্যাত সন্তান বৃদ্ধি কৰিবলৈ আহ্বান জনাইছিল।

কিন্তু সভ্যতাৰ অগ্ৰগতিৰ লগে লগে অৰ্থনৈতিক পৰিস্থিতিৰো পৰিবৰ্তন ঘটিল। ফলত যি ধৰ্ম শিক্ষাক অনুপ্ৰেৰণাৰ নিৰ্দেশৰূপে মনা হৈছিল, পিছত গৈ মূৰ কামোৰণিত পৰিণত হয়গৈ। ৰোমৰ সমৃদ্ধি বাঢ়ি যোৱাত তাৰ পৰিয়ালবোৰ লাহে লাহে সৰু হৈ আহিবলৈ লয়। ৰোমৰ গৌৰৱৰ শেষৰ শতাব্দীকেইটাত নৈতিকতাবাদীসকলে অনেক উৎসাহজনক উপদেশ দিয়া সত্বেও পূৰ্বৰ সম্ভ্ৰান্ত পৰিয়ালবোৰ লাহে লাহে লোপ পাই আহিছিল। বিবাহ বিচ্ছেদ সহজ আৰু সাধাৰণ কথাত পৰিণত হৈছিল ; উচ্চ শ্ৰেণীৰ মহিলাসকল প্ৰায় পুৰুষৰ সমকক্ষ হৈ আহিছিল। তাৰোপৰি সন্তানৰ ওপৰত কৰ্তৃত্ব খটোৱা পিতৃৰ সংখ্যা লাহে লাহে কমি আহিছিল। এনে ধৰণৰ পৰিবৰ্তন আমাৰ যুগত হোৱা পৰিবৰ্তনৰ দৰে একেই হ'লেও ই উচ্চ শ্ৰেণীটোৰ ভিতৰতে সীমাবদ্ধ আছিল ; আৰু ইয়াৰ দ্বাৰা উপকৃত হ'বলৈ প্ৰয়োজনীয় ধন নথকাসকল চকিত হৈ পৰিছিল। আমাৰ সভ্যতাৰ তুলনাত প্ৰাচীন সভ্যতাৰ সমাজখনৰ মুঠ জনসংখ্যাৰ নগণ্যতম অংশ এটাৰ মাজত সীমাবদ্ধ আছিল, আৰু ইয়াৰ ফলতেই প্ৰাচীন সভ্যতা অগ্ৰসৰ হ'ব নোৱাৰিছিল। সেয়েহে তেনে সভ্যতা কিছুদিনলৈ বাচি থাকিলেও তাৰ ভেটি থৰকবৰক হৈ পৰিছিল ; আৰু নিম্ন বৰ্গৰ পৰা হুৰমুৰকৈ আহি পৰা কুসংস্কাৰৰ ওচৰত ই বশ্যতা স্বীকাৰ কৰিবলগীয়া হৈছিল। খ্ৰীষ্ট ধৰ্ম আৰু বৰ্বৰসকলৰ আক্ৰমণত গ্ৰীক-ৰোমান চিন্তাধাৰাৰ অৱসান ঘটিছিল। এহাতে পিতৃ-প্ৰধান প্ৰথা চলি আছিল হয় আৰু ৰোমৰ আভিজাত্য প্ৰথাৰ লগতে প্ৰথমাৱস্থাত তুলনামূলকভাৱে শক্তিশালীও আছিল। হ'লেও এই প্ৰথাই আত্মা আৰু নিৰ্বাণ জাতীয় খ্ৰীষ্টীয় দৰ্শনৰ পৰা উদ্ভৱ হোৱা ব্যক্তিবাদ আৰু যৌন সম্পৰ্কীয় খ্ৰীষ্টীয় মতবাদক সামৰি ল'বলগীয়াত পৰিছিল। সুদূৰ প্ৰাচ্য আৰু আদিম সভ্যতাৰ দৰে

কোনো খ্ৰীষ্টীয় সমাজ ইমান বস্তুবাদী হ'ব নোৱাৰে। তাৰোপৰি খ্ৰীষ্টীয় সমাজৰ ব্যক্তিত্ববাদে খ্ৰীষ্টীয় দেশবোৰৰ নৈতিকতাক প্ৰভাৱান্বিত কৰিছিল ; যেতিয়া ব্যক্তিগত অমৰত্বৰ আশাই সন্তানৰ জৰিয়তে বাচি থকাৰ ভাবাদৰ্শক দুৰ্বল কৰিছিল, যাক প্ৰথমে অমৰত্বৰ চমু বাট বুলি ধৰি লোৱা হৈছিল। আজিও পিতৃগোত্ৰী ৰূপে চলি থকা আধুনিক সমাজখনে আদিম সমাজে পিতৃত্বৰ ওপৰত দিয়াৰ দৰে তেনেই কম গুৰুত্ব দিয়ে। ফলত পূৰ্বৰ পৰিয়ালৰ তুলনাত আজিৰ পৰিয়াল দুৰ্বল হৈ পৰিছে। আজিৰ মানুহৰ আশা আকাঙ্খাবোৰ *জেনেছিছ*ৰ পুৰুষৰ আশা আকাঙ্খাতকৈ সম্পূৰ্ণ বেলেগ হৈ আহিছে। বহুত সতি-সন্ততিৰ জৰিয়তে বিখ্যাত হৈ পৰাৰ পৰিৱৰ্তে আজিৰ মানুহে চৰকাৰে দিয়া সুযোগৰ দ্বাৰাহে বিখ্যাত হ'ব বিচাৰে। পৰম্পৰাগত নীতি আৰু ধৰ্ম ভাব দুৰ্বল হৈ অহাৰ এটা মূল কাৰণ হৈছে এই পৰিৱৰ্তন। হ'লেও এই পৰিৱৰ্তন নিজেই খ্ৰীষ্ট ধৰ্মৰ এক দৰ্শন। ই কেনেকৈ ঘটিল আৰু ধৰ্মই কেনেকৈ বিবাহ পদ্ধতিৰ পৰিৱৰ্তন আনিলে, সেই বিষয়ে ইয়াৰ পিছত আলোচনা কৰা হ'ব।

চতুৰ্থ অধ্যায়

লিঙ্গ পূজা, কেৱলীয়া ধৰ্ম আৰু পাপ

পিতৃত্বক স্বীকৃতি দিয়াৰ পিছৰ পৰাই যৌন বিষয়টো ধৰ্মত বেছি চৰ্চিত হৈ আহিছে। তেনে হোৱাটোৱেই স্বাভাৱিক ; যিহেতু ধৰ্ম সদায় গুৰুগম্ভীৰ আৰু ৰহস্যময় বিষয় লৈয়েই ব্যস্ত, গতিকে ই যৌন বিষয়টো সামৰি লোৱাটোৱেই স্বাভাৱিক। কৃষি কৰ্ম আৰু জীৱ-জন্তু পালন কৰা যুগৰ আৰম্ভণিতে শস্য, ভেৰা, গৰু আৰু নাৰীৰ ক্ষেত্ৰত উৎপাদন বৃদ্ধিৰ ওপৰতেই দিয়া হৈছিল বেছি গুৰুত্ব। কৃষি ক্ষেত্ৰত সদায়ে উৎপাদন কৰিব নোৱাৰাৰ দৰে যৌন সঙ্গমেও কেতিয়াবা গৰ্ভধাৰণ কৰোৱাত ব্যৰ্থ হয়। তেতিয়া ঈপ্সিত ফল পাবৰ বাবে মানুহে ধৰ্ম আৰু যাদুৰ সহায় লয়। উপযোগী যাদুৰ প্ৰতি থকা মানুহৰ সহজাত আকৰ্ষণে মানুহৰ মনত এটি বিশ্বাসৰ সৃষ্টি কৰিছিল যে মানুহৰ উৰ্বৰতাৰ বৃদ্ধি সাধন কৰি শস্য ক্ষেত্ৰৰ উৰ্বৰতা বঢ়াব পাৰি আৰু আদিম সমাজত মনে কামনা কৰা উৎপাদন বঢ়াবৰ বাবে মানুহে ধৰ্ম আৰু যাদুৰ সহায় লৈছিল। পুৰণি ইজিপ্তত মাতৃগোত্ৰী যুগৰ অৱসান হোৱাৰ আগৰ পৰাই কৃষিৰ আবিষ্কাৰ হয়। তেতিয়া যৌন সম্পৰ্কীয় উৎপাদনৰ প্ৰতীক পুৰুষ লিঙ্গ নাছিল— সি আছিল নাৰী যোনী। যোনীৰ আকৃতি কড়িৰ আকৃতিৰ লগত মিল থকাৰ বাবে তাৰ যাদুশক্তি থকা বুলি তেওঁলোকে বিশ্বাস কৰিছিল। সেয়েহে পিছলৈ কড়িক পইচা হিচাপে ব্যৱহাৰ কৰিবলৈ লৈছিল। সেই যুগটোৰ লাহে লাহে অৱসান ঘটিছিল ; আৰু আন সকলো আদিম সভ্যতাত ঘটাৰ দৰে ইজিপ্তীয় সভ্যতাতো ধৰ্মত যৌন উৎপাদনে লিঙ্গ পূজাৰ ৰূপ লয়। এই সম্পৰ্কীয় বিষয়ৰ মূল গুণাগুণবোৰৰ এক সুন্দৰ সংক্ষিপ্ত বিৱৰণ ৰবাৰ্ট ব্ৰীফল্টৰ *'ছেক্স ইন চিভিলাইজেশ্যন'*[১] নামৰ কিতাপখনৰ এটা অধ্যায়ত পোৱা যায়। তেওঁ লিখিছে ; কৃষি উৎসৱ আৰু বিশেষকৈ শস্যৰ বীজ সিঁচা আৰু শস্য চপোৱা উৎসৱত পৃথিৱীৰ সকলো দেশৰে আৰু সকলো যুগতে যৌন স্বাধীনতা প্ৰদান কৰা দেখা যায়.......। আলজেৰীয়াৰ কৃষক সমাজে নাৰীৰ যৌন স্বাধীনতাৰ ওপৰত জাপি দিয়া যি কোনো প্ৰতিবন্ধক বৰ বেয়া চকুৰে চায়। ইয়াৰ কাৰণ এইটোৱেই যে তেওঁলোকৰ ওপৰত যৌন নৈতিকতা জাপি দিয়া মানে কৃষি কৰ্মৰ

---

১. ভি. এফ. ক্ৰেভাটন আৰু এছ. ডি. স্মলহাউজেনৰ দ্বাৰা সম্পাদিত আৰু হেভলক এলীচৰ এটি পৰিচয় টোকা সন্নিৱিষ্ট এই কিতাপখন জৰ্জ এলেন এণ্ড আন উইন লিমিটেডৰ দ্বাৰা ১৯২৯ চনত প্ৰকাশিত।

সফলতাত বাধা জন্মোৱা। এথেন্সৰ 'থেস্ম'ফৰীয়া নামৰ কৃষি শস্যৰ বীজ সিঁচাৰ সময়ত ভোজ খোৱা উৎসৱে উৰ্বতাৰ মৌলিক যাদুক এতিয়াও আন ৰূপত মানি অহা হৈছে। তিৰোতা মানুহে লিঙ্গৰ প্ৰতীক কঢ়িয়াই অশ্লীল ভাষা প্ৰয়োগ কৰি চিঞৰি ফুৰিছিল— ৰোমৰ শস্য সিঁচা উৎসৱ *চেটানেলীয়া* পিছলৈ গৈ দক্ষিণ ইউৰোপৰ কাৰ্নিভেল হয়গৈ— এই উৎসৱত ৰিয়ক্সসকলে ব্যৱহাৰ কৰা আৰু দাহোমিত ব্যৱহাৰ কৰা লিঙ্গ প্ৰতীকতকৈ যৎসামান্য বেলেগ অন্য এক লিঙ্গ প্ৰতীক মুখ্য উপাদানৰূপে সৌ-সিদিনালৈ ব্যৱহৃত হৈছিল।[২]

বিশ্বৰ অনেক ঠাইত মানুহে বিশ্বাস কৰে যে চন্দ্ৰ (পুৰুষৰূপে পৰিচিত)সকলো ল'ৰা-ছোৱালীৰ পিতৃ।[৩] চন্দ্ৰ পূজাৰ মূলতেই আছিল এই বিশ্বাস। আমাৰ বিষয়বস্তুৰ বাবে প্ৰাসঙ্গিক নহ'লেও এই বিশ্বাসৰ কাৰণেই চন্দ্ৰমূলীয় আৰু সূৰ্যমূলীয় পুৰোহিত আৰু পঞ্জিকাৰ মাজত দীঘলীয়া দ্বন্দ্ব চলি আহিছে। পঞ্জিকাৰ ধৰ্মত সকলো যুগতে প্ৰভাৱ পেলাই আহিছে। জৰ্জীয়ান পঞ্জিকাই ধৰ্মীয় গোন্ধ থকা বুলি সন্দেহ কৰিয়েই ইংলেণ্ডত ওঠৰ শতিকালৈ, ৰাছিয়াত ১৯১৭ৰ আন্দোলনলৈ এক ভ্ৰান্তিমূলক পঞ্জিকা চলি আহিছিল। একেদৰে চন্দ্ৰ পূজাৰী পুৰোহিতবোৰে তেনে ভুল পঞ্জিকাৰে সকলোতে প্ৰচাৰ কৰি ফুৰিছিল ; আৰু সূৰ্যমূলীয় পঞ্জিকাৰ উত্থান তেনেকৈ মন্থৰ হৈ আছে। এই দ্বন্দ্বই একালত ইজিপ্তত গৃহকন্দলৰ সূচনা কৰিছিল। কোনোৱে হয়তো ভাবিব পাৰে যে চন্দ্ৰৰ লিঙ্গ নিৰ্ণয়ক লৈ ই এক নীতিগত বিতৰ্ক হে, কিয়নো জাৰ্মানীয়ে আজিলৈকে চন্দ্ৰক পুংলিঙ্গ বুলি মানে। খ্ৰীষ্ট ধৰ্মতো সূৰ্য পূজা আৰু চন্দ্ৰ পূজাই দ সাঁচ বহুৱাইছে। কাৰণ যীশু খ্ৰীষ্টৰ জন্ম হৈছিল দক্ষিণায়নৰ সময়ত আৰু পুনৰাবিৰ্ভাৱ হৈছিল পেচ্‌কেল পূৰ্ণিমাত। আদিম সভ্যতাত যুক্তিৰ কিবা প্ৰভাৱ আছিল বুলি কোৱাটো ধৃষ্টতা হ'লেও সিদ্ধান্ত নোলোৱাকৈ নোৱাৰি যে যিবোৰ দেশত সূৰ্য পূজাৰ প্ৰথা আছিল তাৰ মূলতে এক সত্য নিহিত আছে— খেতিৰ ওপৰত চন্দ্ৰতকৈ সূৰ্যৰ প্ৰভাৱ বেছি। সেই কাৰণেই চেতাৰ্নেলীয়া উৎসৱ (শনি পূজা আৰু ৰোমানসকলৰ বাবে শনি যিহেতু শস্যৰ দেৱতা, চেতাৰ্নেলীয়াক কৃষি উৎসৱো বোলা হয়।) সচৰাচৰ বসন্ত কালতহে উদ্‌যাপন কৰা হয়। অনেক দেৱ-দেৱীত বিশ্বাস কৰা প্ৰাচীন পেগান ধৰ্মত লিঙ্গ পূজাৰ চানেকী পোৱা যায়। সেই ধৰ্মই ফাদাৰসকলক বিতৰ্কৰ ইন্ধন যোগাইছিল। তেওঁলোকৰ মাজত বিতৰ্ক চলিলেও লিঙ্গ পূজা প্ৰথা

---

২. ব্ৰিফল্ট লক চিত পৃঃ ৩৪

৩. মাওৰী ৰাজ্যত চন্দ্ৰই সকলো তিৰোতাৰ স্থায়ী আৰু প্ৰকৃত স্বামী। আমাৰ পূৰ্ব পুৰুষসকল আৰু বৃদ্ধসকলৰ জ্ঞান অনুসৰি স্ত্ৰী-পুৰুষৰ বিয়া এক মুহূৰ্তৰ কথা ঃ চন্দ্ৰটোহে প্ৰকৃত স্বামী। বিশ্বৰ অনেক ঠাইত একে ধৰণৰ বিশ্বাস পোৱা যায় ; আৰু ই পিতৃত্বৰ কথা নজনা যুগৰ পৰা পিতৃত্ব সম্পূৰ্ণকৈ বুজি পোৱালৈ এই পৰিবৰ্তনকে সূচায়। ব্ৰিফল্ট্ লক চিত. পৃঃ ৩৭

গোটেই মধ্যযুগতেই চলিছিল। প্ৰটেষ্টাণ্ট ধৰ্মই শেষত তাৰ প্ৰভাৱ কৃতকাৰ্যতাৰে মষিমূৰ কৰি দিছিল।

ব্ৰিটেনীৰ ছেইণ্ট গাইলছ আঞ্জোৰ, ছেইণ্ট ৰেণী, বৰ্গচৰ ছেইণ্ট গ্ৰেলুচন আদিয়ে সঙ্গম উদ্যত লিঙ্গ কঢ়িয়াই ফ্ৰেন্দাৰ্চ আৰু ফ্ৰান্সত ঘূৰি ফুৰাটো তেনেই সাধাৰণ কথা আছিল। দক্ষিণ ফ্ৰান্সৰ জনপ্ৰিয় ছেইণ্ট ফটিন লীয়নৰ প্ৰথম বিশ্বপ হোৱাৰ খ্যাতি আছে। এম্‌ব্ৰানত থকা তেওঁৰ গীৰ্জাটো যেতিয়া হিউগনোটসকলে ধ্বংস কৰিছিল, এই বিখ্যাত ধৰ্ম যাজকজনৰ খ্যাতিসম্পন্ন লিঙ্গডাল ধ্বংসস্তূপৰ পৰা উদ্ধাৰ কৰা হৈছিল। তেতিয়া সেই লিঙ্গত জল্‌কে জলকে সুৰা ঢালি আঠা দিয়া হৈছিল আৰু লিঙ্গৰ পৰা নিগৰিত হোৱা আৰতিৰ সুৰাখিনি ধৰ্মীয় আনুষ্ঠানিকতাৰে নিজে খাইছিল ; কাৰণ তেনে লিঙ্গ পূজাৰ সুৰা বন্ধ্যাত্ব আৰু পুৰুষত্বহীনতাৰ মহৌষধি বুলি তেওঁলোকে বিশ্বাস কৰিছিল।[৮]

আদিম সমাজত পৱিত্ৰ বেশ্যালয়ৰ বহুল প্ৰচলন আছিল। কোনো কোনো ঠাইত গণ্যমান্য মহিলাও ধৰ্ম মন্দিৰলৈগৈ মন্দিৰৰ পূজাৰীৰ লগত বা আন মন্দিৰ দৰ্শনৰ বাবে অহা অচিনাকি পুৰুষৰ লগত সঙ্গমৰত হৈছিল। আন কিছুমান ঠাইত মহিলা পুৰোহিতসকলে নিজেই পৱিত্ৰ বেশ্যা হৈ পৰিছিল। দেৱতাৰ অনুগ্ৰহেৰে নাৰীৰ উৰ্বৰতা বৃদ্ধিৰ প্ৰচেষ্টাৰ ফলস্বৰূপে বোধহয় তেনেবোৰ প্ৰথা গঢ়ি উঠিছিল। শস্যৰ ক্ষেত্ৰত উৰ্বৰতা বৃদ্ধিৰ আহিলা আছিল সহানুভূতিশীল যাদু।

এই পৰ্যন্ত আমি ধৰ্মত যৌন উপাদান অনুমোদনকাৰী অনুষ্ঠান সম্পৰ্কেহে আলোচনা কৰিলো। ইয়াৰ সমান্তৰালভাৱে যৌন উপাদান বিৰোধী অনুষ্ঠান অতি প্ৰাচীন কালৰ পৰাই চলি আহিছিল, আৰু অৱশেষত খ্ৰীষ্টীয় আৰু বৌদ্ধ ধৰ্ম প্ৰচলিত দেশবোৰত যৌন বিৰোধী মতবাদেৰেহে তাৰ প্ৰতিদ্বন্দ্বীক সম্পূৰ্ণৰূপে পৰাস্ত কৰিছিল। ৱেষ্টাৰ মাৰ্কে তেনে ধৰণৰ কিছুমান উদাহৰণ দাঙি ধৰিছে[৫] ঃ সাধাৰণতে যৌন সম্পৰ্কত থকাৰ দৰে বিবাহতো অপৱিত্ৰ আৰু পাপময় কিবা আছে বুলি ভাবি লোৱা আচহুৱা ধৰণৰ ধাৰণা আছে। খ্ৰীষ্ট আৰু বৌদ্ধ ধৰ্মৰ প্ৰভাৱৰ বাহিৰত বিশ্বৰ বিভিন্ন দেশত এনে কিছুমান পুৰোহিত বা পুৰোহিতা আছে, যিসকলে কৌমাৰ্য বা কুমাৰিত্ব পালনৰ বাবে শপত খাব লাগে। ইহুদীবোৰৰ মাজৰ এছেন্স নামৰ ফৈদটোৱে বিশ্বাস কৰে যে যিকোনো যৌন সঙ্গম অপৱিত্ৰ আৰু পাপ। এই বিশ্বাসৰ ভেটি খ্ৰীষ্ট ধৰ্মৰ আটাইতকৈ বিৰোধী আদিম সমাজখনতেই গঢ়ি উঠে। ৰোমান সাম্ৰাজ্যতেই সন্ন্যাসবাদৰ প্ৰতি এক সাধাৰণ প্ৰৱণতা আছিল। লাহে লাহে ভোগবাদ

৪. ব্ৰিফণ্ট লক্ চিত. পৃঃ ৪০

৫. হিষ্টৰী অব্ হিউমেন মেৰেজ পৃঃ ১৫১

(এপিকীউৰিয়ানিজম্)ৰ অন্ত পৰিছিল আৰু তাৰ ঠাই সংস্কৃতিবান গ্ৰীক আৰু ৰোমানসকলৰ মাজত নিস্পৃহবাদে অধিকাৰ কৰি লৈছিল। *'ওল্ড এপ'ক্ৰীফা'*ত থকা বৰ্ণনাই সূচায় যে নাৰীৰ প্ৰতি পুৰুষৰ এক বান্দৰামি আছে। *'ওল্ড টেষ্টামেণ্ট'*ৰ পুৰণি অধ্যায়বোৰত কিন্তু যৌৱনমত্ততাৰ আভাস নাই। নৱ প্লেটোপন্থীসকলে খ্ৰীষ্টীয়ানবোৰৰ দৰেই সন্ন্যাসী আছিল। পদাৰ্থক চয়তানৰূপে গণ্য কৰা দৰ্শন পাৰস্যৰ পৰা পাশ্চাত্যলৈ আমদানি কৰা হৈছিল। ইয়াৰ লগতেই আহিছিল সকলো যৌন সঙ্গমেই অপবিত্ৰ বুলি গণ্য কৰা ভাবধাৰা। চৰম ৰূপত নহ'লেও ইয়েই আছিল গীৰ্জাৰ দৰ্শন। যিহেতু ইয়াৰ পিছৰ অধ্যায়ত গীৰ্জা সম্পৰ্কে আলোচনা কৰা হ'ব, ইয়াত সেই সম্পৰ্কে বিস্তৃত আলোচনা কৰাৰ প্ৰয়োজন নাই। এটা কথা সঁচা যে এক বিশেষ পৰিস্থিতিত মানুহে স্বতঃস্ফূৰ্তভাৱে ভাবিবলৈ ধৰিলে যে যৌন কৰ্ম এক আতঙ্কৰ কথা আৰু যেতিয়া তেনে ভাব আহে, মানুহৰ মন যৌন বিষয়ৰ প্ৰতি স্বাভাৱিকভাৱে আকৰ্ষিত হয়, ঠিক তেনেদৰেই আতঙ্কৰ ভাৱো আহে। কি ধৰণৰ যৌন প্ৰথাই মানৱ প্ৰকৃতিক সন্তুষ্ট কৰিব পাৰে, সেই সম্পৰ্কে বিচাৰ কৰিবলৈ হ'লে আমি সন্ন্যাসবাদক মনস্তাত্ত্বিক দিশৰ পৰা বুজি পাব লাগিব।

কোনো এটা বিশেষ বিশ্বাস এই ধৰণৰ মনোভাবৰ উৎস হ'ব নোৱাৰে— সেই কথাৰেই এই আলোচনাৰ পাতনি মেলো। এনে বিশ্বাসৰ মূল উৎস হৈছে মানসিক পৰিস্থিতিৰ অনুপ্ৰেৰণা। এটা কথা সত্য যে তেনে মনোভাব এবাৰ সৃষ্টি হোৱাৰ পিছত অন্ততঃ তেনে মনোভাবৰ দ্বাৰা চালিত কাৰ্যই স্থায়িত্ব লাভ কৰ ; সেয়ে হ'লেও সেইটোৱেই যে তেনে মনোভাবৰ মুখ্য কাৰণ হ'ব সেই সম্ভাৱনা তেনেই ক্ষীণ। মই ভবাত তেনে মনোবৃত্তিৰ দুটা প্ৰধান কাৰণ হৈছে ঈৰ্ষা আৰু যৌনক্লান্তি। যিমান দুৰ্বল নহ'লেও য'তেই ঈৰ্ষাৰ সৃষ্টি হয় তাতেই যৌনকাৰ্য হৈ পৰে ঘৃণনীয় আৰু অন্তৰত সৃষ্টি হোৱা যৌন ক্ষুধাও হৈ পৰে গেৰেলা। নিজ ইচ্ছানুসৰি পাব পৰা হ'লে এজন আৱেগিক পুৰুষে কামনা কৰে সকলো নাৰীয়ে সৰ্বান্তঃকৰণে তেওঁক ভাল পাওঁক। কোনো নাৰীয়ে সামান্যতম প্ৰেমো যদি আনক যাচে, তেতিয়াই যৌনকাৰ্য ঘৃণনীয় বুলি কোৱাৰ বাবে তেওঁৰ অন্তৰত এক অনুপ্ৰেৰণা জাগি উঠে। তেনে ভাব আৰু শক্তিশালী হৈ উঠে যদি আনক ভাল পোৱা নাৰীগৰাকী তেওঁৰেই পত্নী। উদাহৰণ, শ্বেক্সপীয়েৰৰ নাটকৰ পুৰুষবোৰে নিজ পত্নী আৱেগিক হৈ পৰাটো কেতিয়াও পচন্দ নকৰে, শ্বেক্সপীয়েৰৰ মতে আদৰ্শ নাৰী হ'ল সেইগৰাকী, যিয়ে স্বামীৰ আলিঙ্গনত কৰ্তব্যবোধেৰে সেও মানি লয়। কিন্তু তেওঁৰ পত্নীয়ে আন কাৰোবাক ভাল পোৱা কথা ভাবিবই নোৱাৰে। কিয়নো যৌন কাৰ্য তেওঁৰ নিজৰ বাবেই অসমৰ্থনযোগ্য, কেৱল নৈতিক বিধানৰ নিৰ্দেশতহে তেনে কাৰ্য সহি

থাকিবলগীয়া হয়। এজন স্বামীয়ে যেতিয়া গম পায় যে তেওঁৰ পত্নীয়ে তেওঁক প্ৰতাৰণা কৰিছে, তেতিয়া তেওঁৰ অন্তৰ নিজ পত্নী আৰু তেওঁৰ প্ৰেমিকৰ প্ৰতি ঘৃণাৰে ভৰি পৰে ; আৰু তেতিয়াই তেওঁ সিদ্ধান্তলৈ আহিব পাৰে যে যৌনকাৰ্য সঁচাকৈয়ে পাশৱিক। এনে পৰিস্থিতি বিশেষকৈ উদ্ভৱ হ'ব পাৰে যদি পুৰুষজন বাৰ্ধক্যজনিত বা অতি কামুকতাৰ ফলত পুৰুষত্বহীন হৈ পৰে। সৰহভাগ সমাজতে চেঙেলীয়া ডেকাতকৈ বয়সিয়াল মানুহৰ গুৰুত্ব যিহেতু বেছি, যৌন বিষয়ত আনুষ্ঠানিকভাৱে শুদ্ধ মত দাঙি ধৰাৰ বাবে উষ্ম মস্তিষ্কৰ ব্যক্তি ডেকা ল'ৰা হ'ব নোৱাৰে।

সভ্যতাই যৌনক্লান্তিৰ দৰে পৰিস্থিতিৰ উদ্ভৱ কৰিছে ; পশুৰ ক্ষেত্ৰত সেই ক্লান্তি নাই, আৰু বৰ্বৰ সমাজতো মুঠেই নাই। এক পত্নীক বিবাহত নগণ্যতম অংশ এটাত বাহিৰে তেনে ক্লান্তি নাহে, কিয়নো অতিপাত সঙ্গমৰ বাবে কামনা সৃষ্টি কৰিবলৈ নতুনত্ব তাত নাই। পুৰুষৰ ইচ্ছাক প্ৰত্যাখ্যান কৰাৰ নাৰীৰ স্বাধীনতা থাকিলেও যৌনক্লান্তি সম্ভৱ নহয়, কিয়নো জীৱ-জন্তুৰ দৰে প্ৰতিবাৰ সঙ্গমৰ বাবে নিজকে জগাই তুলিবৰ কাৰণে পুৰুষৰ পৰা মৰম দাবী কৰিব, আৰু যেতিয়ালৈকে নাৰীগৰাকীক জগাই তুলিব নোৱাৰে, তেতিয়ালৈকে নাৰীগৰাকীয়ে পুৰুষৰ অগ্ৰসৰক বাধা দিব। এনে পূৰাদমে আৱেগিক অনুভৱ আৰু সেই অনুসৰি ব্যৱহাৰ সভ্য জগতে কৰিব নোৱাৰে। তেনে অনুভূতি শেষ কৰি পেলাইছে অৰ্থনৈতিক কাৰণটোৱে। বিবাহিতা নাৰী আৰু বেশ্যাৰ উপজীব্য হৈছে যৌন আকৰ্ষণ। গতিকে তেওঁলোকৰ ইন্দ্ৰিয় জাগি উঠেলেহে যে পুৰুষ আলিঙ্গনত সেও মানিব তেনে নহয়— পুৰুষে ইচ্ছা কৰিলেও নাৰীয়ে সেও মানিবলৈ বাধ্যত পৰে। যৌনক্লান্তিৰ একমাত্ৰ নিৰোধক নাৰীগৰাকীক জগাই তোলাৰ আৱশ্যকতাটো অৰ্থনৈতিক কাৰণে সম্পূৰ্ণৰূপে বিনষ্ট কৰিছে। ফলস্বৰূপে কঠোৰ নৈতিক ধাৰাই বাধা দিব নোৱাৰা পুৰুষ অত্যধিক যৌন কাৰ্যত লিপ্ত হয়। তাৰ ফলত পিছলৈ তেনে পুৰুষৰ মনত যৌনক্লান্তি আৰু বিতৃষ্ণাৰ সৃষ্টি হয়। এই পৰিস্থিতিয়েই স্বাভাৱিকতে সন্ন্যাসবাদৰ সৃষ্টি কৰে।

সততে হোৱাৰ দৰে, য'তেই ঈৰ্ষা আৰু ক্লান্তিয়ে সহযোগিতাৰে ক্ৰিয়া কৰে, ত'তেই যৌন বিমুখ উদ্দীপনা অতি প্ৰবল হৈ উঠে। মুক্ত প্ৰেমৰ সমাজতো সন্ন্যাসবাদ প্ৰবল হোৱাৰ এইটোৱেই কাৰণ বুলি মই ভাবোঁ।

ঐতিহাসিক কৌমাৰ্য প্ৰথা সৃষ্টিৰ আন কাৰণো থাকিব পাৰে। ধৰ্ম প্ৰচাৰক-প্ৰচাৰিকাসকলে দেৱ-দেৱীসকলৰ সেৱাত নিজকে সঁপি দি ভাবে যে দেৱ-দেৱীসকলৰ লগতে তেওঁলোকৰ বিয়া হৈ গৈছে। গতিকে পাৰ্থিৱ কোনো লোকৰ লগতে সঙ্গম কৰাৰ পৰা তেওঁলোক বিৰত থাকে। তেওঁলোক ব্যতিক্ৰমী ধাৰ্মিক— গতিকে

ধাৰ্মিকতা আৰু কৌমাৰ্যৰ এক এৰাব নোৱাৰা সম্বন্ধ গঢ়ি উঠে। কেথলিক গীৰ্জাত আজিলৈকে সন্ন্যাসিনীসকলে ভাবে যে তেওঁলোক যীশু খ্ৰীষ্টৰ কইনা। গতিকে তেওঁলোকে কোনো পাৰ্থিব লোকৰ লগত সঙ্গমৰত হোৱাটো এক চয়তানি বুলি ভবাৰ ই এটা নিশ্চিত কাৰণ।

আদিম যুগৰ শেষৰ ফালে বৃদ্ধি পাই অহা সন্ন্যাসবাদৰ আমি আলোচনা কৰা কাৰণবোৰতকৈ অস্পষ্ট কিবা কাৰণ আছে বুলি মোৰ সন্দেহ আছে। এনে কিছুমান যুগ আছে, য'ত জীৱন হয় আনন্দপূৰ্ণ, মানুহবোৰ সবল-সুঠাম আৰু যেতিয়া পাৰ্থিব জীৱনৰ আনন্দই মানুহক সম্পূৰ্ণৰূপে সন্তুষ্টি দিব পাৰে। আৰু এনে কিছু যুগ আছে যেতিয়া মানুহক ভাগৰুৱা যেন লাগে, পাৰ্থিব সুখ-স্বাচ্ছন্দ্য যথেষ্ট নহয় আৰু যেতিয়া স্বাভাৱিক শূন্যতা পূৰাবৰ বাবে মানুহে আধ্যাত্মিক শান্ত্বনা বা ভৱিষ্যৎ জীৱনৰ কামনা কৰে। 'ছং অব ছংস'ৰ চলোমন আৰু 'এক্লেচিয়াষ্টিছ'ৰ চলোমনৰ কথাকে লওঁচোন ঃ এজন চলোমনে আদিম জগতখনৰ যৌৱনৰ প্ৰতিনিধিত্ব কৰে আৰু আনজনে একেটা যুগৰে পতনৰ প্ৰতিনিধিত্ব কৰে। এই পাৰ্থক্যৰ কাৰণ জনা বুলি মই ক'ব খোজা নাই। ইয়াৰ কাৰণ হয়তো অতি সৰল আৰু মনস্তাত্বিক বিধৰ, যেনিবা এক বহি খোৱা নগৰীয়া জীৱনৰ ঠাইত মুক্ত আকাশৰ তলৰ কৰ্মময় জীৱনৰ সূচনা। বোধহয় স্পৃহাহীন লোকৰ ভোক শামুকীয়া গতিৰ ; এক্লেচিয়াষ্টৰ প্ৰণেতাই ভাবিছিল যে প্ৰয়োজনীয় শ্ৰমৰ অভাৱত জীৱন অসাৰ হৈ পৰিছে। সি যিয়েই নহওক কিয়, তেনে এক পৰিস্থিতিতেই মানুহে যৌন ক্ৰিয়াক অপৰাধী সজাইছিল। বোধহয় আমি আলোচনা কৰা বিষয়বোৰৰ লগতে আন কিছু কাৰণ লগ লাগি আদিম যুগৰ শেষৰ ফালে এক অৱসাদ নমাই আনিছিল আৰু এই অৱসাদৰে এক চানেকী হ'ল সন্ন্যাসবাদ। দুৰ্ভাগ্যবশতঃ তেনে এক ক্লান্ত, অৱসাদময় যুগতেই খ্ৰীষ্টীয় নৈতিকতাই গঢ় লৈ উঠিছিল। তাৰ পিছৰ যুগৰ সবল-সুঠাম মানুহবোৰে তেনে এক পৰিস্থিতিৰ লগত খাপ খুৱাই জীৱন নিৰ্বাহ কৰাৰ সুস্থ প্ৰয়াস কৰিছিল ; প্ৰয়াস কৰিছিল কেনেকৈ ক্লান্ত ; অৱসাদপূৰ্ণ, মোহভঙ্গ জীৱন প্ৰবাহত যতি পেলাব খোজা ভাবধাৰাৰ লগত নিজকে খাপ খুৱাব পাৰি। এই বিষয়টো পৰৱৰ্তী অধ্যায়ৰহে বিষয়বস্তু।

পঞ্চম অধ্যায়
খ্ৰীষ্ট ধৰ্মীয় নীতিশাস্ত্ৰ

বেষ্টাৰ মাৰ্কে কৈছে "বিয়াৰ শিপা পৰিয়ালত প্ৰতিষ্ঠিত, পৰিয়ালৰ শিপা বিয়াত নহয়।" প্ৰাক্‌খ্ৰীষ্টীয় কালত ইয়েই সত্য যেন অনুমান হ'ল হয় ; কিন্তু খ্ৰীষ্ট ধৰ্মৰ আবিৰ্ভাবে বিষয়টো গুৰুত্বসহকাৰে অধ্যয়ন কৰাৰ ওপৰত জোৰ দিয়ে। খ্ৰীষ্ট ধৰ্মই বিশেষকৈ ছেইন্ট পলে, বিবাহ্ সম্পৰ্কে সম্পূৰ্ণ এক নতুন মতৰ সূচনা কৰে যে বিয়া কেৱল সতি-সন্ততি জন্ম দিয়াৰ বাবেই নহয়, ইয়াৰ উদ্দেশ্য হ'ল কুমাৰী নাৰীৰ লগত সঙ্গম কৰা পাপক বাধা দিয়াটো।

কৰিষ্থীয়ানসকললৈ লিখা ছেইন্ট পলৰ প্ৰথম চিঠিখনত ইমান স্পষ্ট ভাষাত লিখিছে যে জানিবলৈ তাত আৰু একো বাকী নাই। আমি পাওঁ যে কৰিষ্থীয়ানবোৰে নিজৰ মাহীমাকৰ লগত যৌন সম্পৰ্ক ৰখাৰ দৰে বৰ আচহুৱা নীতি এটা গ্ৰহণ কৰিছিল। গতিকে তেওঁ অনুভৱ কৰিছিল যে পৰিস্থিতিটো গুৰুত্বসহকাৰে নিয়ন্ত্ৰণ কৰিব লাগে। তেওঁ পোষণ কৰা মতবোৰ এনে ধৰণৰ ঃ[১]

'১। তোমালোকে মোলৈ লিখা চিঠিখন সন্দৰ্ভত মই কওঁ— কোনো পুৰুষে নাৰীক স্পৰ্শ কৰিব নাগালে।

২। তথাপি, অবৈধ সঙ্গমত লিপ্ত হোৱাতকৈ এজন পুৰুষে এগৰাকী নাৰীক স্ত্ৰী হিচাপে আৰু এগৰাকী নাৰীয়ে এজন পুৰুষকে স্বামী ৰূপে গ্ৰহণ কৰিব।

৩। স্বামী-স্ত্ৰীয়ে পৰস্পৰৰ মঙ্গলৰ হকে কাম কৰক।

৪। স্বামীৰ মঙ্গলক বাদ দি স্ত্ৰীৰ কোনো কাম কৰাৰ ক্ষমতা নাথাকিব আৰু স্ত্ৰীৰ মঙ্গলক বাদ দি স্বামীৰ আন কাম কৰাৰ ক্ষমতা নাথাকিব।

৫। এজনৰ অনুমতি বিনে ইজনে সিজনক নঠগিবা। কেতিয়াবা ঠগিলেও ব্ৰত পালন কৰি প্ৰাৰ্থনা কৰিবা আৰু পূৰ্বাবস্থালৈ ঘূৰি আহিবা ; নহ'লে চয়তানে তোমালোকক প্ৰলোভিত কৰিব পাৰে।

৬। এয়া মোৰ নিৰ্দেশ নহয়, অনুমতি (ঈশ্বৰৰ) লৈহে কৈছো।

৭। কিয়নো, মই আশা কৰো তোমালোক প্ৰত্যেকে মোৰ দৰেই হোৱা ;

---

১. আই কৰ- VII-I-9

কোনটো কিদৰে কৰিব লাগে, সেই কথা জনাৰ বাবে প্ৰত্যেক মানুহৰ গাত ঈশ্বৰ দত্ত গুণ আছে।

৮। সেই কাৰণে মই অবিবাহিত আৰু বিধৱাসকলক কওঁ ঃ মই যিদৰে নীতি-নিয়ম মানি চলো তোমালোকেও তেনে কৰাটো মঙ্গল।

৯। কিন্তু আত্মসংযমী হ'ব নোৱাৰিলে বিয়া কৰোৱা ; কিয়নো জ্বলি পুৰি মৰাতকৈ বিয়া কৰোৱাই ভাল।'

মন কৰিবলগীয়া কথাটো হ'ল যে ছেইন্ট পলে ইয়াত সতি-সন্ততিৰ কথা উল্লেখ কৰা নাই। বিয়াত নিহিত থকা জৈৱিক উদ্দেশ্যটো তেওঁৰ বাবে তেনেই গুৰুত্বহীন। তেওঁ যিবোৰ কল্পনা কৰিছিল, যিহেতু যীশু খ্ৰীষ্টৰ দ্বিতীয় অৱতাৰ সমাগত বিশ্বব্ৰহ্মাণ্ড অনতিপলমে শেষ হৈ যাব। দ্বিতীয় অৱতাৰৰ কালছোৱাত মানুহ কেৱল ভেড়া আৰু ছাগলীৰূপেহে জন্ম লাভ কৰিব। আৰু সেই কালত মানুহে ভেড়া ৰূপত জন্ম পোৱাটোৱেই ডাঙৰ কথা। ছেইন্ট পলে ধৰি লৈছিল যে বিবাহিত হ'লেও সঙ্গমৰত হ'লে নিৰ্বাণৰ বাবে কৰা চেষ্টাত বাধা জন্মিব (Cor. VIII, 32-34)। তথাপি বিবাহিতসকল তাৰ পৰা বচাৰ সম্ভাৱনা আছে ; কিন্তু অবিবাহিতাসকলৰ ক্ষেত্ৰত যৌন সঙ্গম মহা পাপ, আৰু অনুশোচনা নকৰা সঙ্গমীসকল ছাগলীৰূপেহে জন্ম লভিব। এবাৰ এজন ডাক্তৰে মোৰ ধূমপান কৰা অভ্যাসটো এৰুৱাবৰ বাবে উপদেশ দি কৈছিল যে অভ্যাসটো মই সহজে এৰিব পাৰিম— যদি ধূমপান কৰাৰ ইচ্ছা জন্মিলেই মই এচিদ এটোপাল চুহি খাওঁ। ঠিক তেনে সুৰতেই ছেইন্ট পলে বিয়া কৰাবলৈ অনুমোদন দিছে। তেওঁ ক'তো ইঙ্গিত দিয়া নাই যে অবিবাহিতৰ যৌন সঙ্গম বিবাহৰ সঙ্গমৰ দৰে সমানেই আনন্দদায়ক, কিন্তু তেওঁ ভাৱে যে প্ৰলোভনক বাধা দিয়াত মানুহক ই সক্ষম কৰিব। তেওঁ আনকি ইঙ্গিত দিয়া নাই যে বিয়াৰ এক যোগাত্মক দিশো আছে; বা স্বামী-স্ত্ৰীৰ মাজৰ মধুৰ সম্পৰ্ক বৰ সুন্দৰ আৰু আদৰণীয়। অবিবাহিতৰ সঙ্গমেই তেওঁৰ চিন্তাৰ কেন্দ্ৰবিন্দু আৰু তেওঁৰ সমগ্ৰ যৌন নীতি তাৰ চাৰিওফালে ঘূৰে। যেনিবা কেক চুৰি কৰাটো বন্ধ কৰিবৰ বাবেহে পাউৰুটী বনোৱাৰ কাৰণ। অবিবাহিতৰ কাৰণে সঙ্গম কেনেকৈ ইমান চয়তানি হ'ল সেই কথা ছেইন্ট পলে আমাক ক'ব খোজা নাই। সন্দেহ কৰিবৰ ইচ্ছা যায় যে ম'চেচৰ নীতি দলিয়াই দি গাহৰি মাংস খোৱাৰ স্বাধীনতা দি তেৰোঁ দেখুৱাব বিচাৰিলে যে তেওঁৰ বিধিও গোড়া ইহুদীসকলৰ বিধিৰদৰেই থকাৰ পিছত ইহুদীসকলৰ বাবে গাহৰি মাংস অবিবাহিতৰ সঙ্গমৰ দৰেই সুস্বাদু বুলি ভাবিছিল ; গতিকেই তেওঁ কেৱলীয়া জীৱনত যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল।

খ্ৰীষ্ট ধৰ্মত সকলো ধৰণৰ অবৈধ সঙ্গম গৰিহণাৰ যোগ্য। পূৰ্বৰ সভ্যতাৰ

চৰিত্ৰ শাস্ত্ৰৰ দৰে ***ওল্ড টেষ্টামেণ্ট***ত অবৈধ সঙ্গমত নিষেধাজ্ঞা আৰোপ কৰিছিল, হ'লেও বিবাহিতা তিৰোতাৰ লগত সঙ্গম হোৱাটোও অবৈধ আছিল। গভীৰ মনযোগেৰে ***ওল্ড টেষ্টামেণ্ট*** পঢ়া যিকোনো ব্যক্তিয়েই তাৰ প্ৰমাণ পাব; উদাহৰণস্বৰূপে আব্ৰাহামে চাৰাহক লৈ ইজিপ্তলৈ যোৱাটোকে ল'ব পাৰিব ঃ ইজিপ্তৰ ৰজাক আব্ৰাহামে কৈছিল যে চাৰাহ তেওঁৰ ভগ্নী ; তাকে শুনি ৰজাই চাৰাহক তেওঁৰ হেৰেমলৈ লৈ যায়। পিছত যেতিয়া কথাটো ফাদিল হ'ল ৰজাই অজানিতে পাপ কৰা বুলি ভাবি আতঙ্কিত হৈ উঠিছিল ; আৰু পোনতে সঁচা কথা নোকোৱাৰ বাবে আব্ৰাহামক তিৰস্কাৰ কৰিছিল। অতীতত এনেকুৱাই আছিল সচৰাচৰ প্ৰথা। তিৰোতা এগৰাকীয়ে বিবাহ বন্ধনৰ বাহিৰত গৈ সঙ্গম কৰিলে লোকে তেওঁক ঘৃণাৰ দৃষ্টিৰে চাইছিল, কিন্তু পুৰুষজনৰ কোনো দোষ নাছিল, যদিহে তেওঁ কাৰোবাৰ বিবাহিতা স্ত্ৰীৰ লগত সঙ্গম নকৰে, কাৰণ তেতিয়া তেওঁ সম্পত্তিৰ বিৰুদ্ধে কৰা দোষেৰেহে দোষী হ'ব। বিবাহ বন্ধনৰ বাহিৰত কৰা যিকোনো সঙ্গম অপৰাধৰূপে গণ্য কৰাত খ্ৰীষ্ট ধৰ্মৰ যি এক প্ৰথা আছিল, যিটো আমি ছেইণ্ট পলৰ কাহিনীত দেখি আহিছো, তাৰ ভেটিটো হ'ল সকলো সঙ্গম আনকি বিবাহ বন্ধনৰ ভিতৰতো, অপৰাধমূলক বুলি থকা ধৰ্ম মতটো। গতিকে ই বৰ পৰিতাপৰ কথা। দৈহিক দিশটোৰ বিপৰীতে যোৱা এনে এক ধৰ্মমতক সুস্থ মনৰ লোকৰ নিৰাশাত জৰ্জৰিত হোৱা মানসিক দাবী বুলি ক'ব। ধৰ্মীয় নীতি শাস্ত্ৰত সন্নিৱিষ্ট সেই ধাৰণাই খ্ৰীষ্ট ধৰ্মক এনে এক শক্তি প্ৰদান কৰিলে, যিয়ে মানসিক ভাৰসাম্য হেৰুওৱাত আৰু জীৱনৰ প্ৰতি এক বিক্ষিপ্ত ভাবৰ উদয় হোৱাত সহায়ক হৈছে।

পুৰণি গীৰ্জাই ছেইণ্ট পলৰ মতত গুৰুত্ব দিছিল আৰু তাক অতিৰঞ্জিত কৰিছিল ; কৌমাৰ্যক পৱিত্ৰ জ্ঞান কৰিছিল, আৰু চয়তানে যিহেতু মানুহৰ মনত কাম ভাব সৃষ্টি কৰে, সেই চয়তানৰ বিৰুদ্ধে যুঁজ দিবলৈ মানুহ মৰুভূমিলৈ গৈছিল।

মানুহৰ স্নান কৰা অভ্যাসক গীৰ্জাই আক্ৰমণ কৰিছিল এই বাবেই যে স্নানে মানুহক আকৰ্ষণীয় কৰে যাৰ ফলত পাপ সংঘটিত হ'ব পাৰে। দেহৰ কদৰ্যতাক প্ৰশংসা কৰা হৈছিল আৰু দৈহিক অপৱিত্ৰতাৰ সুবাদে মানুহক ধৰ্মৰ প্ৰতি মনোনিৱেশ কৰাব পাৰিছিল। 'দেহ আৰু পোছাক-পৰিচ্ছদ পৱিত্ৰ হোৱা মানেই আত্মাৰ অপৱিত্ৰতা'[২] ছেইণ্ট পলে কৈছিল। ওকনিবোৰ ভগৱানৰ মুকুতা আৰু ধাৰ্মিক লোক এজনৰ চিন স্বৰূপে তেওঁৰ সমগ্ৰ শৰীৰ ওকনিয়ে ঢাকি ৰখাটো অপৰিহাৰ্য।

"সন্ন্যাসী ছেইণ্ট আব্ৰাহামে ধৰ্ম দীক্ষা লোৱাৰ পিছত পঞ্চাশ বছৰ বাচি আছিল আৰু সেই পঞ্চাশ বছৰত তেওঁ কোনো দিনে মুখ, হাত-ভৰি আদি ধোৱা নাছিল।

---

২. হেভলক এলীচ- ষ্টাদিজ ইন দা চাইকলজী অব চেক্স, ৪ৰ্থ খণ্ড পৃঃ ৩১

কথিত আছে যে তেওঁ এজন অনিন্দ্য সুন্দৰ পুৰুষ আছিল ; আৰু তেওঁৰ জীৱনী প্ৰণেতাই আচৰিত ধৰণে লিখিছে যে তেওঁৰ মুখাবয়বত তেওঁৰ পৱিত্ৰ আত্মা প্ৰতিফলিত হৈছিল। ছেইন্ট আম্মনে কোনো দিনেই নিজৰ নগ্ন দেহ প্ৰত্যক্ষ কৰা নাছিল। চিলভীয়া নামৰ এগৰাকী বিখ্যাত ষাঠী বছৰীয়া কুমাৰীয়ে যদিহে নিজৰ স্বভাৱৰ বাবে অসুস্থতাত ভুগিছিল, ধৰ্ম মতাদৰ্শৰ বাবে আঙুলিকেইটাৰ বাহিৰে গাৰ কোনো অংশই তেওঁ ধোৱা নাছিল। ছেইন্ট ইউফ্ৰেক্সিচে ১৩০ গৰাকী সন্ন্যাসিনী থকা কনভেণ্ট এটাত আছিল ; তাৰ সন্ন্যাসিনীবোৰে কোনো দিনে ভৰি ধোৱা তেওঁ দেখা নাপালে ; আৰু স্নান কৰা কথা ক'লেও তেওঁলোক থৰথৰকৈ কঁপি উঠিছিল। এজন সন্ন্যাসীয়ে যেতিয়া ৰ'দ-বৰষুণত বহু বছৰ ঘূৰি ঘূৰি ক'লা হোৱা অথচ বতাহত উৰি ফুৰা ধকধকীয়া বগা চুলিৰ এক নগ্নমূৰ্তি তেওঁৰ ফালে আগবাঢ়ি অহা দেখিছিল তেতিয়া তেওঁ কল্পনা কৰিছিল যে চয়তানৰ ছায়া মূৰ্তিয়ে তেওঁক উপহাস কৰিছে। আচলতে সেইগৰাকী আছিল একালৰ সৌন্দৰ্যময়ী নাৰী— ইজিপ্তৰ ছেইন্ট মেৰী যিয়ে সাতচল্লিশ বছৰ ধৰি মৰুভূমিত পৰিভ্ৰমণ কৰি পাপবোৰ ধুই পেলোৱাৰ বাবে চেষ্টা কৰিছিল। কেতিয়াবা কোনো সন্ন্যাসীয়ে পুনৰ পাৰ্থিৱ জীৱনলৈ ঘূৰি অহাৰ উদাহৰণ আছে। তেতিয়া কিন্তু তেনে সন্ন্যাসী তিৰষ্কাৰৰ পাত্ৰ হৈ পৰিছিল। সাধু আলেকজেণ্ডাৰে শোকাকুলভাৱে অতীতলৈ ঘূৰি চাই কৈছিল ঃ "আমাৰ দেউতাহঁতে কোনো দিনেই মুখ ধোৱা নাছিল, অথচ আমি প্ৰায়েই ৰাজহুৱা স্নানাগাৰলৈ গৈ স্নান কৰো। এই ঘটনাটো আছিল মৰুভূমিৰ এক মন্দিৰৰ কাহিনী য'ত লামাবোৰে পানীৰ অভাৱত বাৰুকৈয়ে ভুগিছিল, কিন্তু 'থিয়দ'চিয়াচ' নামৰ পূজাৰীজনে প্ৰাৰ্থনা কৰি এটা জুৰি বোৱাই আনিছিল। তেতিয়া কেইজনমান সন্ন্যাসীয়ে পৰ্যাপ্ত পৰিমাণৰ পানীৰ দ্বাৰা প্ৰলুব্ধ হৈ তেওঁলোকৰ পূৰ্বৰ কঠোৰতা পৰিহাৰ কৰি পুৰোহিতজনক পতিয়ন নিয়াইছিল যে সেই পানীৰ সদ্ব্যৱহাৰৰ বাবে এটা স্নানাগাৰ তৈয়াৰ কৰিব লাগে। স্নানাগাৰটো সজা হৈছিল ; কিন্তু সন্ন্যাসীবোৰে মাত্ৰ এবাৰ পৱিত্ৰ স্নান কৰাৰ পিছত পানীৰ সোঁত বন্ধ হৈ গৈছিল। প্ৰাৰ্থনা, চকুলো আৰু ব্ৰত আদি সকলো অথলে গৈছিল। তেনেকৈয়ে এবছৰ অতিবাহিত হৈছিল। অৱশেষত পূজাৰীজনে স্নানাগাৰটো ভাঙি পেলোৱাত পুনৰায় পানীৰ সোঁত ববলৈ ধৰিছিল।[৩]

এটা কথা স্পষ্ট যে যিবোৰ সমাজাত যৌন সম্পৰ্কীয় তেনে কঠোৰ নীতি আছে, এবাৰ কিবাকৈ বন্ধন খোল খালে নিষেধাজ্ঞা থকা ঠাইত সুৰাপান কৰাৰ দৰে যৌন কাৰ্যও বৰ পাশৱিক আৰু কৰ্কশ হৈ পৰে। প্ৰেম কলা পাহৰি যোৱা

৩. ডব্লিউ. ই. এইচ. লেকী- হিষ্টৰী অব ইয়ুৰোপীয়ান মৰেলস্ Vol. II. পৃঃ ১১৭-১৮

হয় আৰু বিবাহকো পাশৱিক স্তৰলৈ আঁজুৰি লৈ যোৱা হয়।

সন্ন্যাসীসকলে সতীত্বৰ গুৰুত্ব সম্পৰ্কে মানুহৰ মনত গভীৰ আৰু স্থায়ী বিশ্বাস জন্মোৱাত যি সেৱা আগবঢ়াইছিল সি মহৎ হ'লেও বিয়া সম্পৰ্কে থকা তেওঁলোকৰ অনিষ্টকৰ মতবাদে তাৰ ওলোটা দিশতো কাম কৰিছিল। গীৰ্জাৰ ফাদাৰসকলে লিখা বৃহৎ পৰিমাণৰ লেখনিৰ পৰা দুই-তিনিটা সুন্দৰ বৰ্ণনা সংগ্ৰহ কৰা হৈছে। হ'লেও কিন্তু তাতকৈ কৰ্কশ আৰু ঘৃণনীয় মত কল্পনা কৰাটো কঠিন। মৃত্যুৰ নিষ্ঠুৰতাৰ আচোৰৰ পৰা সকাহ দিয়াৰ বাবে প্ৰকৃতিৰ যি পৰিকল্পনা সি লীনেডে দেখুওৱাৰ দৰে ফুলৰ মাজেৰে হ'লেও ব্যাপি থাকে, তাকো আডামৰ পতনৰ ফলস্বৰূপে হোৱা বুলি ক'ব খোজে, আৰু বিয়াক বিশেষভাৱে নিম্নস্তৰৰ বুলি গণ্য কৰা হয়। প্ৰেমৰ দৰে মধুৰ আৰু প্ৰেমৰ ফলশ্ৰুতিত সৃষ্টি হোৱা পৱিত্ৰ আৰু সৌন্দৰ্যময় পাৰিবাৰিক গুণাগুণবোৰো আলোচনাৰ পৰা বাদ দিয়া হৈছে। সন্ন্যাস জীৱনৰ মূল উদ্দেশ্য হৈছে কৌমাৰ্যৰ ফালে মানুহৰ মন আকৰ্ষণ কৰা আৰু তাৰ অৱধাৰিত ফল স্বৰূপ বিয়াক নিম্নস্তৰৰ প্ৰথা ৰূপে গণ্য কৰা হৈছে। মানৱ জাতিটোক জীয়াই ৰখাৰ খাতিৰত আৰু অবৈধ যৌন সঙ্গমতকৈ ডাঙৰ পাপ যাতে নকৰে, তাৰ বাবেহে বিয়াৰ প্ৰয়োজন বুলি কোৱা হৈছে। কিন্তু তাতো চৰ্ত আছে যে যিসকলে প্ৰকৃত পৱিত্ৰতা লাভ কৰাৰ প্ৰয়াস কৰিব পাৰে, তেওঁলোকে বিয়াৰ পৰা আঁতৰত থাকিব পাৰে। ছেইণ্ট জেৰোমৰ উদ্বুদ্ধময় শেষ বাণী আছিল— "বিয়াৰ হাবিখন কৌমাৰ্য কুঠাৰেৰে কাটি পেলোৱা", আৰু যদি বিবাহ প্ৰথাত অনুমোদন জনাইছিলো, তাৰ কাৰণ আছিল যে বিয়াই নতুন নতুন কুমাৰ-কুমাৰীৰ জন্ম দিয়ে। বৈবাহিক সম্বন্ধক গঢ় দিলেও তাত সন্ন্যাসৰ বিষবাষ্প থাকি গ'ল। অতি পৱিত্ৰ বিয়াৰ এই পৱিত্ৰতম সম্বন্ধত দহগুণে তিক্ততা সোমাই দিয়া হ'ল। স্বামী বা স্ত্ৰীৰ মনলৈ ধৰ্মৰ অনুৰাগ আহিলেই তাৰ বিষফলে সুখী মিলনক অসম্ভৱ কৰি পেলোৱা হয়। বেছি ধৰ্মপ্ৰাণ সঙ্গীয়ে পোনেই নিৰ্জন, সন্ন্যাস জীৱন যাপন কৰাৰ ইচ্ছা প্ৰকাশ কৰে ; আৰু তেতিয়া বিয়াখন ভাঙি নগ'লেও বৈবাহিক সম্বন্ধ অস্বাভাৱিকভাৱে পৃথক জীৱন যাপন কৰা এক দম্পতীলৈ পৰ্যবসিত কৰে। বিয়া সম্পৰ্কে ফাদাৰসকলে লিখা সাহিত্যৰ ওপৰত জ্ঞান থকা মানুহে নিশ্চয় জানে যে সন্ন্যাসৰ ভাবধাৰাই সেই সাহিত্যৰ বহুত ঠাই জুৰি আছে। দুই-চাৰিটা উদাহৰণ দিব বিচাৰিছো ঃ দুটা সন্তান জন্ম দিয়াৰ পিছত ছেইণ্ট নীলাচৰ মনত হঠাতে জাগি উঠিছিল সন্ন্যাস জীৱন যাপন কৰাৰ অদম্য হেঁপাহ ; তদনুসাৰে পত্নীক কথাটো ক'লত অনেক কন্দা-কটা কৰি বেচেৰীয়ে পৃথকে থকাৰ সন্মতি দিছিল। ছেইণ্ট আম্মনে

ফুলশয্যাৰ নিশাই ন-কইনাৰ আগত বিয়া যে এক জঘন্য ৰীতি তাৰ ওপৰত এক দীঘলীয়া বক্তৃতা দিছিল, ফলশ্ৰুতিত বিবাহ বিচ্ছেদত দুয়ো সন্মতি দিছিল। ছেইন্ট মেলেনীয়াই অনেক কষ্ট কৰিহে তেওঁৰ স্বামীক সৈমান কৰিব পাৰিছিল যে তেওঁলোকে একেখন বিছনাত নুশুৱে। ছেইন্ট আব্ৰাহামে ফুলশয্যাৰ নিশাই পত্নীৰ ওচৰৰ পৰা পলাই গৈছিল। পৰৱৰ্তী কালৰ আন এটা কাহিনী অনুসৰি ছেইন্ট এলেক্সীচেও বিয়াৰ নিশাই পত্নীক এৰি জেৰুজালেমলৈ পলাই গৈছিল। কিন্তু বহুত বছৰ পিছত যেতিয়া তেওঁ আকৌ বাপেকৰ ঘৰলৈ ঘূৰি আহে, তেতিয়াও তেওঁৰ পত্নীয়ে স্বামী বিচ্ছেদৰ বেদনা বহন কৰি তাতেই আছিল। তেওঁৰ অনুৰোধত দয়াবশতঃ তেওঁক এটা থকা ঘৰ দিছিল, আৰু মৃত্যু পৰ্যন্ত তাতেই থাকিলেও মানুহে তেওঁক ঘিণ কৰিছিল আৰু মানুহ বুলি গণ্য নকৰিছিল।[৪]

ছেইন্ট পল আৰু থেবাইচৰ সন্ন্যাসীবোৰৰ নিচিনা কেথ'লিক গীৰ্জা দৈহিকতাৰ ইমান বিৰোধী নাছিল। ছেইন্ট পলৰ পৰা এটা কথা বুজিব পৰা যায় যে বিয়া কেৱল আমাৰ কামুকতাৰ এক বৈধ খোলা দুৱাৰ। কিন্তু তেওঁৰ পৰা জানিব নোৱাৰি যে যৌন নিয়ন্ত্ৰণত তেওঁৰ কোনো আপত্তি আছিল। আনহাতে অনুমান কৰিব পৰা যায় যে গৰ্ভধাৰণ কৰাৰ পৰা সন্তান জন্ম হোৱাৰ মাজৰ কালছোৱাত সঙ্গম বিপজ্জনক বুলি তেওঁ ভাবিছিল। গীৰ্জাই কিন্তু আন ধৰণৰ মতহে পোষণ কৰে। গোড়া খ্ৰীষ্টীয় দৰ্শনৰ মতে বিয়াৰ দুটা উদ্দেশ্য আছে। প্ৰথমটো হ'ল ছেইন্ট পলে স্বীকৃতি দিয়া কাৰণটো আৰু আনটো হ'ল ল'ৰা-ছোৱালী জন্ম দিয়াটো। ফলস্বৰূপে যৌন নীতি ছেইন্ট পলে নিৰ্ধাৰণ কৰাতকৈও পিছলৈ বেছি কঠোৰ কৰা হয়। বিবাহ বন্ধনৰ ভিতৰত সঙ্গমক বৈধতা প্ৰদান কৰাতেই ক্ষান্ত নাথাকি এখোজ আগুৱাই গৈ কোৱা হৈছে যে গৰ্ভধাৰণৰ কথা নভবাকৈ সঙ্গম কৰাটো পাপ। আচলতে কেথ'লিক গীৰ্জাৰ মতে বৈধ সন্তান লাভ কৰাৰ ইচ্ছাইহে সঙ্গমক উপযুক্ততা প্ৰদান কৰে। যিমান নিষ্ঠুৰতা সাঙোৰ খাই নাথাকিলেও এই উদ্দেশ্যটোৱেহে বৈধতা প্ৰদান কৰে। সন্তান জন্ম দিয়াটো মুখ্য উদ্দেশ্য হ'লেও হ'ল ; তিৰোতাগৰাকীয়ে সঙ্গম ঘিণ কৰিলেও, সন্তানটো বেমাৰী বা মানসিকভাৱে ৰোগাক্ৰান্ত হোৱাৰ ভয় থাকিলেও বা সন্তান জন্মই পৰিয়ালটো অৰ্থনৈতিক দিশত জুৰুলা কৰাৰ সম্ভাৱনা থাকিলেও স্বামীৰ সঙ্গম অধিকাৰক বাধা দিব নোৱাৰে।

---

৪ ডব্লিউ. ই. এইচ. লেকী- হিষ্টৰী অৱ ইয়ুৰোপীয়ান মৰেলস্ Vol. II, পৃঃ ৩৩৯-৪১

বিষয়টো সম্পৰ্কে কেথ'লিক শিক্ষাৰ ভেটি দুতৰপীয়া ঃ এহাতে, ছেইন্ট পলৰ ক্ষেত্ৰত আমি দেখাৰ দৰে ই সন্ন্যাসবাদৰ ওপৰত প্ৰতিষ্ঠিত, আৰু আনহাতে এই শিক্ষা পৃথিৱীলৈ যিমানে পৰা যায় আত্মা নমাই অনা মতৰ ওপৰত প্ৰতিষ্ঠিত। কিয়নো, প্ৰতিটো আত্মাই নিৰ্বাণ লাভ কৰাৰ বাবে সক্ষম। কিন্তু, প্ৰাসঙ্গিক হ'লেও, প্ৰতিটো আত্মা যে নৰকলৈ যোৱাৰ সম্ভাৱনাও আছে সেই কথাৰ কিয় বিচাৰ নকৰিলে তাৰ কাৰণ মই বুজি নাপাওঁ। উদাহৰণ স্বৰূপে 'কেথ'লিকবোৰে তেওঁলোকৰ ৰাজনৈতিক প্ৰভাৱ খটুৱাই প্ৰটেষ্টান্টবোৰৰ জন্ম নিয়ন্ত্ৰণক বাধা দিয়ে, তথাপি তেওঁলোকে ধৰি ল'বই যে অধিকাংশ প্ৰটেষ্টান্ট ল'ৰা-ছোৱালী, যিসকল তেওঁলোকৰেই ৰাজনৈতিক অনুগ্ৰহত বাছি আছে, অন্যলোকত গৈ যন্ত্ৰণা ভুগিব লাগিব। এইটোৱেই তেওঁলোকৰ কাৰ্যক কিছু নিৰ্দয় কৰি তুলিছে। হ'লেও নিসঃন্দেহ যে এই অভাজনে বুজিব নোৱাৰা সেইবোৰ হৈছে তেওঁলোকৰ সাঁথৰ।

ল'ৰা-ছোৱালী উৎপাদনেই যে বিয়াৰ এটা কাৰণ, সেই ধাৰণাটো কেথ'লিক দৰ্শনৰ এক অংশহে। সন্তান জন্ম দিয়াৰ উদ্দেশ্য নথকাকৈ কৰা সঙ্গম যে পাপ তেনে ধৰণৰ মন্তব্যই তেওঁলোকক শেষ কৰি পেলাইছে। বন্ধ্যাত্বৰ কাৰণত বিবাহ বিচ্ছেদ কৰিব লগাৰ কথা তেওঁলোকে ক'তো উল্লেখ কৰা নাই। খ্ৰীষ্টীয় নৈতিকতাত এনে কিছু বিধান দিয়া হোৱা নাই যে সন্তানৰ বাবে যিমান ইচ্ছা থাকিলেও তেওঁৰ পত্নীৰ যদি বন্ধ্যা হয় তেতিয়া তেওঁ বিবাহ-বিচ্ছেদ কৰিব পাৰিবনে নাই? কথা হ'ল যে, সন্তান জন্ম দিয়াৰ দৰে বিয়াৰ যোগাত্মক উদ্দেশ্যটো ছেইন্ট পলে কোৱাৰ দৰে হয়তো গৌণ। ইয়াৰ মুখ্য উদ্দেশ্যটো হৈছে পাপক বাধা দিয়াটো। অবিবাহিতৰ মাজৰ সঙ্গম হৈছে ইয়াৰ কেন্দ্ৰবিন্দু আৰু বিয়াক মূলতঃ কম অনুশোচনীয় বিকল্প বুলি গণ্য কৰা হৈছে।

কেথ'লিক গীৰ্জাই তেওঁলোকৰ এই নিম্ন মানক 'বিবাহ এক পবিত্ৰ অনুষ্ঠান' মতবাদেৰে ঢাকি ৰাখিব বিচাৰে। বিবাহ যে অবিচ্ছেদ্য, সেই মতবাদৰ পৰাই তেওঁলোকৰ মতৰ কাৰ্যকাৰিতা বিচাৰ কৰিব পাৰি। এহাল দম্পতীৰ এজনে যিয়েই নকৰক কিয়, যদি আনজন বলিয়া হয় বা উপদংশত আক্ৰান্ত হয় বা মদপী হয় বা খোলাখুলিভাৱে আন সঙ্গীৰ লগত থাকিবলৈ লয়, তেতিয়া তেওঁলোকৰ সম্বন্ধ পবিত্ৰ হৈয়েই থাকিব, আৰু যদিও কোনো বিশেষ পৰিস্থিতিত পৃথকে থকাৰ অনুমতি দিয়াও হয় পুনৰ্বিবাহৰ অনুমতি কেতিয়াও দিয়া নহয়। অনেকৰ ক্ষেত্ৰত ই সঁচাকৈয়ে যন্ত্ৰণাৰ সৃষ্টি কৰে, কিন্তু সেই যন্ত্ৰণা যিহেতু ঈশ্বৰৰ ইচ্ছা তাক উপভোগ কৰিবই

লাগিব। এনে অত্যন্ত কঠোৰ নীতিৰ লগতে অৱশ্যে কেথ'লিক মতবাদত বহু পৰিমাণে ক্ষমাৰ গুণো আছে। যাক তেওঁলোকে পাপ বুলি ক'ব খোজে। গীৰ্জাই মানি লয় যে সাধাৰণ লোকে ধৰ্মৰ সকলো ৰীতি মানি চলিব পাৰিব বুলি আশা কৰিব নোৱাৰি। গতিকে অবিবাহিতৰ মাজত হোৱা সঙ্গমক ক্ষমা দানৰ বিধানো আছে, যদিহে দোষীয়ে দোষ স্বীকাৰ কৰি লয় আৰু প্ৰায়শ্চিত্ত হোৱাৰ বাবে সন্মত হয়। এই ব্যৱহাৰিক ক্ষমাৰ আঁৰত আছে ধৰ্মগুৰুসকলৰ ক্ষমতা বৃদ্ধিৰ উদ্দেশ্য কিয়নো, অকল তেওঁলোকেহে পাপীক প্ৰায়শ্চিত্ত কৰিব পাৰে, আৰু প্ৰায়শ্চিত্ত নহ'লে অবৈধ সঙ্গমৰ শাস্তি হ'ল ৰৌ ৰৌ নৰক।

প্ৰটেষ্টাণ্টসকলৰ দৃষ্টিভঙ্গী অৱশ্যে অলপ বেলেগ— ৰীতিত কম কঠোৰ, কাৰ্যত কিছু বেছি নিষ্ঠুৰ। "জ্বলি পুৰি মৰাতকৈ বিয়া কৰোৱাই শ্ৰেয়" মতবাদৰ দ্বাৰা লুথাৰ বেছ প্ৰভাৱান্বিত হৈছিল, আৰু এগৰাকী সন্ন্যাসীনীৰ তেওঁ প্ৰেমতো পৰিছিল। তেওঁ যুক্তি দৰ্শাইছিল যে কৌমাৰ্য ব্ৰত ল'লেও তেওঁ সন্ন্যাসীনীগৰাকীক বিয়া কৰাব পাৰে, কিয়নো তেওঁৰ প্ৰেমৰ আৱেগলৈ চাই বিয়া নকৰোৱা হ'লে তেওঁ মাৰাত্মক পাপ সংঘটিত কৰি পেলালে হয়। প্ৰটেষ্টাণ্ট নীতি অনুসৰি কৌমাৰ্যক বৰ প্ৰশংসা নকৰিছিল, যিটো মুখ্যতঃ কেথ'লিক গীৰ্জাৰহে ৰীতি ; আৰু য'ত সবল যুক্তি থাকে তাত বিয়া যে পৱিত্ৰ বন্ধন সেই ৰীতিকো বৰ্জন কৰি বিশেষ পৰিস্থিতিত বিবাহ বিচ্ছেদতো অনুমোদন জনাইছিল। কিন্তু অবিবাহিতৰ মাজৰ সঙ্গমে কেথ'লিকসকলতকৈও প্ৰটেষ্টাণ্টসকলক বেছি আতঙ্কিত কৰিছিল, আৰু নৈতিক স্খলনৰ ক্ষেত্ৰত তেওঁলোক বেছি কঠোৰ আছিল। কেথ'লিক গীৰ্জাই পাপ হোৱাটোও কিছু পৰিমাণে মানি লৈছিল আৰু তাক কেনেকৈ পৰিচালনা কৰিব পাৰি তাৰো ব্যৱস্থা কৰিছিল। আনহাতে প্ৰটেষ্টাণ্টসকলে কেথ'লিকৰ পাপ স্বীকাৰ আৰু প্ৰায়শ্চিত্তৰ বিধান পৰিহাৰ কৰিছিল আৰু কেথ'লিক গীৰ্জাত ব্যৱস্থা লোৱাতকৈ এজন পাপীক নিঃসহায় অৱস্থাত এৰি দিছিল। এনে মনোভাৱক দুয়োটা দিশেই আধুনিক আমেৰিকাত পোৱা যায়। তাত বিবাহ বিচ্ছেদ তেনেই সহজ, কিন্তু অবৈধ যৌন সঙ্গমক কেথ'লিক দেশতকৈও কঠোৰ দৃষ্টিৰে চায়।

এতিয়া স্পষ্ট দেখা গ'ল যে খ্ৰীষ্টীয় নৈতিকতাৰ ধাৰাবোৰ, সি কেথ'লিকেই হওক বা প্ৰটেষ্টাণ্টেই হওক, ভালকৈ চালি জাৰি চোৱাৰ দৰকাৰ। কিন্তু তাকে কৰাৰ আগেয়ে খ্ৰীষ্ট ধৰ্মৰ প্ৰতি থকা আমাৰ পূৰ্ব ধাৰণাৰ পৰা আমি নিজকে মুক্ত কৰি ল'ব লাগিব। শৈশৱ কালত সবলভাৱে বাৰম্বাৰ দিয়া কিছু ধাৰণাই মানুহৰ মনত

এনে এক বিশ্বাস জন্মায় যি বিশ্বাসে অৱচেতন মনত প্ৰৱেশ কৰে। আৰু আমি যিসকলে গোড়ামিৰ পৰা মুক্ত সেই আমাকো তেনে শিক্ষাই অৱচেতনভাৱে নিয়ন্ত্ৰণ কৰে। আমি খোলাখুলিভাৱে নিজকে প্ৰশ্ন কৰিব লাগিব কি পৰিস্থিতিতনো গীৰ্জাই অবিবাহিতৰ সঙ্গমক অপৰাধ বুলি অভিহিত কৰিছিল। আমি ভাৱোনে কি উপযুক্ত কাৰণত গীৰ্জাই অবৈধ সঙ্গমক অপৰাধৰূপে পৰিগণিত কৰিলে? যদি নাভাবো গীৰ্জাই দেখুওৱা কাৰণত বাহিৰে আন কাৰণ আছে নেকি যি কাৰণত আমিও তেনে সিদ্ধান্তলৈ আহি যাব পাৰো? কিছুমান পুৰণি গীৰ্জাৰ এনে ধৰণৰ কিছু দৃষ্টিভঙ্গী আছিল যে যৌন কাৰ্যত কিছু অপৱিত্ৰতা আছে, যদিও কিছু প্ৰাথমিক নিয়ম মানি তেনে কাৰ্য কৰিলে তাক ক্ষমা কৰিব পাৰি। তেনে দৃষ্টিভঙ্গীক পূৰাদমে কুসংস্কাৰ বুলি ক'ব লাগিবই। তেনে যৌন দৃষ্টিভঙ্গী গ্ৰহণ কৰাৰ কাৰণবোৰ আমি ইয়াৰ পূৰ্বৰ অধ্যায়ত আলোচনা কৰা কাৰণবোৰেই হ'ব ; অৰ্থাৎ যিসকলে প্ৰথমে ইয়াৰ উদ্ভাৱন কৰিছিল তেওঁলোকে নিশ্চয় শাৰীৰিক বা মানসিক বা দুয়োটা ৰোগত ভুগিছিল। কোনো এটা মত যেতিয়া প্ৰায় সকলোৱে মানি লয়, সেইটোৱে প্ৰমাণ নকৰে যে ই সম্পূৰ্ণৰূপে স্বাভাৱিক। প্ৰকৃততে সৰহসংখ্যক মানুহৰ তেনে টুলুঙা ধাৰণাত থকা বিশ্বাস যুক্তিকৰ হোৱাতকৈ মুৰ্খামি বুলিহে ক'ব পাৰি। পীলেব দ্বীপবাসীসকলে বিশ্বাস কৰে যে চিৰশান্তি পাবৰ বাবে নাক ফুটাই দিয়াটো অপৰিহাৰ্য। ইউৰোপবাসীয়ে ভাৱে যে মুখেৰে কিবা মন্ত্ৰ মাতি মূৰ তিয়াইহে চিৰশান্তি পাব পাৰে। পীলেববাসীৰ বিশ্বাস এক অন্ধ বিশ্বাস আৰু ইউৰোপীয়সকলৰ বিশ্বাস হ'ল আমাৰ ধৰ্মৰ পৰম সত্য।

জেৰেমী বেন্থামে আমাৰ কৰ্মৰ উৎস বিষয়ক লৈ এখন নক্সা আঁকিছিল, য'ত মানুহৰ প্ৰতিটো কামনাক তিনিটা সমান্তৰাল স্তম্ভত দেখুওৱা হৈছিল— ১। প্ৰশংসনীয়, ২। নিন্দনীয় আৰু ৩। নিৰপেক্ষ। সেই অনুসৰি এটা স্তম্ভত পাইছিলো 'খকুৱা', তাৰ বিপৰীত স্তম্ভত আছিল 'সামাজিক সম্বাক ভাল পোৱাৰ আনন্দ'। আন এটা স্তম্ভত আৰু পাইছিলো আৱেগ ভৰা মোলায়ম নামৰ ৰাজহুৱা উদ্দীপনা আৰু তাৰ বিপৰীতে পাইছিলো 'বিৰক্তি'। যিসকলে নৈতিকতাৰ বিষয়ে সম্যক জ্ঞান লাভ কৰাৰ কথা ভাৱে বেন্থামক অনুকৰণ কৰাৰ বাবে তেওঁলোকক মই আহ্বান জনাওঁ। আৰু দোষাৰোপ কৰাৰ অৰ্থ বুজাবলৈ ব্যৱহাৰ কৰা প্ৰতিটো প্ৰতিশব্দই প্ৰশংসা বুজায়। আৰু 'দোষাৰোপ' শব্দটোৰ প্ৰতিশব্দ এটাই যেতিয়া 'প্ৰশংসা' অৰ্থ কৰা বুলি জানিব, তেতিয়াহে তেওঁলোকে জানিব পাৰিব প্ৰশংসা বা দোষাৰোপ এটাৰো অৰ্থ বহন নকৰা শব্দ কেনেকৈ ব্যৱহাৰ কৰিব পাৰি। 'এদালটেৰী' আৰু 'ফৰ্ণিকেশ্যন' শব্দ দুটা

যেন যৌন ব্যভিচাৰ বুজোৱা দুটা সবল শব্দ ; হ'লেও ব্যৱহাৰ হোৱাৰ পিছত শব্দ দুটাৰ অৰ্থৰ পাৰ্থক্য বুজাটো বৰ কঠিন হৈ পৰে। অৱশ্যে এনে কিছুমান শব্দ আছে যিবোৰ কামুক লেখকসকলে ব্যৱহাৰ কৰে মাত্ৰ আমাৰ নৈতিক স্খলন ঘটাবৰ বাবে। তেনে লেখকে 'গেলেন্ট্ৰী', 'লাভ আনফেটাৰ্ড', 'বাই দ্যা কোলদ্ বন্দস্ অব ল— এই দুয়োটা প্ৰকাশভঙ্গী এনেকৈ সাজি উলিওৱা হৈছে যাতে ই আমাৰ মনত বিদ্বেষৰ সৃষ্টি কৰে। আমি যদি নিৰ্মোহ ভাৱে চিন্তা কৰো আমি দুয়োটা শব্দ ব্যৱহাৰ কৰাৰ পৰা বিৰত থাকিব লাগিব। দুৰ্ভাগ্যবশতঃ ই আমাৰ ৰচনা শৈলীক বিনষ্ট কৰিব। প্ৰশংসা কৰা আৰু 'দোষাৰোপ কৰা' দুয়োটা প্ৰকাশভঙ্গীয়েই জাকজমকীয়া আৰু মনোগ্ৰাহী। গালি বা প্ৰশংসাৰ ভাষাৰে পাঠকৰ মন জয় কৰিব পাৰি ; আৰু এঢাপ আগুৱাই গৈ লেখকৰ ইচ্ছানুসৰি পাঠকৰ মনত আৱেগৰ জোৱাৰ আনিব পাৰি। আমি কিন্তু পাঠকক মুক্তিৰ দিশতহে আকৰ্ষণ কৰিব বিচাৰো। গতিকে আমি বিবাহ-বান্ধোনৰ বাহিৰৰ যৌন সম্পৰ্কৰ নিচিনা বাক্যাংশ ব্যৱহাৰ কৰো। তথাপি বোধহয় এইটোও বৰ নিৰস ধাৰণা, কিয়নো আমি বুজাব খোজা বিষয়বস্তুত মানুহৰ আৱেগ অনুভূতি নিকটভাৱে সাঙোৰ খাই থাকে, আৰু আমি যদি আমাৰ লেখনি আৱেগবৰ্জিত কৰো, তেতিয়া আমি ক'ব খোজা বিষয়টো পাঠকৰ মনত সাঁচ বহুওৱাত ব্যৰ্থ হ'ব পাৰো। যৌন বিষয়ক আলোচনাত অংশগ্ৰহণকাৰী বা অনুপ্ৰাণিত শ্ৰোতাৰ দৃষ্টিকোণৰ পৰা এক থাকিবই। আমি নিজে যি কৰো তাক বোলো 'গেলেন্ট্ৰী' আৰু আনে কৰিলে তাক কও 'ফৰ্ণিকেশ্যন'। গতিকে আমি সদায়ে আৱেগৰ ৰং সনা শব্দবোৰ মনত ৰাখিব লাগিব আৰু পৰিস্থিতি সাপেক্ষে ব্যৱহাৰ কৰিব লাগিব। কিন্তু সেইবোৰ আমি মাজে-সময়েহে ব্যৱহাৰ কৰিব লাগে, আৰু মুখ্যতঃ নিৰপেক্ষ, বিজ্ঞানসন্মত আৰু সঠিক বাক্যাংশৰ প্ৰয়োগ কৰা উচিত।

যৌন সততাৰ ওপৰত গুৰুত্ব দি খ্ৰীষ্টীয় নীতিশাস্ত্ৰই নাৰীৰ স্থিতিৰ মান নিশ্চিতৰূপে অৱনমিত কৰিছে। নৈতিকতাবাদীসকল যিহেতু পুৰুষ নাৰীক প্ৰলোভনকাৰীৰূপে অঙ্কিত কৰিছে। নাৰী নৈতিকতাবাদী হোৱা হ'লে পুৰুষে সেই ভাও দিব লাগিলে হয়। যিহেতু নাৰী প্ৰলোভনকাৰী, পুৰুষক প্ৰলোভিত কৰাৰ সুযোগবোৰ যিমানেই পৰা যায় কমাই অনাটো প্ৰয়োজন। ফলস্বৰূপে সম্ভ্ৰান্ত নাৰীয়ে প্ৰতিবন্ধকতাৰ মাজত আবদ্ধ থাকিবলগীয়া হৈছিল আৰু সাধাৰণ নাৰীক পাপী বুলি পৰিগণিত কৰাৰ বাবে সমাজে অতিশয় ঘৃণনীয়ভাৱে ব্যৱহাৰ কৰিছিল। অতি আধুনিক কালতহে নাৰীয়ে কিছু স্বাধীনতা পায়। যি স্বাধীনতা নাৰীয়ে ৰোমান সাম্ৰাজ্যৰ সময়ত

উপভোগ কৰিছিল। ইতিমধ্যে আমি পাই আহিছো পুৰুষ-প্ৰধান প্ৰথাই নাৰীক দাসত্বৰ বান্ধোনলৈ ঠেলি দিছে। হ'লেও খ্ৰীষ্ট ধৰ্ম প্ৰচাৰৰ আগমুহূৰ্তত সেই দাসত্বৰ কিছু বান্ধোন শিথিল আছিল। কনষ্টেনটাইনৰ পৰৱৰ্তী কালত নাৰীক পাপৰ পৰা সুৰক্ষা দিয়াৰ নামত তেওঁলোকৰ স্বাধীনতাৰ মাত্ৰা বহুখিনি কমাই অনা হয়। অতি সাম্প্ৰতিক কালতহে পাপৰ ধাৰণা কমি অহাৰ ফলত নাৰী সমাজে কিছুমান ক্ষেত্ৰত স্বাধীনতা ঘূৰাই পাবলৈ আৰম্ভ কৰে।

ফাদাৰসকলৰ লিখনিবোৰ নাৰীৰ বিৰুদ্ধে গালি-শপনিৰে ভৰা ঃ

"নাৰী মানেই নৰকৰ দুৱাৰ, মানুহৰ দুখ-যন্ত্ৰণাৰ জন্মদাত্ৰী। এগৰাকী নাৰী যে নাৰী, সেই কথা জানিয়েই নাৰীগৰাকী লজ্জিত হোৱা উচিত। মানৱ সমাজলৈ অভিশাপ কঢ়িয়াই অনাৰ বাবে নাৰীয়ে সৰ্বতিকালে প্ৰায়শ্চিত্ত হোৱা উচিত, কিয়নো মানুহ স্বৰ্গচ্যুত হোৱাৰ মূলতেই আছে সেই পোছাকযোৰ। নাৰীৰ সৌন্দৰ্যৰ বাবে তেওঁলোক বিশেষভাৱে লজ্জিত হোৱা উচিত, কাৰণ তেওঁৰ সেই সৌন্দৰ্যই হৈছে চয়তানৰ প্ৰধান অস্ত্ৰ। শাৰীৰিক সৌন্দৰ্যক ধৰ্মই চিৰন্তনভাৱে অভিশাপ দি আহিছে। মাত্ৰ এঠাইতহে ইয়াৰ ব্যতিক্ৰম দেখা যায়। কিয়নো, মধ্যযুগৰ ধৰ্মযাজকসকলৰ কবৰৰ স্মৃতিস্তম্ভবোৰ সুন্দৰকৈ সজোৱা হৈছিল। ষষ্ঠ শতিকাত ৰাজ্যিক পৰিষদে নাৰীক খালী হাতেৰে ইউখেৰিষ্ট (ভগৱানৰ প্ৰসাদ) লোৱাটোত বাধা আৰোপ কৰা হৈছিল ; কিয়নো নাৰী ইমান অশুচি যে তেওঁলোকে ইউখেৰিষ্ট হাত পাতি লোৱাৰো যোগ্য নহয়। নাৰী যে মূলতঃ বহতীয়া স্থানৰ সেইটো সৰ্বতিকালে চলিছিল।"[৫]

সম্পত্তি আৰু উত্তৰাধিকাৰ আইন তিৰোতাৰ বিপক্ষে সলাই লোৱা হৈছিল। কেৱল ফৰাচী বিপ্লৱৰ জৰিয়তেহে ছোৱালীয়ে উত্তৰাধিকাৰীৰ অধিকাৰ ঘূৰাই পায়।

---

৫. ডব্লিউ. ই. এইচ. লেকী- হিষ্টৰী অৱ ইয়ুৰোপীয়ান মৰেলস্ Vol. II, পৃঃ ৩৫৭-৫৮

ষষ্ঠ অধ্যায়

ৰমন্যাসিক প্ৰেম (ৰোমাণ্টিক লাভ)

খ্ৰীষ্ট ধৰ্ম আৰু বৰ্বৰসকলৰ বিজয়ে পুৰুষ আৰু নাৰীৰ মাজৰ সম্পৰ্ক যি পাশৱিক স্তৰলৈ নমাই আনিছিল, তেনে স্তৰ আদিম সমাজে কেবা শতাব্দী ধৰি জনা নাছিল। প্ৰাচীন জগতখন আছিল ত্ৰুটিপূৰ্ণ, কিন্তু পাশৱিক নাছিল। অন্ধকাৰ যুগত ধৰ্ম আৰু বৰ্বৰতা মিলিত হৈ জীৱনৰ যৌন দিশটোক অৱনমিত কৰে। বিয়াত নাৰীৰ কোনো অধিকাৰ নাছিল ; বিবাহ্ বন্ধনৰ বাহিৰত অসভ্য পুৰুষৰ পাশৱিকতাক নিয়ন্ত্ৰণ কৰিবলৈ কোনো উপায় নাছিল। কিয়নো, যৌন সম্পৰ্ক মানেই পাপ। মধ্যযুগত অনৈতিকতা সৰ্বব্যাপী চলিছিল আৰু ই আছিল ঘৃণনীয়। বিশ্বপসকলে নিজ কন্যাৰ লগত পাপত লিপ্ত হৈছিল ; আৰ্ক বিশ্বপসকলে তেওঁলোকৰ অনুগৃহীত পুৰুষৰ স্বাৰ্থক সুৰক্ষা দিছিল।[১] ধৰ্মপুৰুষসকলৰ মাজত কৌমাৰ্য প্ৰথা গা কৰি উঠিছিল ; হ'লেও উপদেশ আৰু বাস্তৱৰ মাজত পাৰ্থক্য আছিল বহুত। সপ্তম পোপ গ্ৰেগৰীয়ে ধৰ্মগুৰুসকলক তেওঁলোকৰ উপপত্নীসকলক ত্যাগ কৰোৱাৰ বাবে যথেষ্ট চেষ্টা কৰিছিল, হ'লেও সেই প্ৰচেষ্টা ফলৱতী হওঁতে অনেক সময় পাৰ হৈছিল। পিছত অৱশ্যে হেলইচাক বিয়া কৰাবৰ বাবে আবেলাৰ্ডক সন্মত কৰাই তেওঁ কৃতকাৰ্যতা লাভ কৰিছিল। তেৰ শতিকাৰ শেষৰ ফালেহে ধৰ্মগুৰুসকলৰ মাজত কৌমাৰ্য প্ৰথা প্ৰচলন কৰিব পাৰিছিল। তেতিয়াও তেওঁলোকে নাৰীৰ লগত অবৈধ সম্পৰ্ক ৰাখিছিল। তেওঁলোকে নিজেই তেনে সম্পৰ্কক অনৈতিক আৰু অপবিত্ৰ বুলি ভাবিছিল, গতিকে নিজৰ সেই অবৈধ কাৰ্যক সুন্দৰ আৰু উচ্চ মানৰ কৰি তুলিব পৰা নাছিল। যৌন বিষয়ত সন্ন্যাস ধাৰণা থকাৰ বাবে গীৰ্জাহিও প্ৰেমৰ ধাৰণাক সুন্দৰ ৰূপত গঢ় দিব পৰা নাছিল। প্ৰেমক মহৎকৰণত সাধাৰণ মানুহৰ প্ৰয়োজন হৈ পৰিছিল।

"যি ধৰ্ম প্ৰচাৰকসকলে নিজে প্ৰচাৰ কৰা কৌমাৰ্য ব্ৰত ভঙ্গ কৰি পাপকামত লিপ্ত হৈছিল, সমাজত তেওঁলোকৰ স্থান সাধাৰণ মানুহতকৈ নিম্ন খাপৰ হোৱাটো একো আচৰিত কথা নহয়। অনৈতিকতাৰ অটল তলিলৈ নামি দুই-চাৰিজন ধৰ্মীয় লোকৰ কথা নক'লোৱেইবা তেইশতম পোপজনৰ বিভিন্ন অপৰাধৰ লগতে নিকট সম্পৰ্কীয়ৰ লগত কৰা সঙ্গম আৰু অনেক অবৈধ সঙ্গমৰ বাবে অভিশপ্ত হৈছিল।

১। লা হিষ্টৰী অব দা ইনকুইজিশ্যনম্ ইন দা মিড্‌ল এজেচ। দ্বিতীয় খণ্ড পৃঃ ১৪

কেণ্টাৰবেৰীৰ ধৰ্মগুৰু হিচাপে বাছনি পোৱা ছেইণ্ট অগষ্টাইনৰ বিষয়ে ১১৭১ চনত অনুসন্ধান কৰি পোৱা গৈছিল যে এখন গাঁৱতেই তেওঁৰ সোতৰটা অবৈধ সন্তানৰ জন্ম হৈছিল, স্পেইনত ১১৩০ চনত ছেইণ্ট পেলায়েই কমেও সত্তৰগৰাকী উপপত্নী ৰখাৰ প্ৰমাণ পোৱা যায়; পঁয়ষষ্ঠীটা অবৈধ সন্তান জন্ম দিয়াৰ অপৰাধত ১২৭৪ চনত লীজৰ বিশ্বপ তৃতীয় হেনৰীক পদচ্যুত কৰা হৈছিল। অ'ত ত'ত সিঁচৰতি হৈ থকা এনবোৰ ব্যতিক্ৰমী ঘটনা ঘটিলেও মন্তব্য নিদি নোৱাৰি যে একেলেঠাৰিতে অনেক কাউঞ্চিলে আৰু ধৰ্মীয় লেখকে উপপত্নী ৰখাতকৈও গঢ়িত ষড়যন্ত্ৰও কৰিছিল। দেখা যায় যে পুৰোহিতসকলে প্ৰকৃততে বিয়া কৰাইছিল, তেওঁলোকৰ পূৰ্বৰ সম্বন্ধৰ কথা সদৰী হোৱাত তেওঁলোকৰ পত্নীৰ লগত সততাৰ যতি পৰাৰ ভয় আছিল। তেওঁলোকৰ মাজত দ্বিপত্নীক বিবাহ বাধ্যবাধকভাৱে সম্পন্ন কৰিব লগা হৈছিল; বহুত সংখ্যক কেঁচুৱাক আশ্ৰমতে হত্যা কৰা হৈছিল। ক্লাৰ্জিসকলে নিকট সম্পৰ্কীয়ৰ লগত সঙ্গম কৰিছিল, যাৰ ফলত বাৰে বাৰে কঠোৰ আইন প্ৰণয়ন কৰিবলগীয়া হৈছিল যে পুৰোহিতসকলে মাক-ভনীয়েক থকা ঘৰত থাকিব নোৱাৰে। ধৰ্ম মন্দিৰত অস্বাভাৱিক প্ৰেমৰ কাহিনী বহুতো পোৱা যায়। খ্ৰীষ্ট ধৰ্মইহে সেইবোৰ নিৰ্মূল কৰিলে। ৰিফৰ্মেশ্বনৰ (সংস্কাৰৰ) প্ৰাক্‌কালত সঘনাই সজোৰ প্ৰতিবাদ হৈছিল যে পেছাদাৰী লোকক অনৈতিক কামত নিয়োজিত কৰা হৈছিল।

সমগ্ৰ মধ্যযুগ জুৰি গীৰ্জাৰ গ্ৰীক-ৰোমান পৰম্পৰা আৰু টিউটনসকলৰ আভিজাত্যৰ পৰম্পৰাৰ মাজত এক দ্বন্দ্ব চলিছিল। সভ্যতাৰ প্ৰতি অৱদান দুয়োটাৰে আছে; কিন্তু সেই অৱদানবোৰ স্পষ্টভাৱে বেলেগ ধৰণৰ, গীৰ্জাৰ অৱদান আছিল শিক্ষা, দৰ্শন, আইনৰ বিধি, খ্ৰীষ্টান দেশবোৰৰ মাজত ঐক্য স্থাপন কৰি খ্ৰীষ্টান সাম্ৰাজ্য গঢ়ি তোলা এই সকলোবোৰ আহিছিল ভূমধ্যসাগৰীয় প্ৰাচীন পৰম্পৰাৰ পৰা। সাধাৰণ মানুহৰ অৱদান আছিল সামূহিক আইন, ধৰ্ম নিৰপেক্ষ চৰকাৰ, বলীৰ লোকসেৱা (চিভালৰী), কবিতা আৰু কল্পবীৰসকল। অৱদানবোৰৰ প্ৰাসঙ্গিকতাই হ'ল ৰমন্যাস প্ৰেম।

মধ্যযুগৰ আগেয়ে ৰমন্যাস প্ৰেম নাছিল বুলি কোৱাটো ভুল হ'ব। কিন্তু মধ্যযুগতহে সাধাৰণভাৱে বুজি পোৱা আৱেগৰ এই ধাৰাটোৱে স্বীকৃতি পায়। ৰমন্যাস প্ৰেমৰ মৌলিক বৈশিষ্ট্য এয়েই যে ইয়াত প্ৰেমিকাক দুষ্প্ৰাপ্য আৰু বহুমূলীয়া বুলি কল্পনা কৰা হৈছিল। গতিকে এই দুষ্প্ৰাপ্য, বহুমূলীয়া সম্পদ লাভ কৰাৰ বাবে বিভিন্ন প্ৰকাৰৰ প্ৰবল প্ৰচেষ্টা চলায়; সেই প্ৰচেষ্টাৰ আহিলা হয় কবিতা, গীত, বাহুবল বা মহিলাগৰাকীয়ে ভালপোৱা যিকোনো কাম। প্ৰেমিকাক পোৱাৰ বাবে জটিলতা হৈছে— প্ৰেমিকাগৰাকীক অমূল্য বুলি থকা ধাৰণাৰ লগতে দুষ্প্ৰাপ্য বুলিও থকা

ধাৰণা। প্ৰেমিকাক সহজলভ্য বুলি ধৰি লোৱা হ'লে তেনে প্ৰেমিকাক লাভ কৰাৰ প্ৰচেষ্টাই ৰমন্যাসিক কবিতাৰ সৃষ্টি কৰিব নোৱাৰে। মধ্যযুগত নাৰীক উদ্দেশ্য কৰি ৰমন্যাসিক প্ৰেম যিদৰে গঢ় লৈ উঠিছিল, কবিতাৰ নাৰীগৰাকীৰ লগত বৈধ বা অবৈধ যৌন সম্পৰ্ক গঢ়ি উঠিলে তেনে কবিতাৰ সৃষ্টি নহ'ল হয়। এই প্ৰেমৰ কবিতাৰ নাৰীগৰাকী অতি সম্ভ্ৰান্তীয়, সহজে ঢুকি নোপোৱা বিধৰ হ'ব লাগিব, তেতিয়াহে সেই নাৰীক নীতিগত আৰু পৰম্পৰাগতভাৱে এক দুৰ্লংঘ্য প্ৰাচীৰে প্ৰেমিকৰ পৰা আঁতৰাই ৰাখিব পাৰে। যৌন কৰ্ম অশুচি বুলি পুৰুষৰ মনত ধাৰণা সৃষ্টি কৰাত গীৰ্জাৰ কৰ্তব্য ইমান নিয়াৰিকৈ সম্পন্ন কৰিছিল যে কোনো নাৰীক যদি দুষ্প্ৰাপ্য বুলি ধৰি লোৱা নাযায়, তেনেহ'লে সাধাৰণ নাৰীক লৈ ৰমন্যাসিক কবিতাৰ অনুভূতি সৃষ্টি হোৱাটো অসম্ভৱ। গতিকে প্ৰেম সৌন্দৰ্যময়ী হ'ব লাগিলে সেই প্ৰেম প্লেট'নিক হ'ব লাগিবই। আধুনিক পুৰুষৰ কল্পনাত মধ্যযুগীয় প্ৰেমিক কবিৰ অনুভূতি জগাই তোলাটো অসম্ভৱ। তেওঁলোকে সান্নিধ্যবিনে উজ্জ্বল প্ৰেমৰ আবেদন জনায়, আধুনিক মানুহৰ মনত ই এনে আচহুৱা লাগে যে আজিৰ মানুহে তেওঁলোকৰ প্ৰেমক এক কাব্যিক ৰীতি ৰূপেহে চায়। নিঃসন্দেহ যে এই ক্ষেত্ৰত ই তাতকৈ আন একো নহয়, আৰু ইয়াৰ সাহিত্যিক প্ৰকাশ— সেই নীতিয়ে নিয়ন্ত্ৰণ কৰাটোও নিশ্চিত। কিন্তু *বিতা নোৱাত* বৰ্ণিত বিয়েত্ৰিচৰ প্ৰতি ডাণ্টেৰ প্ৰেম নিশ্চিতভাৱে কেৱল নীতিগতই নাছিল, বৰং মই ভবাত ই হৈছে এক উদ্দীপ্ত আৱেগ যি আৱেগ আধুনিক মানুহৰ অপৰিচিত। মধ্যযুগৰ মহৎ দৃষ্টিভংগীয়ে পাৰ্থিৱ জীৱনক অসুস্থ বুলি ভাবিছিল ; তেওঁলোকে মানৱ অনুভূতিবোৰক দুৰ্নীতি আৰু মৌলিক পাপৰ সৃষ্টি বুলি ভাবিছিল। তেওঁলোকে দেহটো আৰু দৈহিক কামনাক ঘিণ কৰিছিল। সহযোগবিহীন নৈসৰ্গিক কল্পনাইহে তেওঁলোকৰ মতে বিমল আনন্দ দিব পাৰে, যি আনন্দৰ লগত যৌন সম্পৰ্কৰ সম্বন্ধ নাই। প্ৰেমৰ ক্ষেত্ৰত এই ধাৰণাই ডাণ্টেৰ প্ৰেমত সন্নিৱিষ্ট অনুভূতিৰহে সৃষ্টি কৰে। গভীৰভাৱে ভাল পোৱা আৰু সন্মান কৰা এগৰাকী নাৰীৰ লগত যৌন সঙ্গম কৰাটো অসম্ভৱ, কিয়নো যৌন কৰ্ম তেওঁৰ বাবে অপৱিত্ৰ। গতিকে তেনে প্ৰেমে কাব্যিক আৰু কাল্পনিক ৰূপ লয় আৰু সি প্ৰতীকেৰে পূৰ্ণ হৈ উঠে। সাহিত্যত এই সকলোবোৰৰ ফলশ্ৰুতি হৈ উঠে প্ৰশংসনীয়, যিটো আমি ধীৰ গতিত পূৰ্ণতা লাভ কৰা কবিতাৰ আৰম্ভণিতে বিচাৰি পাওঁ। ই সম্ৰাট দ্বিতীয় ফ্ৰেডেৰিকৰ ৰাজসভাত পাতনি মেলে আৰু পুষ্পিত হয় নৱজাগৰণত।

মধ্যযুগৰ শেষৰ ফালে বিকশিত হোৱা প্ৰেমৰ এলানি সুন্দৰ ছবি হুৱীজীঙ্গৰ *দ্যা ৱেনিং অৱ দ্যা মিদ্‌ল এজেচ* নামৰ গ্ৰন্থত (১৯২৪) পোৱা যায়। তেওঁ কৈছে,

"বাৰ শতিকাৰ প্ৰভেন্সৰ গীতিকবিসকলে যেতিয়া অসন্তুষ্ট কামনাক প্ৰেমৰ কাব্যিক অনুভূতিৰ কেন্দ্ৰ বিন্দু হিচাপে লৈছিল, তেতিয়াই সভ্যতাৰ ইতিহাসে এক গুৰুত্বপূৰ্ণ মোৰ লৈছিল। প্ৰাচীন কালত প্ৰেমৰ বেদনাক লৈ গীত গাইছিল, কিন্তু ই কেতিয়াও শান্তিৰ স্পৃহাক বা ইয়াৰ পুতৌ লগা হতাশাক বিষয়বস্তুৰূপে ধাৰণা কৰা নাছিল। পীৰামাছ আৰু যীচবে, চেফালাচ আৰু প্ৰকৃচৰ আনুভূতিক দিশটো তেওঁলোকৰ শোকাবহ সমাপ্তিত অন্তৰ্নিহিত আছে আৰু অন্তৰ্নিহিত আছে ভোগ কৰি অহা সুখৰ পৰিসমাপ্তিত। আনহাতে ৰাজসভাৰ কবিতাই কামনাকেই মূল বিষয় হিচাপে গ্ৰহণ কৰিছিল আৰু সেই কাৰণে ৰাজসভাৰ কবিতাই প্ৰেমক এক নেতিবাচক ধ্বনি হিচাপে অঙ্কিত কৰিছিল। দৈহিক প্ৰেমৰ লগত সম্বন্ধ ছিন্ন নকৰাকৈয়ে অভিনৱ কাব্যিক আদৰ্শই সকলো ধৰণৰ নৈতিক কামনাক সাঙুৰি ল'ব পাৰিছিল। প্ৰেম এনে এক ক্ষেত্ৰত পৰিণত হৈছিল যে তাত সকলো ধৰণৰ নৈতিক আৰু সাংস্কৃতিক পূৰ্ণতা বিকশিত হৈছিল। প্ৰেমৰ বাবেই সম্ভ্ৰান্ত লোক হৈ পৰিছিল পৱিত্ৰ আৰু ধাৰ্মিক। ত্ৰয়োদশ শতিকাৰ শেষলৈ আধ্যাত্মিক ধাৰণাই প্ৰেমক ক্ৰমান্বয়ে বেছিকৈ নিয়ন্ত্ৰণ কৰিছিল। **ডলচ ষ্টিল** নুৱভত ডান্টে আৰু তেওঁৰ বন্ধুসকলে প্ৰেমক এক পৱিত্ৰ, ধাৰ্মিক অনুভূতিৰূপে গঢ়ি তুলিছিল। ইয়াতেই আছিল সেই আদৰ্শৰ শীৰ্ষবিন্দু। ইয়াৰ পিছৰ ইটালীয় কবিতাই ক্ৰমান্বয়ে সস্তীয়া প্ৰেমানুভূতিলৈ পৰ্যবসিত হ'বলৈ ধৰে। আধ্যাত্মিক প্ৰেম আৰু প্ৰাচীন আৰ্হিৰ স্বাভাৱিক প্ৰেমৰ মাজত পেট্ৰাৰ্ক বন্দী হৈছিল। আৰু যেতিয়া নৱজাগৰণৰ প্লেট'নিক ধাৰাটোৱে সম্ভ্ৰান্ত প্ৰেমত সুপ্তভাৱে অন্তৰ্নিহিত থকা আধ্যাত্মিকতাৰ লগত মিশ্ৰিত যৌনতাক স্থান দিবলৈ ধৰিলে, তেতিয়া পূৰ্বৰ সূক্ষ্ম অনুভূতিবোৰ শেষ হৈ আহিছিল।

ফ্ৰান্স আৰু বাৰ্গাণ্ডীত অৱশ্যে ইটালীৰ দৰে বিকাশ হোৱা নাছিল। কিয়নো ফৰাচী আভিজাত্যৰ প্ৰেমৰ ভাৱনা ***ৰোমান্ট অৱ দ্যা ৰোজ***ৰ নাইটসকলৰ প্ৰেমৰ কথা তাত পোৱা যায় ; কিন্তু নাইটসকলৰ দৰে অতৃপ্ত হৈ থকা ছবি তাত নাই। ই প্ৰকৃততে গীৰ্জাৰ শিক্ষাৰ বিপক্ষে এক নতুন ধাৰা আৰু কাৰ্যতঃ বাস্তৱ জীৱনত দৈহিক প্ৰেমৰ প্ৰকৃত স্থান বিচাৰি কৰা পেগানসকলৰ দাবী।

'এটা সময়ত যে এক উচ্চ শ্ৰেণীৰ মানুহ আছিল, তাৰ বৌদ্ধিক আৰু নৈতিক ভাবধাৰা ***আৰ্স এমেন্দি***ত অঙ্কিত হৈছে। ই ইতিহাসৰ এক ব্যতিক্ৰমী ঘটনা। কোনো যুগতেই সভ্যতাৰ লগত ইমান গভীৰভাৱে প্ৰেমৰ আদৰ্শৰ লগত সাঙোৰ খাই থকা নাই। মধ্যযুগীয়া অধ্যাপনাই যেনেকৈ সকলো ধৰণৰ দাৰ্শনিক জ্ঞানৰ ধাৰাক এক কেন্দ্ৰ বিন্দুত মিলন ঘটাইছিল, তেনে মহৎ প্ৰেমৰ সূত্ৰয়ো কম-বেছি পৰিমাণে মহৎ জীৱনৰ গুণৰাজিক আঁকোৱালি লৈছিল। ***ৰোমান দ্যা লা ৰোজে*** জ্ঞানৰ এই ধাৰাটো

বিনষ্ট কৰা নাই, ই মাত্ৰ উদ্দেশ্যৰ সংশোধন ঘটাই বিষয়বস্তুৰ মহত্তিকৰণ সাধন কৰিছিল।[২]

যুগটো আছিল অসাধাৰণভাৱে কৰ্কশ ; হ'লেও *ৰোমাণ্ট অব দ্যা ৰোজে* যি উচ্চ প্ৰেমৰ সাধন কৰিছিল, সি ধাৰ্মিক অৰ্থত গুণসম্পন্ন নহ'লেও সংশোধিত, উচ্চ স্তৰৰ আৰু অমায়িক আছিল। তেনে ভাবধাৰা অৱশ্যে আভিজাত্যৰ মাজতেই আবদ্ধ আছিল। সেইবোৰ কেৱল কৰ্মব্যস্ততাৰ পৰাই মুক্ত নাছিল ; লগতে ধৰ্মৰ তাৰণাৰ পৰাও বহু পৰিমাণে মুক্ত আছিল। টুৰ্ণামেণ্টবোৰৰ লক্ষ্য আছিল প্ৰেম, যি প্ৰেমক গীৰ্জাই ঘিণ কৰিলেও তাৰ ধাৰাটোক অৱদমিত কৰিব পৰা নাছিল। একেই দৰে গীৰ্জাই নাইটসকলৰ উচ্চ প্ৰেমৰ ধাৰাটোকো ৰোধ কৰিব পৰা নাছিল। বিভিন্নযুগত আভিজাত্যৰ ওচৰত মানৱ জাতি কিদৰে ঋণী সেই কথা আজিৰ গণতান্ত্ৰিক যুগত আমি পাহৰি যাব খোজো। প্ৰেমৰ পুনৰাবিৰ্ভাৱত নৱজাগৰণে ইমান সাফল্য লাভ কৰিব নোৱাৰিলেহেঁতেন যদি সামন্ত যুগৰ বীৰসকলে তাৰ ভেটি গঢ় দি থৈ নগ'লহেঁতেন।

পেগানসকলৰ (অধাৰ্মিক) প্ৰতি থকা ঘৃণাৰ ভাৱে পুনৰ্জাগৰণৰ সময়ত প্ৰেম প্লেটোৰ মতাদৰ্শৰ হৈ নাথাকিলেও ই কাব্যিক আছিল। মধ্যযুগীয় প্ৰেমৰ ধাৰণাক পুনৰ্জাগৰণে কি দৃষ্টিভঙ্গীৰে চাইছিল সি প্ৰতিফলিত হৈছে ডন্‌কুইক্‌চত আৰু তেওঁৰ দালচিনীয়াৰ বিৱৰণত। যি নহ'লেও সি মধ্যযুগীয় 'পৰম্পৰাৰ প্ৰভাৱৰ পৰা মুক্ত নহয় ; ছিড়্নীৰ *এষ্ট্ৰোফেল এণ্ড ষ্টেলা* তেনে প্ৰভাৱেৰে ভৰপূৰ ; আৰু শ্বেক্সপীয়েৰৰ মিষ্টাৰ ডব্লিউ এইচলৈ লিখা ছনেটকেইটাও এই প্ৰভাৱেৰে প্ৰভাবান্বিত। মুঠৰ ওপৰত ক'ব পৰা যায় যে পুনৰ্জাগৰণৰ প্ৰতিনিধিমূলক প্ৰেমৰ কবিতাবোৰ স্পষ্টবাদী আৰু আনন্দময়ী।

'নকৰা মস্কৰা মোক তোমাৰ কোঠাত
গোট মাৰি মৃত্যু হ'ব শীতৰ নিশাত।

এজন এলিজাবেথীয় কবিয়ে তেনেকৈ লিখিছে। স্বীকাৰ কৰিব লাগিব যে প্ৰেমিকাৰ অভিমান পোনপটীয়া আৰু দ্বিধাহীন, কিন্তু কোনোপধ্যেই প্লেটোনিক নহয়। পুনৰ্জাগৰণে অৱশ্যে মধ্যযুগৰ শেষৰ পৰা শিকিছে কেনেকৈ প্ৰেম আবেদনক কবিতাত ব্যৱহাৰ কৰিব লাগে। চীম্বেলীনৰ ক্ল'টেনক মানুহে হাঁহিছিল, কিয়নো তেওঁ প্ৰেমৰ কবিতা ৰচি প্ৰেমিকাক দিব নোৱাৰি এটা পংক্তিত এক পেনি পাৰিশ্ৰমিক

২. হুইজীঙা, দা ওৱেনিং অব দা মিদিল এজেচ, পৃঃ ৯৫-৯৬

লোৱা কবিৰ দ্বাৰা কবিতা লিখাইহে প্ৰেমিকাক দিবলগীয়া হৈছিল, আৰু তেনে কবিয়ে লিখিছিল—

শুনা শুনা চাতকৰ গান।

ই নিশ্চয় এক প্ৰশংসনীয় প্ৰচেষ্টা। কথাটো আচহুৱা যেন লাগে যে মধ্যযুগত প্ৰেমক লৈ অনেক কবিতাৰ সৃষ্টি হৈছিল যদিও প্ৰেম আবেদন কৰা কবিতা অনেক কম আছিল। তাৰ ঠাইত আছিল চীনা কবিতা, য'ত প্ৰেয়সীয়ে প্ৰিয়তমক নাপাই দুখ প্ৰকাশ কৰিছে; লগতে আছিল ৰহস্যবাদী ভাৰতীয় কবিতা, য'ত আত্মাক পত্নীৰূপে কল্পনা কৰি, স্বামীৰূপী ভগৱানক পোৱাৰ কামনা কৰা হৈছে। কিন্তু এটা কথা বুজিবলৈ কঠিন নহয় যে প্ৰেমিকে প্ৰেমিকাক পোৱাটো ইমান সহজ যে পুৰুষে নাৰীৰ ওচৰত কবিতা আৰু গানৰ সম্ভাৰ লৈ প্ৰেম আবেদন কৰাৰ প্ৰয়োজন নাছিল। শিল্পকলাৰ দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে নাৰী ইমান সহজলভ্য হোৱাটো প্ৰকৃততে অনুশোচনীয়। কাব্য কলাত এটা কথা বাঞ্ছনীয় যে নাৰীক পোৱাটো অসম্ভৱ নহ'লেও দুষ্প্ৰাপ্য হোৱা উচিত। পুনৰ্জাগৰণৰ সময়ৰ পৰা তেনে এক পৰিস্থিতি চলি থকা পৰিলক্ষিত হয়। জটিলতাবোৰ কিছু পৰিমাণে বাহ্যিক আৰু আংশিকভাৱে আভ্যন্তৰীণ ; আৰু ইয়াৰ দ্বিতীয় বৈশিষ্ট্যটো সৃষ্টি হৈছে নৈতিক শিক্ষাৰ নীতি পৰম্পৰাত।

ৰোমাণ্টিক আন্দোলনতেই ৰমন্যাসিক প্ৰেম শীৰ্ষবিন্দুত উপনীত হয় আৰু শ্যেলীয়েই বোধহয় ইয়াৰ মুখ্য গুৰু। শ্যেলীয়ে যেতিয়া প্ৰেমত পৰিছিল, তেওঁৰ অন্তৰ এক পুলকেৰে ভৰি পৰিছিল আৰু কাল্পনাপ্ৰসূত ধাৰণাই কবিতাৰ ৰূপ লৈ প্ৰকাশিত হৈছিল। প্ৰকৃততে তেওঁ ভাবিছিল যি পুলকে তেনে ভাবৰ সৃষ্টি কৰে, সি ভাল হ'বই লাগিব আৰু তেওঁৰ মতে ভাল পোৱাত বাধা আহিবই নালাগে। তেওঁৰ যুক্তি অৱশ্যে অসুস্থ মানসিকতাৰ পৰা উদ্ভুত। তেওঁৰ কামনাৰ উপলব্ধিত প্ৰতিবন্ধকতা সৃষ্টিয়েই কবিতা লিখিবলৈ তেওঁক অনুপ্ৰেৰণা জগাইছিল। অভিজাত পৰিয়ালৰ এমিলীয়া ভিৰীয়ানী নামৰ দুৰ্ভগীয়া সেই গাভৰুজনীক কনভেণ্ট এখনলৈ পঠিয়াই নিদিয়াহ'লে শ্যেলীয়ে *এপীপচাইকিদীয়ন* লিখাৰ প্ৰয়োজন নহ'ল হয় ; জেন উইলিয়াম ইমান গুণৱতী নোহোৱাহ'লে তেওঁৰ *দা ৰিকালেকশ্বন* কেতিয়াও ৰচিত নহ'লহেঁতেন। যি সামাজিক প্ৰতিবন্ধকতা আছিল তেওঁৰ আক্ৰমণৰ লক্ষ্য, সিয়েই তেওঁৰ শ্ৰেষ্ঠ শিল্প সৃষ্টিত অনুপ্ৰেৰণা যোগাইছিল। শ্যেলীৰ ৰমন্যাসিক প্ৰেম তেওঁৰ এক অসুস্থ মানসিক ভাৱসাম্যৰ ওপৰত প্ৰতিষ্ঠিত, য'ত পৰম্পৰাগত প্ৰতিবন্ধকতা তেতিয়াও আছিল, কিন্তু দুৰ্ভেদ্য নাছিল। প্ৰতিবন্ধকতা কঠোৰ হোৱা হ'লে একেবাৰে নথকাহ'লে ৰমন্যাসিক প্ৰেম বিকশিত নহ'লহেঁতেন। এক চৰম সীমাত চীনা প্ৰথা চাওচোন ঃ এই প্ৰথাত স্বামীয়ে নিজ পত্নীৰ বাহিৰে আন কোনো উচ্চ শ্ৰেণীৰ

মহিলাক সাক্ষাৎ নকৰে, আৰু যেতিয়াই নিজ পত্নীয়ে তেওঁৰ দাবী পূৰণ কৰিব নোৱাৰে, তেতিয়া তেওঁ বেশ্যালয়লৈ যায় ; তেওঁৰ বাবে কইনা নির্বাচন কৰা হয়, আৰু যিমানদূৰ সম্ভৱ বিয়াৰ দিনলৈ মানুহজনে ছোৱালীজনীক নাজানে ; ফলস্বৰূপে তেওঁলোকৰ যৌন সম্পৰ্ক ৰমন্যাসিক প্ৰেমৰহিত হৈ পৰে। তেনেস্থলত কবিতাৰ উৎস 'প্ৰেম আবেদন' নথকাটোৱে স্বাভাৱিক। আনহাতে এক সম্পূর্ণৰূপে মুক্ত পৰিবেশত প্ৰেমৰ কবিতা ৰচিব পৰা মানুহ তেওঁৰ সৌন্দর্যবোধেৰে কৃতকার্যতাৰে প্ৰেমৰ কবিতা ৰচিব পাৰে ; তেনে সৃষ্টিত তেওঁ কল্পনাৰ আশ্ৰয় নোহোৱাকৈও কৃতকার্যতাৰ উচ্চ শিখৰত উপনীত হ'ব পাৰে। গতিকে প্ৰেমৰ কবিতাৰ কৃতকার্যতা ৰীতি আৰু স্বাধীনতাৰ মাজত ভাৰসাম্য বজাই ৰখাৰ ওপৰত নির্ভৰ কৰে আৰু এই দুটা বৈশিষ্ট্যৰ এটাৰ যদি অলপো হীন-দেড়ি হয়, তেনেহ'লে শ্ৰেষ্ঠ কবিতাৰ সৃষ্টি নহ'বও পাৰে।

প্ৰেমেই প্ৰেমৰ কবিতাৰ একমাত্ৰ উদ্দেশ্য হ'ব নোৱাৰে, কাব্য কলা নাথাকিলেও ৰমন্যাসিক প্ৰেমৰ বিকাশ ঘটিব পাৰে। মোৰ নিজৰ মত এই যে ৰমন্যাসিক প্ৰেম মানৱ জীৱনত পাব পৰা গভীৰতম আনন্দৰ উৎস। এহাল পুৰুষ-নাৰীয়ে পৰস্পৰে আৱেগ, কল্পনা আৰু স্পর্শকাতৰভাৱে ভাল পোৱাৰ সম্বন্ধত এক কল্পনাতীত মূল্য আছে, যি মূল্য উপলব্ধি কৰিব নোৱাৰাটো এজন পুৰুষৰ বাবে চৰম দুর্ভাগ্য। মই ভাৱো তেনে আনন্দ দিবৰ বাবে সমাজত এনে এক প্ৰথাৰ উদ্ভাৱন কৰাটো প্ৰয়োজন। ই যদিও জীৱনৰ মূল উদ্দেশ্য হ'ব নোৱাৰে, তথাপি ই এক উপাদান হ'ব পাৰে।

অতি আধুনিক কালত, অর্থাৎ ফৰাচী বিপ্লৱৰ সময়ৰ পৰা, এক নতুন ভাবধাৰাৰ সৃষ্টি হৈছে যে ৰমন্যাসিক প্ৰেমৰ ফলশ্ৰুতি হিচাপেহে বিয়া হোৱা উচিত। ইংৰাজী ভাষাৰ প্ৰচলন থকা দেশবোৰত অতি সাম্প্ৰতিক কালত এই ভাবধাৰাক স্বতঃসিদ্ধৰূপে গ্ৰহণ কৰা হৈছে ; যিটো কিছুদিন আগলৈকে আছিল বিপ্লৱময় এক আৱিষ্কাৰ। এশ বছৰ আগৰ উপন্যাস আৰু নাটকবোৰ যুৱ প্ৰজন্মটোৱে পিতৃ-মাতৃয়ে বাছি দিয়া সঙ্গীক বিয়া নকৰি নিজে বাছি লোৱা সঙ্গীৰ লগত বিয়া পতাৰ এক নতুন ৰীতি উদ্ভাৱন কৰাৰ বাবে গঢ়ি উঠা আন্দোলনৰ সমল লৈয়েই লেখা। তাৰ ফলাফল তেওঁলোকে বিচৰা মতেই পাইছিল বুলি সন্দেহ আছে। মীছেছ মেলাপ্ৰপৰ আদৰ্শৰ সপক্ষে ক'ব পৰা যায় যে বিয়াত প্ৰেম আৰু বিদ্বেষ দুয়োটাই শেষ হৈ যায়। এটা কথা নিশ্চিত যে ৰমন্যাসিক প্ৰভাৱত পৰি পৰস্পৰৰ মাজত যৌন সম্বন্ধ নোহোৱাকৈ বিয়া হ'লে এজনে আনজনক অতি আদর্শবান বুলি ভাবে। ফলত তেনে বিয়া স্বপ্নময় ৰূপে সুখৰ হ'ব। তেনে পৰিস্থিতি বিশেষকৈ নাৰীৰ ক্ষেত্ৰত হোৱাৰ সম্ভাৱনা বেছি, যদিহে নিজে সৎ আৰু পবিত্ৰ পৰিবেশত ডাঙৰ-দীঘল হয় আৰু ফলত তেনে নাৰীয়ে

সৌহার্দ আৰু যৌন কামনাৰ মাজৰ পাৰ্থক্য বুজি নাপায়। আন দেশতকৈ আমেৰিকাত বিয়াৰ ৰমন্যাসিক দৃষ্টিভঙ্গীক বেছি গুৰুত্ব দিয়া হয় আৰু অবিবাহিত যুব শ্ৰেণীৰ ওপৰত ভিত্তি কৰিয়েই নীতি প্ৰণয়ন কৰা হয়। সেই কাৰণেই তাত আটাইতকৈ বেছি বিবাহ বিচ্ছেদ হয় আৰু সুখী দাম্পত্য জীৱন বৰ বিৰল। এহাল পুৰুষ-স্ত্ৰীৰ পাৰস্পৰিক সঙ্গ সুখতকৈও তেওঁলোকে বিয়াক বেছি গুৰুত্বপূৰ্ণ অনুষ্ঠান বুলি ধৰি লয়। আচলতে বিয়া এনে এক অনুষ্ঠান যিয়ে ল'ৰা-ছোৱালী জন্ম দিয়াৰ জৰিয়তে সমাজখনক নিকট সম্বন্ধৰ এনাজৰীৰে বান্ধ খুৱাই ৰাখে। লগতে স্বামী-স্ত্ৰীৰ ব্যক্তিগত সুখ-দুখৰ অনুভূতিৰ বাহিৰেও বিয়াৰ এক মৌলিক বৈশিষ্ট্য আছে। এইটো হয়তো ভাল কথা ; আৰু মই ভাবো ৰমন্যাসিক প্ৰেমে বিয়াৰ ভেটি গঢ়ি তুলিব পাৰে। কিন্তু আমি এটা কথা জনা উচিত যে এই প্ৰেমে এহাল দম্পতীক সুখী কৰি ৰখাৰ উপৰি বিয়াৰ সামাজিক উদ্দেশ্যটো পূৰণ কৰিব পাৰে। সেই প্ৰেম কিন্তু ৰমন্যাসিক নহয়, বৰং সি হৈছে সৌহাৰ্দ্যপূৰ্ণ, মৰম ভৰা এক বাস্তৱিক সম্পৰ্ক। ৰমন্যাসিক প্ৰেমত প্ৰেমাস্পদক বাস্তৱৰূপত দেখা নাযায়, দেখা পোৱা যায় কেৱল এক জকমকীয়া ৰহস্যময় কুহেলিকাৰ মাজত। এক বিশেষ শ্ৰেণীৰ নাৰীৰ বাবে বিয়াৰ পিছত তেনে এক ৰহস্যৰ আৱৰণৰ ভিতৰত সোমাই থকাটো সম্ভৱ, যদি তেওঁৰ স্বামীও বিশেষ ধৰণৰ হয় ; আৰু ঈপ্সিত ফল পাবলৈ হ'লে নাৰীগৰাকীয়ে পুৰুষজনৰ প্ৰকৃত সান্নিধ্যৰ পৰা আঁতৰি থাকিব লাগিব। লগতে তেওঁৰ ভাব আৰু অনুভূতি সম্পূৰ্ণ স্বকীয় বুলি ধৰি লৈ স্ফিংক্সৰ দৰে গোপনীয়তা ৰক্ষা কৰি দৈহিক নিজস্বতা বজাই ৰাখিব লাগিব। তেনে কৌশলে বিয়া এখনে আশা কৰাৰ দৰে বিয়াৰ শ্ৰেষ্ঠ সম্ভাৱনীয়তাখিনি উপলব্ধি কৰাত অন্তৰায় হৈ পৰে। কিয়নো, তেনে উপলব্ধি নিৰ্ভৰ কৰে মায়াবৰ্জিত এক আবেগিক সান্নিধ্যৰ ওপৰত। বিয়াৰ ক্ষেত্ৰত ৰমন্যাসিক প্ৰেম অত্যাৱশ্যক বুলি থকা দৃষ্টিভঙ্গীটোও বৰ খেলিমেলিজনক আৰু ইয়াৰ ঠিক বিপৰীত অৰ্থত ছেইণ্ট পলৰ দৃষ্টিভঙ্গীৰ নিচিনা ; এই খেলিমেলিৰ ভাবে ল'ৰা-ছোৱালী জন্ম দিয়াৰ দৰে বিয়াৰ গুৰুত্বপূৰ্ণ দিশটোক পাহৰাই ৰাখে। ল'ৰা-ছোৱালী জন্ম দিয়াৰ উদ্দেশ্য নথকা যৌন সম্পৰ্কীয় কোনো অনুষ্ঠানৰ প্ৰয়োজন নাই। কিন্তু ল'ৰা-ছোৱালীৰ প্ৰশ্নটো আহি পৰাৰ লগে লগে স্বামী-স্ত্ৰী এহালে উপলব্ধি কৰিবলৈ বাধ্য হয় যে তেওঁলোকৰ পাৰস্পৰিক মৰম-চেনেহ ইমান গুৰুত্বপূৰ্ণ কথা নহয়।

সপ্তম অধ্যায়

নাৰী-মুক্তি

সাম্প্ৰতিক যুগৰ যৌন সম্পৰ্কীয় নীতিৰ পৰিবৰ্তিত পৰিস্থিতিৰ বাবে বিশেষকৈ দুটা কাৰণেই দায়ী। প্ৰথমটো হ'ল জন্ম নিৰোধৰ উপায় উদ্ভাৱন আৰু দ্বিতীয়টো হ'ল নাৰীৰ স্বাধীনতা। ইয়াৰ প্ৰথমটো কাৰণ পিছত আলোচনা কৰা হ'ব। দ্বিতীয়টোৱে হ'ব এই অধ্যায়ৰ মূল বিষয়বস্তু।

নাৰী-মুক্তি হৈছে গণতান্ত্ৰিক আন্দোলনৰ এটি ধাৰা। ইয়াৰ আৰম্ভণি ফৰাচী বিপ্লৱত। এই বিপ্লৱে কন্যা সন্তানৰ উত্তৰাধিকাৰ অধিকাৰৰ আইন প্ৰণয়ন কৰায়। মেৰী ওলষ্টনক্ৰাফ্‌টৰ *ভিন্দিকেশ্যন অব দা ৰাইট্‌ছ অব উইমেন* নামৰ কিতাপখন (১৭৯২) এনে এক চিন্তাধাৰাৰ ফল। সেই চিন্তাধাৰাই অকল ফৰাচী বিপ্লৱৰেই জন্ম দিয়া নাছিল ; বৰং ফৰাচী বিপ্লৱে নিজেই তেনে চিন্তাধাৰাৰ জন্ম দিছিল। তেওঁৰ সময়ৰ পৰা বৰ্তমানলৈ পুৰুষৰ সমান নাৰীৰ স্বাধীনতাৰ দাবীটো ক্ৰমান্বয়ে বৃদ্ধি পাই আহি শেষত কৃতকাৰ্য হয়। জন ষ্টুৱাৰ্ট মিলৰ *চাবজেকশ্যন অব উইমেন* এখন প্ৰত্যয়জনক আৰু উপযুক্ত যুক্তিসম্পন্ন কিতাপ। এই কিতাপখনে তাৰ পিছৰ প্ৰজন্মটোৰ চিন্তাশীল ব্যক্তিসকলৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। মোৰ পিতৃ-মাতৃ তেওঁৰ শিষ্য আছিল আৰু মোৰ মাই ষাঠিৰ দশকতেই নাৰীৰ ভোটাধিকাৰ দাবী কৰি সমাজত বক্তৃতা দিছিল। নাৰীবাদত তেওঁৰ বিশ্বাস ইমান সবল আছিল যে সেই সময়ত প্ৰথম মহিলা চিকিৎসক গেৰেট এণ্ডাৰচনৰ সহায় লৈহে মোক জন্ম দিছিল। অথচ সেই সময়ত মহিলাক ডাক্তৰী চিকিৎসাৰ অনুজ্ঞাপত্ৰ নিদিয়াত তেওঁক এগৰাকী চাৰ্টিফিকেটধাৰী ধাই ৰূপেহে স্বীকৃতি দিয়া হৈছিল। সেই সময়ত নাৰীবাদী আন্দোলন মাথোন সমাজৰ উচ্চ আৰু মধ্য শ্ৰেণীৰ ভিতৰত আবদ্ধ থকাত তেনে আন্দোলনে ৰাজনৈতিক সমৰ্থনো পোৱা নাছিল। প্ৰতি বছৰেই নাৰীৰ ভোটাধিকাৰ বিল এখন সদনত উত্থাপন কৰা হৈছিল। কিন্তু সদায়ে কোনোবা মিষ্টাৰ ফেইথফুল বেগে উত্থাপন কৰা আৰু কোনোবা মিষ্টাৰ ষ্ট্ৰেঞ্জৱে সমৰ্থন কৰা সেই বিলখন আইনত পৰিণত হোৱাৰ সুযোগ পোৱা নাছিল। ১৮৮২ চনৰ *মেৰিদ উইমেন্‌ছ প্ৰপাৰ্টী এক্টখন* গৃহীত হোৱাটো মধ্যবিত্ত শ্ৰেণীৰ নাৰীবাদীসকলৰ এক ডাঙৰ সাফল্য বুলি ক'ব পাৰি, যদিও সেই সাফল্য কেৱল তেওঁলোকৰ স্বাৰ্থৰ মাজতে সীমিত আছিল। উক্ত বিলখন

গৃহীত হোৱাৰ আগলৈ এগৰাকী তিৰোতাৰ সম্পত্তি স্বামীৰ নিয়ন্ত্ৰণতহে আছিল। অৱশ্যে কোনো ট্ৰাষ্টৰ অধীনত থাকিলে স্বামীয়ে তাৰ মূলধনখিনি খৰচ কৰিব নোৱাৰিছিল। ৰাজনৈতিক দিশত তাৰ পিছৰ নাৰীবাদী আন্দোলন হৈছে অতি সাম্প্ৰতিক কালৰ আৰু সাৰ্বজনীন। গতিকে পুনৰ উল্লেখ কৰাৰ প্ৰয়োজন নাই। হ'লেও মন্তব্য কৰা ভাল হ'ব যে এই আন্দোলনৰ লগত জড়িত থকা সামাজিক দৃষ্টিভঙ্গীৰ আমূল পৰিৱৰ্তনলৈ চাই ক'ব পৰা যায় যি ক্ষিপ্ৰ গতিত নাৰীয়ে ৰাজনৈতিক ক্ষেত্ৰত স্বাধীনতা লাভ কৰিছিল, তাৰ উদাহৰণ কোনো সভ্য দেশত পাবলৈ নাই। দাস প্ৰথা নিৰ্মূল কৰাটো প্ৰায় একেই প্ৰকৃতিৰ কিন্তু আধুনিক কালত ইউৰোপৰ দেশবোৰত দাস প্ৰথা নাই, হ'লেও নাৰী-পুৰুষৰ মাজৰ সম্বন্ধৰ দৰে নিকট সম্পৰ্ক দাস প্ৰথাত নাই।

মই ভবাত এই ক্ষিপ্ৰ পৰিৱৰ্তনৰ কাৰণ দুতৰপীয়া। প্ৰথম, গণতান্ত্ৰিক আন্দোলনৰ পোনপটীয়া প্ৰভাৱ, যিয়ে নাৰী-মুক্তিৰ বিপক্ষে যুক্তি দৰ্শোৱাৰ কোনো সুযোগ নিদিয়ে। দ্বিতীয়, সদাবৰ্ধিত সংখ্যাৰ মহিলা ঘৰৰ বাহিৰলৈ ওলাই গৈ জীৱিকা অৰ্জন কৰাটো। ইয়াৰ ফলত মহিলাই দৈনন্দিন খা-খৰচৰ বাবে পিতৃ বা স্বামীৰ ওপৰত নিৰ্ভৰশীল হ'ব নালাগিছিল। এই পৰিস্থিতিটো মহাসমৰৰ সময়ত সৰ্বোচ্চ শিখৰ পায়গৈ, যেতিয়া পুৰুষে কৰি অহা বৃহৎ পৰিমাণৰ কাম নাৰীয়েই কৰিবলৈ আৰম্ভ কৰিছিল। যুদ্ধৰ আগলৈ নাৰীৰ ভোটাধিকাৰ দাবীৰ বিপক্ষে যুক্তি দৰ্শোৱা হৈছিল যে নাৰী মূলতঃ শান্তিবাদী। গতিকে বাস্তৱ ৰাজনীতিত নামিব নোৱাৰিব। কিন্তু যুদ্ধৰ সময়ত ৰক্তচ্ছেদ কাৰ্যত বহুলাংশে জড়িত হৈ নাৰীয়ে সেই যুক্তি খণ্ডন কৰিলে। যাৰ ফলত তেওঁলোকক ভোটাধিকাৰ দিবলগীয়া হ'ল। আদৰ্শবাদী অগ্ৰণীসকলে আন এটা যুক্তি দাঙি ধৰিছিল যে ৰাজনীতিত সোমাই নাৰীয়ে নৈতিকতাৰ কথাটো উত্থাপন কৰিব পাৰে, যিয়ে পুৰুষ ৰাজনীতিকক দুৰ্বল কৰি পেলাব ; কিন্তু ইয়াতো দেখা গ'ল যে আদৰ্শবাদীসকলে যি আদৰ্শৰ বাবে আগবাঢ়ি আহিছিল সেই আদৰ্শক তেওঁলোকে অন্য ৰূপত মষিমূৰ কৰি পেলাইছে। নৈতিক বা আন ধৰণে নাৰী পুৰুষতকৈ শ্ৰেয় বুলি থকা বিশ্বাসৰ ওপৰত নাৰীৰ অধিকাৰ নিৰ্ভৰ নকৰে ; সেই অধিকাৰ নিৰ্ভৰ কৰে এই যুক্তিত যে তেওঁলোকো মানুহ, আৰু বিশেষভাৱে নিৰ্ভৰ কৰে গণতন্ত্ৰৰ সপক্ষে থকা সাধাৰণ যুক্তিৰ ওপৰত। কোনো নিপীড়িত শ্ৰেণী এটাই বা জাতি এটাই অধিকাৰ বিচৰাত সদায়ে ঘটাৰ দৰে নাৰীমুক্তি আন্দোলনৰ হোতাসকলেও সাধাৰণ যুক্তিকেই সবল কৰি তুলিব বিচাৰিছিল। আন এটা যুক্তি আছিল যে নাৰীৰ এক বিশেষ যোগাত্মক গুণ আছে আৰু সেই গুণটো নৈতিকতাৰ ওপৰত প্ৰতিষ্ঠিত। নাৰীৰ ৰাজনৈতিক স্বাধীনতা অৱশ্যে ইয়াত

আওপকীয়াকৈ সোমাই আছে। বিয়া আৰু নৈতিকতাৰ বিষয়ত নাৰীৰ সামাজিক যুক্তিহে আমাৰ মুখ্য আলোচ্য বিষয়। অতীতত, প্ৰাচ্যৰ ক্ষেত্ৰত অৱশ্যে বৰ্তমান সময়লৈ নাৰীক সুকীয়াকৈ ৰাখি তেওঁলোকৰ সংগুণক বচাই ৰখা হৈছিল। নাৰীক অন্তৰ্মুখী আত্মসংযম কৰিবৰ বাবে কোনো প্ৰচেষ্টা চলোৱা হোৱা নাছিল ; কেৱল তেওঁলোকক পাপৰ পৰা আঁতৰত ৰখাৰ বাবেহে সকলো প্ৰচেষ্টা হাতত লোৱা হৈছিল। পাশ্চাত্যত এই প্ৰচেষ্টাও সৰ্বান্তঃকৰণে চলোৱা হোৱা নাছিল। মাত্ৰ সম্ভ্ৰান্ত পৰিয়ালৰ ছোৱালীবোৰক সৰুৰ পৰাই শিক্ষা দিয়া হৈছিল যে বিবাহ বন্ধনৰ বাহিৰত কৰা যৌন সঙ্গম মহাপাপ। তেনে শিক্ষা যিমানেই নিখুঁত হৈ আহিছিল সিমানেই আনুষ্ঠানিক শিক্ষাক বৰ্জন কৰা হৈছিল। যিসকলে বাহিৰৰ পৰা জাপি দিয়া শিক্ষাক আঁতৰত বিচাৰিছিল, তেওঁলোকে সম্পূৰ্ণৰূপে বিশ্বাস কৰিছিল যে অন্তৰ্মুখী শিক্ষাই যথেষ্ট। উদাহৰণস্বৰূপে, তেওঁলোকে ভাবিছিল যে ছোৱালীক পহৰা দিয়া প্ৰথাটো অপ্ৰয়োজনীয়, কিয়নো ভাল ঘৰৰ ছোৱালী এজনীয়ে কোনো যুৱকৰ প্ৰস্তাৱত সন্মতি দি নিজকে সমৰ্পণ নকৰে, তেহেলৈ সমৰ্পণ কৰাৰ পৰিস্থিতি যিমানেই অনুকূল নহওক কিয়। মই যেতিয়া ডেকা আছিলো, তেতিয়া সন্মানীয় পৰিয়ালৰ মহিলাবোৰে এনে এক ধাৰণা পোষণ কৰিছিল যে সৰহসংখ্যক মহিলাৰ বাবেই যৌন সঙ্গম অস্বস্তিকৰ আছিল ; বিয়াৰ পিছত মাথোন সেইটো মানি ল'বলগীয়া হয় কৰ্তব্যৰ খাতিৰত। তেনে দৃষ্টিভঙ্গী লৈয়েই নিজৰ জীয়েকহঁতক বেছি স্বাধীনতা প্ৰদান কৰি বিপদ চপাই লোৱাৰ বাবেও অনেকে সাজু আছিল। তাৰ ফলশ্ৰুতি তেওঁলোকে আশা কৰাতকৈ বেলেগ হোৱা যেন লাগে। এই আশা আৰু বাস্তৱৰ মাজৰ পাৰ্থক্যটো বিবাহিতা মহিলা আৰু কুমাৰীৰ ক্ষেত্ৰতো পৰিলক্ষিত হয়। ভিক্টোৰিয় যুগৰ অনেক মহিলাই এক মানসিক ফাটেকত ভুগিছিল ; আন বহুতৰ ক্ষেত্ৰত এতিয়াও সেই ফাটেকত ভোগা অনেক মহিলা আছে। চেতনাৰ দৃষ্টিত সেই ফাটেক ধৰা নিদিয়ে ; কিয়নো এই ফাটেক অৱচেতন দ্বিধাৰ ফাটেক। আমাৰ সময়ত যুৱ চামে এই দ্বিধা আঁতৰাই দিয়াৰ ফল স্বৰূপে চেতন আনুভূতিক কামনাৰ সৃষ্টি কৰিছে, যি কামনাক আগেয়ে কৃত্ৰিম ভদ্ৰতাৰ দমৰ মাজত পুতি থোৱা হৈছিল। এই আৱেগিক কামনাই যৌন নীতিত এক অভিনৱ প্ৰভাৱ পেলায় ; এই প্ৰভাৱ কোনো এখন দেশৰ, কোনো সমাজৰ বিশেষ এক শ্ৰেণীৰ ওপৰত পৰা নহয়, ই সকলো সভ্য দেশৰ সকলো শ্ৰেণীৰ মানুহৰ ওপৰত সমানে পৰিছে।

নাৰী আৰু পুৰুষৰ সম অধিকাৰৰ দাবী প্ৰথমৰ পৰাই মাত্ৰ ৰাজনীতিৰ লগতে জড়িত নাছিল, ই যৌন নীতিৰ লগতো জড়িত আছিল। মেৰী ৱোলষ্টন ক্ৰেফ্‌টৰ ধাৰণা পূৰাদমে আধুনিক হ'লেও পৰৱৰ্তী নাৰী-মুক্তিকামী নেতাবোৰে তেওঁক

অনুসৰণ কৰা নাছিল। বৰং তেওঁলোক আছিল গোড়া নৈতিকতাবাদী, আৰু তেওঁলোকে আশা কৰিছিল যে ইমান দিনে নাৰীয়ে সহ্য কৰি অহা নৈতিকতাৰ শিকলিদালেৰে এইবাৰ পুৰুষকো বান্ধিব পৰা যাব। ১৯১৪ চনৰ পৰা অৱশ্যে গাভৰু মহিলাবোৰে কোনো মতবাদৰ আশ্ৰয় নোলোৱাকৈয়ে সম্পূৰ্ণ পৃথক এক দিশত আগ বাঢ়িবলৈ লয়। মহাসমৰৰ উত্তেজনাই নিশ্চিতভাৱে এই সুঁতিটোৰ শুভাৰম্ভ কৰিছিল। অৱশ্যে এইটোও ঠিক যে যুদ্ধ নহ'লেও কিছুদিন পিছত স্বাভাৱিকভাৱে সেই সোঁত ব'বলৈ আৰম্ভ কৰিলে হয়। নাৰীৰ গুণৰ মূলতে আছিল গৰ্ভধাৰণ আৰু পাপৰ বাবে নৰক যন্ত্ৰণা ভোগ কৰাৰ ভয়। ইয়াৰ প্ৰথমটো ভয় আঁতৰালে গৰ্ভনিৰোধক উপায় উদ্ভাৱনে আৰু দ্বিতীয়টো ধৰ্মীয় গোড়ামিৰ অৱসানে। কিছুদিনৰ বাবে পূৰ্বৰ পৰম্পৰাগত নীতি মানসিক নিষ্ক্ৰিয়তা আৰু সামাজিক পৰম্পৰাৰ সহায়ত চলিয়েই আছিল। কিন্তু যুদ্ধৰ আতঙ্কই সেই প্ৰাচীৰৰ অৱসান ঘটায়। ত্ৰিশ বছৰ আগৰ নাৰীবাদীসকলে যিদৰে পুৰুষৰ পাপ কমাই অনাৰ কথা ভাবিছিল, আধুনিক নাৰীবাদীসকলে তেনে কথা নাভাবে। তেওঁলোকে মাত্ৰ ভাবে যে পুৰুষৰ বাবে অনুমোদিত স্বাধীনতাখিনি নাৰী সমাজকো দিব লাগে। তেওঁলোকৰ অগ্ৰণীসকলে বিচাৰিছিল নৈতিকতাৰ সমদাসত্ব আৰু তেওঁলোকে বিচাৰে নৈতিকতাৰ পৰা সমস্বাধীনতা।

এই গোটেই আন্দোলনটো এতিয়াও চালুকীয়া অৱস্থাতে আছে, আৰু কোন পথেৰে অগ্ৰগতি কৰিব ভাবি পোৱা নাই। আন্দোলনটোত লাগি থকা আৰু এই মতবাদক মানিব খোজা মানুহৰ সৰহসংখ্যকেই বৰ কম বয়সীয়া। ব্যক্তিত্বসম্পন্ন আৰু গুৰুত্বপূৰ্ণ নেতৃস্থানীয় লোক ইয়াত খুব কমেই দেখা যায়। ক্ষমতাশালী আৰক্ষী, আইন, গীৰ্জা আৰু তেওঁলোকৰ পিতৃ-মাতৃসকলে তেওঁলোকৰ আন্দোলনৰ কথা শুনিলেই তাৰ বিৰুদ্ধে থিয় দিয়ে ; আৰু যুৱ প্ৰজন্মটোৰ এক উদাৰতা আছে যে তেওঁলোকৰ অগ্ৰজসকলক দুখ দিব পৰা কিবা এটা কথা আহিলেও তাক লুকুৱাই ৰখাৰ চেষ্টা কৰে। জাজ লীণ্ডচেইঁতৰ দৰে লেখকসকলে স্পষ্টভাৱে ক'ব বিচাৰে যে বয়সিয়াল মানুহবোৰে ডেকাচামক দোষাৰোপ কৰে। আচলতে কিন্তু, তেওঁলোকৰ বিৰুদ্ধে কৰা দোষাৰোপৰ কথাই তেওঁলোকে নাজানে।

এনে ধৰণৰ পৰিস্থিতিত অৱশ্যে সুস্থিৰতা নাথাকে। এতিয়া প্ৰশ্ন হৈছে, দুটা সম্ভাৱনাৰ কোনটো প্ৰথমে ঘটিব ঃ বৃদ্ধবোৰে ডেকাবোৰক সদ্যপ্ৰাপ্ত স্বাধীনতাৰ পৰা বাহিৰত বঞ্চিত কৰাৰ পদক্ষেপ ল'ব নে ডেকাবোৰ নিজেই প্ৰাপ্তবয়স্ক হোৱাৰ পিছত সন্মানজনক আৰু গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি নতুন নীতিৰ কৰ্তৃত্ব বহন কৰিব? অনুমান কৰিব পাৰি যে কিছুমান দেশত এটা ঘটিব আৰু আন কিছুমানত আনটো

ঘটিব। আন বিষয়ৰ দৰে অনৈতিকতা হৈছে ইটালীত চৰকাৰৰ এক বিশেষ ক্ষমতা, গতিকে 'সৎগুণ' জাপি দিবলৈ এক সবল প্ৰচেষ্টা চলি আছে। ৰাছিয়াত যিহেতু চৰকাৰখন নতুন নীতিৰ পৃষ্ঠপোষক, গতিকে তাত ইটালীৰ ঠিক বিপৰীতটো চলি আছে। জাৰ্মানীৰ প্ৰটেষ্টাণ্ট অঞ্চলবোৰত স্বাধীনতাই গা কৰি উঠিব পাৰে, কিন্তু কেথলিক অঞ্চলত সেইটো হ'ব বুলি সন্দেহ। ফ্ৰান্সত যুগ যুগ ধৰি মানি অহা পৰম্পৰাৰ অৱসান ঘটোৱাৰ সম্ভাৱনা নাই, কিয়নো তেওঁলোকৰ পৰম্পৰাগত সীমা পাৰ হৈ নগ'লে অনৈতিকতাক সহ্য কৰা হয়। ইংলেণ্ড আৰু আমেৰিকাত কি ঘটিব সেই সম্পৰ্কে ভৱিষ্যদ্বাণী কৰাৰ সাহস মোৰ নাই।

এক মুহূৰ্তৰ বাবে থমকি ৰৈ নাৰীয়ে পুৰুষৰ সমঅধিকাৰ বিচাৰি কৰা দাবীৰ ফলশ্ৰুতি কি হ'ব পাৰে, আলোচনা কৰি চাওহঁক। স্মৃতিয়ে ঢুকি পোৱা কালৰ পৰাই নীতিগতভাৱে নহ'লেও কাৰ্যক্ষেত্ৰত অবৈধ যৌন সঙ্গমৰ বাবে পুৰুষক অনুমোদন দিয়া হয়। পুৰুষৰ ক্ষেত্ৰত আশা কৰা নাযায় যে বিবাহ বন্ধনত সোমোৱাৰ পৰা তেওঁ সততা বজাই ৰাখিব ; আনকি বিয়াৰ পিছতো পত্নী প্ৰৱঞ্চনাক সমাজে গুৰুত্ব সহকাৰে নলয়, যদিহে তেওঁৰ পত্নীয়ে আৰু ওচৰ-চুবুৰীয়া লোকে কথাটো গম নাপায়। এইটো প্ৰথাৰ সম্ভাৱনীয়তা নিৰ্ভৰ কৰে বেশ্যালয়ৰ ওপৰত। বেশ্যালয় এনে এক অনুষ্ঠান, যাৰ সপক্ষে আধুনিক যুগৰ মানুহে মতপোষণ কৰিব পাৰে, কিন্তু ইচ্ছুক মহিলাৰ কামনা পূৰাবৰ বাবে পুৰুষ বেশ্যালয় খোলাৰ মতপোষণ কৰা মানুহ নোলাব। তেতিয়াহ'লে পুৰুষবোৰে নাৰী বেশ্যালয়লৈ গৈও সৎ মানুহৰূপে স্বীকৃতি পোৱাৰ দৰে মহিলাসকলেও পুৰুষ বেশ্যালয়লৈ যোৱাৰ পিছতো লোকচক্ষুত সতী হৈয়েই থাকিব। তাৰোপৰি, বৰ বেছি বয়সত বিয়া কৰোৱা বৰ্তমানত যি ৰীতি প্ৰচলিত হৈছে, অনেক পুৰুষে বিয়াৰ আগলৈকে সৎ হৈ থকাটো আশা কৰিব নোৱাৰি। অবিবাহিত পুৰুষে যদি বেশ্যালয়লৈ নোযোৱাকৈ থাকিব নোৱাৰে, পুৰুষৰ সমঅধিকাৰ বিচাৰি অবিবাহিতা মহিলায়ো অসৎ উপায় অৱলম্বন নকৰাকৈ থাকিব নোৱাৰে বুলি দাবী কৰিব। নৈতিকতাবাদীসকলৰ বাবে তেনে এক পৰিস্থিতি ৰব অনুশোচনীয় হ'ব। গোড়া নৈতিকতাবাদীয়ে মন কৰিলেও দেখিব যে বাস্তৱ ক্ষেত্ৰত তেওঁ নিজেই দুমুখীয়া ব্যক্তিত পৰিণত হৈ গৈছে। আৰু ক'বলগীয়া হৈছে যে পুৰুষতকৈ নাৰীয়ে বেছি সতীত্ব বজাই ৰখা উচিত। যুক্তি দেখুৱাব পাৰি যে মৌত্ৰিক নিয়মানুসৰি পুৰুষেও সততা মানি চলিব লাগে। তেনে দাবী খণ্ডন কৰি দেখুৱাব পাৰি, নাৰীৰ নৈতিকতা পুৰুষৰ ক্ষেত্ৰত বলৱৎ কৰিব নোৱাৰি, কিয়নো গোপনে পাপ কৰাটো পুৰুষৰ বাবে তেনেই সহজ। পৰম্পৰাগত নৈতিকতাবাদীয়ে ইচ্ছাৰ বিপৰীতে গৈ অকল পুৰুষ আৰু নাৰীৰ অসমতাকে মানি লৈছে যে ডেকা ল'ৰাই তেওঁলোকৰ নিজৰ শ্ৰেণীৰ

ছোৱালীৰ লগত সঙ্গম কৰাতকৈ বেশ্যাগমন ভাল যদিও তেওঁ জানে যে এক্ষে শ্ৰেণীৰ ছোৱালীৰ ক্ষেত্ৰত পইচাৰ লেনদেন নাথাকে ; বৰং মৰম-চেনেহ জড়িত থাকে। আৰু ই বৰ আনন্দদায়ক। অৱশ্যে কোনো এটা নীতিৰ সমৰ্থনত প্ৰচাৰ কৰোতে তাৰ ফল কি হ'ব পাৰে নৈতিকতাবাদীসকলে চিন্তা নকৰে যে সেই নীতি সমাজে মানি নচলে। তেওঁলোকে ভাবে যে যিহেতু তেওঁলোকে বেশ্যালয়ৰ পোষকতা নকৰে, তেতিয়াহ'লে বেশ্যালয় গঢ়ি উঠাৰ বাবে তেওঁলোক দায়ী নহয় ; যদিও তেওঁলোকে জানে যে তেওঁলোকৰ নৈতিক শিক্ষাই বেশ্যালয়ৰ জন্ম দিছে। ই আন এক সত্যৰ প্ৰমাণ কৰে যে আমাৰ যুগৰ নৈতিকতাবাদীসকল সাধাৰণ বুদ্ধিৰ লোকতকৈ নিম্ন খাপৰ।

এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এটা কথা স্পষ্ট হৈ পৰে যে যেতিয়াহ'লে বহুত পুৰুষে অৰ্থনৈতিক কাৰণত সময়মতে বিয়া কৰাব নোৱাৰে আৰু অনেক ছোৱালীয়ে সমূলি বিয়া কৰাব নোৱাৰে, নাৰী-পুৰুষৰ ওপৰত জাপি দিয়া নীতিবোৰ কিছু পৰিমাণে শিথিল কৰি দিয়া উচিত। পুৰুষে যদি বিয়াৰ পূৰ্বে যৌন সঙ্গম কৰিব পাৰে (আৰু তেওঁলোকে কৰেও) নাৰীকো তাকে কৰিবলৈ দিয়াটো উচিত। যিবোৰ দেশত নাৰীৰ সংখ্যা বেছি আৰু সেই গাণিতিক কাৰণতেই বহুতো ছোৱালী বিয়া নোহোৱাকৈ থাকিবলগীয়া হয় তেওঁলোকক যৌন অভিজ্ঞতা ল'ব নিদিয়াটো ঘোৰ অন্যায়। নিসন্দেহ যে নাৰীবাদী আন্দোলনৰ প্ৰথম হোতাসকলৰ মনত তেনে চিন্তা হোৱা নাছিল। কিন্তু তেওঁলোকৰ উত্তৰাধিকাৰীসকলে বিষয়টোৰ ওপৰত স্পষ্ট ধাৰণা ল'ব পাৰিছে ; আৰু যিসকলে এই মতৰ বিৰোধিতা কৰে তেওঁলোকে নিশ্চয় নাৰীক ন্যায় বিচাৰ প্ৰদান কৰিবলৈ নোখোজে।

ন-পুৰণি নৈতিকতা প্ৰশ্নত এটা নতুন দিশ স্পষ্ট হৈ উঠিছে। যদি ছোৱালীৰ সতীত্ব আৰু পত্নীৰ বিশ্বাসযোগ্যতা দাবী কৰা নহয়, তেনেহ'লে প্ৰতিষ্ঠিত পৰিয়ালক সুৰক্ষা দিয়াৰ বাবে কিবা উপায় উদ্ভাৱন কৰিব লাগিব নাইবা পৰিয়াল নামৰ অনুষ্ঠানটোৰ অৱসান হোৱাটো মানি ল'ব লাগিব। এই বিষয়ত এটা উপদেশ দিব বিচাৰো যে বিবাহ বান্ধোনৰ চাৰিসীমাৰ ভিতৰতহে ল'ৰা-ছোৱালীৰ জন্ম দিব লাগে, আৰু চাৰিসীমাৰ বাহিৰত যি যৌন সম্ভোগ হয় তাক গৰ্ভ নিৰোধক উপায়েৰে বন্ধ্যা কৰি ল'ব লাগে। তেতিয়াহ'লে স্বামীবোৰ তেওঁলোকৰ পত্নীৰ প্ৰেমিকৰ প্ৰতি সহনশীল হ'ব লাগিব, যিদৰে প্ৰাচ্যত নপুংসকসকলক সহ্য কৰা হয়। বৰ্তমান পৰিস্থিতিত এই আঁচনিতো জটিলতা সোমাই আছে ; এহাতে গৰ্ভ নিৰোধকৰ কাৰ্যকাৰীতা আৰু আনহাতে পত্নীৰ পৰা যুক্তিতকৈও বেছি সত্যবাদীতা থকাটো। এই জটিলতা এটা সময়ত কমি যাবই। নতুন নীতিৰ লগত খাপ খোৱা আন এটা

বিকল্প হৈছে, এতিয়ালৈ চলি অহা পিতৃত্ব নামৰ সামাজিক অনুষ্ঠানটোৰ অৱসান ঘটোৱাটো ; তাৰ অৱধাৰিত ফলশ্ৰুতিত ৰাষ্ট্ৰই পিতৃৰ দায়িত্ব বহন কৰিব লাগিব। কোনো বিশেষ ক্ষেত্ৰত যদি কোনোবাই নিশ্চিত হ'ব পাৰে তেওঁৱেই সন্তানটোৰ পিতৃ আৰু তেওঁ সন্তানটোক আদৰ-চেনেহ কৰি মাক-সন্তানক ভৰণ-পোষণ দিব ; কিন্তু সেইটো কৰিবলৈ আইনে তেওঁক বাধ্য কৰিব নোৱাৰিব। তেনেবোৰ ল'ৰা-ছোৱালীৰ পৰিস্থিতি পিতৃৰ নিশ্চয়তা নথকা জাৰজ সন্তানবোৰৰ দৰেই, পাৰ্থক্য মাত্ৰ এইখিনিতেই যে তেনেবোৰ ল'ৰা-ছোৱালীক সাধাৰণ ল'ৰা-ছোৱালী হিচাপে ধৰি লৈ ৰাষ্ট্ৰই সিহঁতৰ ভৰণ-পোষণৰ দায়িত্ব লয়।

আনহাতে যদি পুৰণি নীতিবোৰ পুনৰ বাহাল কৰিব খোজা হয়, আন কিছুমান বস্তুৰ অতি প্ৰয়োজন। তাৰ কিছুমান ইতিমধ্যেই কৰা হৈছে। কিন্তু অভিজ্ঞতাই আঙুলিয়াই দিয়ে যে অকল সেইখিনিয়েই যথেষ্ট নহয়। প্ৰথম প্ৰয়োজন ছোৱালীবোৰক এনে শিক্ষা দিব লাগিব যি শিক্ষাই সিহঁতক বুৰ্বক, অন্ধবিশ্বাসী আৰু অজ্ঞানী কৰিব পাৰে ; এই কামফেৰা গীৰ্জাৰ নিয়ন্ত্ৰণত থকা স্কুলবোৰে ইতিমধ্যে কৰিছে। আন প্ৰয়োজন হৈছে— যৌন জ্ঞানৰ বিষয়ে থকা সকলো লেখা পৰীক্ষা কৰি চেন্সৰে কঠোৰ হাতেৰে সেই লেখাবোৰ পৰিত্যাগ কৰাটো। এইটো কামো ইংলণ্ড আৰু আমেৰিকাত হৈ যাব, কিয়নো আইনৰ কোনো পৰিৱৰ্তন নঘটোৱাকৈয়ে আৰক্ষীৰ অত্যুৎসাহত চেন্সৰক শক্তি প্ৰদান কৰা হৈছে। বৰ্তমান পৰিস্থিতিত যিখিনি বিদ্যমান সেইখিনি পৰ্যাপ্ত পৰিমাণৰ নহয়। কাৰ্যকৰী ব্যৱস্থা হ'ব গাভৰু মহিলাবোৰেই অকলে পুৰুষক সাক্ষাৎ কৰাৰ সকলো সুযোগ আঁতৰাই দিয়াটো। ঘৰৰ বাহিৰলৈ ওলাই গৈ পইচা অৰ্জন কৰাটো সকলো ছোৱালীৰ বাবে নিষেধ কৰিব লাগিব ; মাক বা মাহীয়েক/পেহীয়েকক লগত নোলোৱাকৈ কোনো ছোৱালী ভ্ৰমণৰ কাৰণে ওলাব নোৱাৰিব। পঞ্চাশ বছৰতকৈ কম বয়সীয়া মহিলাক মটৰ কাৰ ৰখাৰ অনুমতি দিব নালগিব ; নৃত্যানুষ্ঠানত অংশ গ্ৰহণৰ দৰে অমঙ্গলীয়া অনুষ্ঠানলৈ লগত পহৰাদাৰ (chaperon) নিনিয়াকৈ কোনো ছোৱালী যাব নোৱাৰিব ; আৰু, মই ভাবো, অবিবাহিতা সকলো গাভৰুক প্ৰতিমাহে আৰক্ষী চিকিৎসকৰ দ্বাৰা পৰীক্ষা কৰিব লাগে তেওঁলোকে সতীত্ব অটুট ৰাখিব পাৰিছেনে নে নাই। যিসকলে সতীত্ব বজাই ৰাখিব পৰা নাই, তেওঁলোকক প্ৰায়শ্চিত্তানুষ্ঠানলৈ পঠিয়াই দিব লাগে। জন্ম নিৰোধক সকলোবোৰ উপায় সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰিব লাগে, আৰু অবিবাহিতা নাৰীৰ লগত কথা পাতিলে ৰৌ ৰৌ নৰকত পৰা বিশ্বাসত সন্দেহ কৰাটো বে-আইনী ঘোষিত কৰিব লাগে। এই ব্যৱস্থাবোৰ এশ বছৰ বা ততোধিক কাল প্ৰয়োগ কৰিলে জোৱাৰৰ দৰে বাঢ়ি অহা অনৈতিকতাক ৰোধ কৰিব পৰা যাব। মই অৱশ্যে ভাবো যে এই

পদক্ষেপবোৰৰ অপপ্ৰয়োগৰ আশঙ্কা দূৰ কৰিবলৈ হ'লে আৰক্ষী আৰু চিকিৎসা বিভাগৰ সকলো পুৰুষকে বন্ধ্যাকৰণ কৰিব লাগিব। পুৰুষৰ সহজাত ব্যভিচাৰৰ পৰিপ্ৰেক্ষিতত উক্ত ব্যৱস্থাবোৰ আৰু এঢাপ আগুৱাই নিয়াটো জ্ঞানীৰ কাম হ'ব বুলি মই ভাবো। আমি নৈতিকতাবাদীসকলক উপদেশ দিব খোজো যে ধৰ্ম বিভাগৰ মন্ত্ৰীৰ বাহিৰে সকলো পুৰুষকে বন্ধ্যাকৰণ কৰা উচিত।[১]

অনুমান কৰিব পৰা যায় যে যিকোনো পদক্ষেপ ল'লেও জটিলতা আহি পৰিব। নৱ নৈতিকতাবাদীসকলে তেওঁলোকৰ পদক্ষেপ হাতত ল'লেহে তেওঁলোকে সীমা চেৰাই যাব আৰু বৰ্তমানলৈ কল্পনা কৰিব নোৱাৰা জটিলতাৰ সৃষ্টি কৰিব। আৰু যদি আমি আধুনিক জগতখনত প্ৰাচীন নিষেধাজ্ঞাবোৰ প্ৰয়োগ কৰি অসম্ভৱ নীতিৰ মাজত সোমাই পৰো, অনতিপলমে মানুহৰ স্বভাৱে বিদ্ৰোহ কৰি উঠিব। কথাটো ইমান স্পষ্ট যে যিমানেই জটিল আৰু বিপদশঙ্কুল নহওক কিয়, সভ্যতাক পশ্চাদ্‌গামী হ'বলৈ নিদি উন্নতিৰ পথেৰে আগুৱাই যোৱাৰ প্ৰয়োজন। তাকে কৰিবলৈ হ'লে আমাক এক যুক্তিবাদী নতুন নীতিৰ প্ৰয়োজন। ইয়াৰ দ্বাৰা ইয়াকে ক'ব বিচাৰো যে এনে বাধ্যতামূলক কৰ্তব্যবোৰ তাহানিৰবোৰতকৈ পৃথক হোৱা উচিত। সকলো নৈতিকতাবাদীয়ে যিহেতু দোদো চৰাইৰ দৰে কিছুমান আওপুৰণি নীতি প্ৰচলনতেই সন্তুষ্ট থাকে। তেওঁলোকে কেতিয়াও নতুন স্বাধীনতাক নৈতিক বুলি মানি নলয় বা কৰ্তব্যখিনিকো কৰ্তব্য বুলি মানি নল'ব। এইটোও নাভাবো যে পুৰণিবোৰৰ দৰে নতুন ৰীতিয়ে আমাৰ ইচ্ছাক নিয়ন্ত্ৰণ নকৰাকৈ এৰি দিব। মই মাথোন ইয়াকেই ভাবো যে অতীতত যিদৰে সংযম পালন কৰা হৈছিল, আজিৰ যুগৰ সংযম পৃথক হোৱা উচিত। প্ৰকৃততে যৌন নীতি বিষয়ক সমস্যাটোকেই সম্পূৰ্ণ নতুনকৈ চিন্তা কৰিবলগীয়া হৈছে।

---

১. এলমাৰ গেন্ট্ৰী পঢ়াৰ পিছত এনহে লাগিছে যেন এই ব্যতিক্ৰমটোও নৰখাটো জ্ঞানীৰ কাম হ'ব।

অষ্টম অধ্যায়

যৌন জ্ঞানত নিষেধাজ্ঞা

এটা নতুন যৌন নীতি প্ৰস্তুত কৰাৰ বাবে চেষ্টা কৰোতে আমাৰ প্ৰশ্ন এইটো হ'ব নালাগিব— কেনেকৈ স্ত্ৰী-পুৰুষৰ মাজৰ সম্পৰ্ক থিৰাং কৰা উচিত? বৰং আমাৰ প্ৰশ্ন হ'ব লাগিব যৌন সম্বন্ধীয় জ্ঞানৰ ক্ষেত্ৰত আমি নাৰী-পুৰুষ আৰু ল'ৰা-ছোৱালীক কৃত্ৰিম উপায়েৰে নজনাকৈ ৰখাটো উচিত নে? এইটো অধ্যায়ত সেই সম্পৰ্কে পাঠকক বুজোৱাৰ চেষ্টা কৰিম ঃ এই প্ৰশ্নটো সোধাৰ প্ৰথম কাৰণটো হ'ল যে উক্ত বিষয়ত অজ্ঞতা বজাই ৰখাটো এজন ব্যক্তিৰ বাবে ভীষণ ক্ষতিকাৰক। গতিকে তেনে অজ্ঞতাক চিৰস্থায়ীৰূপে বজাই ৰখা যিকোনো নীতিয়েই বাঞ্ছনীয় হ'ব নোৱাৰে। মই ক'ব বিচাৰো যে যৌন নীতি মানুহৰ মনোগ্ৰাহী হ'বলৈ হ'লে মানুহক যৌনতা সম্পৰ্কে অজ্ঞ কৰি ৰখাতকৈ সেই সম্পৰ্কে জ্ঞান দিয়াটোহে শ্ৰেয়। যুক্তিৰ আলোকত স্পষ্ট ৰূপে দেখা যায় যে ই এক বিশাল দৰ্শনৰে এটা অংশ যদিও ইয়াক চৰকাৰ আৰু আৰক্ষীয়ে কোনো দিনে মানি ল'ব খোজা নাই। সত্যটো (দৰ্শন) হ'ল যে অজ্ঞতাৰে কেতিয়াও শুদ্ধ চৰিত্ৰ গঢ় দিব নোৱাৰে। তাৰ ব্যতিক্ৰম থাকিলেও সি তেনেই বিৰল। এইটো সত্য যে 'ক'ই যদি নিজৰ স্বাৰ্থৰ খাতিৰত 'খ'ৰ দ্বাৰা তাৰ স্বাৰ্থ জড়িত নথকা কাম এটা এক বিশেষ পদ্ধতিৰে কৰাব বিচাৰে, তেতিয়াহ'লে 'খ'ক সেই বিষয়ে অজ্ঞ ৰাখি কামটো কৰালে ভাল ফল পোৱা যাব, আৰু 'খ'ইও নিজৰ স্বাৰ্থ 'ক'ত জড়িত আছে জানিব পাৰিব। ষ্টক এক্সেঞ্জৰ ক্ষেত্ৰত বিষয়টো ভালকৈ বুজিব পৰা যায়। কিন্তু তাক উচ্চ মানৰ নীতি বুলি ক'ব নোৱাৰি। অনেক খবৰ লুকুৱাই ৰখাটো চৰকাৰৰ কৰ্তব্যই সামৰি লয়; যেনে, যুদ্ধ পৰাজয়ৰ খবৰ চৰকাৰে লুকুৱাব বিচাৰে; কাৰণ যুদ্ধত হৰা মানে চৰকাৰৰ পতন; গতিকে সি ৰাষ্ট্ৰৰ স্বাৰ্থৰ অনুকূলে গ'লেও চৰকাৰৰ বিপক্ষে হয়। যৌন বিষয়ত মৌনতা অৱলম্বন কৰাৰ উদ্দেশ্যৰ উৎসও মূলতঃ একেটাই যদিও বিভাগটো সম্পূৰ্ণ পৃথক। প্ৰথম অৱস্থাত এই বিষয়ত কেৱল নাৰীকহে অজ্ঞ ৰখা হৈছিল; আৰু তেওঁলোকক অজ্ঞ ৰখাৰ মূলতে আছিল পুৰুষৰ প্ৰতিপত্তি বিস্তাৰ। লাহে লাহে অজ্ঞ ৰখা এই প্ৰথাত নাৰীয়েও সন্মতি প্ৰদান কৰে। কিয়নো অজ্ঞতাই নাৰীক চৰিত্ৰৱতী কৰি তোলে। পিছলৈ নাৰীৰ প্ৰভাৱতেই মানি লোৱা হয় যে ল'ৰা-ছোৱালী আৰু যুৱক-

যুৱতীসকলকো যৌন বিষয়ত যিমানেই পৰা যায় অজ্ঞ কৰি ৰখাটো উচিত বুলি ধৰি লোৱা হয়। এই পৰিস্থিতিতেই আধিপত্যৰ মূল উদ্দেশ্য ৰূপান্তৰিত হয় সামাজিক নিষেধাজ্ঞালৈ। অজ্ঞতা বাঞ্ছনীয় হয়নে নহয় তাক পৰীক্ষা কৰা হোৱা নাই, আৰু অজ্ঞতা যে ক্ষতিকাৰক সেই কথা প্ৰমাণ কৰাটোকো বে-আইনী ঘোষণা কৰা হ'ল। এই বিষয়ৰ এক পাঠ হিচাপে ১৯২৯ চনৰ ১৫ এপ্ৰিলৰ মানচেষ্টাৰ গাৰ্জিয়েনৰ পৰা তলৰ কথাখিনি তুলি দিলো ঃ

"আমেৰিকাৰ উদাৰবাদীসকল শ্ৰীমতী মেৰী ৱাৰে দেন্নেটৰ গোচৰত আদালতে দিয়া ব্ৰুকলীনৰ ৰায় শুনি চকিত হৈ উঠিছে ; ব্ৰুকলীনৰ ফেডাৰেল জুৰীয়ে অশ্লীল বিষয়ক লেখা এটা ডাকযোগে পঠোৱাৰ বাবে শ্ৰীমতী দেন্নেটক দোষী সাব্যস্ত কৰিছে। শ্ৰীমতী দেন্নেট হ'ল প্ৰাথমিক যৌন জ্ঞান সম্পৰ্কে শিশুৰ উপযোগীকৈ উচ্চ মানৰ ভাষাত লেখা উচ্চ প্ৰশংসিত আৰু বহুল ব্যৱহৃত পুস্তিকা এখনৰ লেখিকা তেওঁ এতিয়া সম্ভাব্য পাঁচ বছৰ বা ১০০০ৰ জৰিমনা বা দুয়োটা শাস্তি পোৱাৰ এক ৰায়ৰ সন্মুখীন হৈছে।

"খ্যাতিসম্পন্না সমাজ সেৱিকা শ্ৰীমতী দেন্নেট দুজন প্ৰাপ্তবয়স্ক পুত্ৰৰ মাতৃ, আৰু ল'ৰা দুজনক বিষয়টোৰ ওপৰত উপযুক্ত জ্ঞান দিবৰ বাবেই এঘাৰ বছৰ আগেয়ে প্ৰথমে পুস্তিকাখনি লিখিছিল আৰু এখন চিকিৎসা আলোচনীত প্ৰকাশ কৰা হৈছিল। পিছত তাকেই সেই আলোচনীখনৰ অনুৰোধ মৰ্মে পুস্তিকাৰূপে চপাই উলিয়ায়। পুস্তিকাখনি প্ৰকাশ কৰি উলিওৱাৰ ক্ষেত্ৰত সমৰ্থন পাইছিল কুৰিয়ে কুৰিয়ে আগ্ৰণী চিকিৎসকৰ, পুৰোহিতৰ, সমাজবিজ্ঞানীৰ ; আৰু ইয়াৰ হাজাৰ হাজাৰ কপি 'ইয়ং মেন্চ্ এণ্ড ইয়ং উইমেন্চ্ এচোচিয়েচন'ৰ হতুৱাই বিতৰণ কৰা হৈছিল। নিউয়ৰ্কৰ *ব্ৰঙ্কস্‌ভিল* নামৰ অভিজাত বসতি এলেকাৰ এখন মিউনিচিপাল স্কুলত পুস্তিকাখনি এতিয়াও প্ৰচলিত।

"নিউ ইংলেণ্ডৰ ফেডাৰেল বিচাৰপতি ৱাৰেন বি. বাৰোচে পূৰ্বৰ এই সত্য কথাবোৰ নাকচ কৰে আৰু সাক্ষ্যপ্ৰমান দিয়াৰ বাবে অপেক্ষা কৰি থকা খ্যাতনামা শিক্ষাবিদ আৰু চিকিৎসকৰ সাক্ষ্য ল'বলৈ অমান্তি হয়। আনকি শ্ৰীমতী দেন্নেটৰ লেখনিক প্ৰখ্যাত গ্ৰন্থকাৰসকলৰ সমৰ্থনৰ কথা শুনিবলৈ জুৰীক অনুমতি নিদিলে। বিচাৰৰ মূল বিশেষত্ব আছিল ব্ৰুকলীনৰ প্ৰৌঢ় বিবাহিত জুৰীক পুস্তিকাখনি পঢ়ি শুনোৱাটো ; প্ৰজিকিউটিং এটৰ্নিৰ পৰীক্ষাত (জেৰাত) প্ৰমাণ হৈছিল যে জুৰীৰ কোনো এজন সদস্যই কোনো দিনে এইচ্. এল. মেনকেন বা হেভলক এলীচৰ লেখনি পঢ়া নাই।

"গতিকে এইটো স্পষ্ট যেন লাগে যে, নিউয়ৰ্ক *ওৱৰ্ল্ডে* এই সম্পৰ্কে কৰা মন্তব্য শুদ্ধ ঃ *ওৱৰ্ল্ডে* এই সম্পৰ্কে মন্তব্য কৰিছিল যে যদি শ্ৰীমতী দেন্নেটৰ

লেখাখিনিকেই প্ৰচাৰৰ অনুমতি নিদিয়ে, তেনেহ'লে আমেৰিকাৰ যুৱ সমাজৰ ওচৰত যৌন সম্পৰ্কীয় সৰল, সৎ কোনো বৰ্ণনা দাঙি ধৰাৰ আশা নাই। গোচৰটো এক উচ্চতৰ আদালতত আপীল কৰাৰ চৰ্ত ৰখা হৈছে। উচ্চতৰ আদালতৰ ৰায়লৈ আগ্ৰহেৰে বাট চোৱা হৈছে।"

এইটো ঘটিছে আমেৰিকাত। যিহেতু ইংলেণ্ডৰ আইন কাৰ্যতঃ আমেৰিকাৰ লগত একেই, ঘটনাটো ইংলেণ্ডতো ঘটিব পাৰিলেহেঁতেন। বিষয়টোৰ ওপৰত পণ্ডিতসকলে মন্তব্য কৰিছে যে যুৱক-যুৱতীসকলক যৌনজ্ঞান প্ৰদান কৰা প্ৰয়োজন। কিন্তু আইনে যে কোনো মানুহকে যুৱক-যুৱতীসকলক যৌনজ্ঞান দিবলৈ অনুমতি নিদিব সি দেখদেখ কথা। দেখা যায় যে এই ধৰণৰ কোনো শাস্তিমূলক ব্যৱস্থা ল'লে শাস্তি প্ৰদান কৰা কৰ্তৃপক্ষই জুৰীত এনে অজ্ঞ লোককহে ল'ব, যিসকলে গোচৰটো এক যুক্তিপূৰ্ণ বিচাৰ হওক বুলি কোনো কিতাপ পঢ়া ব্যক্তি নহয়। আইনে অন্ধৰ দৰে ঘোষণা কৰিছে যে শিশু আৰু যুৱক-যুৱতীসকলে যৌন বিষয়ক কোনো কথাই জানিব নালাগে। সিহঁতে এই সম্পৰ্কে জনাটো ভাল নে বেয়া সেই প্ৰশ্ন সম্পূৰ্ণ অবাস্তৱ। তথাপি আমি যিহেতু আইন আদালতৰ লগত জড়িত নহও আৰু যিহেতু এই কিতাপখন ল'ৰা-ছোৱালীক উদ্দেশ্য কৰি লিখা নহয় ; ল'ৰা-ছোৱালীহঁতক এই বিষয়ত অজ্ঞ কৰি ৰখাটো বাঞ্ছনীয় নে অবাঞ্ছনীয় সেই সম্পৰ্কে যুক্তি দৰ্শাবলৈ আমাক যেন অনুমতি প্ৰদান কৰে।

শিশুৰ পৰম্পৰাগত পাঠ্যক্ৰমে পিতৃ-মাতৃ আৰু শিক্ষকে শিশুক পাৰ্যমানে অজ্ঞ কৰি ৰখাত সহায় কৰে। সিহঁতে কোনোদিনে মাক-বাপেকক নাঙঠ হোৱা নেদেখে ; আৰু অলপ ডাঙৰ হোৱাত (আবাস গৃহ পৰ্যাপ্ত পৰিমাণৰ হ'লে) ককায়েকে বায়েকহঁতক নাঙঠ হোৱা নেদেখে। সিহঁতক কোৱা হয় কোনো দিনে যেন নিজৰ যৌনাঙ্গ স্পৰ্শ নকৰে বা সেই সম্পৰ্কে কোনো কথা নকয় ; যৌন সম্পৰ্কীয় সকলো প্ৰশ্ন চকিত হোৱাৰ সুৰত 'গোপনে' সমাধান কৰে। সিহঁতক কোৱা হয় যে ল'ৰা-ছোৱালীবোৰক হাড়গিলাই আনি দিয়ে বা গুজবেৰী জোপোহাৰ মাজৰ পৰা খানি অনা হয়। কিছুদিন পিছতেই আন ল'ৰা-ছোৱালীবোৰৰ পৰা লুকাই-চুৰকৈ প্ৰকৃত কথাবোৰ সিহঁতে জানে, আৰু পিতৃ-মাতৃৰ শিক্ষাৰ প্ৰভাৱত পৰি তেনেবোৰ কথাক 'লেতেৰা' বুলি ধৰি লয়। গতিকে সিহঁতে সিদ্ধান্ত লয় যে মাক-দেউতাকে পৰস্পৰৰ প্ৰতি কৰা ব্যৱহাৰ বৰ 'লেতেৰা' যাৰ বাবে সিহঁত নিজেও লজ্জিত। কিয়নো তেনে ধৰণৰ ব্যৱহাৰ সিহঁতে নিজেও লুকুৱাব বিচাৰে। সিহঁতে আৰু এটা কথা বুজি উঠে যে যিসকলৰ পৰা সিহঁতে পৰিচালনা আৰু উপদেশ বিচাৰে সেই সকলেই সিহঁতক ঠগি আছে। এই সকলোবোৰ মিলি মাক-দেউতাকৰ প্ৰতি, বিয়াৰ প্ৰতি আৰু বিপৰীত

লিঙ্গৰ প্ৰতি সিহঁতৰ দৃষ্টিভঙ্গী বিযাক্ত কৰি তোলে। পৰম্পৰাগত পৰিবেশত ডাঙৰ-দীঘল হোৱা সৰহসংখ্যক পুৰুষ-মহিলাই যৌন বিষয়টো আৰু বিয়াক ভাল কিবা এটা বুলি ভাবিবই নোৱাৰে। শিক্ষাই সিহঁতক শিকাইছে যে ঠগামি আৰু মিছা কোৱাটোকে মাক-দেউতাক আৰু শিক্ষকে ধৰ্ম বুলি ভাবে ; বিবাহ বন্ধনকে ধৰি যৌন সম্পৰ্ক আদি সকলোবোৰ ঘৃণনীয় আৰু ল'ৰা-ছোৱালী জন্ম দি পুৰুষে জানোৱাৰৰ প্ৰবৃত্তিহে সম্পাদন কৰে আৰু নাৰীয়ে বেদনাদায়ক এক কৰ্তব্য পালন কৰে। এই দৃষ্টিভঙ্গীয়ে বিয়া এক অশান্তিময় অনুষ্ঠান বুলি ভাবিবলৈ শিকাইছে। ফলস্বৰূপে প্ৰকৃতিগত আনন্দৰ অনুপস্থিতিত যৌন সম্ভোগৰ দৰে আনন্দদায়ক কামটোও নৈতিকতা নামৰ নিষ্ঠুৰতাত পৰিণত হৈছে।

মই ভবামতে যৌন সম্পৰ্কীয় জ্ঞানৰ ক্ষেত্ৰত গোড়া নৈতিকতাবাদীসকলৰ দৃষ্টিভঙ্গী এন ধৰণৰ ঃ

বিকাশৰ বিভিন্ন স্তৰত বিভিন্ন ৰূপ লোৱা যৌন অনুভূতি এক প্ৰবল শক্তি। কেঁচুৱা অৱস্থাত ই দেহৰ বিশেষ অঙ্গত স্পৰ্শ কৰি আমেজ পোৱাৰ ৰূপ ধাৰণ কৰে ; শৈশৱৰ শেষৰ ফালে 'লেতেৰা' কথা পতাৰ হেঁপাহ আৰু ঔৎসুক্যৰ ৰূপ লয়, যিয়ে গৈ কৈশোৰত পৰিপক্ক ৰূপ লয়। যৌন চিন্তাই যে যৌন সম্পৰ্কীয় বদ চৰিত্ৰৰ সৃষ্টি কৰে সি সন্দেহাতীত। গতিকে সৎ চৰিত্ৰ গঠনৰ বাবে শ্ৰেষ্ঠ পথটো হ'ল ল'ৰা-ছোৱালীক কায়মনোবাক্যে যৌন সম্পৰ্ক নথকা বিষয়ত ব্যস্ত ৰখাটো, সিহঁতক যৌন সম্পৰ্কীয় কোনো কথাই ক'ব নালাগিব। সিহঁতৰ মাজতো তেনে কথা পতাটো সম্পূৰ্ণৰূপে বন্ধ কৰা উচিত, আৰু প্ৰাপ্তবয়স্কসকলেও এনে ভাও জুৰিব লাগিব যেন যৌন বিষয় বুলি কোনো বিষয়েই নাই। এইবোৰ উপায়েৰে এজনী ছোৱালীক বিয়াৰ আগলৈকে যৌন বিষয়ত অজ্ঞ কৰি ৰাখিব পৰা যায়, যদি নৈতিকতাবাদীসকলে বাঞ্ছা কৰে যে তেনে কথা জানি ছোৱালীয়ে চকিত হৈ নৈতিকতাবাদীসকলে কামনা কৰাৰ দৰে ছোৱালীয়ে তেনে এক দৃষ্টিভঙ্গী গ্ৰহণ কৰে। ল'ৰাৰ ক্ষেত্ৰত এনে ব্যৱস্থা লোৱাটো কিন্তু কঠিন হ'ব, কিয়নো ওঠৰ-উনৈশ বছৰ বয়সৰ পিছত ল'ৰাবোৰক অজ্ঞ কৰি ৰখাটো অসম্ভৱ হ'ব। ল'ৰাৰ ক্ষেত্ৰত শ্ৰেষ্ঠ উপায় হ'ব ঃ ল'ৰাবোৰক আমি কৈ থাকিব লাগিব যে হস্তমৈথুন কৰিলে মানুহ বলিয়া হ'বই আৰু বেশ্যাৰ লগত যৌন সম্ভোগ কৰিলে যৌন ৰোগ অনিবাৰ্যই হ'ব। এই দুটাৰ এটা কথাও সত্য নহয়, নীতিৰ খাতিৰত আমি মিছা ক'ব লগাত পৰিছো। ল'ৰাক আৰু এটা কথা ক'ব লাগিব যে যৌন সম্পৰ্কীয় কথা পতাত কোনোপধ্যেই অনুমতি দিব পৰা নহয়, আনকি বিয়াৰ ক্ষেত্ৰতো। তাকে কৰিলে এটা সম্ভাৱনীয়তা থাকে যে বিয়াৰ পিছত তেওঁ পত্নীক যৌনতা সম্পৰ্কে তিক্ত অভিজ্ঞতা দিব যাতে

তেওঁৰ পত্নীয়ে আন কাৰো লগত যৌন সম্পৰ্ক নকৰে। বিবাহ বন্ধনৰ বাহিৰত কৰা যৌন কাৰ্য পাপ, কিন্তু বিবাহ বন্ধনৰ ভিতৰত সি পাপ নহয়, কিয়নো যৌন সঙ্গমৰ জৰিয়তে মানৱ জাতিৰ ধাৰাবাহিকতাক জীয়াই ৰখাটো প্ৰয়োজন। মানুহ স্বৰ্গচ্যুত হোৱা শাস্তিৰ ফল স্বৰূপেহে আমাৰ অনিচ্ছা সত্ত্বেও আমি সেই কাৰ্য কৰিবলগীয়া হৈছে। গতিকে এই যৌন কৰ্ম আমি বেয়া পালেও ৰোগীয়ে অস্ত্ৰোপচাৰ কৰাৰ বাবে সন্মতি দিয়াৰ দৰে আমিও সেই কৰ্তব্য পালন কৰো। দুৰ্ভাগ্যবশতঃ যৌন সম্ভোগ আনন্দৰ লগত সাঙোৰ খাই আছে; কিন্তু কষ্ট কৰি অলপ নৈতিক কথা কৈ এই আনন্দকো ৰোধ কৰিব পাৰি, অন্ততঃ ছোৱালীৰ ক্ষেত্ৰত। যৌন সঙ্গমৰ জৰিয়তে পত্নীয়েও আনন্দ উপভোগ কৰে বুলি লিখা থকা সস্তীয়া কিতাপ প্ৰকাশ কৰাটো ইংলেণ্ডত বে-আইনী। আন আন কাৰণৰ লগতে অশ্লীলতাৰ দোষত দোষী বুলি এখন পুস্তিকাক আদালতে দোষীৰূপে সাব্যস্ত কৰা কথা মই নিজেই জানো। যৌন বিষয়ৰ প্ৰতি তেনে দৃষ্টিভঙ্গীৰ ওপৰতে নিৰ্ভৰ কৰে আইন, গীৰ্জা আৰু পুৰণি ঢঙৰ শিক্ষাবিদৰ দৃষ্টিভঙ্গী।

যৌন বিষয়ত তেনে দৃষ্টিভঙ্গী আলোচনা কৰাৰ আগেয়ে আন আন দিশত ইয়াৰ ফলশ্ৰুতি কি ধৰণৰ হ'ব পাৰে সেই বিষয়ে আলোচনা কৰোহঁক। মোৰ বোধেৰে প্ৰথম আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ ফলশ্ৰুতি হৈছে যুবকসকলৰ মনৰ বৈজ্ঞানিক জিজ্ঞাসাক অৱদমিত কৰাটো। বুধিয়ক ছাত্ৰই বিশ্বৰ সকলো কথাকেই জানিব বিচাৰে। তেওঁলোকে ৰেল, মটৰ গাড়ী, উৰা জাহাজ আদিৰ বিষয়ে প্ৰশ্ন কৰে, আৰু প্ৰশ্ন কৰে বৰষুণ কেনেকৈ হয়, শিশুৰ কেনেকৈ জন্ম হয় ইত্যাদি। শিশু এটাৰ বাবে এই সকলোবোৰ এক পৰ্যায়ত সোধা প্ৰশ্ন। সি মাত্ৰ পেভলবৰ 'এইটো কি' হ'ব প্ৰতিধ্বনিহে কৰিছে; আৰু সেইটোৱেই হ'ল সকলো বৈজ্ঞানিক জ্ঞানৰ উৎস। শিশু এটাই যেতিয়া বুজি পায় যে এটা বিশেষ দিশৰ নজনা কথা জানিবলৈ বিচৰাটো পাপ, তেতিয়া বৈজ্ঞানিক জিজ্ঞাসা বাধাগ্ৰস্ত হয়। সি প্ৰথমে বুজি নাপায় কোনবোৰ জিজ্ঞাসা গ্ৰহণযোগ্য আৰু কোনবোৰ গ্ৰহণযোগ্য নহয়। 'কেঁচুৱাটো কেনেকৈ বনোৱা হয়?' প্ৰশ্নটো যদি চয়তানি 'উৰাজাহাজখন কেনেকৈ বনোৱা হয়?' প্ৰশ্নটোও চয়তানি। যিয়েই নহওক কিয়, সি সিদ্ধান্তলৈ আহিবলৈ বাধ্য হয় যে বৈজ্ঞানিক জিজ্ঞাসা বৰ বিপজ্জনক আৱেগ, যাক প্ৰতিৰোধ কৰিবই লাগিব। কিবা এটা জনাৰ আগেয়ে আমি নিশ্চিত হ'ব লাগিব বিষয়টো জনা ভাল নে বেয়া। আৰু যিহেতু দমন কৰাৰ আগলৈকে যৌন অনুসন্ধিৎসু অতি প্ৰবল, শিশুটোৱে সিদ্ধান্তলৈ আহিব যে জানিবলৈ বেছি আগ্ৰহ থকা বস্তুটো বৰ বেয়া আৰু 'পূৰণৰ নেওঁতা'ৰ নিচিনা জানিবলৈ মুঠেই ইচ্ছা নথকা বিষয়বোৰ ভাল। জ্ঞান অন্বেষণ সকলো সুস্থ শিশুৰ স্বতঃস্ফূৰ্ত অনুভূতি;

এনেকৈয়ে শিশুৰ জিজ্ঞাসাক মষিমূৰ কৰা হৈছে আৰু কৃত্রিম উপায়েৰে শিশুক বুৰ্বক কৰি তোলা হৈছে। মই ভবাত, পুৰুষতকৈ যে নাৰী বেছি বুৰ্বক তাক অস্বীকাৰ কৰিব নোৱাৰি। আৰু মোৰ বোধেৰে, ছোৱালীৰ যৌন সম্পৰ্কীয় জ্ঞান পিপাসাক সজোৰে আৰু সফলতাৰে বাধা আৰোপ কৰাটোৱেই ইয়াৰ বিশেষ আৰু মৌলিক কাৰণ।

বৌদ্ধিক ক্ষতিৰ ওপৰি বেছিভাগ ক্ষেত্ৰতে নৈতিক ক্ষতিও হৈছে। ফ্ৰয়দে আঙুলিয়াই দিয়াৰ দৰে, আৰু শিশুৰ লগত ওতপ্ৰোতঃভাৱে জড়িত সকলোৱে জানে, হাড়গিলা আৰু গুজবেৰী জোপাহাৰ সাধুটো কোনেও বিশ্বাস নকৰে। তাৰ পৰা শিশু এটাই বুজি পায় যে যিহেতু এটা বিষয়ত মাক-দেউতাকে তাক মিছা ক'ব পাৰে, আন এটা বিষয়তো মিছা ক'ব পাৰে। তেনেকৈয়ে সিহঁতৰ নৈতিক আৰু বৌদ্ধিক কর্তৃত্ব বিনষ্ট হৈ যায়। সিহঁতে ইজনে সিজনৰ লগত মাক-দেউতাকৰ কথাকেই পাতে আৰু খুব সম্ভৱ তেনেকৈয়ে গোপনে হস্তমৈথুন কৰিবলৈ লয়। এইদৰেই ল'ৰা-ছোৱালীবোৰে ঠগামি আৰু কথা লুকোৱাৰ অভ্যাস গঢ়ি তোলে। আনহাতে মাক-দেউতাকৰ ভীতি প্ৰদৰ্শনত সিহঁতৰ জীৱন ভয়ৰ ডাৱৰে আবৰি ধৰে। মাক-দেউতাক আৰু নাৰ্চৰ পৰা পোৱা ভয়ৰ কুফল হস্তমৈথুনে অকল ডেকা বয়সতে হে মানসিক বিকৃতি ঘটায় তেনে হয়, তাৰ সুদূৰপ্ৰসাৰী ফল বৃদ্ধ বয়সতো থকা বুলি মনস্তাত্বিক বিশ্লেষণে প্ৰমাণ কৰি দেখুৱাইছে।

গতিকে দেখা যায়, কৈশোৰত পৰম্পৰাগত যৌন নীতি প্ৰয়োগৰ ফলশ্ৰুতিয়ে মানুহক বুৰ্বক, ঠগবাজ আৰু ভীৰুত পৰিণত কৰে ; লগতে বুজনসংখ্যক লোকক বলিয়াৰ সীমাৰেখালৈ বা তেনে এক পৰ্যায়লৈ ঠেলি দিয়ে।

যুৱকসকলৰ লগত জড়িত থকা সাধাৰণ বুদ্ধিৰ সকলো লোকে এই কথাবোৰ কিছু পৰিমাণে বুজি পায় ; কিন্তু আইন আৰু বিভাগীয় প্ৰশাসকে তেওঁলোকক চিনাক্ত কৰি উলিয়াব পৰা নাই ; তাৰ প্ৰমাণ এই অধ্যায়ৰ আৰম্ভণিতেই দিয়া উদ্ধৃতিটোৰ পৰা পোৱা যায়। ফলস্বৰূপে পৰিস্থিতি বৰ্তমান এনে পৰ্যায় পাইছে যে শিশুসকলৰ হিতৰ অৰ্থে আইন ভঙ্গ কৰিব নে তেওঁৰ নিয়ন্ত্ৰণত থকা শিশুবোৰৰ নৈতিক আৰু বৌদ্ধিক দিশবোৰ বিধ্বস্ত কৰিব তাৰ মীমাংসা কৰিবলৈ বাধ্যত পৰিছে। আইন পৰিবৰ্তন কৰাটো জটিল কাম, কিয়নো সৰহসংখ্যক প্ৰৌঢ় লোক এনে বিকৃত ৰুচিৰ যে তেওঁলোকৰ যৌন সন্তুষ্টি নিৰ্ভৰ কৰে এই মতবাদত— যৌন কাৰ্য হৈছে চয়তানৰ আৰু ই ভীষণ লেতেৰা। যেতিয়ালৈ আজিৰ এই বৃদ্ধ চাম বা মাজবয়সীয়া মানুহখিনি মৰি শেষ নহয় তেতিয়ালৈ এনে বিশ্বাসৰ কিবা সংশোধন হ'ব বুলি মোৰ মনে নধৰে।

এতিয়ালৈকে পৰম্পৰাগত নীতিয়ে যৌন বিষয়ৰ বাহিৰত কি কুপ্ৰভাৱ পেলাব পাৰে তাৰহে আলোচনা কৰা হ'ল ; এতিয়া নিশ্চিতভাৱে যৌন দিশবোৰৰ বিষয়ে আলোচনা কৰিবৰ হ'ল। নৈতিকতাবাদীসকলৰ এটা লক্ষ্য হৈছে— যৌন দিশবোৰে মানুহৰ মন ভাৰাক্ৰান্ত কৰি ৰখাটো ৰোধ কৰা। তেনে ভাৰাক্ৰান্ত লোক বৰ্তমান সঘনাই পোৱা যায়। এটনৰ. এজন প্ৰাক্তন হেড্‌মাষ্টৰে অলপতে নিশ্চিত কৰিছে যে স্কুলীয়া ল'ৰাবোৰৰ কথোপকথনবোৰ হয় বৰ নীৰস বা অশ্লীল, অথচ তেওঁৰ লগত পৰিচয় থকা ল'ৰাবোৰ আটাইতকৈ বেছি পৰম্পৰাৰ মাজত ডাঙৰ-দীঘল হোৱা ল'ৰা। যৌন বিষয়ো ৰহস্যময় কৰি ৰখাৰ ফলত বিষয়টো ভালকৈ জনাৰ বাবে ল'ৰা-ছোৱালীৰ ইচ্ছা বহুগুণে বাঢ়ি যায়। বয়সিয়ালবোৰে এই বিষয়টো আন বিষয়বোৰৰ দৰে চোৱা হ'লে শিশুৱে জানিব বিচাৰি কৰা প্ৰশ্নবোৰৰ যথাযথ উত্তৰ দি সিহঁতে জানিব বা বুজিব খোজা কথাখিনি জানিব দিয়া হ'লে শিশুৱে অশ্লীল বুলি কোনো ধাৰণা মনলৈ নানিলেহেঁতেন ; কিয়নো 'অশ্লীল'ৰ ধাৰণাটো কিছুমান বিষয় উল্লেখ কৰাটো উচিত নহয় বুলি থকা বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। যৌন বিষয়ত যি অনুসন্ধিৎসু আন অনুসন্ধিৎসুৰ দৰে লাহে লাহে আঁতৰি যায় যেতিয়া সিহঁতৰ সেই হেঁপাহক সন্তুষ্ট কৰিব পৰাকৈ সিহঁতে জানিব পাৰে। গতিকে বিষয়টোক লৈ ডেকাবোৰৰ মন ভাৰাক্ৰান্ত কৰি ৰখাটোক বাধা দিবলৈ হ'লে সিহঁতে জানিব খোজা কথাবোৰ জানিব দিয়া উচিত।

কথাখিনি কওঁতে মই যুক্তি দেখুৱাব বিচৰা নাই ; বৰং এই বিষয়ত মোৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰিহে কথাবোৰ কৈছো। মোৰ স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত যিবোৰ কথা লক্ষ্য কৰিছিলো তাৰ পৰা সিদ্ধান্তলৈ আহিব পৰা যায় যে ল'ৰা-ছোৱালীৰ মনত 'অশুচি' বোলা বিশ্বাসটো ডাঙৰসকলৰ কৃত্ৰিম জ্ঞান প্ৰদৰ্শনৰ পৰাই সৃষ্টি হয়। মোৰ নিজৰ ল'ৰা-ছোৱালী দুটাক (ল'ৰাটোৰ সাত বছৰ আৰু ছোৱালীজনীৰ পাঁচ বছৰ) কেতিয়াও শিকোৱা নাছিলো যে যৌন বিষয়টো বা বীৰ্যস্খলনত আচহুৱা কিবা এটা আছে ; আৰু 'শ্লীল' আৰু 'অশ্লীল' বুলি থকা ধাৰণাৰ পৰা সিহঁতক বিৰত ৰাখিবলৈ পাৰ্যমানে চেষ্টা কৰিছিলো। এতিয়া সিহঁতে 'কেঁচুৱা ক'ৰ পৰা আহে' আদি বিষয়ে জানিবলৈ স্বাভাৱিক আৰু সুস্থ হেঁপাহ প্ৰদৰ্শন কৰে ; কিন্তু ইঞ্জিন বা ৰেলৰ বিষয়ে যিমান জানিব বিচাৰে যৌন সম্পৰ্কীয় কথা সিমান জানিব নিবিচাৰে। নাইবা তেনে ধৰণৰ বিষয় বয়সিয়াল লোকৰ উপস্থিতিত বা অনুপস্থিতিত জনাৰ বাবেও বিশেষ আগ্ৰহ নেদেখুৱায়। স্কুলখনত থকা আন আন ল'ৰা-ছোৱালীবোৰৰ ক্ষেত্ৰত আমি লক্ষ্য কৰিছো যদি সিহঁতে আমাৰ স্কুলখনলৈ দুইৰ পৰা চাৰি বছৰ বয়সত ভৰ্তি হয়, তেনেহ'লে আমাৰ ল'ৰা-ছোৱালীহালৰ দৰেই বিকশিত হয় ; কিন্তু ছয়-

সাত বছৰ বয়সত ভৰ্তি হ'লে আমি লক্ষ্য কৰিছো যৌন অঙ্গ সম্পৰ্কে জনাটো উচিত নহয় বুলি সিহঁতে ইতিমধ্যেই শিকি আহিছে। সিহঁতে যেতিয়া দেখিছিল যে যৌন সম্পৰ্কীয় কথাবোৰো আন আন বিষয়ৰ দৰে খোলাখুলিভাৱে আলোচনা কৰা হয় সিহঁতে তেতিয়া আচৰিত হৈছিল। লগতে সিহঁতে অশ্লীল বুলি ধাৰণা কৰা বিষয়ত খোলাখুলিভাৱে কথা পতা দেখি মুক্তি পোৱাৰ আনন্দও সিহঁতে উপভোগ কৰিছিল ; আৰু যেতিয়া লক্ষ্য কৰিছিল যে তেনে ধৰণৰ কথা পতাত বয়সিয়ালসকলে হকাবাধা নকৰে, তেতিয়া সিহঁতৰ ঔৎসুক্য লাহে লাহে কমি আহিছিল আৰু কোনোদিনে ভয় নিশিকা ল'ৰাৰ দৰে সিহঁতৰ মনো শুদ্ধ হৈ উঠিছিল। এতিয়া সেইবোৰ ল'ৰা-ছোৱালীয়ে নৱাগত সকলে সেই সম্পৰ্কে কথা পতা শুনিলে আমনি পোৱা হৈছিল, অথচ নৱাগতখিনিয়ে তেতিয়াও ভাবিছিল যে যৌন সম্পৰ্কীয় কথা পতাটো অনুচিত। আমি এতিয়া দেখিলো যে উক্ত বিষয়টোত এক বিশুদ্ধ বতাহ সঞ্চালন কৰি নিকা কৰিব পাৰি, আৰু ইয়াৰ অপকাৰী বীজাণুবোৰ, যিবোৰে অন্ধকাৰত ক্ষিপ্ৰ গতিত বংশ বৃদ্ধি কৰে, লাহে লাগে নিৰ্মূল কৰিব পৰা যায়। কোনো আন উপায়েৰে তেনে এটি ল'ৰা-ছোৱালীৰ দল গঢ়ি তুলিব পাৰি বুলি মই নাভাবো, যিটো দলে অবাঞ্ছনীয় বিষয় এটাক সুস্থ আৰু শুদ্ধ বুলি ক'ব পাৰিব।

প্ৰশ্নটোৰ এটা দিশ আছে, যিটো দিশক খ্ৰীষ্টীয়ান নৈতিকতাবাদীসকলে বোকা ছটিয়াই মলিয়ন কৰি পেলাইছে ; আৰু তাক ধুই নিকা কৰিব খোজা লোকসকলেও উপযুক্তভাৱে বুজিব পৰা নাই। যৌন বিষয়টো প্ৰকৃতিয়ে বীৰ্যপাত পদ্ধতিৰ লগত সাঙোৰ খোৱাই ৰাখিছে, আৰু যেতিয়ালৈকে এই পদ্ধতিটোক ঘৃণাৰে চোৱা হ'ব তেতিয়ালৈ এই বিষয়টোৰ কিছু অংশত মনস্তাত্ত্বিক ঘৃণা জড়িত থাকিবই। সেই কাৰণে প্ৰয়োজন হৈ পৰিছে যে ল'ৰা-ছোৱালীৰ বিকাশৰ লগত জড়িত থকাসকলে যৌন বিষয়ত বৰ এঠা লগাদি লাগি থাকিব নালাগে। স্বাস্থ্যজনিত কাৰণত কিছু সতৰ্কতাৰ প্ৰয়োজন আছে ; কিন্তু ল'ৰা-ছোৱালী ডাঙৰ হোৱাৰ লগে লগে সিহঁতক কথাটো বুজাই দিয়া উচিত যে তেনে সতৰ্কতা স্বাস্থ্যজনিত কাৰণত লোৱা উচিত। প্ৰাকৃতিক এই কাৰ্যত কোনো সহজাত ঘৃণাৰ প্ৰশ্ন নাই।

যৌন চৰিত্ৰ কেনে হোৱা উচিত সেই সম্পৰ্কে এইটো অধ্যায়ত আলোচনা কৰা হোৱা নাই ; মাত্ৰ যৌন জ্ঞানৰ প্ৰতি আমাৰ দৃষ্টিভঙ্গী কেনে হোৱা উচিত তাকহে চালিজাৰি চাইছো। যুৱকসকলক যৌন জ্ঞান দিয়া সম্পৰ্কে বৰ্তমানলৈ যি কোৱা হৈছে, মোৰ বোধেৰে, তাত অনেক জ্ঞানী আৰু আধুনিক শিক্ষাবিদৰ সমৰ্থন আছে। এতিয়া আমি আন এটা বিতৰ্কিত বিষয়লৈ আহিব বিচাৰিছো, যিটো বিষয়ত আমি হয়তো পাঠকৰ সহানুভূতি আদায় কৰিব নোৱাৰিম। বিষয়টো হ'ল অশ্লীল সাহিত্য।

ইংলেণ্ড আৰু আমেৰিকাত অশ্লীল বুলি পৰিগণিত হোৱা সাহিত্যক বিশেষ পৰিস্থিতিত নষ্ট কৰিবলৈ আদালতে ৰায় দিয়ে আৰু লেখক আৰু প্ৰকাশকক শাস্তি বিহা হয়। ইংলেণ্ডত ১৮৫৭ চনৰ লৰ্ড কেম্পবেল এক্টৰ অধীনত এই শাস্তি বিহাৰ ব্যৱস্থা আছে ঃ

'কোনো আপত্তি পোৱাৰ পিছত যদি যুক্তি দৰ্শোৱা হয় যে অশ্লীল কিতাপ বিক্ৰী বা বিতৰণৰ বাবে কাৰোবাৰ ঘৰ বা আন ঠাইত ৰখা হৈছে, আৰু যদি প্ৰমাণিত হয় যে এখন বা ততোধিক তেনে লেখা বিক্ৰী বা বিতৰণ হৈছে আৰু সেই লেখা যদি সেই ঠাইৰ মানুহৰ লগত জড়িত থকা বিধৰ, বিচাৰপতিসকল যদি সেই অনুসাৰে পতিয়ন যায় যে কৰায়ত্ত কৰা লেখাবোৰ প্ৰকৃততে তেনে ধৰণৰ আৰু তেনে বিৱৰণৰ তেনেহ'লে তেনে কিতাপৰ প্ৰকাশক চয়তানি হিচাপে গণ্য কৰি বিশেষ নিৰ্দেশনা জাৰি কৰি সেই লেখাবোৰ কৰায়ত্ত কৰিব। লগতে সেই ঘৰৰ বাসিন্দাক মাতি আনি একেজন বা আন বিচাৰকে, যদি পতিয়ন যায় যে কৰায়ত্ত কৰা লেখাবোৰ সঁচাকৈয়ে জাননীত বৰ্ণনা কৰা ধৰণৰ আৰু উল্লিখিত কাৰণত তাত ৰখা হৈছে, তাক নষ্ট কৰি পেলাবলৈ নিৰ্দেশ দিব।'[১]

উক্ত এক্টত উল্লেখ কৰা 'অশ্লীল' শব্দটোৰ কোনো আইনগত সূত্ৰ দিয়া হোৱা নাই। কাৰ্যক্ষেত্ৰত এটা লেখাক 'অশ্লীল' বুলি গণ্য হ'ব, যদি কোনো বিচাৰকে সেই লেখাক 'অশ্লীল' বুলি বিশ্বাস কৰে। এই ক্ষেত্ৰত বিচাৰকে লেখাটো 'অশ্লীল' বুলি গণ্য কৰাৰ পিছত, এই বিষয়ত কৰ্তৃত্ব থকা কোনো ব্যক্তিয়ে সাক্ষ্য প্ৰমাণ দি ক'ব খোজে যে সেই লেখাটোৱে সমাজৰ হিত সাধন কৰিব পাৰে, তেনে যুক্তি শুনাৰ বাবে বিচাৰক বাধ্য নহয়। ইয়াৰ অৰ্থ এইটোৱেই যে যদি কোনো ব্যক্তিয়ে এনে ধৰণৰ উপন্যাস বা সমাজ বিজ্ঞান সম্পৰ্কীয় গৱেষণামূলক গ্ৰন্থ লিখে বা যৌন সম্পৰ্কীয় আইন সংশোধনৰ উপদেশ দিয়ে, আৰু কোনো অজ্ঞ প্ৰৌঢ়ই যদি তেনে লেখাক পঢ়িবলগীয়া বিধৰ নহয় বুলি কয় তেতিয়া তেনে লেখা নষ্ট কৰি দিয়াৰ যোগ্য। এই আইনৰ ফল অত্যন্ত ক্ষতিকাৰক। সকলোৱে জনা কথা যে হেৱলক এলীচৰ ***ষ্টাদিজ ইন দা চাইক'লজী অৱ ছেক্সৰ*** প্ৰথম খণ্ডটোক এই আইনৰ অওতাতেই দোষী সাব্যস্ত কৰা হৈছিল, যদিও, সৌভাগ্যবশতঃ আমেৰিকাৰ এই বিষয়ত বেছি উদাৰ বুলি নিজকে প্ৰমাণ কৰে।[২] হেৱলক এলীচৰ উদ্দেশ্য অনৈতিকতা বুলি কোনোবাই আঙুলিয়াব পাৰিব বুলি মোৰ সন্দেহ আছে; আৰু তেওঁৰ জ্ঞানগধুৰ শিক্ষামূলক প্ৰকাণ্ড কিতাপ অশ্লীল বুলি ভবা অংশ পঢ়ি কোনোবাই যৌনভাৱে

১। মেচমণ্ড মেক্‌কাৰ্থীৰ ***'অবচিনিটি এণ্ড ল'*** নামৰ মনোগ্ৰাহী লেখাটো লাইফ এণ্ড লেটাৰ্চ ১৯২৯ দ্ৰষ্টব্য

২। প্ৰথম খণ্ডটোৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লোৱা বাবে পিছৰ খণ্ডকেইটা ইংলেণ্ডত প্ৰকাশ নকৰিলে।

আলোড়িত হ'ব পৰাটোও সম্ভৱপৰ যেন নালাগে। এজন বিচাৰকে নিজ পত্নী বা কন্যাক ক'ব নোৱাৰা বিষয় সম্পৰ্কীয় কিতাপ নপঢ়াকৈ বা আলোচনা নকৰাকৈ তেনে জ্ঞানগধুৰ বিষয় এটা চম্ভালিব পৰাটো অৱশ্যে অসম্ভৱ। তেনে এজন বিচাৰকে এনেহেন তথ্যগধুৰ কিতাপ এখন প্ৰচাৰ আৰু বিতৰণ নিষিদ্ধ কৰাৰ অৰ্থ হ'ল যে অধ্যৱসায়ী ছাত্ৰক এই বিষয়ক জ্ঞান আহৰণ কৰাটো নিষিদ্ধ কৰি দিয়া। আনুষ্ঠানিকতাৰ দিশৰ পৰা চাই, মই ভাৱো, বিচাৰকে হেৱলক এলীচৰ কিতাপৰ আপত্তিজনক উদাহৰণ হৈছে সেইটো অংশ যিটোত সত্য কাহিনীৰ বৰ্ণনা দিয়া হৈছে, যিবোৰ কাহিনীয়ে প্ৰমাণ কৰে যে প্ৰচলিত প্ৰথাই সৎচৰিত্ৰ গঠন কৰাত আৰু সুস্বাস্থ্য ৰক্ষা কৰাত বেয়া ধৰণে ব্যৰ্থ হৈছে। তেনে নথিয়ে যৌন শিক্ষাৰ ওপৰত থকা বৰ্তমানৰ ৰীতিৰ ওপৰত মানৱীয় বিচাৰত সমল যোগায় ; আইনে জনাইছে যে সেইবোৰ সমল ব্যৱহাৰ কৰিবলৈ সন্মতি নিদিয়ে। লগতে ই প্ৰমাণ কৰে যে যৌন বিষয়ক ক্ষেত্ৰখনত বিচাৰ কৰিবলৈ আমি অজ্ঞতাৰ ভেটিটোকে মানি চলিব লাগিব।

দা ৱেল অৱ লোন্‌লিনেচক অশ্লীল বুলি সাব্যস্ত কৰি চেন্সৰশ্বিপৰ আন-এটা দিশ উন্মোচন কৰা হৈছে ঃ সেইটো হ'ল সমকামিতাক উপন্যাসৰ সমল হিচাপে লোৱাটো আইনবিৰোধী। মহাদেশীয় আন আন দেশত সমকামিতা সম্পৰ্কে ছাত্ৰসকলে পাহাৰসম জ্ঞান আহৰণ কৰিছে ; কিয়নো আন দেশবোৰত ইয়াৰ বিৰুদ্ধে আইন ইমান কঠোৰ নহয় ; কিন্তু ইংলেণ্ডত এই সম্পৰ্কীয় জ্ঞান শিক্ষাৰ মাধ্যম বা কাল্পনিক উপন্যাসৰ জৰিয়তে প্ৰসাৰণ হ'বলৈ দিয়া নহয়। ইংলেণ্ডত নাৰীৰ ক্ষেত্ৰত নহ'লেও পুৰুষৰ ক্ষেত্ৰত সমকামিতা বে-আইনী। এই আইন সংশোধন কৰাৰ বাবে যুক্তি দৰ্শোৱাটোও বৰ জটিল, কিয়নো যি যুক্তিৰে সংশোধন দাবী কৰা যাব, সেই যুক্তিকেই আইনে অশ্লীল বুলি সাব্যস্ত কৰিব। তথাপি এই বিষয়ে জনাৰ বাবে অলপ কষ্ট কৰা প্ৰতিজন ব্যক্তিয়ে জানে যে এই আইন হৈছে বৰ্বৰ আৰু অজ্ঞ অন্ধবিশ্বাসৰ ফলশ্ৰুতি, গতিকে ইয়াৰ সপক্ষে কোনো যুক্তিকেই আগবঢ়াব নোৱাৰি। একেই ধৰণৰ আইন নিকট সম্বন্ধীয়ৰ লগত হোৱা অবৈধ সঙ্গমৰ ক্ষেত্ৰতো প্ৰয়োগ কৰা হয়। কিছুদিন পূৰ্বে নিকট সম্বন্ধীয়ৰ লগত ঘটা সংগমক অপৰাধ বুলি এক আইন প্ৰণয়ন কৰিছিল ; কিন্তু লৰ্ড কেম্পৱেল এক্ট অনুসৰি উক্ত আইনৰ সপক্ষে বা বিপক্ষে যুক্তি দৰ্শোৱাটো আইনসন্মত নহয়। দুৰ্ভাগ্যবশতঃ তাকে কৰিবলৈ যোৱা যুক্তি দুৰ্বল হৈ পৰে।

কেম্পৱেল এক্টৰ আন এটা ফল হ'ল কেৱল উচ্চশিক্ষিত ব্যক্তিয়েহে কিছু দিঘলীয়া শব্দ প্ৰয়োগ কৰি অনেক বিষয় আলোচনা কৰিব পাৰে, কিন্তু সাধাৰণ মানুহে বুজিব পৰা কোনো ভাষাতে তাৰ উল্লেখ কৰিব নোৱাৰি। বস্তুত সতৰ্কতা

অৱলম্বন কৰি ***কইটাচ*** (যৌন সঙ্গম) শব্দটো ব্যৱহাৰ কৰাত আইনৰ সম্মতি আছে, কিন্তু এক ধ্বনিযুক্ত ইয়াৰ প্ৰতি শব্দটো আকৌ ব্যৱহাৰ কৰিব নোৱাৰি। ***গ্ৰীৱলেছ ইৰেন্দ*** গোচৰত কিছুদিন আগেয়ে এই সিদ্ধান্ত লোৱা হয়। সৰল ভাষাৰ নিষেধে কেতিয়াবা গভীৰ সমস্যাৰ সৃষ্টি কৰে। উদাহৰণ স্বৰূপে শ্ৰীমতী চেপ্তোৰৰ জন্ম নিয়ন্ত্ৰণৰ বিষয়ে লেখা পুস্তিকাখনলৈ আঙুলিয়াব পাৰি ঃ আচলতে পুস্তিকাখন বণুৱা তিৰোতাই বুজিব পৰা ভাষাত লেখা বাবেই পুস্তিকাখন অশ্লীল বুলি অভিহিত কৰা হয়। আনহতে ড° মেৰী ষ্টপৰ কিতাপবোৰ বে-আইনী নহয়, কিয়নো তাৰ ভাষা কিছু পৰিমাণে শিক্ষিত লোকেহে বুজি পায়। ফলত দেখা যায় যে উচ্চ শ্ৰেণীৰ লোকক জন্ম নিয়ন্ত্ৰণৰ কথা শিকোৱাটো আইনসঙ্গত, কিন্তু শ্ৰমিক শ্ৰেণীৰ লোকক তেনে কথা শিকোৱাটো বে-আইনী, শ্ৰমিক শ্ৰেণীটোৱে মধ্যবিত্ত শ্ৰেণীতকৈ বৈছি ল'ৰা-ছোৱালী উৎপাদন কৰা বুলি সদায়ে দুখ কৰা ***ইয়ুজেনিক্স চ'চাইটিৰ*** দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰিছো।

অনেক লোকেই সহমতলৈ আহিব যে অশ্লীল কথা থকা কিতাপ প্ৰকাশত নিষেধ কৰা আইনৰ ফল বহুত অনুশোচনীয় হয় ; হ'লেও তেওঁলোকে কয় যে তেনে আইন বৰ প্ৰয়োজনীয়। মই নিজেও বিশ্বাস নকৰো যে অশ্লীলতাৰ বিৰুদ্ধে আইন প্ৰণয়ন কৰাটো অসম্ভৱ, যিখন আইনৰ এনে ধৰণৰ অবাঞ্ছনীয় ফলাফল নাথাকিব। তেনে পৰিস্থিতিত মই ভাবো যে বিষয়টো সম্পৰ্কে কোনো আইন নথকাটোৱেই শ্ৰেয়। এই মতৰ সপক্ষে আগবঢ়োৱা যুক্তি দুতৰপীয়া ঃ প্ৰথম, কোনো ভাল দিশটোত বাধা আৰোপ নকৰাকৈ বেয়া দিশটোক বাধা দিব নোৱাৰে ; দ্বিতীয়, যৌন শিক্ষা যুক্তিসংগত, তেনে ক্ষেত্ৰত তথাকথিত অশ্লীল লেখাই সুস্থ যৌন শিক্ষাৰে শিক্ষিত সমাজক কোনোপধ্যে ক্ষতিসাধন কৰিব নোৱাৰে।

উক্ত সিদ্ধান্ত দুটাৰ প্ৰথমটো ইংলেণ্ডত লৰ্ড কেম্পবেল এক্টৰ প্ৰয়োগে বহুলভাৱে সত্য বুলি প্ৰতিষ্ঠা কৰিছে। লৰ্ড কেম্পবেল এক্টৰ বিতৰ্কত যোগদান কৰা ব্যক্তিসকলে লক্ষ্য কৰিব যে এই আইনৰ মূল উদ্দেশ্য হৈছে অশ্লীল সাহিত্য নিয়ন্ত্ৰণ কৰা ; আৰু আইন আন ধৰণৰ সাহিত্যৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পৰা নাযাব। এই বিশ্বাসৰ আধাৰ হ'ল আৰক্ষীৰ টেঙৰালিক যথাযথ প্ৰশংসা নকৰাটো আৰু বিচাৰকৰ বুৰ্বকামি। চেন্সৰৰ গোটেই বিষয়টো মৰীচ আৰ্ণষ্ট আৰু উইলিয়াম চিয়েগালৰ কিতাপত৩ প্ৰশংসনীয়ভাৱে আলোচনা কৰা হৈছে। ইংলেণ্ড আৰু আমেৰিকাত কি ঘটিছে সেই বিষয়ে তাত আলোচনা কৰা হৈছে। বিশেষকৈ ইংলণ্ডত চেন্সৰে কৰা

৩। *টু দা পিয়োৰ',* ভাইকিং প্ৰেচ ১৯২৮

নাটকীয় কাৰ্যই অভিজ্ঞতাই কয় যে টুলুঙা ধৰণৰ নাটকে মানুহক কামাতুৰ কৰি তোলে সেইবোৰে সহজে চেন্সৰৰ কেচিৰ পৰা হাত সাৰি যায়, কিন্তু *মীছেছ ওৱাৰেন্‌চ প্ৰফেশ্যনৰ* দৰে বিদ্বান আৰু গুৰুগম্ভীৰ কিতাপকো চেন্সৰৰ অনুমোদন পাবলৈ বহুত বছৰৰ প্ৰয়োজন ; আধ্যাত্মিকভাৱে কাব্যিক গুণসম্পন্ন *দা চেন্সিয়ে* য'ত আনকি ছেইন্ট এন্থনীৰ ক্ষেত্ৰতো কামভাবৰ উদয় হ'ব পৰাকৈ এটা শব্দও ব্যৱহাৰ কৰা নাই, লৰ্ড চেম্বালীনৰ পুৰুষ অন্তৰত ঘৃণাৰ সৃষ্টি কৰিছিল, আৰু সেই বিতৃষ্ণাক তল পেলাবলৈ এশ বছৰ লাগিছিল। গতিকে ইতিহাসৰ পৰা হাজাৰ উদাহৰণ দি ক'ব পাৰো যে চেন্সৰৰ ক্ষমতা সদায় গভীৰ, শিল্পীসুলভ আৰু বৈজ্ঞানিক গুণসম্পন্ন কিতাপৰ ওপৰতহে প্ৰয়োগ কৰা হয় ; আনহতে কামোদ্দীপক উদ্দেশ্যৰে লেখা কিতাপো আইনৰ সুৰুঙাৰে সৰকি গুচি যায়।

চেন্সৰৰ ক্ষমতাৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ আন এক যুক্তিও আছে যে খোলা আৰু লাজহীন অশ্লীলতাই চুৰি আৰু গোপনীয়ভাৱে প্ৰদৰ্শন কৰা অশ্লীলতাতকৈ বেছি ক্ষতিসাধন কৰিব নোৱাৰে। আইনৰ বৰ্তমানতো উচ্চ শ্ৰেণীৰ প্ৰায় সকলোৱেই কৈশোৰত লেতেৰা অশ্লীল কিতাপ পঢ়ে, আৰু দুষ্প্ৰাপ্য হোৱাৰ বাবে তেনে কিতাপ সংগ্ৰহ কৰা এই শ্ৰেণীৰ ব্যক্তিয়ে গৌৰৱবোধ কৰে। পৰম্পৰাগত নৈতিকতাবাদীসকলে ভাবে যে তেনেকুৱাবোৰ বস্তুৱেই আনৰ বাবে বৰ ক্ষতিকাৰক, কিন্তু কোনো এজনে স্বীকাৰ নকৰে যে সেইবোৰ তেওঁলোকৰ নিজৰ বাবেই ক্ষতিকাৰক। দুৰ্ভাগ্যবশতঃ সেইবোৰে মানুহৰ মনত এক অস্থায়ী কামভাবৰ সৃষ্টি কৰে, কিন্তু যৌনভাৱে সবল যিকোনো মানুহৰেই কিবা এক উপায়েৰে কামভাব জাগি উঠিবই। তেনে ভাব কিমান সঘনাই জাগে সি নিৰ্ভৰ কৰে মানুহ এজনৰ শাৰীৰিক অৱস্থাৰ ওপৰত, আৰু কাম ভাব জাগি উঠাৰ কাৰণবোৰ নিৰ্ভৰ কৰে মানুহজন ডাঙৰ-দীঘল হোৱা সামাজিক আৰু নৈতিক ৰীতিৰ ওপৰত। ভিক্টোৰীয় যুগৰ আৰম্ভণিৰ মানুহ এজনৰ কামভাব জাগি উঠাৰ বাবে কোনো মহিলাৰ ভৰিৰ গাঁঠি দেখাটোৱেই সবল কাৰণ। আনহাতে আধুনিক যুগৰ পুৰুষৰ নাৰীৰ উৰু নেদেখালৈ তেনে ভাব জাগিয়েই নুঠে। ই কেৱল পোছাক আৰু ধুনপেচৰ কথাহে। নাঙঠ হোৱাটোৱেই ধুনপেচ হোৱা হ'লে নাৰীৰ নাঙঠ দেহেও আমাৰ পৌৰুষক জগাই তুলিব নোৱাৰিলে হয়। তেনেহ'লে, কিছুমান বৰ্বৰ সমাজত থকাৰ দৰে পুৰুষৰ বাবে আকৰ্ষণীয় হোৱাৰ বাবে কাপোৰ পিন্ধাটোকে ফেশ্যন কৰি ল'ব। ঠিক একে কথাই সাহিত্য আৰু ছবিৰ ক্ষেত্ৰতো প্ৰযোজ্য। ভিক্টোৰীয় যুগত যিটো কামোদ্দীপক আছিল উন্মুক্ত যুগত সি পুৰুষৰ মন তলাবই নোৱাৰিব। গোড়াবোৰে যৌন আবেদনক যিমানেই নিয়ন্ত্ৰণ কৰিব বিচাৰে ফলৱতী যৌন আবেদনৰ বাবে সিমানেই কম কৃত্ৰিমতাৰ প্ৰয়োজন। অশ্লীল সাহিত্যই জগাই তোলা

কামোদ্দীপনাৰ নব্বৈ শতাংশই হৈছে নৈতিকতাবাদীসকলে বুৰ্বকৰ মনত সৃষ্টি কৰা 'লেতেৰা' ধাৰণাৰ ফল ; বাকী দহ শতাংশ দেহোপজাত ; অইন যি নহ'লেও সেই দহ শতাংশ জাগি উঠিবই। এইবোৰ কাৰণতেই পতিয়ন গৈছোঁ যি অশ্লীল সাহিত্য প্ৰকাশৰ ক্ষেত্ৰত কোনো আইনৰেই প্ৰয়োজন নাই ; অৱশ্যে এই সম্পৰ্কত খুব কম মানুহেই মোৰ সতৰ্ক সমৰ্থন কৰিব। নাঙঠ হোৱাত আৰোপ কৰা নিষেধাজ্ঞাই যৌন বিষয়ত সুস্থ দৃষ্টিভঙ্গী গঢ়ি উঠাত বাধা স্বৰূপ হৈ পৰে। কণ কণ ল'ৰা-ছোৱালী জড়িত হৈ থকা ক্ষেত্ৰত অনেক লোকৰেই এই মতৰ লগত মিল আছে। ল'ৰা-ছোৱালীবোৰে পৰস্পৰে নাঙঠ অৱস্থাত দেখাটো উচিত ; লগতে স্বাভাৱিকভাৱে নাঙঠ হোৱাৰ সময়ত মাক-বাপেককো নাঙঠ অৱস্থাত দেখা পোৱাটো ভাল। তিনি বছৰমান বয়সত কিছুদিনৰ বাবে ল'ৰাই মাক আৰু দেউতাকৰ মাজত এক বৈষম্য নজৰ কৰে, আৰু তেতিয়া সি সেই বৈষম্যক তাৰ আৰু ভনীয়েকৰ বৈষম্যৰ লগত ৰিজাই চায়। এই চুটি সময়খিনি পাৰ হৈ যোৱাৰ পিছত সি মানুহৰ নাঙঠ অৱস্থাৰ প্ৰতি আগ্ৰহী নহয়, বৰং আৱৰণৰ প্ৰতিহে আগ্ৰহী হয়। যেতিয়ালৈ পিতৃ-মাতৃয়ে নিজৰ ল'ৰা-ছোৱালীৰ সন্মুখত নাঙঠ হ'বলৈ নিবিচাৰে, তেতিয়ালৈ ল'ৰা-ছোৱালীয়ে ভাবে যে তাত কিবা ৰহস্য লুকাই আছে। তেনে ধাৰণাই সিহঁতৰ মনত অস্থিৰ আৰু অশুচি ভাবৰ সৃষ্টি কৰে। অশুচি ধাৰণাটো আঁতৰোৱাৰ একমাত্ৰ উপায় হ'ল ৰহস্যৰ ধাৰণা আঁতৰোৱাটো।

সুবিধাজনক পৰিস্থিতিত, যেনে ৰৌদ্ৰস্নান, নাঙঠ হোৱাৰ সপক্ষে স্বাস্থ্যজনিত অনেক কাৰণো আছে। উন্মুক্ত ছালত ৰ'দ লগাটো স্বাস্থ্যৰ কাৰণে অত্যন্ত প্ৰয়োজনীয়। তাৰোপৰি, প্ৰত্যেকেই হয়তো লক্ষ্য কৰিছে যে ল'ৰা-ছোৱালীবোৰে যেতিয়া নাঙঠ হৈ মুকলি ঠাইত দৌৰা-দৌৰি কৰে এটা কথা স্পষ্ট হৈ পৰে যে সিহঁতে তাকে কৰি অত্যন্ত আনন্দ পায় ; আৰু কাপোৰ পিন্ধাতকৈ বেছি উন্মুক্তভাৱে আৰু সুদৃশ্যভাৱে দৌৰি ফুৰে। ডাঙৰৰ ক্ষেত্ৰতো কথাটো একেই। নাঙঠ হোৱাৰ উপযুক্ত স্থল হৈছে ঘৰৰ বাহিৰত ৰৌদ্ৰস্নান কৰা ঠাই আৰু পানী। আমাৰ পৰম্পৰাগত নীতিয়ে তাকে কৰিব দিয়া হ'লে অনতিপলমে নাঙঠ, অৱস্থাত যৌন আবেদন নোহোৱা হৈ যাব ; নিজকে সুস্থ সুস্থ লাগিব, ৰ'দ আৰু বতাহ খালী গাত লাগি স্বাস্থ্যৰ উন্নতি সাধিব, দেহৰ লগত সামঞ্জস্য ৰাখি সৌন্দৰ্যও বাঢ়িব, কিয়নো তেনে কৰিলে গোটেই দেহটোৰেই ৰ'দ-বতাহৰ স্পৰ্শ পাই সুন্দৰ হৈ উঠিব। এই ক্ষেত্ৰত গ্ৰীকসকলে লোৱা ব্যৱস্থাক আমি শলাগো।

নৱম অধ্যায়
মানৱ জীৱনত প্ৰেমৰ স্থান

বেছিভাগ সমাজতেই প্ৰেমৰ প্ৰতি থকা দৃষ্টিভঙ্গী আচহুৱা ধৰণে দুই ধৰণৰ ঃ এহাতে প্ৰেম, কবিতা, উপন্যাস আৰু নাটকৰ মূল সমল, আনহাতে নিষ্ঠাবান সমাজ বিজ্ঞানীসকলে প্ৰেমক সম্পূৰ্ণৰূপে অৱজ্ঞা কৰে, কিয়নো অৰ্থনৈতিক আৰু ৰাজনৈতিক সংস্কাৰ আঁচনিত প্ৰেমৰ কোনো স্থান নাই। মই কিন্তু এনে ধাৰণাক যুক্তিসন্মত বুলি নাভাবো। মোৰ মতে মানৱ জীৱনত প্ৰেম অত্যাৱশ্যকীয় আৰু প্ৰেমৰ মুক্ত বিকাশত হেঙাৰ দিয়া যিকোনো প্ৰথাকেই অশুভ বুলি ধৰি লওঁ।

প্ৰকৃতাৰ্থত 'প্ৰেম' শব্দটোৱে নাৰী আৰু পুৰুষৰ মাজৰ সম্পৰ্ককে নুবুজায়, ইয়াৰ অৰ্থ এক আৱেগসম্বলিত মানসিক আৰু দৈহিক সম্পৰ্ক। ইয়াৰ গভীৰতা সীমাহীন। *ত্ৰিষ্টান আণ্ড ইচলদত* প্ৰতিফলিত হোৱা যি আৱেগ সেয়াই হ'ল অগণন নাৰী-পুৰুষৰ অভিজ্ঞতা। প্ৰেমৰ আৱেগক শিল্পকলাত ৰূপ দিয়াটো বিৰল, কিন্তু সেই আৱেগ অন্ততঃ ইউৰোপত মুঠেই বিৰল নহয়। কিছুমান সমাজত আন কিছুমান সমাজতকৈ, প্ৰেমক সাধাৰণ দৃষ্টিভঙ্গীৰে চায় ; প্ৰেমে মানুহৰ প্ৰবৃত্তিৰ ওপৰত নিৰ্ভৰ নকৰে, বৰং সমাজখনৰ পৰম্পৰা আৰু অনুষ্ঠানৰ ওপৰত নিৰ্ভৰ কৰে। চীনত প্ৰেম বিৰল, আৰু ইতিহাস খুলিলে দেখা যায় যে প্ৰেমৰ ক্ষেত্ৰত দুৰ্বল সম্ৰাটসকলক দুষ্ট উপপত্নীসকলে ভুলপথে পৰিচালিত কৰিছিল। পৰম্পৰাত চীনা সংস্কৃতিয়ে সকলো প্ৰবল আৱেগৰ বিৰোধিতা কৰিছিল, আৰু সকলো ব্যক্তিয়ে যিকোনো পৰিস্থিতিতে যুক্তিৰ প্ৰাধান্য বজাই ৰাখিব বিচাৰিছিল। এই বিষয়ত ইয়াৰ মিল আছিল (ইউৰোপৰ) ওঠৰ শতিকাৰ প্ৰথম ভাগৰ লগত। ৰমন্যাসিক আন্দোলন, ফৰাচী বিপ্লৱ আৰু মহাসমৰ সম্পৰ্কে জ্ঞান থকা আমি সকলোৱে জানো যে আমাৰ প্ৰত্যাশা অনুসৰি ৰাণী এনীৰ ৰাজত্ব কালত মানৱ জীৱনত যুক্তিৰ প্ৰভাৱ ইমান প্ৰবল নাছিল। মনোবিশ্লেষণৰ সূত্ৰ নিৰ্ধাৰণত যুক্তিয়ে নিজকে প্ৰতাৰক ৰূপত থিয় কৰিছিল। আধুনিক জীৱনত যুক্তিৰ বাহিৰৰ তিনিটা কাম হ'ল ধৰ্ম, যুদ্ধ আৰু প্ৰেম। এই তিনিটাই যুক্তিৰ বহিৰ্ভূত, প্ৰেম কিন্তু যুক্তিবিৰোধী নহয়, অৰ্থাৎ প্ৰেম যুক্তিধৰ, মানুহে যুক্তিগতভাৱে প্ৰেমানন্দ লাভ কৰিব পাৰে। পূৰ্বৰ অধ্যায়বোৰত দৰ্শোৱা কাৰণবোৰৰ আধুনিক জগতত ধৰ্ম আৰু প্ৰেমৰ মাজত কিছু পৰিমাণে বিৰোধিতাৰ সৃষ্টি হৈছে।

মই নাভাবো যে এই বিৰোধ এৰাব নোৱাৰা বিধৰ ; আৰু ইয়াৰ একমাত্ৰ কাৰণ হ'ল যে খ্ৰীষ্ট ধৰ্ম সন্ন্যাসবাদৰ গভীৰতালৈ শিপাইছে।

আধুনিক জগতত প্ৰেমৰ ধৰ্মতকৈও বেছি বিপজ্জনক শত্ৰু এক ওলাইছে ঃ যীশুখ্ৰীষ্টৰ মহাবাণী কৰ্ম আৰু অৰ্থনৈতিক কৃতকাৰ্যতা। সচৰাচৰ কোৱা হয়, বিশেষকৈ আমেৰিকাত, যে এজন ব্যক্তিৰ সাংসাৰিক জীৱনৰ সফলতাত প্ৰেমক হস্তক্ষেপ কৰিব দিয়াটো উচিত নহয় ; আৰু যিজনে দিয়ে সি মহা মূৰ্খ। আন মানৱীয় দিশবোৰৰ দৰে ইয়াতো এক ভাৰসাম্য বজাই ৰখাটো উচিত। প্ৰেমৰ কাৰণে সাংসাৰিক জীৱনক জলাঞ্জলি দিয়াটো নিশ্চয় মূৰ্খামি, যদিও পৰিস্থিতি ভেদে ই দুখ লগাকৈ এক বীৰত্বও। কিন্তু অন্যহাতে সাংসাৰিক জীৱনৰ উন্নতিৰ বাবে প্ৰেমক সম্পূৰ্ণৰূপে জলাঞ্জলি দিয়াটোও সমানে মূৰ্খামি, বীৰত্ব অৱশ্যে নাই। তথাপি ধনৰ বাবে প্ৰতিযোগিতা সৰ্বস্ব দুনীয়াত সেইবোৰ ঘটে, অপৰিহাৰ্যভাৱেই ঘটে। আজিৰ এক বিশেষ শ্ৰেণীৰ ব্যৱসায়ীৰ, বিশেষকৈ আমেৰিকাৰ কথাকেই লওঁচোন। প্ৰাপ্তবয়স্ক হোৱাৰ পৰাই তেওঁলোকৰ শ্ৰেষ্ঠ চিন্তা, শ্ৰেষ্ঠ শক্তি আদি সকলোখিনি আৰ্থিক উন্নতিতহে খটুৱায় ; আন সকলো দিশ তেওঁলোকৰ বাবে গুৰুত্বহীন আৰু অৱসৰ কটোৱা খেল। ডেকা বয়সত মাজে সময়ে বেশ্যালয়লৈ গৈ দৈহিক তাৰণাৰ শাম কটায় ; তাৰ পিছত বিয়া কৰায়, কিন্তু তেওঁৰ ভাল লগা বস্তুবোৰ পত্নীৰ ভাল লগা বস্তুতকৈ সম্পূৰ্ণ পৃথক, যাৰ ফলত তেওঁ কোনোদিনে পত্নীৰ লগত আত্মিক হ'ব নোৱাৰে। ক্লান্ত হৈ কাৰ্যালয়ৰ পৰা বহুত দেৰিকৈ ঘৰলৈ আহে ; ৰাতিপুৱা তেওঁ পত্নীতকৈ আগেয়ে উঠে ; দেওবাৰে গোল্‌ফ খেলে, কিয়নো টকা ঘটা যুঁজত সুস্বাস্থ্যৰ প্ৰয়োজন। পত্নীৰ ভাল লগা বস্তু বিষয়ক তেওঁ নাৰীসুলভ বুলি গুৰুত্ব নিদিয়ে, আৰু তেওঁৰ কথা কেতিয়াবা সমৰ্থন কৰিলেও সেইবোৰত তেওঁ অংশগ্ৰহণ নকৰে। বৈবাহিক ক্ষেত্ৰত সময় নোহোৱাৰ দৰে অবৈধ প্ৰেম কৰাৰো তেওঁৰ সময় নাই ; অৱশ্যে ব্যৱসায়ৰ খাতিৰত মাজে সময়ে যেতিয়া বাহিৰলৈ যায়, কেতিয়াবা বেশ্যালয় দৰ্শন কৰে। এনে পৰিস্থিতিত তেওঁৰ পত্নী যৌন সম্পৰ্কত শীতল হৈ পৰে যিটোৰ বাবে আচৰিত হ'বলগীয়া একো নাই, কিয়নো পত্নীৰ লগত প্ৰেম আবেদন কৰাৰ বাবে তেওঁৰ সময় নাই। অৱচেনতভাৱে তেওঁ নিজেও সন্তুষ্ট নহয়, কিন্তু নাজানে কি কাৰণত তেনে হ'বলৈ পাইছে। এই সকলোবোৰ অসন্তুষ্টি তেওঁ কামৰ মাজত ডুবাই ৰাখে আৰু কেতিয়াবা কম গুৰুত্বপূৰ্ণ কাম যেনে, মল্লযুদ্ধ চোৱা বা উগ্ৰপন্থীক শাস্তি বিহা আদি চোৱা কামৰ মাজত ডুবাই ৰাখে। তেওঁৰ পত্নীও সমানে অসন্তুষ্ট থাকিবলগীয়া হোৱাত দ্বিতীয় স্তৰৰ সাংস্কৃতিক কৰ্মত লিপ্ত হৈ নিজৰ অসন্তুষ্টি দূৰ কৰিব বিচাৰে। তাকে কৰিবলৈ গ'লে পত্নীয়ে সৎচৰিত্ৰক প্ৰশংসা কৰি দেখুৱায় আৰু লগতে উদাৰ

আৰু স্বাধীনচিতিয়া লোকক বিৰক্ত কৰে। স্বামী-স্ত্ৰী দুয়োৰে যৌন অসন্তুষ্টি তেনেকৈয়ে মানুহৰ প্ৰতি এক ঘৃণালৈ ৰূপান্তৰিত কৰে আৰু সেই ঘৃণা সামাজিক উদ্দীপনা আৰু উচ্চমানৰ নৈতিকতাৰ আৱৰ্তত পাকঘূৰণি খাই থাকে। যৌন প্ৰয়োজনীয়তাৰ প্ৰতি থকা আমাৰ ভুল ধাৰণাৰ বাবেই এনে দুৰ্ভগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছে। ছেইন্ট্ প'লে নিশ্চয় ভাবিছিল যে বিয়াৰ একমাত্ৰ উদ্দেশ্য হৈছে সঙ্গমৰ বাবে সুযোগ উলিয়াই দিয়াটো ; আৰু সেই মতকে খ্ৰীষ্টীয়ান নৈতিকতাবাদীসকলে দিয়া শিক্ষাই পূৰ্ণ সমৰ্থন আগবঢ়ায়। যৌন কাৰ্যক বেয়া পোৱাটোৱে যৌন জীৱনৰ সুন্দৰ দিশটোৰ প্ৰতি অন্ধ কৰি পেলায়। ফলত যৌৱনত যিসকলে তেনে শিক্ষা পায়, তেওঁলোকৰ নিজ শক্তিৰ কথা নজনাকৈয়ে অন্ধৰ দৰে সংসাৰত সোমাই পৰে। যৌন সঙ্গমৰ কামনাতকৈ প্ৰেম বহুত উচ্চস্থানত ; জীৱনৰ বেছিভাগ কালেই যি নিৰ্জনতাই বহুতো নাৰী আৰু পুৰুষক আঘাত কৰে, সেই নিৰ্জনতাক দূৰ কৰাৰ মুখ্য উপায়েই হৈছে প্ৰেম। নিৰাসক্ত সংসাৰ নিষ্ঠুৰতাৰ প্ৰতি প্ৰায় সকলো লোকৰে অন্তঃস্থলত এক ভয় সোমাই থাকে। মৰমৰ প্ৰতি থকা হেঁপাহক পুৰুষৰ কৰ্কশ ব্যৱহাৰ, বৰ্বৰতা, দাদাগিৰি আৰু নাৰীৰ বিৰক্তিকৰ আৰু গালি পৰা স্বভাৱৰ মাজত লুকাই থাকে। দীৰ্ঘস্থায়ী পাৰস্পৰিক প্ৰেমৰ আবেগে তেনে ভয়ৰ অন্ত পেলায়। তেনে প্ৰেমে অহঙ্কাৰৰ কঠোৰ দেৱালখন ভাঙি পেলায়, যাৰ ফলস্বৰূপে সেই প্ৰেমে দুটি আত্মাক এক ঐক্যৰ দোলেৰে বান্ধি এক নতুন ব্যক্তিত্বৰ সৃষ্টি কৰে। অকলশৰীয়া হৈ থকাৰ বাবে প্ৰকৃতিয়ে মানুহ সৃষ্টি কৰা নাই, সেয়েহে আমাৰ সহযোগ নোহোৱাকৈ প্ৰকৃতিয়ে জৈৱিক উদ্দেশ্যটো সাধন কৰিব নোৱাৰে ; আৰু সভ্য মানৱে প্ৰেম বিনে যৌন অনুভূতিক কেতিয়াও সন্তুষ্ট কৰিব নোৱাৰে। এজন মানুহৰ সমস্ত সত্তা— দৈহিক আৰু মানসিক যদি পুৰুষ নাৰীৰ সম্বন্ধত সোমাই নপৰে তেনেহ'লে সেই অনুভূতিক কেতিয়াও সন্তুষ্টি দিব নোৱাৰে। যিসকলে সুখময় পাৰস্পৰিক প্ৰেমৰ গভীৰ আত্মীয়তা আৰু আন্তৰিক বন্ধুত্বৰ কথা নাজানে, তেতিয়াহ'লে মানৱ জীৱনে দিব পৰা বস্তুটো তেওঁলোকে হেৰুৱায়। সচেতনভাৱে নহ'লেও অৱচেতনভাৱে তেওঁলোকে তাক অনুভৱ কৰে যাৰ ফলস্বৰূপে হতাশাই তেওঁলোকক ঈৰ্ষা, দমন আৰু নিষ্ঠুৰতালৈ টানি লৈ যায়। সেই কাৰণে সমাজ বিজ্ঞানীসকলে আবেগৰ স্থান নিৰ্ণয় কৰাৰ প্ৰয়োজন, কিয়নো সেই অভিজ্ঞতা হেৰুৱালে পুৰুষ আৰু নাৰীয়ে কেতিয়াও পূৰ্ণতা লাভ কৰিব নোৱাৰিব আৰু বিশ্বৰ আনসকলৰ প্ৰতি দয়াৰ উষ্মতা অনুভৱ কৰিব নোৱাৰিব ; তেনে উষ্মতা অবিহনে সমাজৰ প্ৰতি তেওঁলোকৰ সেৱা নিশ্চয় ক্ষতিকাৰক হ'ব।

উপযুক্ত পৰিস্থিতিত প্ৰায় সকলো পুৰুষ আৰু নাৰীয়ে জীৱনৰ কোনো এক

সময়ত আবেগিক প্ৰেম অনুভৱ কৰে। অনভিজ্ঞসকলে অৱশ্যে প্ৰেম আৰু কেৱল যৌন আকৰ্ষণৰ মাজত পাৰ্থক্যটো বুজিব নোৱাৰে। বিশেষকৈ ভাল পৰিৱেশৰ মাজত ডাঙৰ-দীঘল হোৱা ছোৱালীবোৰে নোৱাৰিব। কিয়নো তেওঁলোকক শিকোৱা হৈছে যে কাৰোবাৰ প্ৰেমত নপৰাকৈ কোনো ছোৱালীয়ে পুৰুষক চুমা খোৱা উচিত নহয়। এজনী ছোৱালীক বিয়াৰ দিনলৈ যদি সতী হৈ থকাটো আশা কৰা যায়, তেতিয়াহ'লে ছোৱালীজনীয়ে ক্ষণস্থায়ী আৰু টুলুঙা যৌন আকৰ্ষণৰ ফাণ্ডত পৰিব, কিন্তু যৌন অভিজ্ঞতা থকা ছোৱালী এজনীয়ে সহজে প্ৰেমক চিনি পায়। এইটোৱে অসুখী দাম্পত্য জীৱনৰ সঘন কাৰণ হৈ পৰে। পাৰস্পৰিক প্ৰেম থাকিলেও কোনোবা এজনৰ অন্তৰত যদি যৌন সঙ্গম পাপ বুলি ধাৰণা আহি যায়, তেতিয়াও সেই প্ৰেম বিষময় হয়। এই বিশ্বাসৰ ভেটি বেছ সবল। উদাহৰণ— পানেলে অবৈধ সঙ্গমত লিপ্ত হৈ নিশ্চয় পাপ কৰিছিল, সেয়েহে আয়াৰলেণ্ডৰ আশাপূৰণৰ প্ৰচেষ্টা কেবা বছৰৰ বাবে স্থগিত ৰাখিছিল। আনকি পাপবোধৰ কোনো আধাৰ নাথাকিলেও ই প্ৰেমক বিষময় কৰিব পাৰে। প্ৰেমে যদি তাৰ ক্ষমতা অনুযায়ী ভাল গুণখিনি আহৰণ কৰাৰ প্ৰয়োজন সেই প্ৰেম হ'ব লাগিব মুক্ত, উদাৰ, বাধাহীন আৰু সৰ্বান্তঃকৰণীয়।

পৰম্পৰাগত শিক্ষাই প্ৰেমৰ লগত জড়িত কৰা পাপ চেতনাই বিয়াৰ পিছতো অৱচেতনভাৱে পুৰুষ আৰু নাৰীৰ ওপৰত ক্ৰিয়া কৰে ; এই ক্ষেত্ৰত অকল যে পৰম্পৰাগত শিক্ষাৰ সোঁত মচিব নোৱাৰাসকলৰ ওপৰতহে যে ক্ৰিয়া কৰে তেনে নহয়, আনকি সেই শিক্ষাৰ প্ৰভাৱৰ পৰা মুক্ত হোৱাসকলৰ ওপৰতো ক্ৰিয়া কৰে। এই দৃষ্টিভঙ্গীৰ ফল বিভিন্ন ধৰণৰ ঃ ই সঙ্গমৰ মুহূৰ্তত পুৰুষক পাশৱিক, বৰ্বৰ আৰু সহানুভূতিহীন কৰি তোলে, কিয়নো ইয়াৰ প্ৰভাৱত পুৰুষে সঙ্গম সম্পৰ্কে নাৰীৰ আৱেগ অনুভূতি জনাৰ বাবে কথা ক'ব নোৱাৰা হৈ পৰে। আনহাতে সঙ্গমৰ শেষৰ ফালে নাৰীদেহলৈ আনন্দৰ জোৱাৰ অনাৰ বাবে কিদৰে মন্থৰ গতিত আগবাঢ়িব লাগে সেইটোও নাজানে। সঁচা কথা ক'বলৈ গ'লে নাৰীয়েও যে সমানে আনন্দ উপভোগ কৰিব নোৱাৰে তাৰ বাবে পুৰুষজনেই দোষী। পৰম্পৰাগত শিক্ষা লাভ কৰা ছোৱালীয়েও এক শীতল গাম্ভীৰ্যতা আৰু দৈহিক স্বতন্ত্ৰতা বজাই ৰাখি গৌৰৱ বোধ কৰে, লগতে সহজে দৈহিক সান্নিধ্য দিবলৈ অস্বীকাৰ কৰিও গৌৰৱ অনুভৱ কৰে। এজন কৌশলী প্ৰেম নিবেদকে নাৰীৰ এই ভীৰুতাবোৰক সেও মনাব পাৰে ; কিন্তু এনে কিছুমান মানুহ আছে যিয়ে নাৰীৰ সেই গুণবোৰক ধাৰ্মিক নাৰীৰ গুণ বুলি সন্মান আৰু প্ৰশংসা কৰে। গতিকে তেনে মানুহে নাৰীৰ শীতলতাক সেও মনাব নোৱাৰে। তাৰ ফলত বিয়াৰ বহু বছৰ পিছতো স্বামী-স্ত্ৰীৰ সম্বন্ধ আনুষ্ঠানিক আৰু বাধাগ্ৰস্ত হৈয়েই থাকে। আমাৰ ককাদেউতাহঁতৰ দিনত স্বামীয়ে স্ত্ৰীৰ নাঙঠ

দেহটো দেখাৰ বাবে কামনা নকৰিছিল। স্ত্ৰীগৰাকীয়েও স্বামীৰ পৰা তেনে ইঙ্গিত পোৱা হ'লে আতঙ্কিত হৈ উঠিলে হয়। এই ধৰণৰ দৃষ্টিভঙ্গী আমি ভবাতকৈ এতিয়াও অনেক বেছি আছে, আৰু যিসকলে কিছু আগবাঢ়ি যোৱা বুলি ভাবে তেওঁলোকেও নিজকে বহুত নিয়ন্ত্ৰণত ৰাখে।

আধুনিক জগতত প্ৰেমৰ পূৰ্ণ বিকাশত আন এক প্ৰবল মনস্তাত্ত্বিক প্ৰতিবন্ধকতা আছে— নিজৰ ব্যক্তিত্ব অক্ষুণ্ণ ৰাখিব নোৱাৰা বুলি অনেক মানুহৰ অন্তৰত থকা এক ভয়। ই এক বুৰ্বক ধৰণৰ আধুনিক বিভীষিকা। ব্যক্তিত্ব নিজতেই শেষ হৈ নাযায়। ই এনে এক গুণ যি ফলৱতী হোৱাৰ বাবে বিশ্বৰ লগত সম্পৰ্ক ৰক্ষা কৰিব লাগিব আৰু তাকে কৰোঁতে ইয়াৰ পৃথক অস্তিত্বৰ সমাধি ঘটে। গ্লাছৰ বাকচত ৰখা ব্যক্তিত্ব সোনকালে মৰহি যায় আৰু মানুহৰ সংস্পৰ্শলৈ ব্যাপ্তি লাভ কৰা ব্যক্তিত্বই, মহত্ব লাভ কৰে। প্ৰেম, সতি-সন্ততি আৰু কৰ্মই হৈছে বিশ্বৰ বাকীবোৰৰ সৈতে ব্যক্তিৰ যোগাযোগ ৰক্ষা কৰাৰ মূল উৎস। এইকেইটাৰ ভিতৰত প্ৰেমে প্ৰথম স্থান অধিকাৰ কৰি আছে। তাৰোপৰি পিতৃ-মাতৃৰ মৰম-চেনেহ বিকশিত কৰাৰ বাবে প্ৰেম অত্যাৱশ্যকীয়, কিয়নো শিশু এটাই মাক-বাপেকৰ গুণাগুণবোৰ অনুসৰণ কৰে, আৰু মাক-বাপেকে যদি ইজনে-সিজনক ভাল নাপায় তেতিয়া প্ৰতিজনে নিজৰ গুণাগুণবোৰ ল'ৰা-ছোৱালীত প্ৰতিফলিত হোৱা দেখি আনন্দিত হয়, আনজনৰ গুণ নেদেখি অন্তৰত দুখ অনুভৱ কৰে। কৰ্মই এজন ব্যক্তিক সদায় বিশ্বৰ আনবোৰৰ লগত ফলৱতী যোগাযোগলৈ আনিব নোৱাৰে ; পাৰেনে নোৱাৰে সেইটো নিৰ্ভৰ কৰে কি অৰ্থত তেনে যোগাযোগ বিচৰা হৈছে। যি কামৰ লক্ষ্য কেৱল আৰ্থিক তেতিয়া তাৰ মূল্য নাই ; কিন্তু কাৰো প্ৰতি, কোনো বস্তু বা লক্ষ্যৰ প্ৰতি ভক্তি থকা কামে হয়তো সেই উদ্দেশ্য পূৰণ কৰিব পাৰিব। প্ৰেমক নিজৰ প্ৰাপ্য বস্তু হিচাপে ল'লে সি মূল্যহীন হৈ পৰে ; তেতিয়া প্ৰেমো বিত্তীয় লাভত পৰিণত হয়। আমি কৈ অহা মূল্য পাবলৈ হ'লে প্ৰেমে প্ৰেমিক-প্ৰেমিকাৰ পাৰস্পৰিক ব্যক্তিত্বক নিজৰ ব্যক্তিত্বৰ দৰে মূল্য দিব লাগিব আৰু আনজনৰ ভাব আৰু কামনাক নিজৰ দৰে ব্যৱহাৰ কৰিব লাগিব। আন কথাত ক'ব পৰা যায় যে স্বকীয় ভাবক সচেতনভাৱে আনজনলৈ টানি আঁজুৰি লৈ গ'লেও নহয়, তাৰ পৰিবৰ্তে আনুভূতিক সংস্পৰ্শ স্থাপন কৰিলেহে আনজনক সাবটি ধৰিব পৰা যায়। যুদ্ধং দেহি ভাবাপন্ন প্ৰতিযোগিতামূলক সমাজখনৰ ৰোমাণ্টিক আন্দোলন আৰু প্ৰটেষ্টাণ্টবোৰে সৃষ্টি কৰা বুৰ্বক ব্যক্তিত্বৰ অহমিকাই তেনে পৰিস্থিতি প্ৰাপ্তিত বাধা স্বৰূপ হয়।

মুক্তিপ্ৰাপ্ত আধুনিক মানুহৰ মাজত আমি চিন্তা কৰা প্ৰেমে আন এক বিপদৰ সন্মুখীন হৈছে। মানুহে যেতিয়া সঙ্গমত কোনো নৈতিক প্ৰতিবন্ধক অনুভৱ নকৰে,

পাতল ধৰণৰ কামনাই সঘন যৌন সঙ্গম বিচাৰে তেতিয়া যৌন কাৰ্যক গভীৰ আৱেগ আৰু মৰম-চেনেহৰ পৰা পৃথক কৰি পেলোৱা হয় ; আনকি ইয়াক তেওঁলোকে ঘৃণাভাবৰ লগতো সাঙুৰিব পাৰে। আলদাচ হাক্সলীৰ উপন্যাসবোৰে এই ধৰণৰ ছবিকে প্ৰতিফলিত কৰে। ছেইণ্ট্ প'লৰ দৰে তেওঁৰ চৰিত্ৰবোৰে ধৰি লয় যে যৌন সঙ্গম হৈছে দেহজাত কামনা উপশমৰ দুৱাৰ মাত্ৰ। সেই সঙ্গমে যে উচ্চতম মূল্যৰ লগত যোগাযোগ কৰিব পাৰে সেই বিষয়ে সেই চৰিত্ৰবোৰে নাজানে। তেনে দৃষ্টিভঙ্গীয়ে মানুহক সন্ন্যাসবাদলৈ ঠেলি দিয়ে। প্ৰেমৰ স্বকীয় আদৰ্শ আছে, আৰু আছে অন্তৰঙ্গ নৈতিক মান। খ্ৰীষ্টীয় শিক্ষাই আৰু যৌন নৈতিকতাৰ বিৰুদ্ধে জধেমধে কৰা আন্দোলনে প্ৰেমৰ উক্ত গুণৰাশিক অস্পষ্ট কৰি ৰাখিছে। দেখা যায় যে যৌন নৈতিকতাৰ বিৰুদ্ধে জধেমধে গঢ়ি উঠা আন্দোলনৰ লগত ডেকাচামো জড়িত হৈ পৰিছে। প্ৰেমৰহিত সঙ্গমে গভীৰ সন্তুষ্টি দিব নোৱাৰে। মই ক'ব খোজা নাই যে কেতিয়াও তেনে নঘটে ; কিন্তু তাক নিশ্চয়তা প্ৰদান কৰিবলৈ হ'লে আমি নীতিৰ এক দেৱাল গঢ়ি তোলাটো দৰকাৰ য'ত প্ৰেমো হৈ পৰে জটিল। ইয়াকেই ক'ব বিচাৰিছো যে প্ৰেমৰহিত সঙ্গমৰ মূল্য নিচেই কম আৰু তাক প্ৰেম উপলব্ধিৰ এক পৰীক্ষা বুলি ক'ব পাৰি।

মানৱ জীৱনত প্ৰেমক এক স্বীকৃত স্থান দিয়াৰ বাবে দাবী নিশ্চয় মহান। কিন্তু প্ৰেম এনে এক মুক্ত শক্তি যে তাক যদি মুক্তভাৱে এৰি দিয়া যায়, সি আইন আৰু পৰম্পৰাগত বান্ধোনৰ ভিতৰত নাথাকিব। যি পৰ্যন্ত শিশুসকল জড়িত নহয় তেতিয়ালৈ কোনো ডাঙৰ কথা নহয় ; কিন্তু শিশুৰ কথা আহি পৰাৰ লগে লগে আমি অন্য ৰাজ্যত সোমাই পৰো। তেতিয়া প্ৰেম স্বনিয়ন্ত্ৰিত হৈ নাথাকে, ই মানৱ জাতিৰ চিৰন্তন প্ৰবাহক ৰক্ষা কৰাৰ বাবে দৈবিক উদ্দেশ্য লৈ সেৱা আগবঢ়ায়। সতি-সন্ততিৰ লগত এক সামাজিক নীতি জড়িত থকা উচিত, আৰু যেতিয়াই দ্বন্দ্বৰ সৃষ্টি হয় তেতিয়াই আৱেগিক প্ৰেমক চেপি ৰাখি সেই উদ্দেশ্যক অগ্ৰাধিকাৰ দিয়া উচিত। এক জ্ঞানসম্পন্ন নীতিয়ে পাৰ্যমানে দ্বন্দ্ব কমাই আনে ; প্ৰেম অকল ভালেই নহয়, পিতৃ-মাতৃৰ পৰস্পৰৰ প্ৰতি প্ৰেম থকাৰ বাবেই ল'ৰা-ছোৱালীৰ বাবে জীৱনী শক্তিও হৈ পৰে। ল'ৰা-ছোৱালী জন্ম দিয়াৰ লগত খাপ খোৱাকৈ প্ৰেমত পাৰ্যমানে কম হস্তক্ষেপ নিশ্চিত কৰাৰ বাবে এক যেন নীতিৰ উদ্ভাৱন কৰাটো উচিত, কিন্তু পৰিয়ালৰ কথা আলোচনা নকৰাকৈ উক্ত বিষয়টো আলোচনা কৰিব নোৱাৰি।

দশম অধ্যায়

বিবাহ

এইটো অধ্যায়ত ল'ৰা-ছোৱালীৰ প্ৰসঙ্গৰহিত বিয়াৰ বিষয়ে আলোচনা কৰিম। এই বিয়া কেৱল নাৰী আৰু পুৰুষৰ মাজৰ সম্পৰ্কৰ বিয়া। আন ধৰণৰ যৌন সম্পৰ্কতকৈ বিয়াৰ পাৰ্থক্য আছে, কিয়নো বিয়া হৈছে এক অনুষ্ঠান। বহুত সমাজত বিয়া এক ধাৰ্মিক অনুষ্ঠানো, কিন্তু ইয়াৰ আইনগত দিশাটোহে অত্যাৱশ্যকীয়। ধাৰ্মিক অনুষ্ঠানটো হৈছে, পৰম্পৰাৰ এক প্ৰতীক যিটো অকল আদিম মানৱৰ মাজতেই নহয় আনকি বান্দৰৰ আৰু আন কিছুমান জন্তুৰ মাজতো প্ৰচলিত। কিছুমান জীৱ-জন্তুৱে যি প্ৰথা মানি আহিছে সি প্ৰকৃততে বিয়াই, য'ত পোৱালীবোৰ ডাঙৰ-দীঘল কৰাত মতাটোৰ দায়িত্বও আছে। সাধাৰণতে জন্তুৰ বিয়া হৈছে একক স্ত্ৰী বিয়াৰ প্ৰথা ; আৰু বিষয়টোৰ ওপৰত কৰ্তৃত্ব থকা পণ্ডিতসকলৰ মতে এনে বিয়া বিশেষকৈ মানৱ সদৃশ বান্দৰৰ ক্ষেত্ৰতহে প্ৰযোজ্য। এই কৰ্তৃত্বত বিশ্বাস কৰিলে অনুমান হয় যে এই সৌভাগ্যবান বান্দৰে মানৱ সমাজে সন্মুখীন হোৱা সমস্যাসমূহৰ সন্মুখীন হ'বলগীয়া হোৱা নাই, কিয়নো এবাৰ বিয়া হৈ যোৱাৰ পিছত সেই মতা বান্দৰটোৰ প্ৰতি কোনো বান্দৰী আকিৰ্ষত নহয় আৰু বিবাহিতা বান্দৰী এজনীৰ প্ৰতি আন বান্দৰ আকৰ্ষিত নহয়। গতিকে মানুহ তুল্য বান্দৰৰ, যদিও সিহঁতে কোনো ধৰ্মৰ আশ্ৰয় নলয়, পাপবোধ নাই, কিয়নো ধাৰ্মিকতা সৃষ্টি কৰাত অনুভূতিয়ে যথেষ্ট। আটাইতকৈ নিম্ন স্তৰৰ বৰ্বৰ জাতিৰ মাজত তেনে এক পৰিস্থিতি আছিল বুলি কিছু প্ৰমাণ পোৱা যায়। বুচমেনসকল কঠোৰ নীতি মানি চলা এক স্ত্ৰীগামী ; লগতে আমি জানো যে তাচমেনীয়সকল (বৰ্তমান বিলুপ্ত) ব্যতিক্ৰমহীনভাৱে পত্নীৰ বিশ্বাসভাজন। আনকি সভ্য মানৱ সমাজতো একক স্ত্ৰীগামী প্ৰথা থকাৰ ক্ষীণ প্ৰমাণ পোৱা যায়। অভ্যাসেই চৰিত্ৰক প্ৰভাৱান্বিত কৰা বিশ্বাস মানি ল'লে আচৰিত যেন লাগে যে একক স্ত্ৰীগামী বিয়াত অনুভূতিৰ ওপৰত পৰা প্ৰভাৱ যিমান শক্তিশালী হ'ব লাগিছিল সিমান নহয়। ই অৱশ্যে মানৱ জীৱনৰ মানসিক বৈচিত্ৰ্য এটাৰ উদাহৰণহে ; এই বৈচিত্ৰ্যৰ পৰাই উৎপত্তি হয় পাপ আৰু বুদ্ধিমত্তাৰ, যেনে অভ্যাসৰ জাল ফালি ওলাই যোৱাৰ কল্পনা শক্তি আৰু ন চৰিত্ৰৰ পাতনি মেলা।

সম্ভৱ হ'ব পাৰে যে আমি একক স্ত্ৰী বিয়াৰ প্ৰথাটোত অৰ্থনৈতিক উদ্দেশ্য

সোমাই আনি তাক ভঙ্গ কৰিছো। এই উদ্দেশ্যৰ প্ৰভাৱ যেতিয়াই যৌন ব্যৱহাৰৰ ওপৰত পৰে সি তেতিয়া ধ্বংসমুখী হয়, কিয়নো প্ৰবৃত্তিৰ ওপৰত প্ৰতিষ্ঠিত এই সম্বন্ধটো দাসত্ব বা বেচা-কিনাৰ সম্পৰ্কলৈ ৰূপান্তৰিত হয়। পূৰ্বৰ কৃষিজীৱি বা পশুজীৱি সমাজত স্ত্ৰী আৰু ল'ৰা-ছোৱালীবোৰ পুৰুষজনৰ সম্পত্তি আছিল। সেই কাৰণে তিৰোতাবোৰে কাম কৰিছিল আৰু পাঁচ-ছয় বছৰমান বয়সৰ পৰা ল'ৰা-ছোৱালীবোৰে হয় পথাৰত কাম কৰিছিল নাইবা পশু চৰাইছিল। ফলস্বৰূপে হৃষ্ট পুষ্ট পুৰুষ এজনে যিমান পাৰে বেছি তিৰোতা বিয়া কৰাইছিল। বহু-স্ত্ৰী বিয়া একোখন সমাজত সীমিত আছিল ; কিয়নো স্বাভাৱিকতে কোনোকালেই নাৰীৰ সংখ্যা ইমান বেছি থাকিব নোৱাৰে। গতিকে বহু-স্ত্ৰী বিয়া কেৱল সমাজৰ মুখীয়াল আৰু ধনী শ্ৰেণীটোৰ এক বিশেষ অধিকাৰ আছিল। কেবাগৰাকী স্ত্ৰী আৰু তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰ গোট খাই এক মূল্যবান সম্পত্তি গঢ়ি তুলিছিল আৰু সেই সম্পত্তিৰ মালিকজনৰ পূৰ্বৰ পৰাই চলি অহা প্ৰতিপত্তি আৰু বাঢ়িছিল। গতিকে পত্নীৰ কৰ্তব্য আছিল এটা লাভজনক ঘৰচীয়া জন্তুৰ দৰে কাম কৰাটো আৰু তেওঁৰ যৌন কৰ্ম হৈ পৰিছিল গৌণ। সভ্যতাৰ এইটো স্তৰত পুৰুষৰ বাবে বিবাহ বিচ্ছেদ আছিল অতি সহজ, যদিও তিৰোতাগৰাকীয়ে লগত অনা যৌতুকখিনি ঘূৰাই দিবলগীয়া হৈছিল। কিন্তু তিৰোতা এগৰাকীয়ে স্বামীক এৰি দিয়টো সাধাৰণতে সম্ভৱ নাছিল।

প্ৰায়বোৰ অৰ্ধ-সভ্য সমাজৰ অবৈধ যৌন কৰ্মৰ প্ৰতি থকা দৃষ্টিভঙ্গী এই মতবাদৰ পৰাই সৃষ্টি হোৱা। সভ্যতাৰ নিম্ন স্তৰত মাজে সময়ে অবৈধ যৌন সঙ্গম সহ্য কৰা হৈছিল। চমোৱানবোৰে কেতিয়াবা দূৰণিলৈ ওলাই গ'লে তেওঁলোকৰ অনুপস্থিতিত তিৰোতাবোৰে নিজেই সন্তুষ্টিৰ পথ বিচাৰি লৈছিল।[১] কিছু সভ্য হোৱাত অবৈধ যৌন কাৰ্যত লিপ্ত হোৱা তিৰোতাক মৃত্যুদণ্ডৰে দণ্ডিত কৰিছিল বা কঠোৰ শাস্তি বিহিছিল। আমাৰ ডেকা বয়সত মুঙ্গো পাৰ্কৰ মুম্বো জুম্বো কাহিনী জনাজাত আছিল, কিন্তু এতিয়া জানি দুখ লাগিছে যে উচ্চ শ্ৰেণীৰ আমেৰিকানসকলে মুম্বো-জুম্বোক কঙ্গোৰ দেৱতাৰূপেহে অভিহিত কৰে। প্ৰকৃততে সি দেৱতাও নাছিল বা কঙ্গোৰ লগত তাৰ কোনো সম্পৰ্কও নাছিল। সি আছিল এটা ভুৱা দানৱ, আৰু পাপকৰ্মত লিপ্ত হোৱা তিৰোতাবোৰক অ-তিঙ্কিত কৰাৰ বাবে তাক আবিষ্কাৰ কৰিছিল উজনি নাইগাৰৰ পুৰুষসকলে। ধৰ্মৰ উৎস ক'ত সেই কথা মুঙ্গো পাৰ্কৰ বৰ্ণনাৰ পৰা বুজিব পৰা যায়। একেটা মতকে পোষণ কৰিছিল ভল্টেয়াৰে। কিন্তু আধুনিক নৃতত্ত্ববিদসকলে জানি বুজিয়ে সেই মতবাদৰ বিলুপ্তি সাধন কৰিবলৈ বিচাৰিছে ;

১। মাৰ্গাৰেট মীচ—, কামিং অব এজ ইন চমোৱা ১৯২৮ - পৃঃ ১০৪ৰ পৰা

কিয়নো বৰ্বৰসকলে কৰা কাৰ্যক সভ্য জগতত যৌক্তিক ধাৰণাত সোমাই ল'বলৈকে তেওঁলোকে নিবিচাৰে। এজন মানুহে আনৰ পত্নীৰ লগত যৌন সঙ্গম কৰিলে তাক অপৰাধী বুলি গণ্য কৰা হৈছিল ; কিন্তু অবিবাহিতা ছোৱালী এজনীৰ লগত সঙ্গম কৰিলে বিয়াৰ বজাৰত ছোৱালীজনীৰ মূল্য কমি যোৱাত বাহিৰে সেই কৰ্ম দোষণীয় নাছিল।

খ্ৰীষ্ট ধৰ্ম আহি পোৱাৰ লগে লগে পৰিস্থিতিৰ পৰিৱৰ্তন ঘটিল। বিয়াত ধৰ্মৰ প্ৰভাৱ বহুত বাঢ়ি গৈছিল, বিয়াৰ আইন ভঙ্গ কৰাজনক সম্পত্তিৰ বাবে নহ'লেও তেনে কাৰ্য ৰোধ কৰাৰ খাতিৰতে দোষী সাব্যস্ত কৰিছিল। আনৰ পত্নীৰ লগত সঙ্গম কৰাটো দোষণীয় হৈয়েই আছিল, আৰু বিবাহ বন্ধনৰ বাহিৰত কৰা সঙ্গমক ঈশ্বৰৰ বিৰুদ্ধে কৰা দোষ ৰূপে পৰিগণিত হৈছিল আৰু গীৰ্জাৰ উপস্থিতি সত্বেও তেনে কাৰ্য কৰাটো গুৰুতৰ দোষ বুলি গণ্য কৰা হৈছিল। সেই একেটা কাৰণতে পূৰ্বপুৰুষৰ বাবে থকা সহজ বিবাহ-বিচ্ছেদক পিছলৈ অনুমোদন নিদিয়া হৈছিল। বিয়া, যিহেতু ধাৰ্মিকভাৱে পৱিত্ৰ অনুষ্ঠান গতিকে যি জীৱন জুৰি অক্ষুণ্ণ থাকিব লাগিব।

এই পৰিস্থিতি মানুহৰ শান্তিৰ বাবে হিতকাৰক নে ক্ষতিকাৰক? তাৰ উত্তৰ সহজে পোৱা নাযায়। কৃষক সমাজত নাৰীৰ জীৱন আছিল ভীষণ কষ্টকৰ। বৰ্বৰ সমাজত পঁচিশ বছৰ বয়সত তিৰোতা বুঢ়ী হৈ গৈছিল, আৰু তেনে অৱস্থাত তেওঁলোকৰ সৌন্দৰ্য শেষ হৈ গৈছিল। তিৰোতাক ঘৰচীয়া জন্তু ৰূপে ব্যৱহাৰ কৰি পুৰুষে আনন্দ পাইছিল। তিৰোতাইও কিন্তু জানিছিল পৰিশ্ৰম আৰু কষ্টই হৈছে তেওঁলোকৰ জীৱন। খ্ৰীষ্ট ধৰ্মই এফালে নাৰীৰ জীৱন, বিশেষকৈ ধনী শ্ৰেণীটোৰ, বেছি বেয়ালৈ ঠেলি দিছিল, আনহাতে নৈতিকভাৱে নাৰীক পুৰুষৰ শাৰীলৈ লৈ আহিছিল আৰু তিৰোতাক স্বামীৰ সম্পত্তিৰূপে ব্যৱহাৰ কৰিবলৈ নিদিছিল। এগৰাকী নাৰীয়ে এজন পুৰুষক এৰি আন এজনলৈ যোৱাৰ অধিকাৰ নিদিছিল, কিন্তু ধাৰ্মিক জীৱন যাপন কৰিবলৈ স্বামীক এৰি যাব পাৰিছিল। মুঠৰ ওপৰত ক'ব পৰা যায় যে প্ৰাক্ খ্ৰীষ্টীয় যুগতকৈ খ্ৰীষ্টীয় যুগত সুস্থ জীৱন যাপন কৰাৰ বাবে সুবিধা প্ৰদান কৰিছিল।

আজিৰ জগতখনলৈ লক্ষ্য কৰি আমি যদি নিজকে প্ৰশ্ন কৰোঁ কি পৰিস্থিতিত বৈবাহিক জীৱন সুখৰ হয় বা কি পৰিস্থিতিত দুখৰ হয়, তাৰ উত্তৰ বৰ আচহুৱা হ'ব যেন লাগে ঃ বেছি সভ্য পুৰুষে এগৰাকী নাৰীক বিয়া কৰাই আজীৱন শান্তিৰে কটোৱাৰ সম্ভাৱনা কম। আয়াৰ্লেণ্ডৰ কৃষকসকলৰ, যাৰ বিয়া সৌ-সিদিনালৈকে পিতৃ-মাতৃৰ পচন্দ অনুসৰিহে হৈছিল, বয়োবৃদ্ধ জ্ঞানী মানুহে উপদেশ দিছিল যে তেওঁলোকৰ দাম্পত্য জীৱন সুখী আৰু ধাৰ্মিক হোৱা উচিত। সাধাৰণতে জাত-

পাত, ধনী-দুখীয়াৰ পাৰ্থক্যহীন সমাজত বিয়া আটাইতকৈ সহজ হয়। যেতিয়া এজন ব্যক্তি আনবোৰতকৈ সামান্য বেলেগ, এজনী ছোৱালী আনবোৰতকৈ সামান্য বেলেগ তেতিয়া আন কাৰোবাক বিয়া কৰোৱাত কি আপত্তি? কিন্তু বিভিন্ন ৰুচি, কৰ্ম আৰু লক্ষ্য থকা মানুহে সহৃদয়তা থকা কাৰোবাকহে বিয়া কৰাব বিচাৰে ; কিন্তু তেনে সঙ্গী নাপালে চিন্তা কৰি অসুখী হ'ব যে আন কাৰোবাক বিয়া কৰালে সহৃদয়তা বেছি পালে হয় নেকি। বিয়াক কেৱল যৌন সম্পৰ্কৰ অনুষ্ঠান বুলি ভবা গীৰ্জাই ভাৱে যে যি কোনো এজন সঙ্গীক বাছি লোৱাত কি আপত্তি থাকিব পাৰে ; আৰু তেনে বিয়াই কি ধৰণৰ অসুবিধা সৃষ্টি কৰিব পাৰে তালৈ লক্ষ্য নাৰাখি কেৱল বিয়া অবিচ্ছেদ্য বোলা কথাটোৰ ওপৰতহে গুৰুত্ব দিছে।

বিবাহযোগ্যা ছোৱালীৰ সংখ্যা কম হোৱা আৰু সন্মানযোগ্যা মহিলা লগ পাব পৰা সামাজিক অনুষ্ঠান কম হোৱাটো সুখী বিয়াৰ আন এক চৰ্ত। নিজ পত্নীৰ বাহিৰে যেতিয়া যৌন সম্পৰ্কৰ বাবে আন তিৰোতা সহজে পোৱা নাযায়, সৰহভাগ মানুহেই স্থিতাৱস্থাৰ সদ্ব্যৱহাৰ কৰাৰ কাৰণে ইচ্ছুক হ'ব আৰু ফলস্বৰূপে একেবাৰে এৰাব নোৱাৰা দুই-এক ঘটনাৰ বাহিৰে, স্থিতাৱস্থাক মানি চলিবলৈ বাধ্যত পৰিব। নাৰীৰ ক্ষেত্ৰতো একেটা কথাই প্ৰযোজ্য, বিশেষকৈ যদি নাৰীয়ে স্বপ্ন নেদেখে যে বিয়াই বহুত সুখ-শান্তি আনি দিয়ে। ক'ব পৰা যায় যে যদি কোনো এটা পক্ষই কল্পনা নকৰে যে বিয়াই প্ৰচুৰ সুখ-শান্তি আনি দিব তেতিয়াহ'লে বিয়া সুখময় হ'ব পাৰে।

একেই কাৰণত বাধ্যতামূলক সামাজিক সংস্কাৰতে অশান্তিময় বৈবাহিক সম্বন্ধক ৰোধ কৰিব পাৰে। বিবাহ বন্ধনক অবিচ্ছেদ্য আৰু শেষ সিদ্ধান্ত বুলি মানি ল'লে সেই বন্ধন ছিঙি বাহিৰলৈ গৈ বেছি সুখী হ'ব পাৰিলো হয় বুলি কল্পনা কৰাৰ কোনো অনুপ্ৰেৰণা নাথাকে। পাৰিবাৰিক শান্তিৰ সুৰক্ষাৰ বাবে এনে পৰিস্থিতি বাহাল ৰখাৰ পিছত স্বামী-স্ত্ৰীৰ কোনো এজনেই বোধহয় গৃহীত ভদ্ৰতাৰ মানদণ্ড ওফৰাই নিজকে নিম্ন স্তৰলৈ অৱনমিত কৰাবলৈ প্ৰয়াস নকৰিব।

বৈবাহিক জীৱনত সুখ-শান্তিৰ বাবে প্ৰয়োজনীয় যিবোৰ পৰিস্থিতিৰ কথা কোৱা হ'ল আধুনিক জগতত তাৰ এটাও পাবলৈ নাই, আৰু তাৰ ফলস্বৰূপে বিয়াৰ কেইবছৰমান পিছতেই বেছিভাগ বিয়া আশান্তিৰ অতল গৰ্ভলৈ গতি কৰে। অশান্তিৰ কেইটামান কাৰণ সভ্যতাৰ লগতে সাঙোৰ খাই আছে, কিন্তু নাৰী আৰু পুৰুষ সকলোৱে বৰ্তমানতকৈ বেছি সভ্য হ'লহে সেইবোৰ কাৰণ আঁতৰাব পাৰিব। দ্বিতীয় দিশটো প্ৰথমে আলোচনা কৰোঁহক। ইয়াৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল বদ যৌন শিক্ষা, যিটো কৃষক সমাজতকৈ শিক্ষিত ধনীক শ্ৰেণীটোৰ মাজত

বেছি পৰিলক্ষিত হয়। কৃষকৰ ল'ৰা-ছোৱালীবোৰে সকলৰ পৰাই দেখি আহে জীৱনৰ সত্য কথাবোৰ— অকল মানুহৰ পৰাই নহয়, জীৱ-জন্তুৰ পৰাও। গতিকে সিহঁত অজ্ঞতা আৰু অভঙালি দুয়োটাৰ পৰাই মুক্ত। আনহাতে অতি সতৰ্কতাৰে শিক্ষা দিয়া উচ্চ পৰিয়ালৰ ল'ৰা-ছোৱালীবোৰক যৌন সম্পৰ্কীয় ব্যৱহাৰিক জ্ঞানৰ পৰা আঁতৰত ৰখাৰ বাবে এক কাল্পনিক দেৱাল সাজি দিয়া হয় ; আনকি অত্যাধুনিক পিতৃ-মাতৃয়েও তেওঁলোকৰ ল'ৰা-ছোৱালীক কিতাপৰ জ্ঞান দিয়াৰ বাহিৰে ব্যৱহাৰিক বিষয়ৰ লগত পৰিচয় কৰি নিদিয়ে, যি জ্ঞান কৃষকৰ ল'ৰা-ছোৱালীয়ে এনেয়ে পায়। বিয়াৰ প্ৰাক্‌কালত কোনো যৌন অভিজ্ঞতা নথকা ল'ৰা-ছোৱালী এহালৰ বিয়াহে খ্ৰীষ্টীয় শিক্ষাই কৃতকাৰ্যতা বুলি ভাৱে। তেনে ঘটনাত জড়িত ল'ৰা-ছোৱালীৰ সিংহ ভাগৰ ক্ষেত্ৰতেই ফলাফল অতি দুৰ্ভাগ্যপূৰ্ণ। মানুহৰ ক্ষেত্ৰত যৌন ব্যৱহাৰ প্ৰবৃত্তিগত নহয়। গতিকে অনভিজ্ঞ দৰা-কইনাই, যাৰ যৌন বিষয়ক কোনো ধাৰণাই নাই, ফুলশয্যাৰ নিশা লাজ আৰু অস্বস্তিত অধীৰ হৈ পৰে। পৰিস্থিতিটো সামান্য ভাল হয় যদি মাত্ৰ কইনাজনীহে অনভিজ্ঞা আৰু দৰাই বেশ্যাৰ পৰা সেই অভিজ্ঞতা লোৱা বিধৰ হয়। বহুতো লোকে বুজি নাপায় যে বিয়াৰ পিছত নিজে গহীন গম্ভীৰ হৈ থাকি আৰু শাৰীৰিক দূৰত্ব বজাই ৰাখি বিয়াৰ প্ৰতি কিমান অন্যায় কৰে। ভাল শিক্ষা প্ৰদান কৰি এই সকলোবোৰক শুদ্ধ পথলৈ আনিব পৰা যায়। ক'বলৈ গ'লে বৰ্তমানৰ যুৱ প্ৰজন্মটোৰ পৰিস্থিতি আমাৰ দেউতা-ককাহঁতৰ পৰিস্থিতিতকৈ অনেক ভাললৈ আহিছে। নাৰী সমাজত এক বিশ্বাস আছিল যে তেওঁলোকে সঙ্গমত আনন্দানুভূতি বোধ নকৰে, গতিকে তেওঁলোক নৈতিকভাৱে পুৰুষতকৈ উচ্চ খাপৰ। এই দৃষ্টিভঙ্গীয়ে স্বামী-স্ত্ৰীৰ মাজৰ মুক্ত বন্ধুত্বক অসম্ভৱ কৰি তোলে। এই বিশ্বাসটোৱেই অযুক্তিকৰ, কিয়নো সঙ্গম উপভোগ কৰিব নোৱাৰাটো সতীত্বটো নহয়েই, ই দৈহিক আৰু মনস্তাত্বিক দুৰ্বলতাও, যেনেকৈ এশ বছৰ আগেয়ে উচ্চ শ্ৰেণীৰ ভদ্ৰমহিলাৰ আহাৰৰ প্ৰতি ধাউতি নথকাটো এক দুৰ্বলতা।

বৈবাহিক অশান্তিৰ আন আধুনিক কাৰণবোৰ সহজে সমাধা কৰিব পৰা বিধৰ নহয়। মই ভাবো যে শঙ্কোচহীন সভ্য পুৰুষ আৰু নাৰী উভয়ে প্ৰবৃত্তিগতভাৱে বহুগামী। তেওঁলোকে গভীৰ প্ৰেমত পৰিব পাৰে আৰু কেইবছৰমানৰ বাবে এজনৰ সঙ্গতেই নিজক বুৰাই ৰাখিব পাৰে ; কিন্তু সময় যোৱাৰ লগে লগে একেই সোৱাদ আমনি লগা হয় আৰু পূৰ্বৰ উন্মাদনা ঘূৰাই পোৱাৰ আশাৰে আন সঙ্গী বিচাৰিবলৈ ধৰে। নৈতিকতাৰ খাতিৰত হয়তো এই আকাঙ্খ্যাক নিয়ন্ত্ৰণ কৰিব পাৰে, কিন্তু বাচি থকাৰ খাতিৰত এই আৱেগক নিয়ন্ত্ৰণ কৰাটো বৰ কঠিন। নাৰী স্বাধীনতা বৃদ্ধি পাই অহাৰ লগে লগে বিগত দিনবোৰতকৈ বৰ্তমান বৈবাহিক সম্বন্ধক প্ৰতাৰণা কৰাৰ

বাবে নাৰীয়েই সুযোগ পায় বহুত বেছি। সুযোগে কল্পনাৰ সৃষ্টি কৰে, কল্পনাই জন্ম দিয়ে কামনাৰ আৰু ধৰ্মীয় বিবেকৰ অনুপস্থিতিত কামনাই মানুহক কাৰ্যক্ষেত্ৰলৈ আগুৱাই দিয়ে।

নাৰী-মুক্তিয়ে বিয়াক নানা প্ৰকাৰে জটিল কৰি তুলিছে। অতীতত পত্নীয়ে স্বামীৰ লগত খাপ খুৱাই চলিব লাগিছিল— স্বামীয়ে পত্নীৰ লগত খাপ খুওৱাৰ প্ৰশ্ন নাছিল। বৰ্তমান যুগত ব্যক্তিত্ব ৰক্ষা আৰু জীৱিকা অৰ্জনৰ কাৰণে পোৱা অধিকাৰৰ বাবে অনেক নাৰীয়ে এক বিশেষ সীমা পাৰ হৈ স্বামীৰ লগত মিলাই চলিবলৈ ইচ্ছুক নহয় ; আনহাতে আজিও পুৰুষে আধিপত্যৰ পৰম্পৰাত জোক লগাদি লাগি স্বামীয়ে পত্নীৰ লগত খাপ খুৱাই চলাৰ কাৰণ বিচাৰি নাপায়। এই ধৰণৰ সমস্যা, বিশেষকৈ বৈবাহিক সম্বন্ধৰ প্ৰতাৰণাৰ ক্ষেত্ৰত বেছি হয়। অতীতত পুৰুষে মাজে-সময়ে নাৰীক প্ৰতাৰণা কৰিছিল ; কিন্তু পত্নীয়ে সাধাৰণতে সেই কথা নাজানিছিল। যদি জানিছিল তেতিয়া হ'লে স্বামীয়ে পাপ স্বীকাৰ কৰিছিল আৰু পত্নীক পতিয়ন নিয়াবলৈ অনুশোচনা কৰিছিল। নাৰী কিন্তু সাধাৰণতে সতী আছিল। যদি সতী নাছিল স্বামীয়ে কথাটো জানিছিল আৰু লগে লগে বিবাহ বিচ্ছেদ হৈছিল। অনেক আধুনিক বিয়াৰ ক্ষেত্ৰত হোৱাৰ দৰে, য'ত পাৰস্পৰিক বিশ্বাসযোগ্যতাৰ দাবী কৰা হোৱা নাছিল, তেতিয়াও ঈৰ্ষাৰ অগনি জ্বলি উঠে আৰু বাহ্যিকভাৱে কাজিয়া পাতি নকৰিলেও দুয়োৰে মাজৰ পূৰ্বৰ গাঢ় সম্বন্ধৰ শোচনীয় পতন ঘটে।

প্ৰেমৰ মূল্য সম্পৰ্কে যিসকল সচেতন তেওঁলোকৰ বাবেও আধুনিক বিয়াত এক নতুন জটিলতা আছে। যেতিয়ালৈ প্ৰেম মুক্ত আৰু স্বতঃস্ফূৰ্ত হয় তেতিয়ালৈ প্ৰেম বিকশিত হয় ; যেতিয়াই প্ৰেমক কৰ্তব্য হিচাপে গণ্য কৰা হয়, তেতিয়াই প্ৰেমৰ মৃত্যু ঘটে। তুমি যদি ভবা যে তুমি অমুক, আমুকিক ভাল পোৱাটো তোমাৰ কৰ্তব্য তেনেহ'লে তুমি নিশ্চিত হ'ব পাৰা যে তুমি 'আমুকি'ক ঘৃণা কৰা। প্ৰেম আৰু আইনৰ বান্ধোনৰ ফল স্বৰূপে হোৱা বিয়া তেনেকৈয়ে দুপাট অস্ত্ৰৰ মাজত স্থিতি লয়। শ্যেলীয়ে লিখিছে ঃ

"কদাপি নাথাকো সেই মহান ফৈদত
যাৰ ধৰ্ম হ'ল— বাচি লোৱা প্ৰত্যেকেই
জনতাৰ মাজৰ পৰাই পত্নী বা বন্ধু
জ্ঞানী আৰু ভাল হ'লেও আন আনবোৰে
লৈ যাব শীতল পাহৰণিলৈ
যদিও এয়াই ধৰ্ম
পুৰণিয়ে টানি অনা আধুনিক নৈতিকতা

সেই আলিদিয়েই দিয়ে আগবাঢ়ে ক্লান্ত দাসবোৰে
মৃতকসকলৰ লগত গৃহমুখী খোজ
আৰু তেনেকৈয়ে জগতৰ বিশাল ৰাজআলিৰে
একেদাল ৰছীৰে বন্ধা বন্ধু আৰু ঈৰ্ষান্বিত বন্ধুৰে
খোজ লয় দীৰ্ঘতম, নিৰানন্দ যাত্ৰাত। *

সন্দেহ নাই যে প্ৰেমবিহীন বিয়াত মন নিবদ্ধ কৰা মানে অমূল্য মানৱ সম্বন্ধৰ গ্ৰহণীয়তা, সহানুভূতি আৰু সুযোগবোৰ হ্ৰাস কৰা। ইয়েই আদৰ্শগত দিশৰ পৰা বাঞ্ছনীয় কিবা এটাক চৰম আঘাত কৰে। তাৰোপৰি ই সকলো প্ৰকাৰৰ বাধা আৰোপ কৰা নৈতিকতাৰ দৰে মানৱ জীৱনত আৰক্ষীৰ দৃষ্টিভঙ্গী উন্নীত কৰে— আন কথাত ক'বলৈ গ'লে ই কিবা এটাক বাধা দিয়াৰ বাবে সুযোগ চাই ফুৰে।

এই সকলোবোৰ কাৰণত, তাৰ বহুতো কাৰণ নিসন্দেহে ভাল দিশৰ লগত জড়িত, বিয়া বৰ জটিল হৈ পৰিছে ; আৰু বিয়া যদি সুখৰ বাটত কণ্টক হ'ব নালাগে কিবা নতুন উপায় উদ্ভাৱন কৰিবই লাগিব। এক সমাধাৰ কথা প্ৰায়েই আঙুলিওৱা হয়, যিটো প্ৰয়োগ কৰিবলৈ আমেৰিকাত সজোৰ প্ৰচেষ্টা চলোৱা হৈছে— সেইটো হৈছে সহজ বিবাহ বিচ্ছেদ। মোৰ মত অৱশ্যে পৃথক, আৰু সকলো মানৱীয় গুণসম্পন্ন লোকে মোৰ মতক সমৰ্থন কৰা উচিত। মোৰ মতে এটাতকৈ বেছি কাৰণত বিবাহ বিচ্ছেদৰ অনুমোদন দিয়াৰ পৰিৱৰ্তে, কেবাটাও কাৰণতহে সেই অনুমোদন দিয়া উচিত। ইংলিছ আইনে কিন্তু এটা কাৰণতে বিচ্ছেদত অনুমোদন দিয়ে। কিন্তু সহজ বিবাহ বিচ্ছেদ বৈবাহিক সমস্যাৰ সমাধান বুলি মই নাভাবোঁ। ল'ৰা-ছোৱালী নোহোৱা কাৰণত, যদিও দুয়োপক্ষই ভদ্ৰভাৱেই চলি থাকে, বিবাহ বিচ্ছেদ শুদ্ধ সমাধান হ'ব পাৰে। কিন্তু ল'ৰা-ছোৱালী হোৱাৰ পিছত দাম্পত্য জীৱন সুস্থিৰ হোৱাটো বেছ গুৰুত্বপূৰ্ণ কথা (এই বিষয়টো পৰিয়াল সম্পৰ্কত পুনৰ আলোচনা কৰা হ'ব)। মই ভাবোঁ যে যি বিয়া সফল হয় আৰু তাত দুয়ো পক্ষই ভদ্ৰ ব্যৱহাৰৰ মাজেৰে সুন্দৰভাৱে জীৱন অতিবাহিত কৰে, তেতিয়া আশা কৰিব পৰা যায় যে তেনে বিয়া আজীৱন প্ৰবাহিত কৰিব লাগে আৰু লগতে যৌন সম্পৰ্কও বজাই ৰাখিব লাগে। যি বিয়া আৱেগিক প্ৰেমেৰে পাতনি মেলে আৰু ইচ্ছা কৰা অনুসৰি ল'ৰা-ছোৱালীৰ জন্ম হয়, আৰু সিহঁতৰ মৰম-চেনেহো প্ৰবাহিত হয়, তেনে বিয়াই স্বামী-স্ত্ৰীক এনে এক গভীৰ বান্ধোনেৰে বান্ধ খুৱাই ৰাখিব লাগে যাতে তেওঁলোকে অনুভৱ কৰে যে তেওঁলোকৰ সম্বন্ধ অসীমভাৱে মূল্যবান। সেই মূল্য যৌন আৱেগ

* অনুবাদ- ড যোগেন্দ্ৰ নাথ

শেষ হোৱাৰ পিছতো বা কোনোবা পক্ষই আনৰ প্ৰতি আকৰ্ষিত হোৱাৰ পিছতো স্থায়ী হৈ ৰয়। প্ৰেমৰ পৰিপক্কতাত ঈৰ্ষাই বাধা স্বৰূপ হৈ পৰে ; কিন্তু ঈৰ্ষা যদিও এক প্ৰবৃত্তি আৰু উদ্দীপনা, তাকো নিয়ন্ত্ৰণ কৰিব পৰা যায় যদি তাক বেয়া প্ৰবৃত্তি বুলি ধৰা হয়। এহাল পুৰুষ-নাৰীৰ মাজৰ বন্ধুত্ব প্ৰথম অৱস্থাত অতি আনন্দদায়ক হ'লেও মূল্যবোধৰ ফালৰ পৰা বেছি চহকী হ'ব নোৱাৰে, কিন্তু নানা ধুমুহাৰ মাজেৰে যেতিয়া সেই বন্ধুত্ব ধীৰ-স্থিৰভাৱে বহু বছৰ ধৰি আগবাঢ়ি যায় তেতিয়াহে তাৰ প্ৰমূল্য উপলব্ধি কৰিব পৰা যায়। সময়ে কেনেকৈ প্ৰমূল্য বঢ়াব পাৰে তাকে বুজি পোৱা ব্যক্তিয়ে সেই বন্ধুত্বক আন কাৰোবাৰ প্ৰতি আকৰ্ষিত হৈ দলিয়াই পেলাব নোৱাৰে।

গতিকে সভ্য পুৰুষ-নাৰীয়ে বৈবাহিক জীৱনক শান্তিময় কৰি গঢ়ি তোলাটো সম্ভৱপৰ। আৰু তেনে জীৱন পাবলৈ হ'লে কেইটামান চৰ্ত পূৰণ কৰিব লাগিব। দুয়ো পক্ষৰ মাজত সম্পূৰ্ণ মমতাৰ ভাব থাকিব লাগিব ; পাৰস্পৰিক স্বাধীনতাত কোনো পক্ষই হস্তক্ষেপ কৰিব নোৱাৰিব ; দুয়োৰে মাজত সম্পূৰ্ণ মানসিক আৰু দৈহিক সান্নিধ্য থাকিবই লাগিব ; আৰু দুয়োৰে মূল্যমানৰ কিছু সাদৃশ্য থাকিব লাগিব। (উদাহৰণ— এজন যদি ধনৰ কাৰণে আগ্ৰহী আৰু আনজন সৎ কামৰ কাৰণে আগ্ৰহী তেনেহ'লে তাৰ ফল হ'ব মাৰাত্মক।) এই সকলোবোৰ গুণ থাকিলে দুজন ব্যক্তিৰ মাজত হ'ব পৰা শ্ৰেষ্ঠ সম্পৰ্ক গঢ়ি তোলাত বিয়াই হৈছে শ্ৰেষ্ঠ আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ অনুষ্ঠান। এতিয়ালৈকে যদি তাক উপলব্ধি কৰিব পৰা হোৱা নাই, তাৰ কাৰণ হ'ল যে স্বামী আৰু স্ত্ৰীয়ে পৰস্পৰে পুলিচ বুলি ধৰি লোৱাটো। বিয়াই যদি আশা-প্ৰত্যাশাবোৰ পূৰণ কৰিব বিচাৰে স্ত্ৰী-পুৰুষে বুজিবলৈ শিকিব লাগিব ; আইনে যিয়েই নকওক কিয়, তেওঁলোকৰ ব্যক্তিগত জীৱন সম্পূৰ্ণৰূপে স্বতন্ত্ৰ।

কদাপি নাথাকো সেই মহান ফৈদত যাৰ ধৰ্ম্ম হ'ল—বাছি লোৱা প্ৰত্যেকেই জনতাৰ মাজৰ পৰাই পত্নী বা বন্ধু-জ্ঞানী বা ভাল হলেও, আনবোৰে লৈ যাৰ শীতল পাহৰণি লৈ যদিও এটাই ধৰ্ম্ম পুৰনৈয়ে টানি অনা আধুনিক নৈতিকতাই সেই আলি দৈসেই আগবাঢ়ে ক্লান্ত দাসবোৰে মৃতক সকলৰ লগত গৃহমুখী খোজ আৰু তেনেকৈয়ে জগতৰ বিশাল ৰাজ আলিৰে একেদাল ৰচিৰে বন্ধা বন্ধু আৰু ঈৰ্ষান্বিত বন্ধুৱে খোজ লয় দীৰ্ঘতম নৈৰানন্দ যাত্ৰাত।

একাদশ অধ্যায়
বেশ্যাবৃত্তি

সম্মানীয় মহিলাৰ গুণৰাশিক যেতিয়া গুৰুত্বপূৰ্ণ বুলি ধৰি লোৱা হয় তেতিয়াৰে বিয়া নামৰ অনুষ্ঠানটোৰ লগত যোগ দিব লাগিব আন এটা অনুষ্ঠান, যিটো বিয়া অনুষ্ঠানৰেই অংশ— সেই অনুষ্ঠানটো হ'ল বেশ্যাবৃত্তি। লেকীৰ বক্তৃতাৰ বিখ্যাত কথাখিনি চাগৈ সকলোৰে মনত আছে, য'ত তেওঁ কৈছে যে আমাৰ পৰিয়ালৰ পবিত্ৰতা ৰক্ষা কৰিবলৈ হ'লে আৰু আমাৰ পত্নী আৰু কন্যাবোৰৰ অজ্ঞতা বচাই ৰাখিবলৈ হ'লে বেশ্যালয় অতি প্ৰয়োজনীয়। এই ধৰণৰ যুক্তি হৈছে ভিক্টোৰীয় যুগৰ বৈশিষ্ট্য, ইয়াৰ প্ৰকাশভঙ্গী পৰম্পৰাগত, কিন্তু যুক্তিটো অপ্ৰত্যাখ্যানীয়। নৈতিকতাবাদীসকলে লেকীক দোষাৰোপ কৰিছিল আৰু তেওঁৰ তেনে মন্তব্যক মিছা বুলি প্ৰমাণ কৰিব নোৱাৰিলেও তেওঁলোক লেকীৰ ওপৰত ক্ৰোধান্বিত হৈছিল। তেওঁলোকে স্পষ্ট কৈ দিছিল, যিটো হয়তো সত্যও, যে মানুহে তেওঁৰ শিক্ষা মানি চলিলে বেশ্যাৰ প্ৰয়োজন নাথাকিব, কিন্তু তেওঁ ভালদৰে জানে যে তেওঁলোকে তেওঁৰ উপদেশ নামানে ; গতিকে মানি চলিলে কি হ'লহেতেন সেই কথা অবান্তৰ।

বেশ্যালয়ৰ প্ৰয়োজন এই কাৰণেই হয় যে বহুত মানুহ অবিবাহিত, বা অনেকে ভ্ৰমণ কৰিবলৈ বাহিৰলৈ যায় আৰু নিজ পত্নীৰ পৰা বহুত আঁতৰত থাকে, তেনেবোৰ মানুহে আত্ম সংযম কৰিব নিবিচাৰিলে, আনহাতে পৰম্পৰাগত সৎ সমাজত ভাল পৰিয়ালৰ মহিলাও পাব পৰা বিধৰ নহয়। গতিকে তেনেবোৰ মানুহৰ বাবে সমাজে এক বিশেষ শ্ৰেণীৰ মহিলাক আছুতীয়াকৈ স্থাপন কৰি দিয়ে। উক্ত পুৰুষবোৰে কামনা চৰিতাৰ্থ নকৰাকৈও থাকিব নোৱাৰে, অথচ সেই কামনাৰ বিষয়ে আনক জানিবলৈও নিদিয়ে। বেশ্যাৰ ক্ষেত্ৰত এটা সুবিধা আছে তেওঁলোকক সহজে পোৱাৰ ওপৰি তেওঁলোকে নিজকে লোকদৃষ্টিৰ পৰা আঁতৰত থাকিব পাৰে, কিয়নো পেছাৰ বাহিৰে তেওঁলোকৰ অন্য জীৱন নাই। তাৰোপৰি সেই গোপনীয়তা থকাৰ বাবে বেশ্যাগামী পুৰুষেও নিজ পৰিয়াল, নিজ পত্নী আৰু নিজৰ গীৰ্জালৈও সসন্মানে যাব পাৰে। বেশ্যা এগৰাকীয়ে সন্দেহাতীত সেৱা আগবঢ়োৱা সত্বেও, নিজ পত্নী-কন্যাৰ সতীত্বক সুৰক্ষা দিয়া সত্বেও আৰু গীৰ্জাৰ ৱাৰ্ডেনৰ ধৰ্ম ৰক্ষা কৰা সত্বেও তেওঁক সাৰ্বজনীনভাৱে ঘিণ কৰে, সমাজচ্যুত বুলি ধৰা হয় আৰু পেছাৰ খাতিৰত মানুহৰ

লগত লগ লাগিব দিয়াৰ বাহিৰে সাধাৰণ মানুহৰ লগত সম্পৰ্ক ৰাখিব দিয়া নহয়। বেশ্যাৰ প্ৰতি এনে দেখ দেখ অন্যায় খ্ৰীষ্ট ধৰ্মৰ জয়ৰ লগে লগে আৰম্ভ হয়। সেই পৰম্পৰা বৰ্তমানলৈ চলি আছে। বেশ্যাই প্ৰকৃত দোষ এয়েই যে তেওঁলোকে নৈতিকতাবাদীসকলৰ পেছাক নঙঠা কৰি দেখুৱাই দিয়ে। ফ্ৰয়দীয় চেন্সৰে অৱচেতন জগতলৈ নিৰ্বাসন দিয়ে। সেই নিৰ্বাসনৰ বাবেই বেশ্যাৰ অনিচ্ছাকৃত প্ৰতিশোধ লয় মাজ নিশাৰ ৰাজআলিত প্ৰায়েই শুনো গাভৰু বেশ্যাই দিয়া অভিশাপৰ নৱজাত শিশুক বজ্ৰধ্বনিয়ে কৰে চিৰাচিৰ আৰু বিয়াৰ সমাধিলৈ আনে প্লেগৰ নিনাদ। অতীতত বেশ্যাবৃত্তিক আজিৰ দৰে ঘিণ কৰি লুকুৱাই ৰখা নাছিল। ইয়াৰ আৰম্ভণি প্ৰকৃততে উচ্চ আছিল। মূলতে বেশ্যা আছিল ধৰ্ম প্ৰচাৰিকা, যিয়ে নিজকে কোনো দেৱ-দেৱীত উচৰ্গা কৰিছিল আৰু ওচৰৰে পাৰ হৈ যোৱা অচিনাকি মানুহলৈ সেৱা আগবঢ়াইছিল। সেই যুগত তেওঁক সন্মান সহকাৰে ব্যৱহাৰ কৰিছিল আৰু সন্মান কৰিছিল। খ্ৰীষ্টীয় ফাদাৰসকলে এই প্ৰথাটোক গালি পাৰি বহুতো পৃষ্ঠা ভৰাই পেলাইছিল আৰু প্ৰমাণ কৰিবলৈ বিচাৰিছিল যে এই অনুষ্ঠানটো হৈছে পেগানসকলৰ যৌনতাৰ পূজা আৰু চয়তানৰ ধুৰন্ধামি। মন্দিৰবোৰ বন্ধ কৰি দিয়া হৈছিল আৰু অনেক ঠাইত ইতিমধ্যে থকাৰ দৰে বেশ্যাবৃত্তি মুনাফা লাভৰ বাবে কৰা ব্যৱসায়ত পৰিণত হৈছিল; সেই মুনাফা অৱশ্যে বেশ্যাৰ হোৱা নাছিল, মুনাফা হৈছিল তেওঁলোকৰ প্ৰভুসকলৰ, যিসকলে তেওঁলোকক দাসী হিচাপে ৰাখিছিল। কিয়নো অতি সাম্প্ৰতিক কাললৈ ব্যক্তিগত বেশ্যা নাছিল বুলিয়েই ক'ব পাৰি, তাৰ বাহিৰে সকলো বেশ্যাই বেশ্যালয়ত ৰাজহুৱা স্নানাগাৰত আৰু দুৰ্নামী অনুষ্ঠানত বাস কৰে। ভাৰতত পবিত্ৰ বেশ্যাৰ পৰা ব্যৱসায়িক বেশ্যালৈ ৰূপান্তৰিত হোৱা পদ্ধতি এতিয়াও সম্পূৰ্ণ হোৱা নাই। মাদাৰ ইণ্ডিয়াৰ লেখিকা কেথেৰীন মেয়োৱে ধৰ্মীয় বেশ্যালয়ৰ পুনৰুত্থান বুলি মন্তব্য কৰাটোৱেই দেশখনৰ প্ৰতি তেওঁৰ অৱজ্ঞা থকা বুলি অভিযোগৰ এটি কাৰণ।

দক্ষিণ আমেৰিকাক বাদ দি বেশ্যাবৃত্তি প্ৰায় সকলো ঠাইতে হ্ৰাস পাই আহিছে; ইয়াৰ আংশিক কাৰণ নিঃসন্দেহে মহিলাৰ জীৱিকাৰ বাবে নানা উপায় উদ্ভাৱন আৰু আংশিক কাৰণ বিবাহ বন্ধনৰ বাহিৰত মহিলাই যৌন সম্পৰ্ক স্থাপন কৰাৰ ইচ্ছা প্ৰকাশ। সেই ইচ্ছা ব্যৱসায়িক ইচ্ছা নহয়, সি স্বতঃস্ফূৰ্ত। তথাপি মই ভাবো বেশ্যাবৃত্তি সম্পূৰ্ণৰূপে লোপ নাপাব। উদাহৰণস্বৰূপে নাবিকবোৰৰ কথাকে ল'ব পৰা যায়। দীঘলীয়া সমুদ্ৰ ভ্ৰমণৰ পিছত যেতিয়া পাৰলৈ উঠি আহে তেতিয়া কোনো নাৰীক প্ৰেম আবেদন কৰাৰ সময় তেওঁলোকৰ নাই যে মৰম বিচাৰি তেনে নাৰীৰ ওচৰলৈ যাব। বিয়াক লৈ সুখী নোহোৱা কিছুমান পুৰুষ আছে, যিয়ে তেওঁলোকৰ পত্নীক

ভয় কৰে। তেনেবোৰ মানুহ যেতিয়া বাহিৰলৈ ওলাই যায় তেতিয়া জটিলতাৰ পৰা মুক্ত হ'বলৈ বিচাৰে আৰু মনস্তাত্ত্বিক দায়বদ্ধতাৰ পৰা ওলাই গৈ মুক্ত সঙ্গ আনন্দ লাভ কৰিব বিচাৰে। হ'লেও বেশ্যাৰ সংখ্যা পাৰ্যমানে হ্ৰাস কৰাৰ যুক্তি আছে। ইয়াত তিনিটা গভীৰ আপত্তি আছে ঃ প্ৰথম, ৰাজহুৱা স্বাস্থ্য বিপদাপন্ন হোৱাৰ ভয়; দ্বিতীয়, পুৰুষৰ মনস্তাত্ত্বিক বিকৃতি আৰু তৃতীয়, নাৰীৰ মনস্তাত্ত্বিক বিকৃতি।

এই তিনিটাৰ ভিতৰত ৰাজহুৱা স্বাস্থ্যই হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ। সঁচা কথা যে মূলতঃ বেশ্যাৰ পৰাই যৌন ৰোগ বিয়পে। চিকিৎসাৰ দিশৰ পৰা বেশ্যাক পঞ্জীয়নভুক্ত কৰা আৰু চৰকাৰে বেশ্যালয় পৰিদৰ্শন কৰা কাৰ্য পূৰাদমে চিকিৎসাৰ দৃষ্টিকোণৰ পৰা কৃতকাৰ্য হোৱা পৰিলক্ষিত নহয়। তাৰোপৰি বেশ্যালয়ৰ ওপৰত আৰক্ষীক যি কৰ্তৃত্ব দিয়া হৈছে, তাৰ ফলত আন সাধাৰণ মহিলাৰ ওপৰতো অপব্যৱহাৰ হোৱাৰ সম্ভাৱনা আছে, কিয়নো তেনে মহিলাকো বিনা কাৰণতে বেশ্যাৰ শ্ৰেণীভুক্ত কৰিব পাৰে। এইবোৰে ইঙ্গিত বহন কৰে যে বেশ্যাৰ ওপৰত পুলিচী নিয়ন্ত্ৰণৰ অসৎ ব্যৱহাৰৰ সম্ভাৱনা বেছি। যৌন ব্যাধিক পাপৰ উপযুক্ত শাস্তি বুলি বিশ্বাস কৰিবলৈ এৰি দিলে বৰ্তমানতকৈ ভালদৰে এই ৰোগ নিয়ন্ত্ৰণ কৰিব পৰা যায়। ৰোগে আক্ৰমণ কৰাৰ আগেয়ে প্ৰতিষেধক চিকিৎসাৰ বাবে সজাগ হ'লে এই ৰোগ হ্ৰাস কৰাৰ যথেষ্ট সম্ভাৱনা লোৱাটো অনেকৰ মতে অবাঞ্ছনীয়; কিয়নো তেনে পদক্ষেপে পাপক উদ্‌গনিহে দিব। আৰু যৌন ৰোগাক্ৰান্তসকলে যথাসময়ত চিকিৎসা নকৰে, কিয়নো তেনে ধৰণৰ ৰোগ অপমানসূচক বুলি অনেকে ধৰি লয়, ফলত তাক এক লজ্জাজনক ৰোগ বুলি মানুহে ধৰি লয়। অৱশ্যে এই সন্দৰ্ভত সমাজৰ দৃষ্টিভঙ্গী আগতকৈ অনেক ভাললৈ আহিছে ; পৰিস্থিতি আৰু যদি ভালকৈ আহে যৌন ৰোগক বহুপৰিমাণে নিয়ন্ত্ৰণত ৰাখিব পৰা যাব। যিয়েই নহওক যিমান দিনলৈ বেশ্যাবৃত্তি চলিব, তেতিয়ালৈ সাধাৰণ যৌন ৰোগতকৈও বেছি মাৰাত্মক ৰোগৰ জন্ম হোৱাটো নিশ্চিত।

বৰ্তমান বেশ্যাবৃত্তি যি পৰিস্থিতিত বাচি আছে সি বাঞ্ছনীয় নহয়। যৌন ৰোগ বিয়পোৱাৰ ক্ষেত্ৰত এইটো বৃত্তিক গলোৱা সীহৰ লগত কাম কৰাৰ লগত তুলনা কৰিব পাৰি; তাৰোপৰি এই বৃত্তিটোৱে মানুহক মানসিকভাৱে দুৰ্বল কৰে। ই মানুহক এলেহুৱা কৰাৰ উপৰি সুৰাসক্ত কৰি তোলে। এই বৃত্তিৰ আটাইতকৈ বেয়া দিশটো হ'ল, বেশ্যাক সাৰ্বজনীনভাৱে আনকি বেশ্যাগামীসকলেও ঘিণ কৰাটো। এই জীৱন আৱেগ-অনুভূতিবিহীন জীৱন, এগৰাকী সন্ন্যাসিনীৰ দৰেই আৱেগ অনুভূতিবিহীন জীৱন। এই সকলোবোৰৰ কাৰণে খ্ৰীষ্টীয় দেশবোৰত এই বৃত্তি বিশেষভাৱে অবাঞ্ছনীয়।

জাপানত অৱশ্যে এই বিষয়টো অলপ বেলেগ ধৰণৰ। তাত বেশ্যাবৃত্তিক সমাজে স্বীকৃতি দিয়ে আৰু ব্যৱসায়টোক আন জীৱিকাৰ দৰে সন্মান কৰে; আনকি আন পেছাৰ নিচিনাকৈ পিতৃ-মাতৃৰ নির্দেশ মতে ছোৱালীয়ে বেশ্যাবৃত্তি অৱলম্বন কৰে। এই বৃত্তিৰ জৰিয়তে ছোৱালীয়ে বিয়াৰ যৌতুক সংগ্ৰহ কৰা পৰিলক্ষিত হয়। কোনো কোনো পণ্ডিতে কয় যে জাপানীসকলে চিফিলিচ ৰোধ কৰিব পৰাকৈ দৈহিক শক্তি আহৰণ কৰিছে। গতিকে নৈতিকতাত গোড়া দেশত হোৱাৰ দৰে জাপানত ই ইমান ঘৃণনীয় আৰু নীচ বৃত্তি নহয়। গতিকে বেশ্যাবৃত্তি যদি চলিয়েই থাকিবলগীয়া হয়, সেই বৃত্তি ইউৰোপত প্ৰচলিত ৰূপত নচলি জাপানত প্ৰচলিত ৰূপতহে চলা উচিত। এটা কথা স্পষ্ট যে যি দেশৰ নৈতিকতাত সমাজ যিমানেই কঠোৰ, বেশ্যাৰ জীৱন সিমানেই বেছি অপমানসূচক হ'ব।

বেশ্যাৰ লগত সংস্ৰৱ যদি অভ্যাসত পৰিণত হৈ দীৰ্ঘদিনীয়া হয়, তেনে লোকৰ মনতো এক মনস্তাত্ত্বিক বেয়া আচোৰ পৰে। তেনে লোকৰ মনলৈ এনে এক ধাৰণা আহে যে যৌন সঙ্গমৰ বাবে নাৰীক মৰম কৰি জগাই তোলাৰ প্ৰয়োজন নাই। তাৰোপৰি তেওঁলোকে যদি নৈতিক প্ৰথা মানি চলে যিকোনো সঙ্গম-সঙ্গীকেই ঘিণ কৰাৰ মানসিকতা বাঢ়ি যায়, তেনে লোকৰ বিয়াৰ পিচত আৰু প্ৰতিক্ৰিয়া দুৰ্ভাগ্যজনক হয় দুই ধৰণে ঃ নিজ পত্নীক বেশ্যাৰূপে দেখাৰ মানসিকতা, আনহাতে বিপৰীতমুখী হৈ নিজ পত্নীক দেৱীৰূপে চোৱাৰ মানসিকতা। কিছুমান লোকে নিজে গভীৰভাৱে ভালপোৱা আৰু সন্মান কৰা মহিলাৰ লগত যৌন সঙ্গম কৰিব নোৱাৰে। ফ্ৰয়দ পন্থীসকলে ইয়াক অ'দিপাচ জটিলতাৰ লগত সাঙুৰিব খোজে, কিন্তু মই ভাৱো, তেনেবোৰ লোকে বেশ্যা আৰু আন নাৰীৰ মাজত মানস-চক্ষুৰে দেখা বিশাল পাৰ্থক্যৰ ফল। এইদৰে চৰম সীমালৈ নগৈ ক'ব পৰা যায় যে বহুতো পুৰুষে বিশেষকৈ পুৰণি চামৰ পুৰুষে তেওঁলোকৰ পত্নীসকলক ইমান অতিৰঞ্জিতভাৱে সন্মান কৰে যে মনস্তাত্ত্বিকভাৱে তেওঁলোকক সতীলৈ ৰূপান্তৰিত কৰে যাৰ লগত সঙ্গসানন্দ লাভ কৰিব পৰা নাযায়। ঠিক বিপৰীত ভূতটো আবিৰ্ভাৱ হয় যেতিয়া মানুহে নিজ পত্নীক বেশ্যা ৰূপত দেখিবলৈ আৰম্ভ কৰে। সঙ্গম যে দুয়ো পক্ষৰ ইচ্ছাতহে হোৱা উচিত আৰু তাৰ বাবে প্ৰেম নিবেদন যে অত্যাৱশ্যক এনে দৃষ্টিভঙ্গীয়ে সেইকথা পাহৰাই দিয়ে। তাৰ ফলত পুৰুষক নিজ পত্নীৰ প্ৰতি হিংসাত্মক আৰু পাশৱিক কৰি তোলে আৰু নাৰীগৰাকীৰ মনত এক মচিব নোৱাৰা বিতৃষ্ণাই গঢ় লৈ উঠে।

যৌন সম্পৰ্কত আৰ্থিক দিশটো জড়িত হ'লে তাৰ এক বিষময় প্ৰতিক্ৰিয়া হয়। যৌন সম্পৰ্ক সদায় দুয়োপক্ষৰ আনন্দৰ বাবে হোৱা উচিত আৰু তাৰ বাবে দুয়ো পক্ষই স্বতঃস্ফূৰ্তভাৱে আগবঢ়া উচিত। যি সঙ্গমত এই গুণবোৰ নাই তাৰ সঙ্গম মূল্যও

হেৰাই যায়। আন এজন ব্যক্তিক তেনে নিকটতম সম্পৰ্কত জড়িত কৰিলে জানিব লাগিব যে তাত মানৱীয় স্পৰ্শ নাই— তেনে পৰিস্থিতিতেই জন্ম হয় নৈতিকতাৰ। সচেতন ব্যক্তি এজনৰ বাবে তেনে কাৰ্য কোনোপধ্যে আকৰ্ষণীয় হ'ব নোৱাৰে; তথাপি যদি ইন্দ্ৰিয়ৰ তাৰণাত পৰি কৰিবলগীয়া হয় অনুতাপত ভুগিবলগীয়া হ'ব পাৰে, আৰু তেনে অনুতাপেই মূল্যায়নত খেলিমেলিৰ সৃষ্টি কৰে। এনে পৰিস্থিতি অকল বেশ্যাৰ ক্ষেত্ৰতেই নহয়, অনেক বিয়াৰ ক্ষেত্ৰতো একে পৰিস্থিতিকেই দেখা যায়। নাৰীৰ ক্ষেত্ৰত সাধাৰণতে বিয়াই জীৱিকাৰ পথ আৰু বোধহয় নাৰীয়ে অনিচ্ছাসত্ত্বেও যৌন কৰ্মত প্ৰবৃত্ত হ'বলগীয়া হোৱাটো বেশ্যাতকৈ সাধাৰণ মহিলাৰ ক্ষেত্ৰত বেছি হ'ব। যৌন সম্পৰ্কীয় নীতি, যদি সি অন্ধবিশ্বাসৰ পৰা মুক্ত, সেয়া হৈছে আনজনক সন্মান কৰাটো আৰু আনজনৰ অনিচ্ছা থাকিলে নিজৰ কামনা চৰিতাৰ্থ কৰাৰ পৰা বিৰত থকাটো। বেশ্যা বৃত্তিয়ে এই নীতিৰ বিৰুদ্ধে কাম কৰাৰ বাবে বেশ্যা সদায় অবাঞ্ছনীয় তেহেলৈ বেশ্যাৰ প্ৰতি সন্মান থাককেই বা যৌন ৰোগৰ পৰা অব্যাহতি পাওকেই।

বেশ্যাবৃত্তিৰ ওপৰত দিয়া মনোগ্ৰাহী বৰ্ণনাত হেৱলক এলীচে এই বৃত্তিক সমৰ্থন কৰিছে; মই কিন্তু ভাবো ই শুদ্ধ নহয়। তেওঁ আলোচনাৰ পাতনি মেলিছে সঙ্গমৰ শেষৰ ফালে হোৱা উন্মুক্ততাৰে। এই উন্মুক্ততা আদিম সভ্যতাৰ পৰাই চলি আহিছে আৰু ইয়াক এক নিয়ন্ত্ৰণহীন আবেগে সৃষ্টি কৰে ; অথচ আন সময়ত সেই আৱেগক নিয়ন্ত্ৰণ কৰিব পৰা যায়। তেওঁৰ মতে এই উন্মুক্ততাৰ বাবেই বেশ্যা বৃত্তি গঢ়ি উঠিছিল আৰু অতীতত উন্মুক্ততাই যি কাম কৰিছিল এতিয়া বেশ্যাই সেই কাম কৰে। এলীচে ক'ব খোজে, বহুতো লোকে পৰম্পৰাগত বিয়াৰ সঙ্কোচ, আনুষ্ঠানিকতা, ভদ্ৰতা আদিৰ বাবে সঙ্গসানন্দ উপভোগ কৰিব নোৱাৰে আৰু সেই কাৰণে মাজে-সময়ে বেশ্যাৰ ওচৰলৈ গৈ তাতোকৈ মাৰাত্মক অসামাজিক কামৰ পৰা বিৰত থাকিব বিচাৰে। শেষ বিশ্লেষণত দেখা যায় যে তেওঁৰ যুক্তি লেকীৰ যুক্তিৰে আধুনিক ৰূপ। সঙ্কোচবিহীন যৌন জীৱন-যাপন কৰা নাৰীসকলেও হেৱলক এলীচে উল্লেখ কৰা আৱেগৰ বশৱৰ্তী হয় আৰু যদি তেওঁলোকৰ যৌন জীৱন উন্মুক্ত হ'লহেঁতেন, পুৰুষে তেওঁলোকৰ আৱেগত সুখ উপভোগ কৰিব পাৰিলে হয় আৰু তেতিয়া পেছাদাৰী বেশ্যাৰ কাষলৈ গৈ পইচা খৰচ কৰিবলগীয়া নহ'ল হয়। নাৰীৰ যৌন স্বাধীনতাৰ পৰা এইটোৱেই ডাঙৰ উপকাৰ হ'ব বুলি আশা কৰিব পাৰি। মই যিমানখিনি বুজিব পাৰিছো যিসকলে নাৰীৰ যৌন সম্পৰ্কীয় দৰ্শন পৰম্পৰাগত নিষেধাজ্ঞাৰ দ্বাৰা প্ৰভাবান্বিত নহয়, তেওঁলোকে বিয়াৰ জৰিয়তে ভিক্টোৰীয় যুগতকৈ সুখ বেছি পালে হয় আৰু আনকো দিব পাৰিলে হয়। য'তেই পুৰণি নৈতিক ৰীতিৰ পতন ঘটিছে, তাতেই বেশ্যাবৃত্তি শেষ হৈ আহিছে। আগেয়ে এজন যুৱকে বেশ্যালয়লৈ যাবলগীয়া

হৈছিল। এতিয়া নিজৰ শ্ৰেণীৰ যুৱতীৰ লগত যৌন সম্পৰ্ক গঢ়ি তুলিব পাৰে আৰু এই ক্ষেত্ৰত দুয়ো পক্ষই মুক্ত, আৰু ইয়াত আছে শাৰীৰিক দিশটোৰ দৰে এক মনস্তাত্বিক গুণ; আৰু এই সম্বন্ধত দুয়োপক্ষৰ পৰাই গঢ়ি উঠে এক আবেগিক ভালপোৱা। যিকোনো শুদ্ধ নৈতিকতাৰ ফালৰ পৰা চালেও দেখা যায় যে পুৰণি প্ৰথাতকৈ ইয়াৰ বহুত বেছি যোগাত্মক বৈশিষ্ট্য আছে। বৰ্তমানৰ পৰিস্থিতিক লৈ নৈতিকতাবাদীসকলে অনুতাপ কৰে, কিয়নো বৰ্তমান পৰিস্থিতিত কিছু কথা লুকুওৱাৰ সুযোগ নাই। কিন্তু নৈতিকতাৰ এইটো প্ৰথম দৰ্শন হ'ব নোৱাৰে যে ধৰ্মৰ বিশেষ দিশ এটাৰ অৱসান ঘটাটো তেওঁলোকে সহ্য কৰিব নালাগে। আজি যুৱক-যুৱতীসকলৰ মাজত যি স্বাধীনতা বিৰাজ কৰিছে, মই ভাবো ই এক আনন্দৰ বিষয় আৰু এই স্বাধীনতাই নতুন প্ৰজন্ম এটাৰ জন্ম দিব, যিটো প্ৰজন্মৰ পুৰুষবোৰ হ'ব পাশৱিকতাবিহীন আৰু নাৰী হ'ব অপ্ৰয়োজনীয়ভাৱে পাতল ধৰণৰ আকোৰগোজ। যিসকলে এই নতুন স্বাধীনতাৰ বিৰোধিতা কৰে, তেওঁলোকেই অসম্ভৱ ধৰণৰ গোড়া নীতিৰ একমাত্ৰ সুৰক্ষা হিচাপে বেশ্যাবৃত্তি চলি থকাৰ বাবে ওকালতি কৰে।

দ্বাদশ অধ্যায়
পৰীক্ষামূলক বিয়া

যুক্তিগত নীতিৰ দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে সন্তান জন্ম দিয়াৰ প্ৰশ্ন নাথাকিলে বিয়া আজিৰ ৰূপত নেদেখিলো হয়। বন্ধ্যা বিয়া এখন সহজে বিচ্ছেদ হোৱা উচিত, কিয়নো সন্তানৰ জৰিয়তেহে সমাজত যৌন সম্পৰ্কৰ গুৰুত্ব বাঢ়ি যায় আৰু লগতে আইনে স্বীকৃতি দিয়ে। এই মত কিন্তু গীৰ্জাৰ নহয়, কিয়নো ছেইণ্ট পলৰ দ্বাৰা প্ৰভাৱিত হৈ বিয়াক সন্তান জন্ম দিয়া অনুষ্ঠানৰ পৰিবৰ্তে অবিবাহিতৰ মাজৰ সঙ্গমৰ বিকল্প হিচাপেহে স্বীকৃতি দিছে। সাম্প্ৰতিক কালত পুৰোহিতসকলেও জানে যে অনেক ডেকা-গাভৰুৱে বিয়াৰ আগদিনলৈ সঙ্গমৰ অভিজ্ঞতা নোলোৱাকৈ থাকিব নিবিচাৰে। ল'ৰাৰ ক্ষেত্ৰত সেই স্খলন যদি বেশ্যাৰ লগত হয় আৰু তাক গোপনে ৰাখিব পৰা যায়। কিন্তু ছোৱালীৰ ক্ষেত্ৰত যেতিয়া তেনে ঘটে, পৰম্পৰাগত নৈতিকতাবাদীসকলে ভাৱে যে সেই স্খলন তেওঁলোকে সহ্য কৰিব পৰাতকৈ বেছি হেয় অপৰাধ। তথাপি ইংলেণ্ড, জাৰ্মানী, স্কান্দিনেভিয়া আৰু আমেৰিকাত যুদ্ধৰ পিছৰ পৰাই এক পৰিৱৰ্তনৰ বা বলিছে। সন্মানীয় পৰিয়ালৰ অনেক ছোৱালীয়ে ভাবিবলৈ লৈছে যে বিয়াৰ আগলৈ সতীত্ব ৰক্ষাৰ কোনো প্ৰয়োজন নাই, আৰু ডেকা ল'ৰাবোৰে বেশ্যাৰ কাষ চপাৰ পৰিৱৰ্তে সেই শ্ৰেণীৰ ছোৱালীৰ লগত যৌন সম্পৰ্ক কৰে, আৰু ধনী ঘৰৰ হ'লে বিয়াও কৰিব পাৰে। এই পৰিস্থিতিটো ইংলেণ্ডতকৈ আমেৰিকা আৰু আগবঢ়া যেন লাগে, আৰু ইয়াৰ কাৰণ হ'ল নিষেধাজ্ঞা আৰু মটৰ গাড়ী। 'নিষেধাজ্ঞাৰ' কাৰণে ভদ্ৰতা ৰক্ষাৰ খাতিৰত স্ফূৰ্তিৰ অনুষ্ঠানত সকলোৱে সুৰাপান কৰাটো এক নীতিত পৰিণত হৈছে। আৰু সৰহসংখ্যক গাভৰুৰে গাড়ী থকাৰ ফলত নিজৰ প্ৰেমিকক লৈ মাক-দেউতাক আৰু ওচৰ-চুবুৰীয়াৰ দৃষ্টি এৰাবলৈ বহুত দূৰলৈ যাব পৰা হৈছে। তাৰ ফলশ্ৰুতিত হ'ব পৰা পৰিস্থিতিটো জাজ লীণ্ডচেৰ কিতাপত[১] বৰ্ণিত হৈছে। বয়সিয়ালসকলে তেওঁক দোষাৰোপ কৰে কিয়নো সেই বৰ্ণনা অতিৰঞ্জিত; ডেকা চামটোৱে কিন্তু নকৰে। এজন ভ্ৰমণকাৰী হিচাপে মই ডেকাবোৰক যিমান পাৰো সুধিছিলো; মিছা কোৱাৰ প্ৰৱণতা তেওঁলোকৰ নাছিল আৰু কিতাপত

১। ৰিভোল্ট্ অব ইয়ুথ ১৯২৫ আৰু কম্পেনিয়নেট মেজে-১৯২৭।

লেখা কথাবোৰ অস্বীকাৰ কৰা নাছিল। অনুমান হয় আমেৰিকাৰ সৰহসংখ্যক ছোৱালীৰেই বিয়াৰ আগেয়ে যৌন অভিজ্ঞতা আছে আৰু তাৰ ভিতৰৰ কিছুমানৰ কেবাজন প্ৰেমিকৰ লগত হোৱা অভিজ্ঞতাও আছে। পিচত গৈ সেইবোৰ ছোৱালীয়েই বিয়া কৰাই সন্মানীয় মহিলাৰূপে পৰিগণিত হয় আৰু কাৰোবাৰ যদি প্ৰকৃত সঙ্গম অভিজ্ঞতা হোৱাও নাই পিঠিত থপৰিওৱা, দিঙিত সাবটি ধৰা আদি কাম ইমান বেছি কৰে যে প্ৰকৃত সঙ্গম কৰাতকৈ তাক এক বিকৃত যৌন ক্ৰিয়া বুলিহে ক'ব পৰা যায়।

মই নিজেই ক'ব নোৱাৰো বৰ্তমানৰ এই পৰিস্থিতিটো সমাজৰ কাৰণে ভাল হ'ব নে বেয়া হ'ব। পৰম্পৰাগত নৈতিকতাবাদীসকলে ইয়াতো কিছু অবাঞ্ছনীয় বস্তু সন্নিৱিষ্ট কৰিছে। আৰু যেতিয়ালৈ পুৰণি নীতিৰ পৰিৱৰ্তন নহয়, তেতিয়ালৈ এই অবাঞ্ছনীয় দিশটো কেনেকৈ আঁতৰি যাব তাকময়ো ক'ব নোৱাৰো। চোৰাং মদ, নিম্ন খাপৰ আৰু চোৰাং সঙ্গমৰ যৌন আনন্দ তাতকৈ নিম্ন স্তৰৰ। নিষেধাজ্ঞা জাৰি কৰাৰ পিছত আমেৰিকাৰ উচ্চ শ্ৰেণীটোৰ ডেকাবোৰে বেছিকৈ সুৰাপান কৰা হৈছে; আৰু তাতোকৈ বেছি সুৰাপান কৰে গাভৰুবোৰে। আইনৰ চকুত ধূলি মৰাটোত এক মজা আছে আৰু লগতে আছে চালাক বুলি ভবাৰ ফুটনি; আৰু সুৰাপান নিষেধক আইনক যেতিয়া ফাকি দিব পৰা যায়, যৌন সম্পৰ্কীয় পৰম্পৰাগত নীতিক ফাকি দিয়াটো স্বাভাৱিক। এই ক্ষেত্ৰত দুঃসাহসিক কামক মদনৰ কৰ্ম বুলি বেছি ফুটনি মাৰিব পৰা যায়। ফলশ্ৰুতিত ডেকা-গাভৰুৰ যৌন সম্পৰ্কবোৰে টুলুঙা ৰূপ ধাৰণ কৰিছে— তেওঁলোকে প্ৰেমৰ খাতিৰত তেনে কামত লিপ্ত নহয়; তেনেবোৰ সম্পৰ্ক সাহসিকতা আৰু সুৰাৰ ৰাগিত কৰা সম্পৰ্কহে। সুৰা পাতলীয়া হয় বুলি পানী নিমিহলোৱাৰ দৰে যৌন সম্ভোগতো প্ৰেম, ভালপোৱা আদি নিমিহলোৱাকৈয়ে পোনচাটেই সম্ভোগত লিপ্ত হোৱা দেখা যায়। ই নিশ্চয় সম্ভোগহীন সঙ্গম আৰু ইয়াৰ উদ্দেশ্য হৈছে কৰ্তৃপক্ষৰ নজৰৰ পৰা হাত সৰাটো। দাম্পত্য জীৱনৰ বাহিৰত আমেৰিকাত এজন ব্যক্তিৰ সমস্ত সত্তা জড়িত কৰি যৌন সঙ্গমক এক উচ্চস্তৰৰ মানৱীয় সৰ্বান্তঃকৰণীয় কাৰ্য হিচাপে বাছি থকা নাই। ইমানলৈ নৈতিকতাবাদীসকল সফলকাম হৈছে। তেওঁলোকে অবিবাহিত ডেকা-গাভৰুৰ যৌন সঙ্গমক বাধা দিয়া নাই; বৰং তেওঁলোকৰ বিৰোধিতাই ইয়াক বেছি আনন্দদায়ক সাধাৰণ কাৰ্যলৈহে পৰ্যবসিত কৰাইছে। লগতে কিন্তু ইয়াক তেওঁলোকে পাৰ্যমানে অবাঞ্ছনীয় কৰি তুলিছে, যেনেকৈ তেওঁলোকে সুৰাপানক বিষ ভক্ষণ বুলি কৰা প্ৰচাৰত কৃতকাৰ্য হৈছে। তেওঁলোকে ডেকাচামক যৌন সম্পৰ্কৰ লগত জড়িত আনুষঙ্গিক গুণ যেনে— প্ৰেম আবেদন, মানসিক সান্নিধ্য আদি সম্পূৰ্ণৰূপে জোকাৰি পেলাই পোনচাটে সঙ্গমত

লিপ্ত হ'বলৈ বাধ্য কৰাইছে। ডেকাচামৰ মাজৰেই ভীৰুবোৰে আনকি সম্পূৰ্ণ সঙ্গম নকৰি কেৱল দীৰ্ঘস্থায়ী যৌন উত্তেজনা বজাই ৰাখিবলৈ বাধ্য। যাৰ ফলত তেওঁলোক স্নায়বিকভাৱে দুৰ্বল হোৱাৰ উপৰি ভৱিষ্যতে যৌন সঙ্গম কৰাটো জটিল বা অসম্ভৱ কৰি তুলিছে। আমেৰিকাত বৰ্তমান প্ৰচলিত যৌন উত্তেজনাৰ আন এক বিয়োগাত্মক বৈশিষ্ট্য হ'ল যে মানুহক কৰ্মবিমুখ আৰু নিদ্ৰাহীন পৰিস্থিতিলৈ ঠেলি দিয়ে, কাৰণ তেনে যৌন কাৰ্য এনে কিছুমান অনুষ্ঠানৰ লগত জড়িত যে তেনে অনুষ্ঠান শেষ নিশালৈ চলি থাকে।

আনুষ্ঠানিক নৈতিকতা বৰ্তমান অৱস্থানত চলি থাকিলে আন এক বিপদৰো ভয় আছে। দুৰ্ভাগ্যবশতঃ এনেও হ'ব পাৰে যে কোনো যুৱকৰ কৰ্মকাণ্ড নীতি ৰক্ষকৰ কাণত পৰিল, নীতিৰক্ষকে তেতিয়াতো লগে লগে বিবেকৰ সদ্ব্যৱহাৰ কৰি কেলেঙ্কাৰী প্ৰচাৰত বলিয়া হৈ উঠিব আৰু আমেৰিকাৰ যুৱকবোৰে জন্মনিৰোধ সম্পৰ্কীয় সফল জ্ঞান লাভ কৰাটো যিহেতু অসম্ভৱ, অবাঞ্ছনীয় গৰ্ভধাৰণ বিৰল নহয়। তেনে ক্ষেত্ৰত গৰ্ভপাত কৰাৰ দৰে বিপজ্জনক, বেদনাদায়ক, অবৈধ উপায় নল'লে কোনো ৰাস্তা নাথাকে। বৰ্তমানৰ আমেৰিকাত যুৱ সমাজ আৰু বৃদ্ধ সমাজৰ নৈতিকতাৰ মাজত যি স্বৰ্গ-মৰ্তৰ প্ৰভেদ আছে, তাৰো এক দুৰ্ভাগ্যজনক ফলশ্ৰুতি আছে ঃ পিতৃ-মাতৃ আৰু সন্তানৰ মাজত কোনো দিনে সান্নিধ্য বা বন্ধুত্ব থাকিব নোৱাৰে আৰু পিতৃ-মাতৃয়ে সন্তানক উপদেশ বা সহানুভূতি দেখুৱাই সহায় কৰিব নোৱাৰে। যেতিয়া ল'ৰা-ছোৱালী বিপদত পৰে সেই বিষয়ে পোনে পোনে মাক-দেউতাকক ক'ব নোৱাৰি কেলেঙ্কাৰী বা মূৰ্চা যোৱাৰ দৰে কিবা এক অঘটন ঘটাইহে জনাবলগীয়া হয়। ল'ৰা-ছোৱালী কৈশোৰত ভৰি দিয়াৰ পিচৰ পৰাই মাক-দেউতাকৰ লগত যি সম্বন্ধ গঢ়ি উঠে, সেই সম্বন্ধই কেতিয়াও কোনো উপকাৰী কাম সম্পন্ন কৰিব নোৱাৰে। ট্ৰব্ৰীয়ান দ্বীপবাসীসকল সেই দিশৰ পৰা কিমান যে সভ্য! তাত দেউতাকে গাভৰু জীয়েকৰ প্ৰেমিকক কয়— 'ঠিক আছে, তই মোৰ ছোৱালীৰ লগত শুইছ, এতিয়া বিয়া কৰ।'[২]

এতিয়ালৈ আলোচনা কৰা অসুবিধাবোৰ থকা সত্ত্বেও আমেৰিকাৰ যুৱ সমাজে উপভোগ কৰা স্বাধীনতাখিনিয়ে বৃদ্ধসকলৰ তুলনাত অনেক মহৎ উপকাৰো সাধিছে। পূৰ্বতকৈ এতিয়া যুৱকসকল ভণ্ডামিৰ পৰা মুক্ত, সঙ্কোচবিহীন, যুক্তিহীন অভিভাৱকৰ কৰ্তৃত্বৰ পৰা মুক্ত। মই ভাৱো তেওঁলোকে পূৰ্বৰ প্ৰজন্মতকৈ কম নিষ্ঠুৰ, কম পাশৱিক আৰু কম হিংস্ৰ ৰূপে পৰিগণিত হ'ব যেন লাগে। কিয়নো আমেৰিকানসকলৰ স্বভাৱজাত গুণ এই যে যৌন সম্পৰ্কৰ জৰিয়তে সকাহ পাব নোৱাৰা তেওঁলোকৰ

২। মেলীনৱস্কী— দা চেক্সুৱেল লাইফ অব দা চেভেজেচ, পৃঃ ৭৩।

আৱেগ-অনুভূতিবোৰ হিংসাত্মক কামৰ মাজেৰে প্ৰকাশ পায়। হয়তো আশা কৰিব পাৰ যে আজিৰ ডেকাচাম যেতিয়া মাজবয়সত উপনীত হ'ব তেতিয়া যৌৱন কালৰ ব্যৱহাৰবোৰ সম্পূৰ্ণকৈ পাহৰি নাযাব আৰু গোপনীয়তা ৰক্ষাৰ খাতিৰত যৌন সম্পৰ্কৰ কৰ্কশতা জোকাৰি পেলোৱাটো আজি যে অসম্ভৱ, গতিকে তাকো সহ্য কৰিব পৰা হ'ব।

কম-বেছি পৰিমাণে ইংলেণ্ডৰ পৰিস্থিতি আমেৰিকাৰ দৰেই অৱশ্যে; সুৰা নিবাৰণ নথকাৰ ফলত আৰু গাড়ীৰ সংখ্যা কম হোৱাৰ ফলত পৰিস্থিতিটো আমেৰিকাৰ দৰে পৰিপক্ক হৈ উঠা নাই। ইউৰোপত সঙ্গমবিহীন যৌন উত্তেজক অনুষ্ঠান অনেক কম। ব্যতিক্ৰমী দুই-চাৰিজনৰ বাহিৰে ইংলেণ্ডত সম্মানীয় ব্যক্তিসকলে আমেৰিকাৰ এক শ্ৰেণীৰ লোকৰ দৰে ডেকাবোৰক শাস্তি বিহিব খোজা বিধৰ নহয়, তথাপি ক'ব লাগিব যে এই ক্ষেত্ৰত দুয়োখন দেশৰ পাৰ্থক্য সংখ্যাতহে কৰ্মক্ষেত্ৰত নহয়।

বিচাৰপতি বেন. বি. লীণ্ডছে অনেক বছৰ ধৰি দেনবাৰৰ কিশোৰ আদালতৰ তত্ত্বাৱধায়ক আছিল আৰু ঘটনাৰ সত্যতা প্ৰকাশৰ বাবে অপ্ৰতিদ্বন্দ্বী সুযোগ পাইছিল। তেওঁ 'সঙ্গীসূচক বিয়া'ৰ (সঙ্গীসুলভ সহজে বিচ্ছেদ কৰিব পৰা বিধৰ বিয়াৰ (Companionte marriage) এক প্ৰস্তাৱ দিছিল। দুৰ্ভাগ্যবশতঃ তেওঁ তেওঁৰ চাকৰিৰ মান হেৰুৱাবলগীয়া হৈছিল, কিয়নো মানুহে যেতিয়া জানিলে যে তেওঁ তেওঁৰ পদ-ক্ষমতাৰ অপব্যৱহাৰ কৰি ডেকা-গাভৰুৰ মনত সুখ বৃদ্ধিতহে উদ্‌গনি দিছে আচলতে, তেওঁ সিহঁতৰ মনত পাপ চেতনা জগাই তোলাৰ ব্যৱস্থাহে কৰিব লাগিছিল। ফলত কেথ'লিক আৰু কু ক্লাক্স ক্লান মিলিত হৈ তেওঁক নিলম্বিত কৰিছিল। 'সঙ্গীসূচক বিয়া'ৰ প্ৰস্তাৱটো আছিল গোড়া জ্ঞানী লোকৰ। উক্ত প্ৰস্তাৱৰ জৰিয়তে বৰ্তমানে চলি থকা ডেকা-গাভৰুৰ যৌন সঙ্গমৰ মেলাৰ ঠাইত যৌন সম্পৰ্কক এক স্থায়িত্ব দিব বিচৰা হৈছিল। তেওঁ স্পষ্টভাৱে আঙুলিয়াই দিছিল যে ডেকাবোৰে বিয়া নকৰোৱাৰ কাৰণ আছিল টকা-পইচাৰ অভাৱ। টকা-পইচাৰ প্ৰয়োজন হৈছিল সতি-সন্তানৰ বাবে, লগতে মহিলাৰ জীৱিকাৰ পথ নথকাৰ বাবে পত্নীৰ বাবেও। তেওঁৰ অভিমত আছিল যে গাভৰুবোৰে এই নতুন ধৰণৰ বিয়াত সোমোৱাটো উচিত, কিয়নো পৰম্পৰাগত বিয়াতকৈ এই বিয়াৰ তিনিটা বেলেগ গুণ আছে— প্ৰথম, পোনতে সন্তান জন্ম দিয়াৰ উদ্দেশ্য থাকিব নালাগে আৰু তাৰ বাবে যুৱকসকলক জন্ম নিয়ন্ত্ৰণ সম্পৰ্কীয় শ্ৰেষ্ঠ জ্ঞান শিক্ষা দিয়া উচিত; দ্বিতীয় জন্ম নিয়ন্ত্ৰণৰ উপায় অৱলম্বন কৰাৰ ফলত যেতিয়ালৈকে সন্তান জন্ম নহয়, তেতিয়ালৈকে দুয়োপক্ষৰ সম্মতি সাপেক্ষে বিবাহ বিচ্ছেদ সম্ভৱ; আৰু তৃতীয়, বিবাহ বিচ্ছেদ হ'লে মহিলাগৰাকীয়ে কোনো আৰ্থিক সাহায্য পোৱাৰ অধিকাৰ নাই। মই ভাৱো, তেওঁ শুদ্ধ মতকে পোষণ

কৰিছিল; কিয়নো আইনৰ দ্বাৰা তেনে বিয়াৰ অনুষ্ঠান এটা গঢ়ি উঠিলে বহুত ডেকা-গাভৰুৱে, বিশেষকৈ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এক ধৰণৰ স্বামী-স্ত্ৰী সম্বন্ধেৰে বান্ধ খাই থাকিলে হয়, সেই সম্বন্ধ হ'ল হয় দুয়োপক্ষৰ সহমতত আৰু বৰ্তমানৰ দাইম'নীচিয় যৌন সম্বন্ধৰ পৰা মুক্ত হ'ল হয়। তেওঁ উদাহৰণ দি বুজাই দিছিল যে বিয়া কৰোৱাসকলে বিয়া নকৰোৱাসকলতকৈ বেছি ভাল কাম কৰে। এটা কথা স্পষ্ট যে কিছু স্থায়ী যৌন সম্বন্ধ আৰু কৰ্ম যিদৰে নিয়াৰিকৈ আগবাঢ়িব পাৰে, বিশৃংখল যৌন উত্তেজনা আৰু সুৰামতাই তেনেকৈ নোৱাৰে। জগতত এনে কোনো যুক্তি থাকিব নোৱাৰে যে এহাল ডেকা-গাভৰু বেলেগে বেলেগে থকাতকৈ একেলগে থাকিলে বেছি খৰচী হয়। গতিকে বৰ্তমানৰ বিয়া পিচুৱাই থকাৰ কাৰণটো নিজে নিজে আঁতৰি যাব। মোৰ মনত তিলাৰ্দ্ধও সন্দেহ নাই যে বিচাৰপতি লীগুছেৰ আঁচনিখন আইনত ৰূপান্তৰিত হ'লে তাৰ এক যোগাত্মক প্ৰভাৱ পৰিব আৰু এই প্ৰভাৱ নৈতিকৰ্তাৰ দিশৰ পৰাও সকলোৰে গ্ৰহণযোগ্য হ'ব।

তথাপি বিচাৰপতি লীগুছেৰ প্ৰস্তাৱটো আদবয়সীয়া সকলো লোকৰ চিঞৰ-বাখৰত তল পৰি যায় ; আৰু সংবাদ পত্ৰইও আমেৰিকাত একেদৰে হুলস্থূল লগাই দিয়ে। সমালোচনা কৰা হৈছিল যে তেওঁ ঘৰখনৰ পৱিত্ৰতাক আক্ৰমণ কৰিছে; আৰু কৈছিল যে সন্তান জন্ম নিদিয়া বিয়াৰ প্ৰস্তাৱ দি তেওঁ আইনসন্মত কামুকতাৰ দুৱাৰ মুকলি কৰি দিব বিচাৰিছে ; আৰু দোষাৰোপ কৰিছিল যে বিবাহ বন্ধনৰ বাহিৰত থকা যৌন সম্বন্ধৰ পৰিসংখ্যা তেওঁ অত্যধিক অতিৰঞ্জিত কৰি দেখুৱাইছে যে তেওঁ আমেৰিকাৰ পৱিত্ৰ নাৰীত্বক অপমান কৰিছে ; যে সকলো ব্যৱসায়ীয়ে ত্ৰিশ-পঁয়ত্ৰিশ বছৰ বয়সলৈ হাঁহিমুখে কৌমাৰ্য মানি চলে। তেওঁক সমালোচনা কৰি এই সকলোবোৰ কোৱা হৈছিল। মই ভাবো এনেবোৰ কথা কোৱা মানুহৰ সৰহভাগেই এইবোৰ বিশ্বাস কৰিছিল। জাজ লীগুছেৰ বিপক্ষে দিয়া সকলো গালি-শপনি মই শুনিছো, কিন্তু মই বিশ্বস্ত হৈছিলো যে সিদ্ধান্তকাৰী যুক্তি দুটা আছে ঃ প্ৰথম জাজ লীগুছেৰ যুক্তি যীশু খ্ৰীষ্টই মানি নল'লে হয় ; দ্বিতীয় আনকি আমেৰিকাৰ উদাৰপন্থী ধৰ্মযাজকসকলেও তেনে প্ৰস্তাৱ মানি নলয়। ইয়াৰ দ্বিতীয়টো যুক্তিৰ ওজন বেছি থকা যেন লাগে, প্ৰকৃততে ই সত্যও ; কিয়নো, প্ৰথমটো সম্পূৰ্ণৰূপে আনুমানিক আৰু পতিয়ন নিয়াব পৰাকৈ বুজাব নোৱাৰি। মই কোনো ব্যক্তিৰ পৰাই কোনো যুক্তি শুনা নাই, আনকি লীগুছেৰ প্ৰস্তাৱে মানুহৰ সুখ-শান্তি হ্ৰাস কৰিব বুলিও শুনা নাই। এতিয়া সিদ্ধান্ত ল'বলৈ বাধ্য হৈছো যে এই ধৰণৰ চিন্তা-ভাবনাক পৰম্পৰাগত নীতি মানি চলা মানুহে গুৰুত্বসহকাৰে চালিজাৰি চোৱা নাই। নিজাববীয়াকৈ মই পতিয়ন গৈছো যে সঙ্গীসূচক বিয়া শুদ্ধ ৰাস্তাৰে আগবঢ়াৰ এক পদক্ষেপ আৰু ই যথেষ্ট উপকাৰ সাধিব

পাৰিব আৰু মই ভাবো যে ই সীমা চেৰাই নাযাব। মই ভাবো যে সন্তান জন্ম নিদিয়া সকলো ধৰণৰ যৌন সম্পৰ্ক সম্পূৰ্ণৰূপে ব্যক্তিগত কথা আৰু যদি এহাল নাৰী-পুৰুষে সন্তান জন্ম নিদিয়াকৈয়ে যৌন জীৱন যাপন কৰিব বিচাৰে, সেইটো তেওঁলোকৰ বাহিৰে আন কাৰোৱে মূৰ ঘমোৱাৰ প্ৰয়োজন নাই। এইটোও মই বাঞ্ছনীয় বুলি ধৰি নলও যে এহাল ডেকা-গাভৰুৱে পূৰ্বৰ যৌন অভিজ্ঞতা নোহোৱাকৈয়ে সন্তান জন্ম দিব বুলি বিয়াত সোমাই পৰক। পৰ্বত সমান প্ৰমাণ আছে যে প্ৰথম যৌন সঙ্গমৰ ক্ষেত্ৰত কোনোবা এজনৰ পূৰ্বৰ যৌন অভিজ্ঞতা থকা উচিত। মানৱ জীৱনত যৌন কৰ্ম প্ৰবৃত্তিগত নহয়, যেতিয়াৰ পৰা মানুহে পিচফালৰ পৰা যৌন সঙ্গম কৰিবলৈ এৰি দিলে, তাৰ পিচৰ পৰাই মানুহৰ ক্ষেত্ৰত যৌন সঙ্গম প্ৰবৃত্তিগত কাহানিও নাছিল। উক্ত যুক্তিবাদ দিলেও এইটো বৰ আচহুৱা যেন লাগে যে পাৰস্পৰিক যৌন সামৰ্থ আছে নে নাই তাৰ প্ৰমাণ নকৰাকৈ এহাল স্ত্ৰী-পুৰুষক আজীৱন একেলগে থকাৰ বাবে প্ৰস্তাৱ দিব পাৰি। এজন ব্যক্তিয়ে এটা ঘৰ ক্ৰয়ৰ সকলো বন্দোৱস্ত সম্পন্ন নকৰা পৰ্যন্ত ঘৰটো চাবলৈ নিদিয়াৰ দৰে আচহুৱা সেই প্ৰস্তাৱ। বিয়াত জড়িত থকা উদ্দেশ্যটো মানি ল'লে মহিলাগৰাকীয়ে গৰ্ভধাৰণ কৰাৰ আগলৈ কোনো বিয়াই নীতিৰ বান্ধোনত সোমাই পৰাটো উচিত নহয়। বৰ্তমানে যৌন সঙ্গম সম্ভৱ নথকা যিকোনো বিয়াকেই নাকচ কৰা হয় ; কিন্তু যৌন সঙ্গমতকৈ সন্তান জন্ম দিয়াটোৱেই যেতিয়া বিয়াৰ মুখ্য উদ্দেশ্য, সন্তান জন্ম হোৱাৰ আশা নথকা পৰ্যন্ত সেই বিয়াক বিয়া হিচাপে মানি লোৱাটো উচিত নহয়। এই মতবাদ গৰ্ভনিৰোধক উপায় উদ্ভাৱনে সম্ভৱ কৰা কেৱল যৌন সঙ্গম আৰু সন্তান জন্ম দিয়াৰ বাবে কৰা সঙ্গমক পৃথক কৰাৰ ওপৰত নিৰ্ভৰ কৰে। গৰ্ভনিৰোধকে যৌন সম্ভোগ আৰু বিয়াৰ ধাৰণাটোৱেই সলনি কৰি পেলাইছে, গতিকে এই দুয়োটাৰ মাজৰ পাৰ্থক্য বিচাৰি উলিওৱাটো অত্যাৱশ্যকীয়, কিয়নো এই বিষয়টোক এতিয়াও উপেক্ষা কৰা হৈ আহিছে। বেশ্যাৰ লগত হোৱাৰ দৰে স্ত্ৰী-পুৰুষ কেৱল যৌন সম্ভোগৰ বাবে লগ লগা উচিত বা জাজ লীণ্ডছে দিয়া প্ৰস্তাৱৰ সঙ্গীসূচক বিয়াৰ দৰে সম্ভোগ জড়িত বন্ধুত্ব গঢ়ি উঠা উচিত ; বা শেষত এটা পৰিয়াল গঢ়ি তোলা বিধৰ হোৱা উচিত। এই বিভিন্ন প্ৰস্তাৱ আৰু আজিৰ পৰিস্থিতিয়ে কাবু কৰা নৈতিকতাই নিজকে খাপ খুৱাই চলাটো অসম্ভৱ কৰি তুলিছে।

ত্ৰয়োদশ অধ্যায়
বৰ্তমান যুগত পৰিয়াল

পাঠকসকলে হয়তো পাহৰি গৈছে যে দ্বিতীয় আৰু তৃতীয় অধ্যায়ত ক্ৰমে মাতৃগোত্ৰীয় আৰু পিতৃগোত্ৰীয় পৰিয়ালৰ বিষয়ে আৰু যৌন নীতিৰ ওপৰত তাৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা হৈছে। এতিয়া পৰিয়াল সম্পৰ্কে আলোচনা কৰাটো পুনৰ প্ৰয়োজন হৈ পৰিছে। কিয়নো যৌন স্বাধীনতাৰ সীমা নিৰ্দ্ধাৰণ কৰি দিয়াৰ ক্ষেত্ৰত পৰিয়ালেই হৈছে যুক্তিসম্পন্ন ভেটি। ইতিমধ্যে আমি যৌন সম্ভোগ আৰু পাপৰ বিষয়ে প্ৰসঙ্গক্ৰমে আলোচনা কৰিছো। সঙ্গম আৰু পাপৰ সম্পৰ্কটো খ্ৰীষ্টানসকলৰ আবিষ্কাৰ নহ'লেও তেওঁলোকে বিষয়টো পাৰ্যমানে কামত খটুৱাইছে ; আৰু আমাৰ প্ৰায় ভাগেই স্বতঃস্ফূৰ্তভাৱে যি নৈতিক বিচাৰ কৰো, তাকো এই সম্পৰ্কই সামৰি লয়। আধ্যাত্মিক দৃষ্টিভঙ্গীৰ কথা কৈ পাঠকৰ মন ভাৰাক্ৰান্ত কৰাৰ ইচ্ছা আমাৰ নাই— আধ্যাত্মিক দৃষ্টিভঙ্গী হ'ল যে যৌন সঙ্গম হৈছে এক চয়তানি, যাক বিয়া আৰু সন্তান জন্ম দিয়া এই দুই কৰ্মৰ সংমিশ্ৰণেৰে আঁতৰত ৰাখিব পৰা যায়। আমাৰ বৰ্তমানৰ আলোচ্য বিষয় হৈছে সন্তান জন্ম দিয়াৰ পৰিপ্ৰেক্ষিতত আমাৰ যৌন সম্পৰ্কক কিমান স্থায়ী কৰিব পৰা যায় সেই বিষয়টো। আন কথাত ক'বলৈ গ'লে দীৰ্ঘস্থায়ী বিয়াৰ কাৰণ হিচাপে পৰিয়ালৰ বিষয়ে আলোচনা কৰাটো। বিষয়টো ইমান সহজ নহয়। এটা কথা স্পষ্ট যে পৰিয়ালৰ এজন সদস্যৰূপে এটা শিশুৱে কি উপকাৰ পাব পাৰে সেইটো নিৰ্ভৰ কৰে ইয়াৰ বিকল্পৰ ওপৰত ঃ এটা পৰিত্যক্ত শিশুৰ তত্ত্বাৱধানৰ কাৰণে এনে প্ৰশংসনীয় অনুষ্ঠান থাকিব পাৰে যি অনুষ্ঠান হয়তো অনেক পৰিয়ালতকৈ বেছি পচন্দ কৰিব। আমি চিনাক্ত কৰি উলিয়াব লাগিব বাপেকজনে পৰিয়ালটোত কি গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰে ; কিয়নো কেৱল তেওঁৰ বাবেহে পৰিয়ালটোৰ মহিলাখিনিৰ সৎচৰিত্ৰ বজাই ৰখাটো প্ৰয়োজন। এটা শিশুৰ মানসিক বিকাশত পৰিয়ালটোৰ কি প্ৰভাৱ সেইটোও চালিজাৰি চাব লাগিব, যিটো বিষয় ফ্ৰয়দে কু-অভিপ্ৰায়েৰে আলোচনা কৰিছে। এজন পিতৃৰ গুৰুত্ব অৰ্থনৈতিক দিশটোৱে বঢ়ায় নে কমায় সেইটোও পৰীক্ষা কৰি চাব লাগিব। প্লেটোৱে আঙুলিয়াই দিয়াৰ দৰে ৰাষ্ট্ৰই পিতৃৰ বা পিতৃ-মাতৃ দুয়োৰে দায়িত্বখিনি নিজৰ হাতলৈ নিয়াটো উচিত হ'ব

নে নাই সেইটো প্ৰশ্নও আমি নিজকে সুধিব লাগিব। আমি যদি ধৰিও লওঁ যে সাধাৰণ পৰিস্থিতিত পিতৃ-মাতৃয়ে এটা শিশুৰ বিকাশত শ্ৰেষ্ঠ বাতাবৰণ সৃষ্টি কৰিব পাৰে তেতিয়াও আমি বিচাৰ কৰি চাব লাগিব। অসংখ্য ক্ষেত্ৰত পিতৃ-মাতৃক কোনোবা এজনে দায়িত্ব বহন কৰাৰ বাবে অযোগ্য বা শিশুক বাঞ্ছনীয় স্বাৰ্থৰ ক্ষেত্ৰত পিতৃ-মাতৃ হ'লে পাৰস্পৰিকভাৱে খাপ খুৱাব পৰা নাই।

যিসকল নৈতিক কাৰণত যৌন স্বাধীনতাৰ বিৰোধিতা কৰে, তেওঁলোকে শিশুৰ স্বাৰ্থৰ খাতিৰতে বিবাহ বিচ্ছেদৰ বিপক্ষে যুক্তি দৰ্শায়। সেই যুক্তি যেতিয়া নৈতিক দিশৰ পৰা চোৱা হয় তাক যোগাত্মক নহয় যেন লাগে, কিয়নো পৰীক্ষা কৰি চালে দেখা যায় তেনে ব্যক্তিয়ে বিবাহ বিচ্ছেদ বা জন্ম নিৰোধক ব্যৱস্থা সহ্য কৰিব নোৱাৰে ; আনকি যেতিয়া পিতৃ-মাতৃহালৰ কোনোবা এজন চিফিলীচ আক্ৰান্ত, যাৰ ফলত তেওঁলোকৰ কোনো সন্তানো আক্ৰান্ত হ'ব পাৰে। এইবোৰ উদাহৰণে স্পষ্ট কৰি দিয়ে যে শিশুৰ স্বাৰ্থৰ নামত অনুনয়-বিনয় মাত্ৰাধিক্য হ'লে সি নিষ্ঠুৰতাক ঢাকি ৰখাৰ প্ৰয়াসহে হয়গৈ। সন্তানৰ স্বাৰ্থ আৰু বিষয়ৰ লগত সম্বন্ধৰ প্ৰশ্নটো নিৰপেক্ষভাৱে পৰীক্ষা কৰা প্ৰয়োজন। আৰু তাকে কৰিবলৈ যাওঁতে আমি উপলব্ধি কৰিব লাগিব যে আৰম্ভণিতে ইয়াৰ সমাধান পোৱা নাযাব। পৰিস্থিতিৰ এই অৱস্থানত আমি পূৰ্বে আলোচনা কৰা দুই-চাৰিটা কথা পুনৰ বিবেচনা কৰাটো প্ৰয়োজনীয়।

পৰিয়াল হৈছে এক প্ৰাক্ মানৱ অনুষ্ঠান আৰু ইয়াৰ জৈৱিক ন্যায্যতা এইখিনিতেই যে এগৰাকী নাৰীৰ গৰ্ভধাৰণৰ পৰা সন্তানে মাকৰ দুধ খাবলৈ এৰা সময়লৈ সন্তানক বচাই ৰখাৰ ক্ষেত্ৰত পিতৃৰ দায়িত্ব থকাটো। ট্ৰব্ৰীয়াণ্ড দ্বীপবাসীৰ উদাহৰণৰ পৰা যি দেখা যায়, লগতে মানৱ বান্দৰৰ উদাহৰণৰ পৰা নিঃসন্দেহে ক'ব পাৰো যে আদিম পৰিস্থিতিত বাপেকে এই সঁহাৰি কিয় দিছিল আৰু সভ্য সমাজত কিয় দিয়ে তাৰ কাৰণ একে নহয়— ভিন ভিন। আদিম অৱস্থাত পিতৃয়ে জনা নাছিল যে শিশুটোৰ লগত তাৰ তেজৰ সম্বন্ধ আছে; সি এটা কথাই জানিছিল যে শিশুটো সি ভাল পোৱা নাৰী এগৰাকীৰ (সঙ্গী হিচাপে থকা) সন্তান। যিহেতু সন্তানটো জন্ম হোৱা সি দেখিছে, তাৰ পৰাও সি জানে যে সন্তানটো সেই মানুহগৰাকীয়ে জন্ম দিছে ; সেই জ্ঞানেই কেঁচুৱাটোৰ লগত তাৰ সম্বন্ধৰ প্ৰবৃত্তি এটাৰ সৃষ্টি কৰে। তেনে পৰিস্থিতিত মানুহজনে নাৰীগৰাকীৰ সতীত্বৰ ওপৰত গুৰুত্ব নিদিছিল, কেৱল তাৰ সন্মুখতে মানুহগৰাকীয়ে আন কাৰোবাৰ লগত সঙ্গম কৰিলে তাৰ মনত ঈৰ্ষাৰ অনুভূতি জাগি উঠিছিল। এইটো ভৱত শিশুটো তাৰ সম্পত্তি বুলি কোনো ধাৰণা নাছিল। সন্তানটো হৈছে তাৰ লগত থকা তিৰোতাগৰাকী আৰু তাইৰ ভাই-ককাইহঁতৰ সম্পত্তি ; শিশুটোৰ লগত তাৰ সম্বন্ধ হৈছে মৰম-চেনেহৰ সম্বন্ধ।

জ্ঞান-বুদ্ধি বিকাশ হোৱাৰ লগে লগে মানুহে অগা-পিচাকৈ জ্ঞানবৃক্ষৰ ফল খাবলৈ বাধ্যত পৰে, যিয়ে মানুহক ভাল-বেয়াৰ ধাৰণা দিয়ে। লাহে লাহে মানুহে গম পোৱা হ'ল যে সন্তানটো মানুহজনৰ ৰক্ত বীজৰ, আৰু তেতিয়া তেওঁৰ মানুহজনীৰ সৎ চৰিত্ৰৰ বিষয়ে নিশ্চিত হোৱাৰ কথা আহি পৰে। মানুহজনী আৰু শিশুটো তাৰ সম্পত্তি ; আৰু অৰ্থনৈতিক বিকাশৰ এক বিশেষ স্তৰত সিহঁত হৈ পৰিল তাৰ মূল্যবান সম্পত্তি। লাহে লাহে ধৰ্মৰ কথা আহি পৰে; মাকজনী আৰু সন্তানৰ প্ৰতি যে মানুহজনৰ এক দায়িত্ব আছে তাক ধৰ্মই সোঁৱৰাই দিয়ে। ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত বিষয়টো আৰু গুৰুত্বপূৰ্ণ, কিয়নো শিশু অৱস্থাত সিহঁত বাপেকতকৈ শাৰীৰিকভাৱে দুৰ্বল হ'লেও বাপেক যেতিয়া আলৰ বুঢ়া হয়, তেতিয়া সিহঁত ডাঙৰ-দীঘল হৈ বাপেকতকৈ বেছি শক্তিশালী হয়। এনে পৰিস্থিতিত তাৰ সুখৰ কাৰণে ল'ৰা-ছোৱালীবোৰে তাক সন্মান কৰাটো অতি প্ৰয়োজনীয়। এই সম্পৰ্কত ধৰ্মৰ নিৰ্দেশ ধৰ্মগামিমুক্ত হোৱা উচিত ঃ "পিতৃ-মাতৃক সন্মান কৰিবা যাতে তেওঁলোকে পৃথিৱীত বেছিদিন বাচি থাকে।" আদিম সভ্যতাত পিতৃ-মাতৃ হত্যাৰ বিভীষিকাই প্ৰমাণ কৰে সতি-সন্ততিয়ে পিতৃ-মাতৃৰ স্থান দখল কৰিবলৈ কি নিষ্ঠুৰভাৱে পিতৃ-মাতৃক হত্যা কৰিছিল। পিতৃ-মাতৃৰ স্থান দখল কৰাৰ লোভ কিমান যে শক্তিশালী আছিল! সেই অপৰাধ আমিও কৰিব পাৰিম বুলি কল্পনাই কৰিব নোৱাৰি; আনকি নৰখাদকসকলেও আমাৰ অন্তৰত সেই বিভীষিকাৰ ছবি আনি দিব নোৱাৰে।

পশুপালন আৰু কৃষি সভ্যতাৰ প্ৰথমভাগত অৰ্থনৈতিক পৰিস্থিতিয়ে পৰিয়ালক দিয়ে সৰ্বাধিক সুফল। সৰহসংখ্যক লোকৰ বাবে দাস বনুৱা পোৱা নগৈছিল, শ্ৰমিক লাভৰ বাবে বেছি সন্তান জন্ম দিয়াৰ প্ৰয়োজন হৈছিল। পিতৃক কাম কৰি দিয়াৰ নিশ্চিতিৰ বাবে ধৰ্ম আৰু নৈতিকতাই সম্পূৰ্ণ গুৰুত্ব দি পৰিয়াল নামৰ অনুষ্ঠানটোত পবিত্ৰতাৰ প্ৰলেপ সানি দিয়ে। লাহে লাহে মূল পৰিয়ালৰ ঐক্য-সমান্তৰাল শাখাবোৰলৈ ব্যাপ্ত হৈ পৰিল আৰু পৰিয়ালৰ মুৰব্বীজনৰ ক্ষমতা বৃদ্ধি হ'ল। ৰাজতন্ত্ৰ আৰু আভিজাত্য এই ধাৰণাৰ ওপৰতেই প্ৰতিষ্ঠিত ; আনকি ইন্দ্ৰ, মানুহ আৰু দেৱতাসকলৰো পিতৃ হোৱাৰ সূত্ৰে ঈশ্বৰৰ সৃষ্টিত এই ধাৰণাৰ ওপৰতেই প্ৰতিষ্ঠিত।

এই অৱস্থানলৈ সভ্যতাৰ বিকাশে পৰিয়ালৰ ক্ষমতা বৃদ্ধি কৰিছিল। ইয়াৰ পিছৰ পৰা কিন্তু এক বিপৰীত গতি গঢ়ি উঠে আৰু পাশ্চাত্য জগতত বৰ্তমানৰ পৰিয়াল পূৰ্বৰ পৰিয়ালৰ ছাঁত পৰিণত হয়। পৰিয়াল পদ্ধতি বিধ্বস্ত হোৱাৰ আংশিক কাৰণ হ'ল অৰ্থনৈতিক আৰু সাংস্কৃতিক। পূৰ্ণ বিকাশ অৱস্থাত নগৰীয়া জীৱনত বা নাবিক জীৱনত পৰিয়াল ইমান উপযোগী নাছিল। বৰ্তমান যুগৰ বাহিৰে সকলো যুগতে বাণিজ্য আছিল সংস্কৃতিৰ মূল কাৰণ, কিয়নো বাণিজ্যই বিভিন্ন পৰম্পৰাৰ লোকক

এক ঠাইত গোট খুৱাইছিল আৰু তেনেকৈয়ে তেওঁলোকৰ জনজাতীয় (ট্ৰাইবেল) মনোবৃত্তি মনৰ পৰা মচ খাইছিল। তদনুসাৰে আমি দেখো যে গ্ৰীকসকলৰ নাবিক শ্ৰেণীটোতকৈ সমসাময়িক গ্ৰীকসকলৰ দাম বহুত বেছি আছিল। সাগৰীয় প্ৰভাৱ পৰা আন উদাহৰণবোৰ হ'ল ভেনিচ, হলেণ্ড আৰু এলিজাবেথীয় ইংলেণ্ড। ই অৱশ্যে আলোচ্য বিষয়ৰ বাহিৰৰ। আমাৰ বিষয়টো হ'ল এটা পৰিয়ালৰ এজন সদস্য যদি দীঘলীয়া ভ্ৰমণসূচী লৈ সমুদ্ৰলৈ যায়, তেওঁৰ মনটো পৰিয়ালৰ নিয়ন্ত্ৰণৰ পৰা মুক্ত হয়, যাৰ ফলত সেই পৰিয়ালটো দুৰ্বল হৈ পৰে। পৰিয়াল এটাক দুৰ্বল কৰাৰ ক্ষেত্ৰত নাবিকসকলে যি ভূমিকা লৈছিল গ্ৰামাঞ্চলৰ পৰা দলে দলে লোক নগৰলৈ যোৱাটোৱেও একে ভূমিকা লৈছিল ; সভ্যতা বিকাশৰ লগে লগে গ্ৰামাঞ্চলৰ মানুহ দলে দলে নগৰলৈ যোৱাটো সভ্যতাৰ এক বিশেষত্ব। সমাজৰ নিম্ন স্তৰৰ মানুহৰ ক্ষেত্ৰত তাতোকৈ গুৰুত্বপূৰ্ণ প্ৰভাৱ হ'ল দাসত্ব। দাস পৰিয়ালৰ লোকৰ প্ৰতি এজন দাস প্ৰভুৰ কোনো সন্মানবোধ নাথাকে। দাসবোৰৰ স্বামী-স্ত্ৰীক প্ৰভুৰ ইচ্ছানুসৰি পৃথকে ৰাখিব পাৰিছিল আৰু যি দাসীৰ প্ৰতি তেওঁ আকৃষ্ট হৈছিল তেনে দাসীৰ লগত সঙ্গম কৰিব পাৰিছিল। এনে প্ৰভাৱে অৱশ্যে অভিজাত পৰিয়ালক দুৰ্বল কৰা নাছিল, কিয়নো সন্মানৰ বাবে আৰু মণ্টেগু আৰু কেপুলেট সংঘাতৰ জয়ে অভিজাত পৰিয়ালৰ পৰম্পৰা অটুট ৰাখিব পাৰিছিল ; এইবোৰেই আছিল মধ্য যুগৰ শেষৰ ফালৰ আৰু নৱজাগৰণৰ যুগৰ ইটালীৰ দৰে অতীত নগৰীয়া জীৱনৰ বিশেষত্ব। ৰোমান সাম্ৰাজ্যৰ প্ৰথম শতিকাত আভিজাত্যৰ গুৰুত্ব অৱশেষত হ্ৰাস পাই আহে আৰু খ্ৰীষ্ট ধৰ্মই কৃতকাৰ্য হৈ দাস আৰু নিম্ন স্তৰৰ লোকৰ ধৰ্ম হৈ পৰে। পোনতে খ্ৰীষ্ট ধৰ্মই তেনে শ্ৰেণীৰ লোকৰ প্ৰতি বিদ্বেষ প্ৰদৰ্শন কৰাৰ কাৰণে পৰিয়াল দুৰ্বল হৈ পৰিছিল, কিন্তু বৌদ্ধ ধৰ্মৰ ক্ষেত্ৰত সেইটো হোৱা নাছিল। খ্ৰীষ্ট ধৰ্মই ভগৱানৰ লগত মানুহৰ সম্পৰ্কৰ লগতহে গুৰুত্ব দিছিল— মানুহৰ লগত মানুহৰ ওপৰত নহয়।

বৌদ্ধ ধৰ্মই কিন্তু অৰ্থনৈতিক কাৰণতহে ধৰ্মৰ সৃষ্টি হোৱা বুলি এক সাৱধান বাণী শুনায়। এটা আত্মাৰ ওপৰত যে আৰ্থিক প্ৰভাৱ পৰে, বৌদ্ধ ধৰ্মৰ তেনে মতবাদ ভাৰতবৰ্ষত সেই ধৰ্মটো প্ৰচাৰ হোৱা কালৰ পৰা আছিল নে নাই আৰু তেনে প্ৰভাৱ আছিলেই বুলি মই ডাঠি ক'ব নোৱাৰো। ভাৰতত বৌদ্ধ ধৰ্ম বিকশিত হোৱা কালছোৱাত এই ধৰ্মটো কেৱল ৰাজপৰিয়ালবোৰৰ বাবেহে আছিল ; অনুমান কৰিব পৰা যায় যে সেই শ্ৰেণীটোৰ পৰিয়াল সম্পৰ্কে থকা বিশেষ ধাৰণাবোৰে আন পৰিয়ালতকৈ বেছি প্ৰভাৱ বিস্তাৰ কৰিছিল। সি যি নহ'লেও সংসাৰৰ প্ৰতি বিতৃষ্ণা আৰু নিৰ্বাণৰ অনুসন্ধান সকলো শ্ৰেণীৰ মানুহৰ উমৈহতীয়া বৈশিষ্ট্য আছিল। ফলস্বৰূপে বৌদ্ধ নীতিত পৰিয়ালৰ স্থান আছিল নিম্ন স্তৰৰ। হজৰত মহম্মদ আৰু

কনফুচিয়াচক (যদি তেওঁৰ ধৰ্ম গুৰু বুলি ক'ব পৰা যায়) বাদ দি মহান ধৰ্মবোৰৰ প্ৰবৰ্তকসকল সামাজিক আৰু ৰাজনৈতিক দিশৰ প্ৰতি উদাসীন আছিল ; বৰং ধ্যান, নিয়মানুবৰ্তিতা আৰু আত্মত্যাগেৰে আত্মাৰ পূৰ্ণতা লাভৰ প্ৰতি বেছি গুৰুত্ব দিছিল। প্ৰাকঐতিহাসিক ধৰ্মবোৰতকৈ ঐতিহাসিক যুগৰ ধৰ্মবোৰ সাধাৰণতে ব্যক্তিত্ববাদী আৰু এই ধৰ্মবোৰে ধৰি লৈছিল যে মানুহে নিৰ্জনতাতহে ভালকৈ কৰ্তব্য পালন কৰিব পাৰিছিল। অৱশ্যে তেওঁলোকে এটা কথাত যোগ দিছিল যে যদি সমাজৰ লগত কাৰোবাৰ সম্পৰ্ক আছে, তেনেহ'লে তেওঁ সেই সমাজখনে মানি লোৱা কৰ্মহে কৰিব পাৰিব ; আনহাতে কিন্তু সেই সমাজখনৰ লগত ব্যক্তিৰ সম্পৰ্ক গঢ়ি উঠাটোক কৰ্তব্য বুলি মানি লোৱা নাছিল। খ্ৰীষ্ট ধৰ্মৰ ক্ষেত্ৰত এটা কথা বিশেষকৈ সত্য যে পৰিয়ালৰ প্ৰতি ইয়াৰ সদায়ে এক অস্পষ্ট ধাৰণা আছিল। যিয়ে মোতকৈ পিতৃ-মাতৃক বেছি ভাল পায় তেওঁ মোৰ বাবে মুখ্য নহয়, যীশুৰ বাণীত তেনেকৈয়ে কোৱা আছে, আৰু ইয়াৰ অৰ্থ হ'ল এই যে যদি কোনোবাই কিবা এটাক সত্য বুলি ধৰি লয়, মাক-বাপেকে তাৰ বিৰোধিতা কৰিলেও তাক তেওঁ কৰিবই। এনে দৃষ্টিভঙ্গী কিন্তু পুৰণি পৰম্পৰাৰ ৰোমান বা চীনা এজনে মানি নলয়। খ্ৰীষ্ট ধৰ্মত ব্যক্তিত্ববাদী পৰিবৰ্তনে লাহে লাহে কাম কৰিছিল, কিন্তু সামাজিক সম্পৰ্কক ই লাহে লাহে দুৰ্বল কৰি পেলাইছিল। ইয়াৰ ফলশ্ৰুতি প্ৰটেষ্টাণ্টসকলতকৈ কেথ'লিকসকলৰ ওপৰত বেছি পৰিছিল, কিয়নো প্ৰটেষ্টাণ্টসকলৰ উচ্ছৃংখল স্বভাৱটোৱে আমি মানুহতকৈ ভগৱানক বেছি মানিব লাগে, ধৰ্ম মতক বেছি অগ্ৰাধিকাৰ দিছিল। কাৰ্যতঃ ভগৱানক মানি চলাৰ অৰ্থ হ'ল মানুহে বিবেকৰ মানি চলাটো। কিন্তু বিভিন্ন মানুহৰ বিভিন্ন বিবেক থাকিব পাৰে ; গতিকে মাজে সময়ে বিবেক আৰু আইনৰ মাজত সংঘাত সৃষ্টি হ'বই। সেই সংঘাতত প্ৰকৃত খ্ৰীষ্টানখিনিয়ে আইনৰ ধাৰাক মানি চলাৰ পৰিবৰ্তে ব্যক্তিৰ বিবেকক নিৰ্দেশক মানি চলাটো শ্ৰেয় বুলি ক'ব।[১] আদিম সভ্যতাত পিতৃয়েই আছিল ভগৱান, ফলত মাক-দেউতাকৰ কৰ্তৃত্ব দুৰ্বল হৈ গৈছিল।

অতি সাম্প্ৰতিক কালত পৰিয়ালৰ অস্তিত্ব লোপ পোৱাৰ মূলতে নিঃসন্দেহে আছিল শিল্প-বিপ্লৱৰ আগেয়ে আৰু ইয়াৰ শুভাৰম্ভ কৰিছিল ব্যক্তিত্ববাদী দৰ্শনে। যুৱকসকলে নিজৰ অধিকাৰ প্ৰতিপন্ন কৰিবলৈ পিতৃ-মাতৃয়ে খুজি দিয়া ছোৱালী বিয়া কৰোৱাৰ পৰিবৰ্তে নিজ পচণ্ড অনুসৰি বিয়া কৰোৱা আৰম্ভ কৰি দিছিল। বিবাহিত পুৰুষসকলেও পিতৃ-মাতৃৰ লগত থকা পৰম্পৰা বৰ্জন কৰিছিল। পঢ়া-

১। উদাহৰণ স্বৰূপে যুদ্ধৰ সময়ত মানুহক নিজৰ বিবেকক অনুসৰণ কৰিবলৈ লৰ্ড হাফ চেচিলে দিয়া আহ্বান উনুকিয়াব পাৰি

শুনা সাং কৰি ল'ৰাবোৰে নিজেই জীৱিকা অৰ্জন কৰিবলৈ লৈছিল। যেতিয়ালৈ শিশু শ্ৰমিকে কাম কৰা প্ৰথা চলিছিল, তেতিয়ালৈ সিহঁতেও শিল্প উদ্যোগত কাম কৰি মাক-বাপেকক পইচাৰে সহায় কৰিছিল। কিন্তু ফেক্টৰী এক্টে সেই নিয়ম উঠাই দিয়াত অনেক শিশু আৰু সিহঁতক মাক-বাপেকে সেই এক্টৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। ফেক্টৰী এক্টৰ ফলস্বৰূপে শিশুবোৰে অৰ্জাৰ পৰিবৰ্তে সিহঁত মাক-বাপেকৰ বোজা স্বৰূপ হৈ পৰিছিল। ঠিক তেনে সময়তে গৰ্ভনিৰোধক উপায় উদ্ভাৱন হৈছিল আৰু ফলস্বৰূপে জন্মৰ হাৰ হ্ৰাস পাই আহিছিল। এই বিষয়ে ব্যাখ্যা কৰি ক'ব পৰা যায় যে মানুহে নিজৰ কামত অহাকৈ যিমানটা সন্তানৰ প্ৰয়োজন হৈছিল তাৰ এটাও কম-বেছি নকৰাকৈ সন্তান জন্ম দিছিল। এই কামটো অন্ততঃ অষ্ট্ৰেলিয়াৰ আদিবাসীসকল, লাঙ্কাশ্বায়াৰৰ কপাহ কাৰবাৰীসকল আৰু ব্ৰিটিছ পিয়াৰৰ ক্ষেত্ৰত বেছি প্ৰযোজ্য। মই অৱশ্যে ক'ব খোজা নাই যে পৰিস্থিতিটো কোনো সূত্ৰৰ আংশিক পৰ্যায়লৈ সত্য, কিন্তু ই বুজিব পৰাকৈ সত্য।

তেতিয়ালৈকে চলি অহা পৰিয়াল নামৰ অনুষ্ঠানটোৰ মান আধুনিক কালত ৰাষ্ট্ৰৰ হস্তক্ষেপত অৱক্ষয় হ'বলৈ ধৰে। ইয়াৰ গৌৰৱময় কালত এটা পৰিয়ালৰ বয়সস্থ পুৰুষ মুৰব্বী এজন, কেবাজনো প্ৰাপ্তবয়স্ক ল'ৰা, তেওঁলোকৰ পৰিবাৰসকল আৰু যথাস্থানত ল'ৰাৰ ল'ৰা-ছোৱালী একেটা ঘৰতে আছিল। এই সকলোৱে সহযোগত এক আৰ্থিক গোট গঠিত হৈছিল, এখন আধুনিক সামৰিক ৰাষ্ট্ৰৰ দৰে সকলোৱে মিলি বাহিৰৰ শত্ৰুৰ পৰা পৰিয়ালটোক সুৰক্ষা দিছিল। বৰ্তমান যুগত পৰিয়াল এটা ৰাষ্ট্ৰৰ নিৰ্দেশানুক্ৰমে পিতৃ-মাতৃ আৰু তেওঁলোকৰ নাবালক ল'ৰা-ছোৱালীকেইটালৈ সঙ্কোচিত হৈছে। ল'ৰা-ছোৱালীকেইটাই বেছিভাগ সময় স্কুলত কটায়, ৰাষ্ট্ৰই বিচৰা অনুসৰি পিতৃ-মাতৃয়ে ইচ্ছা নকৰা জ্ঞানো আহৰণ কৰে। (এই বিষয়ত অৱশ্যে ধৰ্ম আংশিকভাৱে ব্যতিক্ৰম।) ৰোমান পিতৃ এজনৰ বা এশ বছৰ আগৰ ইংৰাজ পিতৃ এজনৰ ল'ৰা-ছোৱালীক নৈতিকভাৱে ডাঙৰ-দীঘল কৰিবলৈ গৈ সিহঁতক শাস্তি দিয়াৰ অধিকাৰো নাই ; ল'ৰা-ছোৱালীক শাস্তি দিলে আইনে তেনে পিতৃ-মাতৃক শাস্তি দিয়াৰ বিধানো আছে। বৰ্তমানে ল'ৰা-ছোৱালীৰ চিকিৎসাৰ দায়িত্ব ৰাষ্ট্ৰৰ আৰু পতিত পৰিয়ালৰ ল'ৰা-ছোৱালীক আহাৰ-পানী দিয়া দায়িত্বও ৰাষ্ট্ৰৰ। সৰহভাগ দায়িত্ব ৰাষ্ট্ৰই কান্ধপাতি লোৱাৰ ফলত পিতৃৰ দায়িত্ব তেনেকৈ কমি গৈছে। সভ্যতাৰ অগ্ৰগতিৰ বাবেই এনে পৰিস্থিতি অপৰিহাৰ্য হৈ পৰিছে। মাকৰ লগতে ল'ৰা-ছোৱালীক শত্ৰুৰ পৰা দিয়া সুৰক্ষা আৰু অৰ্থনৈতিক সুৰক্ষা দিয়াৰ বাবে আদিম যুগত পিতৃৰ প্ৰয়োজনীয়তা আছিল এৰাব নোৱাৰা বিধৰ। এই ক্ষেত্ৰত পৰিয়াল এটাৰ পৰিস্থিতি চৰাই বা মানৱ-বান্দৰৰ পৰিস্থিতিৰ লগত ৰিজাব পাৰি। বহুত দিন

আগেয়ে পৰিয়াল এটাৰ সুৰক্ষাৰ দায়িত্ব ৰাষ্ট্ৰই লৈছিল। পিতৃ জীৱিত কালত সন্তান এটাক হত্যা কৰাটো সহজ নহোৱাৰ নিচিনাকৈ মাউৰা ল'ৰা এটাক হত্যা কৰাও সহজ নহয়। ধনী শ্ৰেণীটোৰ ক্ষেত্ৰত পিতৃৰ জীৱিত কালতকৈ মৃত্যুৰ পিচতহে অৰ্থনৈতিক কাৰ্য-কলাপ বেছি সুচাৰুৰূপে চলে, কিয়নো, মৃত্যুৰ সময়ত পিতৃয়ে এৰি থৈ যোৱা টকা আৰু আন সম্পত্তিবোৰ বাপেকৰ ভৰণ-পোষণত খৰচ নকৰি ব্যৱসায়ত নিয়োগ কৰিব পাৰে। আৰ্জনৰ ওপৰত চলি থকা পৰিয়ালবোৰত পিতৃ তেতিয়াও অৰ্থনৈতিকভাৱে উপযোগী; কিন্তু শ্ৰমিক শ্ৰেণীটোৰ ভিতৰত থকা মানৱীয়তাৰ মতবাদে পিতৃৰ উপকাৰিতা লাহে লাহে কমি আহিছে, কিয়নো, তেনে মতবাদে দাবী কৰে যে পিতৃ বাচি থাকিলেও এটি শিশুৱে ন্যূনতম বিশেষ সা-সুবিধা ৰাষ্ট্ৰৰ পৰা পোৱা উচিত ; মধ্যবিত্ত শ্ৰেণীটোৰ মাজত পৰিস্থিতিটো অলপ বেলেগ। ইয়াত পিতৃৰ গুৰুত্ব আটাইতকৈ বেছি, কিয়নো তেওঁ যিমান দিন জীৱিত থাকে ভাল উপাৰ্জন কৰি ল'ৰা-ছোৱালীক উচ্চ মানবিশিষ্ট খৰচী স্কুলত পঢ়ুৱায়, লগতে আন সা-সুবিধাবোৰ দিয়ে যাতে ভৱিষ্যতত ল'ৰা-ছোৱালীয়ে পৰিয়ালটোৰ খ্যাতি অৰ্জন কৰিব পাৰে আৰু যদি সন্তন নাবালক অৱস্থাত পিতৃৰ মৃত্যু হয়, তেতিয়া হ'লে পৰিয়ালটোৰ মান সামাজিকভাৱে নিম্নগামী হোৱাৰ সম্ভাৱনা বেছি থাকে। পৰিস্থিতিৰ তেনে অনিশ্চয়তা জীৱন বীমাই অনেক কমাই আনে, কিয়নো পিতৃ পেছাদাৰী হ'লেও তেওঁ যদি বিবেচক হয় জীৱন বীমাই তেওঁৰ দায়িত্ব অনেক কমাই আনে।

আধুনিক জগতত সৰহসংখ্যক পিতৃৰেই কামৰ বোজা ইমান বেছি যে তেওঁলোকে সন্তানৰ তত্ত্বাৱধান ল'বলৈ সময় নাপায়। ৰাতিপুৱা উঠি কৰ্মক্ষেত্ৰলৈ যোৱাৰ বাবে সাজু হোৱাৰ বাবে কথা পাতিবলৈকেই সময় নাই, সন্ধিয়া কামৰ পৰা ঘূৰি আহে মানে ল'ৰা-ছোৱালীবোৰ শুই পৰে (অন্ততঃ শোৱাৰ সময়ত)। এনে কাহিনীও শুনা যায় যে পিতৃক সপ্তাহান্তত আলহী খাবলৈ অহা ব্যক্তিৰূপেহে ল'ৰা-ছোৱালীবোৰে জানে। ল'ৰা-ছোৱালীৰ তত্ত্বাৱধান লোৱাৰ দৰে গাম্ভীৰ্যপূৰ্ণ কামত পিতৃয়ে ভাগ লোৱাটো কথমপিহে সম্ভৱ। প্ৰকৃততে এই দায়িত্বটো যুটীয়াভাৱে পালন কৰে মাতৃ আৰু শিক্ষা বিভাগটোৱে। সত্য কথা যে ল'ৰা-ছোৱালীৰ স্বাৰ্থৰ হকে যদিও পিতৃয়ে কম সময় নিয়োগ কৰে, ল'ৰা-ছোৱালীৰ প্ৰতি মৰম-চেনেহ কিন্তু তেওঁৰেই বেছি। লণ্ডনৰ দুখীয়া লোকৰ আবাসিক এলেকাত দেওবাৰে বহুতো পিতৃয়ে ল'ৰা-ছোৱালীৰ লগত খেল-ধেমালি কৰা দেখা যায়, কিয়নো ল'ৰা-ছোৱালীৰ লগত কটোৱাৰ বাবে তেওঁলোকে কম সময় পায়। পিতৃৰ ফালৰ পৰাই যিয়েই নহওক কিয় ল'ৰা-ছোৱালীৰ বাবে ই গুৰুত্বহীন ৰং ধেমালিৰহে সময়।

উচ্চ আৰু পেছাদাৰী শ্ৰেণীৰ মাজত শিশুবোৰক নাৰ্ছৰ তত্ত্বাৱধানত এৰি

দিয়াটোৱেই নীতি, তাৰ পিচত সিহঁতক হোষ্টেল থকা স্কুললৈ পঠিয়াই দিয়া হয়। মাতৃয়ে নাৰ্ছ বাছনি কৰে। তেনেকৈয়ে পিতৃ-মাতৃয়ে সন্তানবোৰৰ ওপৰত নিজৰ ক্ষমতা বজাই ৰাখে। শ্ৰমিক শ্ৰেণীটোৰ ক্ষেত্ৰত সেইটো কৰিব দিয়া নহয় ; কিন্তু এই শ্ৰেণীটোৰ ল'ৰা-ছোৱালীৰ লগত মাতৃৰ যি সম্পৰ্ক সেই সম্পৰ্ক ধনী শ্ৰেণীটোত দেখা নাযায়। ছুটীৰ দিনত সিহঁতৰ লগত পিতৃৰ সম্পৰ্ক হ'ল ৰং-ধেমালিৰ কিন্তু শ্ৰমিক শ্ৰেণীত থকাৰ দৰে ইয়াত শিক্ষাৰ দিশত পিতৃৰ গুৰুত্বপূৰ্ণ ভূমিকা নাথাকে। অৰ্থনৈতিক দিশ আৰু স্কুল বাছনিৰ ক্ষেত্ৰত পিতৃৰ কৰ্তৃত্ব পূৰাদমে আছে, কিন্তু তেওঁলোকৰ মাজৰ সম্পৰ্ক সাধাৰণতে গভীৰ নহয়।

শিশুই কৈশোৰত ভৰি দিয়াৰ সময়ত পিতৃ-মাতৃৰ লগত এক স্বাভাৱিক দ্বন্দ্বৰ সৃষ্টি হয়, কিয়নো তেতিয়া সিহঁতে নিজেই নিজৰ সমস্যাবোৰৰ সমাধান কৰিব পাৰে বুলি বিশ্বাস কৰে, কিন্তু আনহাতে পিতৃ-মাতৃয়ে তেওঁলোকৰ ইচ্ছানুসৰি কাম কৰিবলৈ সিহঁতক উদ্‌গনি দিব খোজে, পিতৃ-মাতৃৰ এনে দৃষ্টিভঙ্গী আচলতে মৰম-চেনেহৰ ঢাকনিৰ আঁৰৰ ক্ষমতাৰ লিপ্সাহে। সেইটো বয়সত ল'ৰা-ছোৱালীৰ সন্মুখত যি নৈতিক সমস্যাই দেখা দিয়ে। সেইবোৰক পিতৃ-মাতৃয়ে কেৱল তেওঁলোকৰ দখলৰ বুলিহে ধৰি লয় ; আৰু সেইবোৰ বিষয়ত পিতৃ-মাতৃয়ে এনে গোড়া মন্তব্য দিয়ে যে ল'ৰা-ছোৱালীয়ে সিহঁতৰ সমস্যাবোৰ পিতৃ-মাতৃক জনাবলৈ অনীহা প্ৰকাশ কৰে আৰু গোপনীয়তা ৰক্ষা কৰি নিজৰ মতে চলি যায়। গতিকে ল'ৰা-ছোৱালীৰ এই বয়সত পিতৃ-মাতৃক কিবা কাম আছে বুলি ক'ব নোৱাৰি।

এতিয়ালৈ আমি আধুনিক পৰিয়ালৰ দুৰ্বলতাবোৰহে আলোচনা কৰিলো ; কিন্তু পৰিয়াল কিমান শক্তিশালী সেই দিশটো এতিয়া আলোচনা কৰিম।

আন নহ'লেও পৰিয়াল অনুষ্ঠানটো আৱেগিক দিশৰ পৰা আজিও গুৰুত্বপূৰ্ণ। ল'ৰা-ছোৱালীৰ কৰ্মৰাজিক প্ৰভাৱান্বিত কৰাৰ বাবে পিতৃ-মাতৃৰ আৱেগ আন সকলোতকৈ শক্তিশালী। ল'ৰা-ছোৱালী থকা পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালীৰ স্বাৰ্থ আগত ৰাখিয়েই সিহঁতক পৰিচালিত কৰে আৰু পিতৃ-মাতৃয়ে সিহঁতৰ বাবে নিঃস্বাৰ্থভাৱে কাম কৰাৰ বাবে ল'ৰা-ছোৱালীয়েই অনুপ্ৰেৰণা দিয়ে। জীৱন বীমাৰ পলিচী লোৱাটো এটা নিশ্চিত আৰু স্পষ্ট উদাহৰণ। এশ বছৰ আগৰ পাঠ্য-পুথিত ল'ৰা-ছোৱালী থকা মানুহৰ মাজত মিতব্যয়ী লোকৰ উদাহৰণ পোৱা নাযায় যদিও অৰ্থনীতিবিদসকলৰ কল্পনাত নিশ্চয় তেনে মানুহ আছিল ; আৰু অৰ্থনীতিবিদসকলে ধৰি লৈছিল যে তেওঁলোকে কোৱাৰ দৰে সাধাৰণ প্ৰতিযোগিতা বাপেক-পুতেকৰ মাজত নাছিল। ইয়ে স্পষ্ট কৰি দিয়ে যে জীৱনবীমাৰ মানসিকতাৰ উৎস পৰম্পৰাগত ৰাজনৈতিক অৰ্থনীতিৰ বাহিৰতহে আছিল। তথাপি ৰাজনৈতিক অৰ্থনীতি মনস্তাত্ত্বিক

স্ব-নিয়ন্ত্ৰণত নাই। কিয়নো ধন-সম্পত্তিৰ প্ৰতি স্পৃহা পিতৃ-মাতৃৰ অনুভূতিৰ লগত নিকটভাবে সাঙোৰ খোৱা। ৰিবাৰ্চে আৰু এখোজ আগুৱাই গৈ কয় যে ধন-সম্পত্তিৰ প্ৰতি স্পৃহাৰ উৎস হৈছে পাৰিবাৰিক প্ৰবৃত্তি। তেওঁ এনে কেইবিধমান চৰাইৰো উল্লেখ কৰিছে যিবোৰ চৰায়ে পোৱালি ওলোৱাৰ সময়ত মাটিৰ দৰে স্থিৰ সম্পত্তিও আহৰণ কৰে। মই ভাবো সন্তান জন্মাৰ প্ৰাক্কালতকৈ পোৱালি ওলোৱাৰ পিছত সম্পত্তি আহৰণৰ ধাউতি যে বেছি হৈ আহে সেই কথা বাস্তৱ ক্ষেত্ৰত সকলোৱে প্ৰমাণ কৰি চাব পাৰে। সাধাৰণ অৰ্থত ই হৈছে এক প্ৰবৃত্তিগত গুণ, অৰ্থাৎ ই অৱচেতন উৎসৰ পৰা সৃষ্টি হোৱা স্বতঃস্ফূৰ্ত প্ৰবৃত্তি। মই ভাবো, এই ক্ষেত্ৰত মানৱ সমাজৰ উন্নতিৰ কাৰণে পৰিয়াল হ'ল এক বৰ্ণনাতীতভাৱে গুৰুত্বপূৰ্ণ অনুষ্ঠান আৰু ধন-সম্পত্তি সাঁচি ধনী হোৱাসকলৰ মাজত আজিও পৰিয়াল এক মুখ্য কাৰণ।

এই ক্ষেত্ৰত পিতৃ আৰু পুত্ৰৰ মাজত এক আচহুৱা ধৰণৰ ভুল বুজাবুজিৰ সৃষ্টি হ'ব পাৰে। এজন কঠোৰ পৰিশ্ৰম কৰা ব্যৱসায়ী পিতৃয়ে এনেহুৱা পুতেকক ক'ব পাৰে যে মাত্ৰ সিহঁতৰ বাবেই তেওঁ গোটেই জীৱন গেৰাৰী খাটি মৰিছে। এনেহুৱা পুত্ৰই আনহাতে ক'ব পাৰে যে পিতৃৰ মৃত্যুত সি অলপ মৰম আৰু টকা পাঁচটা পালেও হ'ব। ল'ৰাজনে নজৰ কৰিব যে দেউতাকে অভ্যাসৰ বশৱৰ্তী হৈহে চহকী হৈ যায়, সন্তানৰ প্ৰতি মৰম-চেনেহৰ বাবে নহয়। গতিকে পিতৃয়ে পুত্ৰক যেনেকৈ নষ্ট হৈ যোৱা বুলি ভাবে পুত্ৰইও ভাবিব পাৰে যে দেউতাক এজন ভণ্ড। এই ক্ষেত্ৰত কিন্তু পুতেকৰেই ভুল। ল'ৰাই জানে যে দেউতাক যেতিয়া আদবয়সীয়া তেওঁৰ সকলো স্বভাৱ গঢ়লৈ উঠিছে ; সি নাজানে কি অস্পষ্ট, অৱচেতন শক্তিয়ে দেউতাকৰ সেই স্বভাৱবোৰক গঢ় দিছিল। হয়তো এনেও হ'ব পাৰে যে দেউতাকে ডেকাকালত দৰিদ্ৰতাত ভুগিছিল, আৰু তেওঁৰ প্ৰথম সন্তানটো জন্ম হোৱাত তেওঁ হয়তো প্ৰতিজ্ঞা কৰিছিল যে পুতেকক সেই দৰিদ্ৰতাত ভুগিব নিদিয়ে। তেনে এক স্থিৰ প্ৰতিজ্ঞা গুৰুত্বপূৰ্ণ আৰু মুখ্য ; গতিকে চেতন মনক সেই কথা বাৰম্বাৰ সোঁৱৰাই দিয়াৰ প্ৰয়োজন নাই। কিয়নো তেনে নকৰাকৈয়ে ই মানুহজনৰ চৰিত্ৰক প্ৰভাৱান্বিত কৰে। পৰিয়াল যে এতিয়াও এক শক্তিশালী অনুষ্ঠান ইয়েই তাক প্ৰমাণ কৰে।

শিশুৰ দিশৰ পৰা চাই দেখা যায় যে ককায়েক-বায়েকসকলক বাদ দি পিতৃ-মাতৃয়ে তাকেই আটাইতকৈ বেছি মৰম-চেনেহ কৰে। ই ভালো, বেয়াও। পিচৰ অধ্যায়ত শিশুৰ মনস্তাত্বিক দিশটোৰ ওপৰত পিতৃ-মাতৃৰ প্ৰভাৱ কি সেই বিষয়ে আলোচনা কৰিম। গতিকে এই মুহূৰ্তত এই সম্পৰ্কে একো ক'ব নিবিচাৰো— মাত্ৰ ইয়াকেই কম যে শিশুৰ চৰিত্ৰ গঠনত ই এক শক্তিশালী উপাদান, আৰু ভালেই হওক বা বেয়াই হওক পিতৃ-মাতৃৰ লগত থকা ল'ৰা-ছোৱালী, পিতৃ-মাতৃৰ পৰা

আঁতৰত থকা ল'ৰা-ছোৱালীৰ চৰিত্ৰ বেলেগ হ'বই।

অভিজাত সমাজত বা ব্যক্তিগত সুখ্যাতিৰ সুযোগ থকা যিকোনো সমাজত বিশেষ গুৰুত্বপূৰ্ণ দুই-এজন ব্যক্তিৰ ক্ষেত্ৰত পৰিয়াল প্ৰকৃততে ঐতিহাসিক ধাৰাবাহিকতাৰ লগত জড়িত। লক্ষ্য কৰিলে দেখা যায় যে ডাৰউইন নামৰ ব্যক্তি এজনে বিজ্ঞান বিষয়ত কিবা মহৎ এটা কৰিবই ; কিন্তু সেইজন মানুহৰেই নাম যদি শৈশবতেই স্নকলে পৰিবৰ্তন কৰিলে হয় তেতিয়া তেওঁ তেনে কাম কৰিব নোৱাৰিলে হয়। মোৰ ধাৰণা, উপনামবোৰ পিতৃগোত্ৰীয় হোৱাৰ ঠাইত মাতৃগোত্ৰীয় হ'ল হয় এই ধৰণৰ ফলাফল আৰু শক্তিশালী হ'ল হয়। উত্তৰাধিকাৰসূত্ৰে পোৱা গুণ আৰু পৰিস্থিতিৰ পৰা আহৰণ কৰা গুণে তেনে ক্ষেত্ৰত কি ধৰণে ক্ৰিয়া কৰে তাক নিৰ্ণয় কৰাটো অসম্ভৱ ; গেল্টন আৰু তেওঁৰ শিষ্যসকলে মত প্ৰকাশ কৰে যে উত্তৰাধিকাৰ সূত্ৰে পোৱা গুণে-চৰিত্ৰ গঠনত প্ৰভাৱ বিস্তাৰ কৰে, মোৰ কিন্তু দৃঢ় বিশ্বাস যে চৰিত্ৰ গঠনত উত্তৰাধিকাৰসূত্ৰী গুণতকৈ পৰিয়ালৰ প্ৰভাৱ বেছি শক্তিশালী। উদাহৰণ, পৰিয়াল পৰম্পৰাৰ প্ৰভাৱত চেমুৱেল বাটলাৰে অৱচেতন স্মৃতিৰ সূত্ৰ আৱিষ্কাৰ কৰি নব লেমাৰ্কীয় উত্তৰাধিকাৰ সূত্ৰক সমৰ্থন কৰাটোকে ল'ব পাৰি। যুক্তি হ'ল যে পৰিয়ালগত কাৰণতেই তেওঁ চাৰ্লচ ডাৰউইনৰ সূত্ৰৰ বিৰোধিতা কৰিবলগীয়া হৈছিল। (অনুমান হয়) তেওঁৰ ককাকে ডাৰউইনৰ ককাকৰ লগত কাজিয়া কৰিছিল ; তেওঁৰ দেউতাকে ডাৰউইনৰ দেউতাকৰ লগত কাজিয়া কৰিছিল, গতিকে তেৰোঁ ডাৰউইনৰ লগত কাজিয়া কৰিবই। সেই বাবেই বাৰ্নাৰ্ড শ্ব'ৰ মেথুচেলা মেমুচেলাই হ'ব পাৰিছিল, কাৰণ ডাৰউইন আৰু বাটলাৰৰ ককাকইঁত আছিল কাজিয়া কৰা মেজাজৰ।

আজিৰ এই জন্ম নিৰোধকৰ যুগত মানৱ জাতিৰ প্ৰবহমানতাত পৰিয়াল আটাইতকৈ গুৰুত্বপূৰ্ণ হৈ পৰিছে, কিয়নো পৰিয়াল অনুষ্ঠানটোৱে এতিয়াও ল'ৰা-ছোৱালী জন্ম দিয়া পৰম্পৰাটো জীয়াই ৰাখিছে। কোনো এজন ব্যক্তিয়ে যদি দেখে যে ল'ৰা-ছোৱালীত কোনো সম্পত্তি নিহিত নাই আৰু সন্তানৰ লগত যদি মৰম-চেনেহৰ সম্বন্ধ নাই, তেওঁ তেতিয়া ল'ৰা-ছোৱালী জন্ম দিয়াৰ অৰ্থই নাথাকিব। প্ৰচলিত অৰ্থনীতিত কিছু সলনি কৰি এটা কথা ভাবিব পৰা যায় যে পৰিয়াল মাত্ৰ মাতৃসকলৰ দ্বাৰাহে গঠিত হ'ব, কিন্তু ইয়াত মই তেনে পৰিয়ালৰ কথা ক'ব বিচৰা নাই; যি পৰিয়ালত যৌন সততাৰ দাবী নাই ; আমি এনে পৰিয়ালৰ কথা কৈ আছো যি পৰিয়াল স্থিৰ বৈবাহিক সম্পৰ্কৰ দ্বাৰা গঠিত হয়। এনেও হ'ব পাৰে ই সম্ভৱ পৰে যে অনতিপলমে পিতৃক পৰিয়ালৰ পৰা বাদ দিয়া হৈছে (সমাজবাদে ধনী শ্ৰেণীটোক নিঃশেষ নকৰিলে) ; ধনী শ্ৰেণীটো অৱশ্যে এক ব্যতিক্ৰম হ'ব। তেতিয়া তিৰোতাই ল'ৰা-ছোৱালীবোৰ ব্যক্তিগত বাপেকৰ লগত ভগাই লোৱাৰ পৰিবৰ্তে

ৰাষ্ট্ৰৰ লগত ভগাই ল'ব পাৰিব। তেনে পৰিস্থিতিত তেওঁলোকে ইচ্ছানুসৰি সন্তান জন্ম দিব আৰু বাপেকসকলৰ কোনো দায়িত্ব নাথাকিব। বাস্তৱিকতে মাকবোৰ যদি কিছু ধনী হয়, তেনেহ'লে ল'ৰা-ছোৱালীবোৰৰ পিতৃ নিৰ্দ্ধাৰণ কৰাটো অসম্ভৱ হ'ব। আৰু সেইটো যদি সঁচাই ঘটে তেনেহ'লে পুৰুষৰ মানসিকতা আৰু কৰ্মৰাজিত এক আমূল পৰিৱৰ্তন ঘটিব আৰু সেই পৰিৱৰ্তন অনেকে ভবাতকৈ বহুত বেছি গভীৰ হ'ব। পুৰুষৰ ওপৰত ইয়াৰ ফল ভাল নে বেয়া হ'ব সেইটো মই ক'ব বিচৰা নাই। সেই পৰিৱৰ্তনে যৌনপ্ৰেমৰ দৰেই শক্তিশালী পুৰুষৰ আৱেগক নিঃশেষ কৰি পেলাব। ই আনকি যৌন প্ৰেমকো টুলুঙা ধৰণৰ কৰি পেলাব। পৰজন্মত কিবা এটা আছে বুলি থকা বিশ্বাসে যি কৰ্ম প্ৰেৰণা দিয়ে সেই প্ৰেৰণাও নোহোৱা হৈ যাব। ই মানুহক দুৰ্বল কৰি তুলিব আৰু সোনকালে কৰ্ম ক্ষেত্ৰ এৰি যোৱাৰ বাবে উদ্‌গনি জগাব, লগতে ই ইতিহাসৰ প্ৰতি থকা মানুহৰ আকৰ্ষণ শেষ কৰি পেলাব আৰু ঐতিহাসিক পৰম্পৰাৰ প্ৰতি থকা আকৰ্ষণ শেষ কৰি পেলাব। তাৰোপৰি ই নিজৰ স্ত্ৰী আৰু সন্তানক বচোৱাৰ বাবে সভ্য সমাজত থকা প্ৰচণ্ড খং আৰু বৰ্বৰ আৱেগকো নোহোৱা কৰি পেলাব। মই ভাবো ই মানুহৰ মনত যুদ্ধৰ প্ৰতি বিৰাগৰ সৃষ্টি কৰিব আৰু সম্পত্তি আহৰণৰ হেঁপাহক নিশেষ কৰি পেলাব। ভাল-বেয়াৰ বিচাৰ কৰাৰ ক্ষমতা বিলোপ কৰি পেলাব; হ'লেও এটা কথা ঠিক যে ইয়াৰ ক্ৰিয়া গভীৰ আৰু সুদূৰপ্ৰসাৰী হ'ব। গতিকে পিতৃপ্ৰধান পৰিয়াল এতিয়াও বেছ গুৰুত্বপূৰ্ণ, যদিও আমি নাজানো সেই গুৰুত্ব কিমান দিন বাচি থাকে।

চতুৰ্দশ অধ্যায়
ব্যক্তিগত মনস্তত্বত পৰিয়াল

পৰিয়াল সম্পৰ্কই কেনেকৈ মানুহৰ চৰিত্ৰ গঠনত প্ৰভাৱ পেলায় সেই সম্পৰ্কে এই অধ্যায়ত আলোচনা কৰিম। বিষয়টো তিনি তৰপীয়া ঃ শিশুৰ ওপৰত প্ৰভাৱ, পিতৃৰ ওপৰত প্ৰভাৱ আৰু মাতৃৰ ওপৰত প্ৰভাৱ। এই তিনিওটা এনে ওতঃপ্ৰোতভাৱে জড়িত যে ইয়াৰ পৃথকীকৰণসম্ভৱপৰ নহয়; কিয়নো পৰিয়াল এটা হৈছে নিকট সম্বন্ধীয় এটি গোট আৰু পিতৃ-মাতৃৰ ওপৰত হোৱা ক্ৰিয়াৰ প্ৰভাৱ ল'ৰা-ছোৱালীৰ ওপৰত পৰিবই। হ'লেও আমি এই আলোচনাটিত এই তিনিটা মূল ধাৰা বিভক্ত কৰি আগবাঢ়িম। শিশুসকলেই আলোচনাৰ পাতনি হোৱাটো তেনেই স্বাভাৱিক, যিহেতু পিতৃ-মাতৃ হোৱাৰ আগেয়ে প্ৰত্যেকেই শিশুৱে আছিল।

আমি যদি ফ্ৰয়দক বিশ্বাস কৰো তেতিয়া দেখো যে এটি শিশুৰ আৱেগ পৰিয়ালৰ আন সদস্যসকলৰ লগত গভীৰভাৱে জড়িত। ল'ৰা শিশুটোৱে তাৰ বাপেকক যৌন প্ৰতিদ্বন্দ্বী হিচাপে বৰ বেয়া পায়। মাকৰ সম্পৰ্কত তাৰ যি আৱেগ তাক পৰম্পৰাগত নৈতিকতাই বৰ বেয়াকৈ ঘিণ কৰে। পিতৃ-মাতৃৰ সকলো মৰম-চেনেহ তাৰ ওপৰতেই কেন্দ্ৰীভূত হোৱাটো সি আশা কৰে আৰু সি যেতিয়া দেখে যে ককায়েক-বায়েকসকলে সেই মৰম-চেনেহৰ ভাগ লৈছে, তেতিয়া সি ককায়েক-বায়েকহঁতক বেয়া পাবলৈ ধৰে। এই ভীষণ ঘৃণা জড়িত আৱেগবোৰেই পিচলৈ বেয়া ৰূপ ধাৰণ কৰে আৰু তাৰ প্ৰতিফলন হয় সমকামিতাৰ দৰে সহনীয় কাৰ্যৰ পৰা মানসিক বিকৃতিৰ দৰে শোকাবহ প্ৰতিক্ৰিয়াৰ।

ফ্ৰয়দীয় দৰ্শনে আমি প্ৰত্যাশা কৰাতকৈ বহুত কম আতঙ্কৰ সৃষ্টি কৰে। সঁচা কথা যে ফ্ৰয়দৰ এই দৰ্শনত বিশ্বাস কৰাৰ বাবে অনেক অধ্যাপকক চাকৰিৰ পৰা নিলম্বিত কৰা হৈছে আৰু ব্ৰিটিছ পুলিচে ফ্ৰয়দৰ সমসাময়িক ব্যক্তি এজনক এই দৰ্শন মানি কাম কৰাৰ বাবে দেশৰ পৰা বহিষ্কাৰ কৰিছিল।[১] খ্ৰীষ্টীয় সন্ন্যাসবাদৰ প্ৰভাৱত পৰি শিশুৰ ঘৃণাৰ ছবিতকৈও ফ্ৰয়দৰ যৌন বিষয়ৰ মতবাদৰ দ্বাৰা মানুহ বেছি আতঙ্কিত হৈছিল। শিশুৰ আৱেগ সম্পৰ্কে ফ্ৰয়দৰ মতামতৰ সত্যতা নিৰ্ণয়

১। হোমাৰ লেন।

কৰিবলৈ হ'লে আমি তেনে কু-ভাবৰ পৰা মুক্ত হৈ মন স্থিৰ কৰিব লাগিব। সাম্প্ৰতিক কেইবছৰমানৰ শিশু সম্পৰ্কীয় মোৰ অভিজ্ঞতাই পতিয়ন নিয়ায় যে মোৰ পূৰ্বৰ এই সম্পৰ্কীয় ধাৰণাতকৈ ফ্ৰয়দৰ মতামতৰ সত্যতা আছে। হ'লেও মই এতিয়াও ভাবো যে শিশুৰ এই অনুভূতিবোৰে সত্যৰ এটা দিশৰহে প্ৰতিনিধিত্ব কৰে আৰু পিতৃ-মাতৃয়ে অলপ ভাল ভাবে লৈ সেই দিশটোৰ বেয়াখিনিৰো উপশম কৰিব পাৰে।

আমি ই'দিপাচ জটিলতাৰে আলোচনাৰ পাতনি মেলোহঁক। প্ৰাক-ফ্ৰয়দীয় যুগত সকলোৱে ভবাতকৈ শিশুৰ যৌনতা বহুগুণে প্ৰবল। মই আনকি ভাবো যে ফ্ৰয়দৰ লেখনিত শৈশৱৰ বিপৰীতকামিতা বেছি প্ৰবল। অজ্ঞান মাতৃ এগৰাকীয়ে যদি ল'ৰা শিশুটোৰ বিপৰীতকামিতা তেওঁৰ ওপৰতেই কেন্দ্ৰীভূত হ'বলৈ এৰি দিয়ে তেওঁ নিশ্চয় সত্য উদঘাটন কৰিব পাৰিব আৰু সদায় যদি শিশুটোৱে তাকে কৰে তেতিয়া হ'লে ফ্ৰয়দে অনুমান কৰা কুফলটো নিশ্চয় প্ৰকাশ পাব। অৱশ্যে এগৰাকী মাতৃ যদি যৌনভাবে নিজেই সন্তুষ্ট, তেতিয়াহ'লে শিশুটোৰ যৌন ক্ৰিয়া কিছু পৰিমাণে লাঘৱ হ'ব, কিয়নো সেই নাৰীগৰাকীয়ে যিহেতু আন প্ৰকাৰে যৌন সন্তুষ্টি লাভ কৰিব পাৰিছে শিশুটিৰ লগত যৌন সন্তুষ্টি লাভৰ মানসিকতা নাথাকে। পবিত্ৰ ৰূপত মাতৃৰ আবেগ শিশুটিৰ পৰা আবেগিক সন্তুষ্টি বিচৰাটো নহয়, বৰং মৰম-চেনেহেৰে শিশুটিৰ তত্ত্বাৱধান লোৱাটোহে মুখ্য ঃ তেনে স্থলত মাতৃ এগৰাকী যদি যৌন জীৱনত আন প্ৰকাৰে সন্তুষ্ট তেওঁ নিশ্চয় সেই শিশুটিৰ পৰা সেই সন্তুষ্টি লাভৰ কামনাৰ পৰা স্বতঃস্ফূৰ্তভাৱেই বিৰত থাকিব। সেই কাৰণেই এগৰাকী সুখী মাতৃ এগৰাকী অসুখী মাতৃতকৈ ভাল মাতৃ।

কোনো মাতৃয়েই অৱশ্যে সদায়ে সুখী বুলি ক'ব নোৱাৰে আৰু তেনে অসুখী মুহূৰ্তত শিশুৰ পৰা আবেগিক সন্তুষ্টি লভাৰ কামনাক আত্মসংযমেৰে দূৰত ৰাখিব লাগিব। এইখিনি আত্মসংযম অভ্যাস কৰাটো বৰ জটিল নহয়; কিন্তু অতীতত এই সংযমৰ দৰ্কাৰ বোধ কৰা নাছিল আৰু এগৰাকী মাতৃয়ে শিশুটোক ঘণ্টাৰ পিছত ঘণ্টা মৰম কৰি ওপচাই দিছিল। সৰু সৰু ল'ৰা-ছোৱালীবোৰে সিহঁতৰ বিপৰীতকামী আৱেগৰ এক স্বাভাৱিক, সুস্থ আৰু সৰল সুঁতি বিচাৰি পায় আন শিশুৰ সান্নিধ্যত। এইটো ৰূপত ই উমলা-জামলাৰে এটি অঙ্গ বুলি ধৰি লোৱা হয় আৰু এই ওমলাৰ মাজেৰেই সিহঁতে প্ৰাপ্তবয়স্কৰ কাৰ্যাৱলীৰ প্ৰস্তুতি আৰম্ভ কৰে। তিনি-চাৰি বছৰ বয়সৰ পিছত আৱেগিক বিকাশৰ বাবে এটা শিশুক আন ল'ৰা-ছোৱালীৰ সঙ্গৰ প্ৰয়োজন; সেই সঙ্গী ল'ৰা-ছোৱালীবোৰ নিজৰ ককাই বা বাই-ভনী, যি সাধাৰণতে বয়সত ডাঙৰ বা সৰু হ'বই, সমবয়সৰ ল'ৰা-ছোৱালীৰ সঙ্গৰ প্ৰয়োজন।

অকল মাকেই শিশুৰ মানসিকতাত তেনে অবাঞ্ছনীয় মৰমৰ সৃষ্টি নকৰে;

চাকৰণী, নাৰ্চ আৰু শিক্ষয়িত্ৰীসকলেও পিছত সেই মৰমৰ উদ্ৰেক কৰে, কিয়নো তেওঁলোকৰ সৰহ ভাগেই যৌনোপবাস কৰি থকা ব্যক্তি। শিক্ষা বিভাগৰ কৰ্তৃপক্ষৰ মত এই যে কণ কণ ল'ৰা-ছোৱালীবোৰক শিক্ষা প্ৰদান কৰা স্কুল শিক্ষকবোৰ অসুখী, অবিবাহিতা মহিলা হোৱা উচিত। এনে মন্তব্য শিশু মানসিকতাৰ বিষয়ে তেওঁলোকৰ মূল অজ্ঞতাৰে পৰিচায়ক ; শিশুৰ আবেগিক বিকাশ সম্পৰ্কে গভীৰ অধ্যয়ন কৰা লোকসকলে শিক্ষা বিভাগৰ তেনে মতক সমূলি গ্ৰহণ কৰিব নোৱাৰে।

ভায়েক-ভনীয়েকসকলৰ মাজত ঈৰ্ষা থকাটো স্বাভাৱিক ; আৰু সিয়েই গৈ পিছলৈ গণহত্যাৰ মানসিকতালৈ ৰূপান্তৰিত হয় বা সাধাৰণ বিধৰ মানসিক বিকৃতিত পৰিণত হয়। পাতলীয়া ৰূপৰ বাহিৰে তেনে ধৰণৰ মানসিকতাক পিতৃ-মাতৃয়ে অলপ সংযমৰদ্বাৰা বাধা দিব পাৰে। ল'ৰা-ছোৱালীকেইটাৰ কোনো এটাৰ প্ৰতি বেছি মৰম-চেনেহ প্ৰদৰ্শন কৰাটো মুঠেই থাকিব নালাগে— পুতলা আদি খেলৰ বস্তু দিয়া; সিহঁতৰ প্ৰতি ব্যৱহাৰ আৰু তত্ত্বাৱধানৰ ক্ষেত্ৰত পুংখানুপুংখৰূপে সমভাবে বিতৰণ কৰিব লাগে। আৰু এটি ভায়েক বা ভনীয়েকৰ জন্ম হ'লে ইমান সতৰ্ক ল'ব লাগে যাতে ডাঙৰকেইটাই অকণো অনুভৱ নকৰে যে পিতৃ-মাতৃৰ চকুত সিহঁত পূৰ্বতকৈ কম গুৰুত্বপূৰ্ণ হৈ গৈছে। মাৰাত্মক ধৰণৰ ঈৰ্ষাৰ ক্ষেত্ৰত দেখা যায় যে পিতৃ-মাতৃয়ে এই সাধাৰণ নীতি-নিয়মখিনি অৱহেলা কৰিছে।

তেনেহ'লে আমি এনে এক পৰিস্থিতিত উপনীত হৈছো যে শিশুৰ বিকাশত পৰিয়ালৰ মনস্তাত্বিক প্ৰভাৱৰ সুফল পাবলৈ হ'লে পিতৃ-মাতৃয়ে কেইটামান চৰ্ত মানিব লাগিব। পিতৃ-মাতৃ, বিশেষকৈ মাতৃ পৰাপক্ষত যৌনভাৱে অসন্তুষ্ট থাকিব নালাগে। পিতৃ-মাতৃ দুয়োজনে শিশুৰ লগত এনে আবেগিক সম্পৰ্ক ৰাখিব নালাগে যি শিশুৰ বাবে অবাঞ্ছনীয়। ভায়েক-ভনীয়েকসকলৰ কোনোটো আপোন আৰু কোনোটো পৰ বুলি দেখুৱাব নালাগিব— বৰং প্ৰত্যেককে নিৰপেক্ষভাৱে ন্যায় প্ৰদৰ্শন কৰিব লাগিব। আৰু তিনি-চাৰি বছৰ বয়সৰ পিছত ল'ৰা-ছোৱালীকেইটাক ঘৰুৱা পৰিবেশতে আবদ্ধ নাৰাখি দিনটোৰ বহুখিনি সময় সমবয়সৰ আন ল'ৰা-ছোৱালীৰ লগত খেলিব দিব লাগে। এইখিনি কৰিলে ফ্ৰয়দে আঙুলিয়াই দিয়া কুফলবোৰে ভুমুকি নামাৰিব যেন লাগে।

আনহাতে পিতৃ-মাতৃৰ শুদ্ধ মৰম-চেনেহে নিঃসন্দেহে শিশুৰ বিকাশত বৰগুণি যোগায়। মাতৃৰ পৰা মৰম-চেনেহ নোপোৱা ল'ৰা-ছোৱালী সাধাৰণতে লেৰেলা দুৰ্বল মানসিকতাৰ হয় আৰু তেনে ল'ৰা-ছোৱালীয়ে কেতিয়াবা চৌৰ্য বৃত্তি অৱলম্বন কৰা দেখা যায়। পিতৃ-মাতৃৰ মৰম-চেনেহে এই বিপদশংকুল জগতখনত নিজকে নিৰাপদ বুলি ভবাৰ মানসিকতাৰ সৃষ্টি কৰে আৰু নিজৰ পৰিবেশ সম্পৰ্কে পৰীক্ষা-নিৰীক্ষা

কৰিবলৈ সাহস পায়। শিশুৰ মনত এনে অনুভূতি সৃষ্টি কৰিব লাগে যে সি সকলোৰে মৰম-চেনেহৰ পাত্ৰ আৰু সেই মৰম-চেনেহে তাক নিৰাপদ কৰি ৰাখিছে। শিশু এটি সুখী, বহল মনৰ আৰু নিৰ্ভীকভাৱে ডাঙৰ-দীঘল হ'বলৈ হ'লে তাৰ চাৰিওফালৰ পৰিবেশত তাৰ প্ৰতি কিছু উষ্মা থাকিব লাগিব, আৰু পিতৃ-মাতৃৰ মৰম-চেনেহৰ বাহিৰে সেই উষ্মা কোনেও আনি দিব নোৱাৰে।

শিশুসকলৰ প্ৰতি পিতৃ-মাতৃৰ আন এটি সেৱা আছে যদিও সেঁৗ সিদিনালৈ সেই সেৱা কোনেও আগবঢ়োৱা নাছিল। সেইটো হৈছে, তেওঁলোকে সম্ভাব্য শুদ্ধ পথেৰে ল'ৰা-ছোৱালীক যৌন জ্ঞান আৰু পিতৃ-মাতৃত্ব সম্পৰ্কে জ্ঞান দিয়া। যদি সিহঁতে জানে যে মাক-দেউতাকৰ মাজত যৌন সম্পৰ্কৰ ফলতেই সিহঁতৰ জন্ম হৈছে তেতিয়া সিহঁতে এক শুদ্ধ ৰূপত যৌন জ্ঞান আহৰণ কৰিব আৰু ইয়াৰ জৈবিক উদ্দেশ্য ভালদৰে বুজিব পাৰিব। পুৰণি কালত সিহঁতে এই বিষয়ে জানিছিল প্ৰথমে অশ্লীল কাহিনী হিচাপে আৰু পিছলৈ অপমানসূচক আনন্দৰ উৎস হিচাপে। গোপনীয়, অশ্লীল কথাৰে এই জ্ঞানৰ যি শুভাৰম্ভ হয় সি ল'ৰা-ছোৱালীৰ মনত এক মচিব নোৱাৰা সাঁচ বহুৱায়, যাৰ ফলত কোনো দিনেই যৌন সম্পৰ্কীয় জ্ঞানক মানুহে শুদ্ধ জ্ঞান ৰূপে মানি ল'ব নোৱাৰে।

পাৰিবাৰিক জীৱন মুঠৰ ওপৰত বাঞ্ছনীয় নে অবাঞ্ছনীয় তাক নিৰ্ণয় কৰিবলৈ হ'লে ইয়াৰ ব্যৱহাৰিক বিকল্প কি কি হ'ব পাৰে, তাক আমি নিশ্চিতভাৱে জানিব লাগিব। সেই বিকল্প দুই ধৰণৰ হ'ব যেন লাগে ; প্ৰথম, মাতৃ-গোত্ৰীয় পৰিয়াল আৰু দ্বিতীয় শিশু আশ্ৰম জাতীয় ৰাজহুৱা অনুষ্ঠান। ইয়াৰ যিকোনো এটাৰ কাৰ্যকৰী পদক্ষেপ ল'বলৈ হ'লে পোনতে বুজন পৰিমাণৰ অৰ্থনৈতিক পৰিবৰ্তন আনিব লাগিব। তেনে অৰ্থনৈতিক পৰিবৰ্তন অনা বুলি ধৰি লৈ শিশুৰ ওপৰত ইয়াৰ কি মনস্তাত্বিক প্ৰভাৱ পৰে আমি চালিজাৰি চাব লাগে।

মাতৃ-গোত্ৰী পৰিয়ালৰ কথাৰে আলোচনা আৰম্ভ কৰোহক। আমি ধৰি ল'ব লাগিব যে ল'ৰা-ছোৱালীয়ে কেৱল মাককহে পাব, যে এগৰাকী নাৰীয়ে যিমানটা সন্তান প্ৰয়োজন বুলি ভাবে সিমানটা সন্তানহে জন্ম দিব আৰু আটাইকেইটা সন্তানৰ বাপেক যে একেজনেই হ'ব তাৰ কোনো মানে নাই। অৰ্থনৈতিক পদ্ধতিটো বাঞ্ছনীয় বুলি ধৰি লৈ প্ৰশ্ন কৰোহক— এইটো পদ্ধতিত ল'ৰা-ছোৱালীবোৰে বেছি কষ্ট ভোগ কৰিব লাগিব নেকি? ইয়াৰ ফলত ল'ৰা-ছোৱালীবোৰৰ মনস্তত্বৰ ওপৰত পিতৃৰ কি সদ্ব্যৱহাৰ হ'ব পাৰে? মই ভাবো পিতৃৰ প্ৰয়োজন হ'ব বৈবাহিক প্ৰেমৰ লগত যৌন বিষয়ক সম্পৰ্ক আৰু মানৱ জাতিৰ ধাৰাবাহিকতা বজাই ৰখাৰ বাবে সন্তান জন্ম দিয়াত। তাৰোপৰি প্ৰথম শৈশৱৰ পিছত ল'ৰা-ছোৱালীবোৰে অকল মাতৃৰ

সান্নিধ্য পোৱাৰ পৰিবৰ্তে নাৰী আৰু পুৰুষৰ ভিন্ন ভিন্ন দৃষ্টিভঙ্গী লাভ কৰিব পাৰে। বিশেষকৈ ল'ৰা সন্তানৰ বাবে বৌদ্ধিক দিশৰ পৰা ই গুৰুত্বপূৰ্ণ। লগতে ইয়াকো কও যে ইয়াৰ সুফলটো বৰ গভীৰ বিধৰ নহ'ব। শৈশৱ কালতে যিবোৰ ল'ৰা-ছোৱালীৰ পিতৃ ঢুকায়, মই জনাত তেনেবোৰ ল'ৰা-ছোৱালী আন ল'ৰা-ছোৱালীতকৈ সাধাৰণতে বৰ বেয়া নহয়। সন্দেহ নাই যে আদৰ্শ পিতৃ এজন নহ'লে, একেবাৰে পিতৃ নোহোৱাই শ্ৰেয়, কিন্তু দেখা যায় অনেক পিতৃ আদৰ্শবান নহয় আৰু তেনে আদৰ্শহীন পিতৃৰ অনুপস্থিতি বৰং ল'ৰা-ছোৱালীৰ বাবে ভালহে হয়।

এইমাত্ৰ যিটো কথা কোৱা হ'ল সি নিৰ্ভৰ কৰিব প্ৰচলিত নীতিৰ ঠাইত আন এক প্ৰথা প্ৰৱৰ্তনৰ ওপৰত। প্ৰচলিত সামাজিক প্ৰথাৰ সামান্যতম ভঙ্গ কৰাৰ ফলত ল'ৰা-ছোৱালীয়ে শাস্তি পাবলগীয়া হয়, কিয়নো শিশু এটাক আচহুৱা বুলি কোৱাটো তাৰ বাবে বেছি বেদনাদায়ক আন একো হ'ব নোৱাৰে। একে ধাৰণা বিবাহ-বিচ্ছেদৰ ক্ষেত্ৰতো প্ৰযোজ্য। পিতৃ-মাতৃক একেলগে যি শিশুৱে দেখিছে আৰু তাৰ চকুৰ আগত দুয়োৰে মাজৰ আবেগিক সম্পৰ্কৰ প্ৰদৰ্শন হৈছে, তেনে শিশুৱে পিতৃ-মাতৃক বিচ্ছেদ দেখিলে তাৰ নিৰাপত্তাৰ সকলো ধাৰণা নিঃশেষ হৈ যায়। আচলতে তেনে পৰিস্থিতিত শিশুটোৱে এক মানসিক বিকৃতিৰ দ্বাৰা আক্ৰান্ত হ'ব পাৰে বা আন স্নায়ৱিক বিকৃতি ঘটিব পাৰে। যেতিয়া এটা শিশুৱে দুয়োৰে লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰে আৰু পিছত পিতৃ-মাতৃয়ে বিচ্ছেদ হ'ব বিচাৰে, তেতিয়া তেওঁলোকে এক বিপজ্জনক কাম কৰিব ওলোৱাহে হ'ব। গতিকে মই ভাবো যে বিবাহ-বিচ্ছেদ হোৱা পৰিয়ালতকৈ ল'ৰা-ছোৱালীৰ মঙ্গলৰ বাবে পিতৃহীন পৰিয়ালেই শ্ৰেয়।

ল'ৰা-ছোৱালীক মাতৃৰ পৰা আৰু লগতে পিতৃৰ পৰাও আঁতৰাই ৰখাৰ বাবে প্লেটোৱে যি মন্তব্য দিছে সেই সম্পৰ্কে মোৰ ক'বলগীয়া বিশেষ নাই। আগেয়ে দৰ্শাই অহা যুক্তিৰ দোহাই দি ক'ব খোজো যে শিশুৰ বিকাশৰ বাবে পিতৃ-মাতৃৰ মৰম-চেনেহ অত্যাৱশ্যকীয়; আৰু পিতৃ-মাতৃৰ কোনো এজনৰ পৰা তেনে মৰম-চেনেহ পোৱাটো যথেষ্ট বুলি ক'লেও কোনো এজনৰ পৰা মৰম-চেনেহ নপোৱাটো নিশ্চয় শোচনীয় হ'ব। আমাৰ আলোচ্য বস্তু যৌন নীতিৰ দৃষ্টিভঙ্গীৰ পৰা চাই পিতৃৰ ব্যৱহাৰিক উপকাৰিতা কি তাক ক'ব পৰা যায়। এই সম্পৰ্কে ইতিবাচক কিবা এটা কৰাটো জটিল হ'লেও সিদ্ধান্তটো এনে অনুমান হয় যে সৌভাগ্যপূৰ্ণ ক্ষেত্ৰত পিতৃৰ কিবা উপকাৰিতা থাকিলেও দুৰ্ভাগ্যপূৰ্ণ স্থানত উৎপীড়ন, খং আদি স্বভাৱৰ জৰিয়তে পিতৃয়ে উপকাৰ কৰাতকৈ অপকাৰহে কৰে বেছি। গতিকে ক'ব পৰা যায় যে শিশুৰ মনস্তাত্বিক দিশত পিতৃৰ গুৰুত্ব বৰ বেছি নাই।

প্ৰচলিত পৰিয়াল পদ্ধতিত মাতৃৰ মনস্তাত্বিক দিশৰ মূল্যায়ন কৰাটো জটিল

কাম। মই ভাবো গৰ্ভাৱস্থা আৰু কেঁচুৱাক গাখীৰ খুওৱা কালছোৱাত নাৰীৰ এক স্বভাৱগত প্ৰবৃত্তি হৈছে পুৰুষৰ আশ্ৰয়ত নিৰাপত্তা বিচৰাটো— এই প্ৰবৃত্তি মানব বান্দৰৰ পৰা উত্তৰাধিকাৰ সূত্ৰে পোৱা প্ৰবৃত্তি। আমাৰ বৰ্তমানৰ কৰ্কশ সংসাৰত কোনো নাৰীয়ে যদি সেই নিৰাপত্তাখিনি নিবিচাৰে, তেনেহ'লে ক'ব লাগিব যে মহিলাগৰাকী আত্মাভিমানী আৰু যুদ্ধংদেহী প্ৰকৃতিৰ। এই ধৰণৰ ধাৰণা কিন্তু আংশিকভাৱে আনুভূতিক। ৰাষ্ট্ৰই যদি গৰ্ভৱতী নাৰীক প্ৰয়োজনীয় নিৰাপত্তা দিয়ে আৰু লগতে ল'ৰা-ছোৱালীৰ তত্ত্বাৱধান লয় তেনেহ'লে নাৰীৰ তেনে মানসিকতা কমাই আনিব পাৰি বা একেবাৰে নিৰ্মূল কৰিব পাৰি। মই ভাবো যে পৰিয়ালত পিতৃৰ স্থান শেষ কৰি দিলে বোধহয় স্ত্ৰী-পুৰুষৰ মাজৰ আন্তৰিক সম্পৰ্কক দুৰ্বল আৰু টুলুঙা কৰি পেলোৱাৰ দৰে অপকাৰ মহিলাৰ বাবে কঢ়িয়াই আনিব। মানব জীৱন এনেদৰে গঠিত যে স্ত্ৰী-পুৰুষে পৰস্পৰৰ পৰা বহু কথাই জানিব লগীয়া থাকে, কেৱল আৱেগিক যৌন সম্পৰ্কৰ পৰা সকলোবোৰ জনা নাযায়। ল'ৰা-ছোৱালীক ডাঙৰ-দীঘল কৰাৰ দৰে গহীন কাৰ্যত সহযোগ আৰু দীৰ্ঘ জীৱনৰ সঙ্গ ই এনে এক সম্পৰ্কৰ সৃষ্টি কৰে যে ই পিতৃহীন পৰিয়ালে দিব পৰাতকৈ মানুহক বহুগুণে ভাল জ্ঞান দিব পাৰে। মই নাভাবো যে যিসকল মহিলাই কেৱল নাৰী ৰাজ্যতেই কাল কটায় আৰু পুৰুষৰ লগত সম্পৰ্ক তেনেই পাতল ধৰণৰ তেনে মহিলাই ল'ৰা-ছোৱালীক আৱেগিক শিক্ষা দিয়াটো স্বামী থকা পৰিয়াল এটাৰ তিৰোতাগৰাকীয়ে দিয়া শিক্ষাৰ দৰে ভাল হ'ব নোৱাৰে। বহুতৰ ক্ষেত্ৰত অনেক যুক্তি দি ইয়াৰ বিপৰীতেও মত পোষণ কৰিব পাৰে। বিয়াৰ পিছত যদি কোনো এগৰাকী নাৰী বাস্তৱিকতে অসুখী হয়— অনেকৰ ক্ষেত্ৰত তেনে হয়েও— সেই অশান্তিয়ে ল'ৰা-ছোৱালীৰ তত্ত্বাৱধান ল'ব পৰাকৈ তেওঁক আৱেগিক ভাৰসাম্য বজাই ৰাখিব নোৱাৰা পৰিস্থিতিলৈ ঠেলি দিয়ে। তেনে ক্ষেত্ৰত পুৰুষজনক আঁতৰাই দিব পাৰিলে ল'ৰা-ছোৱালীৰ তত্ত্বাৱধান তেওঁ বেছি ভালকৈ ল'ব পাৰিব। গতিকে আমি এক তেনেই পাতল বিধৰ সিদ্ধান্তলৈ আহিলো যে সুখী বিয়া ভাল আৰু অসুখী বিয়া বেয়া।

পৰিয়াল সম্পৰ্কত মনস্তত্ত্বৰ বিষয়ে আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যাটো হ'ল পিতৃৰ ওপৰত ইয়াৰ প্ৰভাৱ। পিতৃত্ব আৰু তাৰ আনুষঙ্গিক প্ৰবৃত্তিবোৰৰ কথা আমি অনেকবাৰ উনুকিয়াইছো। পিতৃ-প্ৰধান পৰিয়াল সম্পৰ্কত ইতিহাসৰ আদিম স্তৰত পিতৃত্বই কি গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল আৰু নাৰীক দমন কৰিছিল সেই বিষয়েও পাই আহিছো ; আৰু তাৰ পৰাই আমি বিচাৰ কৰিব পাৰো পিতৃত্ববোধৰ আৱেগ কিমান শক্তিশালী। কিন্তু, উচ্চতৰ সভ্য সমাজত পিতৃৰ গুৰুত্ব যে তাতকৈ বহুত

দুৰ্বল তাৰ কাৰণ আমি এতিয়াও বিচাৰি নাপাও। ৰোমান সাম্ৰাজ্যৰ যুগত উচ্চশ্ৰেণীৰ মাজত সেই অনুভূতি শেষ হৈ আহিছিল আৰু বৰ্তমান যুগৰ অনেক বৌদ্ধিক পৰিয়ালতে তেনে প্ৰবৃত্তিৰ বিলুপ্তি ঘটিছে। তথাপি এতিয়াও সভ্য সমাজৰ সৰহসংখ্যক লোকৰেই সেই অনুভূতি আছে। সেই কাৰণে মানুহে আজিও বিয়া কৰায় (কেৱল যৌন সম্ভোগৰ কাৰণেই নহয়) ; কিয়নো বিয়া নকৰাকৈও যৌন সম্ভোগৰ সুবিধা অনেক আছে। এক সূত্ৰ অনুসৰি ল'ৰা-ছোৱালী লাভৰ বাবে পুৰুষতকৈ নাৰীৰ কামনা বেছি প্ৰবল। কিবা অৰ্থ থাকক বা নাথাকক এই ক্ষেত্ৰত মোৰ মত কিন্তু তাৰ বিপৰীতটোহে। বহুত সংখ্যক আধুনিক বিয়াত দেখা যায় যে পুৰুষজনৰ কামনাৰ বাবে নাৰীগৰাকীয়ে অনুগ্ৰহ কৰি ল'ৰা-ছোৱালীৰ জন্ম দিয়ে। এটা সন্তান জন্ম দিবলৈ হ'লে নাৰীগৰাকীয়ে পৰিশ্ৰম, বেদনা আদিত লিপ্ত হোৱাৰ উপৰি সৌন্দৰ্য হ্ৰাস হোৱা আদি সমস্যাৰ সন্মুখীন হ'বলগীয়া হয় ; পুৰুষজনে কিন্তু তেনে চিন্তা কৰাৰ প্ৰয়োজন নাই। পৰিয়াল সীমিত কৰাৰ বাবে পুৰুষৰ ইচ্ছাৰ অন্তৰালত আছে অৰ্থনৈতিক কাৰণ ; একেই কাৰণ নাৰীগৰাকীৰ ক্ষেত্ৰতো প্ৰযোজ্য, হ'লেও তেওঁৰ নিজস্ব এক কাৰণো আছে। ল'ৰা-ছোৱালীৰ বাবে পুৰুষৰ কামনাৰ প্ৰবলতা ল'ৰা-ছোৱালীৰ হিতৰ বাবে নিজৰ বাস্তৱ সুখ স্বাচ্ছন্দ্যক জলাঞ্জলি দিয়াৰ পৰাই বুজিব পাৰি; পৰিয়ালটোক শিক্ষিত কৰি তোলাৰ বাবে নিজৰ শ্ৰেণীটোৱে দৰ্কাৰী বুলি ধৰি লোৱা ভাল শিক্ষা দিয়াৰ ব্যৱস্থা কৰে।

বৰ্তমানৰ পদ্ধতিয়ে পিতৃত্বক প্ৰদান কৰা আনন্দ উপভোগৰ অধিকাৰ নাথাকিলে কোনোবা পুৰুষে ল'ৰা-ছোৱালী জন্ম দিবনে? কিছুমানে ক'ব বিচাৰে যে ল'ৰা-ছোৱালীৰ প্ৰতি দায়িত্ব নাথাকিলে মনুহে জধেমধে সন্তান উৎপাদন কৰিলে হয়। তেনে মতত মোৰ বিশ্বাস নাই। যিজনে সন্তান জন্ম দিয়াৰ ইচ্ছা কৰে, সন্তান জন্মৰ লগত জড়িত দায়িত্ব লোৱাৰো ইচ্ছা তেওঁৰ থাকিব। আৰু আজিৰ এই জন্মনিৰোধকৰ যুগত মানুহে আনন্দ উপভোগ কৰিবলৈ এৰি সন্তান জন্ম দিয়াৰ বাবে ইচ্ছুক নহ'লে হয়। অৱশ্যে আৰ্জনৰ কথা যিয়েই নহওক কিয় পিতৃত্বই প্ৰদান কৰা অধিকাৰখিনি লৈ এহাল স্ত্ৰী-পুৰুষে স্থায়ী মিলনক লৈ সদায়ে সুখী থাকিলে হয় ; কিন্তু আইন আৰু ৰীতিয়ে যদি ল'ৰা-ছোৱালীবোৰ অকল মাকৰ বুলিহে দাবী কৰে, তেতিয়া নাৰীসকলে অনুভৱ কৰিব যে আজি আমি জনা 'বিয়া' নামৰ অনুষ্ঠানটোৱে স্বাধীনতাত বিঘিনিহে মাতি আনে তেতিয়া ল'ৰা-ছোৱালীৰ ওপৰত থকা তেওঁলোকৰ সম্পূৰ্ণ অধিকাৰখিনি হেৰাই যোৱাটো তেওঁলোকে অনুভৱ কৰিব। গতিকে আমি প্ৰত্যাশা কৰিব পাৰো যে আইন প্ৰদত্ত পুৰুষৰ অধিকাৰ নাৰীৰ ওপৰত সাব্যস্ত কৰাত পুৰুষ প্ৰায় ব্যৰ্থ হ'ব।

তেনে এক পৰিস্থিতিত পুৰুষৰ মানসিকতাত কি ধৰণৰ ক্রিয়া কৰে সেই সম্পৰ্কে ইয়াৰ আগৰ অধ্যায়ত কিছু কোৱা হৈছে। মই ভাবো, পুৰুষ আৰু নাৰীৰ সম্পৰ্কৰ গভীৰতা ই বহু পৰিমাণে কমাই আনিব আৰু তেওঁলোকে অনুভব কৰিব যে ই এক উপভোগৰ সামগ্ৰী মাথোন— কায়মন বাক্যে কৰা এক নিকট সম্পৰ্ক নহয়। ই সকলো ধৰণৰ সম্পৰ্কক এক পাতল ধৰণৰ সম্পৰ্কলৈ ৰূপান্তৰিত কৰাৰ প্ৰয়াস কৰিব; আৰু তাৰ ফলত মানুহজনৰ গভীৰ আৱেগ তেওঁৰ ব্যক্তিগত জীৱন ধাৰা, তেওঁৰ দেশ বা নৈৰ্ব্যক্তিক বিষয়ক লৈহে ব্যস্ত হৈ পৰিব। এই সকলোবোৰ কথা বৰ বেছি সাধাৰণীকৰণ কৰা হৈছে; আৰু এজনৰ বাবে যিটো চৰম প্ৰৱঞ্চনাৰূপে গণ্য হ'ব, আন এজনৰ বাবে সি সন্তুষ্টিৰ কাৰক হ'ব পাৰে। মোৰ বিশ্বাস এই যে (ইয়াক মই দ্বিধা সহকাৰে উপস্থাপন কৰিছো) স্বীকৃত এক সামাজিক সম্পৰ্ক হিচাপে ইয়াক আঁতৰাই দিলে পুৰুষৰ আৱেগিক জীৱনটো এক তৰল, দুৰ্বল জীৱন আৰু পিছলৈ লাহে লাহে গৈ ই বিৰক্তি আৰু হতাশাৰ সৃষ্টি কৰিব; তেনে পৰিস্থিতিত সন্তান জন্ম দিয়া প্ৰথাটো লাহে লাহে শেষ হৈ আহিব। তেতিয়া মানৱ জাতিৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ হ'লে পুৰণি প্ৰথা মানি অহা আন মানৱ গোষ্ঠীৰ সহায় ল'ব লাগিব। (সভ্য জগতত) অনীহা আৰু টুলুঙামি অনিবাৰ্যই আহিব। জনসংখ্যা তেনেই কমি যোৱাৰ বিপৰীতে কিছু তিৰোতাক পৰ্যাপ্ত পৰিমাণৰ ধন দি মাতৃত্ব বহনৰ চাকৰি দিব পৰা যাব। ৰাষ্ট্ৰৰ সামৰিক পৰিস্থিতি যদি একেই থাকে এই পদ্ধতিটো অনতি পলমে প্ৰয়োগ কৰিব লাগিব। কিন্তু এই ধৰণৰ চিন্তা জনসংখ্যাৰ লগত সাঙোৰ খাই আছে; আৰু জনসংখ্যা সম্পৰ্কে পিচৰ এটা অধ্যায়তহে আলোচনা কৰা হ'ব। গতিকে ইয়াত সেই সম্পৰ্কে বেছি আগ নাবাঢ়ো।

পঞ্চদশ অধ্যায়

পৰিয়াল আৰু ৰাষ্ট্ৰ

পৰিয়ালৰ মূল জৈৱিক ক্ষেত্ৰত থাকিলেও সভ্য জগতত ই প্ৰণীত আইনৰ লগত জড়িত হৈ পৰিছে। বিয়া এতিয়া আইনৰ আওতাৰ ভিতৰত আৰু ল'ৰা-ছোৱালীৰ ওপৰত পিতৃ-মাতৃৰ অধিকাৰ আইনে নিৰ্ণয় কৰে। য'ত বিয়াৰ প্ৰথা নাই তাত ল'ৰা-ছোৱালীৰ ওপৰত পিতৃৰ অধিকাৰ নাই, আৰু সিইত হৈ পৰে মাতৃৰ একচেতীয়া সম্পত্তি। কিন্তু আইনে যদিও পৰিয়ালৰ সপক্ষে ৰায় দি আহিছে আধুনিক সমাজত, আইনে ক্ৰমশঃ পিতৃ-মাতৃ আৰু ল'ৰা-ছোৱালীৰ মাজৰ সম্বন্ধত হস্তক্ষেপ কৰি আহিছে। ফলস্বৰূপে বিধায়কসকলৰ অনিচ্ছা সত্ত্বেও আইন এনে এক যন্ত্ৰত পৰিণত হৈছে যিয়ে পৰিয়াল নামৰ অনুষ্ঠানটোক ক্ৰমান্বয়ে বিলোপ সাধন কৰি আহিছে। সেই কাৰণে তেনে হ'ব পাৰিছে যে বেয়া পিতৃ-মাতৃয়ে সমাজে বিচৰা মতে ল'ৰা-ছোৱালীৰ তত্ত্বাৱধান ল'ব পাৰিব বুলি বিশ্বাস কৰিব নোৱাৰি। আৰু অকল বেয়া পিতৃ-মাতৃয়েই নহয়, লগতে বৰ দুখীয়া ল'ৰা-ছোৱালীৰ ক্ষেত্ৰতো ল'ৰা-ছোৱালীবোৰৰ নিৰাপত্তাৰ বাবে ৰাষ্ট্ৰই হস্তক্ষেপ কৰিবলগীয়া হৈছে। ঊনৈশ শতিকাৰ আগভাগত ফেক্টৰীবোৰত শিশু শ্ৰমিক নিয়োগ কৰাৰ বিৰুদ্ধে আইন প্ৰণয়নৰ বাবে ৰাষ্ট্ৰই যেতিয়া প্ৰস্তাৱ দিছিল, তেতিয়া সন্তানৰ ওপৰত পিতৃ-মাতৃৰ অধিকাৰ খৰ্ব হয় বুলি প্ৰবল আপত্তি প্ৰদৰ্শন কৰিছিল। পুৰণি ৰোমৰ দৰে ইংলিছ আইনে ল'ৰা-ছোৱালীক সততে আৰু কষ্টহীনভাৱে মাৰিবলৈ মাক-বাপেকক অনুমতি নিদিছিল। ল'ৰা-ছোৱালীবোৰক ধীৰ গতিৰ বেদনাৰে শেষ কৰি দিবলৈ আইনে মাক-বাপেকক অনুমতি প্ৰদান কৰিছিল। এই পবিত্ৰ অধিকাৰটোক সমৰ্থন কৰিছিল নিয়োগকাৰীসকলে, পিতৃ-মাতৃ আৰু অৰ্থনীতিবিদসকলে। হ'লেও সমাজৰ নৈতিক বোধে তেনে ধৰণৰ যুক্তি-তৰ্কৰ বিৰুদ্ধে বিদ্ৰোহ কৰি উঠিছিল আৰু তাৰ ফলশ্ৰুতিত ফেক্টৰী এক্ট গৃহীত হৈছিল। ইয়াৰ পিছৰ পদক্ষেপটো বাধ্যতামূলক শিক্ষা আৰু বেছি গুৰুত্বপূৰ্ণ। ই নিশ্চয় পিতৃ-মাতৃৰ অধিকাৰৰ ক্ষেত্ৰত গুৰুতৰ পদক্ষেপ। ছুটীৰ দিনকেইটা বাদ দি প্ৰতিটো দিনৰ কেইবা ঘণ্টা সময় স্কুলত থাকি ৰাষ্ট্ৰই ভাল বুলি ভবা শিক্ষা ল'ৰা-ছোৱালীবোৰে ল'বলগীয়া হৈছিল, অথচ পিতৃ-মাতৃয়ে আইনৰ ফালৰ পৰা তাক অপ্ৰাসঙ্গিক বুলি অভিহিত কৰিছিল। শিক্ষাৰ মাধ্যমেৰে ৰাষ্ট্ৰই ল'ৰা-ছোৱালীবোৰৰ ওপৰত নিয়ন্ত্ৰণ

প্ৰসাৰ কৰি তুলিছিল। পিতৃ-মাতৃসকল খ্ৰীষ্টান বিজ্ঞানী হ'লেও ল'ৰা-ছোৱালীৰ স্বাস্থ্যৰ তত্ত্বাৱধান ৰাষ্ট্ৰইহে লৈছিল। মাক-বাপেক অক্ষম হ'লে ৰাষ্ট্ৰই আনকি জোতাও কিনি দিছিল। পঢ়াত দুৰ্বলবোৰক বিশেষ স্কুললৈ পঠিয়াই দিছিল। অতি গৰীব ল'ৰা-ছোৱালীক খুওৱাৰ ব্যৱস্থাও কৰি দিছিল। যিবিলাক ল'ৰা-ছোৱালীৰ গাত মাক-বাপেকে কৰা অত্যাচাৰ-উৎপীড়নৰ দাগ পাইছিল, সিহঁতৰ মাক-বাপেকক শাস্তি দিয়াৰ বিধানো সন্নিবিষ্ট আছিল। ইয়াৰ পূৰ্বে কম বয়সীয়া ল'ৰা-ছোৱালীৰ উপাৰ্জনৰ ওপৰত পিতৃ-মাতৃৰ অধিকাৰ আছিল ; এতিয়া নাবালক ল'ৰা-ছোৱালীৰ উপাৰ্জনৰ ওপৰত সিহঁতৰ নিজৰ অধিকাৰ দিয়া হয়— যদিও বাস্তৱত তাক প্ৰয়োগ কৰাটো সদায়ে সম্ভৱ নহয়। হ'লেও পৰিস্থিতিয়ে দাবী কৰিলে আইনৰ ধাৰা প্ৰয়োগ কৰিব পৰা যায়। ই বিশেষভাৱে গুৰুত্বপূৰ্ণ। ল'ৰা-ছোৱালীৰ ওপৰত থকা পিতৃ-মাতৃৰ এটা অধিকাৰ তেতিয়াও থাকি গৈছিল—সেইটো হৈছে শ্ৰমজীৱিসকলৰ আবাসী এলেকাত সকলোৱে যদি কোনো এক কুসংস্কাৰত বিশ্বাস কৰে মাক-বাপেকে নিজৰ ল'ৰা-ছোৱালীক সেই কুসংস্কাৰটো শিকাব পাৰে। কিন্তু আন বহুতো দেশত মাক-বাপেকৰ এই অধিকাৰখিনিও কাঢ়ি লোৱা হৈছিল।

পিতৃৰ স্থান ৰাষ্ট্ৰই লোৱাটো ক'ত শেষ হ'ব কোৱা টান। ল'ৰা-ছোৱালীৰ প্ৰতি থকা মাতৃৰ কৰণীয়তকৈ পিতৃৰ কৰণীয়খিনিহে ৰাষ্ট্ৰই কাঢ়ি লৈছে ; কিয়নো ৰাষ্ট্ৰই ল'ৰা-ছোৱালীৰ বাবে এনে কাম কৰে, যিবোৰ পিতৃয়ে পইচা ভাঙিব লাগিলে হয়। উচ্চ আৰু মধ্য বিত্ত শ্ৰেণীৰ ক্ষেত্ৰত এই পদ্ধতি মুঠেই প্ৰয়োগ হোৱা নাই, ই মাত্ৰ শ্ৰমজীৱিসকলৰ ক্ষেত্ৰতহে ক্ষান্ত হৈছে। সেই কাৰণে উক্ত শ্ৰেণী দুটাত পিতৃৰ স্থান এতিয়াও অক্ষত আছে যাৰ ফলত শ্ৰমজীৱি সমাজতকৈ এই দুটা শ্ৰেণীৰ সমাজত পিতৃৰ স্থান এতিয়াও গুৰুত্বপূৰ্ণ হৈ আছে আৰু পৰিয়াল সুস্থিৰ হৈয়ে আছে। ছোভিয়েট ৰাছিয়াৰ দৰে সমাজতন্ত্ৰ য'ত গুৰুত্ব সহকাৰে লোৱা হৈছে, ধনী শ্ৰেণীৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ বাবে যিবোৰ স্কুল আছে সেইবোৰ হয় নিৰ্মূল কৰা হ'ব বা সম্পূৰ্ণৰূপে সংস্কাৰ কৰাটো এক গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ব। ইংলণ্ডত এই ধৰণৰ কিবা এটা হ'ব বুলি ভাবিব নোৱাৰি। মই কেইবাজনো প্ৰখ্যাত ইংৰাজ সমাজবাদীক লগ পাইছো ; সকলো ল'ৰা-ছোৱালী প্ৰাথমিক স্কুললৈ পঠিয়াব লাগে বুলি ক'লে তেওঁলোকে ইমান চিঞৰ-বাখৰ কৰে যে মুখেৰে যেন বাহিৰ হয়— 'কি ক'লা, মোৰ ল'ৰা-ছোৱালীকেইটাক সেই জুপুৰীবাসীৰ ল'ৰা-ছোৱালীবোৰৰ লগত পঢ়িবলৈ স্কুললৈ পঠিয়াম? কেতিয়াও নহ'ব!' আমাৰ শিক্ষা পদ্ধতিত শ্ৰেণী বিভক্ত নিয়ম কিমান যে গভীৰভাৱে সন্নিবিষ্ট আছে তাক ভাবিলে আচৰিত হ'ব লাগে।

শ্ৰমজীৱি শ্ৰেণীটোৰ ক্ষেত্ৰত ল'ৰা-ছোৱালীৰ প্ৰতি থকা পিতৃৰ দায়িত্ব ৰাষ্ট্ৰই

নিজ হাতলৈ নিয়াৰ আগ্ৰহ এটা বৰ্তমান যুগত সকলো দেশতে দেখা যায়। কিন্তু তদনুসাৰে আন শ্ৰেণীৰ ক্ষেত্ৰত (ৰাছিয়াক বাদ দি) তেনে কিবা এটা হোৱা দেখা নাযায়। ফলত ধনী আৰু দুখীয়াৰ মাজত দুই ধৰণৰ দৃষ্টিভঙ্গী সৃষ্টিৰ উপক্ৰম হোৱা যেন অনুমান হয়, অৰ্থাৎ, ধনী শ্ৰেণীটোৰ ক্ষেত্ৰত পৰিয়ালক দুৰ্বল নকৰাকৈয়ে গৰীব সমাজত পৰিয়ালক দুৰ্বল কৰাৰ সম্ভাৱনা। মই ভাবো যে পূৰ্বৰ ৰাষ্ট্ৰই হস্তক্ষেপ কৰা শিশুৰ প্ৰতি মানবীয় আবেগ চলিয়েই থাকিব। কথাটো হ'ল যে লণ্ডনৰ গৰীব অঞ্চল তাতোকৈ বেছি উত্তৰৰ উদ্যোগপ্ৰধান নগৰবোৰত বৰ্দ্ধিত সংখ্যাত ল'ৰা-ছোৱালী পয়ালগা ৰোগত ভোগে, যাৰ প্ৰতি ৰাজহুৱা দৃষ্টি আকৰ্ষণ কৰা উচিত। সেইবোৰ ঠাইত পিতৃ-মাতৃয়ে ইচ্ছা কৰিলেও এই অপশক্তিৰ বিৰুদ্ধে যুঁজ দিব নোৱাৰে ; কিয়নো তাৰ বাবে প্ৰয়োজন হয় খোৱা খাদ্য, বিশুদ্ধ বায়ু আৰু সূৰ্যৰ পোহৰ, যিবোৰ ব্যৱস্থা গৰীব পিতৃ-মাতৃয়ে কৰিব নোৱাৰে। এবছৰ বয়সতে কণ কণ ল'ৰা-ছোৱালীবোৰক শাৰীৰিকভাৱে নিঃশেষ কৰি দিয়াটো নিষ্ঠুৰতা আৰু অপচয়ৰ পৰিচায়ক আৰু যিহেতু বৰ্তমানে স্বাস্থ্য সম্পৰ্কীয় আৰু খাদ্য বস্তুৰ কথা মানুহে ভালকৈ বুজা হৈছে, ল'ৰা-ছোৱালীবোৰক অনাহকত ৰোগত ভুগি মৃত্যুমুখলৈ ঠেলি নিদিবৰ বাবে বৰ্দ্ধিত হাৰত দাবী উত্থাপিত হ'ব। এটা কথা অৱশ্যে সত্য যে তেনে ধৰণৰ যিকোনো প্ৰস্তাৱক ৰাজনৈতিকভাৱে জবৰ্দস্ত বিৰোধিতা কৰা হয়। লণ্ডনৰ প্ৰতিটো তালুকৰ চহকী মানুহবোৰ একগোট হৈ উক্ত দাবীৰ পৰিমাণ নিম্নগামী কৰি ৰাখে, অৰ্থাৎ গৰীব শ্ৰেণীৰ ল'ৰা-ছোৱালীবোৰৰ স্বাস্থ্যৰ উন্নতিৰ হকে পাৰ্যমানে কম সাহায্য আগবঢ়োৱাটো নিশ্চিত কৰা হয়। পপলাৰত ঘটাৰ দৰে যেতিয়াই স্থানীয় কৰ্তৃপক্ষই শিশুৰ মৃত্যুৰ হাৰ কমাবলৈ যদি কিবা ব্যৱস্থা হাতত লয়, তেতিয়াই তেওঁলোকক ফাটেকত ৰখা হয়।[১] তথাপি ধনী শ্ৰেণীয়ে দিয়া বাধা সকলো সময়তে ওফৰাই আহিছিল আৰু গৰীব শ্ৰেণীৰ স্বাস্থ্য একাধাৰে উন্নত হৈ আহিছিল। গতিকে আমি নিৰাপদে আশা কৰিব পাৰো যে গৰীব শ্ৰেণীৰ ল'ৰা-ছোৱালীৰ স্বাস্থ্যৰ বাবে ৰাষ্ট্ৰৰ সাহায্য কৰ্তন কৰাৰ পৰিৱৰ্তে ভৱিষ্যতত বৃদ্ধি কৰা হ'ব আৰু তাৰ ফলস্বৰূপে পিতৃৰ দায়িত্ব ক্ৰমান্বয়ে কমি আহিব। পিতৃৰ শাৰীৰিক প্ৰয়োজন হৈছে নাবালক কালছোৱাত সন্তানসকলক নিৰাপত্তা দিয়াটো আৰু সেই দায়িত্ব যেতিয়া ৰাষ্ট্ৰই নিজ হাতলৈ লৈ গ'ল, পিতৃয়ে মূল উদ্দেশ্যটোকে হেৰুৱাই পেলাব। গতিকে আমি নিশ্চিতভাৱে আশা কৰিব পাৰো যে ধনতান্ত্ৰিক দেশবোৰত দুটা শ্ৰেণীৰ মাজৰ বিভেদটো ক্ৰমান্বয়ে বাঢ়ি

১। ১৯২২ চনত পপ্‌লাৰত শিশুৰ মৃত্যুৰ হাৰ কেনচিংটনতকৈ হাজাৰত পাঁচটা কম আছিল ; ১৯২৯ চনত 'ৰেষ্টোৰেচন অব লিগেলিটি' মৰ্মে পপ্‌লাৰত জনহিতৈষী কাম কৰাৰ পিছত শিশুৰ মৃত্যুৰ হাৰ কেনচিনটনতকৈ হাজাৰত দহলৈ বৃদ্ধি পায়।

যাব— ধনী শ্ৰেণীটোৱে পুৰণি প্ৰথাৰেই পৰিয়ালক বচাই ৰাখিব আৰু গৰীব শ্ৰেণীটোৱে পৰম্পৰাগতভাৱে পিতৃয়ে কৰি অহা কামখিনি এতিয়া ৰাষ্ট্ৰই কৰি দিব বুলি বাট চাই থাকিব।

ছোভিয়েট ৰাছিয়াত তাতোকৈ ক্ষিপ্ৰ গতিত পৰিয়াল ৰূপান্তৰ হোৱাটো অনুমান কৰা হৈছে; কিন্তু তাত শতকৰা আশীভাগ লোকেই কৃষিজীৱি। যিসকলৰ মাজত পৰিয়াল এতিয়াও মধ্যযুগীয় পশ্চিম ইউৰোপৰ দেশবোৰৰ দৰে সবল ; গতিকে কমিউনিষ্টসকলে নগৰ অঞ্চলৰ তুলনামূলকভাৱে কম ঠাইতহে ব্যৱস্থা ল'ব পাৰিব। গতিকে আমি আলোচনা কৰা ধনতান্ত্ৰিক দেশবোৰত যি ঘটি আছে, তাৰ ঠিক বিপৰীতটোহে ৰাছিয়াত ঘটিব বুলি ধৰি ল'ব পাৰো; অৰ্থাৎ ধনী শ্ৰেণীটোৰ ক্ষেত্ৰত পৰিয়াল বিধ্বস্ত হ'ব আৰু শ্ৰমিক শ্ৰেণীটোৱে ইয়াক বচাই ৰাখিব।

পৰিয়ালত পিতৃৰ স্থান ওফৰাই দিয়াৰ ক্ষেত্ৰত আন এক শক্তিয়ে কাম কৰি যোৱাটো পৰিলক্ষিত হৈছে, সেইটো হৈছে অৰ্থনৈতিক স্বাধীনতাৰ বাবে নাৰীৰ দাবী। বৰ্তমানলৈ যিসকল নাৰীয়ে ৰাজনৈতিকভাৱে চিঞৰ-বাখৰ কৰি আহিছে, তেওঁলোক প্ৰায়েই অবিবাহিতা ; কিন্তু এই পৰিস্থিতি ক্ষণস্থায়ী হ'ব যেন লাগে। বিবাহিতা নাৰীৰ প্ৰতি যি অন্যায় কৰা হৈছে সি অবিবাহিতা নাৰীৰ প্ৰতি কৰা অন্যায়তকৈ বহুত বেছি। এগৰাকী বিবাহিতা শিক্ষয়িত্ৰী আৰু মুক্তভাৱে পাপত লিপ্ত হোৱা এগৰাকী অবিবাহিতা শিক্ষয়িত্ৰীক সমানে অন্যায় কৰা হয়। আনকি ৰাজহুৱা প্ৰসূতী নাৰী চিকিৎসক অবিবাহিতা হ'ব লাগে। ইয়াৰ উদ্দেশ্য এইটো নহয় যে বিয়াই এগৰাকী মহিলাক এইবোৰ কামৰ বাবে অযোগ্য কৰি পেলায় বা বিয়াই এগৰাকী নাৰীক বিধিগত বাধাৰ সৃষ্টি কৰে ; বৰং কেইবছৰমান পূৰ্বে এনে এক আইন প্ৰণয়ন কৰা হৈছিল যে কাম কৰাৰ বাবে বিয়াই কোনো মহিলাক অপাৰগ কৰি তুলিলে নহ'ব। বিবাহিতা নাৰীক নিয়োগ নকৰাৰ মুখ্য উদ্দেশ্যটো আছিল অৰ্থনৈতিকভাৱে নাৰীক দমন কৰি ৰখা পুৰুষৰ প্ৰবল ইচ্ছা। যুগ যুগ ধৰি নাৰীয়ে পুৰুষৰ অত্যাচাৰ, উৎপীড়ন মানি চলিব বুলি ধৰি ল'ব নোৱাৰি। আচলতে নাৰীৰ স্বাৰ্থৰ হকে কাম কৰিবলৈ কোনো ৰাজনৈতিক দল ওলাই অহাটো অলপ জটিল আছিল— কিয়নো কনজাৰভেটিভ দলে ভাল পায় ঘৰখনক আৰু লেবাৰ দলে ভাল পায় শ্ৰমিকক। তথাপি বৰ্তমান যেতিয়া মহিলা ভোটাৰৰ সংখ্যা গৰিষ্ঠ, গতিকে তেওঁলোক সদায়ে পশ্চাদপদত থাকিব বুলি আশা কৰা নাযায়। তেওঁলোকৰ দাবী যদি মানি লোৱা হয় পৰিয়ালৰ ওপৰত এক গভীৰ প্ৰভাৱ পৰিব। বিবাহিতা নাৰীয়ে দুই ধৰণে অৰ্থনৈতিক স্বাধীনতা লাভ কৰিব পাৰে ঃ প্ৰথম, বিয়াৰ পূৰ্বে কৰা চাকৰিটোকে বাহাল ৰাখি। তেতিয়া তেওঁ ল'ৰা-ছোৱালীকেইটাক আনৰ তত্ত্বাৱধানত এৰি দিয়া ; তেতিয়াহ'লে শিশু সেৱা প্ৰতিষ্ঠান

আৰু নাৰ্চ্চাৰী স্কুল বহুগুণে বাঢ়ি যাব আৰু তাৰ অনিবাৰ্য ফল হ'ব শিশু মনস্তত্বত অতি গুৰুত্বপূৰ্ণ। আনটো হ'ল— ল'ৰা-ছোৱালীকেইটাৰ তত্ত্বাৱধান লোৱাৰ চৰ্তত মাক আৰু নাবালক ল'ৰা-ছোৱালীকেইটাই চৰকাৰৰ পৰা মঞ্জুৰী পোৱাটো। এই পদ্ধতিটো অকলে যথেষ্ট নহয়, ইয়াৰ পৰিপূৰক হিচাপে যেতিয়া ল'ৰা-ছোৱালীকেইটা সাবালক হৈ নিজে নিজৰ ভৰিত থিয় হ'ব পৰা হয়, তেতিয়া মাকসকলে পূৰ্বৰ কৰ্মক্ষেত্ৰলৈ ঘূৰি যাব লাগিব। এই পদ্ধতিটোৰ এটা ইতিবাচক দিশ এই যে মাকে কোনো পুৰুষৰ অধীনস্থ নোহোৱাকে ল'ৰা-ছোৱালীৰ তত্ত্বাৱধান ল'ব পাৰে। ইয়াৰ আন এটা সুবিধা এই যে সচৰাচৰ হোৱাৰ দৰে যৌন সম্ভোগৰ ফল স্বৰূপে সন্তান জন্ম হোৱাৰ পৰিৱৰ্তে মাকৰ সুবিধা অনুসাৰে সন্তান জন্ম দিয়াটো পদ্ধতিটোৱে মানি লয় ; আৰু যিহেতু পিতৃ-মাতৃৰ পৰিৱৰ্তে ই ৰাষ্ট্ৰৰ সুবিধাহে বৃদ্ধি কৰে, গতিকে পিতৃ-মাতৃৰ ওপৰত বোজা নিদি ল'ৰা-ছোৱালীবোৰৰ বাবে চৰকাৰে খৰচ কৰিবই। পৰিয়ালটোলৈ সাহায্য দিয়াৰ চিনস্বৰূপে উল্লিখিত অন্তিম বিষয়টোক স্বীকৃতি দিলেও কিন্তু উক্ত সাহায্যটো অকল মাকগৰাকীকে সাহায্য দিয়াটোক এতিয়াও স্বীকৃতি দিয়া হোৱা নাই। মই ভবা অনুসৰি আমি ধৰি ল'ব পাৰো যে শ্ৰমজীৱি নাৰীবাদে এনে পৰ্যায়লৈ কাম কৰি যাব যি পৰ্যায়ত ইয়াক স্বীকৃতি দিব আৰু আইনত সন্নিৱিষ্ট কৰিব।

তেনে এখন আইন প্ৰণয়ন হ'ব বুলি ধৰি লৈ চোৱা যায় যে আইনখন কিদৰে যুগুতাই উলিয়ায় তাৰ ওপৰতহে নিৰ্ভৰ কৰিব ইয়াৰ প্ৰভাৱে পৰিয়াল নীতিত কেনেকৈ আচোৰ পেলায়। আইনখন এনেকৈও যুগুতাব পাৰে যে সন্তানটো যদি অবৈধ হয় তেতিয়া মাকে সাহায্য নাপাব; বা যদি মহিলাগৰাকীয়ে কেতিয়াবা আন কাৰোবাৰ লগত সঙ্গম কৰা বুলি প্ৰমাণ কৰিব পৰা যায় তেতিয়াও সাহায্যৰ টকাটো তেওঁক নিদি স্বামীকহে দিয়া হ'ব। আইনখন যদি তেনে ধৰণৰেই হয়, তেনেহ'লে স্থানীয় পুলিচে প্ৰতিগৰাকী বিবাহিতা নাৰীৰ ওচৰলৈ গৈ তেওঁৰ নৈতিক চৰিত্ৰ সম্পৰ্কে অনুসন্ধান কৰাটো এক কৰ্তব্য হৈ পৰিব। তাৰ ফলাফল অৱশ্যে চৰিত্ৰ সংশোধন হ'ব ; কিন্তু যাৰ চৰিত্ৰ সংশোধন হ'ব তেওঁ নিজেই সেই চৰিত্ৰ উপভোগ কৰিব পাৰিব বুলি মোৰ সন্দেহ। মই ভাবো পুলিচৰ হস্তক্ষেপ বন্ধ কৰাৰ বাবে লগে লগে দাবী উত্থাপিত হ'ব আৰু দাবী উঠিব যে জাৰজ সন্তান জন্ম দিয়া মাকহঁতেও পইচা পাব লাগে। যদি সেইটোৱেই হয় শ্ৰমজীৱি পিতৃ এজনৰ আৰ্থিক ক্ষমতা লোপ পাই যাব আৰু পৰিয়ালো পিতৃ-মাতৃমুক্ত যৌথ পৰিয়াল গুচি কেৱল মাতৃমুক্ত পৰিয়ালহে হ'ব, কিয়নো তেতিয়া কুকুৰ-মেকুৰীৰ দৰে পিতৃৰ কোনো কামেই নাথাকিব।

আজিৰ যুগত অৱশ্যে ব্যক্তিগতভাৱে অনেক নাৰীয়ে ঘৰখন এক আতঙ্কৰ

বিষয় বুলি ধাৰণা কৰে আৰু মই ভাবো সৰহসংখ্যক নাৰীয়ে ল'ৰা-ছোৱালীৰ তত্ত্বাৱধান লৈ পইচা লোৱাতকৈ বিয়াৰ পূৰ্বৰ কামকে কৰাটো ভাল বুলি দাবী কৰিব। অনেক মহিলাই নিজৰ ঘৰ এৰি আন ল'ৰা-ছোৱালীক চোৱাচিতা কৰাৰ বাবে শিশু সেৱা অনুষ্ঠানলৈ ধাপলি মেলিব খুজিব, কিয়নো সেইটো হ'ব এটা পেছাদাৰী কাম ; কিন্তু মই নাভাবো যে তেওঁলোকক নিজৰ কৰ্তব্য বাছি ল'বলৈ দিলে অনেক শ্ৰমজীবি নাৰীয়ে ঘৰতে থাকি নিজৰ ল'ৰা-ছোৱালী চোৱাচিতা কৰি পইচা লোৱাতকৈ বিয়াৰ পূৰ্বে কৰাৰ দৰে বাহিৰলৈ গৈ কাম কৰাটো পচন্দ কৰিব। ই অৱশ্যে মতামতৰ কথাহে, মই নিশ্চিতভাৱে কোনো সিদ্ধান্তকাৰী কাৰণ দিব পাৰিম বুলি দাবী নকৰো। সি যিয়েই নহওক কিয়, এতিয়ালৈ আমি যি কৈ আহিছো তাত যদি কিবা সত্যতা আছে তেনেহ'লে বিবাহিতা মহিলাৰ নাৰীবাদে গা কৰি উঠিব, আৰু সেয়া হৈ উঠিবলৈ বৰ বেছি দিন নালাগিব, আনকি ধনতান্ত্ৰিক গাঁথনিৰ সমাজতো সেইটো হৈ উঠিব। ফলস্বৰূপে শ্ৰমজীবি শ্ৰেণীটোৰ মাজত শিশুসকলক চোৱাচিতা কৰাৰ ক্ষেত্ৰত পিতৃ-মাতৃ দুয়োজন নহ'লেও এজন বাহিৰলৈ ওলাই যাব লাগিব।

পুৰুষ দমনৰ বিৰুদ্ধে নাৰীৰ বিদ্ৰোহৰ আন্দোলনটো ৰাজনৈতিক দিশৰ পৰা প্ৰকৃততে শেষ হৈ গৈছে; কিন্তু ইয়াৰ প্ৰসাৰিত দিশবোৰৰ ক্ষেত্ৰত ই এতিয়াও চালুকীয়া অৱস্থাতে আছে। লাহে লাহে ইয়াৰ সুদূৰপ্ৰসাৰী ফলবোৰে নিজে নিজেই ক্ৰিয়া কৰি যাব। নাৰীৰ আৱেগ আছে বুলি আমি যি অনুমান কৰি লওঁ এতিয়ালৈ সি পুৰুষৰ স্বাৰ্থ আৰু অভিমানৰ প্ৰতিধ্বনি মাথোন। পুৰুষ ঔপন্যাসিকৰ লেখনিত আমি পাও যে নাৰীয়ে কেঁচুৱাক স্তন চুহিবলৈ দি দৈহিক আনন্দ পায় ; তুমি তোমাৰ যিকোনো চিনাকি মাতৃক সুধিলে গম পাবা যে কথাটো আচলতে তেনে নহয় ; কিন্তু নাৰীয়ে ভোটাধিকাৰ পোৱাৰ আগলৈ কোনো পুৰুষে তেনে মন্তব্য কৰাৰ কথা ভবা নাছিল। এগৰাকী মাতৃৰ আৱেগক পুৰুষে এতিয়ালৈ প্ৰশংসা কৰি আহিছে এই কাৰণেই যে নাৰীক তেওঁৰ অধীনত ৰখাৰ বাবে ইয়াত এক অৱচেতন কাৰণ আছে; আৰু এই ক্ষেত্ৰত নাৰীয়ে কি অনুভৱ কৰে সেই কথা উদঘাটন কৰাৰ বাবে যথেষ্ট চেষ্টাৰ প্ৰয়োজন। অতি কম দিনৰ আগলৈ ধৰি লোৱা হৈছিল যে সকলো সভ্য নাৰীৰ সন্তান জন্ম দিয়াৰ কামনা আছে; কিন্তু সঙ্গমৰ প্ৰতি বিতৃষ্ণা আছে। এতিয়াও নাৰীয়ে যেতিয়া খোলাখুলিভাৱে কয় যে সন্তান জন্ম দিয়াৰ কামনা তেওঁলোকৰ নাই তেতিয়া অনেক পুৰুষেই চক খাই উঠে। প্ৰকৃততে পুৰুষেহে নাৰীক তেনে ধৰ্মোপদেশ দিয়াৰ দায়িত্ব নিজেই মূৰ পাতি লৈছে। যেতিয়ালৈ নাৰী পুৰুষৰ বহতীয়া আছিল তেতিয়ালৈ তেওঁলোকে নিজৰ মন্তব্যৰ কথা সতভাৱে ক'ব নোৱাৰিছিল। তাৰ পৰিৱৰ্তে পুৰুষক ভালৰি লগোৱাৰ বাবে পুৰুষে ভাল পোৱা কথাহে তেওঁলোকে কৈছিল। গতিকে

ল'ৰা-ছোৱালীৰ প্ৰতি নাৰীৰ কি স্বাভাৱিক ধাৰণা সেই বিষয়ে কিবা এটা ধৰি লৈ কোনো যুক্তি দৰ্শাব নোৱাৰো, কিয়নো নাৰী সম্পূৰ্ণৰূপে স্বাধীন হ'লে তেওঁলোকৰ প্ৰবৃত্তি সাধাৰণতে এতিয়ালৈ আমি ধৰি লোৱাৰ দৰে বা তেওঁলোকে কোৱাৰ দৰে নহৈ আন ধৰণৰো হ'ব পাৰে। মই ভাবো আমি পাই অহা সভ্যতাই নাৰীৰ মাতৃত্বৰ অনুভূতিক হ্ৰাস কৰি আনিব। এনেও হ'ব পাৰে যে টকা ঘটা কেৰিয়াৰ এটা ভাবিব পৰাকৈ নাৰীক যথেষ্ট পৰিমাণৰ টকা নিদিলে তেওঁলোকে সন্তান জন্ম নিদিব আৰু তেতিয়া উচ্চমানৰ সভ্যতাক জীয়াই ৰখাটো অসম্ভৱ হৈ পৰিব। যদি সেইটোৱেই হয় তেনেহ'লে সকলো নাৰীয়েই অন্ততঃ সৰহসংখ্যকেই এই পেছাত সোমাই পৰিব। আনবোৰ পেছাৰ লগতে এইটোও এটা পেছা হৈ পৰিব আৰু যিকোনো পেছাৰ দৰে সকলো খুটিনাটি মাৰি ইয়াক চলাব লাগিব। এইবোৰ অৱশ্যে অনুমানহে। ইয়াৰ ভিতৰত এটা বিষয় ঠিক যেন লাগে যে নাৰীবাদৰ উন্নতি সাধনে পুৰুষপ্ৰধান পৰিয়াল শেষ কৰি দিয়াত গভীৰ প্ৰভাৱ পেলাব, যি পুৰুষপ্ৰধান পৰিয়ালত প্ৰাক্ ঐতিহাসিক যুগত নাৰীৰ ওপৰত পুৰুষে বিৰাট প্ৰভুত্ব চলাইছিল।

বৰ্তমানলৈ পশ্চিমীয়া দেশবোৰত পিতৃৰ স্থান ৰাষ্ট্ৰই অধিকাৰ কৰা প্ৰণালীটো বহু দূৰ আগবাঢ়ি গৈছে। ই সমাজখনৰ স্বাস্থ্য আৰু শিক্ষাৰ সাধাৰণ মানৰ যথেষ্ট উন্নতি সাধন কৰিছে। পূৰ্বে শিশুৰ প্ৰতি কৰা নিষ্ঠুৰতা অনেকখিনি হ্ৰাস কৰিছে আৰু ডেভিদ কপাৰফিল্ডৰ নিচিনা যাতনা খোৱাটো অসম্ভৱ কৰি তুলিছে। শাৰীৰিক স্বাস্থ্যৰ উন্নতি আৰু বৌদ্ধিক দিশৰ উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত আৰম্ভ হোৱা বিপ্লৱ চলি থাকিব বুলি আশা কৰিব পাৰি, বিশেষকৈ বৰ্তমানৰ পৰিয়াল পদ্ধতিত থকা কুফলবোৰ আঁতৰাই দিয়াৰ ক্ষেত্ৰত কাম কৰিব যেন লাগিছে। পৰিয়ালৰ স্থান ৰাষ্ট্ৰই অধিকাৰ কৰিলে অৱশ্যে কিছুমান ভয়াবহ বিপদো আছে। সাধাৰণতে পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালীক ভাল পায় আৰু ৰাজনৈতিক পৰিকল্পনাৰ সমলৰূপে কেতিয়াও মানি নলয়। ল'ৰা-ছোৱালীৰ প্ৰতি ৰাষ্ট্ৰৰ দৃষ্টিভঙ্গী পিতৃ-মাতৃৰ দৃষ্টিভঙ্গীৰ দৰে হ'ব নোৱাৰে। শিক্ষা আদি অনুষ্ঠানত ল'ৰা-ছোৱালীৰ সংস্পৰ্শলৈ অহা শিক্ষক আদি ব্যক্তিৰ ক্ষেত্ৰত পিতৃ-মাতৃৰ গুণৰ কিছু অংশ থাকিব পাৰে, যদিহে তেওঁলোকক ভাল দৰমহা দিয়া হয় আৰু তেওঁলোকৰ ওপৰত অত্যন্ত কাম জাপি দিয়া নহয়। কিন্তু শিক্ষকৰ হাতত কোনো ক্ষমতা নাথাকে, ক্ষমতা থাকে মাথোন প্ৰশাসকৰ হাততহে। প্ৰশাসকৰ লগত ল'ৰা-ছোৱালীৰ দেখা-সাক্ষাতেই নহয় আৰু তেওঁলোক যিহেতু প্ৰশাসক গোষ্ঠীৰ, তেওঁলোকে মানুহক এক উদ্দেশ্যধৰ্মী জীৱ বুলি ধৰি লোৱাৰ পৰিৱৰ্তে কোনো নিৰ্মাণ কাৰ্যৰ সামগ্ৰী বুলিহে ধৰি লয়। তাৰোপৰি প্ৰশাসকসকলে সকলো ল'ৰা-ছোৱালীক একেটা সাঁচতে গঢ় দিব বিচাৰে। তেনে দৃষ্টিভঙ্গীয়ে পৰিসংখ্যা আৰু এক শ্ৰেণীভুক্ত

কৰাত সহায় কৰে ; আৰু যদি সাঁচটো শুদ্ধ বুলি ধৰা হয় তেতিয়াহে এজাক মানৱ শিশুক বাঞ্ছনীয় বুলি গ্ৰহণ কৰে। কোনো এটা অনুষ্ঠানত ভৰ্তি কৰা ল'ৰা-ছোৱালীৰ একে সাঁচত গঢ়ি উঠাৰ প্ৰৱণতা থাকে আৰু ব্যতিক্ৰমী দুই-চাৰিজনে যদি সেই সাঁচত গঢ় ল'বলৈ টান পায় তেনেহ'লে সিহঁতক অকল লগৰীয়াবোৰেই উৎপীড়ন নকৰে, লগতে কৰ্তৃপক্ষইও একে উৎপীড়ন চলায়। অৰ্থাৎ, ভৱিষ্যতে মহৎ কিবা এটা হোৱাৰ বাবে যিসকলৰ মেধা আছে, সিহঁতক অত্যাচাৰ কৰি সিহঁতৰ উদ্যমক কবৰ দিয়া হয়। অৰ্থাৎ একে সাঁচত গঢ় লোৱা বৃহৎসংখ্যক ল'ৰা-ছোৱালীয়ে নিজৰ সামৰ্থৰ ওপৰত নিশ্চিত হৈ পৰে, আন কোনো নতুন চিন্তাধাৰাৰ প্ৰতি প্ৰলুব্ধ নহয় ; লগতে সিহঁতৰ মনত ব্যতিক্ৰমীক উৎপীড়ন কৰাৰ প্ৰৱণতা গঢ় লৈ উঠে। অৱশেষত ৰাষ্ট্ৰবোৰৰ মাজত যদি সামৰিক প্ৰতিদ্বন্দ্বিতা চলি থাকে আৰু পিতৃ-মাতৃৰ পৰিবৰ্তে যদি ল'ৰা-ছোৱালীবোৰক ৰাজহুৱা প্ৰতিষ্ঠানক গতাই দিয়া হয় তেনেহ'লে শিক্ষাৰ অৰ্থ হয় ল'ৰা-ছোৱালীৰ মনত দেশপ্ৰেম জগাই তোলা। দেশপ্ৰেম মানেই হ'ল ৰাষ্ট্ৰই বিচৰাৰ লগে লগে এক মুহূৰ্তও চিন্তা নকৰাকৈ পৰস্পৰক ধ্বংস কৰাটো। বৰ্তমান বিশ্বই সন্মুখীন হোৱা আটাইতকৈ গভীৰ বিষয়টো হ'ল তথাকথিত দেশপ্ৰেম আৰু যিয়েই এই দেশপ্ৰেমক আৰু সবল কৰিব বিচাৰে তেওঁলোক হ'ল প্লেগ, মহামাৰী অথচ দুৰ্ভিক্ষতকৈও বেছি ভয়াৱহ। বৰ্তমান শিশুসকলৰ আনুগত্য দ্বি-বিভক্ত হৈছে। এহাতে পিতৃ-মাতৃৰ প্ৰতি আৰু আনহাতে ৰাষ্ট্ৰৰ প্ৰতি। সিহঁতৰ আনুগত্য যদি কেৱল ৰাষ্ট্ৰৰ প্ৰতিহে হ'বলগীয়া হয়, তেতিয়াহ'লে বিশ্ব আৰু বেছি ৰক্তপীপাসু হোৱাৰ আশঙ্কা এটা আছে। গতিকে মই ভাবো, যদি আন্তৰ্জাতিক সমস্যাৰ এক সমাধান নহয় আৰু তত্ত্বাৱধানত ৰাষ্ট্ৰই যদি আৰু বেছি অংশগ্ৰহণ কৰে তেতিয়াহ'লে এই সম্পৰ্কত আমি যি সুবিধা পাইছো সেই সকলোবোৰ নসাৎ কৰি মাৰাত্মক বিপদকেই মাতি অনা হ'ব।

আনহাতে যদি আন্তৰ্জাতিক চৰকাৰ এখন প্ৰতিষ্ঠা হয় আৰু ৰাষ্ট্ৰবোৰৰ মাজৰ সমস্যাৰ সমাধানত শক্তিৰ পৰিবৰ্তে আইন প্ৰয়োগ কৰিব পৰা হয় তেতিয়াহ'লে পৰিস্থিতি সম্পূৰ্ণৰূপে বেলেগ হৈ পৰিব। তেনেকুৱা এখন চৰকাৰে আইন জাৰি কৰিব যে কোনো দেশে উগ্ৰ জাতীয়তাবাদৰ গোন্ধ থকা বিষয় শিক্ষাৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব নোৱাৰিব। সেই চৰকাৰখনে জোৰ দিব লাগিব যে আন্তৰ্জাতিক মহাৰাষ্ট্ৰ চৰকাৰৰ প্ৰতি আনুগত্য প্ৰকাশ কৰা বিষয়বোৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিবলৈ সকলো ৰাষ্ট্ৰক বাধ্য কৰাব আৰু বৰ্তমানৰ জাতীয় পতাকাখনৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাৰ পৰিবৰ্তে আন্তৰ্জাতিকতাবাদৰ প্ৰতি গৌৰৱ বোধ জগাই তোলাৰ শিক্ষাহে প্ৰদান কৰিব। তেতিয়াহ'লে একে সাঁচত গঢ় দিয়াৰ বিপদ এটা থাকিলেও আৰু

ব্যতিক্ৰমীসকলক উৎপীড়ন কৰাৰ ভয় এটা থাকিলেও যুদ্ধক উৎসাহ যোগোৱাৰ বিপদটো নিৰ্মূল হ'ব। প্ৰকৃততে শিক্ষাৰ ওপৰত মহাৰাষ্ট্ৰখনৰ নিয়ন্ত্ৰণে যুদ্ধ প্ৰতিৰোধৰ সিদ্ধান্তটো এনে ধৰণৰ হ'ব পাৰে ঃ আন্তৰ্জাতিক চৰকাৰ এখন যদি গঠন হয়, পৰিয়ালত পিতৃৰ স্থান ৰাষ্ট্ৰই অধিকাৰ কৰিলেও সভ্যতা লাভৱান হ'ব; কিন্তু ৰাষ্ট্ৰবোৰত যদি জাতীয় চৰকাৰ থাকি যায় আৰু সি সামৰিক পদ্ধতিৰ হয়, তেনেহ'লে তেনে পৰিৱৰ্তনে সভ্যতাৰ প্ৰতি যুদ্ধৰ ভাবুকিহে সৃষ্টি কৰিব। পৰিয়াল ক্ষিপ্ৰগতিত শেষ হৈ আহিছে আৰু আন্তৰ্জাতিকতাবাদ এতিয়াও মন্থৰ গতিত আগবাঢ়িছে। গতিকে পৰিস্থিতিয়ে গভীৰ বিপদৰহে ইঙ্গিত বহন কৰে। তথাপি যিহেতু আন্তৰ্জাতিকতাবাদ পূৰ্বতকৈ ক্ষিপ্ৰগতিত আগবাঢ়িব, পৰিস্থিতি এতিয়া নিৰাশাজনক নহয়। সৌভাগ্যবশতঃ আমি কোনো ভৱিষ্যদ্বাণী কৰিব নোৱাৰো, গতিকে আশা কৰাৰ আমাৰ অধিকাৰ আছে আৰু কিবা বিশেষ শুভ এটা ঘটিব বুলি ধৰি ল'ব নোৱাৰিলেও পৰিস্থিতি ভালৰ ফালে আগবাঢ়িব বুলি আশা কৰিব পাৰো।

ষষ্ঠদশ অধ্যায়
বিবাহ-বিচ্ছেদ

এটা অনুষ্ঠান হিচাপে বিবাহ-বিচ্ছেদ বিশেষ কাৰণত হ'ব লাগে বুলি সকলো দেশত সকলো যুগতে আছে। বিবাহ-বিচ্ছেদ একস্ত্রী বিয়াৰ বিকাশ হিচাপে কেতিয়াও পৰিগণিত হোৱা নাই; বৰং বৈবাহিক সম্বন্ধ বিশেষ কিবা কাৰণত অসহ্য হৈ উঠাটোৰ উপশম কৰিবৰ বাবেহে ইয়াৰ আশ্রয় লোৱা হয়। স্থান আৰু যুগ ভেদে বিবাহ বিচ্ছেদ সম্পৰ্কীয় আইন সম্পূৰ্ণ বেলেগ বেলেগ আৰু বৰ্তমানে আমেৰিকাৰ ভিন ভিন ৰাজ্যতো ই বেলেগ বেলেগ। দক্ষিণ কেৰোলিনৰ আইন অনুসৰি বিবাহ-বিচ্ছেদ নিষেধৰ দৰে চৰম ৰীতিৰ পৰা নেৱাদাৰ[১] তাৰ ঠিক বিপৰীত চৰম ৰীতিলৈ আছে। অনেক খ্ৰীষ্টীয় সভ্যতাত পুৰুষৰ বাবে বিবাহ-বিচ্ছেদ বৰ সহজ আৰু আন কিছুমানত নাৰীৰ বাবে বিচ্ছেদ সহজ। ম'চেচৰ আইন অনুসৰি বিবাহ-বিচ্ছেদৰ বাবে এখন খৰচৰ বিল দিব লাগে ; চীনা আইন অনুসৰি মহিলাগৰাকীয়ে যৌতুক অনা বস্তুবোৰ ঘূৰাই লৈ যাবলৈ দিলে বিচ্ছেদ অতি সহজে হয়। কেথ'লিক গীৰ্জাই ক'ব খোজে যে বিয়া যিহেতু এক ধৰ্মীয় বন্ধন তাক কোনো কাৰণতেই ভঙ্গ কৰিব পৰা নাযায় ; বাস্তৱত কিন্তু আইনৰ এই কঠোৰতা কিছু পৰিমাণে শিথিল কৰি দিয়া হয়, বিশেষকৈ ৰজা-মহাৰাজাসকলৰ ক্ষেত্ৰত। কিয়নো বিচ্ছেদৰ কাৰণে যথেষ্ট যুক্তি থাকে।[২] খ্ৰীষ্টীয় দেশবোৰত প্ৰটেষ্টাণ্টবাদ কিমান শক্তিশালী সেই অনুপাতেহে বিবাহ বিচ্ছেদৰ অনুমতি দিয়া হয়। সকলোৱে জানে যে মিল্টন আছিল প্ৰটেষ্টাণ্ট আৰু তেওঁ বিবাহ-বিচ্ছেদ সমৰ্থন কৰি লিখিছিল। যেতিয়ালৈকে ইংলিছ চাৰ্চে নিজকে প্ৰটেষ্টাণ্ট বুলি ভাবি

১। নেৱাদাৰ আইন অনুসৰি বিচ্ছেদৰ কাৰণবোৰ হ'ল— স্বইচ্ছাই গৃহৰ পৰা ওলাই যোৱা, গুৰুতৰ অপৰাধত অভিযুক্ত হোৱা, সুৰাপাণ কৰি সদায় মাতলামি কৰা, বিয়াৰ সময়ৰ পৰা এৰা এৰি হোৱালৈকে পুৰুষত্বহীনতা চৰম নিষ্ঠুৰতা, এবছৰ খৰচ বহন কৰাৰ অপাৰগতা, দুবছৰ ধৰি মগজুৰ বিকৃতি। ভি. এফ. ক্লেভাৰ্টন আৰু এচ. দি সমলহ'চ্ছেন সম্পাদিত জৰ্জ এলেন এণ্ড আনউইন লিমিটেড, লণ্ডনৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থ ১৯২৯, ২২৪ পৃঃ দ্ৰষ্টব্য।

২। স্মৰ্তব্য যে মাৰ্লবৰোৱ ডিউক আৰু দাচেচৰ ক্ষেত্ৰত কোৱা হৈছিল— যিহেতু এই ক্ষেত্ৰত দচেচ বাধ্য হৈ পৰিছে সেই বিচ্ছেদ সম্পন্ন কৰাটোৱেই শ্ৰেয়; আৰু ডিউক আৰু কেইবাটাও ল'ৰা-ছোৱালী হোৱাৰ পিছতো বিচ্ছেদত অনুমোদন দিয়া হৈছিল।

লৈছিল, আন পুৰুষ/নাৰীৰ লগত যৌন সম্পৰ্ক কৰা অপৰাধত বিবাহ-বিচ্ছেদত সন্মতি দিছিল। আজিকালি সৰহসংখ্যক ক্লাৰ্জিয়ে বিচ্ছেদৰ বিৰোধিতা কৰে। স্কান্তি নেভীয়াত বিবাহ-বিচ্ছেদৰ সহজ আইন আছে। একেদৰে আমেৰিকাৰ প্ৰটেষ্টাণ্ট অধিকৃত অঞ্চলবোৰত বিবাহ-বিচ্ছেদ সহজ। ফ্ৰান্সত যাজক বিৰোধীসকলে বিচ্ছেদ সহজ কৰি পেলাইছে। ছোভিয়েট ইউনিয়নত এটা পক্ষই আবেদন কৰিলে বিবাহ-বিচ্ছেদ হয় ; কিন্তু তাত যিহেতু অবৈধ সঙ্গম বা পৰস্ত্ৰীৰ লগত যৌন সম্পৰ্ক কৰাৰ বিৰুদ্ধে কোনো জৰিমনা কৰা ৰীতি নাই, আন ঠাইত থকাৰ দৰে তাত বিয়াৰ কোনো গুৰুত্ব নাই, বিশেষকৈ শাসকীয় শ্ৰেণীটোৰ মাজত।

বিবাহ-বিচ্ছেদৰ এক আচহুৱা দিশ হ'ল এই যে এই সম্পৰ্কীয় আইন আৰু সামাজিক নীতিৰ কোনো মিল নাই। বিবাহ-বিচ্ছেদ সহজ হ'লে যে বিচ্ছেদ বেছি হয় তেনে নহয়। সাম্প্ৰতিক অভ্যুত্থানৰ আগেয়ে চীনত বিবাহ-বিচ্ছেদ নাছিল বুলিয়েই ক'ব পাৰি, কিয়নো কনফুচিয়াচৰ উদাহৰণ থাকিলেও মানুহে বিচ্ছেদক সন্মানৰ চকুৰে নাচাইছিল। চুবেদেনত দুই পক্ষৰ সন্মতিৰ ভিত্তিত বিচ্ছেদৰ অনুমতি দিছিল, যিটো কাৰণত আমেৰিকাৰ কোনো ৰাজ্যতে বিচ্ছেদৰ অনুমতি দিয়া নহয়। তথাপি, মোৰ তুলনামূলক পৰিসংখ্যাৰ শেষ বছৰ, ১৯২২ চনত চুবেদেনত আছিল একলাখৰ ভিতৰত ২৪ আৰু আমেৰিকাত আছিল ১৩৬।[৩] মই ভাবো আইন আৰু সামাজিক পৰম্পৰাৰ মাজৰ পাৰ্থক্য বেছ গুৰুত্বপূৰ্ণ, কিয়নো বিচ্ছেদৰ ক্ষেত্ৰত এহাতে আইন কিছু শিথিল হোৱাটো বিচাৰে, আনহাতে পিতৃ-মাতৃযুক্ত পৰিয়াল থকা পৰ্যন্ত বিচ্ছেদৰ বিৰুদ্ধে সামাজিক ৰীতি থকাটো মই যুক্তিসহকাৰে বিচাৰো; অৱশ্যে চৰম সীমাত উপনীত হোৱা ঘটনাবোৰ বেলেগ। মোৰ এনে দৃষ্টিভঙ্গীৰ কাৰণ হৈছে যে বিয়াৰ অৰ্থই কেৱল যৌন সঙ্গমকেই নুবুজায়, ইয়াৰ মূল উদ্দেশ্য হৈছে বিশ্বত মানৱ জাতিৰ ধাৰাবাহিকতা চিৰস্থায়ী কৰাৰ বাবে সন্তান জন্ম দি ডাঙৰ-দীঘল কৰাত সহযোগ কৰাটো। আগৰ কেইটামান অধ্যায়ত পাই অহাৰ দৰে, আমি বুজি পোৱা বিয়া বিভিন্ন শক্তিৰ বিশেষকৈ অৰ্থনৈতিক হেঁচাত পৰি বন্ধ হৈ যাব পাৰে ; আৰু যদি সেইটোৱেই হয় বিবাহ-বিচ্ছেদো বন্ধ হৈ যাব, কিয়নো বিবাহ-বিচ্ছেদ বিয়াৰ ওপৰতহে নিৰ্ভৰশীল আৰু বিয়াৰ যন্ত্ৰণাত বিচ্ছেদ হৈছে এক মুক্তিৰ দুৱাৰ। গতিকে এই আলোচনা পিতৃ-মাতৃযুক্ত পৰিয়ালক কেন্দ্ৰ কৰিহে হ'ব।

বিবাহ-বিচ্ছেদৰ বিষয়টো প্ৰটেষ্টাণ্ট আৰু কেথ'লিক উভয়ে পৰিয়ালৰ জৈৱিক দিশৰ পৰা চিন্তা নকৰে, বৰং পাপৰ আধ্যাত্মিক দিশটোৰ পৰাহে চায়। কেথ'লিকবোৰে যিহেতু ধৰি লয় যে ঈশ্বৰৰ দৃষ্টিত বিয়া এক অবিচ্ছেদ্য অনুষ্ঠান, গতিকে বিয়াখন যিয়েই নহওক কিয়, এবাৰ বিয়াত সোমাই লোৱাৰ পিছত এজনৰ জীৱিত কালত

আনজনে আন কাৰোবাৰ লগত সঙ্গম কৰাটো পাপ হ'বই। বিবাহ-বিচ্ছেদ মানি লোৱা প্রটেষ্টাণ্টসকলে আনহাতে কেথ'লিকসকলৰ নৈতিক বাধ্যবাধকতাৰ বিৰোধিতা কৰাৰ বাবে আৰু আংশিকভাৱে বিয়াৰ অবিচ্ছেদ্যতাই অবৈধ সঙ্গমক প্ৰেৰণা জগায় বুলিহে বিবাহ-বিচ্ছেদত সন্মতি প্রদান কৰে। তেওঁলোকে আৰু বিশ্বাস কৰে যে সহজ বিবাহ-বিচ্ছেদে অবৈধ সঙ্গম কমাই অনাত সহায় কৰে। সেই অনুসাৰে আমি দেখো যে প্রটেষ্টাণ্ট দেশবোৰৰ বিবাহ-বিচ্ছেদ সহজে সম্পন্ন হয় ; পৰস্ত্রী-পুৰুষৰ লগত সঙ্গমক কঠোৰ দৃষ্টিৰে চোৱা হয়। আনহাতে যিবোৰ দেশত বিবাহ-বিচ্ছেদ মানি লোৱা নহয়, তাত অবৈধ সঙ্গমক বিশেষকৈ পুৰুষৰ ক্ষেত্ৰত চকুটিপ মাৰি এৰি পেলোৱা হয়। বিবাহ-বিচ্ছেদ অত্যন্ত কঠোৰ হোৱা জাৰৰ ৰাছিয়াত গৰ্কীৰ ব্যক্তিগত জীৱনক লৈ কোনেও মূৰ ঘমোৱা নাছিল ; ৰাজনৈতিক বিষয়ত তেওঁ যিয়েই নকৰক কিয়। আনহাতে আমেৰিকাত তেওঁৰ ৰাজনৈতিক দিশত কোনো আপত্তি নকৰিলেও নৈতিক কাৰণত তেওঁক কুকুৰে খেদাদি খেদি ফুৰিছিল আৰু কোনো হোটেলে তেওঁক এনিশাৰ কাৰণেও থাকিব নিদিছিল।

যৌক্তিক কাৰণত এই সম্পৰ্কত প্রটেষ্টাণ্ট বা কেথ'লিক দৃষ্টিভংগীৰ কোনোটোকে সমৰ্থন কৰিব নোৱাৰি। পোনতে কেথ'লিক মতটো পৰীক্ষা কৰি চাওহক। ধৰি লওঁ যে বিয়াৰ পিছত স্বামী বা স্ত্রীৰ মানসিক বিকৃতি ঘটিল। তেনে ক্ষেত্ৰত তাৰ পিছত বলিয়া মূলৰ পৰা কোনো সন্তান জন্ম দিয়াটো বাঞ্ছনীয় নহয়, নাইবা বিকৃতি ঘটাৰ আগেয়ে জন্ম হোৱা ল'ৰা-ছোৱালীক বলিয়াৰ সংস্পৰ্শলৈ আহিব দিয়াটো উচিত নহয়। এতিয়া ল'ৰা-ছোৱালীকেইটাৰ স্বাৰ্থৰ খাতিৰত পিতৃ-মাতৃৰ মাজত সম্পূৰ্ণ এৰা এৰি হোৱাটো যদিও হ্রস্ব-দীর্ঘ কালৰ বাবে মাজে-সময়ে সুস্থ হয়, বাঞ্ছনীয়। তেনে পৰিস্থিতিত সুস্থ পক্ষক অসুস্থ পক্ষৰ লগত সঙ্গম কৰিবলৈ নিদিয়াটো অত্যন্ত নিষ্ঠুৰ নির্দেশ হ'ব আৰু ই কোনো সামাজিক কামত নাহিব। সুস্থ পক্ষটোৱে এক বেদনাদায়ক সিদ্ধান্ত ল'ব লগাত পৰিল। তেওঁ (স্বামী বা স্ত্রী) কঠোৰ সংযমৰ সিদ্ধান্ত ল'ব পাৰে, যিটো আইন বা সামাজিক নৈতিকতাই আশা কৰে ; বা সন্তান জন্ম নিদিয়াৰ সিদ্ধান্ত লৈ আন কাৰোবাৰ লগত গোপন সম্পৰ্ক স্থাপন কৰিব পাৰে; নাইবা সন্তান জন্ম হওক বা নহওকেই খোলাখুলি ভাৱে পাপত লিপ্ত হ'ব পাৰে। আটাইকেইটা বিকল্পতেই গভীৰ আপত্তি আছে। বিয়াৰ পিছত যৌনানন্দ উপভোগ কৰাৰ পিছত কঠোৰ সংযম কৰাটো বৰ কষ্টদায়ক হয়। সাধাৰণতে হোৱাৰ দৰে তেনে সংযমে পুৰুষজন বা নাৰীগৰাকীক অকালতে বৃদ্ধ কৰি পেলায়। ই হয়তো স্নায়বিক ৰোগৰো সৃষ্টি কৰিব পাৰে ; আৰু উক্ত সংযমৰ প্ৰচেষ্টাই ব্যক্তিজনক অস্বাভাৱিক, জেদী আৰু খিংখিঙীয়া কৰি তুলিবই। পুৰুষজনৰ ক্ষেত্ৰত এক মাৰাত্মক বিপদ হ'ব যে আত্মসংযম এদিন

শেষ হৈ যাব আৰু তেতিয়া অত্যুৎসাহী হৈ পাশৱিক কাৰ্যত লিপ্ত হৈ পৰিব, কিয়নো তেওঁ যিহেতু জানেই যে বিয়াৰ চাৰিসীমাৰ বাহিৰত কৰা সকলো ধৰণৰ যৌন সঙ্গমেই পাপ আৰু যিহেতু যৌন সম্ভোগ তেওঁ বিচাৰে, তেওঁ অনুভৱ কৰিব যে গাখীৰ খালেও বা দৈ খালেও যিহেতু তেওঁৰ ফাঁচী হ'বই, গতিকে সকলো নৈতিক বাধা দলিয়াই দি সঙ্গম কৰাটোৱেই ভাল।

দ্বিতীয় বিকল্প, অৰ্থাৎ সন্তান জন্ম নিদিয়াকৈ গোপনে যৌন সম্পৰ্ক কৰাটো চালিজাৰি চাওহক। এই বিকল্পটো প্ৰায় সকলোৱেই বাস্তৱত গ্ৰহণ কৰে। ইয়াতো সাংঘাতিক আপত্তি আছে। যিকোনো গোপনীয় কামেই অবাঞ্ছনীয় আৰু যৌন সম্পৰ্কৰ দৰে গভীৰ সম্পৰ্ক এটা যৌথ জীৱন পালন নকৰাকৈ আৰু সন্তান জন্ম নিদিয়াকৈ প্ৰত্যাশিত সুস্থ সম্পৰ্ক গঢ়ি তোলাটো সম্ভৱ নহয়। তাৰোপৰি পুৰুষজন বা নাৰীগৰাকী যদি ডেকা আৰু সবল হয়, জনস্বাৰ্থৰ খাতিৰতে ক'ব পৰা নাযায়— "তোমাৰ ল'ৰা-ছোৱালী হ'ব নোৱাৰে।" জনস্বাৰ্থৰ খাতিৰত আইনে ক'লেও সামাজিকভাৱে কোৱাটো আৰু অনুচিত হ'ব, "তুমি যদি বলিয়া এজনক বিয়া কৰি নোলোৱা তুমি আৰু ল'ৰা-ছোৱালী জন্ম দিব নোৱাৰিবা।"

তৃতীয় বিকল্প— খোলাখুলিকৈ পাপত লিপ্ত হোৱাটো য'ত সম্ভৱপৰ হয়, এই বিকল্পটো ব্যক্তিজনৰ আৰু সমাজখনৰ বাবে কম অপৰাধী, কিন্তু অৰ্থনৈতিক কাৰণত অনেক ক্ষেত্ৰত ই সম্ভৱপৰ হৈ নুঠে। খোলাখুলিভাৱে পাপত নমা দেখিলে এজন ডাক্তৰ বা উকীলে তেওঁৰ সকলোবোৰ মক্কেল হেৰুৱাব[১], কোনোবাই যদি অধ্যাপনাৰ কামত নিযুক্ত তেওঁ লগে লগে চাকৰি হেৰুৱাব।[১] অৰ্থনৈতিক পৰিস্থিতিয়ে মুক্তভাৱে পাপ কৰাটো সম্ভৱপৰ কৰি তুলিলেও অনেক ব্যক্তিয়ে সামাজিক শাস্তিৰ বাবে সেই বিকল্প বাদ দিব। পুৰুষে ক্লাব জীৱন ভাল পায় আৰু নাৰীয়ে ভাল পায় সন্মান— আন নাৰীয়ে সাক্ষাৎ কৰাটো। এই দুটা সুযোগৰ পৰা বঞ্চিত হোৱাটো নাৰীয়ে বৰ কষ্টদায়ক বুলি ভাবে। গতিকে চহকী লোক, শিল্পী, লেখক আৰু বহেমীয়ান সমাজত খাপ খাব পৰা আন পেছাদাৰী লোকৰ বাহিৰে আন মানুহে মুক্তভাৱে পাপ কৰ্মত নামি পৰা বিকল্পটো বাছি ল'ব নোখোজে।

গতিকে ইংলণ্ডৰ দৰে বলিয়া হোৱা কাৰণত বিবাহ বিচ্ছেদত অনুমোদন নিদিয়া দেশবোৰত কাৰোবাৰ স্বামী বা স্ত্ৰী বলিয়া হ'লে আনজনৰ জীৱন দুৰ্বহ হৈ পৰে; আৰু ইয়াৰ পক্ষ সমৰ্থন কৰি যুক্তি দৰ্শাবলৈ নৈতিক কুসংস্কাৰৰ বাহিৰে একোৱেই নাই। মগজুৰ বিকৃতিৰ ক্ষেত্ৰত যিটো সত্য, যৌন ব্যাধি, স্বভাৱসিদ্ধ অপৰাধ সুৰাপান

১। যদি তেওঁ কোনো পুৰণি বিশ্ব বিদ্যালয়ত কাম নকৰে আৰু যদি কোনো পীয়াৰৰ সম্বন্ধীয় নহয়।

কৰি কৰা মাতলামিৰ ক্ষেত্ৰতো একেটাই কথা। এইবোৰ কাৰণতেই বিয়া সকলো দিশৰ পৰা শেষ হৈ আছে। এইবোৰেই সঙ্গসুখ অসম্ভৱ কৰি তোলে, সন্তান জন্ম দিয়াটো অবাঞ্ছনীয় আৰু অপৰাধী পিতৃ-মাতৃৰ লগত শিশুৰ সম্পৰ্ক বৰ্জনীয় কৰি তোলে। তেনেবোৰ ক্ষেত্ৰত বিয়া হৈ পৰে এখন ফান্দ, যাৰ জৰিয়তে অসতৰ্ক ব্যক্তিক শাস্তি দি পাপমুক্ত কৰিব পৰা যায় ; আৰু সেই কাৰণেই বিবাহ বিচ্ছেদৰ বিৰোধিতা কৰাটো প্ৰয়োজনীয়।

এৰি গুচি যোৱাটো প্ৰমাণিত হ'লে সিওঁ বিচ্ছেদৰ কাৰণ হোৱা উচিত, কিয়নো তেনে গোচৰত আইনৰ ৰায় হৈছে ইতিমধ্যে ঘটি যোৱা সত্যক স্বীকৃতি দিয়া, অৰ্থাৎ বিবাহ বন্ধন ভঙ্গ কৰি দিয়া। আইনৰ ফালৰ পৰা ইয়াত এক অস্বাভাৱিকতা আহি পৰে, এৰি যোৱাটো যদি বিচ্ছেদৰ কাৰণ হয়, তেনেহ'লে মানুহে সহজে তাৰ আশ্ৰয় ল'ব। আন কিছুমান বৈধ কাৰণতো এই ধৰণৰ জটিলতা আহি পৰে। বিচ্ছেদ হ'বলৈ খোজা অনেক দম্পতীয়ে আইনে স্বীকৃতি দিয়া যিকোনো উপায়ৰ আশ্ৰয় ল'ব। ইংলণ্ডত হোৱাৰ দৰে এজন ব্যক্তিয়ে যেতিয়া বিচ্ছেদৰ কাৰণে নিষ্ঠুৰতাৰে দোষী হ'ব লাগে আৰু লগতে অবৈধ সঙ্গমত লিপ্ত হ'ব লাগে, তাকে কৰিলে দেখা যায় স্বামীয়ে পত্নীৰ লগত বুজাবুজিলৈ আহি চাকৰ-নাকৰৰ সন্মুখতে পত্নীক মাৰপিট কৰে, যাতে আদালতত তাক প্ৰমাণ কৰিব পৰা যায়। এহাল দম্পতীয়ে যেতিয়া বিচ্ছেদ হ'বলৈ বিচাৰে ইজনে সিজনৰ সঙ্গ সহ্য কৰি থাকিবলৈ আইনে বাধ্য কৰাটো উচিত নে অনুচিত সিও এক ডাঙৰ প্ৰশ্ন। আমি কিন্তু সহৃদয়ে স্বীকৃতি দিব লাগিব যে বিচ্ছেদৰ বাবে যিবোৰ কাৰণেই নালাগক কিয়, তাক সকলো দিশৰ সম্পূৰ্ণ প্ৰয়োগেৰে বিচাৰ কৰিব লাগে; কিয়নো অনেকে উদ্দেশ্যপ্ৰণোদিতভাৱে তেনেবোৰ কাৰ্য কৰি যায় যাতে তেওঁলোকে সেই কাৰণকেইটাৰ সুফল পাব পাৰে। আইনৰ জটিলতা বাদ দি কেনে পৰিস্থিতিত দাম্পত্য জীৱন অবাঞ্ছনীয় হৈ উঠে তাৰেই অনুসন্ধান কৰোহক।

মোৰ মতে বিবাহিত আন পুৰুষ বা নাৰীৰ লগত যৌন সম্পৰ্ক কৰাটো বিবাহ বিচ্ছেদৰ কাৰণ হ'ব নালাগে। সামাজিক বাধাৰ কাৰণে বা সবল নৈতিক যুক্তিয়ে যদি মানুহক সংযমিত কৰি ৰাখিব নোৱাৰে, মাজে-সময়ে অবৈধ যৌন সম্পৰ্ক কৰাৰ প্ৰবল আবেগক ৰোধ কৰি জীৱন অতিবাহিত কৰাৰ আশা খুবেই কম। কিন্তু তেনে প্ৰবল আবেগৰ বশৱৰ্তী হোৱাটোৱে এইটোকে নুবুজায় যে বিয়াৰ উদ্দেশ্যটো ব্যৰ্থ হৈ গ'ল। তাৰ পিছতো স্বামী-স্ত্ৰীৰ মাজৰ মৰম-ভালপোৱা অটুট থাকিব পাৰে। ধৰি লোৱা হ'ল এজন পুৰুষে ব্যৱসায়ৰ খাতিৰত বাহিৰলৈ গৈ কেবামাহো বাহিৰতেই থাকিবলগীয়া হ'ল। তেওঁ পত্নীক যিমানেই ভাল নাপালেও দীঘলীয়া সময়ৰ বাবে

নিজকে সংযম কৰি ৰখাটো বহুত কঠিন হৈ পৰিব পাৰে ; আৰু পৰম্পৰাগত নীতিৰ শুদ্ধতাত তেওঁ পতিয়ন নাযায়। একেই পৰিস্থিতি তেওঁৰ পত্নীৰ ক্ষেত্ৰতো হ'ব পাৰে। তেনে পৰিস্থিতিত বিশ্বাসঘাতকতাই স্বামী-স্ত্ৰীৰ পৰৱৰ্তী সম্পৰ্কত বাধা স্বৰূপ হোৱাটো উচিত নহয়। আৰু স্বামী-স্ত্ৰীয়ে যদি ঈৰ্ষাৰ পেনপেননিক প্ৰশ্ৰয় দিয়া লোক নহয়, তেনেহ'লে তেনে সম্পৰ্কত তেওঁলোকৰ সুখৰ দাম্পত্য জীৱনত কোনো বাধাৰ সৃষ্টি নহয়। আৰু এখোপ উঠি গৈ ক'ব পৰা যায় যে যদি পূৰ্বৰ মৰম ভালপোৱা অক্ষুণ্ণ থাকে, তেনে কল্পনাপ্ৰসূত সাময়িক কামক দুয়োপক্ষই সহ্য কৰাটো উচিত, এই বুলিয়েই যে তেনে ঘটনা সচৰাচৰ হয়েই। একক স্ত্ৰী-স্বামীৰ বিয়া পদ্ধতি থকা দেশবোৰত অবৈধ সম্পৰ্কৰ মানসিকতাক পৰম্পৰাগত নৈতিকতাই অস্বীকাৰ কৰে আৰু ধৰি লয় যে এজনৰ/এজনীৰ প্ৰতি গভীৰ মৰম থকা ব্যক্তি এজনৰ/এগৰাকীৰ বাবে আন এজনক/এজনীক ভাল পাব নোৱাৰে। সকলোৱে জানে যে ই সত্য নহয়। কিন্তু ইৰ্ষাৰ কবলত পৰি সকলোৱে এই মতটোকে সত্য দৰ্শন বুলি ধৰি লয় আৰু উঁই হাফলুটোকে পৰ্বতৰ ৰূপ দিয়ে। গতিকে অবৈধ সঙ্গম বিচ্ছেদৰ কাৰণ হোৱা উচিত নহয় যদিহে নিজৰ স্বামী বা স্ত্ৰীক ভাল নেপাই আন কাৰোবাৰ প্ৰতি আকৰ্ষিত নহয়।

উক্ত কথা কোৱাৰ লগে লগে মই এটা কথা ধৰি লৈছো যে এনে অবৈধ সম্পৰ্কৰ ফলত সন্তান জন্ম দিব নালাগিব। যেতিয়াই অবৈধ সন্তানৰ কথা আহি পৰে, তেতিয়াই গোটেই কথাটোৱেই জটিল ৰূপ ধাৰণ কৰে। এই পৰিস্থিতিটো বিশেষকৈ পত্নীৰ ক্ষেত্ৰত আৰু জটিল হয়; কিয়নো তেনেকৈ জন্ম হোৱা আনৰ ল'ৰা-ছোৱালীয়ে স্বামীয়ে নিজৰকেইটাৰ লগতে ভৰণ-পোষণ দিব লাগিব বা (কেলেঙ্কাৰীটো এৰাই ফুৰাৰ বাবে) নিজৰ সন্তান ৰূপে ডাঙৰ-দীঘল কৰিব লাগিব। ই বিয়াৰ দৈহিক ভেটিৰ বিৰুদ্ধে যোৱাৰ তুল্য আৰু লগতে ই অসহ্যপ্ৰায় আনুভূতিক চাপ এটাৰ সৃষ্টি কৰিব। এইটো কাৰণতে জন্মনিৰোধক উপায় উদ্ভাৱনৰ আগেয়ে এনে অবৈধ সম্পৰ্ক বিচ্ছেদৰ কাৰণ হিচাপে পৰিগণিত হৈছিল ; কিন্তু জন্ম নিৰোধক উপায়ে তেনে সম্পৰ্কক সন্তান জন্ম দিয়াৰ বাবে হোৱা বৈবাহিক সম্বন্ধৰ মাজত পাৰ্থক্য উলিয়াবলৈ পূৰ্বতকৈ বেছি সহজ কৰি তুলিছে। গতিকে এতিয়া পূৰ্বৰ পৰম্পৰাগত নৈতিকতাৰ যুগতকৈ তেনে অবৈধ সম্পৰ্কৰ ওপৰত কম গুৰুত্ব দিয়াটো সম্ভৱপৰ।

বিবাহ-বিচ্ছেদ বাঞ্ছনীয় কৰাৰ কাৰণ দুই ধৰণৰ। প্ৰথম, এক পক্ষত থকা মগজুৰ বিকৃতি, সুৰাৰ প্ৰতি আসক্তি আৰু অপৰাধ; আৰু দ্বিতীয় স্বামী-স্ত্ৰীৰ মাজত সম্বন্ধ সম্পৰ্কীয়। এনে হ'ব পাৰে কোনো পক্ষৰ দোষ নথকাকৈয়ে এহাল দম্পতী শান্তিৰে

সহবাস কৰাটো অসম্ভৱ, যদিহে কোনোবা এটা পক্ষই গভীৰ ত্যাগ স্বীকাৰ নকৰে। এনেও হ'ব পাৰে যে দুয়োজনে কাম কৰে আৰু কামৰ খাতিৰত দুয়ো দুখন ঠাইত থাকিবলগীয়া হয়। আৰু হ'ব পাৰে যে তেওঁলোকৰ কোনোবা এজনে তৃতীয় কোনোবা এজনৰ লগত গভীৰ সম্পৰ্কৰ মাজলৈ সোমাই গৈছে, যাৰ ফলত বিয়াখন হৈ পৰিছে এখন অসহনীয় বান্ধোন। তেনে পৰিস্থিতিত যদি সেই বান্ধোনৰ পৰা ওলাই অহাৰ আইনগত ৰাস্তা নাথাকে, তেনেহ'লে তেওঁৰ মনত ঘৃণাৰ সৃষ্টি হোৱাটো অৱধাৰিত ; আৰু আমি প্ৰত্যেকেই জানো যে তেনে পৰিস্থিতিয়ে হত্যাকাণ্ডও ঘটাব পাৰে। যি ক্ষেত্ৰত শাৰীৰিক বা মানসিক কাৰণত বা কোনোবা এজনৰ আন কাৰোবাৰ প্ৰতি হোৱা আবেগিক সম্পৰ্কৰ বাবে বিবাহিত জীৱন ভাঙি পৰে। তেতিয়া বৰ্তমানে কৰাৰ দৰে দোষ জাপি দিয়াৰ সিদ্ধান্ত ল'ব নালাগে। তেনে ক্ষেত্ৰত দুয়ো পক্ষৰ সহমতত বিচ্ছেদ বিচৰাটোৱে শ্ৰেয়। দুয়োপক্ষৰ সহমতৰ বাহিৰে আন কাৰণত বিচ্ছেদ হ'বলৈ হ'লে এটা পক্ষৰ কিবা বিশেষ (শাৰীৰিক বা মানসিক) ত্ৰুটি থকাৰ ক্ষেত্ৰতহে বিচ্ছেদ প্ৰয়োজ্য।

বিবাহ বিচ্ছেদ সম্পৰ্কীয় আইন লিখি যুগুতোৱাটো বৰ জটিল কাম ; কিয়নো, আইন যিয়েই নহওক কিয় বিচাৰক আৰু জুৰীয়ে নিজৰ আৱেগৰ দ্বাৰা চালিত হ'বই, আনহাতে স্বামী-স্ত্ৰীহালে আইন প্ৰণয়নকাৰীসকলৰ চকুত ধূলি মাৰিবৰ বাবে যি কৰা প্ৰয়োজন সকলো কৰিব। ইংলিছ আইন অনুসৰি স্বামী-স্ত্ৰীৰ মাজত কোনো চুক্তি থাকিলে বিবাহ বিচ্ছেদৰ সন্মতি পোৱা নাযায়, হ'লেও প্ৰত্যেকেই জানে যে স্বামী-স্ত্ৰীৰ মাজত তেনে চুক্তি আছে। নিউয়ৰ্ক প্ৰদেশত এই বিষয়ত আৰু এঢাপ আগুৱাই যোৱাটো সাধাৰণ কথা যে তেওঁলোকে অবৈধ সম্পৰ্কৰ মিছা প্ৰমাণ আদালতত দাখিল কৰে। সূত্ৰ অনুসৰি নিষ্ঠুৰতা বিবাহ-বিচ্ছেদৰ এক উপযুক্ত কাৰণ, কিন্তু ইয়াক আচম্বৰা ধৰণে ব্যাখ্যা কৰা হয়। বেছিভাগ চিত্ৰতাৰকাকে তেওঁলোকৰ সহধৰ্মীণীয়ে ত্যাগ কৰে নিষ্ঠুৰতাৰ কাৰণ দৰ্শাই ; তেনে এক নিষ্ঠুৰতা হ'ল যে স্বামীয়ে তেওঁৰ বন্ধুবোৰক মাতি নি-কেণ্টৰ বিষয়ে আলোচনা কৰে। পত্নীৰ উপস্থিতিত কোনো বৌদ্ধিক আলোচনা কৰাটো বিবাহ বিচ্ছেদৰ অনুমোদন পাব পৰাকৈ নিষ্ঠুৰ বুলি কালিফোৰ্নিয়াৰ বিধায়কসকলে ভাবিব পাৰে বুলি মোৰ বিশ্বাস নহয়। এনে ধৰণৰ বিভ্ৰান্তি চল আৰু আশ্চৰ্যজনক যুক্তি এৰাই ফুৰিবলৈ হ'লে সকলো ক্ষেত্ৰতে দুয়োপক্ষৰ সন্মতিসাপেক্ষে বিচ্ছেদ অনুমোদন কৰাই শ্ৰেয়। তেতিয়াহ'লে বিবাহ বিচ্ছেদৰ বাবে মগজুৰ বিকৃতি ঘটোৱা আদিৰ দৰে কাৰণৰ প্ৰশ্ন নাথাকিব। তেনে ক্ষেত্ৰত ধন-সম্পত্তিৰ সমস্যাবোৰ দুয়ো পক্ষই আদালতৰ বাহিৰতে মীমাংসা কৰি ল'ব আৰু আনটো পক্ষ অপৰাধী বুলি প্ৰমাণ কৰাৰ বাবে কোনো চালাক মানুহৰ সহায় ল'ব

নালাগিব। মই আৰু ক'ব বিচাৰো যে যৌন সঙ্গম সম্ভৱপৰ নহ'লে বৰ্তমান বিবাহ নসাৎ কৰি দিয়া প্ৰথাটোৰ পৰিবৰ্তে সন্তানহীন বুলি আবেদন এখন পালেই অনুমোদন কৰিব লাগে। অৰ্থাৎ, ল'ৰা-ছোৱালী নোহোৱাৰ বাবে যদি স্বামী-স্ত্ৰীয়ে এৰা-এৰি হ'ব বিচাৰে, তেনেহ'লে পত্নীয়ে গৰ্ভধাৰণ কৰা নাই বুলি ডাক্তৰৰ চাৰ্টিফিকেট এখন দাখিল কৰিলে হ'ল। সন্তান জন্ম দিয়াটোৱেই বিয়াৰ মুখ্য উদ্দেশ্য আৰু সন্তানহীন দুজন ব্যক্তিক জোৰকৈ বিবাহাবদ্ধ কৰি ৰখাটো নিষ্ঠুৰ ঠগামি।

বিবাহ বিচ্ছেদ সম্পৰ্কীয় আইন ইমানেই; সমাজনীতি কিন্তু আন এটি বিষয়। আইনৰ দৃষ্টিত বিচ্ছেদ সহজে হ'ব পৰা যায়, কিন্তু নৈতিকতাক জটিল কৰাৰ ফলত বিবাহ বিচ্ছেদ বহুত কম হয়। আমেৰিকাত সঘনাই বিবাহ বিচ্ছেদ হোৱাৰ কাৰণ এই যে তাত বিয়াৰ পিছত যিটো মানুহে পাব বিচাৰে, সি পাবলগীয়া বিধৰ নহয়, আৰু সেই দুষ্প্ৰাপ্য বস্তুটো হ'ল অবৈধ সঙ্গম যাক সমাজে সহ্য নকৰে। বিয়া হ'ল অংশীদাৰী ব্যৱসায়, যি ব্যৱসায় ল'ৰা-ছোৱালী ডাঙৰ নোহোৱালৈকে চলি থকা উচিত। গতিকে তাক কোনো পক্ষই সাময়িক যৌন কামনাত বিচলিত হ'ব দিব নালাগে। তেনে সাময়িক কামনাক জনমত বা বিভাগীয় কৰ্তৃপক্ষৰ বিবেকে সহ্য নকৰিলে ইজনৰ পিছত সিজনকৈ দুযো বেলেগ দুখন বিয়া পাতি ল'ব। তেতিয়াই পিতৃ-মাতৃযুক্ত পৰিয়ালক অনতিপলমে শেষ কৰি পেলাব, কিয়নো এগৰাকী নাৰীয়ে যদি প্ৰতি দুবছৰে নতুন স্বামী পায় আৰু প্ৰতিজনৰ লগতে এটা সন্তান পায় তেতিয়াহ'লে ল'ৰা-ছোৱালীবোৰে সিহঁতৰ দেউতাকহঁতক হেৰুৱাব, ফলত বিয়াৰ আচল উদ্দেশ্যটোৱে ব্যৰ্থ হ'ব। আমি আকৌ ছেইণ্ট পললৈ ঘূৰি যাও; কৰিষ্টীয়ানসকললৈ লেখা তেওঁৰ প্ৰথমখন চিঠিত লেখাৰ দৰে আমেৰিকাত বিয়া হ'ল অবিবাহিতা ছোৱালীৰ লগত কৰা সঙ্গমৰ এক বিকল্প অনুষ্ঠান। গতিকে বিবাহিত কোনো ব্যক্তিয়ে যদি বিবাহ বিচ্ছেদত ব্যৰ্থ হয়, অবিবাহিত ছোৱালীৰ লগত সঙ্গম কৰিলে বিচ্ছেদৰ অনুমতি পাবই।

সন্তান জন্ম দিয়াৰ বাবেই যিহেতু বিয়াৰ উৎপত্তি হৈছে, তাত এক প্ৰকাৰৰ নৈতিকতাও সোমাই পৰে। কিয়নো, ল'ৰা-ছোৱালীৰ প্ৰতি মৰম-চেনেহ থকাৰ কাৰণে পিতৃ-মাতৃহালে তেওঁলোকৰ চৰিত্ৰক এনেভাবে নিয়ন্ত্ৰণ কৰা উচিত যাতে ল'ৰা-ছোৱালীবোৰে সুখী আৰু সুস্থ জীৱন যাপন কৰিব পাৰে। ইয়াত অৱশ্যে সাময়িকভাৱে কঠোৰ সংযমৰ প্ৰয়োজন। পিতৃ-মাতৃৰ স্নেহ যদি প্ৰকৃত হয় আৰু এক মিছা নৈতিকতাই যদি ঈৰ্ষাৰ জন্ম নিদিয়ে তেনেহ'লে বাকী সকলোবোৰ আপোনা-আপুনি ঠিক হৈ যায়। অনেকে ক'ব খোজে যে স্বামী-স্ত্ৰীয়ে যেতিয়াৰ পৰা পৰস্পৰক আৱেগিকভাৱে ভাল নোপোৱা হয় আৰু বিবাহবন্ধনৰ বাহিৰত দুয়োজনেই যৌন

অভিজ্ঞতাৰ পৰা বিৰত নাথাকে, তেতিয়া ল'ৰা-ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত দুয়ো সহযোগ কৰাটো অসম্ভৱ হৈ পৰে। মিষ্টাৰ লিপমেনে কৈছেঃ "যি দম্পতীৰ মাজত প্ৰেম নাই, তেওঁলোকে ল'ৰা-ছোৱালীক ডাঙৰ-দীঘল কৰাত সহযোগ কৰিব নোৱাৰে, অথচ বাৰ্ট্ৰাণ্ড ৰাচেলে কয় যে তেওঁলোকে সহযোগ কৰা উচিত ; তেওঁলোকে সহযোগ কৰে মাথোন এক কৰ্তব্য ৰূপেহে, আচলতে তেওঁলোকৰ মন ভিন্নমুখী আৰু অপাৰগ।[১] ইয়াত প্ৰথমেই বোধহয় উদ্দেশ্যপ্ৰণোদিত নোহোৱাকৈয়ে এক সৰু ভুল তথ্য দিয়া হৈছে— প্ৰেম নাথাকিলে ল'ৰা-ছোৱালী ডাঙৰ-দীঘল কৰিব অঁৱশ্যে নোৱাৰিব ; কিন্তু পীষ্ট ৱাল্টাৰ লিপমেনে বুজাব খোজাৰ দৰে জন্মৰ সময়ত ল'ৰা-ছোৱালীক মাৰি পেলাব নোৱাৰি। পিতৃ-মাতৃৰ মাজৰ আৱেগিক ভাল পোৱা শেষ হৈ আহিলেও ল'ৰা-ছোৱালীক ডাঙৰ-দীঘল কৰা কামটো এক অতিমানবীয় কাম নহয় যদি ল'ৰা-ছোৱালীৰ প্ৰতি পিতৃ-মাতৃৰ স্বাভাৱিক মৰম-চেনেহ থাকে। ব্যক্তিগতভাৱে জনা কেইবাটাও ঘটনাৰ পৰা মই তাক প্ৰমাণ কৰি দেখুৱাব পাৰো। তেনে পিতৃ-মাতৃক যদি কেৱল 'কৰ্তব্যপৰায়ণ' বুলি কোৱা হয় তেনেহ'লে পিতৃ-মাতৃৰ মৰমৰ আৱেগক অৱজ্ঞা কৰা হ'ব ; ল'ৰা-ছোৱালীৰ প্ৰতি থকা মৰম এনে এক আৱেগ যি আৱেগ স্বাভাৱিক আৰু সৰল ; তেনে ক্ষেত্ৰত স্বামী-স্ত্ৰীৰ মাজৰ শাৰীৰিক উন্মাদনা শেষ হৈ যোৱাৰ পিছতো দুয়োকো অবিচ্ছেদ্য দোলেৰে বান্ধি ৰখা হয়। মিষ্টাৰ লীপমেনে বোধহয় ফ্ৰান্সৰ কথা নাজানে— তাত পৰিয়াল সবল, পিতৃ-মাতৃ বৰ কৰ্তব্যপৰায়ণ যদিও তাত অবৈধ যৌন সম্পৰ্কৰ বাবে স্বাধীনতা বৰ বেছি। আমেৰিকাত পৰিয়ালৰ অনুভূতি বৰ দুৰ্বল, যাৰ বাবে তাত বিবাহ বিচ্ছেদ সঘনাই হয়। য'ত পৰিয়ালৰ অনুভূতি সবল তাত আইন বৰ সহজ হ'লে বিচ্ছেদ বিৰল হয়। আমেৰিকাত বৰ্তমানে চলা সহজ বিবাহ-বিচ্ছেদ হৈছে পিতৃ-মাতৃমুক্ত বিবাহ কেৱল মাতৃৰ পৰিয়াললৈ ৰূপান্তৰিত হোৱাৰ আগজাননী। ই এনে এক পৰিস্থিতিৰ সৃষ্টি কৰে যে তাত ল'ৰা-ছোৱালীয়ে অত্যন্ত কষ্ট পায় ; কিয়নো ল'ৰা-ছোৱালীয়ে সাধাৰণতে পিতৃ-মাতৃ দুয়োকে পাব বিচাৰে আৰু বিবাহ বিচ্ছেদৰ পূৰ্বে পিতৃৰ লগত বেছি সংস্ৰৱ কৰিব বিচাৰে। পিতৃ-মাতৃযুক্ত পৰিয়াল বৰ্তি থকা কালত যেতিয়া এৰাব নোৱাৰা কাৰণত বিচ্ছেদ হ'বলগীয়া হয় তেওঁলোকে পিতৃ-মাতৃৰ কৰ্তব্য পালনত ব্যৰ্থ হয়। আইনৰ চাপত পৰি তেনে বিয়া এখনক জীয়াই ৰাখিলেও পৰিস্থিতি বেছি শুধৰাব নোৱাৰে। মই ভবাত বিয়া এটাৰ যাটি হৈছে স্বামী-স্ত্ৰীৰ অলপ ব্যক্তিগত স্বাধীনতা যিয়ে বিয়াক আৰু সহনীয় কৰি তোলে ; তাৰোপৰি ই বিয়াৰ গুৰুত্ব উপলব্ধি কৰাত সহায়ক হয় যাক ছেইণ্ট প'ল আৰু ৰোমাণ্টিক আন্দোলনে সৃষ্টি কৰা যৌন

১। প্ৰিফেচ টু মৰেলচ্, ১৯২৯, পৃঃ ৩০৮

সম্পৰ্কীয় গুৰুত্বৰে ঢাকি ৰাখে।

এতিয়া সিদ্ধান্তটো হ'ব পাৰে যে যি মূলত ইংলণ্ডৰ দৰে বহুত দেশত বিবাহ বিচ্ছেদ বৰ জটিল, সহজ বিচ্ছেদে বৈবাহিক সমস্যাৰ প্ৰকৃত সমাধান আনি দিব নোৱাৰে। বিয়া অনুষ্ঠানটো বাছি থাকিবলৈ হ'লে ল'ৰা-ছোৱালীৰ মঙ্গলৰ কাৰণেই স্থিৰতা লাভ কৰিব লাগিব। কিন্তু সেই স্থিৰতা বিয়া আৰু শুদ্ধ যৌন সম্পৰ্কৰ মাজৰ পাৰ্থক্য আৰু বিয়াৰ জৈবিক দিশ আৰু বৈবাহিক প্ৰেমৰ ৰোমাণ্টিক দিশৰ গুৰুত্বৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগে। মই ক'ব খোজা নাই যে গধুৰ দায়িত্বৰ পৰা মুক্ত। মই অনুমোদন কৰা প্ৰথাটো হ'ল যে পুৰুষে যৌন সম্পৰ্কীয় দাম্পত্য সততাৰ ক্ষেত্ৰত কৰাটো তেওঁলোকৰ দায়িত্ব। আত্মসংযম নাথাকিলে সুস্থ জীৱন যাপন কৰিব নোৱাৰি, কিন্তু প্ৰেমৰ দৰে ব্যাপ্ত আৰু উদাৰ আবেগক নিয়ন্ত্ৰণ কৰাতকৈ ঈৰ্ষাৰ দৰে ঠেক গণ্ডীৰ আৰু হিংস্ৰ উন্মাদনাক নিয়ন্ত্ৰণ কৰাটো শ্ৰেয়। পৰম্পৰাগত নৈতিকতাই আত্মসংযম দাবী কৰি ভুল কৰা নাই ; ভুল হৈছে সেই দাবী অপাত্ৰত কৰাটোহে।

সপ্তদশ অধ্যায়

জনসংখ্যা

বিয়াৰ মূল উদ্দেশ্য হৈছে পৃথিৱীত মানৱ জাতিটো বচাই ৰখাটো। কিছুমান পদ্ধতিৰ বিয়াই এই উদ্দেশ্য উপযুক্তভাৱে পালন কৰিব নোৱাৰে, কিছুমানে ধুনীয়াকৈ পাৰে। এই দৃষ্টিকোণৰ পৰা এই অধ্যায়ত মই যৌন নৈতিকতাৰ বিষয়ে আলোচনা কৰিম।

প্ৰাকৃতিক জগতত অনেক ডাঙৰ স্তন্যপায়ী জন্তু বাচি থকাৰ বাবে গড়ে বহু ঠাইৰ প্ৰয়োজন। সেই কাৰণে তেনে বৃহৎ স্তন্যপায়ী জন্তুৰ জনসংখ্যা কম। ভেড়া বা গৰুৰ সংখ্যা বহুত বেছি, কিন্তু মানৱ মধ্যস্থতাকাৰীৰ কাৰণেহে তেনে হ'ব পাৰিছে। যিকোনো ডাঙৰ জন্তুৰ তুলনাত মানুহৰ সংখ্যা বহুত বেছি। ইয়াৰ কাৰণ অৱশ্যে আমাৰ কৌশল। ধনুকাড়ৰ আৱিষ্কাৰ, আহাৰ পাগুলি খোৱা জন্তুক ঘৰচীয়াকৰণ, কৃষিৰ আৰম্ভণি আৰু শিল্পবিপ্লৱে এক বৰ্গ মাইলত বহুত লোক থাকিব পৰা কৰিলে। পৰিসংখ্যাই দেখুওৱা মতে অৰ্থনৈতিক উন্নতিৰ শেষৰটো এই কামত খটুৱাইছে, যিমান দূৰ সম্ভৱ আনবোৰকো তেনেকৈ সৎ কামত লগাইছে। নিজৰ সংখ্যা বৃদ্ধি কৰাত মানুহৰ বুদ্ধিক যিদৰে ব্যৱহাৰ কৰা হৈছে, আন কোনো এটা কাৰণতে তেনে ব্যৱহাৰ হোৱা নাই।

মিষ্টাৰ কাৰ চেণ্ডৰ্চে কোৱাৰ দৰে ই সঁচা যে সাধাৰণ নিয়ম অনুসৰি মানুহৰ জনসংখ্যা স্থিৰ হ'ব লাগিছিল, কিন্তু উনৈশ শতিকাত জনসংখ্যাৰ যি বিস্ফোৰণ ঘটিল সি হ'ল এক ব্যতিক্ৰমী ঘটনা। ই জীপ্ট আৰু বেবিলনীয়াত যেতিয়া জলসিঞ্চনৰ সহায়ত কৃষি উৎপাদন বঢ়াইছিল, তেতিযাও অনুৰূপ ঘটনা ঘটা বুলি ক'ব পাৰি। উনৈশ শতিকাৰ আগলৈ সকলো দেশতে জনসংখ্যা আছিল আনুমানিক, কিন্তু এই ক্ষেত্ৰত সকলো মিলি যায়। ক্ষিপ্ৰ গতিত জনসংখ্যা বৃদ্ধি হোৱাটো এক বিৰল আৰু ব্যতিক্ৰম ঘটনা। অনুমান কৰিব পৰাৰ দৰে এতিয়া যদি সকলো দেশতে জনসংখ্যা স্থবিৰ হৈ যায়, তেনেহ'লে জানিব লাগিব যে এক অস্বাভাৱিক পৰিস্থিতি উদ্ভাৱনৰ বাবে কাম কৰা হৈছে আৰু এতিয়া মানৱ জাতিৰ স্বাভাৱিক পৰিস্থিতিলৈ ঘূৰি যোৱা হৈছে।

মিষ্টাৰ কাৰ ৰেণ্ডাৰ্চৰ জনসংখ্যা সম্পৰ্কীয় কিতাপখনৰ এক প্ৰশংসনীয় গুণ

এই যে সকলো দেশত সকলো যুগতে মৃত্যুৰ হাৰ বৃদ্ধি কৰি জনসংখ্যা শেষ কৰাৰ পৰিবৰ্তে স্ব-নিয়ন্ত্ৰণৰ দ্বাৰা জনসংখ্যা স্থবিৰ কৰি ৰখাৰ প্ৰয়াস যে কৰিছিল সেই কথালৈ আঙুলিয়াই দিয়ে। তেওঁ পৰিঘটনাটো বোধহয় অতিৰঞ্জিত কৰিছিল। উদাহৰণস্বৰূপে মৃত্যুৰ হাৰে মুখ্যতঃ জনসংখ্যা বৃদ্ধি হ'ব দিয়া নাছিল। ভাৰতত তাৰ পৰিসংখ্যা পোৱা যায়, চীনত কিন্তু সেই পৰিসংখ্যা নাই। কাৰ চেণ্ডাৰ্সে নিজে দেখুৱাইছে যে জন্মৰ হাৰ বহুত বেছি আছিল, তথাপি জনসংখ্যা বৃদ্ধিৰ হাৰ ইংলণ্ডতকৈ কম আছিল। ইয়াৰ মূল কাৰণ আছিল শিশুৰ বৰ্দ্ধিত মৃত্যুৰ হাৰ, প্লেগ আৰু অন্যান্য ৰোগ। মোৰ বিশ্বাস— পৰিসংখ্যা পোৱা হ'লে চাব পৰা গ'ল হয় যে চীনতো একে ঘটনাই ঘটিছিল। এনেবোৰ গুৰুত্বপূৰ্ণ ব্যতিক্ৰম সত্ত্বেও কাৰ চেণ্ডাৰ্সৰ মন্তব্য মূলতঃ সত্য। জনসংখ্যা সীমিত ৰখাৰ বাবে বিভিন্ন উপায় কাৰ্যকৰী কৰিছিল। য'ত ধৰ্মৰ বাধা আছিল তাত অতি সহজ উপায় শিশু হত্যাক বিস্তৃতভাৱে প্ৰয়োগ কৰিছিল। সময়ে সময়ে এই পদ্ধতিটো ইমানে জনপ্ৰিয় আছিল যে খ্ৰীষ্ট ধৰ্ম গ্ৰহণ কৰাৰ এক পূৰ্বচৰ্ত আছিল যে ধৰ্মই শিশু হত্যাত হস্তক্ষেপ কৰিব নোৱাৰিব।[১] মানৱ জীৱন পবিত্ৰ বুলি দুখবৰসকলে সামৰিক সেৱাত যোগদান নকৰাৰ কাৰণে জাৰৰ চৰকাৰৰ লগত সমস্যাত পৰিছিল, আৰু পিচলৈ তেওঁলোকৰ প্ৰচলিত শিশুহত্যা প্ৰথাই কানাডাৰ চৰকাৰৰ লগত তেওঁলোকক সমস্যাত পেলাইছিল। বহুত ঠাইত আন উপায়ো অৱলম্বন কৰিছিল। বহুত জাতিৰ মাজত নীতি এটা আছে যে— এগৰাকী নাৰীয়ে গৰ্ভাৱস্থাত আৰু কেঁচুৱাক গাখীৰ খুৱাই থকালৈকে যৌন সঙ্গম নকৰে, অৰ্থাৎ দুইৰ পৰা তিনি বছৰলৈকে সঙ্গমৰহিত হৈ ৰয়। ই অৱধাৰিতভাৱে মানুহগৰাকীৰ প্ৰজনন ক্ষমতা বহুত সীমিত কৰে, বিশেষকৈ বৰ্বৰসকলৰ মাজত ; কিয়নো সভ্য মানুহতকৈ বৰ্বৰসকল সোনকালে বৃদ্ধ হয়। অষ্ট্ৰেলিয়াৰ আদিবাসীসকলে এক বেদনাদায়ক শল্য চিকিৎসাৰদ্বাৰা পুৰুষৰ বীৰ্য শক্তি বহুত পৰিমাণে কমাই আনে আৰু প্ৰজনন ক্ষমতা হ্ৰাস কৰে। জেনেচিচত[২] আমি পাও যে অতীতত মানুহে জন্ম নিয়ন্ত্ৰণৰ উপায় জানিছিল আৰু বিশেষ এটা উপায় অৱলম্বন কৰিছিল, যদিও পিচলৈ ইহুদীবোৰে তাৰ প্ৰয়োগ নিষেধ কৰি দিয়ে। কিয়নো ইহুদী ধৰ্ম সদায় মালথাচ বিৰোধী। এনে বিভিন্ন উপায় অৱলম্বন কৰি দুৰ্ভিক্ষৰ পৰা হাত সাৰি হাজাৰ হাজাৰ লোকক নিশ্চিত মৃত্যুৰ পৰা বচাইছিল; তাকে নকৰি নিজৰ বীৰ্যৰ অবাধ ব্যৱহাৰ কৰা হ'লে দুৰ্ভিক্ষত হাজাৰ লোক মৃত্যুমুখত পৰিলে হয়।

১। উদাহৰণস্বৰূপে আইচলেণ্ডত এইটো ঘটিছিল। কাৰ চেণ্ডাৰ্চৰ পপুলেশান- ১৯২৫, পৃঃ ১৯।
২। জেনেচীচ, XXXVIII, পৃঃ ৯-১০

হ'লেও অনাহাৰে জনসংখ্যা হ্ৰাস কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল; ই যে অকল আদিম সমাজৰ ক্ষেত্ৰতেই ঘটিছিল এনে নহয়, অনুন্নত কৃষি উৎপাদনৰ সময়তো তেনে ঘটনা ঘটিছিল। ১৮৪৬-৪৭ ৰ আয়াৰ্লেণ্ডৰ দুৰ্ভিক্ষ ইমান ভয়াৱহ আছিল যে তাৰ পৰৱৰ্তী কালত জনসংখ্যা কেতিয়াও পূৰ্বৰ সংখ্যা চুব পৰা নাই। ৰাছিয়াত দুৰ্ভিক্ষ সঘনাই হয়, আৰু ১৯২১ চনৰ দুৰ্ভিক্ষ এতিয়াও মানুহৰ মনত নতুন হৈয়েই আছে। ১৯২০ চনত যেতিয়া মই চীনত আছিলো, তেতিয়া চীনৰ কেবাখনো ঠাই দুৰ্ভিক্ষৰ কবলত আছিল আৰু সেই দুৰ্ভিক্ষ তাৰ এবছৰ পিচৰ ৰাছিয়াত হোৱা দুৰ্ভিক্ষৰ সমান আছিল ; কিন্তু দুৰ্ভিক্ষৰ বলি সকলে ভল্গাৰ জনসাধাৰণতকৈ বহুত কম সমবেদনা পাইছিল। কিয়নো চীনত এই দুৰ্ভাগ্যজনক ঘটনাটো কমিউনিষ্টসকলৰ বাবে হোৱা নাছিল। তেনেবোৰ ঘটনাই প্ৰমাণ কৰে যে কেতিয়াবা খোৱা খাদ্যই জোৰা পৰিমাণে জনসংখ্যা বৃদ্ধি পায় আৰু কেতিয়াবা তাতকৈ অলপ বেছি হয়। খোৱা খাদ্যৰ পৰিমাণ উঠা-নমা হৈ থকাটোৱেই কেতিয়াবা হয়তো খাদ্যবস্তুৰ নাটনিত পেলায়।

খ্ৰীষ্ট ধৰ্মত বিশ্বাস কৰা দেশবোৰত খ্ৰীষ্ট ধৰ্মই সংযমত বাহিৰে জনসংখ্যা হ্ৰাস কৰাৰ সকলো উপায় শেষ কৰি পেলাইছে। শিশু হত্যা অৱশ্যে নিষেধ কৰা হৈছে। একেদৰে ভ্ৰূণহত্যাও নিষেধ কৰা হৈছে আৰু লগতে নিষেধ কৰা হৈছে সকলো ধৰণৰ জন্মনিৰোধক উপায়। সত্য কথা যে ধৰ্ম প্ৰচাৰক, সন্ন্যাসী, সন্ন্যাসীনীবোৰ কুমাৰ-কুমাৰী, কিন্তু মধ্যযুগত তেওঁলোকৰ সংখ্যা আজিৰ ইংলণ্ডৰ অবিবাহিতা নাৰীৰ সমান আছিল বুলি মোৰ সন্দেহ। গতিকে তেওঁলোকে বৰ্দ্ধিত জনসংখ্যাক ৰোধ কৰাত যে কিবা অৱদান আগবঢ়াইছিল তাক ক'ব নোৱাৰি। তাৰ ফলত অতীতৰ তুলনাত মধ্যযুগত জনসংখ্যা হ্ৰাস পোৱাৰ কাৰণ আছিল মহামাৰী আৰু দুৰ্ভিক্ষ। জনসংখ্যা বৃদ্ধি আছিল মন্থৰ গতিৰ। ওঠৰ শতিকাত বৃদ্ধৰ হাৰ অলপ বেছি হৈছিল, কিন্তু উনৈশ শতিকাত এক অসাধাৰণ পৰিৱৰ্তন আহিছিল আৰু যি হাৰত জনসংখ্যা বৃদ্ধি পাইছিল, অতীতত কোনো দিনে সেই সীমা পোৱা নাছিল। গণনা কৰি উলিওৱা হৈছে যে ১০৬৬ চনত ইংলণ্ড আৰু ৱেলচত প্ৰতি বৰ্গমাইলত ২৬জন মানুহ বাস কৰিছিল; ১৮০১ চনত সেই সংখ্যা ১৫৩ পায়গৈ আৰু ১৯০১ চনত হয়গৈ ৫৬১ জন। গতিকে নৰ্মান আক্ৰমণৰ পৰা উনৈশ শতিকাৰ আৰম্ভণিলৈ যিমান জনসংখ্যা বৃদ্ধি পাইছিল অকল উনৈশ শতিকাত তাতকৈ প্ৰায় চাৰি গুণ বৃদ্ধি পাইছিল। ইংলণ্ড আৰু ৱেলচৰ জনসংখ্যা বৃদ্ধিৰ প্ৰকৃত তথ্য পোৱাটো কঠিন, কিয়নো সেই কালছোৱাত ব্ৰিটিছ মূলৰ লোকে পূৰ্বে বৰ্বৰসকলে বসবাস কৰা অঞ্চলবোৰত বাস কৰি সেই সেই অঞ্চলৰ জনসংখ্যা বৃদ্ধি কৰিছিল।

জন্মৰ হাৰ বৃদ্ধি কৰি জনসংখ্যা বৃদ্ধি কৰা বুলি কোনো কাৰণ থাকিব নোৱাৰে। ইয়াৰ আংশিক কাৰণ হৈছে চিকিৎসা বিজ্ঞানৰ বিকাশ আৰু আংশিকভাৱে মই ভবাত শিল্প বিপ্লৱে আমি দিয়া জীৱন ধাৰণৰ মান উন্নত কৰাটো, কিয়নো তাৰ ফলত মৃত্যুৰ হাৰ অনেক কমি যায়। ইংলণ্ডত জন্মৰ হাৰ পঞ্জীয়নৰ আৰম্ভণি বৰ্ষ ১৮৪১ ৰ পৰা ১৮৭১-৭৫ কালছোৱাত জন্মৰ হাৰ প্ৰায় একেই আছিল আৰু পিচলৈ গৈ সৰ্বোচ্চ ৩৫.৫ হয়গৈ। এই পৰিস্থিতিত দুটা ঘটনা ঘটিছিল; প্ৰথম ১৮৭০ চনৰ শিক্ষা আইন; দ্বিতীয় ১৮৭৮ত নৱমালফচবাদ বিৰোধী প্ৰচাৰ চলোৱাৰ বাবে ব্ৰেদলাফক শাস্তি প্ৰদান কৰাটো। দেখা যায় সেই চনৰ পৰাই জন্মৰ হাৰ কমিবলৈ লয়, প্ৰথমে ধীৰ গতিত আৰু পিচলৈ ধ্বংসাত্মকভাৱে শিক্ষা আইনে ইয়াৰ কাৰণ নিৰ্দ্ধাৰণ কৰি দিছিল, কিয়নো এতিয়া ল'ৰা-ছোৱালীবোৰত টকা খটুওৱাটো লাভজনক নহয় আৰু ব্ৰেদলাফে তাৰ উপায় উদ্ভাৱন কৰি দিছিল। ১৯১১-১৫ এই পাঁচবছৰীয়া কালছোৱাত জন্মৰ হাৰ ২৩.৬ লৈ নামি আহে। ১৯২৯ ৰ প্ৰথম-চতুৰ্থাংশত এই হাৰ নামি ১৬.৫ পায়গৈ। তাৰ পিছতো ইংলণ্ডৰ জনসংখ্যা ধীৰে ধীৰে বৃদ্ধি পাই আছিল, স্বাস্থ্যৰ বাবে ভাল পৰিবেশ আৰু ঔষধৰ উৎকৰ্ষ সাধনৰ বাবে ; কিন্তু ই ক্ষিপ্ৰ গতিত এক স্থিৰ সংখ্যালৈ আগবাঢ়ি গৈছিল।[৩] সেই একেই সংখ্যাতে বহুদিন ধৰি স্থবিৰ হৈ আছিল।

পশ্চিম ইউৰোপত জন্মৰ হাৰ ক্ষিপ্ৰ গতিত নামি যায় আৰু ই সাৰ্বজনীন হয়। পৰ্তুগালৰ দৰে দুখীয়া দেশবোৰহে মাত্ৰ ব্যতিক্ৰমী। তাৰোপৰি গ্ৰামাঞ্চলতকৈ নগৰীয়া অঞ্চলত ইয়াৰ প্ৰভাৱ বেছি। ধনী শ্ৰেণীৰ মাজত আৰম্ভ হৈ ই পিচলৈ চহৰ আৰু শিল্পাঞ্চললৈ ব্যাপি পৰে। এতিয়াও ধনী মানুহতকৈ দুখীয়া মানুহৰ মাজত জন্মৰ হাৰ বেছি ; কিন্তু লণ্ডনৰ আটাইতকৈ বেছি দুখীয়া এলেকাৰ জন্মৰ হাৰ দহ বছৰ আগৰ আটাইতকৈ ধনী এলেকাৰ হাৰতকৈ কম। সকলোৱে জানে যে (কিছুমানে জানিলেও স্বীকাৰ কৰিব নোখোজে) ইয়াৰ কাৰণ গৰ্ভনিৰোধকৰ ব্যৱহাৰ আৰু গৰ্ভপাত। স্থবিৰ জনসংখ্যা লাভ কৰাৰ পিছত আমি সেই বিন্দুতে ৰৈ থকাৰ কি যুক্তি থাকিব পাৰে? জনসংখ্যা হ্ৰাস নোহোৱালৈকে পদ্ধতিটো চলি থাকিব লাগে; আৰু তাৰ শেষ পৰিণতি হ'ব শ্ৰেষ্ঠ সভ্য জাতিক শেষ কৰি দিয়াটো।

সমস্যাটোৰ অৰ্থপূৰ্ণ আলোচনা কৰাৰ আগেয়ে সেই বিষয়ে স্পষ্ট ধাৰণা লোৱাৰ প্ৰয়োজন বুলি মই ভাবো। কাৰ চেণ্ডার্চে কোৱাৰ দৰে যিকোনো অৰ্থনৈতিক পদ্ধতিত প্ৰয়োজনীয় সংখ্যাৰ মানুহহে বসতি কৰা উচিত— অৰ্থাৎ সেই পৰ্যাপ্ত মানৰ জনসংখ্যা বঢ়া-টুটা হ'লে অৰ্থনৈতিক সুফলখিনি নিম্নগামী হয়। বহল অথত ক'বলৈ হ'লে অৰ্থনৈতিক পদ্ধতিৰ উন্নতি হোৱাৰ লগে লগে সেই অনুপাতে জনসংখ্যা বাঢ়ি যায়।

৩। ১৯২৯ চনৰ ২৭ মেৰ টাইমচ দ্ৰষ্টব্য।

চিকাৰ কৰি খাদ্যবস্তু গটোৱা যুগত এক বৰ্গ মাইলত এজনমান মানুহ থকা উচিত ; কিন্তু শিল্পোদ্যোগত অগ্ৰগতি লাভ কৰা দেশত এক বৰ্গমাইলত কেইবাশ লোক বাস কৰাটোও অধিক যেন নালাগে। মহাযুদ্ধৰ পৰা ইংলণ্ডৰ জনসংখ্যা বেছি হোৱা বুলি ভবাত যুক্তি আছে। ফ্ৰান্সৰ ক্ষেত্ৰত সেইটো ক'ব নোৱাৰি; আমেৰিকাৰ ক্ষেত্ৰততো আৰুবেই নোৱাৰি। কিন্তু ফ্ৰান্স বা পশ্চিম ইউৰোপৰ যিকোনো দেশে জনসংখ্যা বৃদ্ধি কৰি লাভৱান হ'ব বুলি ক'ব নোৱাৰি। তেনে অৱস্থাত জনসংখ্যা বৃদ্ধি অৰ্থনৈতিক দিশৰ পৰা বাঞ্ছনীয় নহয়। যিসকলে জনসংখ্যা বৃদ্ধিৰ পোষকতা কৰে, তেওঁলোক জাতীয়তাবাদী সামৰিক ব্যৱস্থাৰ দ্বাৰা অনুপ্ৰাণিত আৰু তেওঁলোকে আশা কৰা জনসংখ্যা বৃদ্ধি স্থায়ী হ'ব নোৱাৰে, কিয়নো যি যুদ্ধৰ বাবে জনসংখ্যা বৃদ্ধিৰ কামনা কৰা হৈছে সেই যুদ্ধ অন্ত পৰিলেই জনসংখ্যা হ্ৰাস কৰাৰ দাবী কৰিব। গতিকে এইসকল লোকৰ বাবে জনসংখ্যা হ্ৰাস কৰাৰ উপায় হৈছে যুদ্ধত হোৱা গণহত্যা, জন্মনিৰোধকৰ দ্বাৰা সীমিত কৰা নহয়। অলপ চিন্তা কৰিব পৰা মানুহে এই দৃষ্টিভঙ্গী গ্ৰহণ কৰিব নোৱাৰে, আৰু যিসকলে এই ধৰণৰ চিন্তা কৰে, তেওঁলোক নিশ্চয় বিভ্ৰান্ত মস্তিষ্কৰ ব্যক্তি। যুদ্ধৰ লগত সাঙোৰ খাই থকা যুক্তিৰ বাহিৰে জনসংখ্যা স্থিৰ কৰি ৰাখিব পাৰিছে তাকে জনাটোৱে আনন্দৰ কথা।

জনসংখ্যা যদি প্ৰকৃততে কমি যায়, গোটেই ছবিখনেই সলনি হৈ যাব; কিয়নো, হ্ৰাস হোৱা ক্ৰিয়াটোক ৰোধ কৰিব নোৱাৰাৰ ফলত বিশ্বৰ আটাইতকৈ সভ্য জাতিবোৰ শেষ হৈ যাব ; আৰু সভ্য জাতিবোৰ শেষ হৈ যোৱাটো আমি কামনা নকৰো। গতিকে জন্মনিৰোধৰ উপায়সমূহ সেই পৰ্যায়লৈকেহে প্ৰয়োগ কৰিব লাগে যি পৰ্যায়ত দেশৰ জনসংখ্যা বৰ্তমান পৰ্যায়ত ৰাখিব পৰা যায়। তাকে কৰাটো কঠিন হ'ব বুলি মই নাভাবো। পৰিয়াল সীমিতকৰণৰ সৰ্বাত্মক নহ'লেও মুখ্য উদ্দেশ্য হৈছে অৰ্থনৈতিক, আৰু ল'ৰা-ছোৱালীৰ ওপৰত কৰা খৰচটো হ্ৰাস কৰি জন্মৰ হাৰ বঢ়াব পাৰি ; আৰু দৰ্কাৰবোধ কৰিলে ল'ৰা-ছোৱালীবোৰক পিতৃ-মাতৃৰ উপাৰ্জন বৃদ্ধি কৰা কামত নিয়োগ কৰিব পাৰি। তেনে যিকোনো পদক্ষেপ অৱশ্যে বৰ্তমানৰ জাতীয়তাবাদী দুনিয়াত বৰ বিপজ্জনক হ'ব, কিয়নো ইয়াক সামৰিক আধিপত্যৰ কাৰক হিচাপে ব্যৱহাৰ কৰিব। কল্পনা কৰিব পাৰি যে অগ্ৰণী সামৰিক দেশবোৰে মাৰণাস্ত্ৰৰ প্ৰতিযোগিতাৰ লগতে ল'ৰা-ছোৱালী জন্ম দিয়াটো প্ৰতিযোগিতা কৰি নাৰা লগাব ; "কামানবোৰক, দানা দিবই লাগিব।" সভ্যতাক জীয়াই ৰাখিবলৈ হ'লে হয়তো এখন আন্তৰ্জাতিক চৰকাৰ সৰ্বাত্মকভাৱে প্ৰয়োজন। বিশ্বত শান্তি ৰক্ষাৰ ক্ষেত্ৰত কৃতকাৰ্য হ'বলৈ হ'লে এই চৰকাৰে সামৰিক ৰাষ্ট্ৰ এখনে কি পৰিমাণত জনসংখ্যা বৃদ্ধি কৰিব তাৰ সীমা বান্ধি দিব লাগিব। অষ্ট্ৰেলিয়া আৰু জাপানৰ মাজৰ অৰিয়া-অঁৰিয়ে এই

সমস্যাৰ গভীৰতাৰ ছবি দাঙি ধৰে। জাপানৰ জনসংখ্যা ক্ষিপ্ৰ গতিত আগবাঢ়িছে, আৰু (প্ৰব্ৰজন বাদ দি) অষ্ট্ৰেলিয়াৰ এই গতি মন্থৰ। ই এনে এক বৈৰীতাৰ সৃষ্টি, যাক সমাধান কৰাটো বৰ জটিল, কিয়নো দুয়ো পক্ষই ন্যায় বিচাৰৰ বাবে আবেদন কৰাৰ কোনো বিকল্প নাই। ধৰি ল'ব পৰা যায় অদূৰ ভৱিষ্যতত পশ্চিম ইউৰোপ আৰু আমেৰিকাত জন্মৰ হাৰ এনে এক পৰিস্থিতিলৈ আহিব যে চৰকাৰে বিশেষ পদক্ষেপ লৈ তাক বৃদ্ধি নকৰিলে জনসংখ্যা বৃদ্ধি নহ'ব। কিন্তু এইটোও আশা কৰিব নোৱাৰি যে কিছুমান দেশে জন্মৰ হাৰ বৃদ্ধি কৰি ক্ষমতাৰ ভাৰসাম্য বিনষ্ট কৰিব আৰু আটাইতকৈ শক্তিশালী সামৰিক ৰাষ্ট্ৰবোৰে হাত সাবটি বহি থাকিব। উপযুক্তভাৱে কাম কৰিবলৈ হ'লে আন্তৰ্জাতিক কৰ্তৃপক্ষই জনসংখ্যাৰ প্ৰশ্নটো হাতত ল'ব লাগিবই আৰু জন্ম নিয়ন্ত্ৰণবিৰোধী ৰাষ্ট্ৰত জন্ম নিয়ন্ত্ৰণ নীতিৰ প্ৰচাৰ জোৰদাৰ কৰিব লাগিব। এইখিনি নকৰিলে বিশ্বত শান্তি বিপদগ্ৰস্ত হ'ব।

গতিকে জনসংখ্যাৰ প্ৰশ্নটো দুখলপীয়া ঃ ক্ষিপ্ৰ গতিত বাঢ়ি অহা জনসংখ্যাৰ বিৰুদ্ধে চোকা দৃষ্টি ৰাখিব লাগিব আৰু সংখ্যা হ্ৰাস পোৱাৰ বিৰুদ্ধে সন্তম হৈ থাকিব লাগিব। প্ৰথম বিপদটো আওপুৰণি ; আৰু পৰ্তুগাল, স্পেইন, ৰাছিয়া আৰু জাপানত সেই সমস্যা এতিয়াও চলি আছে; পিচৰ বিপদটো নতুন আৰু বৰ্তমান ই পশ্চিম ইউৰোপত ক্ৰিয়া কৰি আছে। অকল ল'ৰা-ছোৱালী জন্ম দিয়েই জনসংখ্যা নিৰূপণ কৰাহেঁতেন আমেৰিকাতো এইটো সমস্যা থাকিলে হয়, কিন্তু প্ৰব্ৰজনে বাঞ্ছনীয় জনসংখ্যা গঢ়ি তোলাত অৱদান আগবঢ়াইছে, যদিও প্ৰকৃত আমেৰিকাবাসীসকলৰ মাজত জন্মৰ হাৰ তেনেই কম। হ্ৰাস পাই অহা জনসংখ্যাৰ বিপদটো এনে এক সমস্যা, যিটোত আমাৰ পূৰ্বপুৰুষসকলে চিন্তা প্ৰয়োগ কৰা নাছিল। ইয়াক নৈতিক প্ৰশংসা আৰু জন্ম নিয়ন্ত্ৰণৰ প্ৰচাৰে কিছু চম্ভালি আহিছে। পৰিসংখ্যাই ব্যাখ্যা কৰাৰ দৰে সেই পদ্ধতিয়ে কাম কৰিব পৰা নাই। গৰ্ভনিৰোধকৰ প্ৰচলনে প্ৰায় সকলো সভ্য দেশতে জন্ম নিয়ন্ত্ৰণৰ এক অংশ হিচাপে কাম কৰে ; এতিয়া ইয়াৰ ব্যৱহাৰ নিৰ্মূল কৰিব নোৱাৰি। যৌন সম্পৰ্ক থকা কোনো বিষয়তে মূৰ নোসোমোৱা অভ্যাসটো চৰকাৰ আৰু গুৰুত্বপূৰ্ণ ব্যক্তিৰ মনত ইমান দকৈ শিপাইছে যে সি হয়তো বন্ধ হৈ যাব বুলি আশা কৰিব নোৱাৰি। এইটো বৰ অবাঞ্ছনীয় স্বভাৱ ; আমি মাত্ৰ আশা কৰিব পাৰো যে বৰ্তমানৰ যুৱ সমাজে যেতিয়া গুৰুত্বপূৰ্ণ স্থান দখল কৰিব, তেতিয়া তেওঁলোক দেউতাক আৰু ককাদেউতাকহঁততকৈ সুস্থ হ'ব। আশা কৰিব পৰা যায় যে গৰ্ভনিৰোধক উপায় অৱলম্বন কৰাৰ অপৰিহাৰ্যতা তেওঁলোকে উপলব্ধি কৰিব আৰু জনসংখ্যা হ্ৰাস নোপোৱা পৰ্যন্ত সেই উপায় অৱলম্বন কৰাৰ ইচ্ছা থাকিব। যিবোৰ দেশে জনসংখ্যাৰ প্ৰকৃত হ্ৰাসৰ সমস্যাৰ সন্মুখীন হয়, সেইবোৰ দেশে ল'ৰা-

ছোৱালীবোৰৰ কাৰণে বহন কৰা আৰ্থিক বোজা পৰীক্ষামূলকভাৱে কমাই পদক্ষেপ ল'ব লাগে যাতে চলিত জনসংখ্যাৰ সীমা নোপোৱালৈকে তাক প্ৰয়োগ কৰি যাব পাৰি।

এই সম্পৰ্কত এটা দিশ আছে, যিটো দিশত আমাৰ নৈতিক ধাৰাটো নিজে লাভৱান হ'ব পৰাকৈ সলনি কৰি ল'ব পাৰি। ইংলণ্ডৰ এতিয়া পুৰুষতকৈ নাৰীৰ সংখ্যা বিশ লাখ বেছি; তেওঁলোক সন্তানহীন হৈ থকাটো নৈতিক আৰু আইনৰ দৃষ্টিত গৰিহণাৰ যোগ্য, কিয়নো অনেকৰ ক্ষেত্ৰত ই বঞ্চনাৰ ৰূপ লয়; সামাজিক নীতিয়ে অবিবাহিতা মাতৃক স্বীকৃতি দিলে আৰু তেওঁৰ আৰ্থিক দিশটো সহনীয় কৰি তুলিব পাৰিলে বৰ্তমানে কৌমাৰ্যৰ বলি হৈ থকা অনেকে সন্তান জন্ম দিলে হয়। এক-স্ত্ৰী বিয়াৰ মূল ভেটি হ'ল পুৰুষ আৰু নাৰীৰ সংখ্যা প্ৰায় সমান হ'ব লগা বুলি থকা ধাৰণাটো। এনে মত নথকা সমাজত তেনে গাণিতিক সংখ্যাই কিছুমানক একক জীৱন যাপন কৰিবলৈ বাধ্য কৰোৱাটো তেওঁলোকৰ প্ৰতি প্ৰদৰ্শন কৰা এক মাৰাত্মক নিষ্ঠুৰতা আৰু য'ত জন্মৰ হাৰ বৃদ্ধি কৰাৰ যুক্তি আছে, তাত এনে সামাজিক আৰু ব্যক্তিগত নিষ্ঠুৰতা অবাঞ্ছনীয়।

জ্ঞানৰ পৰিসৰ বাঢ়ি অহাৰ লগে লগে বৰ্তমানলৈ প্ৰাকৃতিক শক্তি বুলি ধাৰণা কৰা অপশক্তিৰ চৰকাৰৰ উদ্দেশ্যমূলক পদক্ষেপে নিয়ন্ত্ৰণ কৰিব পাৰে। জনসংখ্যা বৃদ্ধিও এইবোৰৰেই এটা। খ্ৰীষ্ট ধৰ্ম প্ৰচাৰৰ লগে লগে এই সমস্যাটো অন্ধ প্ৰবৃত্তিৰ ওপৰত এৰি দিয়া হৈছে। কিন্তু ইয়াক উদ্দেশ্যপ্ৰণোদিতভাৱে নিয়ন্ত্ৰণ কৰাৰ সময় সমাগত। আগেয়ে পাই অহা ল'ৰা-ছোৱালী ৰাষ্ট্ৰই নিয়ন্ত্ৰণ কৰাৰ দৰে এই বিষয়তো যদি চৰকাৰৰ পদক্ষেপ প্ৰয়োজন, চৰকাৰখন হ'ব লাগিব আন্তৰ্জাতিক— বৰ্তমানৰ প্ৰতিযোগী সামৰিক ৰাষ্ট্ৰৰ চৰকাৰৰ নহয়।

অষ্টাদশ অধ্যায়
উন্নত শিশু উৎপাদন পদ্ধতি

কোনো এটা জাতিৰ জৈৱিক গুণবোৰৰ উৎকৰ্ষ সাধন কৰাৰ ইচ্ছাৰে কোনো এক পদ্ধতি প্ৰয়োগ কৰাটোকে ইউজেনিক্স বোলা হয়। এই পদ্ধতিটো ডাৰউইনীয় চিন্তাৰ ওপৰত প্ৰতিষ্ঠিত আৰু ডাৰউইনৰে এজন ল'ৰা ইউজেনিক্স ছ'চাইটীৰ সভাপতি হোৱাটো এই পদ্ধতিৰ নামটোৰ লগত ৰজিতা খাই পৰে; হ'লেও ইউজেনিক্সৰ তৎকালীন জন্মদাতা আছিল ফ্রান্সিস গেল্টন, যিয়ে মানুহৰ দক্ষতাৰ বাবে পিতৃ-মাতৃৰ পৰা পাব পৰা গুণৰ ওপৰত অধিক গুৰুত্ব দিছিল। বৰ্তমান যুগত, বিশেষকৈ আমেৰিকাত বংশগত গুণটো দলীয় বিষয়ৰ কথা হৈ পৰিছে। আমেৰিকাৰ কনজাৰ্ভেটিভ দলে কয় যে বংশগত গুণেহে ভাল চৰিত্ৰৱান মানুহৰ জন্ম দিব পাৰে; আনহাতে আমেৰিকাৰ ৰেডিকেল দলৰ মতে শিক্ষাহে সকলো বংশগত গুণৰ তাত কৰিবলগীয়া একো নাই। এই দুটা চৰম বৈপৰীত্যৰ কোনো এটাৰ লগতে মোৰ সহমত নাই। আনহাতে দুয়োটা দলে বিশ্বাস কৰে যে ইটালীয়, দক্ষিণৰ শ্লাভসকল আমেৰিকাত জন্মগ্ৰহণ কৰা কু-ক্লাক্স-ক্লানতকৈ নিম্ন স্তৰৰ ; এই মতৰ লগতো মোৰ মিল নাই। মানুহৰ মগজুৰ দক্ষতাৰ বাবে মগজুৰ কোনটো অংশত বংশগত গুণে প্ৰভাৱ পেলায় আৰু কোনটো অংশত শিক্ষাই ক্ৰিয়া কৰে তাক প্ৰমাণ কৰিবলৈ আমাৰ হাতত কোনো আহিলা নাই। বিষয়টো বৈজ্ঞানিকভাৱে নিৰ্ণয় কৰিবলৈ হ'লে একেই গুণবিশিষ্ট কেইবা হাজাৰ যোৰ জমজ সন্তান বিচাৰি উলিয়াব লাগিব; সিহঁতক জন্মতেই পৃথক কৰিব লাগিব আৰু যিমানদূৰ সম্ভৱ পৃথক পৃথক শিক্ষা দিব লাগিব। বৰ্তমান কিন্তু সেইটো পৰীক্ষা কৰাটো অসম্ভৱ। মোৰ নিজৰ বিশ্বাস, যি স্থলত প্ৰায় প্ৰত্যেকে হোৱাৰ দৰে কু-শিক্ষাই মানুহক ধ্বংস কৰিব পাৰে (মোৰ এই বিশ্বাস বিজ্ঞানভিত্তিক নহয়, ই মোৰ মানসিক ধাৰণাহে) ; অতি সাধাৰণ দক্ষতাৰে বিভিন্ন দিশত বহুত মহৎ কাম সম্পন্ন কৰিব পাৰি। মোৰ বিশ্বাস নহয় যে যিমান পৰিমাণৰ শিক্ষা দিলেও এজন সাধাৰণ ল'ৰাক এজন প্ৰথম শ্ৰেণীৰ পিয়ানোবাদক হিচাপে গঢ়ি তুলিব পাৰে; মই বিশ্বাস নকৰো যে বিশ্বৰ শ্ৰেষ্ঠ স্কুলখনে আমাক সকলোকে আইনষ্টাইনৰূপে গঢ়ি তুলিব পাৰিব ; মই বিশ্বাস নকৰো যে ব্ৰীয়েনৰ স্কুলত নেপ'লিয়ন তেওঁৰ সহপাঠীসকলতকৈ উচ্চখাপৰ নাছিল— কেৱল বিশৃংখল ল'ৰা-

ছোৱালীকেইটাক মাকে কেনেকৈ নিয়ন্ত্ৰণ কৰিছিল তাকে দেখি নেপ'লিয়নে সামৰিক পৰিচালনাৰ দক্ষতা শিকি লৈছিল। মই পতিয়ন গৈছো যে তেনে বিশেষ ক্ষেত্ৰত আৰু সাধাৰণ দক্ষতাৰ ক্ষেত্ৰত কম-বেছি পৰিমাণে এক জাতীয় দক্ষতা আছে, যাক শিক্ষাই উৎকৰ্ষতা আনি দিয়ে। কিছুমান স্পষ্ট ঘটনা ঘটে, যিয়ে এই সিদ্ধান্তলৈ আনিব পাৰে— তেনে পৰিঘটনা হ'ল যে মূৰৰ আকৃতি চাই মানুহজন চালাক নে বুৰ্বক তাৰ নিৰ্ণয় কৰিব পাৰে ; কিন্তু কোনো শিক্ষাই তেনে জ্ঞান দিব নোৱাৰে। তাৰোপৰি তাৰ বিপৰীতে অৰ্থাৎ বুৰ্বকামি, ল'ৰামতীয়া স্বভাৱ আৰু চিত্ত দুৰ্বলতা আদি গুণবোৰ চাওচোন। ইউজেনিক্সৰ গোড়া বিৰোধীসকলে অস্বীকাৰ কৰিব নোৱাৰে যে অনেকৰ ক্ষেত্ৰত থকা বুৰ্বকামি বংশগত ; তাৰ বিপৰীতে পৰিসংখ্যাৰ প্ৰতি দুৰ্বলতা থকা এজন ব্যক্তিৰ বাবে ইয়াৰ অৰ্থ হ'ব যে প্ৰায় সমপৰিমাণৰ লোক আচৰিত ধৰণে মেধা শক্তিৰ। গতিকে মই বৰ বেছি হৈ চৈ নকৰাকৈ ধৰি লম যে জন্মগত মানসিক দক্ষতাৰ ক্ষেত্ৰত মানুহ বেলেগ বেলেগ হয়। দ্বন্দ্ব থাকিলেও মই আৰু ধৰি লম যে বুৰ্বকবোৰতকৈ বুধিয়কক মানুহে বেছি পচন্দ কৰে। এই দুটা কথা মানি ল'লে উন্নত মানৰ জন্ম দিয়া বিষয়ৰ ভেটি গঢ়ি তোলা হয়। গতিকে এই পদ্ধতিৰ বিশেষ কেইজনমান অধিবক্তাৰ পুংখানুপুংখ ব্যাখ্যাক আমি ভেঙুচালি কৰিলে নহ'ব।

উন্নত মানৰ শিশু জন্ম দিয়া সম্পৰ্কত অত্যন্ত অৰ্থহীন কথাৰ অৱতাৰণা কৰা হৈছে। বেছিসংখ্যক ইউজেনিক্স প্ৰবক্তাই তেওঁলোকৰ জৈৱিক জ্ঞানৰ লগত কিছু সন্দেহযুক্ত প্ৰস্তাৱো আগবঢ়াইছে। সেইবোৰ হ'ল ঃ উপাৰ্জনৰ সমানুপাতে মানুহ সত হয়; পৈতৃক সম্পত্তি (উত্তৰাধিকাৰ সূত্ৰে পোৱা) আইনগত নহয়, ই জৈৱিকহে ; আৰু সেই কাৰণেই আমি যদি উন্নত মানৰ শিশু উৎপাদন কৰিবলৈ গৰীবক নিদি চহকী লোকক দিও তেতিয়া সকলোৱে ধনী হ'ব। দুখীয়াই ধনীতকৈ বেছি সন্তান জন্ম দিয়া বুলি এক হুলস্থূলৰ সৃষ্টি কৰা হয়। এইবোৰ বৰ দুখজনক বুলি মই নাভাবো, কিয়নো, ধনীবোৰ যে গৰীবতকৈ সকলো ক্ষেত্ৰতে উচ্চ তাৰ কোনো উপযুক্ত প্ৰমাণ মই পোৱা নাই; ই দুখজনক হ'লেও ইমান গভীৰভাৱে দুখজনক নহয়, কিয়নো পাৰ্থক্যটো মাত্ৰ কেইবছৰমানৰহে। গৰীবৰ মাজত জন্মৰ হাৰ কমাই অনা হৈছে। আৰু ৯ বছৰ আগেয়ে ধনী শ্ৰেণীটোৰ পৰিয়াল যিমান সৰু আছিল বৰ্তমান গৰীব পৰিয়ালৰ আকাৰো সিমানেই পাইছে।[১] সঁচা কথা যে জন্মৰ হাৰৰ ক্ষেত্ৰত অবাঞ্ছনীয়

১। জুলীয়াচ অ'ল্ফৰ মতে জাৰ্মানীৰ জন্ম নিয়ন্ত্ৰণৰ ক্ষেত্ৰত গৰ্ভনিৰোধতকৈ গৰ্ভপাতেহে বেছি কাম কৰে। তেওঁ কয় যে বৰ্তমানে জাৰ্মানীত প্ৰতি বছৰে ৬০০০০০ এ কৃত্ৰিমভাবে গৰ্ভপাত কৰায়। গ্ৰেট ব্ৰিটেইনৰ ক্ষেত্ৰত প্ৰকৃত সংখ্যাটো পোৱা বৰ জটিল কিয়নো ইয়াত স্বাভাৱিক গৰ্ভপাতবোৰ লিপিবদ্ধ কৰা নহয়। তথাপি অনুমান কৰিব পাৰি যে সংখ্যাটো জাৰ্মানীৰ সমানেই হ'ব।

পাৰ্থক্য থকাৰ কিছুমান কাৰণ আছে। যেনে- যেতিয়া চৰকাৰ আৰু আৰক্ষী কৰ্তৃপক্ষই জন্ম নিয়ন্ত্ৰণৰ সমল সংগ্ৰহ কৰাত অসুবিধাৰ সৃষ্টি কৰে, তেতিয়া কম বুদ্ধিৰ মানুহে উক্ত তথ্য সংগ্ৰহ কৰাত ব্যৰ্থ হয়, কিন্তু আনৰ ক্ষেত্ৰত তেনে নিষেধ আজ্ঞা কৃতকাৰ্য নহয়। ফলস্বৰূপে গৰ্ভনিৰোধ সম্পৰ্কীয় জ্ঞান দিয়াৰ বিৰোধীসকলে বিচাৰি পায় যে বুৰ্বকসকলৰ পৰিয়াল বুধিয়কসকলৰ পৰিয়ালতকৈ ডাঙৰ। অৱশ্যে এইটো হ'ব পাৰে যে ই এক সাময়িক কাৰণ, কিয়নো আটাইতকৈ বুৰ্বকজনেও ইতিমধ্যে জন্ম নিয়ন্ত্ৰণৰ সমল আহৰণ কৰিছে। এনে কোনো ব্যক্তিৰ সংস্পৰ্শলৈ আহিব পাৰে, যিয়ে আনকি গৰ্ভপাত কৰাবৰ বাবেও সাজু আছে। দ্বিতীয় কাৰণটো কৰ্তৃপক্ষৰ এন্ধাৰত থকা প্ৰৱণতাৰেই কাৰণ।

উন্নত সন্তান জন্ম দিয়াৰ দুটা পদ্ধতি আছে— ইতিবাচক আৰু নেতিবাচক। প্ৰথমটোৱে উন্নত সন্তান জন্ম দিয়াত অৱদান যোগায় আৰু দ্বিতীয়টোৱে অনুন্নত সন্তান উৎপন্ন হোৱাটো ৰোধ কৰে। বৰ্তমান দ্বিতীয় পদ্ধতিটোহে বেছি কাৰ্যকৰী হৈ আছে। বাস্তৱিকতে আমেৰিকাত এই বিষয়ত দীৰ্ঘম্যাদী পদক্ষেপ গ্ৰহণ কৰিছে; আৰু অনুপযুক্ত পিতৃ-মাতৃক বন্ধ্যা কৰাটো ইংলণ্ডৰ এক কাৰ্যকৰী ৰাজনীতিৰ অঙ্গ হৈ পৰিছে। তেনে পদক্ষেপত সাধাৰণতে কৰাৰ দৰে বাধা আৰোপ কৰাটো উচিত নহয় বুলি মই ভাবো। দুৰ্বলমনা নাৰীয়ে এসোপামান অবৈধ সন্তান জন্ম দিব পাৰে, কিন্তু সমাজখনৰ বাবে সিহঁত অপদাৰ্থ হৈ পৰিব। বন্ধ্যা কৰিলে তেনেবোৰ নাৰী নিজেই বেছি সুখী হ'ব লাগে, কিয়নো কোনো মানৱ প্ৰেমৰ খাতিৰত তেওঁলোকে বাৰে বাৰে গৰ্ভধাৰণ নকৰে। দুৰ্বল পুৰুষৰ ক্ষেত্ৰতো কথা একেটাই। সত্য কথা যে এই পদ্ধতিটোত মাৰাত্মক বিপদ নিহিত হৈ আছে; কিয়নো, কৰ্তৃপক্ষই সহজে যিকোনো ব্যতিক্ৰমী মতামত বা কৰ্তৃপক্ষৰ বিৰোধিতা কৰা মতামতক দুৰ্বলচিতীয়া বুলি মন্তব্য কৰিব পাৰে। এনে ধৰণৰ বিপদ অৱশ্যে ভালেই, কিয়নো এই পদ্ধতিৰে বহুসংখ্যক বুৰ্বক, কেঁচুৱা স্বভাৱৰ জনসংখ্যা কমাব পৰা যায়।

মোৰ মতে বন্ধ্যাকৰণ নীতিটো নিশ্চিতভাৱে অসুস্থ লোকৰ মাজত আবদ্ধ ৰখা উচিত। ইদাহোৰ আইন অনুসৰি 'মানসিকভাৱে অসুস্থ, মৃগী বেমাৰী, অপৰাধ মানসিকতাৰ, নৈতিক স্খলন ঘটা আৰু যৌন বিকৃতি থকা লোকক বন্ধ্যাকৰণ কৰা হয়; মই অৱশ্যে তাক সমৰ্থন নকৰো। এইসকলৰ শেষৰ দুটা বৰ দ্ব্যৰ্থক ধৰণৰ, আৰু ভিন ভিন সমাজত ইয়াক ভিন ভিন ধৰণে নিৰ্ণয় কৰা দৰ্কাৰ। ইদাহৰ আইন অনুসৰি চক্ৰেটিচ, প্লেটো, জুলিয়াচ চিজাৰ আৰু ছেইন্ট প'লকো বন্ধ্যা কৰিব লাগে। তাৰোপৰি অপৰাধ প্ৰৱণতা যিমানদূৰ সম্ভৱ স্নায়ৱীয় ক্ৰিয়াৰ খেলিমেলিৰ বাবে হয়। আৰু সৌত্ৰিক মত অনুসৰি মনোবিশ্লেষণৰ দ্বাৰা ইয়াক আৰোগ্য কৰিব পৰা যায়।

তাৰোপৰি উক্ত ৰোগ বংশগত নহ'বও পাৰে। ইংলণ্ড আৰু আমেৰিকাত মনোবিশ্লেষণৰ কথা নজনাকৈয়ে তেনে বিষয়ক আইন প্ৰণয়ন কৰা হয়। গতিকেই একে ধৰণৰ যেন লগা লক্ষণৰ ৰোগবোৰক ভুলতে একেটা বেমাৰ বুলি একে নামকৰণেৰে চিহ্নিত কৰে। এই আইন প্ৰণয়নকাৰীসকল শ্ৰেষ্ঠ জ্ঞানৰ ক্ষেত্ৰত এতিয়াও ত্ৰিশ বছৰ পিচপৰি আছে। ই স্পষ্টভাৱে এটা সত্য প্ৰমাণ কৰে যে তেনেবোৰ বিষয়ত যেতিয়ালৈ বিজ্ঞানে এক স্থিৰ সিদ্ধান্তত উপনীত নহয় আৰু যি সিদ্ধান্তক কেবাদশকো জুৰি কোনেও প্ৰত্যাহ্বান নজনায়, তেতিয়ালৈকে তেনে ধৰণৰ আইন প্ৰণয়ন কৰাটো অতিশয় বিপজ্জনক ; কিয়নো তেনে ক্ষেত্ৰত ভুল ধাৰণাক আইনৰ ধাৰাত সত্য বুলি সন্নিবিষ্ট কৰা হয় আৰু বিচাৰপতিৰ এক আদৰণীয় বস্তুত পৰিণত হয়। ইয়াৰ ফলত সত্য ধাৰণাবোৰ কাৰ্যক্ষেত্ৰত লগোৱাৰ পৰা আঁতৰত ৰখা হয়। মই জনাত মানসিক দুৰ্বলতাই হৈছে এনে এক বিষয় যিটোৰ ওপৰত এই অঞ্চলত নিৰাপদে আইন প্ৰণয়ন কৰিব পৰা যায়। নিৰ্মোহভাৱে চালিজাৰি চাই কৰ্তৃপক্ষ সহমতত এটা সিদ্ধান্ত লোৱা উচিত। উদাহৰণস্বৰূপে, নৈতিক স্খলন হোৱা কথাটো মতামতৰ ওপৰত নিৰ্ভৰশীল। একেজন ব্যক্তিকেই কোনোবাই ক'ব— নৈতিক স্খলন ঘটা ব্যক্তি বুলি আৰু আন কোনোবাই ক'ব ঋষি বুলি। মই ক'ব খোজা নাই যে ভৱিষ্যৎ আইনৰ কোনো প্ৰসাৰ নঘটক, মই ক'ব খুজিছো যে এই মুহূৰ্তত, এইটো বিষয়ত আমাৰ বিজ্ঞান উপযুক্ত হৈ উঠা নাই ; আৰু ক'ব খোজো যে আমেৰিকাৰ কেবাখনো ৰাজ্যত হোৱাৰ দৰে এখন সমাজে নৈতিক পথভ্ৰষ্টতাতে বিজ্ঞানৰ প্ৰলেপ সানিবলৈ দিয়াটো বৰ বিপজ্জনক।

ইতিবাচক ইউজেনিক্সলৈ আহোঁহক। যদিও ই এতিয়াও ভৱিষ্যতৰ বিষয় হৈয়ে আছে, ইয়াত অনেক আমোদজনক সম্ভাৱনীয়তা আছে। ইতিবাচক ইউজেনিক্সে এহাল বাঞ্ছনীয় দম্পতীক বহুত সন্তান জন্ম দিয়াৰ বাবে উৎসাহ দিয়ে। বৰ্তমানে তাৰ ঠিক বিপৰীতটোহে ঘটি আছে। উদাহৰণস্বৰূপে, প্ৰাইমাৰী স্কুলৰ এজন অতি মেধাসম্পন্ন ল'ৰাই পেছাদাৰী জীৱিকাৰ বাবে ধাবিত হয়, গতিকে তেওঁ পঁয়ত্ৰিশ-চল্লিশ বছৰ বয়সতহে বিয়া পাতে ; যি মূলতঃ নিজৰ পৰিবেশত এজন ছাত্ৰই নিজৰ মেধাৰ পৰিচয় দিব নোৱাৰে তেওঁ পঁচিশ বছৰমান বয়সত বিয়া কৰায়। পেছাদাৰী শ্ৰেণীটোৰ বাবে শিক্ষা এক অৰ্থনৈতিক বোজা; গতিকে যিমানে পৰা যায় তেওঁলোকে পৰিয়াল সীমিত ৰখাতহে গুৰুত্ব দিয়ে। তেওঁলোকৰ বৌদ্ধিক মান বোধহয় আনবোৰ শ্ৰেণীতকৈ অলপ উচ্চ ; গতিকে তেওঁলোকে পৰিয়াল সীমিত ৰখাটো এক অনুশোচনীয় ঘটনা। তেওঁলোকৰ সমস্যা সমাধানৰ আটাইতকৈ সহজ উপায় হ'ল তেওঁলোকৰ ল'ৰা-ছোৱালীক বিশ্ববিদ্যালয় পৰ্যায়লৈ বিনামূলীয়া শিক্ষা প্ৰদান কৰাটো।

বহল দৃষ্টিৰে ক'বলৈ গ'লে তেওঁলোকৰ ল'ৰা-ছোৱালীক পিতৃ-মাতৃৰ যোগ্যতা চাইহে বৃত্তি দিব লাগে— ল'ৰা-ছোৱালীৰ যোগ্যতা চাই নহয়। এই পদক্ষেপে ল'ৰা-ছোৱালীয়ে মুখস্থ কৰাৰ নিচিনা অপকাৰী ব্যৱস্থাটো নির্মূল কৰিব পাৰে ; কিয়নো, মুখস্থ কৰা কার্যই একৈশ বছৰৰ আগলৈ মানসিকভাৱে ইমান চাপ দিয়ে যে ই ল'ৰা-ছোৱালীক বৌদ্ধিক আৰু শাৰীৰিকভাৱে বহুত অপকাৰ কৰে। পেছাদাৰী পিতৃসকলৰ বেছি সন্তান জন্ম দিয়াৰ বাবে ইংলেণ্ড আৰু আমেৰিকাত চৰকাৰে উৎসাহ দিয়াটো বোধহয় অসম্ভৱ। এই ক্ষেত্ৰত বাটৰ কাইট হ'ল গণতন্ত্ৰ। ইউজেনিক্সৰ ধাৰণাৰ ভেটিটো হ'ল যে— সকলো মানুহ সমান নহয়, আনহাতে গণতন্ত্ৰৰ মূল মন্ত্ৰ হ'ল— সকলো মানুহ সমান। সেই কাৰণে এখন গণতান্ত্ৰিক সমাজত ইউজেনিক্সৰ ধাৰণাটোৰ ৰাজনৈতিক পদক্ষেপ লোৱাটো বৰ জটিল ; কিয়নো, তেনে ধাৰণা গঢ়ি উঠিলেই ধৰি ল'ব লাগিব যে আন এটা কথাৰ ইঙ্গিত আহি পৰে— কেঁচুৱাৰ দৰে নিম্ন খাপৰ লোক লঘিষ্ঠ সংখ্যক। সংখ্যাগৰিষ্ঠৰ বাবে প্ৰথমটো ধাৰণা উৎসাহজনক, কিন্তু দ্বিতীয়টো হতাশাজনক। গতিকে প্ৰথম ধাৰণাটো লৈ পদক্ষেপ গ্ৰহণ কৰাটোক সংখ্যাগৰিষ্ঠই সমৰ্থন কৰিব, কিন্তু দ্বিতীয়টোৰ পদক্ষেপক তেওঁলোকে সমৰ্থন নকৰিব।

হ'লেও এই সম্পৰ্কে চিন্তা কৰা প্ৰতিজন লোকেই জানে যে কোনটো প্ৰজাতিৰ মানুহ শ্ৰেষ্ঠ। অৱশ্যে প্ৰকৃতভাৱে নিৰ্ণয় কৰাটো যদিও বৰ জটিল, বিভিন্ন জাতিৰ মাজত যে পাৰ্থক্য আছে তাক বিজ্ঞানে অনতিপলমে নিৰ্ণয় কৰিব। এজন কৃষকক যদি কোৱা হয় যে তেওঁৰ আটাইকেইটা ষাঁড়ক সমানে সুযোগ দিব লাগে, তেতিয়া তেওঁৰ মনলৈ আহিব কল্পনা কৰি চাওঁচন। স্বাভাৱিকতে আগৰ প্ৰজন্মৰ বেছি দুধ ওলোৱা গাইৰ ভৱিষ্যতৰ প্ৰজন্মটোৰ বাবে কৃষকজনে অতি সতৰ্কতাৰে ষাঁড় এটা বাছি উলিয়াব। (আমি এটি টিকা লিখিব পাৰো ঃ যিহেতু গৰুৱে বিজ্ঞান, কলা, যুদ্ধ আদি সম্পৰ্কে একো নাজানে, এই ক্ষেত্ৰত আটাইতকৈ বেছি গুৰুত্ব দিয়া হ'ব। মাত্ৰ মাইকী গৰুৰ ওপৰত, শ্ৰেষ্ঠ গাইৰ বাবে ষাঁড়টো বাহকহে মাত্ৰ।) সকলোবোৰ ঘৰচীয়া জন্তুক বৈজ্ঞানিক প্ৰজনন পদ্ধতিৰে যথেষ্ট উন্নত কৰা হৈছে; গতিকে মানুহকো বাঞ্ছনীয় দিশত উন্নত কৰিব নোৱাৰাৰ প্ৰশ্ন নাই। অৱশ্যে মানুহৰ ক্ষেত্ৰত আমি কি ধৰণৰ উন্নতি বিচাৰো তাক নিৰ্ণয় কৰাটো বৰ জটিল। এইটোও হ'ব পাৰে যে আমি যদি মানুহৰ দৈহিক উৎকৰ্ষতা বিচাৰো, তেতিয়া তাৰ মগজুৰ অধঃপতন ঘটিব। এইটোও হ'ব পাৰে যে আমি যদি মগজুৰ উৎকৰ্ষতা বিচাৰো শাৰীৰিকভাৱে বেমাৰী হোৱাৰ বাবে অধিক সুবিধা দিয়া হ'ব। আনকি এনেও হ'ব পাৰে যে যদি আমি মানুহৰ আৱেগিক ভাৰসাম্য বজাই ৰাখিব বিচাৰো, তেতিয়া মানুহৰ শিল্পীসুলভ গুণখিনি নিঃশেষ হৈ যাব। সেই সকলোবোৰ দিশত মানুহে সকলো জ্ঞান আহৰণ

কৰিব পৰা নাই। গতিকে এতিয়াও যোগাত্মক ইউজেনিক্সে কাম কৰাৰ সময় পোৱাহি নাই। কিন্তু অহা এশ বছৰৰ ভিতৰত বংশানুগত আৰু জৈৱ ৰাসায়নিক বিষয়ত ইমান উন্নতি সাধন হ'ব যে তেতিয়া বৰ্তমানৰ মানুহতকৈ বহুগুণে উন্নত ধৰণৰ মানুহৰ উৎপাদন কৰাটো সম্ভৱ হৈ উঠিব।

এনে ধৰণৰ বৈজ্ঞানিক জ্ঞান প্ৰয়োগ কৰিবলৈ হ'লে পৰিয়ালৰ ক্ষেত্ৰত এই কিতাপত আলোচনা কৰাতকৈ আন ধৰণৰ বৈপ্লৱিক পৰিৱৰ্তন অনাৰ প্ৰয়োজন হৈ পৰিব। যদি বৈজ্ঞানিক প্ৰজনন প্ৰণালী বাস্তৱায়িত কৰিবলগীয়া হয়, উন্নত প্ৰজাতিৰ মানৱ শিশু জন্ম দিয়াৰ বাবে প্ৰতিটো প্ৰজন্মতে দুই-তিনি শতাংশ ল'ৰা আৰু পঁচিশ শতাংশমান ছোৱালী আচুতীয়াকৈ ৰখাৰ প্ৰয়োজন হৈ পৰিব। পুষ্পিতা হোৱাৰ সময়তে এক দৈহিক পৰীক্ষা পৰিচালনা কৰিব লাগিব আৰু সেই পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰিব নোৱাৰা ল'ৰা-ছোৱালীবোৰক সেই সময়তে বন্ধ্যাকৰণ কৰিব লাগিব। এটা ষাঁড় বা মখনা ঘোঁৰাৰ নিজৰ পোৱালিৰ লগত কোনো সম্পৰ্ক নথকাৰ দৰে মানৱ পিতৃসকলৰো নিজৰ ল'ৰা-ছোৱালীৰ লগত কোনো সম্পৰ্ক নাথাৰ্কিব ; মাতৃ হৈ পৰিব এগৰাকী বিশেষত্ব প্ৰাপ্ত পেছাদাৰী নাৰী যি জীৱন নিৰ্বাহৰ ক্ষেত্ৰত আন নাৰীতকৈ সম্পূৰ্ণ বেলেগ হৈ পৰিব। মই ক'ব খোজা নাই যে এনে ধৰণৰ পৰিৱৰ্তন কিছু বছৰ পিছতেই ঘটিব ; আৰু তেনে হোৱাটো মই কামনাও নকৰো, কিয়নো তেনে এখন সমাজ মই অত্যন্ত বেয়া পাওঁ। তথাপি বিষয়টো যদি আমি নিৰ্মোহভাৱে পৰীক্ষা কৰো, তেতিয়া আমি দেখিম যে এই আঁচনিয়ে বিৰাট সফলতা আনি দিব পাৰে। তৰ্কৰ খাতিৰত আমি ধৰি লওচোন- জাপানে এই প্ৰণালী প্ৰয়োগ কৰিলে দেখা যাব যে তিনি পুৰুষ পিচত প্ৰায় সকলোবোৰ জাপানীয়েই জ্ঞান-বুদ্ধিত একো একোজন এডিচন আৰু দৈহিক শক্তিত একো একোজন মল্লযোদ্ধাৰ সমান। আৰু আনহাতে বাকী দেশবোৰে যদি মানৱৰ সকলো উৎকৰ্ষতাৰ বাবে প্ৰকৃতিলৈকেই বাট চাই থাকে, যুদ্ধৰ ক্ষেত্ৰত জাপান আটাইতকৈ শক্তিশালী হৈ পৰিব। তেনে উচ্চ শিখৰত স্থান অধিকাৰ কৰি জাপানে নিঃসন্দেহে আন দেশৰ মানুহক জাপানী সৈন্য বাহিনীত যোগ দিওৱাৰ উপায় উদ্ভাৱন কৰিব আৰু লগতে যুদ্ধ জয়ৰ বাবে আন বৈজ্ঞানিক উপায় প্ৰয়োগ কৰিব আৰু তেনে বিজয়ৰ বাবে তেওঁলোক নিশ্চিত হ'ব। তেনে এক পদ্ধতিত যুৱক-যুৱতীৰ মাজত দেশপ্ৰেম জগাই তোলাটো তেনেই উজু হ'ব। ভৱিষ্যতে এই ধৰণৰ উন্নতি অসম্ভৱ বুলি কোনে ক'ব পাৰিব?

গোষ্ঠীগত ইউজেনিক্স নামে নামাঙ্কিত আৰু এক ইউজেনিক্স আছে যি এক বিশেষ শ্ৰেণীৰ ৰাজনীতিকৰ মাজত বৰ প্ৰিয়। এই বিধ ইউজেনিক্স অনুসৰি অনেক জাতি বা ৰাষ্ট্ৰই (এই লেখকো তেনে এখন ৰাষ্ট্ৰৰেই নাগৰিক) আন সকলোবোৰ

জাতিতকৈ উন্নত প্ৰজাতিৰ বুলি ধৰি লয়; এওঁলোকে বাকী নিম্ন স্তৰৰ উপজাতিৰ মানুহবোৰৰ মূৰত ৰাম টাঙোন মাৰি নিজৰ মানসিক শক্তিৰ সহায়ত নিজৰ জনসংখ্যা বৃদ্ধি কৰে। এই বিষয়ত আটাইতকৈ লক্ষণীয় উদাহৰণ হ'ল আমেৰিকাৰ নৰ্দিক জনগোষ্ঠীয়ে কৰা প্ৰচাৰ ; যি প্ৰচাৰে প্ৰব্ৰজন আইনৰ ক্ষেত্ৰত বিধানমণ্ডলীয় স্বীকৃতি লাভ কৰাত কৃতকাৰ্যতা লাভ কৰিছে। এই ধৰণৰ ইউজেনিক্স ডাৰউইনৰ 'যোগ্য ভৈজ্জা বসুন্ধৰা' দৰ্শনক বেছি আকৰ্ষিত কৰে; কিন্তু বৰ আচহুৱা কথা যে এইবিধ ইউজেনিক্সৰ প্ৰবল উকীলসকলে আকৌ ডাৰউইনৰ দৰ্শন শিকোৱাটোক বেআইনী ঘোষণা কৰাৰ বাবে দাবী কৰি আহিছে। জাতিগত ইউজেনিক্সৰ লগত সাঙোৰ খাই থকা যিকোনো ৰাজনীতিয়ে অবাঞ্ছনীয়। কিন্তু সেইবোৰ বাদ দি এই গুণবোৰৰ কথা আলোচনা কৰোঁহক।

চূৰান্ত পৰ্যায়ত এটা জাতি যে আন এটা জাতিতকৈ উচ্চ-স্তৰৰ তাত সন্দেহ নাই। উত্তৰ আমেৰিকা, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডে বিশ্বত সভ্যতাৰ বিকাশত বেছি বৰঙণি আগবঢ়াইছে সি নিশ্চিত ; কিন্তু সেইবোৰ দেশত যদি অকল আদিবাসীসকলেই থাকিল হয়, ইমানখিনি সম্ভৱ হৈ নুঠিলে হয়। সাধাৰণ নীগ্ৰোসকলক শ্বেতকায়সকলতকৈ নিম্ন স্তৰৰ বুলি ধৰি লোৱাৰ গভীৰ যুক্তি একো নাই যেন লাগে, যদিও মেৰু অঞ্চলত কাম কৰাৰ বাবে তেওঁলোকৰ সেৱা অপৰিহাৰ্য ; গতিকে নীগ্ৰোসকলক নিঃশেষ কৰি দিয়াটো (মানৱতাৰ দিশৰ কথাটো বাদেই) অত্যন্ত অবাঞ্ছনীয়। কিন্তু ইউৰোপৰ জাতিবোৰৰ মাজত ভিন্নতা উলিয়াবলৈ ৰাজনৈতিক কুবিশ্বাসক সমৰ্থন কৰিবলৈ হ'লে এসোপা ত্ৰুটিপূৰ্ণ বিজ্ঞানৰ আশ্ৰয় ল'ব লাগিব। হালধীয়া ছালৰ জাতিবোৰো যে আমাতকৈ নিম্ন স্তৰৰ বুলি কোৱাৰ প্ৰকৃত কাৰণ নাই, সেই কথাও মই জানো ; এই সকলোবোৰ ক্ষেত্ৰতে ইউজেনিক্স উগ্ৰ দেশপ্ৰেমৰ এক মুখা।

পৰিসংখ্যা যুগুত কৰা প্ৰধান দেশবোৰত জন্ম আৰু মৃত্যুৰ সমানুপাত পৰীক্ষা কৰি জুলিয়াচ অল্‌ফে[২] দেখুৱাইছে এহেজাৰৰ ভিতৰত মৃত্যুতকৈ জন্মৰ হাৰ বেছি। সেই অনুসাৰে ফ্ৰান্সৰ আটাইতকৈ কম (১.৩), দ্বিতীয় আমেৰিকা (৪.০০), ছুইডেন (৫.৮), ব্ৰিটিছ ইণ্ডিয়া (৫.৯), ছুইজাৰলেণ্ড (৬.২), ইংলেণ্ড (৬.২), জাৰ্মানী (৭.৮), ইটালী (১০.৯), জাপান (১৪.৬), ৰাছিয়া (১৯.৫), আৰু ইকুৱেডৰ আটাইতকৈ অগ্ৰণী (২৩.১)। পৰিসংখ্যা নজনাৰ বাবে জাপান অন্তৰ্ভুক্ত কৰা নহ'ল। অ'ল্‌ফৰ সিদ্ধান্ত হ'ল যে পাশ্চাত্যৰ দেশবোৰ প্ৰাচ্যৰ, অৰ্থাৎ ৰাছিয়া, চীন আৰু জাপানৰ জনসংখ্যাই চানি ধৰিব। ইকুৱেডৰৰ ওপৰত বিশ্বাস ৰাখিয়েই মই অ'ল্‌ফৰ সিদ্ধান্তৰ প্ৰতিবাদ কৰিব বিচৰা নাই ; বৰং মই তেওঁৰ পৰিসংখ্যাবোৰৰে উদ্ধৃতি দি লণ্ডনৰে ধনী আৰু

২। অপ. চিট. পৃঃ ১৪৩-৪

গৰীব শ্ৰেণী বাস কৰা অঞ্চলবোৰৰ জন্মৰ হাৰ উল্লেখ কৰি দেখুৱাম যে কেইবছৰমান আগেয়ে ধনী শ্ৰেণীটোৰ জন্মৰ হাৰতকৈ বৰ্তমানৰ গৰীব শ্ৰেণীটোৰ হাৰ কম। অলপ বেছি সময়ৰ ব্যৱধানত প্ৰাচ্য সম্পৰ্কেও একেটা কথাই ক'ব পাৰি ; পাশ্চাত্যকৰণ হোৱাৰ ফলস্বৰূপে ইয়াৰ জন্মৰ হাৰ অৱশ্যে কমিব। শিল্পায়নৰ বাহিৰে সামৰিক অৰ্থাৎ কোনো দেশেই আধিপত্য বিস্তাৰ কৰিব নোৱাৰে, আৰু শিল্পায়নে মানুহৰ মনত এনে মনোবৃত্তিৰ জন্ম দিয়ে যে সেই মনোবৃত্তিয়ে পৰিয়াল সীমিতকৰণত গুৰুত্ব বেছি দিয়ে। গতিকে আমি সিদ্ধান্তলৈ আহিবলৈ বাধ্য হৈছো যে— পাশ্চাত্যৰ উগ্ৰ দেশপ্ৰেমিকসকলে ভয় খোৱাৰ দৰে প্ৰাচ্যত জনসংখ্যা বৃদ্ধি হ'লেও সি পাশ্চাত্যৰ বাবে ভীতিৰ কাৰণ হৈ নুঠিব, লগতে তেনেকুৱা হ'ব বুলি ভবাৰো কোনো গভীৰ কাৰণ নাই। তথাপি যুদ্ধপ্ৰেমীসকলে আন আন কাৰণৰ লগতে সেই ভূতটোকে দেখি থাকিব, যেতিয়ালৈকে এক আন্তৰ্জাতিক কৰ্তৃপক্ষই বিভিন্ন দেশক জনসংখ্যাৰ সীমা নিৰ্দ্ধাৰণ কৰি নিৰ্দেশ নিদিয়ে।

পূৰ্বতে দুটা ক্ষেত্ৰত পাই অহাৰ দৰে ইয়াতো বিপদৰ আশংকা আছে— আন্তৰ্জাতিক অৰাজকতা চলি থকাৰ সময়তে বিজ্ঞানৰ উন্নতি ঘটিলে বিশ্বত বিপদৰ ভয় থাকিবই। বিজ্ঞানে আমাৰ উদ্দেশ্য নিৰ্দ্ধাৰণ কৰি দিব পাৰে, আৰু আমাৰ উদ্দেশ্য যদি বেয়া হয় ধ্বংস আহিবই। বিশ্ব যদি হিংসা আৰু বিদ্বেষেৰে ভৰি পৰে, তেতিয়া বিজ্ঞানৰ অগ্ৰগতি ঘটিলে পৰিস্থিতি ভয়াবহ হ'ব। গতিকে মানৱ জাতিৰ প্ৰগতিৰ বাবে তেনে প্ৰবল আৱেগ কমাই অনাটো অত্যাৱশ্যকীয়। ত্ৰুটিপূৰ্ণ যৌন নৈতিকতা আৰু ভুল যৌন শিক্ষাই তেনে আৱেগক জীপাল কৰি ৰাখে। ভৱিষ্যৎ সভ্যতাৰ কাৰণে এক নতুন আৰু সুস্থ যৌন নীতি প্ৰৱৰ্তন কৰাটো অত্যাৱশ্যকীয়। এই মূল কাৰণটোৰ বাবেই যৌন নৈতিকতালৈ সংস্কাৰ অনাটো নিতান্তই প্ৰয়োজন।

ব্যক্তিগত নৈতিকতাৰ দৃষ্টিভংগীৰ পৰা বাস্তৱিক আৰু বৈজ্ঞানিক যৌন নীতিয়ে ইউজেনিক্স বিষয়টোৰ ওপৰত প্ৰথম প্ৰাধান্য দিব। অৰ্থাৎ, প্ৰচলিত যৌন সঙ্গমৰ ওপৰত বাধা নিষেধ যিমানেই শিথিল নকৰিলেও এহাল বিবেকবান স্ত্ৰী-পুৰুষে সতি-সন্ততিৰ মূল্যায়ন গভীৰ চিন্তা নকৰাকৈ ল'ৰা-ছোৱালী জন্ম দিয়াৰ বাবে আগবাঢ়ি নাহিব। গৰ্ভনিৰোধক উপায় উদ্ভাৱন হোৱাৰ পিছত পিতৃ-মাতৃত্ব নিজ ইচ্ছাৰ ওপৰত নিৰ্ভৰশীল ; পূৰ্বৰ দৰে যৌন সঙ্গমৰ ফলস্বৰূপেই ল'ৰা-ছোৱালী জন্ম নহয়। আগৰ অধ্যায় কেইটামানত উল্লেখ কৰিছোৱেই যে বিভিন্ন আৰ্থিক কাৰণত ভৱিষ্যতে ল'ৰা-ছোৱালীক ডাঙৰ-দীঘল কৰা, শিক্ষা দিয়াৰ ক্ষেত্ৰত পিতৃৰ গুৰুত্ব বেছি নাথাকিব, যিটো পূৰ্বতে আছিল। গতিকে বিশেষ এনে কি কাৰণ থাকিব পাৰে যে এগৰাকী নাৰীয়ে তেওঁৰ প্ৰেমিকজনকে তেওঁৰ সন্তানৰ পিতৃৰূপে বাছি ল'ব। ভৱিষ্যতে কোনো

সুখ-শান্তি জলাঞ্জলি নিদিয়াকৈয়ে নাৰীয়ে নিজ সন্তানৰ পিতৃ হিচাপে উন্নত জাতৰ পুৰুষ নিৰ্বাচন কৰিব আৰু ব্যক্তিগত আবেগ-অনুভূতিৰ বাবে প্ৰেমিকৰ সঙ্গসুখ লাভ কৰিব। পিতৃ হোৱাৰ কামনা কৰিলে কেনে নাৰী তেওঁৰ ল'ৰা-ছোৱালীৰ মাতৃ হ'ব, তাক নিৰ্ণয় কৰিবলৈ পুৰুষৰ বাবে আৰু সহজ হ'ব। মোৰ দৰে যিসকলে ভাবে যে এখন সমাজৰ সংক্ৰান্তত যৌন ব্যৱহাৰৰ সম্বন্ধ যে ল'ৰা-ছোৱালী জন্ম দিয়াৰ ক্ষেত্ৰতহে তেওঁলোকে ভৱিষ্যৎ নৈতিকতা সম্পৰ্কে দুতৰপীয়া সিদ্ধান্ত ল'ব পাৰে ঃ ল'ৰা-ছোৱালী জন্ম দিব নলগা প্ৰেম হ'ব লাগে মুক্ত, কিন্তু আনহাতে ল'ৰা-ছোৱালী জন্ম দিবলৈ হ'লে বৰ্তমানে মানুহে সহজভাৱে লোৱাতকৈ বহুত বেছি পৰিমাণে নৈতিকতাৰ দ্বাৰা নিয়ন্ত্ৰিত হোৱা উচিত। বৰ্তমান সময়ত যিবোৰ নৈতিক কাৰণত ল'ৰা-ছোৱালী জন্ম দিয়া হয়, ভৱিষ্যতত সেই কাৰণবোৰো বেলেগ হৈ যাব। যদি ধৰি লোৱা হয় যে এটা সন্তান জন্ম দিয়াটো ধাৰ্মিক নীতি; এতিয়া কিন্তু সন্তান জন্মৰ সময়ত কোনো পুৰোহিতে মন্ত্ৰপাঠ নকৰিব, কোনো পঞ্জীয়কে এখন বহীত জন্ম সংক্ৰান্তীয় সকলো তথ্য পঞ্জীভুক্ত কৰাৰ দৰ্কাৰ নাথাকিব, কিয়নো শিশুটোৰ স্বাস্থ্য আৰু বুদ্ধিৰ লগত সেইবোৰৰ কোনো সম্পৰ্ক নাথাকিব। এতিয়া নজৰ কৰিব লাগিব যে যিহাল পুৰুষ-স্ত্ৰীৰ পৰা সন্তান উৎপাদন কৰিব বিচাৰিছো, তেওঁলোক বংশানুগতিকভাৱে আৰু লগতে নিজেও এনে গুণসম্পন্ন হ'ব লাগিব, যাৰ পৰা আমি আমাৰ মনে বিচৰা সন্তান পাব পাৰো। বৰ্তমানে থকাতকৈ বিজ্ঞানে যদি এই বিষয়ক প্ৰশ্নৰ শুনিশ্চিত সমিধান উলিয়ায় তেতিয়া সমাজখনৰ নৈতিক চেতনাই ইউজেনিক্স পদ্ধতিৰ দৃষ্টিভঙ্গীৰ পৰাহে সুফল পাব পাৰিব। তেতিয়া শ্ৰেষ্ঠ বংশানুক্ৰমৰ পুৰুষসকলকহে সুসন্তান জন্ম দিয়াৰ কাৰণে নাৰীয়ে বিচাৰিব, আৰু আনবোৰ মানুহ প্ৰেমিক হিচাপে গ্ৰহণযোগ্য হ'লেও সন্তানৰ পিতৃ হিচাপে সকলোৱে প্ৰত্যাখ্যান কৰিব। অদ্যাপি প্ৰচলিত বিবাহ পদ্ধতিয়ে মানুহৰ প্ৰবৃত্তিক তেনে আবেগৰ বিৰুদ্ধাচৰণ কৰিবলৈ উদ্যত কৰায়, ফলত ইউজেনিক্স প্ৰণালীৰ ব্যৱহাৰিক প্ৰয়োগ বহু পৰিমাণে বাধাগ্ৰস্ত হয়। কিন্তু গৰ্ভনিৰোধকে যিহেতু সন্তান জন্ম দিয়াৰ বাবে কৰা সঙ্গম আৰু সন্তান আশা নকৰাকৈ কৰা যৌন সঙ্গম পৃথক কৰি পেলাইছে আৰু যিহেতু পূৰ্বে থকাৰ দৰে ল'ৰা-ছোৱালীৰ লগত পিতৃৰ কোনো সম্বন্ধ নাথাকিব, তেনেস্থলত মানৱ প্ৰকৃতিয়ে ভৱিষ্যততো বাধা দিব বুলি ধৰি লোৱাৰ কোনো গভীৰ যুক্তি নাই। বিবাহ বন্ধনৰ ক্ষেত্ৰত যি গুৰুত্ব সহকাৰে নৈতিকতাবাদীসকলে সামাজিক উদ্দেশ্যৰ ওপৰত প্ৰাধান্য দিছিল, নৈতিকতাৰ ক্ষেত্ৰত বিশ্ব যেতিয়া বিজ্ঞানপ্ৰবণ হৈ উঠিব, সেই প্ৰাধান্যখিনি সন্তান জন্ম দিয়াৰ ক্ষেত্ৰত আৰোপিত হ'ব।

পোনতে অসাধাৰণ মানসিকতা থকা কেইজনমান বিশেষ ব্যক্তিয়ে নিজাববীয়াকৈ

এই ইউজেনিক দৃষ্টিভঙ্গী লোৱাৰ পিছত ই আপোনা-আপুনি ইমান প্ৰসাৰতা লাভ কৰিব যে শেষত গৈ আইনৰ গণ্ডীৰ ভিতৰত সোমাই পৰিব; তেনে আইন অনুসৰি বাঞ্ছনীয় পিতৃ-মাতৃক আৰ্থিক পুৰস্কাৰ প্ৰদান কৰা আৰু অবাঞ্ছনীয়ক জৰিমনা বিহাৰ ধাৰা থাকিব।

মানুহৰ তেনেই ব্যক্তিগত অনুভূতিত বিজ্ঞানে হস্তক্ষেপ কৰাটো নিঃসন্দেহে বিতৃষ্ণা লগা বিধৰ। কিন্তু এই ক্ষেত্ৰত ধৰ্মৰ হস্তক্ষেপ আমি যি ধৰণে সহ্য কৰি আহিছো, বিজ্ঞানৰ হস্তক্ষেপ তিক্ত নহ'ব যেন লাগে। বিজ্ঞান তেনেই চালুকীয়া হৈ আছে; ইফালে আমাৰ ওপৰত পৰা ধৰ্মৰ প্ৰভাৱ পূৰ্ব পৰম্পৰা আৰু ধৰ্মৰ প্ৰভাৱৰ ফলত বিজ্ঞানে কৰ্তৃত্বশীল স্থান পাব পৰা নাই। কিন্তু ধৰ্মৰ ধাৰাবোৰৰ ওপৰত মানুহে আত্মসমৰ্পণ কৰাৰ দৰে বিজ্ঞানেও ইয়াৰ সুঁতিবোৰৰ ওচৰত মানুহক আত্মসমৰ্পণ কৰোৱাৰ ক্ষেত্ৰত কৰ্তৃত্ব লাভ কৰিবলৈ সম্পূৰ্ণৰূপে সমৰ্থবান। সঁচা কথা যে ভৱিষ্যৎ প্ৰজন্মৰ মঙ্গলেই সাধাৰণ মানুহৰ আৱেগিক মুহূৰ্তবোৰ বাদ দিওৱাৰ বাবে শক্তিশালী কাৰণ হ'ব নোৱাৰে; কিন্তু ই যেতিয়া ইতিবাচক নৈতিকতাৰ এক অংগ হৈ পৰিব; আৰু সেই নীতি প্ৰশংসা বা দোষাৰোপৰদ্বাৰা চালিত হোৱাৰ পৰিৱৰ্তে আৰ্থিক পুৰস্কাৰ বা জৰিমনাৰ দ্বাৰা চালিত হ'ব, তেতিয়া সাধাৰণ মানুহে তাক গ্ৰহণ কৰিবই। সেই কথা কোনো সৎ চৰিত্ৰৰ মানুহেই অৱজ্ঞা কৰিব নোৱাৰে। সভ্যতাৰ দোকমোকালিৰ পৰাই ধৰ্ম চলি আহিছে, কিন্তু বিজ্ঞানৰ বয়স বৰ বেছি চাৰিশ বছৰ; কিন্তু বিজ্ঞান যেতিয়া পৰিপক্ক আৰু সন্মানীয় হৈ উঠিব তেতিয়া ধৰ্মই আমাক নিয়ন্ত্ৰণ কৰাৰ পৰিৱৰ্তে বিজ্ঞানেহে নিয়ন্ত্ৰণ কৰিব। দূৰদৰ্শিতাৰে মই অনুমান কৰিব পাৰিছো যে আজি যিসকলে মানুহৰ আত্মাৰ মুক্তিৰ কল্পনা কৰিছে, তেওঁলোকে এদিন বিজ্ঞানৰ উৎপীড়নৰ বিৰুদ্ধে বিদ্ৰোহ কৰিব। যিয়েই নহওক কিয়, যদি উৎপীড়ন থকাটো প্ৰয়োজনেই সেই উৎপীড়ন বিজ্ঞানৰ হোৱাটো শ্ৰেয়।

নবদশ অধ্যায়
যৌন ক্ৰিয়া আৰু ব্যক্তিগত কল্যাণ

এইটো অধ্যায়ত পূৰ্বৰ অধ্যায়বোৰত আলোচনা কৰা মানুহৰ সুখ-শান্তি আৰু কল্যাণৰ ওপৰত যৌন ক্ৰিয়া আৰু যৌন নীতিয়ে কি প্ৰভাৱ পেলায় তাৰেই পুনৰ আলোচনা কৰা হ'ব। এই সম্পৰ্কত আমি এজন ব্যক্তিৰ যৌন কালছোৱাৰ কথা বা প্ৰকৃত যৌন সম্পৰ্কৰ কথাকেই অকল সামৰি নলও; যৌন নীতিয়ে শৈশৱ, প্ৰাক-যুৱ কাল আৰু আনকি বৃদ্ধ বয়সতো পৰিস্থিতি সাপেক্ষে যৌন অনুভূতিয়ে ভাল-বেয়া দুয়োটা দিশতে কেনেকৈ ক্ৰিয়া কৰে তাকো সামৰি ল'ম।

পৰম্পৰাগত নীতিয়ে যৌন বিষয়ত শিশুৰ ওপৰত বাধা আৰোপ কৰে। অতি কম বয়সতে শিশু এটাক ডাঙৰ মানুহৰ সন্মুখত দেহৰ কেইটামান অঙ্গ স্পৰ্শ কৰিবলৈ মানা কৰে। শৌচ-প্ৰস্ৰাৱ কৰিবলৈ হ'লে ফুচফুচকৈ ক'বলৈ কোৱা হয় আৰু শৌচ-প্ৰস্ৰাৱ কৰাৰ সময়ত গোপনীয়তা ৰক্ষা কৰিবলৈ কোৱা হয়। দেহৰ কেইটামান বিশেষ অঙ্গ আৰু বিশেষ কেইটামান কাৰ্যৰ এনে বৈশিষ্ট্য আছে যে সি শিশুৰ বাবে বোধগম্য নহয়, যাৰ ফলত সেই অঙ্গকেইটা আৰু সেই কাৰ্যবোৰ ৰহস্যাভূত হৈ সিহঁতক কৌতুহলী কৰি তোলে। কেঁচুৱা এটা ক'ৰ পৰা আহে ধৰণৰ কিছুমান বৌদ্ধিক সমস্যা শিশুৱে নীৰৱে চিন্তা কৰিবলগীয়া হয়, কিয়নো ডাঙৰবোৰে দিয়া তাৰ উত্তৰবোৰ প্ৰায় এৰাই চলাবিধৰ বা স্পষ্টভাৱে মিছা। মই এনে কিছুমান মানুহক জানো, এতিয়াও বৰ বুঢ়া হোৱা নাই, যিসকলে কয় যে শৈশৱত কেতিয়াবা তেওঁলোকে দেহৰ বিশেষ অঙ্গ স্পৰ্শ কৰা দেখিলে অভিভাৱকে সতৰ্কবাণী শুনাইছিল— তোক সেইটো অঙ্গ স্পৰ্শ কৰা দেখাৰ আগেয়ে মৃত অৱস্থাত দেখাই শ্ৰেয়। ক'বলৈ দুখ লাগে যে পৰম্পৰাগত নৈতিকতাবাদীসকলে বিচৰা অনুসৰি শৈশৱৰ পিচৰ কালছোৱাত সেই স্বভাৱ সৃষ্টি নহয়। বহুত সময়ত শিশুক ভয় দেখুওৱা হয়। আজিকালি পূৰ্বৰ দৰে অভিভাৱকে ল'ৰা-ছোৱালীক বন্ধ্যা কৰিম বুলি সাধাৰণতে ভয় নুখুৱায় ; তাৰ ঠাইত কিন্তু বলিয়া কৰি পেলাম বুলিহে মাক-বাপেকে ভয় খুৱায় আৰু কেতিয়াবা ভয় খুৱায় খাছী কৰি দিম বুলি। এইবোৰ ভয় সদায়ে খুৱায়।

শিশুটোৱে নিজে যদি এই বিপদৰ কথা জনা বুলি নাভাবে, নিউয়ৰ্ক প্ৰদেশৰ আইন অনুসৰি তাক সেই কথা জনোৱাটোও বে-আইনী। তেনে শিক্ষাৰ ফল এইটোৱেই যে সৰহসংখ্যক শিশুৱে অতি কম বয়সতে দোষ কৰাৰ এক গভীৰ ধাৰণা মনত পোষণ কৰে আৰু সিয়েই মনত ভয়ৰ সৃষ্টি কৰে। এই পাপধাৰণা আৰু ভয় যৌন সম্পৰ্কীয় নীতিৰ লগত জড়িত হৈ আছে। পাপৰ ধাৰণা আৰু ভয় ইমান গভীৰ ধৰণৰ যে শিশু সেই সম্পৰ্কে অচেতন। যিসকল ব্যক্তিয়ে নিজকে কুসংস্কাৰৰ পৰা মুক্ত বুলি ফুটনি মাৰে, ধুমুহা অহাৰ সময়ত তেওঁলোকক যদি পৰস্ত্ৰী বা পৰপুৰুষৰ লগত সঙ্গম কৰিবলৈ দিয়া হয়, তেওঁলোকে আন সময়ত কৰাৰ দৰে কৰিবনে? মোৰ বিশ্বাস নব্বৈ শতাংশই ভয় কৰিব যে সেই সময়ত তেনে কৰিলে বজ্ৰ পৰি মৃত্যু হ'ব। এই সম্পৰ্কে এক সমীক্ষা চলাই তাৰ পৰিসংখ্যা উলিয়াব পৰা হ'লে কিমান যে ভাল হ'ল হয়।

যৌন উৎপীড়ন কৰি আনন্দ পোৱা আৰু যৌনভাৱে উৎপীড়িত হৈ আনন্দ পোৱা যি প্ৰবৃত্তি, পাতলীয়া বিধৰ হ'লে সি স্বাভাৱিক যেনেই লাগে, কিন্তু অনিষ্টকৰ ৰূপত দেখা দিয়াটো অপৰাধবোধৰ লগত জড়িত। যৌন উৎপীড়ন উপভোগ কৰা ব্যক্তি এজনে প্ৰলোভনকাৰীৰূপে নাৰীকহে অপৰাধী বুলি মনতে ভাব পোষণ কৰে। পিচৰ জীৱনত এইবোৰ প্ৰতিফলনে প্ৰমাণ কৰে শৈশৱত অতিপাত নৈতিক কথা শিকোৱাটোৱে পিচৰ জীৱনৰ বাবে কি দ সাঁচ বহুৱায়। ল'ৰা-ছোৱালীক শিক্ষা দিয়া, বিশেষকৈ কোমল বয়সীয়া ল'ৰা-ছোৱালীক, যাৰ ওপৰত তেওঁলোকে লাহে লাহে কিছু দায়িত্ব জ্ঞান পোৱাটো পৰিলক্ষিত হৈছে। দুৰ্ভাগ্যবশতঃ তেনে জ্ঞানে এতিয়াও আইন-আদালতৰ ওচৰ চাপিব পৰা নাই।

শৈশৱ আৰু যৌৱন কাল মানৱ জীৱনৰ এনে এক বয়স যি বয়সত ফুৰ্তি, দুষ্টামি আৰু নিষেধাজ্ঞা ভঙ্গ কৰা আদি স্বতঃস্ফূৰ্ত কাম কৰি ভাল পায় ; অথচ সীমা পাৰ হৈ নগ'লে তেনেবোৰ কাম অনুশোচনীয়ও নহয়। কিন্তু যৌন সম্পৰ্কীয় নীতিৰ সামান্যতম হেৰফেৰ কৰিলেই ডাঙৰবোৰে আন যিকোনো নিষেধাজ্ঞা ভঙ্গ কৰাতকৈ বেলেগ দৃষ্টিভঙ্গীৰে চায় ; শিশুবোৰে নিজকে বেলেগ ধৰণৰ জীৱ বুলি ধৰি লয়। শিশু এটাই যদি খৰাহিৰ পৰা এটা ফল চুৰি কৰে আপোনাৰ খং উঠিব পাৰে আৰু তাক বেয়া ধৰণে গালি শপনি পাৰিব পাৰে, কিন্তু আপুনি নৈতিক আতঙ্কত অস্থিৰ হৈ নপৰে ; আনকি এনে ভাব নেদেখুৱায় যেন শিশুটোৱে সাংঘাটিক কিবা এটা কৰি পেলালে। কিন্তু আপুনি যদি এজন পুৰণি চামৰ ব্যক্তি আৰু আপুনি জানিলে

যে শিশুটোৱে হস্তমৈথুন কৰিছে, আপুনি তাক এনে সুৰত কথা ক'ব যেন সি আৰু কোনো দিনে তেনে সুৰত কথা কোৱা আপোনাক নেদেখে। সেই সুৰে তাৰ মনত এক বিকৃত আতঙ্কৰ সৃষ্টি কৰে আৰু সেই আতঙ্ক আৰু বেছি ভয়াবহ হৈ উঠে, যেতিয়া সি জানিব পাৰে আপোনাক তেনেকৈ ৰাগান্বিত কৰি তোলা তাৰ সেই কৰ্মটো এৰি পেলোৱা অসম্ভৱ। আপোনাৰ গাম্ভীৰ্যতা দেখি শিশুটোৱে মনত এনে এক ধাৰণা ল'ব যে হস্তমৈথুন কৰাটো এক সাংঘাটিক পাপকৰ্ম। তথাপি সি মৈথুন কৰিবলগীয়া হয়। গতিকে আপোনাৰ আতঙ্কময় গালিয়ে তাৰ গোটেই জীৱনৰ বাবে নৈৰাশ্যৰ এক ভেটি গঢ়ি তুলিলে। যৌৱনৰ পাতনিৰ পৰাই সি নিজকে এক পাপী বুলি বোধ কৰে। গতিকে সি গোপনে পাপকৰ্ম কৰিবলৈ আৰম্ভ কৰি দিয়ে, আনে তাৰ সেই পাপকৰ্ম দেখা নাই বুলি অন্তসাৰশূন্য সন্তুষ্টি লাভ কৰিবলৈ ধৰে। গভীৰভাৱে মানসিক অশান্তিত ভুগি সি তাৰ দৰে পাপকৰ্ম কৰোতাসকলক, যিসকলে তাৰ দৰে গোপনীয়তা ৰক্ষা কৰিব পৰা নাই, শাস্তি দি নিজৰ ওপৰতে প্ৰতিশোধ লোৱাৰ চেষ্টা কৰে। শিশু কালতে ঠগামিত অভ্যস্ত হোৱাৰ বাবে সি পিছলৈ আনক ঠগিবলৈ ভয় নকৰা হয়। তেনেকৈ যে সি অন্তৰ্মুখীভাৱে ভণ্ড হৈ পৰে আৰু তাক সৎ চৰিত্ৰৰ কৰি গঢ়ি তোলাৰ বাবে মাক-দেউতাকৰ অবিবেকী প্ৰচেষ্টাৰ ফলত আনক শাস্তি বিহাৰ প্ৰৱণতা লাভ কৰে।

শিশুবোৰৰ জীৱন অপৰাধবোধ, লাজ আৰু ভয়ে আঁতৰি থকা উচিত নহয়। সিহঁত সুখী, আনন্দমুখৰ আৰু স্বতঃস্ফূৰ্ত থকা উচিত ; সিহঁতে নিজৰ অনুভূতিৰ দ্বাৰাই ভীত হোৱা উচিত নহয় ; প্ৰকৃতিৰ কথা জনাৰ ক্ষেত্ৰত শঙ্কোচবোধ থাকিব নালাগে। সিহঁতৰ প্ৰবৃত্তিগত কাৰ্যৰাশিক অন্ধকাৰত ঢাকি ৰখাটো বাঞ্ছনীয় নহয়। যিবোৰ আনুভূতিক কাম সিহঁতে যিমান চেষ্টা কৰিলেও নকৰাকৈ থাকিব নোৱাৰে, তেনেবোৰ কাম অচেতন অনুভূতিৰ অতল তলিত পুতি থোৱাৰ প্ৰয়াস কৰাটো উচিত নহয়। সিহঁতক যদি ন্যায়ৱান পুৰুষ-নাৰী, বৌদ্ধিকভাৱে সৎ, সামাজিকভাৱে নিৰ্ভীক, কৰ্মত সুঠাম আৰু চিন্তাত ধৈৰ্যশীল হিচাপে গঢ়ি তুলিব খোজা হয়, আমি সিহঁতক জীৱনৰ আৰম্ভণিৰ পৰাই শিক্ষা দিয়া আৰম্ভ কৰিব লাগিব যাতে উক্ত ফলখিনি আমি পাব পাৰো। শিক্ষাক ভালুকক নাচিবলৈ দিয়া প্ৰশিক্ষণৰ লগত বৰ বেছিকৈ ৰিজোৱা হৈছে। ভালুকক কেনেকৈ নাচ শিকোৱা হয় তাক সকলোৱে জানে ঃ সিহঁতক গৰম মজিয়াত ৰখা হয় ; ভৰিকেইখন গৰম মজিয়াত স্পৰ্শ কৰি থাকিলে পোৰে বুলি সিহঁতে লৰচৰ কৰে, যিটোৱে গৈ নাচত পৰিণত হয়। সিহঁতে নাচি থাকোতে

এক বিশেষ সুৰ বজোৱা হয়। কিছুদিনৰ পিছত সেই সুৰটো বাজিলেই ভালুকে নাচিবলৈ আৰম্ভ কৰে, তেতিয়া গৰম মজিয়াৰ প্ৰয়োজন নহয়। ল'ৰা-ছোৱালীৰ ক্ষেত্ৰতো সেয়াই হৈছে। শিশু এটাই যেতিয়া নিজৰ লিঙ্গৰ প্ৰতি সজাগ হয়, তেতিয়া ডাঙৰবোৰে তাক গালি পৰা আৰম্ভ কৰি দিয়ে। পিচলৈ সেই লিঙ্গসচেতনতাৰ লগে লগে ডাঙৰৰ গালি শপনিত মনলৈ আহি যায় আৰু সেই গালিৰ সুৰতে সি নাচিবলৈ আৰম্ভ কৰে আৰু ফলত সুস্থ এক যৌন জীৱন যাপন কৰাৰ সকলো সম্ভাৱনীয়তাক নিঃশেষ কৰি পেলায়।

ইয়াৰ পিচৰটো কাল কৈশৰত যৌন সম্পৰ্কীয় পৰম্পৰাই যি যৌন বেদনা জাপি দিয়ে সি শৈশৱতকৈও আৰু নিষ্ঠুৰ। তেতিয়া আচলতে সিহঁতৰ কি হয় সেই বিষয়ে অনেক ল'ৰাই ক'বই নোৱাৰে আৰু প্ৰথমবাৰ স্বপ্ন দোষত চকিত হৈ উঠে। সিহঁতৰ জীৱন যেতিয়া আনুভূতিক আৱেগেৰে ভৰি পৰে তেতিয়া সিহঁতক নিকৃষ্ট চয়তান বুলি কোৱা হয়। অনুভূতিবোৰ ইমান প্ৰবল যে সি দিনে-নিশাই দেহত জোক লগাদি লাগি থাকে। ভাল ল'ৰাৰ ক্ষেত্ৰত চূড়ান্ত আদৰ্শবাদৰ আন কিছুমান আৱেগো আহি পৰে যি আৱেগে যৌনতাৰহিত হৈ সৌন্দৰ্য, কবিতা, স্বৰ্গীয় প্ৰেম আদি আদৰ্শলৈ ধাবিত হয়। খ্ৰীষ্টীয় শিক্ষাই দিয়া ভাল আৰু বেয়া তত্ত্বৰ ওপৰত থকাৰ ফলত কৈশোৰৰ আদৰ্শগত আৰু দৈহিক অনুভূতিবোৰ হয় সম্পূৰ্ণৰূপে পৃথক হৈ ৰয় নাইবা দ্বন্দ্বত উপনীত হয়। এইটো বিষয়ত মোৰ এজন বৌদ্ধিক বন্ধুৰ স্বীকাৰোক্তিৰ উদ্ধৃতি দিব বিচাৰিছো। তেওঁ কৈছে ঃ "মোৰ বিশ্বাস, মোৰ কৈশোৰ আছিল বৈশিষ্ট্যপূৰ্ণ আৰু ই মোৰ অনুভূতিবোৰক সম্পৰ্কৰহিত কৰি দুটা স্পষ্টভাৱে পৃথক সুতিৰে বোৱাইছিল। "দিনটোৰ কেবা ঘণ্টা ধৰি শ্যেলী পঢ়িছিলো আৰু কেতিয়াবা দুই-এক পংক্তিত আৱেগৰ ৰহন সানিছিলো ঃ

চগাৰ কামনা জুইৰ প্ৰতি
নিশাৰ কামনা উষালৈ

তাৰ পিছত হঠাতে ভাবৰ এই উচ্চ শিখৰ ত্যাগ কৰি চাকৰণীজনীয়ে পোছাক সলোৱাটো চোৰকৈ চাবলৈ লৈছিলো। পিচৰ বিধ আৱেগে মোৰ মনত সৃষ্টি কৰিছিল গভীৰ লাজ, প্ৰথমবিধ অৱশ্যে ল'ৰামতীয়া আছিল; কিয়নো ইয়াৰ আদৰ্শ খোলাখুলিভাৱেই যৌন বিষয়ৰ প্ৰতি থকা মুৰ্খামিৰ ভয়।

আমি সকলোৱে জানো, কৈশোৰ এনে এক সময় যেতিয়া স্নায়ৱীয় খেলিমেলি ঘটে, আৰু আন সময়ত মানুহৰ মানসিক ভাৰসাম্য ঠিকে থাকিলেও সেইটো সময়ত

প্ৰায় বিপৰীত হোৱাটো পৰিলক্ষিত হয়। মিছ্ মিদে তেওঁৰ ***কামিং অৱ এজ ইন চমোৱা*** গ্ৰন্থত নিশ্চিতৰূপে প্ৰমাণ কৰিছে যে চমোৱা দ্বীপৰ মানুহৰ কৈশোৰত স্নায়ৱীয় বিশৃঙ্খলা নাথাকে, আৰু তেওঁ মন্তব্য দিছে যে তাৰ প্ৰচলিত যৌন স্বাধীনতাৰ ফলস্বৰূপেই সেইটো সম্ভৱ হৈছে।[১] মিছনাৰী কাৰ্যকলাপে সেই স্বাধীনতাৰ বহুখিনি হ্ৰাস কৰিছে। মিছনাৰীত থকা কেইজনীমান ছোৱালীক তেওঁ যেতিয়া সুধিছিল ছোৱালীবোৰে কৈছিল— কৈশোৰত তেওঁলোকে হস্তমৈথুন কৰিছিল আৰু সমকামিতাত লিপ্ত হৈছিল ; আনহাতে মিছনাৰীৰ বাহিৰত থকা ছোৱালীবোৰে বিপৰীত লিঙ্গৰ সৈতে সঙ্গম কৰিছিল। আমাৰ খ্যাতনামা বালক স্কুলবোৰ আৰু চমোৱাৰ মিছনাৰীৰ মাজত বৰ বেছি পাৰ্থক্য নাই ; কিন্তু চমোৱাৰ ল'ৰা-ছোৱালীৰ মনস্তত্বৰ ওপৰত পৰা প্ৰভাৱ বৰ বেছি হানিকাৰক নহয় ; কিন্তু এজন ইংৰাজ স্কুলীয়া ছাত্ৰৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ ধ্বংসাত্মক হয় ; কাৰণ, ইংৰাজ ছাত্ৰজনে পৰম্পৰাগত শিক্ষাক আন্তৰিকভাৱে বিশ্বাস কৰে ; আনহাতে চমোৱাৰ ল'ৰা-ছোৱালীবোৰে তাক শ্বেতকায়সকলৰ এক স্বভাৱ বুলি ধৰি লৈ মাত্ৰ সন্মানহে কৰে।

বহুতো ডেকা ল'ৰাৰ জীৱন যৌৱনৰ প্ৰথম কেইবছৰ যৌন বিষয়ত অদৰকাৰীভাৱে জটিলতা আৰু কষ্টৰ মাজেৰে আগবাঢ়িব লগীয়া হয়। যদি কোনোবা ডেকা এজনে সৎ হৈ থাকিব বিচাৰে, সংযমৰ কঠোৰতাই তাক বুৰ্বক আৰু বাধাগ্ৰস্ত কৰি ৰখাৰ সম্ভাৱনা বেছি, যাৰ ফলত সি বিয়া কৰোৱাৰ লগে লগে হয় আত্মসংযমৰ স্বভাৱটো এৰিব নোৱৰিব, হঠাতে সংযম ত্যাগ কৰি ভেটা ভঙা বানপানীৰ দৰে হৈ পৰিব আৰু পত্নীৰ ওপৰত ইমান উৎপীড়ন সদৃশ দাবী কৰিব যে পত্নী প্ৰেমিকা হিচাপে অযোগ্যা হৈ পৰে। যদি তেওঁ বেশ্যাৰ ওচৰলৈ যায় তেতিয়া দৈহিক আৰু আদৰ্শগত সম্পৰ্ক নথকা যৌন কৰ্মৰ অভ্যাস এটা তেওৰ জীৱনত থাকি যাব। ইয়াৰ ফলত নাৰীৰ সৈতে তেওঁৰ সম্পৰ্ক হয় প্লেট'নিক বা নিম্ন স্তৰলৈ অৱনমিতও হ'ব পাৰে। তাৰোপৰি যৌন ব্যাধিয়ে আক্ৰমণ কৰাৰ ভয় এটাতো আছেই। যদি নিজ শ্ৰেণীৰ ছোৱালীৰ লগত কিবা সম্বন্ধ কৰিব পাৰে সি কম হানিকাৰক হ'ব তথাপি গোপনীয়তা ৰক্ষা কৰাটো হানিকাৰক, কিয়নো, গোপনীয়তাই সুস্থিৰ সম্বন্ধ কৰাত বাধা স্বৰূপ হয়। ডেকা বয়সত বিয়া নকৰোৱাৰ বাবে কিছু পৰিমাণে ভেম আৰু কিছু পৰিমাণে বিয়াৰ পিচতে সন্তান জন্ম দিব লগা বুলি থকা বিশ্বাসেই দায়ী। তাৰোপৰি যিখন সমাজত বিবাহ বিচ্ছেদ বৰ কঠিন, আগতীয়া বিয়াত আন এক ডাঙৰ বিপদ আছে, কিয়নো বিশ বছৰ বয়সত এহাল ডেকা গাভৰুৱে পৰস্পৰৰ

১। পৃঃ ১৫৭

লগত খাপ খুৱাব পাৰে, ত্ৰিশ বছৰ বয়সত তাকে কৰিব নোৱাৰাৰ সম্ভাৱনাই বেছি। যদি আন কিবা নতুনত্ব নাথাকে একেজন সঙ্গীৰ লগত সুস্থিৰ সম্পৰ্ক কৰাটো বৰ কঠিন। যৌন বিষয়ত আমাৰ দৃষ্টিভঙ্গী সুস্থ হোৱা হ'লে বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক সন্তান উৎপাদন নকৰাকৈ সাময়িকভাৱে বিয়া কৰোৱাটো ভাল হয়। তেতিয়া তেওঁলোকে যৌন চিন্তাৰ পৰা আঁতৰত থকাৰ সুযোগ পালে হয়, কিয়নো তেনে চিন্তাই কামত বহুত বাধাৰ সৃষ্টি কৰে। তেনে বিয়াই যৌন জ্ঞানো আনি দিয়ে আৰু লগতে পিছলৈ সন্তান জন্ম দিয়াৰ বাবে সচৰাচৰ হোৱা বিয়াৰো সূচনা হ'ব পাৰে। তাৰোপৰি তেওঁলোকে কৃত্ৰিমতা, গোপনীয়তা আৰু যৌন ৰোগৰ ভয়ৰ পৰা মুক্ত হৈ প্ৰকৃত প্ৰেমৰ অভিজ্ঞতাও লাভ কৰিব পাৰে।

আজীৱন অবিবাহিতা হৈ থকা সৰহসংখ্যক মহিলাৰ বাবে পৰম্পৰাগত নীতি বৰ যন্ত্ৰণাদায়ক আৰু অনেকৰ ক্ষেত্ৰত হানিকাৰকো। পৰম্পৰাগত ধৰ্ম্ম অনুসৰণ কৰা তেনে মহিলাই সকলো দিশৰ পৰা ভুৰি ভুৰি প্ৰশংসা কৰা কথাটো আমি সকলোৱে জানো। কিন্তু সাধাৰণ ৰীতি অন্য ধৰণৰহে। যিগৰাকী নাৰীৰ কোনো যৌন অভিজ্ঞতা নাই আৰু সতীত্ব বজাই ৰখাটোতে বেছি প্ৰাধান্য দিয়ে তেনে মহিলাই নেতিবাচক প্ৰতিক্ৰিয়াত ভোগা ক'ব বুলি পৰা যায়, তেনে নাৰীয়ে সদায় অন্তৰত ভয় থকাৰ ফলত বুৰ্ব্বক হৈ পৰে আৰু লগতে আনুভূতিক অৱচেতন ঈৰ্ষাই প্ৰকৃতিস্থ লোকক বেয়া পায়, আৰু যিটো আনন্দৰ পৰা তেওঁ নিজে বঞ্চিত, তেনে আনন্দ উপভোগ কৰা লোকক শাস্তি দিয়াৰ এক সুপ্ত কামনা থাকি যায়। দীৰ্ঘদিনীয়া সতীত্বই বৌদ্ধিক পঙ্গুতাৰ সৃষ্টি কৰে। নাৰীৰ যি নিম্ন মানৰ বৌদ্ধিকতা সাৰ্বজনীন, মই ভাবো তাৰ প্ৰধান কাৰণ হ'ল নাৰীৰ ওপৰত জাপি দিয়া ধৰ্মীয় যৌন ভয় ; যিয়ে অনুসন্ধিৎসু মনৰ ওপৰত বাধাৰ সৃষ্টি কৰে। স্বামী খুজি নোপোৱা এই মহিলাবোৰ আজীৱন কুমাৰী জীৱন-যাপন কৰি অসুখীভাৱে জীৱন পাত কৰাৰ কোনো যুক্তি মই নেদেখো। অতীতত যেতিয়া বৈবাহিক সম্পৰ্কৰ বাবে নাৰী আৰু পুৰুষৰ সংখ্যা প্ৰায় সমানেই আছিল তেতিয়া এই পৰিস্থিতিৰ দৰে বাধ্যতামূলকভাৱে ইমানসংখ্যক মহিলাই অবিবাহিতাৰূপে জীৱন-যাপন কৰাৰ প্ৰশ্ন নাছিল। বহুতো দেশত নাৰীৰ সংখ্যা পুৰুষতকৈ বেছি হোৱাৰ ফলত যি পৰিস্থিতিৰ উদ্ভৱ হৈছে যি পৰম্পৰাগত নৈতিক ধাৰা সংশোধন কৰাৰ বাবে গভীৰ বিতৰ্কৰ প্ৰয়োজনীয়তাৰ সৃষ্টি কৰিছে।

যৌন উত্তেজনা উপশম ঘটোৱাৰ একমাত্ৰ উপায় হিচাপে যি পৰম্পৰাগত বিয়াৰ অনুমোদন দিয়া হৈছিল সিও নৈতিকতাৰ কঠোৰ ধাৰাৰ বলি হৈছে। শৈশৱত

গঢ়ি উঠা মানসিকতা বেশ্যাৰ সতীত্ব ৰক্ষাৰ বাবে গাভৰুসকলৰ মনত যৌন সম্ভোগৰ প্ৰতি সৃষ্টি কৰা বিতৃষ্ণা এই সকলোবোৰ একত্ৰিত হৈ বৈবাহিক সুখৰ বিৰোধিতা কৰে। প্ৰবল যৌন অনুভূতিৰ এক সুশিক্ষিতা গাভৰুৱে দেখে যে কোনো ডেকা এজনে প্ৰেম নিবেদন কৰিছে তেতিয়া তেওঁ বুজিব নোৱাৰিব নে ডেকাজনে গভীৰভাৱে প্ৰেম নিবেদন কৰিব বিচাৰিছে নে যৌন আবেদন জনাইছে। গতিকে যৌন উত্তেজনাক জাগৃত কৰা প্ৰথম পুৰুষজনকেই তেওঁ বিয়া কৰোৱাৰ বাবে ইচ্ছুক হৈ পৰিব, আৰু তেওঁৰ যৌন কামনা উপশম হোৱাৰ পিচত বহুত দেৰিকৈ বুজিব পাৰিব যে সেই পুৰুষজনৰ লগত তেওঁৰ অন্তৰৰ কোনো মিল নাই। আচলতে শৈশৱৰ শিক্ষাই দুয়োকে তেনে পৰিস্থিতিলৈ ঠেলি দিছে, গাভৰুজনীক অনাহকতে বুৰ্বক কৰি তুলিছে আৰু ডেকাজনক অনাহক খৰখেদাৰে যৌন সম্ভোগলৈ ঠেলি দিছে। তেওঁলোক দুজনৰ এজনৰো প্ৰয়োজনীয় যৌন অভিজ্ঞতা নাই; আৰু তেনে অনভিজ্ঞতাৰ ফলত আৰম্ভণিত সঙ্গমানন্দত ব্যৰ্থ হৈ তেনে বিয়া দুয়োজনৰ বাবেই অতৃপ্তিকৰ হৈ উঠে। তেতিয়া দেহ-মন ঢালি দিয়া সঙ্গতা অসম্ভৱ হৈ উঠে। নাৰীয়ে মুক্তভাৱে যৌন সম্পৰ্কীয় কথা পাতিব নোৱাৰে ; পুৰুষেও পুৰুষ বা বেশ্যাৰ বাহিৰে আনৰ লগত যৌন সম্পৰ্কীয় কথা নাপাতে। তেওঁলোকৰ পাৰস্পৰিক জীৱনৰ আটাইতকৈ সান্নিধ্যপূৰ্ণ আৰু আন্তৰিক বিষয়ত দুয়ো হৈ পৰে লাজুক, অকৰা আৰু কেতিয়াবা আনকি সম্পূৰ্ণৰূপে নীৰৱ। নিজে কি বিচাৰে সেই কথা নজনাকৈ অসন্তুষ্টিৰে গাভৰুজনী বিছনাত পৰি সাৰে থাকে। ডেকাজনৰ মনলৈ প্ৰথমে হয়তো মুহূৰ্ত্তৰ বাবে আৰু পিচলৈ স্থায়ীভাৱে এক আৱেগে ঠাই লয় যে সন্তুষ্টি দিয়াত তেওঁৰ বৈধ পত্নীগৰাকীতকৈ বেশ্যা এগৰাকী বেছি উদাৰ। আৰু যি মুহূৰ্ত্তত গাভৰুগৰাকীয়ে দুখ কৰি আছে যে তেওঁৰ স্বামীয়ে তেওঁৰ যৌনতাক জগাই তুলিব পৰা নাই, সেই মুহূৰ্ত্ততে স্বামীয়ে বেশ্যাৰ কথা মনলৈ আনি নিচেই কাষতে শুই থকা গাভৰুজনীৰ শীতলতা দেখি ক্ৰোধান্বিত হৈ উঠিছে। এই ধৰণৰ মনোবেদনা ভদ্ৰতা আৰু নীৰৱতাৰ পৰা উদ্ভূত।

শৈশৱ, কৈশোৰ, যৌৱন আৰু তাৰ পিচত বিয়া— এই গোটেই জীৱনছোৱাত পুৰণি নৈতিকতাক আমাৰ প্ৰেমক বিষাক্ত কৰি তুলিবলৈ এৰি দিয়া হৈছে, আমাৰ জীৱন ভৰাই তুলিছে এন্ধাৰ, ভয়, পাৰস্পৰিক ভুল বুজাবুজি, অনুতাপ আৰু স্নায়ৱিক চাপে, আৰু এইবোৰ আমাৰ দৈহিক যৌন প্ৰবৃত্তিক আদৰ্শ আধ্যাত্মিক প্ৰেমৰ অনুভূতিৰ পৰা পৃথক কৰি ৰাখিছে। এজনক কৰিছে পাশৱিক আৰু আনজনক বন্ধ্যা। এইটোতো

যাপন কৰিবলগীয়া জীৱন নহয়। প্ৰেমৰ দৈহিক আৰু আধ্যাত্মিক প্ৰকৃতি পৰস্পৰবিৰোধী হোৱা উচিত নহয়। ইটোৰ লগত সিটোৰ ঐক্যতান সৃষ্টি কৰিব নোৱাৰাৰ কোনো কাৰণ নাই। আৰু এই দুয়োটা দিশৰ ঐক্যতান নাথাকিলে কোনো এটাৰেই সুফল পাব নোৱাৰি। স্ত্ৰী-পুৰুষৰ প্ৰেমত শ্ৰেষ্ঠতাত থাকিব লাগে নিৰ্ভয় আৰু স্বাধীনতা, যিয়ে দৈহিক আৰু মানসিক প্ৰকৃতিৰ সমানুপাতিক মিশ্ৰণ ঘটায়। দৈহিক কামনাই প্ৰেমৰ আধ্যাত্মিক ৰূপ দিয়াত বাধা স্বৰূপ হোৱা বুলি ধৰি লোৱাটো অবাঞ্ছনীয়। প্ৰেম হৈছে এডাল গছ যাৰ শিপা মাটিৰ বহুত তললৈ সোমাই যায়, কিন্তু ইয়াৰ ডাল-পাতবোৰ সৰগলৈ ব্যাপি পৰে। নিষেধ, কুসংস্কাৰৰ ভয়, বিতৃষ্ণাৰ গালি আৰু নীৰৱ আতঙ্কই বেৰি ৰখা প্ৰেম কেতিয়াও বাঢ়ি গৈ পুষ্পায়িত হ'ব নোৱাৰে। আমাৰ আৱেগিক জীৱনৰ মূল সমল হৈছে পিতৃ-মাতৃক মৰম-চেনেহ আৰু এজন পুৰুষ আৰু এগৰাকী নাৰীৰ প্ৰেম। পৰম্পৰাগত নৈতিকতাই এটাক নীচ বুলি ধৰি লয় আৰু আনটোক প্ৰশংসা কৰে। কিন্তু পৰস্পৰৰ মাজত প্ৰেম অৱনমিত হ'লে তেনে পিতৃ-মাতৃৰ সন্তানৰ প্ৰতি থকা মৰম-চেনেহ কলুষিত হয়। পিতৃ-মাতৃৰ সুখ স্বাচ্ছন্দ্য আৰু পাৰস্পৰিক পৰিপূৰ্ণতাৰ ফল হৈছে ল'ৰা-ছোৱালী ; তেনে প্ৰেমময় পিতৃ মাতৃয়েহে ল'ৰা-ছোৱালীক সুস্থ, সবল, অতি সহজ, পশুৰ দৰে প্ৰাকৃতিকভাৱে অথচ স্বাৰ্থহীন আৰু ফলৱতীভাৱে মৰম-চেনেহ দিব পাৰে, তাৰ পৰিৱৰ্তে পিতৃ-মাতৃ যদি ক্ষুধিত, ভোকাতুৰ, দ্বিধাযুক্ত, বিবাহ কালত প্ৰাপ্য আপদালখিনিৰ পৰা বঞ্চিত হয়, তেনে পিতৃ-মাতৃয়ে এক অভিশাপ কঢ়িয়াই আনে ভৱিষ্যৎ বংশধৰসকললৈ। প্ৰেমক ভয় কৰা মানেই জীৱনক ভয় কৰা। আৰু যিসকলে জীৱনক ভয় কৰে তেওঁলোক জীৱীত কালতে তিনি-চতুৰ্থাংশ মৃত।

বিংশতম অধ্যায়

জীৱনৰ মূল্যায়নত যৌন সম্ভোগৰ স্থান

যৌন সম্পৰ্কীয় বিষয়বস্তুৰ ওপৰত লেখা ব্যক্তি এজনক যৌনতাৰ দ্বাৰা ব্যতিব্যস্ত হৈ থকা ব্যক্তি হিচাপে দোষাৰোপ কৰে সেইসকলে, যিসকলে ভাবে যে যৌন বিষয়ক কোনো কথা উল্লেখ কৰা উচিত নহয়। অত্যাৱশ্যকীয় নহ'লে যৌন সম্পৰ্কীয় কথা আৰু এই বিষয়টোৰ প্ৰধান্যতকৈ বহুত বেছি ৰাপ যদি লেখকজনৰ নাথাকে তেনেহ'লে তেওঁ এই সম্পৰ্কে লিখি ভদ্ৰতাৰ মুখা পিন্ধা আৰু কামুক লোকৰ গ্লানি কিয় খুজি ল'ব? অৱশ্যে যিসকলে প্ৰচলিত ৰীতিত সংস্কাৰ আনিব বিচাৰে, তেনেকুৱা লোকৰ ক্ষেত্ৰতহে এই দৃষ্টিভঙ্গী লোৱা হয়। বেশ্যাক হায়ৰাণ কৰিব পৰাকৈ কামনা জগাই তোলা আৰু বেশ্যাবৃত্তিৰ বিৰুদ্ধে আইন প্ৰণয়ন কৰোতাসকলে স্বইচ্ছাই ভদ্ৰভাৱে বিবাহ-বন্ধনৰ বাহিৰত কৰা যৌন সম্পৰ্কক বিৰোধিতা কৰাসকল, মহিলাই চুটি স্কাৰ্ট পিন্ধা আৰু লিপষ্টিক ব্যৱহাৰ কৰাৰ বিৰোধিতা কৰাসকল আৰু সাগৰৰ পাৰত গাভৰুৱে ছুইম ছুইট নিপিন্ধাকৈ কোনো গাভৰুক দেখা পাও বুলি লুকাই-চুৰাই চাই ফুৰা লোকসকলহে প্ৰকৃততে যৌন চিন্তাত নিচাগ্ৰস্ত লোক। আৰু যৌন স্বাধীনতা বিচৰা লোকতকৈ এইসকল লোকেই যন্ত্ৰণা ভোগে বেছি। কঠোৰ নীতি সাধাৰণতে কামুক অনুভূতিৰে প্ৰতিক্ৰিয়া, আৰু যিজন ব্যক্তিয়ে তেনে অভিব্যক্তি প্ৰকাশ কৰে সেইজন ব্যক্তি কুৎচিত ব্যক্তিত্বৰে ভৰপূৰ যি চিন্তা যৌন বিষয়ক হোৱাৰ বাবেই নহয়, বৰং তেওঁৰ নৈতিকতাই সেই বিষয়টো সুস্থ আৰু সম্পূৰ্ণ ৰূপত চোৱাত অপাৰগ কৰি তোলাৰ বাবেহে কুৎচিত। গীৰ্জাৰ লগত মই একমত যে যৌন বিষয়ক লৈ নিচাগ্ৰস্ত হোৱাটো চয়তানি, কিন্তু কি শ্ৰেষ্ঠ উপায়েৰে সেই নিচাগ্ৰস্ততাৰ উপশম ঘটাব পাৰি তাতহে গীৰ্জাৰ লগত মোৰ অমিল। ছেইণ্ট এন্থনী জঘন্যতম কামুকতাতকৈও যৌন বিষয়ক লৈ বেছি মাতাল আছিল। সি সঁচাকৈ বৰ কুখ্যাতিকৰ ; কাৰোবাৰ অন্তৰত আঘাত দিবলৈ মই একেবাৰে আধুনিক উদাহৰণ দিব বিচৰা নাই। যৌন সম্ভোগ তেনেই প্ৰাকৃতিক প্ৰয়োজন, যেনেকৈ প্ৰয়োজন হয় আহাৰ আৰু পানীয়ৰ। আমি খকুৱা আৰু মাতাল মদাপীক বেয়া পাও এই কাৰণেই যে ইহঁতৰ প্ৰত্যেকজনেই জীৱনৰ প্ৰয়োজনীয় বস্তু এটাৰ ব্যৱহাৰৰ ক্ষেত্ৰত চিন্তা আৰু আগ্ৰহক অবাঞ্ছিতভাৱে ব্যৱহাৰ কৰে। কিন্তু যিয়ে প্ৰয়োজনীয় পৰিমাণৰ খাদ্যখিনি স্বাভাৱিক

ধৰণে সুস্থভাৱে খায় তাক আমি কেতিয়াও দোষ নিদিও। সঁচা কথা যে সন্ন্যাসীসকলে ঠিক তেনেদৰেই কৰে, আৰু উপদেশ দিয়ে বাছি থকাৰ বাবে প্ৰয়োজনীয় খাদ্যৰ নিম্নতম পৰিমাণৰখিনিহে খোৱা উচিত। কিন্তু তেনে দৃষ্টিভঙ্গী বৰ্তমান সময়ত পৰিলক্ষিত নহয় ; গতিকে সেই সম্পৰ্কে আলোচনা নকৰাই ভাল। পীউৰিটানসকলে যৌন সঙ্গ মৰ আনন্দ উপভোগ নকৰো বুলি থিৰাং কৰি আহাৰৰ ক্ষেত্ৰতো আগতকৈ বহুত সজাগ হৈছে। সপ্তদশ শতিকাৰ এজন কবিয়ে পীউৰিটানবাদৰ সমালোচনা কৰি লিখিছে—

যদি তুমি বিচৰা সুস্বাদু আহাৰ আৰু গাভৰু নিশা
ঋষিৰ লগত ফুৰিবা আৰু পাপীৰ লগত শুবা।

অৰ্থাত পীউৰিটানসকলে মানৱ প্ৰকৃতিৰ দৈহিক দিশটো নিয়ন্ত্ৰণ কৰিব পৰা নাই, কিয়নো যৌন ক্ষেত্ৰত তেওঁলোকে যিখিনি ত্যাগ কৰিছে তাৰ ক্ষতিপূৰণ কৰিছে খোৱা খাদ্যৰ প্ৰতি খকুৱামিৰে। কেথলিক গীৰ্জাই খকুৱা স্বভাৱক সাতটা মহাপাপৰ এটা বুলি পৰিগণিত কৰে, আৰু যিসকলে ইয়াক ব্যৱহাৰ কৰে ডাণ্টেই তেওঁলোকক নৰকৰ অন্তপুৰীত স্থান দিছে ; কিন্তু কথা হ'ল যে এই পাপ অস্পষ্ট ধৰণৰ, কিয়নো, খোৱাৰ ক্ষেত্ৰত এজন ব্যক্তিক কি পৰিমাণৰ খাদ্যৰ প্ৰয়োজন আৰু কেতিয়া সেই সীমা চেৰাই গৈ পাপৰাজ্যত প্ৰৱেশ কৰে তাক নিৰ্ণয় কৰাটো জটিল। স্বাস্থ্যৰ বাবে প্ৰয়োজন নহ'ল বুলিয়েই এবিধ খাদ্য খোৱাটো চয়তানি নেকি? যদি সেইটোৱেই হয় নিমখসনা প্ৰতিটো বাদামেই নৰকৰ দুৱাৰ খুলি দিয়ে। তেনে দৃষ্টিভঙ্গী বৰ্ত্তমান অচল। খকুৱা এজনক দেখিলেই আমি সকলোৱে চিনি পাও আৰু খকুৱাক আমি অলপ ঘিন কৰিলেও গালি নিদিও। তৎসত্ত্বেও যিসকলৰ খোৱা খাদ্যৰ অভাৱ নাই তেওঁলোকৰ ভিতৰত খোৱা বস্তুক লৈ মাতাল হোৱাটো বিৰল। প্ৰায় সকলো মানুহে আহাৰ খায় আৰু তাৰ পিচৰ আহাৰৰ সময়লৈকে আন কথা চিন্তা কৰে। আনহাতে কোমাৰ্য্য দৰ্শন গ্ৰহণ কৰি নিম্নতম প্ৰয়োজনৰ বাহিৰে সকলো ত্যাগ কৰা সন্ন্যাসীসকলে সুস্বাদু ফল সহিতে ৰাজকীয় ভোজৰ সপোন দেখে। এণ্টাৰ্কটিকা অভিযানলৈ যোৱা অভিযানকাৰীৰ দল এটা যেতিয়া বৰফত আবদ্ধ হৈ পৰিছিল পিচলৈ তেওঁলোকে তিমি মাছৰ চৰ্বি খাইহে থাকিবলগীয়া গৈছিল ; কিন্তু তাৰ মাজতে তেওঁলোকে কল্পনা কৰিছিল ঘূৰি যাব পাৰিলে কেনেকৈ কাৰ্লটনত বহি নৈশভোজ খাব।

এনেবোৰ কথাই এটা কথালৈ আঙুলিয়ায় যে যৌন বিষয়ত মন বিভোৰ হৈ নাথাকিবলৈ হ'লে নৈতিকতাবাদীসকলে যৌন উপভোগক আহাৰ হিচাপে ভাবিব লাগিব। সেইদৰে সন্ন্যাসীসকলে আহাৰক ভাবি লোৱাৰ দৰে নহয়। যৌন সম্ভোগ মানুহৰ আহাৰ-পানীৰ দৰে প্ৰয়োজন। সঁচা কথা যে আহাৰ-পানী নহ'লে মানুহ বাছি

থাকিব নোৱাৰিলেও যৌন সম্ভোগ নকৰাকৈ মানুহ বাচি থাকিব পাৰে ; সেয়ে হ'লেও মনস্তাত্বিক দিশৰ পৰা সম্ভোগৰ প্ৰতি কামনা আহাৰ-পানীৰ প্ৰতি কামনাৰ লগত একেই। সেই কামনাৰ পৰা বিৰত থকাটোৱে, আৰু সাময়িক উপশমে কামনাক বহুগুণে বঢ়ায়। সেই কামনাই যেতিয়া জৰুৰীভাৱে উপশম বিচাৰে মনৰ দুৱাৰৰ সকলো দিশ বন্ধ কৰি দিয়ে। আন সকলো নিচা মনৰ পৰা আঁতৰি যায় আৰু কিবা কৰ্ম কৰিলেও পিচলৈ সি বলিয়ালি ৰূপে প্ৰমাণিত কৰে আৰু সেই দোষেৰে ব্যক্তিজন দোষী সাব্যস্ত হয়। তাৰোপৰি আহাৰ আৰু সুৰাৰ ক্ষেত্ৰত হোৱাৰ দৰে বাধা আৰোপে সেই কামনা আৰু বহুগুণে বৃদ্ধি কৰে। মই এনে ল'ৰা-ছোৱালীৰ কথা জানো যিয়ে ৰাতিপুৱাৰ জলপানৰ লগত দিয়া আপেলটো নাখাও বুলি কৈ আপেলৰ বাগানলৈ দৌৰ মাৰে আৰু চুৰ কৰি তাৰ পৰা আপেল খায় ; অথচ জলপানৰ লগত দিয়া আপেলকেইটা বাগানৰ আপেলতকৈ বেছি পকা আৰু মিঠা। বিশ বছৰ আগেয়ে আমেৰিকাৰ চহকী শ্ৰেণীটোৰ মাজত সুৰাপান কৰাৰ যি প্ৰৱণতা আছিল, এতিয়া যে সি বেছি প্ৰবল হৈছে সেই কথা অস্বীকাৰ কৰিব নোৱাৰি। একেই দৰে খ্ৰীষ্টীয় শিক্ষা আৰু খ্ৰীষ্টীয় কৰ্তৃপক্ষই মানুহৰ যৌন বিষয়ক আগ্ৰহক বেছি শক্তিশালী কৰি তুলিছে। পৰম্পৰাগত শিক্ষাত বিশ্বাস হেৰুওৱা প্ৰজন্মটোৱে যৌন বিষয়ক দৃষ্টিভঙ্গীৰ ওপৰত পৰম্পৰাগত শিক্ষাৰ প্ৰভাৱ নপৰা লোকসকলতকৈ বেছি প্ৰবলভাৱে যৌন স্বাধীনতাত উন্মত্ত হৈ পৰাটো স্বাভাৱিক। যৌন স্বাধীনতা বিনে যৌন বিষয়ত মগ্ন হোৱা স্বভাৱ কেতিয়াও নিয়ন্ত্ৰণ কৰিব নোৱাৰি ; আনকি সেই স্বাধীনতাইও, যদিহে তেজত সোমাই যোৱা নাই, আৰু যৌন বিষয়ত সুস্থ শিক্ষা নাপালে, বাঞ্ছিত ফল পাব নোৱাৰে। যিমান প্ৰাধান্য সহকাৰে পাৰো মই বিষয়টো সম্পৰ্কে আৰু ক'ব বিচাৰো যে বিষয়টোক লৈ অপ্ৰয়োজনীয়ভাৱে গুণা-গঁথা কৰাটো এক চয়তানি ; আৰু ভাবো যে এই চয়তানি সৰ্বব্যাপি প্ৰসাৰতা লাভ কৰিছে, বিশেষকৈ আমেৰিকাত য'ত কঠোৰ নৈতিকতাবাদীসকলে তেওঁলোকৰ বিপক্ষক শ'লঠেকত পেলাবৰ বাবে মিথ্যাবাদৰ আশ্ৰয় লোৱাটো স্পষ্ট হৈ পৰিছে। খকুৱা, যৌন মাতাল আৰু সন্ন্যাসী সকলোৱে আত্মবিভোৰ হৈ থকা ব্যক্তি আৰু মনৰ দিগবলয় নিজৰ কামনাতে সীমিত ; হয়তো সেই কামনা পূৰণ কৰাৰ বাবেও হ'ব পাৰে বা ত্যাগৰ বাবেও হ'ব পাৰে। শাৰীৰিক আৰু মানসিকভাৱে সুস্থ এজন ব্যক্তিয়ে নিজৰ ওপৰতে ইমান মনোনিৱেশ কৰিব নোৱাৰে। তেওঁ সংসাৰখনৰ সকলো দিশ চাব আৰু মনোনিৱেশ কৰিবৰ বাবে উপযুক্ত বিষয় বিচাৰি পাব। পুনৰ সঞ্জীৱিত নোহোৱা ব্যক্তি এজনে নিজতে বিভোৰ হৈ থকাটো স্বাভাৱিক হ'ব নোৱাৰে। স্বাভাৱিক প্ৰবৃত্তি ক্ষুণ্ণ নোহোৱাটোৱেই প্ৰায় সদায় তেনে এক বেমাৰৰ সৃষ্টি কৰে। যৌন সম্ভোগৰ কথাত বিভোৰ হৈ থকা

এজন ব্যক্তিও কোনো প্ৰৱঞ্চনাৰ দ্বাৰা আক্ৰান্ত যেনেকৈ এজন দুৰ্ভিক্ষৰ কবলত পৰা বা অনাটনত জুৰুলা হোৱা ব্যক্তিয়ে খাদ্য সামগ্ৰী মজুত কৰি থয়। স্বাভাৱিক প্ৰবৃত্তিক ভেটা দি সুস্থ বহিৰ্মুখী নতুন নাৰী সৃষ্টি কৰিব পৰা নাযায়, তেনে পুৰুষ-নাৰী সৃষ্টি কৰিবলৈ হ'লে সুখী জীৱনৰ অত্যাৱশ্যকীয় সমান আৰু ভাৱসাম্য খুচিত অনুভূতিবোৰৰ বিকাশ হোৱাটো প্ৰয়োজন।

মই ক'ব বিচৰা নাই যে খাদ্যৰ ক্ষেত্ৰত থকাৰ দৰে যৌন বিষয়ত নৈতিকতা আৰু আত্মসংযমৰ প্ৰয়োজন নাই। আহাৰৰ ক্ষেত্ৰত তিনি ধৰণৰ বাধা আছেঃ আইনৰ, ভদ্ৰতাৰ আৰু স্বাস্থ্যৰ। খাদ্য সামগ্ৰী চুৰি কৰাটো, ৰাজহুৱা ভোজনত নিজৰ অংশতকৈ বেছি যোৱাটো আৰু ৰোগৰ কাৰণ হ'ব পৰাকৈ বেছি খোৱাটো আমি ভুল বুলি ধৰি লওঁ। যৌন ক্ষেত্ৰতো একে ধৰণৰ আত্মসংযম থকাটো অত্যাৱশ্যকীয়। কিন্তু যৌন বিষয়ত এই বাধানিষেধ বৰ জটিল আৰু ইয়াত বেছি আত্মসংযমৰ প্ৰয়োজন। তাৰোপৰি এজন মানুহে যিহেতু আন এজন মানুহৰ পৰা সম্পত্তি পাব নোৱাৰে, পৰস্ত্ৰীৰ লগত সঙ্গম কৰাটো চুৰ কৰাৰ সমকক্ষ নহয়, কিন্তু ধৰ্ষণ সমকক্ষ হয়, যাঁক আইনৰ আওতাত নিষেধ কৰা উচিত। স্বাস্থ্যৰ যি প্ৰশ্ন উত্থাপিত হৈছে তাৰ সম্বন্ধ অকল যৌন ৰোগৰ লগত, যি বিষয়টো আমি বেশ্যালয় সম্পৰ্কত ইতিমধ্যে আলোচনা কৰিছো। ঔষধ বাদ দি, এই বেমাৰৰ পৰা হাত সৰাৰ একমাত্ৰ উপায় হৈছে ব্যৱসায়িক বেশ্যাবৃত্তি কমাই অনাটো, আৰু ব্যৱসায়িক বেশ্যাবৃত্তি উঠাই দিবলৈ হ'লে ডেকা-গাভৰুৰ মাজত যৌন স্বাধীনতা আৰু বেছি দিব লাগিব, যিটো আজি কেইবছৰমানৰ পৰা বৃদ্ধি পাই অহাটো পৰিলক্ষিত হৈছে।

এক সম্যক যৌন নীতিয়ে যৌন সম্ভোগক কেৱল এক স্বাভাৱিক ক্ষুধা আৰু সম্ভাব্য ৰোগৰ উৎস হিচাপে চালেই নহ'ব। এই দুয়োটা বিষয়ে গুৰুত্বপূৰ্ণ। কিন্তু তাতোকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল যে মানৱ জীৱনৰ শ্ৰেষ্ঠ দিশবোৰেই যৌন সম্ভোগৰ লগত সাঙোৰ খাই আছে। তাৰ ভিতৰত আটাইতকৈ বেছি প্ৰাধান্য কঢ়িওৱা দিশ তিনিটা হ'ল গীতি কবিতা, বৈবাহিক সুখ আৰু শিল্পকলা গীতি কবিতা আৰু বিয়া সম্পৰ্কে ইতিমধ্যে আলোচনা কৰা হৈছে। কিছুমানে ভাবে যে যৌন আনন্দৰ লগত শিল্পকলাৰ সম্বন্ধ নাই, কিন্তু তেনে দৃষ্টিভঙ্গীত বিশ্বাস কৰা লোকৰ সংখ্যা আগতকৈ বহুত কমি আহিছে। এইটো প্ৰায় স্পষ্ট হৈ পৰিছে যে যি কোনো সৌন্দৰ্য্য সৃষ্টি মনস্তাত্বিকভাৱে আলিঙ্গন নিবেদনৰ লগত জড়িত; এই সম্বন্ধ প্ৰত্যক্ষ বা খোলাখুলি ৰূপত নেদেখিলেও ই অতি গভীৰ। যৌন অনুভূতিয়ে কলা সৃষ্টি কৰিবলৈ হ'লে তাত কেবাটাও চৰ্তৰ প্ৰয়োজন। ব্যক্তিজনৰ শিল্প নৈপুণ্য থাকিব লাগিব। কিন্তু শিল্প নৈপুণ্যৰ ক্ষেত্ৰতো দেখা যায় যে কোনো এটা জাতিৰ কোনো এক সময়ত স্বাভাৱিক

গতিত আগবাঢ়ে আৰু আন এক সময়ত অস্বাভাৱিকতাই দেখা দিয়েহি যাৰ ফলত আমি এক নিশ্চিত সিদ্ধান্তলৈ আহিব পাৰো যে জাতীয় নৈপুণ্যৰ লগতে পৰিৱেশে শিল্পানুভূতিত যথেষ্ট অৰিহণা যোগায়। গতিকে শিল্প সৃষ্টিৰ ক্ষেত্ৰত এক ধৰণৰ স্বাধীনতাৰো প্ৰয়োজন, সেই স্বাধীনতাই শিল্প সৃষ্টিৰ সহায়ক হোৱাৰ পৰিৱৰ্তে শিল্পানুভূতি অৱনমিত হৈ বৰ্বৰতালৈ ঠেলি দিয়াত বাধা আৰোপ কৰিব পাৰে। দ্বিতীয় জুলিয়াচে যেতিয়া মাইকেলেঞ্জেলক জেল দিছিল তেতিয়াও শিল্পীৰ প্ৰয়োজনীয় স্বাধীনতাত হস্তক্ষেপ কৰা নাছিল। জুলিয়াচে তেওঁক জেল দিছিল এই কাৰণেই যে তেওঁ নিজকে এক মহান ব্যক্তি বুলি ভাবিছিল, আৰু পোপতকৈ নিম্ন স্তৰৰ কোনো লোকেই তেওঁক ক্ষুণ্ণ কৰাটো তেওঁ সহ্য কৰিব নোৱাৰিছিল। কিন্তু যেতিয়াই শিল্পী এগৰাকীয়ে তেওঁৰ চহকী পৃষ্ঠপোষক বা টাউন কাউন্সিলৰক নমস্কাৰ জনাবলৈ বাধ্যত পৰে তেতিয়াই শিল্পীৰ স্বাধীনতা বধ হৈ যায়। আৰু যেতিয়া সামাজিক আৰু অৰ্থনৈতিক হেঁচাত পৰি তেওঁৰ বাবে সহ্যাতীত হৈ উঠা দাম্পত্য জীৱন-যাপন কৰিবলৈ বাধ্য কৰায়, তেতিয়াই তেওঁ শিল্প সৃষ্টিৰ প্ৰয়োজনীয় শক্তিখিনিৰ পৰা বঞ্চিত হয়। পৰম্পৰাগতভাৱে ধাৰ্মিক সমাজ এখনে কেতিয়াও মহান শিল্পৰ সৃষ্টি কৰিব নোৱাৰো। যিবোৰ সমাজে মহা শিল্প সৃষ্টি কৰিছে তেনেবোৰ সমাজক ইদাহোৰ নিচিনা লোকে বন্ধ্যাকৰণ কৰে। বৰ্তমান আমেৰিকাই ইউৰোপৰ পৰা মহান শিল্পীবোৰক আমদানি কৰি আছে, কিয়নো, ইউৰোপত এতিয়াও শিল্পীৰ স্বাধীনতা প্ৰবৃত্তি আছে ; কিন্তু ইতিমধ্যে আমেৰিকীকৰণৰ ফলত এতিয়া তেওঁলোক নীগ্ৰোসকলৰ প্ৰতি ধাৱিত হোৱা দেখা যায়। শিল্পকলাৰ শেষ আশ্ৰয়-স্থলী তিব্বতৰ মালভূমি নহ'লেও উজনি কঙ্গো হ'বগৈ। কিন্তু আমেৰিকাই আজি যিটো হাৰত বিদেশী শিল্পীৰ ওপৰত টকাৰ শৰাধ কৰিবলৈ লৈছে, সিয়েই শিল্পী শুলভ গুণক নিশেষ নকৰি নোৱাৰে। গতিকে শিল্পকলাই শেষ নিশ্বাস টনালৈ বেছিদিন অপেক্ষা কৰিব নালাগিব। অতীতত কলাৰ এক জনপ্ৰিয় ভেটি আছিল আৰু সেই ভেটিটো নিৰ্ভৰ কৰিছিল স্বাচ্ছন্দ্যময় জীৱনৰ ওপৰত আৰু জীৱনৰ সুখ নিৰ্ভৰ কৰে যৌন জীৱনৰ স্বতঃস্ফূৰ্ততাৰ ওপৰত। যৌনতাক যেতিয়া চেপি ৰখা হয় তেতিয়া কামৰ বাহিৰে একোৱেই নাথাকে ; আৰু 'কৰ্মৰ বাবেই কৰ্ম' বেদ বাণীয়ে কোনো সৌন্দৰ্য্যময় কামৰ সৃষ্টি কৰিব নোৱাৰে। মোক নক'লেও হয়, আমেৰিকাত হেনো পৰিসংখ্যা গণনা কৰি উলিয়াইছে, তাত হেনো প্ৰতিদিনে (প্ৰতি নিশাই কম নেকি?) কিমানবাৰ যৌন সঙ্গম সম্পন্ন হয়, আৰু সেই পৰিসংখ্যা অনুসৰি ইয়াৰ গড় আন দেশৰ সংখ্যাৰ সমানেই। কথাটো সঁচা নে মিছা মই নাজানো, আৰু তাক মিছা বুলি কোৱাৰো মোৰ প্ৰয়োজন নাই। পৰম্পৰাগত নৈতিকতাবাদীসকলৰ আটাইকে ডাঙৰ ভুল হৈছে যে তেওঁলোকে যৌন

বিষয় বুলি ক'লেই যৌন সঙ্গম বুলি ধৰি লয় যাতে তাৰ ওপৰত উৎপীড়ন চলাবলৈ ভাল সুযোগ এটা পায়। কোনো সভ্য ব্যক্তিয়েই, আৰু মই জনা বৰ্বৰ এজনেও কেবল সঙ্গম কৰিয়েই আনুভূতিক সন্তুষ্টি লাভ কৰিব নোৱাৰে। সঙ্গম কাৰ্য্যলৈ টানি নিয়া আনুভূতিক সন্তুষ্টি দিবলৈ হ'লে প্ৰেম নিবেদন আৰু সঙ্গসুখৰ কামনা লাগিবই। এইখিনিৰ ব্যতিৰেকে দৈহিক ক্ষুধাৰ সাময়িক উপশম হ'লেও মানসিক ক্ষুধা তেতিয়াও থাকি যায় আৰু গভীৰ সন্তুষ্টিৰ উপলব্ধি কেতিয়াও নহয়। শিল্পী এজনৰ বাবে যি যৌন স্বাধীনতাৰ প্ৰয়োজন সি হৈছে ভালপোৱাৰ স্বাধীনতা, কোনোবা অচিনাকি নাৰী এগৰাকীৰ লগত দৈহিক আনন্দ লাভ কৰাৰ দৰে যৌন স্বাধীনতা নহয়; আৰু পৰম্পৰাগত নৈতিকতাবাদীসকলে কোনোপধ্যে এই ধৰণৰ প্ৰেমৰ স্বাধীনতা মানি নলয়? সমগ্ৰ মানব সমাজ আমেৰিকাবাসী মানসিকতালৈ ৰূপান্তৰিত হোৱাৰ পিচতো শিল্পকলা বচাই ৰাখিবলগীয় হ'লে নৈতিকতাবাদীসকল কিছু নামি আহিব লাগিব আৰু অনৈতিকসকলে অলপ নৈতিক হ'ব লাগিব; আৰু তেতিয়া দুয়ো পক্ষই যৌনতাত নিহিত থকা গভীৰ প্ৰমূল্যক স্বীকৃতি দিব লাগিব, আৰু লগতে উপলব্ধি কৰিব লাগিব যে বেংকত থোৱা জমা ধনতকৈ আনন্দৰ মূল্য বহুত বেছি। আমেৰিকা ভ্ৰমণকাৰীসকলৰ বাবে বিষণ্ণতাৰ বাহিৰে বেদনাদায়ক একোৱেই নাই। তাত আনন্দ হৈছে বৰ বিক্ষিপ্ত আৰু কামুকতাৰে ভৰা, যি হৈছে এক ক্ষন্তেকীয়া পাহৰণিৰ বাহিৰে আন একো নহয়, সি কেতিয়াও উৎফুল্লিত আত্মপ্ৰকাশ হ'ব নোৱাৰে। বন্ধান বা পোলীচ গাঁৱত পেঁপাৰ সুৰত যিসকলে নাচিছিল তেওঁলোকৰে নাতি-নাতিনীবোৰেই গোটেই দিনটো টাইপৰাইটাৰ আৰু টেলিফোন লৈ গভীৰ গুৰুত্বপূৰ্ণ অথচ অপদাৰ্থ মানুহ হিচাপে ডেস্কত বহি কটাই দিয়ে। সন্ধিয়া হ'লে সুৰাৰ গ্লাচ লৈ হৈ হাল্লা কৰি তেওঁলোকে কল্পনা কৰে যে তেওঁলোক বৰ সুখী, প্ৰকৃততে তেওঁলোকে পায় মাত্ৰ উন্মত্ত টকাৰে টকা ধৰাৰ এক আধৰুৱা, বিক্ষিপ্ত পাহৰণি। তাতেই তেওঁলোকে আত্মাক দাসত্বৰ ওচৰত বিক্ৰী কৰি দি লয় মানব দেহৰ কামনা পুৰোৱাৰ পথ।

মই ক'ব বিচৰা নাই, আৰু মোৰ তাত বিশ্বাসো নাই যে মানব জীৱনৰ শ্ৰেষ্ঠ আটাইবোৰ যৌন কৰ্মৰ লগত সাঙোৰ খাই আছে। ব্যৱহাৰিক বা তাত্ত্বিকেই হওক, বিজ্ঞান ইয়াৰ লগত জড়িত বুলি মই নাভাবো। তাৰোপৰি কিছুমান সামাজিক আৰু ৰাজনৈতিক কৰ্মত ইয়াৰ লগত জড়িত বুলি মই নাভাবো। প্ৰাপ্তবয়স্কৰ জীৱনত কিছু জটিল কামনাৰ সৃষ্টি কৰা প্ৰবৃত্তিবোৰক কেইটামান শ্ৰেনীত ভাগ কৰি উলিয়াব পৰা যায় এনেদৰে— ক্ষমতা, যৌনতা আৰু পিতৃ-মাতৃত্ব; বাচি থাকিবৰ বাবে নিত্য প্ৰয়োজনীয় কামখিনিৰ বাহিৰে প্ৰাপ্তবয়স্ক জীৱনৰ সকলোবোৰ কাম এই তিনিটা কামনাৰ পৰা উদ্ভূত। এই তিনিটা ক্ষমতাই আৰম্ভণিৰ পৰা শেষলৈ ক্ৰিয়া কৰে।

শিশুৰ ক্ষমতা যিহেতু নগণ্য সি আৰু অলপ ক্ষমতা আহৰণ কৰাৰ কামনাৰ দ্বাৰা চালিত হয়। বাস্তৱিকতে এই কামনাৰ পৰাই উদ্ভুত হয় তাৰ সকলোবোৰ কাম। তাৰ আন এক প্ৰবল কামনা হৈছে ভেম প্ৰশংসা পোৱাৰ কামনা, আৰু দোষত পৰা আৰু এলাগী হোৱাৰ ভয়। ভেমেই তাক এক সামাজিক জীৱত পৰিণত কৰে আৰু এখন সমাজত মিলি থকাৰ প্ৰয়োজনীয় গুণৰ জন্ম দিয়ে। ভেমৰ উদ্দেশ্যটো যৌনতাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত, যদিও সূত্ৰীক দিশৰ পৰা ইয়াৰ সাঙোৰ সলকাব পৰা বিধৰ। কিন্তু মই যিমানদূৰ দেখিছো যৌনতাৰ লগত ক্ষমতাৰ বিশেষ সম্পৰ্ক নাই। ভেম আৰু ক্ষমতাৰ প্ৰতি কামনাৰ কামনাই শিশুটোক তাৰ পাঠবোৰ পঢ়ুৱায় আৰু শাৰীৰিক শক্তি বঢ়াবৰ বাবে চেষ্টা কৰে। মই ভাবো অনুসন্ধিৎসু আৰু জ্ঞানৰ প্ৰতি ইচ্ছাও ক্ষমতাক ভালপোৱাৰে দুটি ধাৰা। জ্ঞান যদি ক্ষমতা, তেনেহ'লে জ্ঞানৰ প্ৰতি হেঁপাহ হৈছে ক্ষমতাৰ প্ৰতি কামনা। গতিকে জীৱ বিজ্ঞান আৰু শৰীৰ বিজ্ঞানৰ দৰে কেইটামান বিষয়ৰ বাহিৰে যৌন আৱেগৰ লগত বিজ্ঞানৰ কোনো সম্পৰ্ক নাই। সম্ৰাট ফ্ৰেডেৰিক-II যিহেতু জীৱিত নাই, এই মতটো কম-বেছি পৰিমাণে আনুমানিক হৈয়েই থাকিব। যদি তেওঁ বাছি থাকিলে হয়, এজন প্ৰখ্যাত গণিতজ্ঞ আৰু এজন প্ৰখ্যাত কবিক খাহী কৰি দি নিশ্চয় পৰীক্ষা কৰিলে হয়— তাৰ পিছত তেওঁলোকৰ বিভাগীয় কাৰ্যত কি ধৰণৰ প্ৰভাৱ পৰে। মই অনুমান কৰো যে প্ৰথম বিভাগটোৰ ওপৰত ইয়াৰ প্ৰভাৱ শূন্য হ'ব আৰু দ্বিতীয়টোৰ ওপৰত যথেষ্ট পৰিমাণে প্ৰভাৱ পৰিব। জ্ঞান পীপাসা মানৱ প্ৰকৃতিৰ আটাইতকৈ মূল্যবান গুণ বুলি জনাৰ পিছত যৌনতাৰ লগত জড়িত থকা গুৰুত্বপূৰ্ণ এটা দিশ এতিয়াও বাদ পৰি আছে।

'ক্ষমতা' শব্দটোৰ পূৰ্ণ বিকশিত অৰ্থত সৰহভাগ ৰাজনৈতিক কাৰ্যকলাপৰো উৎস হ'ল ক্ষমতা। মই ক'ব বিচৰা নাই যে এজন বিখ্যাত ৰাজনৈতিক নেতা সামাজিক কল্যাণৰ বাবে উদাসীন ; বৰং মোৰ বিশ্বাস যে তেনে নেতা এজনৰ পৈতৃক প্ৰবৃত্তি সৰ্বব্যাপ্ত হৈ পৰে। কিন্তু এক বুজন পৰিমাণৰ ক্ষমতাৰ প্ৰতি হেঁপাহ যদি নাথাকে তেতিয়াহ'লে ৰাজনীতি উদ্যোগত কৃতকাৰ্যতা লাভ কৰাৰ বাবে যিখিনি পৰিশ্ৰমৰ প্ৰয়োজন, তাক তেঁও বজাই ৰাখিব নোৱাৰিব। সমাজ সেৱাত লাগি থকা আন উচ্চস্তৰৰ লোক মই জানো ; কিন্তু তেওঁৰ যদি বুজন পৰিমাণৰ উচ্চাকাংক্ষা নাথাকে, তেতিয়া তেওঁ লক্ষ্য বান্ধি লোৱা কামটো কৰিবলৈ কাচিৎহে শক্তি পাব। এক জটিল পৰিস্থিতিত আমেৰিকাৰ ৰাষ্ট্ৰপতি আব্ৰাহাম লিঙ্কনে দুজন কট্টৰ বিৰোধী চিনেটৰ আগত ভাষণ দি কৈছিল— 'অসীম ক্ষমতা বহন কৰা মই আমেৰিকাৰ ৰাষ্ট্ৰপতি।' তেওঁ সেই কথাটোকে সাব্যস্ত কৰি যি আনন্দ পাইছিল সেই সম্পৰ্কে প্ৰশ্ন কৰাৰ

জাগা নাথাকে। কল্যাণৰ বাবেই হওক বা বিপৰ্যৰ বাবেই হওক সকলো ৰাজনীতিৰে দুটা মুখ্য উদ্দেশ্য হ'ল— অৰ্থনৈতিক উদ্দেশ্য আৰু ক্ষমতাৰ প্ৰতি আকৰ্ষণ। ফ্ৰয়দীয় ধাৰাৰে ৰাজনীতিৰ ব্যাখ্যা দিয়াটো মোৰ মতে ভুল।

আমি কৈ অহা কথাবোৰ যদি সত্য, শিল্পীৰ বাহিৰে মহত্ত্বতম ব্যক্তিসকলৰ সকলো কাৰ্যৰ উদ্দেশ্যৰ লগত যৌনতাৰ কোনো সম্পৰ্ক নাই। সেই কাৰ্যবোৰ যদি বিনম্ৰৰূপত চলি থাকিবলগীয়া হয় সি চলি থাকিবই আৰু যদি সাধাৰণ বিধৰ হ'বলগীয়া হয়, তেতিয়াহ'লে মানুহৰ আৱেগিক আৰু অত্যুতসাহী প্ৰকৃতিৰ বাকীখিনিক যৌনতাই আৱৰি ৰাখিব নালাগিব। জগতখনক বুজি পোৱাৰ হেঁপাহ আৰু ইয়াৰ সংস্কাৰ সাধনৰ কামনা হৈছে দুটা মহান শক্তি, যাৰ অনুপস্থিতিত জগতখন স্থবিৰ হৈ পৰিব বা পাশ্চাদ্গমন আৰম্ভ কৰিব। এটা কথা হ'ব পাৰে যে পৰিপূৰ্ণ সুখে জ্ঞান পীপাসা আৰু সংস্কাৰৰ হেঁপাহক মৰহাই পেলাব। কবডেনে যেতিয়া জোন ব্ৰাইটক মুক্ত বাণিজ্যৰ প্ৰচাৰ অভিযানত সুমুৱাই ল'ব বিচাৰিছিল, তেতিয়া কেইদিনমান পূৰ্বে পত্নী বিয়োগত শোকাকুল হৈ পৰা ব্ৰাইটক শোক-বাৰ্তাৰে তেওঁ অনুৰোধ জনাইছিল। হ'ব পাৰে যে অন্তৰত শোক নথকা হ'লে ব্ৰাইটে হয়তো আনৰ শোকৰ প্ৰতি ইমান সহানুভূতিশীল নহ'ল হয়। সাংসাৰিক হতাশাই অনেক মানুহক তাত্ত্বিক জ্ঞানলৈ ঠেলি দিয়ে। পৰ্যাপ্ত পৰিমাণৰ শক্তিধৰ ব্যক্তি এজনৰ বাবে বেদনাও মূল্যৱান অনুপ্ৰেৰক হ'ব পাৰে ; মই অস্বীকাৰ নকৰো যে আমি সকলোৱে যদি সম্পূৰ্ণৰূপে সুখী হ'লোহেঁতেন, আমি তাতোকৈ সুখী হোৱাৰ বাবে প্ৰয়াস নকৰিলো হয়। কিন্তু মই ইয়াকো মানি নলও যে কোনো এটা কাম ফলৱতী কৰাৰ বাবে মানুহে আনৰ অন্তৰত দুখ দিয়ক। শতকৰা নিৰানব্বৈজনৰ ক্ষেত্ৰতেই দুখ-বেদনা হৈ পৰে ধ্বংসাত্মক, বাকী এজনৰ ক্ষেত্ৰতো তেনে হ'লে অপৰিহাৰ্য দুখ-বেদনা স্বাভাৱিকভাবে গ্ৰহণ কৰক। মৃত্যু যেতিয়া আছে দুখ থাকিবই, আৰু দুখ যেতিয়া স্বাভাৱিকভাৱেই আহিব তাক বৃদ্ধি কৰাটো কৰ্তব্যৰ এটি অংশ নহয়, যদিও নগণ্যতম বিশেষ ব্যক্তিয়ে জানে কেনেকৈ সেই দুখ-বেদনা আমাৰ মনলৈ আনি দিব পাৰে।

একবিংশ অধ্যায়
সামৰণি

আলোচনাবোৰে আমাক কেতিয়াবা ঐতিহাসিক আৰু কেতিয়াবা তাত্ত্বিক সিদ্ধান্তলৈ আনিব পাৰিছে। ঐতিহাসিকভাৱে আমি পাওঁ যে প্ৰচলিত যৌন নীতি দুটা ভিন্ন উৎসৰ পৰা উৎপন্ন হৈছে ; প্ৰথম, পিতৃত্বৰ নিশ্চয়তাৰ প্ৰতি হেঁপাহ আৰু দ্বিতীয়, মানৱ জাতিৰ প্ৰৱাহক জীয়াই ৰখাৰ বাবে ল'ৰা-ছোৱালী জন্ম দিয়া প্ৰবৃত্তিৰ বাহিৰে যৌন সম্ভোগ পাপ বুলি থকা বিশ্বাস। প্ৰাক খ্ৰীষ্টীয় নৈতিকতাই আৰু সুদূৰ প্ৰাচ্যত বৰ্তমানলৈ প্ৰথম উৎসই ক্ৰিয়া কৰে ; ভাৰতবৰ্ষ আৰু পাৰ্চিয়া অৱশ্যে ব্যতিক্ৰম, কিয়নো সেই দুটা কেন্দ্ৰৰ পৰাই সন্ন্যাসবাদ আন ঠাইত ব্যাপি পৰে। অনুন্নত জাতিবোৰে জনা নাছিল সন্তান জন্ম দিয়াত পুৰুষৰ কিবা কৰণীয় আছে; গতিকে পিতৃত্বৰ স্বীকৃতিৰ বাবে কাৰো অন্তৰত হেঁপাহ থকাৰ সম্ভাৱনা নাই। নাৰীৰ প্ৰতি থকা পুৰুষৰ ঈৰ্ষাৰ কাৰণে নাৰী স্বাধীনতাত কিছু সীমা বান্ধি দিয়াৰ বাহিৰে সেই সময়ৰ নাৰীয়ে পূৰ্বৰ পুৰুষ প্ৰধান সমাজৰ নাৰীতকৈ বেছি যৌন স্বাধীনতা উপভোগ কৰিছিল। পৰিৱৰ্তনৰ এই কালছোৱাত নিশ্চয় বহুত দ্বন্দ্বৰ সৃষ্টি হৈছিল। পিচলৈ পুৰুষে পিতৃত্ব নিশ্চিত কৰাৰ প্ৰয়াসেৰে নাৰীৰ ওপৰত নিয়ন্ত্ৰণ ৰখাৰ প্ৰয়োজনীয়তা বোধ কৰিছিল। সেই সময়ত যৌন নীতি কেৱল নাৰীৰ ক্ষেত্ৰতহে প্ৰযোজ্য হৈছিল। পুৰুষ এজনে পৰস্ত্ৰীৰ লগত সঙ্গম নকৰিছিল। তাৰ বাহিৰে তেওঁ মুক্ত আছিল।

খ্ৰীষ্ট ধৰ্ম প্ৰচাৰৰ পিছত পাপৰ পৰা বিৰত থকাৰ উদ্দেশ্য বেলেগ হৈ যায়। ব্যৱহাৰিক ক্ষেত্ৰত পুৰুষৰ ওপৰত নিয়ন্ত্ৰণ অনাটো জটিল হ'লেও সৌত্ৰিকভাৱে নৈতিকতা সমানে আৰোপিত হৈছিল; নাৰীৰ ক্ষেত্ৰত কিন্তু ই পূৰাদমে প্ৰযোজ্য হৈছিল। আৰম্ভণিতে যৌন নৈতিকতাৰ পোনপটীয়া দৈহিক উদ্দেশ্য এটা আছিল ; সেইটো হ'ল পিতৃ-মাতৃৰ কোনো এজনৰ ঠাইত দুয়োজনে ল'ৰা-ছোৱালীবোৰক শিশু কালত মৰম-চেনেহ কৰি লালন-পালন কৰাটো। খ্ৰীষ্টীয় সূত্ৰৰ উদ্দেশ্য হেৰাই গ'লেও ব্যৱহাৰিক ক্ষেত্ৰত ই প্ৰযোজ্য আছিল।

সাম্প্ৰতিক আধুনিক যুগত প্ৰাক-খ্ৰীষ্টীয় আৰু খ্ৰীষ্টীয় যৌন নীতিবোৰ সংস্কাৰ

হোৱাৰ লক্ষণ দেখা গৈছে। খ্ৰীষ্টীয় গোড়ামিত শিথিলতা আহি যোৱাত খ্ৰীষ্টীয় অংশটোত পূৰ্বৰ গোড়ামি পাতলি আহিছে। ধৰ্মবিশ্বাস থকাসকলৰ মাজত বিশ্বাস কমি অহাত সি আকৌ সোলোক-ঢোলোক হৈ যোৱা পৰিলক্ষিত হৈছে। কুৰি শতিকাত জন্মগ্ৰহণ কৰা নাৰী-পুৰুষৰ অৱচেতন মনত কিবা এটা লাগি থাকিলেও সচেতনভাৱে সৰহভাগেই বিশ্বাস নকৰে যে অবিবাহিতাৰ লগত কৰা সঙ্গম পাপ। প্ৰাক খ্ৰীষ্টীয় যৌন নীতিবোৰ এটা কাৰণত ইতিমধ্যে সংশোধন হৈ গৈছে; আন এটা কাৰণত সংশোধন হোৱাৰ পদ্ধতি চলি আছে। প্ৰথমটো কাৰণ হ'ল গৰ্ভনিৰোধক উপায় উদ্ভাৱন যাৰ ফলত অবিবাহিতা গাভৰুৰ গৰ্ভধাৰণৰ ভয় নোহোৱাকৈয়ে যৌন সঙ্গম সম্ভৱ হৈ পৰিছে আৰু বিবাহিতাৰ ক্ষেত্ৰত ইচ্ছানুযায়ী স্বামীৰ ঔৰসৰ দ্বাৰাহে গৰ্ভধাৰণ সম্ভৱপৰ হৈছে। গতিকে সতীত্ব অব্যাহত ৰাখিও নাৰীয়ে অবৈধ যৌন সম্পৰ্ক চলাই যাব পৰা হৈছে। এই পদ্ধতিটো এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই, কিয়নো গৰ্ভনিৰোধক উপায় এতিয়াও সম্পূৰ্ণৰূপে ত্ৰুটিহীন কৰিব পৰা নাই; কিন্তু আমি ধৰি ল'ব পৰা হৈছে যে অনতিপলমে ই নিৰ্ভুল হৈ উঠিব। তেতিয়াহ'লে এগৰাকী পত্নীয়ে আনৰ সৈতে যৌন সম্পৰ্ক কৰিছেনে নাই তাক ধৰি নথকাকৈয়ে স্বামীৰ পিতৃত্ব সাব্যস্ত হৈ যাব। ক'ব পৰা যায় ই স্বামীক ঠগিবৰ বাবে তিৰোতাক সুচল কৰি দিয়া হ'ল। কিন্তু অতীততো স্ত্ৰীয়ে স্বামীক ঠগাটো সম্ভৱপৰ আছিল; কথা হ'ল সন্তানটোৰ পিতৃ কোন হ'ব সেইটোৱেই যদি একমাত্ৰ প্ৰশ্ন, তেতিয়া ঠগামি পাতল ধৰণৰ হ'ব আৰু যদি আন কাৰোবাক আবেগিকভাৱে ভাল পাই যৌন সম্পৰ্ক কৰিছে, তেতিয়া ঠগামি হ'ব গুৰুতৰ। গতিকে ধৰি ল'ব পৰা যায় যে পিতৃত্বক লৈ ঠগামি যিটো মাজে-সময়ে হ'ব পাৰে, অতীতৰ অবৈধ সঙ্গমৰ তুলনাত ই হ্ৰাস পাব। এক নতুন পৰম্পৰাৰ সৃষ্টি কৰি স্বামীৰ ঈৰ্ষাক নতুন পৰিস্থিতিৰ লগত খাপ খাব পৰা কৰাটো অসম্ভৱ নহয়; কিন্তু পত্নীয়ে যেতিয়া আন এজন পুৰুষক তেওঁৰ (তিৰোতাগৰাকীৰ) সন্তানৰ পিতৃ হ'বলৈ প্ৰস্তাৱ দিয়ে তেতিয়া তেওঁৰ স্বামী ঈৰ্ষান্বিত হৈ পৰাটো স্বাভাৱিক। নিজ পত্নীৰ লগত এজন নপুংসকক স্বাধীনতা দিয়াটো প্ৰাচ্যত প্ৰচলিত নীতি, কিন্তু পাশ্চাত্যত যিকোনো স্বামীয়ে তাক অত্যন্ত বেয়া পাব। নপুংসকসকলক এই বাবেই স্বাধীনতা দিয়া হয় যে তেওঁলোকে সন্তানৰ পিতৃ সম্পৰ্কে কোনো সন্দেহৰ সৃষ্টি নকৰে। গৰ্ভনিৰোধক ব্যৱহাৰ কৰি পত্নীয়ে আন পুৰুষৰ লগত সঙ্গম কৰাটোও স্বামীয়ে এদিন সহ্য কৰি ল'ব। অতীতত নাৰীৰ পৰা যি সংযম দাবী কৰা হৈছিল ভৱিষ্যতত তেনে দাবী উত্থাপন নকৰাকৈয়ে পিতৃ-মাতৃযুক্ত পৰিয়াল বাছি থকাটো

সম্ভৱ হ'ব। যৌন নীতিৰ ক্ষেত্ৰত সুদূৰপ্ৰসাৰী প্ৰতিক্ৰিয়া নোহোৱাকৈ যি পৰিৱৰ্তন আহি আছে, তাৰ আন এটা কাৰণো আছে। সেইটো হ'ল ল'ৰা-ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ দায়িত্ব লাহে লাহে বাঢ়ি অহাটো। বৰ্তমানলৈ এই প্ৰথাটো কেৱল শ্ৰমজীৱি সমাজতহে ক্ৰিয়া কৰি আছে আৰু তেওঁলোকেই হৈছে সংখ্যাগৰিষ্ঠ সমাজ ; আৰু ই প্ৰসাৰতা লাভ কৰি কৰি গোটেই সমাজখনকে যেতিয়া সামৰি ল'ব, তেতিয়া পিতৃৰ দায়িত্ব যে ৰাষ্ট্ৰই মূৰ পাতি ল'ব, এই ক্ষেত্ৰত পৰিলক্ষিত হোৱা প্ৰগতিয়েই প্ৰমাণ কৰে। সেইটোৱেই যদি হয় পিতৃৰ বিশেষ কৰিবলগীয়া একো নাথাকিব। মাতৃৰ বাবে দুই ধৰণৰ সম্ভাৱনা আছে; তেওঁ আগৰ দৰেই কাম কৰি যাব আৰু প্ৰতিষ্ঠানত ল'ৰা-ছোৱালীৰ তদাৰক কৰিব বা চৰকাৰে যদি তেনে সিদ্ধান্ত লয়, তেওঁক চৰকাৰৰ পৰা দৰমহা দিব আৰু তাৰ বিনিময়ত ল'ৰা-ছোৱালীকেইটা ডাঙৰ নোহোৱালৈকে সিহঁতৰ তদাৰক কৰিব। যদি দ্বিতীয় বিকল্পটো মানি লোৱা হয়, তেতিয়াহ'লে পৰম্পৰাগত নৈতিকতাক আৰু উদ্‌গনি দিয়া হ'ব। কিন্তু যদি তেওঁক দৰমহা দিয়া নহয়, তেতিয়া তেওঁ কাম নকৰিলে ল'ৰা-ছোৱালীকেইটাৰ ভৰণ-পোষণ দিবলৈ অসুবিধা হ'ব আৰু সেই কাৰণে সিহঁতক কোনো অনুষ্ঠানত থ'ব লাগিব। ইয়াৰ পৰা দেখা যায় যে অৰ্থনৈতিক দিশটো কামত খটুৱাই পিতৃক সম্পূৰ্ণৰূপে আঁতৰাই দিয়াটো সম্ভৱ, আৰু গৰীব শ্ৰেণীটোৰ ক্ষেত্ৰত মাককো ল'ৰা-ছোৱালীৰ তত্বাৱধানত ৰখাটো সম্ভৱ।

যদি সঁচাকৈয়ে সেইটো ঘটে, পৰিয়াল এটা তেনেকৈ ভাঙি পেলোৱাটো মই ভবাত বৰ আনন্দদায়ক নহ'ব। ল'ৰা-ছোৱালীৰ বাবে পিতৃ-মাতৃৰ মৰম-চেনেহ অতি প্ৰয়োজনীয় আৰু অনুষ্ঠানবোৰ যেতিয়া বহল ভিত্তিত গঢ়ি উঠিব, তেতিয়া বৰ আনুষ্ঠানিক আৰু কৰ্কশ হ'ব। সকলোবোৰ অনুষ্ঠান একে ঠাচত গঢ়ি উঠিব আৰু নিজ নিজ ঘৰবোৰত থকা বিভিন্ন ধৰণৰ পৰিৱেশ তাত নাথাকিব। আৰু তাৰ পূৰ্বেই যদি এখন আন্তৰ্জাতিক চৰকাৰ গঠন নহয়, বিভিন্ন দেশৰ ল'ৰা-ছোৱালীক দেশপ্ৰেমেৰে এনেভাবে উদ্বুদ্ধ কৰিব যে ডাঙৰ হ'লে সিহঁতে পৰস্পৰক নিঃশেষ কৰি পেলাব। জনসংখ্যাৰ দিশৰ পৰাও আন্তৰ্জাতিক চৰকাৰ এখনৰ অতি প্ৰয়োজন হ'ব। কিয়নো তেনে চৰকাৰ এখনৰ অনুপস্থিতিত প্ৰতিখন দেশেই প্ৰয়োজনতকৈ বেছি ল'ৰা-ছোৱালী জন্ম দিয়াত উদ্‌গনি জনাব ; বৰ্তমানৰ চিকিৎসা বিজ্ঞান, ঔষধ আৰু স্বাস্থ্যকৰ পৰিৱেশৰ বাবে যেতিয়া মৃত্যুৰ হাৰ কমি যাব, তেতিয়া যুদ্ধৰ বাহিৰে অতিৰিক্ত জনসংখ্যাখিনি আঁতৰোৱাৰ আন উপায় নাথাকিব।

সামাজিক প্ৰশ্নবোৰ কঠিন আৰু জটিল, কিন্তু মোৰ মতে ব্যক্তিগত প্ৰশ্নবোৰ বৰ সৰল। যৌন সম্পৰ্কৰ লগত পাপ জড়িত আছে বুলি যি ধৰ্মীয় মতবাদ আছে, সি ব্যক্তিগত চৰিত্ৰ গঠনত অবৰ্ণনীয় অপকাৰ সাধিছে। শৈশৱ কালতে এই অপকাৰ আৰম্ভ হৈ গোটেই জীৱন ই ক্ৰিয়া কৰি যায়। যৌন প্ৰেমক বন্ধ কোঠাত আবদ্ধ ৰাখি পৰম্পৰাগত নৈতিকতাই সকলো ধৰণৰ বন্ধুত্বক ফাটেকত ভৰাই থয় আৰু মানুহক ঠেক গণ্ডীত কম দয়ালু, বেছি মদগৰ্বী আৰু নিষ্ঠুৰ কৰি তোলে। অৱশেষত যি ধৰণৰ যৌন নৈতিকতাক গ্ৰহণ কৰা হয় সি কুসংস্কাৰ মুক্ত হ'বই লাগিব আৰু ইয়াক সমৰ্থন কৰিবলৈ স্পষ্ট আৰু নিদৰ্শনযোগ্য কাৰণ থাকিব লাগিব। ব্যৱসায়, খেল-ধেমালি, বৈজ্ঞানিক গৱেষণা বা মানুহৰ যিকোনো কামৰ দৰে যৌন ক্ষেত্ৰত নীতি থাকিবই লাগিব। কিন্তু আদিম কালৰ নিষেধৰ ওপৰত ভিত্তি কৰি শিক্ষাৰ পোহৰ নোপোৱা মানুহে সৃষ্টি কৰা আওপুৰণি নীতিয়ে আমাৰ বৰ্তমানৰ এই সমাজখনৰ লগত একেবাৰেই খাপ নাখাব। অৰ্থনীতি, ৰাজনীতিৰ দৰে যৌন ক্ষেত্ৰতো আমি এক ভয়ৰ নীতিৰদ্বাৰা অৱদমিত হৈ থাকিবলগীয়া হৈছে যাক বিজ্ঞানে অমানৱীয় বুলি প্ৰমাণ কৰিছে আৰু বিজ্ঞানৰ এই আবিষ্কাৰবোৰৰ পৰা আমি যি উপকাৰ পাব লাগিছিল সেইখিনিও হেৰুৱাবলগীয়া হৈছে। কিয়নো বিজ্ঞানৰ উপকাৰবোৰ আমি মানসিকভাৱে গ্ৰহণ কৰিব পৰা নাই।

সকলো পৰিৱৰ্তনৰ দৰে পুৰণিৰ পৰা নতুনলৈ পৰিৱৰ্তন হোৱাটো এক জটিল পদ্ধতি। কোনোবাই নৈতিকতা বিষয়ত নতুন কিবা এটা চিন্তা কৰিলেই চক্ৰেটিচৰ দৰে তেওঁলোকক যুৱ শক্তিৰ মানসিকতাক বিপথে পৰিচালিত কৰা বুলি দোষাৰোপ কৰা হয়। আনহাতে নতুন নীতিক গ্ৰহণ কৰিলে পূৰ্বৰ নীতিবোৰতকৈ মানুহে বেছি লাভৱান হ'ব ; তৎসত্ত্বেও নতুনবোৰক সমালোচনা কৰিব। নতুনবোৰক সমালোচনা কৰাটো যে সদায়ে ভুল তেনে নহয়। ইচলামিক প্ৰাচ্যৰ বিষয়ে জ্ঞান থকা সকলোৱে জানে যে যিসকলে পাঁচবাৰকৈ নামাজ কৰাৰ প্ৰয়োজন নাই বুলি কয় তেওঁলোকে মানৱ জীৱনৰ উপকাৰ সাধন কৰিব পৰা আন কিছুমান নীতিও মানিব নোখোজা হয়। এতিয়া, যিজনে যৌন নীতিত পৰিৱৰ্তন আনিব খোজে তেওঁ এনেকৈয়ে ভুল ব্যাখ্যাৰ সনুখীন হ'ব লাগিব। আৰু ময়ো কেতিয়াবা তেনে কথা কোৱাটো মোৰ মনত পৰে আৰু মোকো হয়তো কোনোবাই ভুল ব্যাখ্যা দিছে।

পীউৰিটান ধৰ্মৰ পৰম্পৰাগত নীতিৰ পৰা আধুনিক নীতিৰ পাৰ্থক্যৰ মৌলিক দিশটো হ'ল ঃ প্ৰবৃত্তিৰ সৌতক ভেটা দিয়াতকৈ তাক প্ৰশিক্ষণেৰে শাঁত কৰা উচিত।

এই ধৰণে উপস্থাপন কৰিলে এই মতবাদে আধুনিক যুগৰ স্ত্ৰী-পুৰুষৰ মাজত ই প্ৰসাৰিতভাৱে গ্ৰহণযোগ্য হ'ব। কিন্তু ই এনে এক মতবাদ, যাক সম্যক অৰ্থত কম বয়সৰ পৰা প্ৰয়োগ কৰিলে সুফল পোৱা যাব। কৈশোৰত কোনো প্ৰবৃত্তিক প্ৰশিক্ষণ দিয়াৰ পৰিৱৰ্তে যদি বাধাগ্ৰস্ত কৰা হয় আৰু ফলস্বৰূপে গোটেইটো জীৱন সেই অনুভূতিক বাধাগ্ৰস্থ কৰি ৰখা হ'ব। কিয়নো, কম বয়সত ইয়াক ভেটা দিয়াৰ ফলত পিচৰ কালছোৱাত ই এক অবাঞ্ছনীয় ৰূপ ল'ব। মই প্ৰচাৰ কৰিব খোজা নীতি অনুসৰি ডেকা, বুঢ়া সকলোকে কওঁ ঃ 'তোমাৰ নিজৰ প্ৰবৃত্তিক নিজে ইচ্ছানুসৰি মানি চলিবা।' জীৱনৰ এক ধাৰাবাহিকতা থকা উচিত, আৰু তৎকালীনভাৱে উপকাৰ পোৱাৰ লক্ষ্যত উপনীত হ'বৰ বাবে ধাৰাবাহিক প্ৰচেষ্টা চলাই যোৱা উচিত; আনৰ হিতৰ বাবে চিন্তাৰ প্ৰয়োজন ; মানবিশিষ্ট ন্যায়পৰায়ণতা থকা উচিত। আত্মসংযম নিজেই এক লক্ষ হোৱাটো মই নিবিচাৰো, আৰু মই আশা কৰো আমাৰ অনুষ্ঠানৰ নৈতিক পৰম্পৰাবোৰ এনে হ'ব লাগে যে ই আমাৰ সৰ্বোচ্চ আত্মসংযমৰ ঠাইত সৰ্বনিম্ন সংযম দাবী কৰে। আত্মসংযমৰ ব্যৱহাৰ হৈছে ৰে'ল ইঞ্জিনৰ ব্ৰেক ব্যৱহাৰ কৰাৰ নিচিনা। যেতিয়াই আমি উপলব্ধি কৰো যে আমি বিপথে যাব ধৰিছো, তেতিয়া আত্মসংযমৰ দৰকাৰ। কিন্তু শুদ্ধ পথত গৈ থকা বুলি জানিও সংযম কৰাটোৱে আমাৰ অপকাৰহে কৰিব। কোনেও দাবী নকৰে যে ৰে'ল এখন চলি থকা অৱস্থাত ব্ৰেক ধৰিয়েই যাব লাগে। জটিল আত্মসংযমে বাঞ্ছনীয় কৰ্ম কৰাৰ বাবে সঞ্চিত শক্তিৰ অৱক্ষয় ঘটায়, যি শক্তিক বাহ্যিকভাৱে প্ৰয়োগ কৰি আমি উপকৃত হ'ব পাৰো। আৰু সেই কাৰণেই কেতিয়াবা প্ৰয়োজনীয় হ'লেও আত্মসংযম হৈ পৰে অনুশোচনীয়।

এজন মানুহে কি পৰিমাণে আত্মসংযম কৰাৰ প্ৰয়োজন, সেই প্ৰবৃত্তিটোক সৰু কালত কি ধৰণে ব্যৱহাৰ কৰা হৈছিল তাৰ ওপৰত নিৰ্ভৰ কৰে। এটা ষ্টীম ইঞ্জিনে নিয়মানুসাৰে চলালে যিদৰে আশা কৰা অনুসাৰে কাম কৰে আৰু অলপ হেৰফেৰ হ'লে দুৰ্ঘটনাত পতিত হয়, তেনেকৈ আমাৰ প্ৰবৃত্তিবোৰ সৰু কালত ভালকৈ ব্যৱহাৰ কৰিলে পিচৰ জীৱনত উপযোগী কাম কৰে আৰু বেয়াভাৱে ব্যৱহাৰ কৰিলে কুফল পোৱা যায়। প্ৰবৃত্তিবোৰৰ পৰা উপযোগী কাম আদায় কৰিবলৈ হ'লে তাক সুপৰিচালিত কৰাটো শিক্ষাৰ মূল কৰ্তব্য; সুপৰিচালনাবিনে পিচলৈ প্ৰবৃত্তিবোৰে পিচলৈ অপকৰ্ম কৰিবই। কম বয়সতে যদি এই কামখিনি সুকলমে হৈ যায়, সাধাৰণতে এজন পুৰুষ বা এগৰাকী নাৰীয়ে ব্যতিক্ৰমী সংঘাতৰ বাহিৰে আত্মসংযম নকৰাকৈয়ে বাঞ্ছনীয় কামবোৰ কৰি যাব পাৰে। তাৰ পৰিৱৰ্তে যদি ল'ৰালিত তাৰ প্ৰবৃত্তিক

বাধাগ্ৰস্ত কৰা হয় পিচৰ জীৱনত সি অপকাৰী কামকেই কৰিব আৰু তেনে ক্ষেত্ৰতহে মানুহে সকলো সময়তে আত্মসংযম কৰিবলগীয়াত পৰে।

এই সাধাৰণ যুক্তি বিচাৰবোৰ যৌন কামনাৰ ক্ষেত্ৰত বিশেষ ধৰণে প্ৰয়োগ কৰা হয় ; কাৰণ উক্ত কামনাবোৰ অতি প্ৰবল আৰু পৰম্পৰাগত নীতিয়ে ইয়াক আচহুৱা ধৰণে প্ৰভাবান্বিত কৰে। আটাইতকৈ পৰম্পৰাগত নৈতিকতাবাদীসকলৰ প্ৰায় সকলোৱে ভাবে যে, আমি যদি যৌন প্ৰবৃত্তিবোৰক আৰু কঠোৰভাৱে প্ৰতিৰোধ নকৰো, তেনেহ'লে প্ৰবৃত্তিবোৰ টুলুঙা, বিশৃঙ্খল আৰু স্থূল হৈ পৰে। মই বিশ্বাস কৰো যে এই মতবাদৰ সৃষ্টিকৰ্তা হ'ল সেইসকল ব্যক্তি, যিসকলক ল'ৰালি কালত নানান নিষেধাজ্ঞাই আগুৰি ৰাখিছিল, যিয়ে প্ৰাপ্তবয়স্কত সেই নিষেধাজ্ঞাবোৰ প্ৰত্যাখ্যান কৰাৰ চেষ্টা কৰি আছে, কিন্তু এইবোৰ অনুভূতিয়ে এতিয়াও ক্ৰিয়া কৰি আছে। কিন্তু তেওঁলোকে তাক প্ৰতিৰোধ কৰিব নোৱাৰে। যৌৱনৰ প্ৰাককালত শিকা কিছুমান ধাৰণা পিচলৈ অৱচেতনভাৱে গ্ৰহণ কৰা যুক্তিহীন কথাবোৰে বিবেকৰূপে পৰিগণিত হৈ এতিয়াও তেওঁলোকৰ মনত এনে ধাৰণা দিয়ে যে ৰীতি-নীতিয়ে বাৰণ কৰা জ্ঞান, কৰ্ম ভুল আৰু এই ধৰণৰ অনুভূতিবোৰ বৌদ্ধিক যুক্তি বিচাৰে, বিৰোধিতা কৰিলে মানুহৰ মনত লাগিয়েই থাকে। ইয়েই দ্বি-বিভক্ত ব্যক্তিত্বক সৃষ্টি কৰে যি ব্যক্তিত্বত প্ৰবৃত্তি আৰু যুক্তিৰ ঐক্যতান নাই ; বৰং তাত প্ৰবৃত্তি হয় পাতল বিধৰ আৰু যুক্তি অতি দুৰ্বল। বৰ্তমান আধুনিক জগতত পৰম্পৰাগত শিক্ষাৰ বিৰুদ্ধে বিভিন্ন শক্তিশালী আন্দোলন গঢ়ি উঠা দেখা যায়। তাৰ ভিতৰত আটাইতকৈ সাধাৰণ বিপ্লৱটো হ'ল সেইজন ব্যক্তিৰ, যিয়ে তেওঁৰ ল'ৰালিত পোৱা নৈতিকতাৰ প্ৰকৃত সত্যক স্বীকৃতি দিয়ে, কিন্তু লগতে এক অস্পষ্ট অনুশোচনা প্ৰদৰ্শন কৰি স্বীকাৰ কৰে যে তেনে নৈতিকতাৰ লগত খাপ খুৱাই চলাৰ সাহস নাই। তেনে ব্যক্তিৰ বিষয়ে ক'বলৈ একো নাই। তেনে পৰিস্থিতিত তেওঁ হয় তেওঁৰ সৌত্ৰিক ধাৰণা বা বিশ্বাসক এনেদৰে পৰিৱৰ্তন কৰিব লাগে যাতে দুয়োটাৰ মাজত ঐক্যতান গঢ়ি উঠে। আৰু এক ব্যক্তি আছে যাৰ চেতন যুক্তিয়ে নাৰ্ছাৰী স্কুলত শিকা নীতিবোৰক প্ৰত্যাখ্যান কৰে, কিন্তু অৱচেতন মনে তাক সম্পূৰ্ণৰূপে গ্ৰহণ কৰে। তেনে এক ব্যক্তিয়ে প্ৰবল আৱেগৰ হেঁচাত, বিশেষকৈ ভয়ৰ চাপত, হঠাতে স্বভাৱ পৰিৱৰ্তন কৰে। কোনো ডাঙৰ অসুস্থতাই বা ভূমিকম্পই তেওঁৰ শৈশৱৰ বিশ্বাসবোৰক আঘাত কৰাৰ ফলস্বৰূপে তেওঁ অনুতপ্ত হয় আৰু তেওঁৰ বৌদ্ধিক মীমাংসোক দলিয়াই পেলায়। স্বাভাৱিক অৱস্থাতো তেওঁৰ ব্যৱহাৰ বাধাগ্ৰস্ত হয় আৰু সেই বাধাগ্ৰস্ত

মানসিকতাই কেতিয়াবা অবাঞ্ছনীয় ৰূপ ধাৰণ কৰিব পাৰে। পৰম্পৰাগত নীতিয়ে ঘিণ কৰা কামতো তেনে মানসিকতাই বাধা নিদিয়ে, কিন্তু লগতে তেনে কাম কৰাত সৰ্বান্তঃকৰণে বাধা দিয়ে ; আৰু তেতিয়া তেওঁৰ কৰ্মৰ মূল্যবান অংশটোও তেওঁ নকৰাকৈ এৰি পেলায়। তেনে পৰিস্থিতিত পুৰণি নৈতিকতাক এৰি দি নতুন নৈতিকতা গ্ৰহণ কৰিলেও সি কেতিয়াও সন্তোষজনক নহয় ; যদিহে তেওঁৰ সমস্ত সত্বাই নতুন নৈতিকতাক গ্ৰহণ কৰি নলয়। যিসকল লোক শৈশৱৰ সমস্ত কালছোৱাত পুৰণি নৈতিকতাৰ দ্বাৰা প্ৰভাৱান্বিত হয়, তেনে লোকৰ সৰহভাগৰ বাবেই ই কঠিন ৰূপ লয়। গতিকে যিকোনো নৈতিক ধাৰা এটা ল'ৰালিৰ পৰা প্ৰয়োগ কৰা নহ'লে সেই ধাৰাটোৰ প্ৰকৃত মূল্যায়ন অসম্ভৱ হৈ পৰে।

যৌন নীতি বিশেষ কেইটামান সূত্ৰৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগে ; ইয়াত সৰহসংখ্যক মানুহৰে সহমত থাকিলেও তাৰ ফলাফলৰ ওপৰত মতানৈক্য আছে। প্ৰথমে নিশ্চিত হ'ব লাগিব যে পুৰুষ আৰু নাৰীৰ মাজত যথাসম্ভৱ এক গভীৰ আৰু নিষ্ঠাৰ ভালপোৱা গঢ়ি উঠিব লাগে, যিয়ে দুয়োৰে সমস্ত সত্তাক আঁকোৱালি লয় আৰু দুয়োৰে মাজত এনে একত্ববোধৰ সৃষ্টি কৰে যে পৰস্পৰৰ মূল্য উত্তোলিত কৰে। দ্বিতীয় গুৰুত্বপূৰ্ণ কথাটো হ'ল যে তেওঁলোক দুয়োৰে শাৰীৰিক আৰু মানসিক দিশৰ উপযুক্ত তত্ত্বাৱধান ল'ব লাগে। এই দুয়োটা আদৰ্শৰ কোনো এটাৰে মানুহক চকিত কৰাকৈ আলোচনা কৰিব নোৱাৰি, হ'লেও এই দুই সূত্ৰৰ ফলাফলক লৈ মই পৰম্পৰাগত নীতিক কিছু সংশোধন কৰাৰ পক্ষপাতী। জীৱনৰ প্ৰথমছোৱাত ল'ৰা-ছোৱালীৰ জীৱন নানান নিষেধে ধূসৰিত নকৰিলে প্ৰাপ্ত বয়সত পৰস্পৰক সৰ্বান্তঃকৰণে ভাল পাই বৈবাহিক জীৱন সুখৰ কৰি তুলিব পাৰে ; কিন্তু শৈশৱত সেইটো হৈ নুঠাৰ ফলত নাৰী, পুৰুষৰ কোনেও তেনেদৰে ভাল পোৱাটো সম্ভৱপৰ নহয়। হয় তেওঁলোকৰ প্ৰয়োজনীয় অভিজ্ঞতা নাই বা তেওঁলোকে ইয়াক চুৰি আৰু অবাঞ্ছনীয় পথেৰে আয়ত্ব কৰিছে। তাৰোপৰি নৈতিকতাবাদীসকলে যিহেতু ঈৰ্ষাৰ সৃষ্টি কৰিছে, সেই ঈৰ্ষাই দুয়োকে দুখন মানসিক জেলত আবদ্ধ কৰি ৰাখিছে। ইয়াৰ এটা ভাল দিশ হ'ল যে এহাল স্বামী-স্ত্ৰীয়ে যেতিয়া সৰ্বান্তঃকৰণে পৰস্পৰক ভাল পায়, তাত বিশ্বাসঘাতকতাৰ ভয় মুঠেই নাথাকে ; কিন্তু বিশ্বাসঘাতকতা যেতিয়া ঘটি যায় তাক আতঙ্কৰ দৃষ্টিৰে চোৱাটো বৰ বেয়া কথা। তেনেকৈ বিপৰীত লিঙ্গৰ আন কাৰোবাৰ লগত বন্ধুত্ব কৰাটো অসম্ভৱ বোলা কথাটোও অবাঞ্ছনীয়। ভয়, নিষেধ আৰু এজনৰ স্বাধীনতাত আনজনৰ হস্তক্ষেপে কেতিয়াও সুস্থ জীৱনৰ ভেটি গঢ়ি

তুলিব নোৱাৰে। সেইবোৰ বাদ দি যদি বিশ্বস্ততা বজাই ৰাখিব পৰা যায় বৰ ভালৰেই কথা। জোৰ কৰি যদি বিশ্বস্ততা গঢ়ি তুলিবলগীয়া হয়, তেতিয়া তাৰ বাবে বহুত মূল্য দিবলগীয়া হয় ; কোনো সংযোগত কাৰোবাৰ অলপ স্খলন হ'লেও পৰস্পৰৰ অলপ সহিষ্ণুতা থকাটো শ্ৰেয়। কেতিয়াবা দৈহিক বিশ্বস্ততা থকাৰ পিছতো পাৰস্পৰিক ঈৰ্ষাই বৈবাহিক জীৱন বিষময় কৰি তোলে, তাৰ পৰিৱৰ্তে যদি মধুৰ আৰু স্থায়ী ভালপোৱা থাকে তাৰ শক্তিয়ে পৰস্পৰৰ মাজত সৰল বিশ্বস্ততাৰ সৃষ্টি কৰে।

নিজকে গুণৱান বুলি ভবা অনেক ব্যক্তিয়েও ল'ৰা-ছোৱালীৰ প্ৰতি পিতৃ-মাতৃৰ গভীৰ দায়িত্বক বহুত গুৰুত্বহীনভাৱে লয়। বৰ্তমানৰ দ্বি-পিতৃ-মাতৃক পৰিয়ালত যেতিয়াই ল'ৰা-ছোৱালীৰ জন্ম হয় তেতিয়াৰ পৰা বিবাহপাশত বান্ধ খোৱা দুয়োপক্ষই এনেকুৱা কাম কৰিব লাগে যে দুয়োৰে মাজত এক সৌহাৰ্দপূৰ্ণ সম্বন্ধ চলি থাকে। ইয়াৰ বাবে কেতিয়াবা কঠোৰ আত্মসংযমৰ প্ৰয়োজন হৈ পৰে। পৰম্পৰাগত নৈতিকতাবাদীসকলে ভবাৰ দৰে সেই সংযম কিন্তু বিশ্বাসঘাতকতাৰ প্ৰবৃত্তিক মাত্ৰ সংযম কৰা নুবুজায়; সেই সংযম হ'ব লাগিব ঈৰ্ষা, ক্ৰোধ, প্ৰভুত্ব আদি প্ৰবৃত্তিৰ ওপৰত প্ৰকৃত সংযম। সন্দেহ নাই যে পিতৃ-মাতৃৰ মাজৰ গভীৰদ্বন্দ্বই সন্তানৰ মনত স্নায়ৱিক বিশৃঙ্খলতাৰ সৃষ্টি কৰে ; গতিকে তেনে দ্বন্দ্বক কি উপায়েৰে প্ৰতিৰোধ কৰিব পৰা যায়, সম্ভাব্য সকলোখিনি কৰাটো শ্ৰেয়। লগতে ইয়াকো কৈ থওঁ যে ল'ৰা-ছোৱালীয়ে আগতে জনাৰ তেনে দ্বন্দ্ব ৰোধ কৰাটো শ্ৰেয়। যেতিয়া এক বা দুয়ো পক্ষৰে আত্মসংযম হেৰাই যায় তেতিয়া বিবাহ বিচ্ছেদ হোৱাই ভাল। যি নহ'লেও ল'ৰা-ছোৱালীৰ স্বাৰ্থৰ খাতিৰত বিবাহ বিচ্ছেদ সকলো দিশৰ পৰা অপকাৰী। তথাপি, পিতৃ-মাতৃয়ে পৰস্পৰক গালা-গালি কৰা, দোষাৰোপ কৰা, মাৰপিট পৰ্যন্ত কৰা ল'ৰা-ছোৱালীয়ে প্ৰত্যক্ষ কৰাতকৈ বিবাহ বিচ্ছেদেই শ্ৰেয়। স্বামী-স্ত্ৰীৰ মাজৰ কাজিয়া, মাৰপিট নিঃসন্দেহে বেয়া পৰিয়ালৰেই লক্ষণ।

আমি ধৰি ল'ব নোৱাৰো যে উচ্চ স্তৰৰ স্বাধীনতা কামনা কৰা ব্যক্তি এজনে কঠোৰ আৰু বাধা প্ৰদানকাৰী নৈতিকতাবাদীসকলে দিয়া শিক্ষাৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা তেওঁৰ কৈশোৰ আৰু যৌৱন ত্যাগ কৰি তেওঁৰ কাম্য স্বাধীনতা উপলব্ধি কৰিব পাৰিব। কিয়নো নৈতিকতাবাদীসকলে অৱচেতন মনৰ দলৈকে শিপাই যোৱাকৈ দিয়া সেই নীতিবোৰ আনৰ সহায় নোলোৱাকৈ শিপা উভালি পেলাব পৰাটো আশা কৰিব নোৱাৰি। পুৰণিবোৰ ত্যাগ কৰাৰ এইটো উপযুক্ত পৰিস্থিতি, কিয়নো পুৰণিবোৰ

মনৰ পৰা নাতৰোৱাকৈয়ে তেওঁলোকে তেওঁলোকৰ ল'ৰা-ছোৱালীক ডাঙৰ-দীঘল কৰিবলৈ হ'লে ল'ৰা-ছোৱালীবোৰো তেওঁলোকৰ দৰেই বেয়া হৈ যাব; কিন্তু ই এটা পৰিণতিহে। অতি কম বয়সৰ পৰাই সুস্থ স্বাধীনতা জনাটো অত্যাৱশ্যকীয়। তাকে নকৰিলে স্বাধীনতাৰ বাবে স্বাধীনতাহে তেওঁলোকে পাব পাৰে— সমস্ত সত্তাক জুৰি লোৱা স্বাধীনতা নহয়। তেওঁলোকে পোৱা স্বাধীনতা হ'ব ধেমেলীয়া, টুলুঙা স্বাধীনতা। টুলুঙা প্ৰবৃত্তিয়ে আত্মাক শৃঙ্খলিত ৰাখিয়েই দৈহিক সন্তুষ্টিক উতলাই ৰাখিব। শুদ্ধ পথেৰে পৰিচালিত প্ৰবৃত্তিয়ে মৌলিক পাপত বিশ্বাস কৰা কেলভিনীষ্টসকলৰ শিক্ষাৰে শিক্ষিত মানুহতকৈ বহুত শ্ৰেয় কাম কৰিব পাৰে; কিন্তু কেলভিনীষ্ট শিক্ষাৰে শিক্ষিত মানুহক এবাৰ কুকৰ্ম কৰিবলৈ এৰি দিলে পিচৰ বয়সত তেওঁলোকক ঘূৰাই অনাটো যথেষ্ট জটিল। মনোবিশ্লেষণে কৰা আটাইতকৈ গুৰুত্বপূৰ্ণ আৱিষ্কাৰ হৈছে যে তেনেই শৈশৱ কালৰ নিষেধাজ্ঞাবোৰ আৰু ভয়ে অপকাৰী ফল ধৰিবই ; তাৰ প্ৰভাৱৰ পৰা মুক্ত হ'বলৈ হ'লে দীৰ্ঘদিনীয়া সময় আৰু মনোবিশ্লেষনীয় কাৰিকৰী আহিলাৰ প্ৰয়োজন। এই চিকিৎসা যে অকল বাহ্যিকভাৱে দেখা দিয়া স্নায়ৱীয় ৰোগীৰ বাবেহে প্ৰয়োজন তেনে নহয়, ই স্বাভাৱিক মানুহৰ বাবেও প্ৰয়োজনীয়। মোৰ বিশ্বাস পৰম্পৰাগত নীতিৰ প্ৰভাৱত ডাঙৰ-দীঘল হোৱা প্ৰতি দহজনৰ নজনেই যৌন উপভোগ আৰু বিয়াক সুস্থ আৰু সুন্দৰ ৰূপত গ্ৰহণ কৰিবলৈ অসমৰ্থ। যি দৃষ্টিভঙ্গী আৰু ব্যৱহাৰক মই শ্ৰেষ্ঠ বুলি ক'ব খুজিছো তাক গ্ৰহণ কৰাৰ বাবে, এই মানুহবোৰক অক্ষম কৰি তোলা হৈছে। এতিয়া আমি এটাই শ্ৰেষ্ঠ কাম কৰিব পাৰো আৰু সেইটো হৈছে— এই মানুহবোৰৰ সুপ্ৰবৃত্তিক কেনেকৈ বিনষ্ট কৰি পেলাইছে সেই সম্পৰ্কে তেওঁলোকক সচেতন কৰাটো, যাতে তেওঁলোকে তেওঁলোকৰ ল'ৰা-ছোৱালীক তেওঁলোকক ঘুণীয়া কৰা শিক্ষা পদ্ধতিয়ে ঘুণীয়া কৰি নেপেলায়।

মই শিকাব খোজা মূল মন্ত্ৰটো সকলো ধৰণৰ কামৰ বাবে মানুহক দিয়া অনুজ্ঞাপত্ৰ (লাইচেঞ্চ) নহয় ; ই পৰম্পৰাগত শিক্ষাৰ প্ৰায় সমপৰিমাণৰ আত্মসংযম। কিন্তু উক্ত আত্মসংযম ব্যৱহৃত হ'ব নিজক নিয়ন্ত্ৰণ কৰাতকৈ আনৰ স্বাধীনতাত হস্তক্ষেপ কৰাৰ স্পৃহাক নিয়ন্ত্ৰণ কৰাটোতহে। জীৱনৰ আৰম্ভণিৰ পৰাই শুদ্ধ শিক্ষা পালে আনৰ ব্যক্তিত্ব আৰু স্বাধীনতাক সন্মান কৰিব পৰাটো তুলনামূলকভাৱে সহজ হৈ পৰিব বুলি নিশ্চয় আশা কৰিব পৰা যায় ; কিন্তু আমি যিসকলে সৎ চৰিত্ৰৰ নামত আনৰ স্বাধীনতা বা কামত বাধা দিয়াত আমাৰ অধিকাৰ আছে বুলি বিশ্বাস

কৰাৰ মানসিকতাৰে শিক্ষা পাইছো, তেনেবোৰ মানুহৰ বাবে আনক শাস্তি দিয়াৰ প্ৰৱণতা ত্যাগ কৰাটো নিসন্দেহে কঠিন হ'ব পাৰে। আনকি অসম্ভৱো হ'ব পাৰে। কিন্তু যিসকল আৰম্ভণিৰ পৰাই কম সংযমী নৈতিকতাৰে শিক্ষিত তেওঁলোকৰ বাবে অসম্ভৱ নহ'ব বুলি ধৰি ল'ব পৰা যায়। এক সুস্থ, সুখী দাম্পত্য জীৱনৰ মৌলিক প্ৰয়োজন হৈছে দৈহিক, মানসিক আৰু আধ্যাত্মিকভাৱে গভীৰ অন্তৰঙ্গতা সহিতে স্বামী-স্ত্ৰী দুয়ো দুয়োৰে ব্যক্তিত্বক সন্মান কৰাটো ; তেতিয়াহে এহাল স্ত্ৰী-পুৰুষৰ মাজৰ গভীৰ প্ৰেম মানৱ অভিজ্ঞতাৰ শ্ৰেষ্ঠ ফলাফল পাব পৰা যায়। আন সকলো মহান, অমূল্য কামৰ দৰে তেনে প্ৰেমে স্বকীয় নৈতিকতাৰ দাবী কৰে; তেনে প্ৰেমে মহত্বৰ বেদীত লঘু ত্যাগ কৰি মানৱ জীৱনৰ মহতিকৰণ সাধন কৰে। অৱশ্যে সেই ত্যাগ হ'ব লাগিব স্বেচ্ছাকৃত, তেতিয়াহ'লেহে মহৎ উদ্দেশ্যৰ বাবে লঘু ত্যাগ কৰিব পৰা যায়। সেই ত্যাগ যদি স্বেচ্ছাকৃত নহয়, তেতিয়াহ'লে যি প্ৰেমৰ বেদীত ত্যাগ পুষ্প অৰ্পণ কৰা হৈছে, সেই প্ৰেমৰ বেদীটোৱেই বিনষ্ট হয়।

* * *